ASSAMESE / ASAMIYA [INDIA] TRANSLATION

# THE QUR'ĀN




DONATE QURAN

www.donatequran.com

১ম পাৰা ঃ ছুৰা - ১

# সুচনা বা উদঘাটিকা

*(আল ফাতিহাহ্)*

মক্কাত অৱতীৰ্ণ

## পৰিচিতি

ছুৰা ফাতিহাহ বা উদঘাটিকাৰ দ্বাৰাই আল-কুৰআনৰ দুৱাৰ মুকলি কৰা হৈছে। ইয়াৰ "বাৰে বাৰে পঢ়িবলৈ সাতোটি" আয়াত (কুৰআন ১৫:৮৭) নামাজৰ প্ৰতি ৰাকাতত প্ৰত্যেক দিনেই বহুবাৰ পঢ়া হৈ থাকে। ইয়াকে আৰু কোৱা হয় "উম্মুল কিতাব" বা কুৰআনৰ সাৰবত্তা, কাৰণ কুৰআনৰ সাৰগৰ্ভ বাণী ইয়াত নিহিত আছে।

আল-কুৰআনৰ ৰচয়িতাই নিজৰ পৰিচয় দিবলৈ গৈ প্ৰথমেই কৈছে যে তেওঁৰ নাম "আল্লাহ"। তাৰ পাচত তেওঁৰ পৰিচিতি বৰ্ণনা কৰোঁতে কৈছে যে তেওঁ সমুদায় বিশ্ব জগতৰ 'ৰব্ব' বা সৃষ্টিকৰ্তা। ইয়াৰ পাচত কৈছে যে তেওঁ 'ৰহমান' অৰ্থাৎ সেই সৃষ্টজগতৰ লালন-পালনৰ সকলো উপকৰণ প্ৰদানকাৰী। তাৰ পিছত কৈছে তেওঁ 'ৰহীম' অৰ্থাৎ বিশ্ববাসীৰ প্ৰত্যেকৰে কৰ্মপ্ৰচেষ্টাৰ ফলদাতা। লগে লগে কৈছে তেওঁ 'মালিক' বা প্ৰত্যেকৰে ভাল-বেয়া ক্ৰিয়াকলাপৰ সুবিচাৰক।

আল্লাহে নিজৰ এই পৰিচয় দি নিজগুণে নিজৰ পৰাই মানুহক শিকাই দিছে যে মানুহে যেন কেৱল তেওঁৰেই আৰাধনা কৰে আৰু তেওঁৰেই ওচৰত নিজৰ আশা-আকাংক্ষা আৰু সাহায্য সহায়তাৰ কাৰণে হাত আগবঢ়ায়। নিজৰ জীৱনৰ চলাৰ পথ যেন সহজ সুগম হয়, পিছল ভ্ৰান্ত পথৰ পৰা উদ্ধাৰ কৰি মানুহৰ প্ৰতি যেন আল্লাহে তেওঁৰ কৰুণা বৰ্ষণ কৰে।

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ

**আল্লাহৰ ওচৰত আমি আশ্ৰয় বিচাৰিছো ভ্ৰষ্ট চয়তানৰ** (প্ৰৰোচনাৰ) **পৰা** (যি জিন্, পশু বা মানুহ আকাৰে আমাৰ মাজত বিচৰণ কৰে আৰু সমাজত পাপাচাৰ, অনাচাৰ আৰু অৰাজকতা সৃষ্টি কৰি থাকে)।

### বিছমি-ল্লাহি-ৰ ৰাহ্মানি-ৰ ৰাহীম

**আল্লাহৰ নাম লৈ** (আৰম্ভ কৰিছো), (যিজন) **ৰহমান** (— পৰম কৰুণাময়, যিজনে সমুদায় সৃষ্টিৰ ৰক্ষণাবেক্ষণৰ কাৰণে লাগতিয়াল সকলো ব্যৱস্থা আগেভাগেই কৰি ৰাখিছে), (আৰু যিজন) **ৰহীম** (—অফুৰন্ত ফলদাতা, যিজনে সকলৰ সকলো শুভ প্ৰচেষ্টাৰ সুফল দি থাকে)।

**১ সকলো প্ৰশংসা** (আৰু মহিমাকীৰ্তন বা নামগান) **আল্লাহৰ প্ৰাপ্য,** (কিয়নো তেওঁ) **সমুদায় সৃষ্টজগতৰ ৰব্ব** (বা প্ৰভু, অৰ্থাৎ সৃষ্টিকৰ্তা আৰু পালনকৰ্তা, যিজনে সকলো বিষয়বস্তু আৰু জীৱ-জন্তু, স্বৰ্গ-মৰ্ত্য-পাতালত সৃষ্টি কৰি সেইবিলাকক ক্ৰমাত উন্নীত কৰি চলিছে আৰু শ্ৰেষ্ঠতম সৃষ্টিৰূপে মানুহ সৃজন কৰিছে)।

**২** (তেওঁ) **ৰহমান** (যিজনৰ অসীম মৰম আৰু চেনেহ সমস্ত সৃষ্ট জগতৰ প্ৰতি আপোনা-আপুনি বৰ্ষিত হৈ থাকে; আৰু তেওঁ যেনে পাৰ্থিৱ ৰিযেক হিচাবে আলোক-বতাহ-খাদ্য-পানীয় সকলোৰে কাৰণে সৰবৰাহ কৰিছে, তেনেকৈ মানুহৰ আধ্যাত্মিক ৰিযেকৰূপে ৰছুলসকলৰ যোগেদি তেওঁৰ প্ৰত্যাদেশ পঠিয়াইছে); (আৰু তেওঁ) **ৰহীম** (যাৰ অফুৰন্ত দয়াত প্ৰতিটো জীৱ জন্তুৰ অতি সাধাৰণ শুভ প্ৰচেষ্টাও বিৰাটভাৱে ফলদায়ক হৈ উঠে)।

**৩** (তেওঁ) **বিচাৰকালৰ** (তথা কৰ্মফলৰ) **মালিক** (বা ৰাজাধিৰাজ, ফলত তেওঁ মানুহৰ প্ৰতিটো ক্ৰিয়াকৰ্মৰ পুঙ্খানুপুঙ্খ সুবিচাৰ কৰি থাকে; আৰু যিহেতু তেওঁ নিজে 'মালিক' বা হৰ্তা-কৰ্তা-বিধাতা, সেইকাৰণে তেওঁ সৎকৰ্মীৰ পুৰস্কাৰ যেনেকৈ বহুগুণে বঢ়াই দিব পাৰে তেনেকৈ পাৰে পাপী-তাপীৰ অপৰাধ নিজগুণে ক্ষমা কৰিবলৈ; আৰু সেইবাবে তেওঁ যিশুৰ ৰক্ততৰ্পণ বা অইনৰ নৈবিদ্যিদান তথা মানত বা লিল্লাহ-খয়ৰাতৰ প্ৰত্যাশী নহয়)।

**৪** (মোৰ এই পৰিচয় পোৱাৰ ফলত তোমালোকে কোৱা— "হে প্ৰভু! কেৱলমাত্ৰ) **তোমাৰেই আমি এবাদত** (বা উপাসনা) **কৰিছো,**

আৰু (ঠাকুৰ-দেৱতাৰ ওচৰত প্ৰণিপাত নকৰি বা পীৰ-মুৰচিদৰ ভৰিত হাত নিদি কেৱল) **তোমাৰেই ওচৰত আমি সাহায্য প্ৰাৰ্থনা কৰোঁ।**

**৫ ‘‘আমাক তুমি** (অতিভক্তি আৰু অবিশ্বাস— এই দুই চৰম পথৰ পৰা ৰক্ষা কৰি) **সহজ-সঠিক** (তথা মধ্যম) **পথত পৰিচালিত কৰা** (যাতে আমি সৎপথত থাকি এই পৃথিৱীতেই স্বৰ্গৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰো)—

**৬ ‘‘তেওঁলোকৰ পথত, যিসকলৰ প্ৰতি তুমি নিয়ামত** (বা অনুগ্ৰহ, বিশেষকৈ তোমাৰ বাণী) **অৰ্পণ কৰিছা** (আৰু নবী-ৰছুলৰূপে যিসকলে আমাৰ পথপ্ৰদৰ্শক হৈছে)।

**৭ ‘‘সিবিলাকৰ** (পথ) **ব্যতিৰেকে যিবিলাকৰ প্ৰতি** (তোমাৰ) **গযব** (বা ক্ৰোধ) **আহিছে** (যেনেকৈ ইহুদীসকল, যিসকলে ঈছা-মছীহক অস্বীকাৰ কৰিছিল), **আৰু সিবিলাকৰো নহয় যিবিলাক পথভ্ৰষ্ট** (যেনেকৈ খ্ৰীষ্টানসকল— যিসকলে অতি-ভক্তিৰ ফলত ঈছা-মছীহক খোদাৰ পৰ্যায়লৈ উঠাই লৈছে)।’

ছুৰা - ২

# চেঁউৰী-গাই

*(আল বাক্বাৰাহ্ : ৬৭)*

মদীনাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** আলিফ লাম মীম।

**২** এই গ্ৰন্থ— ইয়াত কোনো সন্দেহ নাই— মুত্তকীসকলৰ কাৰণে (এইখন) পথ প্ৰদৰ্শক।

**৩** (মুত্তকী বা ধৰ্মপৰায়ণ এওঁলোক) যিসকলে গায়েবত (বা অদৃশ্য তথা নিৰাকাৰ আল্লাহত) বিশ্বাস ৰাখে; আৰু নামায কায়েম কৰে; আৰু আমি তেওঁলোকক যি ৰিযেক দিছো তাৰ পৰা তেওঁলোকে খৰচ কৰে।

**৪** আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওচৰত যি সমস্ত (বাণী) অৱতাৰণ কৰা হৈছে তাত যিসকলে বিশ্বাস ৰাখে, আৰু তোমাৰ পূৰ্ববতী সকলৰ ওচৰতো যি অৱতাৰণ কৰা হৈছে তাতো (যিসকলে বিশ্বাস কৰে); আৰু আখেৰাত সম্বন্ধে যিসকলে নিজে দৃঢ় বিশ্বাস ৰাখে।

**৫** (ইছলামৰ এই পাঁচটা মৌলিক শিক্ষাৰ অনুগামী) এওঁলোকেই তেওঁলোকৰ প্ৰভুৰ ফালৰ পৰা (প্ৰাপ্ত) হেদায়তৰ ওপৰত (প্ৰতিষ্ঠিত হয়); আৰু এওঁলোকে নিজেই হৈছে (ইহকাল আৰু পৰকালত) সফলকাম।

**৬** অৱশ্যে যিসকলে অবিশ্বাস পোষণ কৰে, সিহঁতক তুমি সতৰ্ক কৰা বা সিহঁতক সতৰ্ক নকৰা সেইসকলৰ ওচৰত সকলো সমান, সিহঁতে (একোতেই) বিশ্বাস নকৰিব।

**৭** আল্লাহে সিহঁতৰ হৃদয়ত মোহৰ মাৰি দিছে আৰু (সেইকাৰণে) সিহঁতৰ কানতো (মোহৰ মাৰি দিয়া হৈছে); আৰু সিহতৰ চকুৰ ওপৰত পৰ্দা (আঁৰি দিয়া হৈছে), ফলতে সিহঁতৰ কাৰণে (নিৰ্ধাৰণ কৰা) আছে কঠোৰ শাস্তি।

**পৰিচ্ছেদ - ২**

**৮** আৰু মানুহবিলাকৰ ভিতৰত (মুনাফিকসকলৰ) কোনো কোনোৱে কয়—“আমি আল্লাহৰ প্ৰতি আৰু আখেৰাতৰ প্ৰতি ঈমান আনিছো”, অথচ সিহঁত (প্ৰকৃততে) মুমিনসকলৰ ভিতৰত নহয়।

**৯** সিহঁতে আল্লাহ আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ লগত প্ৰতাৰণা কৰি আছে। কিন্তু (দৰাচলতে) সিহঁতে প্ৰতাৰণা কৰিছে নিজৰ বাহিৰে আনক নহয়, অথচ সিহঁতে (এই মূৰ্খামী) বুজিব নোৱাৰে।

**১০** সিহঁতৰ অন্তৰত (ঈৰ্ষা-বিদ্বেষৰূপী) বেমাৰ (সৃষ্টি) হৈছে, গতিকে আল্লাহে সিহঁতৰ কাৰণে (বেমাৰ আৰু) বঢ়াই দিছে; আৰু সিহঁতৰ কাৰণে ৰৈছে বেদনাদায়ক শাস্তি, কিয়নো সিহঁতে মিছাহে কৈ আছে।

**১১** আৰু যেতিয়াই সিহঁতক কোৱা হয়— “তোমালোকে দুনিয়াত গণ্ডগোল সৃষ্টি নকৰিবা”— সিহঁতে (প্ৰত্যুত্তৰত) কয়— “দৰাচলতে আমি শান্তিকামী।”

**১২** (মুছলিমসকলৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱাৰ কাৰণে) সিহঁত নিজেই নিশ্চয়কৈ গণ্ডগোল সৃষ্টিকাৰী নহয়নে? কিন্তু সিহঁতে বুজিব নোৱাৰে।

**১৩** আৰু যেতিয়া সিহঁতক কোৱা হয়— “তোমালোকেও ঈমান আনা যেনেকৈ (আন) মানুহবোৰে ঈমান আনিছে”, সিহঁতে ক’লে— “আমিও বিশ্বাস কৰিমনে যেনেকৈ মূৰ্খবিলাকে বিশ্বাস কৰিছে?” (দৰাচলতে) সিহঁত নিজেই জানো নিসন্দেহে (সকলোতকৈ বেচি) মূৰ্খ নহয়নে? কিন্তু সিহঁতে (কাৰ্যত একোৱেই) নাজানে।

**১৪** আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ সৈতে যেতিয়া সিহঁত মিলিত হয় তেতিয়া কয়---‘আমি ঈমান আনিছো।’ আকৌ যেতিয়া সিহঁত সিহঁতৰ চয়তানবিলাকৰ লগত নিৰিবিলি হয় তেতিয়া কয়— “আমি নিশ্চিয়কৈ তোমালোকৰেই লগত; (মুছলিমসকলৰ লগত) আমি কেৱল মস্কৰাহে কৰিছিলো।”

**১৫** আল্লাহে সিহঁতৰ প্ৰতি মস্কৰা ঘূৰাই পঠায়, আৰু সিহঁতৰ অন্যায় ক্ৰিয়াকলাপৰ মাজত পাকঘূৰণি খাবলৈ সিহঁতক এৰি দিয়ে।

**১৬** ইহঁতেই সিহঁত যিসকলে পথনিৰ্দেশৰ সলনি পথভ্ৰষ্টতা কিনি লৈছে, গতিকে সিহঁতৰ ব্যৱসায়ে লাভ আনিব নোৱাৰে, আৰু সিহঁত সৎপথপ্ৰাপ্তও নহয়।

**১৭** সিহঁতৰ উপমা হৈছে (মুহাম্মদ-ছাঃ-ৰ নিচিনা) এজনৰ উদাহৰণৰ দৰে যিজনে (কুৰআনৰূপী) প্ৰদীপ জ্বলালে; কিন্তু যেতিয়া ইয়াৰ চাৰিওকাষৰ সকলো ই আলোকিত কৰিলে তেতিয়া আল্লাহে সিহঁতৰ (চকুৰ) পোহৰ গুছাই নিলে আৰু সিহঁতক এৰি দিলে ঘোৰ অন্ধকাৰত, সেইকাৰণে সিহঁতে (একোৱেই) দেখা নাপায়।

**১৮** (সিহঁতৰ ব্যাধি হ'ল) ক'লা, বোবা (আৰু) অন্ধত্ব, গতিকে সিহঁত (সৎপথলৈ) ঘূৰি আহিব নোৱাৰে।

**১৯** অথবা (সিহঁতৰ উপমা) আকাশৰ পৰা অহা ধুমুহা বৰষুণৰ দৰে— তাৰ মাজত আছে ঘোপমৰা আন্ধাৰ আৰু বজ্ৰপাত আৰু বিজুলীৰ চমক। (যিবিলাকে ইছলামৰ উন্নতি সহ্য কৰিব নোৱাৰে) সিহঁতে সিহঁতৰ গোটা আঙুলিবোৰ চেপি ধৰে সিহঁতৰ কাণৰ ভিতৰত বজ্ৰৰ শব্দত মৰাৰ ভয়ত। কিন্তু আল্লাহে অবিশ্বাসীসকলক আবৰি ধৰে (সেই কাৰণে সিহঁতে পলাবৰ পথ নাপায়)।

**২০** বিদ্যুতৰ চিকমিকনিয়ে সিহঁতৰ দৃষ্টি প্ৰায় চিঙি নিছিলি। যিমান বাৰেই সিহঁতৰ কাৰণে ই ঝিলিক দিয়ে সিহঁতে ইয়াৰ মাজত (মুছলিমসকলৰ সৈতে) খোজ কাঢ়ে; আৰু যেতিয়া সিহঁতৰ ওপৰত অন্ধকাৰ নামি আহে, সিহঁতে (মুছলিমৰ লগত খোজ মিলাই চলিলে বিপদত পৰাৰ আশংকা কৰি) থিয় দি ৰয়। অথচ আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেওঁ নিশ্চয় সিহঁতৰ শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তি লৈ যাব পাৰিলেহেঁতেন। নিশ্চয়কৈ আল্লাহ সকলো বস্তুৰ ওপৰত সৰ্বশক্তিমান।

## পৰিচ্ছেদ - ৩

**২১** হেৰা মানৱজাতি! তোমালোকে তোমালোকৰ প্ৰভুৰ উপাসনা কৰা, যিজনে তোমালোকক সৃষ্টি কৰিছে আৰু তোমালোকৰ পূৰ্ববৰ্তী সকলকো (সৃষ্টি কৰিছে) যাতে তোমালোকে (মুত্তকী হৈ) ধৰ্মপৰায়ণতা অৱলম্বন কৰা।

**২২** (তেৱেঁই তোমালোকৰ প্ৰভু) যিজনে তোমালোকৰ নিমিত্তে পৃথিৱীখনক দলিচা (স্বৰূপে) বনাইছে আৰু আকাশখনক (কৰিছে) চন্দ্ৰতাপ (সেইবাবে তেওঁ সমগ্ৰ মানৱজাতিক একেটা ঘৰৰে পৰিয়াল কৰি সৃষ্টি কৰিছে); আৰু তেওঁ আকাশৰ পৰা পঠায় বৃষ্টি, তাকে দি তাৰ পাছত ফল-ফচল উৎপাদন কৰে তোমালোকৰ নিমিত্তে ৰিযেক হিচাপে। এতেকে (যিসকল ভণ্ড সাধু-সন্ন্যাসী আৰু মিছা দেৱ-দেৱীয়ে মানুহক নিজৰ দাসত্বলৈ টানি নিয়ে, ইয়াৰ কোনোটোকেই) তোমালোকে আল্লাহৰ লগতে প্ৰতিদ্বন্দ্বী থিয় নকৰিবা, অধিক কি তোমালোকে জানা (যে ইহঁতে আল্লাহৰ দৰে কোনো ক্ষমতাই নাৰাখে)।

**২৩** আৰু যদি তোমালোক (কুৰআনৰ সত্যতাৰ ব্যাপাৰে) সন্দেহৰ মাজত থাকা যি মোৰ বান্দা (মুহাম্মদ-ছাঃ)-ৰ ওচৰত অৱতাৰণ কৰিছো সেইসম্বন্ধে তেনেহ'লে ইয়াৰ নিচিনা এটি মাত্ৰ ছুৰা লৈ আহাঁচোন, আৰু (লগতে) আল্লাহৰ বাহিৰে তোমালোকৰ সাহায্যকাৰী-সকলোকো মাতা, যদি তোমালোকে (এই সন্দেহৰ সন্দৰ্ভত) সত্যবাদী হৈয়েই আছা।

**২৪** কিন্তু যদি তোমালোকে (কোনো ছুৰা ৰচনা) নকৰা আৰু (সেইটো) তোমালোকে কেতিয়াও নোৱাৰা তেনেহ'লে (আল্লাহৰ বিৰুদ্ধাচৰণৰ ফলস্বৰূপে দুযখৰ) জুইক ভয় কৰা যাৰ খৰি হৈছে মানুহ আৰু (মূৰ্তিৰূপী) পাথৰবিলাক;— (এই জুইশাল) তৈয়াৰ হৈছে অবিশ্বাসীবিলাকৰ কাৰণে।

**২৫** আৰু (হে মুহাম্মদ ছাঃ!) তুমি সুসংবাদ দিয়া তেওঁলোকক যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰি আছে, তেওঁলোকৰ কাৰণে আছে জান্নাত (বা ফুল-ফলৰ বাগানসমূহ), যিবিলাকৰ তলেদি বৈ আছে নিজৰাবোৰ। যিমানবাৰ ইয়াৰ পৰা উপভোগৰ বাবে ফলফচল তেওঁলোকক খাবলৈ দিয়া হ'ব তেওঁলোকে ক'ব— "এয়াচোন সেয়ে (ফলফচল) যিটো ইয়াৰ আগে (পাৰ্থিৱ জীৱনত) আমাক খাব দিয়া হৈছিল"— কাৰণ তেওঁলোকক এইটো দিয়া হয় (তেওঁলোকৰ কামৰ) অনুকৰণত। আৰু সিহঁতৰ বাবে ইয়াৰ মাজত থাকিব পৱিত্ৰ লগ-লগৰীয়া, আৰু সিহঁত ইয়াত থাকিব চিৰকাল।

**২৬** অৱশ্যে আল্লাহে (আধ্যাত্মিক বিষয় বুজাবৰ কাৰণে বিভিন্ন পাৰ্থিৱ) উপমা দাঙি ধৰিবলৈ লাজ নকৰে, যেনে এটি মাখি অথবা তাতকৈ ওপৰৰ (স্তৰৰ) কেনোটোৰ (যি সকলোকে আল্লাহে সৃষ্টি কৰিছে)। গতিকে যিসকলে ঈমান আনিছে সেইসকলে জানে যে ই (আল্লাহৰ বাণী) নিশ্চয় তেওঁলোকৰ প্ৰভুৰ পৰা (প্ৰেৰিত) সত্য। আৰু যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতে কয়— 'আল্লাহে এনে এটি উপমাৰ দ্বাৰা কি (বুজাব) বিচাৰে?' ইয়াৰ দ্বাৰা তেওঁ (যি বুজিব নিবিচাৰে সিহঁতৰ নিচিনা) বহুতক বিপথে চলিব দিয়ে আৰু (যিসকলে সৃষ্টিমাহাত্ম্য বুজিব বিচাৰে তেওঁলোকৰ) অনেকক ইয়াৰ জৰিয়তে সৎপথত চলায়। তেওঁ কিন্তু ভ্ৰষ্টাচাৰীৰ বাহিৰে কাকোৱেই ইয়াৰ মাধ্যমেৰে বিপথে চলিবলৈ নিদিয়ে।

**২৭** (ভ্ৰষ্টাচাৰী এইবিলাক) যিবিলাকে আল্লাহৰ চুক্তি (অৰ্থাৎ তেওঁৰ একত্বত বিশ্বাসৰ অঙ্গীকাৰ) ভঙ্গ কৰে ইয়াৰ সুদৃঢ়ীকৰণ হোৱাৰ পাছতো, আৰু (এই বন্ধন) খণ্ডন কৰি দিয়ে যিটো ইয়াৰ (—চুক্তিৰ) দ্বাৰা বাহাল ৰখাৰ কাৰণে আল্লাহে আদেশ কৰিছিলে, আৰু পৃথিৱীত বেমেজালি সৃষ্টি কৰে। সেইবিলাক নিজেই ক্ষতিগ্ৰস্ত হয়।

**২৮** তোমালোকে কেনেকৈ আল্লাহৰ প্ৰতি অবিশ্বাস পোষণ কৰা, যিহেতু তোমালোক নিষ্প্ৰাণ আছিলা, তেতিয়া তোমালোকক তেওঁ জীৱন দান কৰিছে? তাৰ পাছত তেওঁ তোমালোকৰ মৃত্যু ঘটাব, অৱশেষত (কিয়ামতৰ দিনত) তোমোলোকক পুনৰ্জীৱিত কৰিব, তেতিয়া তেওঁৰ দৰবাৰলৈ (শেষ-বিচাৰৰ কাৰণে) তোমালোকক ঘূৰাই নিয়া হ'ব।

**২৯** তেৱেঁই সেইজন যিজনে পৃথিৱীত যিমান বস্তু আছে সেইসকলো তোমালোকৰ বাবে সৃষ্টি কৰিছে, তাৰ উপৰি তেওঁ মহাকাশৰ প্ৰতিও মনোযোগ দিলে, তেতিয়া সেইবিলাকক (—মহাকাশমণ্ডলক) তেওঁ সাত আচমানত পৰিপূৰ্ণ কৰিলে। আৰু তেওঁ সকলো বিষয়তে সৰ্বজ্ঞাতা।

## পৰিচ্ছেদ - ৪

**৩০** আৰু স্মৰণ কৰা— তোমাৰ প্ৰভুৱে ফিৰিশ্বতাসকলক ক'লে— "মই অৱশ্যে পৃথিৱীত (মোৰ) খলিফা (বা প্ৰতিনিধি তথা মানুহ) বহাবলৈ খুঁজিছো।" তেওঁলোকে ক'লে— "তুমি তাত এনে কাৰোবাক বহুৱাইছানে যিজনে তাত কাজিয়া কৰিব আৰু ৰক্তপাত কৰিব; অথচ আমি তোমাৰ স্তুতিৰ গুণগান কৰিছো আৰু তোমাৰেই পৱিত্ৰতাৰ জয়গান গাইছো।" তেওঁ ক'লে— "মই নিশ্চয় সেইটো জানো যিটো তোমালোকে নাজানা।" **৩১** তেতিয়া তেওঁ আদমক (অৰ্থাৎ মানৱজাতিক, তেওঁৰ নিজৰ আৰু সৃষ্ট বিষয়বস্তুৰ) নামাৱলী— তাৰ সকলোখিনি শিকাই দিলে; তাৰ পাছত তেওঁ সেইবিলাকক (অৰ্থাৎ সেই বিষয়বস্তুক) ফিৰিশ্বতাসকলৰ ওচৰত স্থাপন কৰিলে আৰু ক'লে— "মোক এইবিলাকৰ নামাৱলী (অৰ্থাৎ পূৰ্ণ পৰিচয়) বৰ্ণনা কৰা, যদি তোমালোক (তোমালোকৰ জ্ঞানসম্বন্ধে) সঠিক হৈ থাকা।"

**৩২** তেওঁলোকে ক'লে— "তোমাৰেই সকলো মহিমা! তুমি আমাক যি শিকাইছা তাৰ বাহিৰে আমাৰ (অন্য) জ্ঞান নাই। নিসন্দেহে তুমি নিজেই সৰ্বজ্ঞাতা, পৰম জ্ঞানী।"

**৩৩** তেওঁ ক'লে— "হে আদম! এইবিলাকৰ নামাৱলী এওঁলোকক বৰ্ণনা কৰা।" গতিকে তেওঁ (—আদমে) যেতিয়া তেওঁলোকক এইবিলাকৰ নামাৱলী (বা বিৱৰণ) বৰ্ণনা কৰিলে, তেওঁ ক'লে— "মই তোমালোকক কোৱা নাইনে যে মই নিশ্চয় মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰহস্যবোৰ জানো? আৰু মই (মানুহৰ সেই মন্দ দিশটো) জানো যিটো তোমালোকে প্ৰকাশ কৰিছিলা আৰু (তাৰ ভাল দিশটোও) যিটো তোমালোকে (নুবুজাকৈ) লুকাই ৰাখি দিছিলা।"

**৩৪** আৰু স্মৰণ কৰা! আমি ফিৰিশ্বতাসকলক ক'লো— "তোমালোকে আদমৰ প্ৰতি ছিজদা কৰা।" গতিকে তেওঁলোকে ছিজদা কৰিলে, অকলে ইবলিছ ব্যতীত। সি (মানুহৰ শ্ৰেষ্ঠত্ব) অস্বীকাৰ কৰিলে আৰু গৰ্ববোধ কৰিলে, কাৰণ সি আছিল কাফিৰবিলাকৰ অন্তৰ্ভুক্ত।

**৩৫** আৰু আমি ক'লো— "হে আদম! তুমি আৰু তোমাৰ সঙ্গিনী (অৰ্থাৎ পুৰুষ আৰু নাৰী সকলোৱে) এই বেহেশ্বতত অৱস্থান কৰা (আৰু কোনো জীৱনসংগ্ৰাম ব্যতিৰেকে আৰামত জীৱনযাপন কৰা), আৰু তাৰে পৰাই য'তে-যেতিয়া ইচ্ছা কৰা পানাহাৰ কৰা; কিন্তু এই বৃক্ষৰ (ফল খোৱাটো দূৰৰে কথা, তাৰ) ওচৰে-পাজৰে নাযাবা, নহ'লে তোমালোকে দুৰাচাৰীবিলাকৰ অন্তৰ্ভুক্ত হৈ যাবা।"

**৩৬** কিন্তু চয়তানে তেওঁলোকক তাৰ পৰা পদস্খলিত কৰিলে আৰু য'ত (স্বৰ্গসুখত) তেওঁলোক আছিল তাৰপৰা তেওঁলোকক উলিয়াই দিলে। তেতিয়া (সকলো মানুহক) আমি ক'লো— "তোমালোকে (এই সন্মানিত উচ্চস্থানৰ পৰা) অধঃপাতে যোৱা; তোমালোকৰ কাৰণে (পদস্খলনৰ ফলত এই) পৃথিৱীতেই আছে জিৰণিৰ স্থান আৰু কিছু সময়ৰ সংস্থান।"

**৩৭** তেতিয়া আদমে তেওঁৰ প্ৰভুৰ পৰা (প্ৰাৰ্থনা কৰাৰ) কিছু কথা শিকি ল'লে (আৰু আল্লাহৰ সহায় তথা ক্ষমা ভিক্ষা কৰিলে), সেইকাৰণে তেওঁ তেখেতৰ ফালে (সদয় হৈ) ঘূৰিলে। নিসন্দেহে তেওঁ নিজেই (তওবা কবুল কৰাৰ কাৰণে) সদায় ঘূৰে, (আৰু তেওঁ) অফুৰন্ত ফলদাতা।

**৩৮** আমি ক'লো— "তোমালোক (স্ত্ৰী-পুত্ৰ পৰিয়াললৈ) সকলো মিলি ইয়াৰ পৰা (অৰ্থাৎ এই সন্মানিত অৱস্থাৰ পৰা) নামি যোৱা; পাছত যদি তোমালোকৰ ওচৰত মোৰ পৰা হেদায়ত (বা পথনিৰ্দেশ) আহে, তেনেহ'লে যিসকলে মোৰ পথনিৰ্দেশ মানি চলিব সেইসকলৰ ওপৰত কিন্তু (চয়তানৰ প্ৰৰোচনাৰ) কোনো ভয় নাই, আৰু তেওঁলোকে নিজেও অনুতাপ নকৰিব।

**৩৯** "কিন্তু যিসকলে অবিশ্বাস পোষণ কৰে আৰু আমাৰ আয়াতসমূহত মিথ্যাৰোপ কৰে— সিহঁতেই হৈছে (বেদনা-যাতনাময়) জুইৰ বাসিন্দা, সিহঁত তাৰ মাজতে থাকিব দীৰ্ঘকাল।"

## পৰিচ্ছেদ - ৫

**৪০** হে ইছ্ৰাইলৰ বংশধৰসকল! মোৰ অনুগ্ৰহ স্মৰণ কৰা, যি মই তোমালোকক প্ৰদান কৰিছিলো (যিহেতু তোমালোকৰ মাজত বহুত নবী-ৰছুল তথা ৰজা-বাদচাহ দিছিলো), আৰু মোৰ সৈতে হোৱা চুক্তি তোমালোকে (মোৰ পথেৰে পথ চলি) বাহাল ৰাখা, ময়ো তোমালোকৰ সৈতে হোৱা চুক্তি (তোমালোকক উচ্চ পদত ৰাখি) বাহাল ৰাখিম। আৰু মোক, কেৱল মোকে, তেন্তে তোমালোকে ভয় কৰিবা।

**৪১** আৰু মই (এতিয়া) যি অৱতাৰণ কৰিছো তাত (অৰ্থাৎ এই কুৰআনত) তোমালোকে বিশ্বাস আনা, তোমালোকৰ ওচৰত যি (ভৱিষ্যৎবাণী কৰা) আছে তাৰ সত্যসমৰ্থনৰূপে (এই নবীৰ আবিৰ্ভাৱ আৰু কুৰআনৰ অৱতাৰণ ঘটিছে), এতেকে (যদিও সকলোৰ আগতে তোমালোকেই বিশ্বাসী হ'ব লাগিছিল) তোমালোক ইয়াত অবিশ্বাসকৰোতাবিলাকৰ আগভাগত নাথাকিবা; আৰু মোৰ প্ৰত্যাদেশৰ বিনিময়ত (পাৰ্থিৱ মৰ্যাদাৰ দৰে) তুচ্ছ বস্তু অৰ্জন নকৰিবা; আৰু মোক, কেৱল মোকে, তেন্তে তোমালোকে ভয়-শ্ৰদ্ধা কৰিবা।

**৪২** আৰু তোমালোকে সত্যকে (অপলাপ কৰি) মিথ্যাৰ পোছাক পিন্ধাই নিদিবা আৰু সত্যক গোপন নকৰিবা; অথচ তোমালোকে (কি খেল খেলিছা সেইটো ভাল কৰিয়েই) জানা।

**৪৩** আৰু তোমালোকে নামায কায়েম কৰিবা আৰু যাকাত আদায় কৰিবা, আৰু (জাতি-বৰ্ণ-বংশ-মৰ্যাদা নিৰ্বিশেষে) ৰুকুকাৰীসকলৰ সৈতে (একে জামাততে) ৰুকু কৰিবা।

**৪৪** তোমালোকে মানুহবোৰক ধৰ্মকৰ্মৰ নিৰ্দেশ দিছা আৰু নিজকে পাহৰি গৈছানে, অথচ তোমালোকে ধৰ্মগ্ৰন্থ (নিয়মিত) পঢ়ি থাকা? তোমালোকে তেন্তে জ্ঞানবুদ্ধি প্ৰয়োগ নকৰানে?

**৪৫** আৰু তোমালোকে ধৈৰ্যৰ (লগতে অটল প্ৰচেষ্টাৰ) আৰু নামাযৰ দ্বাৰা (আল্লাহৰ) সাহায্য কামনা কৰা (যাতে তোমালোক সকলো কামত সফলকাম হ'ব পাৰা)। আৰু এইটো (—ধৈৰ্য ধৰি কাম কৰি যোৱাটো) নিশ্চয় বৰ কঠিন কেৱল বিনয়ীসকল ব্যতীত—

**৪৬** যিসকলে মনত ৰাখে যে তেওঁলোকে নিশ্চয় তেওঁলোকৰ প্ৰভুক সাক্ষাত কৰিবলৈ গৈছে; আৰু তেওঁলোক অৱশ্যেই তেওঁৰ ওচৰত (হিচাপ-নিকাচৰ কাৰণে) প্ৰত্যাৱৰ্তনকাৰী।

## পৰিচ্ছেদ - ৬

**৪৭** হে ইছৰাইলৰ বংশধৰ সকল! মোৰ অনুগ্ৰহ স্মৰণ কৰা যি মই তোমালোকক প্ৰদান কৰিছিলো আৰু কিভাৱে মই তোমালোকক (তোমালোকৰ সমসাময়িক) বিশ্ববাসীৰ ওপৰত মৰ্যাদা দিছিলো।

**৪৮** আৰু সতৰ্কতা অৱলম্বন কৰা এনে এক দিনৰ যেতিয়া এজনে আনজনৰ পৰা কোনো কিছুতেই সহায় নাপাবা আৰু তাৰ পৰা (অৰ্থাৎ আনৰ পৰা) কোনো চুপাৰিচ কবুল কৰা নহ'ব আৰু তাৰ পৰা কোনো খেচাৰত লোৱা নহ'ব, আৰু সিহঁতে (কোনোফালৰ পৰাই) সাহায্য নাপাব।

**৪৯** আৰু স্মৰণ কৰা! তোমালোকক মই ফিৰআউনৰ (—২য় ৰামেছিচৰ) মানুহবোৰৰ পৰা মুক্ত কৰিছিলো, যি তোমালোকক নিৰ্যাতন কৰিছিল কঠোৰ যন্ত্ৰণাৰে; সিহঁতে হত্যা কৰিছিল তোমালোকৰ পুত্ৰসন্তানসকলক আৰু জীয়াই থাকিব দিছিল তোমালোকৰ নাৰীবিলাকক। আৰু ইয়াৰ মাজত তোমালোকৰ কাৰণে তোমালোকৰ প্ৰভুৰ পৰা আছিল কঠোৰ পৰীক্ষা।

**৫০** আৰু স্মৰণ কৰা! আমি তোমালোকৰ কাৰণে (লোহিত) সাগৰখন বিভক্ত কৰিছিলো, ফলত তোমালোকক মই উদ্ধাৰ কৰিছিলো, আৰু মই (জোৱাৰ উঠাই সেই পানীত) ডুবাই দিছিলো ফিৰআউনৰ লোকবিলাকক; আৰু তোমালোকে চাই থাকিছিলা।

**৫১** আৰু স্মৰণ কৰা! আমি মূছাৰ লগত চল্লিশ ৰাতি (উপাসনাৰ কাৰণে) নিৰ্ধাৰণ কৰিছিলো, তেতিয়া তোমালোকে (আল্লাহক বাদ দি সোণেৰে তৈয়াৰী) দামুৰিক (পূজা কৰিবলৈ) তেওঁৰ অনুপস্থিতিত গ্ৰহণ কৰিলা, আৰু (এই কাৰণে) তোমালোক হ'লা অন্যায়কাৰী।

**৫২** শেষত ইয়াৰ পাছতো আমি তোমালোকক ক্ষমা কৰিছিলো যেন তোমালোকে (সুপথগামী হৈ) কৃতজ্ঞতা জ্ঞাপন কৰা!

**৫৩** আৰু স্মৰণ কৰা! আমি মূছাক দিছিলো ধৰ্মগ্ৰন্থ (—তওৰাত) তথা ফুৰকান (অৰ্থাৎ ভাল-বেয়া প্ৰভেদকাৰক গ্ৰন্থ) যাতে তোমালোকে সৎপথত চলিব পাৰা।

**৫৪** আৰু স্মৰণ কৰা! মূছাই তেওঁৰ সম্প্ৰদায়ক কৈছিলে— "হে মোৰ অনুচৰবৰ্গ, তোমালোকে নিশ্চয় তোমালোকৰ প্ৰতি অন্যায় কৰিছা দামুৰিক (পূজাৰ কাৰণে) গ্ৰহণ কৰি; এতেকে তোমালোকৰ সৃষ্টিকৰ্তাৰ পিনে (অনুতপ্ত হৈ) ঘূৰা আৰু নিজৰে (মাজতে থকা ৰিপু তথা পাপ প্ৰৱণতা) নিধন কৰা। ই তোমালোকৰ সৃষ্টিকৰ্তাৰ সমীপত তোমালোকৰ কাৰণে মঙ্গলময়।" (তেনে কৰাৰ) ফলত তেওঁ তোমালোকৰ পিনে (প্ৰসন্ন হৈ) ফিৰিলে। নিসন্দেহে তেওঁ নিজেই (তওবা কবুল কৰাৰ কাৰণে) সদায় ফিৰে (আৰু তেওঁ) অফুৰন্ত ফলদাতা।

**৫৫** আৰু স্মৰণ কৰা! তোমালোকে ক'লা— "হে মূছা, আমি তোমাৰ (ধৰ্মৰ) প্ৰতি কেতিয়াও বিশ্বাস নানিম যেতিয়ালৈকে নেকি আমি আল্লাহক প্ৰকাশ্যভাৱে দেখা পাওঁ!" ফলত বজ্ৰাঘাতে তোমালোকক সাৱটি ধৰিলে, আৰু তোমালোকে চাই থাকিলা।

**৫৬** তাৰ পাছত তোমালোকক জগাই তুলিলো তোমালোকৰ মৃতবৎ হোৱাৰ পৰা, যাতে তোমালোকে কৃতজ্ঞতা জ্ঞাপন কৰিব পাৰা।

**৫৭** আৰু মই তোমালোকৰ ওপৰত মেঘ দি আচ্ছাদন কৰিছিলো, আৰু তোমালোকৰ ওচৰলৈ পঠিয়াইছিলো 'মান্না' আৰু 'ছালৱা'। (তোমালোকক ক'লো—) "তোমালোকক (যাযাবৰী জীৱনত) ভাল ভাল ৰিযেক যিবিলাক দিছো সেইবিলাক খাই থাকা।" কিন্তু সিহঁত (বিৰুদ্ধাচাৰ কৰিও) মোৰ কোনো অনিষ্ট কৰা নাই, বৰঞ্চ সিহঁতে নিজৰেই প্ৰতি অনিষ্ট কৰিছিল।

**৫৮** আৰু স্মৰণ কৰা! আমি ক'লো— "এই চহৰত প্ৰৱেশ কৰা আৰু তাৰ পৰা য'তে-যেতিয়া ইচ্ছা কৰা ভৰপূৰ ভাৱে খোৱা-বোৱা কৰা, আৰু (নগৰৰ) সদৰ দুৱাৰেদি নতশিৰে (অৰ্থাৎ বিনীতভাৱে) প্ৰৱেশ কৰা, আৰু কোৱা 'হিৎতাতুন' (অৰ্থাৎ 'আমি ক্ষমা বিচাৰিছো') যাতে তোমালোকৰ সকলো দোষত্ৰুটি আমি তোমালোকৰ কাৰণে ক্ষমা কৰি দিব পাৰো; আৰু বঢ়াই দিব পাৰো শুভকৰ্মীসকলৰ কাৰণে (মোৰ পুৰস্কাৰ)।"

**৫৯** কিন্তু যিসকলে অন্যায় কৰে সিহঁতক যি (প্ৰত্যাদেশৰ দ্বাৰা) কোৱা হৈছিল তাৰ বিপৰীত কথাৰে সেইটো সলনি কৰিলে। ফলত যিসকলে অন্যায় কৰিছিল সিহঁতৰ ওপৰত আকাশৰ পৰা পঠিয়াইছিলো মহামাৰী, কাৰণ সিহঁতে পাপাচৰণ কৰিছিল।

## পৰিচ্ছেদ - ৭

**৬০** আৰু স্মৰণ কৰা! মূছা (আঃ)-এ তেওঁৰ সম্প্ৰদায়ৰ (বাৰ'টা উপদলৰ) কাৰণে পানী বিচাৰিলে, তেতিয়া আমি ক'লো— "তোমাৰ লাখুটিৰে পাথৰত আঘাত কৰা।" তেতিয়া তাৰ পৰা বাৰটি নিজৰা ওলাই পৰিল। প্ৰত্যেক উপদলে নিজৰ জলপানৰ ঠাই চিনি ল'লে। (সিহঁতক কোৱা হ'ল) "আল্লাহৰ (দিয়া) ৰিযেকৰ পৰা খোৱা আৰু পান কৰা; আৰু কলহ সৃষ্টিকাৰী হৈ দুনিয়াত কলুষিত আচৰণ নকৰিবা।"

**৬১** আৰু স্মৰণ কৰা, তোমালোকে কৈছিলা— “হে মূছা (আঃ)! আমি (বহুদিন ধৰি) একে (ধৰণৰ) খোৰাবস্তুত সন্তুষ্টি নাপাওঁ, সেয়েহে তোমাৰ প্ৰভুৰ ওচৰত আমাৰ কাৰণে প্ৰাৰ্থনা কৰা যাতে তেওঁ আমাৰ কাৰণে উৎপন্ন কৰে মাটি যি উৎপাদন কৰে, যেনে— তাৰ শাক-পাচলি আৰু তাৰ তিঞঁহ আৰু তাৰ শস্য আৰু তাৰ দাইল আৰু তাৰ পিয়াজ।” তেওঁ ক’লে— “তোমালোকে (মিছৰলৈ উভতি গৈ) বদলি কৰি ল’ব বিচাৰানে যিটো নিকৃষ্ট তাৰ লগত যিটো উৎকৃষ্ট? (এতেকে) নামি যোৱা কোনো মিছৰত, সেয়ে হ’লে তোমালোকে যিটোকে চোৱা তাকেই পাবা।” আৰু সিহঁতে নিজৰ ওপৰতে লাঞ্ছনা আৰু দুৰ্দশা ঘটালে; আৰু সিহঁতে আল্লাহৰ পৰা অসন্তোষ টানি আনিলে। সেয়ে হ’ল, কাৰণ সিহঁতে আল্লাহৰ আয়াতসমূহত অবিশ্বাস পোষণ কৰিছিল, আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিব গৈছিল। সেয়ে হ’ল, কিয়নো সিহঁতে অবাধ্যতা কৰিছিল আৰু সীমালঙ্ঘন কৰিছিল।

## পৰিচ্ছেদ - ৮

**৬২** নিসন্দেহে যিসকলে (মুহাম্মদ-ছাঃ-ৰ প্ৰতি) ঈমান আনিছে, আৰু যিসকলে ইহুদীয় মত পোষণ কৰে আৰু খ্ৰীষ্টান আৰু ছাবেঈন— যিসকলে আল্লাহৰ প্ৰতি ঈমান আনিছে আৰু আখেৰাতৰ দিনৰ প্ৰতি (ঈমান আনিছে) আৰু সৎকাম কৰিছে, সেইসকলৰ কাৰণে নিজ নিজ পুৰস্কাৰ (নিৰ্ধাৰিত) হৈ ৰৈছে তেওঁলোকৰ প্ৰভুৰ ওচৰত; আৰু তেওঁলোকৰ ওপৰত (আল্লাহৰ অসন্তোষ বা শাস্তিৰ) কোনো ভয় নাই, আৰু তেওঁলোকে নিজেও অনুতাপ নকৰিব।

**৬৩** আৰু স্মৰণ কৰা! আমি তোমালোকৰ পৰা অংগীকাৰ গ্ৰহণ কৰিছিলো আৰু তোমালোকৰ ওপৰত (সিনাই) পৰ্বত উত্তোলন কৰিছিলো। (তেতিয়া কৈছিলো—) “তোমালোকক আমি যি (ধৰ্মীয় বিধান) দিছো তাক দৃঢ়ভাৱে গ্ৰহণ কৰা, আৰু ইয়াত (অৰ্থাৎ তওৰাতত) যি (বিধান) আছে তাক স্মৰণ ৰাখা, যাতে তোমালোকে ধৰ্মপৰায়ণতা অৱলম্বন কৰিব পাৰা।”

**৬৪** তাৰ পিচত তোমালোক ইয়াৰ পাছতো (তোমালোকৰ অংগীকাৰৰ পৰা) উভতি গ’লা; তেনে ক্ষেত্ৰত আল্লাহৰ প্ৰসন্নতা আৰু তেওঁৰ কৰুণা যদি তোমালোকৰ ওপৰত নাথাকিলহেঁতেন তেন্তে তোমালোক অৱশ্যেই হ’লাহেঁতেন ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত।

**৬৫** তদুপৰি তোমালোকৰ মাজৰ যিসকলে ছাব্বাথ (অৰ্থাৎ শনিবাৰৰ কৰ্মবিৰতিৰ নিয়ম) লঙ্ঘন কৰিছিলা সিহঁতক (তোমালোকৰ) নিশ্চয় জনা আছে, সেইকাৰণে আমি সিহঁতক কৈছিলো— “তোমালোকে ঘিণ্ লগা বান্দৰ হৈ যোৱা।”

**৬৬** এইভাৱে আমি ইয়াকে (—ইহঁতৰ এই বান্দৰতুল্য উচ্ছৃঙ্খল জীৱনযাপনক) এটা দৃষ্টান্ত বনাইছিলো যিসকল ইহঁতৰ সমসাময়িক আছিল আৰু যিসকল ইহঁতৰ পৰৱৰ্তীকালত আহিছিল সেইসকলৰ কাৰণে, আৰু (ই হৈছিল) ধৰ্মভীৰুসকলৰ নিমিত্তে উপদেশ বিশেষ।

**৬৭** আৰু স্মৰণ কৰা! মূছা (আঃ)-এ তেওঁৰ সম্প্ৰদায়ক ক’লে— “নিঃসন্দেহে আল্লাহে তোমালোকক হুকুম কৰিছে তোমালোকে (গৰু পূজা এৰি দি) যেন এটি চেঁউৰী গাই কুৰবানি কৰা।” সিহঁতে ক’লে— “তুমি (এনে সাঙ্ঘাতিক কথা কৈ) আমাক ঠাট্টাৰ পাত্ৰ বনাইছানে?” তেওঁ ক’লে— “আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰিছো যেন মই মূৰ্খবিলাকৰ মাজৰ নহওঁ।”

**৬৮** সিহঁতে (মূছা-আঃ-ৰ কথাত টিটকাৰি মাৰি) ক’লে— “তোমাৰ প্ৰভুৰ ওচৰত আমাৰ কাৰণে প্ৰাৰ্থনা কৰা যেন তেওঁ আমাক স্পষ্ট কৰি দিয়ে সেইজনী কেনেকুৱা (চেঁউৰী গাই যিটো তোমাৰ প্ৰভুৱে পছন্দ কৰে)। তেওঁ ক’লে— “দৰাচলতে তেওঁ (—আল্লাহে) কৈছে সেইটো অৱশ্যেই এটা চেঁউৰী গাই যিটো বুঢ়ীও নহয় আৰু পোৱালিও নহয়, ইয়াৰ মজলীয়া মধ্যবয়সীয়া। এতেকে তোমালোকক যি আদেশ দিয়া হৈছে তাকে কৰা।”

**৬৯** সিহঁতে ক’লে— “আমাৰ কাৰণে তোমাৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰা তেওঁ আমাক খোলোচাকৈ কৈ দিয়ক তাৰ ৰং কেনেকুৱা।” তেখেতে ক’লে— “তেওঁ অৱশ্যেই কৈছে, সেইটো বাস্তৱিকতে হালধীয়া চেঁউৰী গাই, তাৰ ৰং (সোণৰ দৰে) অতি উজ্জ্বল, দৰ্শকসকলৰ ওচৰত মনোৰম।”

**৭০** সিহঁতে ক’লে— “তোমাৰ প্ৰভুৰ ওচৰত আমাৰ কাৰণে প্ৰাৰ্থনা কৰা আমাক তেওঁ খোলাখুলি জনাই দিয়ক সেইটো কেনেকুৱা, কাৰণ সকলো দামুৰি গাই আমাৰ ওচৰত একে যেন লাগে; আৰু অৱশ্যে আল্লাহে ইচ্ছা কৰিলে আমি নিশ্চয় ঠিক পথে চালিত হ’ম।”

**৭১** তেওঁ ক’লে— “নিসন্দেহে তেওঁ কৈছে, সেইটো নিশ্চয় এনে বাছুৰ যাক মাটি চহাবলৈ হালত জোৰা নাই বা খেতিত পানীও নিদিয়ে; সুন্দৰ সুঠাম, যাৰ মাজত কোনো খুঁত নাই।” সিহঁতে ক’লে— “এতিয়াহে তুমি সঠিক-সত্য (বিৱৰণ) লৈ আহিছা।” গতিকে সিহঁতে (অতিমাত্ৰা কৌতুকৰ সৈতে কৌতুহল দেখুৱাই নিজৰ ফান্দত নিজেই ধৰা পৰি) তাক কুৰবানি কৰিলে আৰু মনত নহ’ল যে সিহঁতে (সঁচাকৈয়ে কুৰবানি) কৰিলে।

## পৰিচ্ছেদ - ৯

**৭২** আৰু স্মৰণ কৰা (হে ইছৰাইলৰ বংশধৰসকল)! তোমালোকে (নবী) এজনক (অৰ্থাৎ ঈছা-আঃ-কে) হত্যা কৰিবলৈ গৈছিলা, পাছতে এই বিষয়ত তোমালোকে দোষাদোষী কৰিছিলা। আৰু আল্লাহে প্ৰকাশ কৰিছিলে (সেই কথা যে ঈছা-আঃ-ৰ ক্ৰুচত মৃত্যু হোৱা নাই) যিটো তোমালোকে লুকাবলৈ গৈছিলা।

**৭৩** বৰঞ্চ আমি ক’লো— “তেওঁক তুলনা কৰা ইয়াৰ কিছু অংশৰ সৈতে।” এইদৰে আল্লাহে মৃতকে জীৱন দান কৰে। আৰু তেওঁ তোমালোকক দেখুৱাইছে তেওঁৰ নিদৰ্শনসমূহ (যথা কেনেকৈ ঈছা-আঃ-ক হত্যা কৰাৰ চক্ৰান্ত তেওঁ বানচাল কৰি দিলে) যাতে তোমালোকে বুজিব পাৰা।

**৭৪** তাৰ পিছত তোমালোকৰ হৃদয়বোৰ ইয়াৰ পাছতো কঠিন হ’ল, এতেকে ই পাথৰৰ নিচিনা হৈ গ’ল, বৰং আৰু কঠিনহে। আৰু অৱশ্যে পাথৰৰ মাজত এনেকুৱাও (পাথৰ) আছে যাৰ মাজৰ পৰা প্ৰবাহিত হয় নিজৰা (অৰ্থাৎ কিছু কঠিন অন্তৰ অনুশোচনাত বিগলিত হয়)। আৰু তাৰ ভিতৰৰ কিছুমান যেতিয়া (হাতুৰীৰ আঘাত পাই) ছিটাছিটি হয় তেতিয়া তাৰ পৰা পানী ওলায় (অৰ্থাৎ কিছুমান হৃদয় দুখ-কষ্টৰ আঘাত পালে তেতিয়াহে সৎপথলৈ

আহে)। আকৌ তাৰ মাজৰ কিছুমান (টান পাথৰ) আল্লাহৰ ভয়ত বাগৰি পৰে (অৰ্থাৎ কিছুমান হৃদয় ভীষণ দুৰ্যোগ আহিলে তেতিয়া খহি পৰে)। আৰু তোমালোকে যি কৰিছা আল্লাহ সেই বিষয়ে অজ্ঞাত নহয়।

**৭৫** ইয়াৰ পাচতো তোমালোকে (—মুছলিমসকলে) আশা কৰা যে সিহঁতে (—ইহুদীসকলে) তোমালোকৰ প্ৰতি বিশ্বাস কৰিব? আৰু ইতিপূৰ্বে (কুৰআন অৱতীৰ্ণ হোৱাৰ আগত) সিহঁতৰ এটি দলে আল্লাহৰ বাণী শুনিছিল, তাৰ পিছত সেইটো বদলাই দিছিল সেইটো (বাণী) বুজাৰ পাছতো, আৰু সিহঁতে (সেই কথাটো ভালদৰেই) জানে।

**৭৬** আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ সৈতে যেতিয়া সিহঁতে সাক্ষাত কৰে তেতিয়া কয়— “আমি ঈমান আনিছো।” আৰু যেতিয়া সিহঁতৰ এজনে আনজনৰ সৈতে নিৰিবিলিত ল’গ পায় তেতিয়া কয়— “আল্লাহে তোমালোকৰ ওচৰত (মুহাম্মদৰ আগমন সম্পৰ্কীয় ভৱিষ্যতবাণী) যি প্ৰকাশ কৰিছে সেইখিনি তোমালোকে এওঁলোকক (—মুছলিমসকলক) জনাই দিছানে, যাতে এওঁলোকে এইবিলাকৰ সহায়ত তোমালোকৰ প্ৰভুৰ সন্মুখত (আমাৰ ধৰ্মমত সম্পৰ্কে) তোমালোকৰ লগত বিতৰ্ক কৰে? তোমালোকে তেনেহ’লে (নিজৰ দুৰ্বলতা ক’ত সেইটো) বুজিব পৰা নাইনে?”

**৭৭** আৰু সিহঁতে নাজানেনে যে নিসন্দেহে আল্লাহে জানে যি সিহঁতে লুকাই ৰাখিছে আৰু যি প্ৰকাশ কৰিছে?

**৭৮** আৰু সিহঁতৰ মাজত (অৰ্থাৎ ইহুদীসকলৰ মাজত অধিকাংশই) হৈছে নিৰক্ষৰ যি (সিহঁতৰ) ধৰ্মগ্ৰন্থ (তওৰাত) সম্বন্ধে (কাল্পনিক) উপকথাতকৈ বেচি নাজানে, আৰু সিহঁত কেৱল আন্দাজৰ ওপৰতে চলে।

**৭৯** হায়, সিহঁত কি অভাগা যিসকলে নিজহাতে গ্ৰন্থ লিখে, তাৰ পাছত কয়—“এইয়া আল্লাহৰ দৰবাৰৰ পৰা (প্ৰেৰিত হৈছে)”— যাতে ইয়াৰ কাৰণে সিহঁতে স্বল্পমূল্য অৰ্জন কৰিব পাৰে (অৰ্থাৎ সামান্য সুযোগ-সুবিধা লাভ কৰিব পাৰে)। এতেকে ধিক্ সিহঁতৰ প্ৰতি, সিহঁতৰ হাতে যি লিখিছে সেইয়াৰ কাৰণে, আৰু ধিক্ সিহঁতৰ প্ৰতি যি (তুচ্ছ মুনাফা) সিহঁতে কামাই কৰে সেইয়াৰ কাৰণে!

**৮০** আৰু সিহঁতে (—ইহুদীবিলাকৰ গণ্যমান্য লোকসকলে) কয়— “(দুযখৰ) জুইয়ে আমালোকক গনতিৰ দিনকেইটাৰ বাহিৰে কেতিয়াও স্পৰ্শ নকৰিব।” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “তোমালোকে আল্লাহৰ ওচৰৰ পৰা (এনেকুৱা) কিবা প্ৰতিশ্ৰুতি নিছানে? তেনেহ’লে (জানি ৰাখা—) আল্লাহে (অন্যায়কাৰীক দণ্ড বিহিবলৈ) তেওঁৰ প্ৰতিশ্ৰুতি কেতিয়াওঁ ভংগ নকৰে, অথবা তোমালোকে আল্লাহ সম্বন্ধে যি নাজানা তাকে কৈ আছানে?”

**৮১** হয়, যিজনেই মন্দ অৰ্জন কৰে আৰু তাৰ পাপে তাকে ঘেৰাও কৰি পেলায়, তেন্তে ইহঁতেই হৈছে (দুযখৰ) জুইৰ বাসিন্দা, তাতে সিহঁত থাকিব দীৰ্ঘকাল।

**৮২** আৰু যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰিছে তেওঁলোকেই হৈছে বেহেশ্বতৰ অধিবাসী, তাতে তেওঁলোক থাকিব চিৰকাল।

## পৰিচ্ছেদ - ১০

**৮৩** আৰু স্মৰণ কৰা! আমি ইছৰাইলৰ বংশধৰসকলৰ পৰা চুক্তি গ্ৰহণ কৰিছিলো—(এইবুলি) “তোমালোকে আল্লাহৰ বাহিৰে অইন কাৰো উপাসনা নকৰিবা, আৰু (তোমালোকৰ) মাতা-পিতাৰ প্ৰতি ভাল ব্যৱহাৰ কৰিবা, আৰু আত্মীয়-স্বজনৰ প্ৰতি আৰু এতিমসকলৰ আৰু মিছকিন সকলৰ প্ৰতি (সদ্ব্যৱহাৰ কৰিবা); আৰু লোকসকলৰ সৈতে ভদ্ৰ কথা ক’বা; আৰু নামায কায়েম কৰিবা আৰু যাকাত আদায় কৰিবা।” তাৰ পাছত তোমালোকে তোমালোকৰ অলপ কেইজনমানৰ বাহিৰে (কুপথত) উভতি গ’লা আৰু তোমালোক ফিৰি যোৱাৰ দলত।

**৮৪** আৰু স্মৰণ কৰা! (মুহাম্মদ-ছাঃ-এ মদীনাত বসতি স্থাপন কৰাৰ পিছত) আমি তোমালোকৰ অংগীকাৰ গ্ৰহণ কৰিছিলো (এইবুলি)— “তোমালোকে তোমালোকৰ (ভাই-ককাইৰ) ৰক্তপাত নকৰিবা আৰু তোমালোকৰ (আপোন) লোকসকলক তোমালোকৰ ঘৰবাৰীৰ পৰা উলিয়াই নিদিবা।” তেতিয়া তোমালোকে (আমাৰ লিখিতভাৱে সম্পাদিত অংগীকাৰ সম্বন্ধে) প্ৰতিজ্ঞা কৰিছিলা; আৰু তোমালোকে (এইবিষয়ে) সাক্ষ্য দিছিলা।

**৮৫** তাৰ পাছত তোমালোকেই সেইবোৰ (সম্প্ৰদায়) যিসকলে তোমালোকৰ নিজৰ মাজতে খুন-খাৰাবী কৰা, আৰু তোমালোকৰেই এক দলক সিহঁতৰ বাৰীঘৰৰ পৰা তোমালোকে উলিয়াই দিয়া সিহঁতৰ বিৰুদ্ধে পাপ আৰু নিষ্ঠুৰতাৰে পৃষ্ঠপোষকতা কৰি। অথচ যদি সিহঁত তোমালোকৰ ওচৰলৈ বন্দীৰূপে আহে তেনেহ’লে সিহঁতক তোমালোকে মুক্তিপণ দিয়া, যদিও সিহঁতক (বাৰীঘৰৰ পৰা) খেদি দিয়াটো তোমালোকৰ ওপৰত অবৈধ আছিল। তেনেহ’লে তোমালোকে ধৰ্মগ্ৰন্থৰ অংশবিশেষত বিশ্বাস কৰা আৰু অন্য অংশত অবিশ্বাস পোষণ কৰানে? এতেকে তোমালোকৰ মাজৰ যিসকলে এনেকুৱা (আচৰণ) কৰে সিহঁতৰ ইহজীৱনত লাঞ্ছনাৰ বাহিৰে অইন কি পুৰস্কাৰ থাকিব পাৰে? আৰু কিয়ামতৰ দিনা সিহঁতক ঘূৰাই পঠোৱা হ’ব কঠোৰতম শাস্তিলৈ। আৰু তোমালোকে যি কৰিছা সেইবিষয়ে আল্লাহ অজ্ঞাত নহয়।

**৮৬** ইহঁতেই সিহঁত যিসকলে আখেৰাতৰ সলনি ইহজীৱন কিনি লৈছে। সেইকাৰণে সিহঁতৰ ওপৰৰ পৰা শাস্তি লাঘৱ কৰা নহ’ব আৰু (কোনো ফালৰ পৰাই) সিহঁতক সহায়ো কৰা নহ’ব।

## পৰিচ্ছেদ - ১১

**৮৭** আৰু অৱশ্যেই আমি মূছা (আঃ)-ক ধৰ্মগ্ৰন্থ দিছিলো আৰু তেওঁৰ পিচত পৰ্যায়ক্ৰমে বহু ৰছুল পঠিয়াইছিলো, আৰু আমি মৰিয়মৰ পুত্ৰ ঈছা (আঃ)-ক দিছিলো স্পষ্ট প্ৰমাণসমূহ, আৰু আমি তেওঁক বলীয়ান কৰিছিলো ৰূহুল ক্বুদুছৰ (বা পৱিত্ৰ আত্মা জিব্ৰীলৰ) দ্বাৰা। তেনেহ’লে কি যেতিয়াই তোমালোকৰ ওচৰলৈ এজন ৰছুল আহে এনে কিছু (বাণী) লৈ যিটো তোমালোকৰ মনে নিবিচাৰে, তেতিয়াই তোমালোকে অহঙ্কাৰ দেখুওৱা (আৰু তেওঁক প্ৰত্যাখ্যান কৰা)? গতিকে কাৰোবাক তোমালোকে মিছলীয়া ক’লা আৰু কাৰোবাক হত্যা কৰিবলৈ গ’লা।

**৮৮** আৰু সিহঁতে (—ইহুদীসকলে) কয়— "আমাৰ হৃদয় হৈছে আবৃত (য'ত কোনো নতুন জ্ঞান ৰখাৰ ঠাঁই নাই)।" নহয়, আল্লাহে (তেওঁৰ আশীৰ্বাদৰ পৰা) সিহঁতক বঞ্চিত কৰিছে সিহঁতৰ অবিশ্বাসৰ নিমিত্তে। সেইকাৰণে অলপ-অচৰপ যি সিহঁতে বিশ্বাস কৰে।

**৮৯** আৰু যেতিয়া সিহঁতৰ ওচৰলৈ আল্লাহৰ তৰফৰ পৰা এখন ধৰ্মগ্ৰন্থ (যথা কুৰআন) আহিল য'ত সমৰ্থন ৰৈছে যি সিহঁতৰ ওচৰত (সিহঁতৰ গ্ৰন্থত) আছে— যদিও ইতিপূৰ্বে সিহঁতে ("সেই নবীৰ" আগমনৰ আশাত) বিজয়ী হ'বৰ কাৰণে প্ৰাৰ্থনা কৰি থাকিছিল (যিজনৰ সহায়ত) যিবোৰে অবিশ্বাস পোষণ কৰে সিহঁতৰ ওপৰত;— কিন্তু যেতিয়া সিহঁতৰ ওচৰলৈ আহিল (সেই বহু আকাঙ্খিত নবী) যিজনক সিহঁতে চিনিব পাৰিলে (অতি পৰিষ্কাৰভাৱে) সিহঁতে তাত অবিশ্বাস কৰি বহিলে। সেইহেতু আল্লাহৰ অসন্তোষ (বৰ্ষিত হয়) অবিশ্বাসীবিলাকৰ ওপৰত।

**৯০** গৰ্হিত সেইটো যিটোৰে সিহঁতে নিজৰেই আত্মা বেচি দিছে যি কাৰণে আল্লাহে (কুৰআন শ্বৰীফত) যি অৱতাৰণ কৰিছে তাত সিহঁতে অবিশ্বাস কৰে বিদ্বেষৰ বশৱৰ্তী হৈ— যে আল্লাহে তেওঁৰ কৃপাবশতঃ ইয়াক (—কুৰআনক) অৱতীৰ্ণ কৰিব (সিহঁতৰ আপোন দলৰ লোকৰ বাহিৰে) তেওঁৰ বান্দাসকলৰ মাজত যাকে ইচ্ছা কৰে তাৰে ওচৰত! সেইকাৰণে সিহঁতে (নিজৰ ওপৰত) ৰোষৰ উপৰি ৰোষ টানি আনিলে। আৰু অবিশ্বাসীসকলৰ কাৰণে ৰৈছে লাঞ্ছনাদায়ক শাস্তি!

**৯১** আৰু যেতিয়াই সিহঁতক কোৱা হয়— "ঈমান আনা আল্লাহে যি নাযিল কৰিছে তাত", সিহঁতে কয়— "আমি বিশ্বাস কৰো (সেই তওৰাতত) যি আমাৰ ওচৰত অৱতীৰ্ণ হৈছিল।" অথচ সিহঁতে অবিশ্বাস কৰে (নতুনতৰ গ্ৰন্থ ইঞ্জীল আৰু কুৰআনত) যি ইয়াৰ পাচত আহিছে, যদিও ই (—কুৰআন) হৈছে ধ্ৰুৱ সত্য (আৰু) সমৰ্থন কৰিছে যি (ভৱিষ্যতদ্বাণী) সিহঁতৰ ওচৰত ৰৈছে তাতে। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা—"তেনেহ'লে তোমালোকে কিয় আল্লাহৰ নবীসকলক ইয়াৰ আগতে হত্যা কৰিবলৈ গৈছিলা? (জবাব দিয়া) যদি তোমালোক বিশ্বাসী হৈয়ে থাকা।"

**৯২** আৰু নিশ্চয়কৈ মূছা (আঃ) তোমালোকৰ ওচৰলৈ আহিছিলে স্পষ্ট প্ৰমাণ লৈ, কিন্তু তোমালোকে (গৰুৰ) বাছুৰক (পূজাৰ কাৰণে) গ্ৰহণ কৰিলা তেওঁৰ (মাত্ৰ চল্লিশ দিনৰ) অনুপস্থিতিত, আৰু তোমালোকেই হ'লা অন্যায়কাৰী।

**৯৩** আৰু স্মৰণ কৰা! আমি তোমালোকৰ অঙ্গীকাৰ গ্ৰহণ কৰিছিলো আৰু তোমালোকৰ ওপৰত (সিনাই) পৰ্বত থিয় কৰিছিলো। (আৰু কৈছিলো)— "তোমালোকক আমি যি (বিধান) দিছো তাতে দৃঢ়ভাৱে খামুছি ধৰা, আৰু (মোৰ বাণী) শুনা।" সিহঁতে ক'লে— "আমি শুনিলো আৰু অমান্য কৰিলো।" আৰু সিহঁতৰ হৃদয়ত পান কৰোৱা হৈছে দামুৰি (পূজাৰ নিচা) সিহঁতৰ (অঙ্গীকাৰ) অস্বীকাৰ কৰাৰ কাৰণে। (এইবোৰক) কোৱা— "তোমালোকৰ ধৰ্মবিশ্বাসে (গো-পূজাৰ প্ৰতি) তোমালোকক যি নিৰ্দেশ দিছে সেইটো দোষণীয়;— (পাৰিলে অস্বীকাৰ কৰা) যদি তোমালোক ঈমানদাৰ হোৱা।"

**৯৪** (ইহঁতক) তুমি কোৱা— "যদি আল্লাহৰ ওচৰৰ আখেৰাতৰ ঘৰ আন মানুহক বাদ দি কেৱলমাত্ৰ তোমালোকৰ কাৰণেই হৈ থাকে তেনেহ'লে (তৎক্ষনাত নিজৰ) মৃত্যু কামনা কৰা (যেন তোমালোকে ততালিকে সেইটো পাই যোৱা, অথবা ভ্ৰান্ত দলৰ মৃত্যু কামনা কৰা যাতে কোন ভ্ৰান্ত সেইটো চূড়ান্তভাৱে নিষ্পত্তি হৈ যায়), (এনেকুৱাই কৰা) যদি তোমালোকে সত্যবাদী হোৱা।"

**৯৫** কিন্তু সিহঁতে কেতিয়াও সেইটো (—মৃত্যু কামনা) নিবিচাৰে সিহঁতৰ দুই হাতে যি (পাপৰ বোজা) পঠিয়াইছে (তাৰ বাবে)। আৰু আল্লাহে অন্যায়কাৰীসকলৰ সম্পৰ্কে সৰ্বজ্ঞাতা।

**৯৬** আৰু তুমি সিহঁতক পাবা জীৱন সম্বন্ধে আটাইতকৈ লোভী মানুহ,— আৰু যি সকলে (বহু দেৱ-দেৱীক) অংশী কৰে তাহাঁততকৈও (বেচী লোভী)। সিহঁতৰ একো একোজনে কামনা কৰে সিহঁতক যেন হাজাৰ বছৰৰ আয়ুস দিয়া হয়; কিন্তু সিহঁতক (এনে) পৰমায়ুস দিয়া হ'লেও (তাৰ প্ৰাপ্য) শাস্তিৰ পৰা সিহঁতক আতৰোৱা নহ'ব। আৰু সিহঁতে যি কৰিছে আল্লাহ তাৰ দৰ্শক।

## পৰিচ্ছেদ - ১২

**৯৭** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "যি কোনোবা জিব্ৰীলৰ শত্ৰু"— কাৰণ দৰাচলতে সেইজনে আল্লাহৰ আদেশ মতে এইখন (—এই কুৰআন) তোমাৰ হৃদয়ত অৱতাৰণ কৰিছে, ইয়াৰ আগতে যি (প্ৰত্যাদেশ) আহিছিল তাৰ সত্য-সমৰ্থনৰূপে, আৰু মুমিনসকলৰ কাৰণে পথপ্ৰদৰ্শক আৰু সুসংবাদদাতাৰূপে;—

**৯৮** "যি কোনোবা আল্লাহৰ আৰু তেওঁৰ ফিৰিশ্বতাসকলৰ আৰু তেওঁৰ ৰছুলসকলৰ আৰু জিব্ৰীলৰ আৰু মিকালৰ শত্ৰু, নিসন্দেহে আল্লাহ তেতিয়া (সেই) অবিশ্বাসীবিলাকৰ শত্ৰু।"

**৯৯** আৰু (হে মুহাম্মদ-ছাঃ!) নিশ্চয় আমি তোমাৰ ওচৰত অৱতাৰণ কৰিছো সুস্পষ্ট আয়াতসমূহ; আৰু কোনেও ইয়াত অবিশ্বাস নকৰে দুৰ্বৃত্তবিলাকৰ বাহিৰে।

**১০০** কি ব্যাপাৰ! যেতিয়াই সিহঁতে কোনো প্ৰতিশ্ৰুতিত অঙ্গীকাৰ কৰি থাকে, সিহঁতৰ এদলে সেইটো দলিয়াই দিয়ে! নহয়, সিহঁতৰ অধিকাংশই (কোনো প্ৰতিশ্ৰুতিত) বিশ্বাস নকৰে।

**১০১** আৰু যেতিয়াই সিহঁতৰ ওচৰলৈ আল্লাহৰ তৰফৰ পৰা কোনো ৰছুল আহে, সিহঁতৰ ওচৰত যি (ধৰ্মগ্ৰন্থ) আছে তাৰ সত্যসমৰ্থন কৰি, যিসকলক গ্ৰন্থ দিয়া হৈছিল সিহঁতৰ এদলে আল্লাহৰ গ্ৰন্থক তাহাঁতৰ পাচফালে দলিয়াই পেলায়, যেন সিহঁতে (প্ৰত্যাদেশৰ একোৱেই) নাজানে।

**১০২** আৰু সিহঁতে তাৰ (—সেইবিলাক যাদুবিদ্যাৰ) অনুসৰণ কৰে যিটো (মানুহৰ মাজৰ) চয়তানবিলাকে ছুলাইমান (আঃ)-ৰ ৰাজত্বত প্ৰৱৰ্তন কৰিছিল;

আৰু ছুলাইমানে (আল্লাহৰ সৰ্বাধিনায়কত্বত) অবিশ্বাস পোষণ কৰা নাছিলে, বৰং চয়তানবোৰে অবিশ্বাস কৰিছিল; সিহঁতে মানুহবিলাকক যাদুবিদ্যা শিকাইছিল, আৰু সেইটো (—সেইবিলাক যাদুবিদ্যা) ব্যাবিলনত হাৰূত আৰু মাৰূত এই দুই ফিৰিশ্বতাৰ ওচৰত অৱতীৰ্ণ হোৱা নাই, আৰু এই দুজনে (—ফিৰিশ্বতাই) কাকো (এইবিলাক ভোজবাজি) শিকোৱাও নাই যাতে সিহঁতক (শেষলৈকে) ক'ব লাগে— "আমি এক পৰীক্ষা মাথোন, এতেকে (আল্লাহৰ পথনিৰ্দেশত) অবিশ্বাস নকৰিবা।" গতিকে এই দুইয়ৰ পৰা (অৰ্থাৎ ছুলাইমান আঃ-ৰ ওপৰত মিথ্যাৰোপ আৰু হাৰূত-মাৰূত সম্পৰ্কে কল্পকাহিনীৰ উদ্ভাৱনাৰ পৰা) সিহঁতে শিকিছে (যাদুবিদ্যা) যাৰ দ্বাৰা স্বামী আৰু স্ত্ৰীৰ মাজত (মনোমালিন্য আৰু) বিচ্ছেদ ঘটে। কিন্তু সিহঁতে ইয়াৰ দ্বাৰা কাৰো ক্ষতি কৰিব নোৱাৰে আল্লাহৰ অনুমতিব্যতীত। আৰু সিহঁতে (এইবিলাক তন্ত্ৰ-মন্ত্ৰৰ মাধ্যমেদি) সেইটোৰেই শিকে যিটোৱে সিহঁতৰ (মানসিক আৰু দৈহিক) ক্ষতিসাধন কৰে, আৰু সিহঁতৰ উপকাৰ নকৰে। আৰু সিহঁতে অৱশ্যে জানে যে এইটো (—যাদুবিদ্যা) যিজনে কিনি নিয়ে (অৰ্থাৎ ইয়াৰ ব্যৱসায় আৰু পৃষ্ঠপোষকতা কৰে) তাৰ কাৰণে পৰকালত কোনো লাভৰ অংশ নাথাকিব। আৰু আফচোচ, এইটো মন্দ যিটোৰ বিনিময়ত সিহঁতে নিজৰেই আত্মা (আৰু বিবেক) বিক্ৰী কৰিছে, যদিহে সিহঁত জানিলেহেঁতেন (কি লোকচান সিহঁতে সাধিছে)।

**১০৩** আৰু যদি সিহঁতে ঈমান আনিলেহেঁতেন আৰু ধৰ্মভীৰতা অৱলম্বন কৰিলেহেঁতেন তেতিয়াহ'লে আল্লাহৰ ওচৰৰ পৰা (পোৱা) পুৰস্কাৰ নিশ্চয় বহুত ভাল হ'লহেঁতেন— যদি সিহঁতে জানিলেহেঁতেন (কি বস্তু সিহঁতে হেৰুৱাইছে)।

## পৰিচ্ছেদ - ১৩

**১০৪** হেৰা যিসকলে ঈমান আনিছা! তোমালোকে (মুহাম্মদ-ছাঃ-ৰ মনোযোগ আকৰ্ষণ কৰিবলৈ গৈ) নক'বা "ৰাইনা" (যাৰ অৰ্থ "আমাৰ পিনে লক্ষ্য কৰক" কাৰণ ইহুদীবিলাকে ইয়াৰ উচ্চাৰণ বিকৃত কৰি তেওঁক কয় "ৰা'ইনা" যাৰ অৰ্থ 'নিৰ্বোধ'), বৰঞ্চ (উপযুক্ত সন্মান প্ৰদৰ্শন কৰি) কোৱা "উনজুৰ্না" (যাৰ অৰ্থ "আমাৰ পিনে চাওক"— যাৰ উচ্চাৰণ বিকৃত কৰি টিটকাৰী কৰা সম্ভৱ নহয়), আৰু শুনক। আৰু অবিশ্বাসীসকলৰ কাৰণে ৰৈছে মৰ্মন্তুদ শাস্তি।

**১০৫** গ্ৰন্থপ্ৰাপ্তসকলৰ মাজত যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতে নিবিচাৰে আৰু মুশ্বৰিকসকলেও নহয়, যে তোমালোকৰ প্ৰভুৰ পৰা কোনো কল্যাণ তোমালোকৰ প্ৰতি বৰ্ষিত হওক। কিন্তু আল্লাহে তেওঁৰ কৰুণাৰ কাৰণে (উপযুক্ত বুলি) যাকে ইচ্ছা কৰে মনোনীত কৰে। আৰু আল্লাহ অপাৰ কল্যাণৰ অধিকাৰী।

**১০৬** (পূৰ্ববৰ্তী ধৰ্মগ্ৰন্থৰ) যিবিলাক আয়াত আমি মনছুখ (বা বাতিল) কৰো অথবা সেইবিলাক পাহৰাই দিওঁ আমি তাতকৈও ভাল (বাৰ্তা, যথা এই মহান কুৰআন) অথবা (বিকৃত কৰি দিয়া বাণীৰ ক্ষেত্ৰত) তাৰ অনুৰূপ (আয়াত) লৈ আহো। তুমি নাজানানে যে আল্লাহ নিসন্দেহে সকলোৰে ওপৰত সৰ্বশক্তিমান?

**১০৭** তুমি নাজানানে নিসন্দেহে আল্লাহ্— মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব তেওঁৰেই। আৰু তোমালোকৰ কাৰণে আল্লাহৰ বাহিৰে কোনো মুৰব্বী নাই আৰু সাহায্যকাৰীও নাই।

**১০৮** তোমালোকে (—ইহুদীসকলে) তোমালোকৰ (ওচৰত হাজিৰ হোৱা) ৰছুলক (—মুহাম্মদ-ছাঃ-ক) প্ৰশ্ন কৰিব বিচাৰানে যেনেকৈ মূছা (আঃ)-ক ইয়াৰ আগতে প্ৰশ্ন কৰা হৈছিল? আৰু যিয়ে বিশ্বাসৰ ঠাইত অবিশ্বাস সলনি কৰে সি তেন্তে নিশ্চয় সৰল পথৰ দিশ হেৰুৱায়।

**১০৯** গ্ৰন্থপ্ৰাপ্ত লোকৰ বহুতেই কামনা কৰে তোমালোকৰ ঈমান অনাৰ পাচত তোমালোকক যেন (পুনৰায়) অবিশ্বাসলৈ ফিৰাই নিব পাৰে; (সিহঁতে এনে কৰিবলৈ বিচাৰে) সিহঁতৰ নিজৰ ফালৰ পৰা (তোমালোকৰ প্ৰতি) বিদ্বেষৰ ফলত, সিহঁতৰ ওচৰত (কুৰআনৰ) সত্য পৰিষ্কাৰ হোৱাৰ পিচতো। সেইকাৰণে ক্ষমা কৰা (সিহঁতৰ অপৰাধ) আৰু উপেক্ষা কৰা (সিহঁতৰ ক্ৰিয়াকৰ্ম) যেতিয়ালৈকে নেকি আল্লাহে তেওঁৰ অনুশাসন লৈ আহে। নিসন্দেহে আল্লাহ সকলোৰ উপৰত সৰ্বশক্তিমান।

**১১০** আৰু নামায কায়েম কৰা আৰু যাকাত আদায় কৰা। আৰু তোমালোকৰ আত্মাৰ কাৰণে যি কিছু কল্যাণ আগবঢ়োৱা তাক আল্লাহৰ ওচৰত (মজুত) পাবা। তোমালোকে যি কৰিছা আল্লাহ নিশ্চয় তাৰ দৰ্শক।

**১১১** আৰু সিহঁতে (—ইহুদী আৰু খ্ৰীষ্টানসকলে) কয়— "যি ইহুদী বা খ্ৰীষ্টানবিলাকৰ বাহিৰে কোনেও কেতিয়াও বেহেশ্বতত প্ৰৱেশ কৰিব নোৱাৰিব।" এইবিলাক সিহঁতৰ বৃথা আকাংক্ষা। কোৱা (হে মুহাম্মদ-ছাঃ!)— "তোমালোকৰ প্ৰমাণ লৈ আহা, যদি তোমালোক (তোমালোকৰ দাবী সম্পৰ্কে) সত্যবাদী হোৱা।"

**১১২** নহয়; (কেৱল ইহুদী আৰু খ্ৰীষ্টানসকলেই যে আল্লাহৰ প্ৰিয়পাত্ৰ আৰু বেহেশ্বতৰ দাবিদাৰ এনে ধাৰণা ভুল, বৰঞ্চ) যিয়ে আল্লাহৰ ফালে নিজৰ মুখ পূৰ্ণসমৰ্পণ কৰিছে আৰু যি সৎকৰ্মী, তেওঁৰ কাৰণে তেওঁৰ পুৰস্কাৰ (নিৰ্ধাৰিত) আছে তেওঁৰ প্ৰভুৰ ওচৰত; আৰু তেওঁলোকৰ ওপৰত (আল্লাহৰ অনুগ্ৰহ হেৰুৱাৰ) কোনো ভয় নাই, আৰু তেওঁলোকে অনুতাপো নকৰিব।

## পৰিচ্ছেদ - ১৪

**১১৩** আৰু ইহুদীসকলে কয়—"খ্ৰীষ্টানবিলাক (সৎপথ বুলি) একোৰেই ওপৰত (অধিষ্ঠিত) নহয়", আৰু খ্ৰীষ্টানসকলে কয়— "ইহুদীবিলাক (সৎপথ বুলি) একোৰে ওপৰত (প্ৰতিষ্ঠিত) নহয়।" অথচ (আচৰিত কথা—) সিহঁতে (একেখন) গ্ৰন্থ পঢ়ে। এইদৰে সিহঁতৰ কথাৰ নিচিনা কথা কয় এইসকলে (অৰ্থাৎ আৰববাসীয়ে) যিয়ে (কোনো গ্ৰন্থৰ বিষয়বস্তু) নাজানে (যিহেতু এওঁলোকৰ বাবে কোনো নবী ইতিপূৰ্বে অহা নাছিলে)। সেই কাৰণে আল্লাহে কিয়ামতৰ দিনা সিহঁতৰ মাজত (বিচাৰৰ) ৰায় দিব যি বিষয়ত সিহঁতে মতবিৰোধ কৰিছিল।

**১১৪** আৰু তাতকৈ কোন বেচি অন্যায়কাৰী যি আল্লাহৰ মছজিদসমূহত (মুছলিমৰ যোৱাত) বাধা দিয়ে এই কাৰণে যে সেইবিলাকত তেওঁৰ নাম স্মৰণ কৰা হ'ব, আৰু চেষ্টা কৰে সেইবিলাকৰ অনিষ্ট সাধন কৰিবলৈ? ইহঁতৰ ক্ষেত্ৰত, সিহঁতৰ কাৰণে (উচিত) নহয় যে সিহঁত এইবিলাকত প্ৰৱেশ কৰে (আল্লাহৰ প্ৰতি) ভয়াতুৰ নহৈ। সিহঁতৰ কাৰণে এই দুনিয়াত আছে অপমান, আৰু পৰকালত সিহঁতৰ কাৰণে (অপেক্ষা কৰি) আছে কঠোৰ শাস্তি।

**১১৫** আৰু আল্লাহৰেই পূৰ্বাঞ্চল আৰু পশ্চিমাঞ্চল। এতেকে যিফালেই তোমালোক ঘূৰা সেইফালেই থাকিছে আল্লাহৰ মুখ। নিসন্দেহে আল্লাহ সৰ্বব্যাপক, সৰ্বজ্ঞাতা।

**১১৬** সিহঁতে (—খ্ৰীষ্টানবিলাকৰ নিচিনা লোকে) কয়— "আল্লাহে এটা পুতেক গ্ৰহণ কৰিছে। তেওঁৰেই মহিমা হওক! বৰং মহাকাশমণ্ডলত আৰু পৃথিৱীত যি কিছু আছে— সেই সকলো তেওঁৰেই। সকলোৱে তেওঁৰেই আজ্ঞা পালনকাৰী।

**১১৭** (তেৱেঁই) মহাকাশমণ্ডল আৰু পৃথিৱীৰ আদি স্ৰষ্টা। আৰু যেতিয়াই কোনো বিষয় তেওঁ নিৰ্ধাৰিত কৰে (অৰ্থাৎ কোনো কিছু সম্পাদন কৰিবলৈ যায়) তেওঁ সেইসম্বন্ধে তেতিয়া কেৱল কয়— "হোৱা" (তেতিয়া তৎক্ষণাত সৃষ্টিৰ কাম আৰম্ভ হয়) আৰু সি (সৃষ্টিচক্ৰৰ নিয়ম অনুযায়ী যথাসময়ত, নিষ্পন্ন) হৈ যায়।

**১১৮** আৰু যিবিলাকে (প্ৰত্যাদেশৰ ৰীতি সম্বন্ধে) নাজানে সিহঁতে কয়— "আল্লাহে কিয় আমাৰ সৈতে কথা নকয়, অথবা এটা নিদৰ্শন আমাৰ ওচৰলৈ আহক (যাতে এইবিলাক বাণীৰ সত্যতা আমি উপলব্ধি কৰিব পাৰো)?" এইদৰেই ইহঁতৰ আগতে যিবিলাক আছিল সিবিলাকেও ইবিলাকৰ কথাৰ অনুৰূপ কথা কৈছিল। সিহঁতৰ হৃদয় এক ধৰণৰে। আমি আয়াতসমূহ অৱশ্যে সুস্পষ্ট কৰি ৰাখিছো সেই লোকসকলৰ বাবে যিয়ে (নিজৰ ঈমানৰ প্ৰতি) দৃঢ়প্ৰত্যয় ৰাখে।

**১১৯** (হে মুহাম্মদ-ছাঃ!) নিসন্দেহে আমি তোমাক (কুৰআনৰূপী) সত্য দি পঠিয়াইছো সুসংবাদদাতাৰূপে আৰু সতৰ্ককাৰীৰূপে; আৰু (তোমাৰ ওপৰত দায়িত্ব হৈছে লোকৰ ওচৰত আমাৰ বাণী পৌছাই দিয়া, সেইকাৰণে) তোমাক জবাবদিহি কৰিব নালাগিব ভয়ংকৰ জুইৰ বাসিন্দাবিলাকৰ সম্পৰ্কে।

**১২০** আৰু ইহুদীসকল কেতিয়াও তোমাৰ ওপৰত সন্তুষ্ট নহ'ব, আৰু খ্ৰীষ্টানসকলো নহয়, যেতিয়ালৈকে তুমি (তোমাৰ ধৰ্ম পৰিত্যাগ কৰি) সিহঁতৰ ধৰ্মমত অনুসৰণ কৰা। সিহঁতক কোৱা— "নিশ্চয়কৈ আল্লাহৰ যি হেদায়ত সেয়েই (আচল) হেদায়ত।" আৰু তুমি যদি সিহঁতৰ ইচ্ছাৰ অনুসৰণ কৰা তোমাৰ ওচৰলৈ জ্ঞানৰ যি আহিছে তাৰ পাচত, তেনেহ'লে আল্লাহৰ পৰা তুমি নাপাবা কোনো বন্ধু-বান্ধৱ, নাই কোনো সাহায্যকাৰী।

**১২১** যিসকলক আমি গ্ৰন্থ (অৰ্থাৎ কুৰআন) দিছো (আৰু) সিহঁতে ইয়াৰ তিলাওতৰ ন্যায্যতা অনুযায়ী ইয়াক অধ্যয়ন কৰে, তেওঁলোকেই ইয়াত (প্ৰকৃত) ঈমান আনিছে। আৰু যিয়ে ইয়াত অবিশ্বাস পোষণ কৰে সিবিলাক নিজেই হয় (ইহকাল আৰু পৰকালত) ক্ষতিগ্ৰস্ত।

## পৰিচ্ছেদ – ১৫

**১২২** হে ইছৰাইলৰ বংশধৰসকল! মোৰ অনুগ্ৰহ স্মৰণ কৰা যিখিনি মই তোমালোকক প্ৰদান কৰিছিলো আৰু কিভাৱে (তোমালোকৰ সমসাময়িক) মানৱগোষ্ঠীৰ ওপৰত তোমালোকক মৰ্যাদা দিছিলো।

**১২৩** আৰু হুচিয়াৰ হোৱা এনে এক দিনৰ যেতিয়া এটা সত্তাই অইন আত্মাৰ পৰা কোনো প্ৰকাৰ সহায় নাপাব, আৰু তাৰ পৰা কোনো খেচাৰত কবুল কৰা নহ'ব আৰু কোনো চুপাৰিচতো তাৰ উপকাৰ নহ'ব, আৰু (কোনোফালৰ পৰাই) সিহঁতক সাহায্য কৰা নহ'ব।

**১২৪** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-ক তেওঁৰ প্ৰভুৱে কেইটামান নিৰ্দেশৰ দ্বাৰা পৰীক্ষা কৰিছিলে, আৰু তেওঁ সেইখিনি (নিষ্ঠাৰে) পালন কৰিছিলে। (সেই কাৰণে) তেওঁ (—আল্লাহে) ক'লে— "মই নিশ্চয় তোমাক মানৱজাতিৰ কাৰণে ইমাম (বা ধৰ্মীয় নেতা) কৰিবলৈ গৈছো।" তেওঁ ক'লে— "আৰু মোৰ বংশধৰসকলৰ পৰাও (ইমাম নিযুক্ত হ'বনে)?" তেওঁ (—আল্লাহে) ক'লে— "মোৰ অঙ্গীকাৰ অন্যায়কাৰীসকলৰ ওপৰত নবৰ্তে।"

**১২৫** আৰু চোৱা! আমি (মক্কাৰ কা'বা) গৃহক মানুহৰ কাৰণে সম্মিলনস্থল আৰু নিৰাপত্তাস্থান বনাইছিলো। আৰু (আমি ঘোষণা কৰিছিলো) "মক্কাম-ই ইব্ৰাহীম"-ক (অৰ্থাৎ ইব্ৰাহীম-আঃ-ৰ অৱস্থানস্থলক) উপাসনাস্থল কৰা।" আৰু আমি ইব্ৰাহীম (আঃ) আৰু ইছমাইল (আঃ)-ৰ প্ৰতি নিৰ্দেশ দিছিলো— মোৰ গৃহ (কা'বাক, মূৰ্তিপূজাৰ কদৰ্যতাৰ পৰা) পৱিত্ৰ কৰি ৰখা তওৱাফকাৰীসকলৰ (অৰ্থাৎ আল্লাহৰ উপাসনাৰ বাবে কা'বা প্ৰদক্ষিণকাৰীসকলৰ) আৰু ই'তিকাফকাৰীসকলৰ (অৰ্থাৎ ঘৰ-সংসাৰ এৰি অবিৰাম উপাসনাকাৰীসকলৰ) আৰু ৰুকু-ছিজ্‌দাকাৰীসকলৰ নিমিত্তে।"

**১২৬** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ ক'লে— "মোৰ প্ৰভু! ইয়াক (মক্কা নগৰীক) তুমি নিৰাপদ নগৰ বনোৱা আৰু ইয়াৰ লোকসকলক ফল-ফচল দি জীৱিকা দান কৰা— সিহঁতৰ যিয়ে আল্লাহত আৰু আখেৰাতৰ দিনত ঈমান আনিছে।" তেওঁ (—আল্লাহে) ক'লে— "(ঠিক আছে,) আৰু (যিহেতু মই সকলো সৃষ্টিৰ বিযেকদাতা) যি অবিশ্বাস পোষণ কৰিব তাক মই ক্ষণিকৰ কাৰণে ভোগ কৰিবলৈ দিম, তাৰ পিচত খেদি লৈ যাম (দুযখৰ) জুইৰ শাস্তিৰ পিনে, আৰু (সেইটো হ'ল) নিকৃষ্ট গন্তব্যস্থল।"

**১২৭** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ (নতুন কৰি কা'বা) গৃহৰ ভেটি গাঁথি তুলিলে, আৰু ইছমাইল (আঃ)-এও (পিতাক সাহায্য কৰিছিল)। (দুয়োজনে মোনাজত কৰিলে—) "আমাৰ প্ৰভু! আমাৰ পৰা (এই সেৱা) তুমি গ্ৰহণ কৰা। নিসন্দেহে তুমি নিজেই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১২৮** "আমাৰ প্ৰভু! আৰু আমালোকক তোমাৰ প্ৰতি মুছলিম (বা সম্পূৰ্ণ আত্মসমৰ্পিত) কৰি ৰাখা, আৰু আমাৰ সন্তান-সন্ততিৰ পৰা তোমাৰ প্ৰতি মুছলিম উম্মৎ (বনাই ৰাখা), আৰু আমাৰ তওবা কবুল কৰা; নিসন্দেহে তুমি নিজেই (বাৰ বাৰ) তওবা কবুলকাৰী, অফুৰন্ত ফলদাতা।

**১২৯** "আমাৰ প্ৰভু! তেওঁলোকৰ মাজত (অৰ্থাৎ আমাৰ বংশধৰসকলৰ মাজত) তেওঁলোকৰ পৰা (মুহাম্মদ-ছাঃ নামৰ) এজন ৰছুল উত্থাপন কৰা যি তোমাৰ বাণীসমূহ তেওঁলোকৰ আগত পঢ়ি শুনাব আৰু তেওঁলোকক শিকাব (কুৰআন নামৰ) ধৰ্মগ্ৰন্থ আৰু জ্ঞান-বিজ্ঞান, আৰু তেওঁলোকক পৱিত্ৰ কৰিব। নিশ্চয় তুমি নিজেই মহাশক্তিশালী, পৰমজ্ঞানী।"

## পৰিচ্ছেদ - ১৬

**১৩০** আৰু যিজন ইব্ৰাহীম (আঃ)-ৰ ধৰ্মমতৰ পৰা অপসৃত হয় তাতকৈ অইন কোনেনো নিজকে নিৰ্বোধ বনায়? আৰু অৱশ্যেই আমি তেওঁকে এই দুনিয়াত (মোৰ বন্ধুৰূপে) মনোনীত কৰিছিলো; আৰু স্বৰূপতে তেওঁ আখেৰাততো ধাৰ্মিকসকলৰ অন্যতম হ'ব।

**১৩১** স্মৰণ কৰা! তেওঁৰ প্ৰভুৱে তেওঁক ক'লে— "ইছলাম গ্ৰহণ কৰা।" তেওঁ ক'লে— "মই সমুদায় সৃষ্ট জগতৰ প্ৰভুৰ ওচৰত আত্মসমৰ্পণ কৰিছো।"

**১৩২** আৰু ইব্ৰাহীম (আঃ)-এ তেওঁৰ সন্তানসকলক এইটো সমৰ্পণ কৰিছিলে (অৰ্থাৎ ইছলাম ধৰ্ম পালনৰ আৰু প্ৰচাৰৰ দায়িত্ব দিছিলে), আৰু (তেওঁৰ পৌত্ৰ) ইয়াকুব (আঃ, যিজন ইছৰাইল বংশৰ পত্তনকাৰী, তেৰোঁ তেনেই কৰিছিলে)। (তেওঁলোকৰ প্ৰত্যেকেই কৈছিলে)— "হে মোৰ সন্তান-সন্ততি, নিশ্চয় আল্লাহে তোমালোকৰ কাৰণে এই ধৰ্ম মনোনীত কৰিছে, এতেকে তোমালোকে প্ৰাণত্যাগ নকৰিবা তোমালোক মুছলিম নোহোৱালৈকে।"

**১৩৩** অথবা তোমালোক প্ৰত্যক্ষদৰ্শী আছিলানে যেতিয়া ইয়াকুব (আঃ)-ৰ মৃত্যু আহিছিল, যেতিয়া তেওঁ নিজৰ সন্তানসকলক (অৰ্থাৎ ইছৰাইলৰ বংশধৰসকলক) কৈছিলে— "তোমালোকে মোৰ পাছত কাৰ এবাদত কৰিবা?" এওঁলোকে কৈছিল— "আমি এবাদত কৰিম তোমাৰ উপাস্যৰ আৰু তোমাৰ পিতৃপুৰুষ (যেনে ককা) ইব্ৰাহীম (আঃ) আৰু (জেঠা) ইছমাইল (আঃ) আৰু (পিতা) ইছহাক (আঃ)-ৰ উপাস্যৰ— একক উপাস্যৰ, আৰু তেওঁৰ ওচৰত আমি (সম্পূৰ্ণৰূপে আত্মসমৰ্পিত) মুছলিম।"

**১৩৪** সিহঁতেই সেই লোকবোৰ যি গত হৈ গৈছে। সিহঁতৰ কাৰণে (নিৰ্ধাৰিত) আছে যিখিনি সিহঁতে অৰ্জন কৰিছিল আৰু তোমালোকৰ কাৰণে (অপেক্ষা কৰিছে) যি তোমালোকে অৰ্জন কৰিছা; আৰু তোমালোকক জবাবদিহি কৰা নহ'ব সিহঁতে যি কৰিছিল সেই সম্বন্ধে।

**১৩৫** আৰু সিহঁতে কয়— "ইহুদীয় বা খ্ৰীষ্টান হোৱা, (তেনেহ'লে) তোমালোকে হেদায়ত পাবা।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "বৰঞ্চ (আমি অনুসৰণ কৰো) একনিষ্ঠ ইব্ৰাহীম (আঃ)-ৰ ধৰ্মমত। আৰু তেওঁ মুশ্বৰিকহঁতৰ (—মুৰ্তিপূজকহঁতৰ) অন্তৰ্ভুক্ত নাছিল।"

**১৩৬** তোমালোকে (—মুছলিমসকলে, জনগণক) কোৱা— "আমি আল্লাহত ঈমান আনিছো, আৰু (ঈমান আনিছো) তাত (—সেই কুৰআনত) যি আমাৰ প্ৰতি নাযিল হৈছে; আৰু যি নাযিল হৈছিল ইব্ৰাহীম (আঃ)-ৰ ওচৰত আৰু (তেওঁৰ দুই পুত্ৰ) ইছমাইল (আঃ) আৰু ইছহাক (আঃ) আৰু (ইছহাকৰ পুত্ৰ) ইয়াকুব (আঃ) আৰু বিভিন্ন গোত্ৰৰ ওচৰত, আৰু যি দিয়া হৈছিল মুছা (আঃ)-ক (তওৰাত গ্ৰন্থত), আৰু ঈছা (আঃ)-ক (ইঞ্জিল গ্ৰন্থত), আৰু (সংক্ষেপে) যি সকলো নবীক তেওঁলোকৰ প্ৰভুৰ পৰা দিয়া হৈছিল। আমি তেওঁলোকৰ কোনো এজনৰ মাজতো পাৰ্থক্য নকৰো। আৰু আমি তেওঁৰেই (— আল্লাহৰেই) ওচৰত (সম্পূৰ্ণৰূপে আত্মসমৰ্পিত) মুছলিম হৈছো।"

**১৩৭** এতেকে যদি সিহঁতে ঈমান আনিলেহেঁতেন যিদৰে তোমালোকে (—মুছলিমসকলে) তেওঁৰ প্ৰতি ঈমান আনিছা, তেনেহ'লে নিসন্দেহে সিহঁতে হেদায়ত পালেহেঁতেন; আৰু যদি সিহঁতে (ধৰ্মৰ এনে উদাৰ মতবাদৰ পৰা) ফিৰি যায় তেনেহ'লে অৱশ্যেই সিহঁতে বিৰোধিতাতে নিমগ্ন। এতেকে আল্লাহেই সিহঁতৰ বিৰুদ্ধে তোমাৰ কাৰণে যথেষ্ট; কাৰণ তেৱেঁই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১৩৮** (হে মুহাম্মদ-ছাঃ! তুমি কোৱা—) "আল্লাহৰ (প্ৰেমত ৰঙাই তোলা) ৰঙেই (হৈছে) আচল ৰং; (তাকেই আমি সানিছো গোটেই গাত)। আৰু ৰঙৰ ক্ষেত্ৰত আল্লাহতকৈ কোন বেচি ধুনীয়া? আৰু আমি তেওঁৰেই উপাসনাকাৰী।"

**১৩৯** (হে মুহাম্মদ-ছাঃ! গ্ৰন্থধাৰীসকলক) তুমি কোৱা— "তোমালোকে আমাৰ লগত আল্লাহৰ সম্বন্ধে বিবাদ কৰিছানে, অথচ তেওঁহে আমাৰ প্ৰভু আৰু তোমালোকৰো প্ৰভু? আৰু আমাৰ কাম (-কাজৰ পৰা পোৱা সুফল) আমাৰ হ'ব আৰু তোমালোকৰ কাম (-কাজৰ প্ৰতিফল) তোমালোকৰ হ'ব। আৰু আমি তেওঁৰেই প্ৰতি একান্ত অনুৰক্ত।"

**১৪০** অথবা তোমালোকে (—ইহুদী আৰু খ্ৰীষ্টানবিলাকে) কোৱাঁনে— ইব্ৰাহীম (আঃ) আৰু ইছমাইল (আঃ) আৰু ইছহাক (আঃ) আৰু ইয়াকুব (আঃ) আৰু বিভিন্ন গোত্ৰ ইহুদীয় অথবা খ্ৰীষ্টান আছিল? (সিহঁতক) তুমি কোৱা—"তোমালোকে কি বেচি জানা, নে আল্লাহে (বেচি জানে)? আৰু সিহঁতত কৈয়ো কোনে বেচি অন্যায় কৰিছে যি গোপন কৰিছে (মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কিত) সেই সাক্ষ্য যি আল্লাহৰ পৰা সিহঁতৰ ওচৰত আছিল? আৰু তোমালোকে যি কৰিছা সেইসম্বন্ধে আল্লাহ বেখেয়াল নহয়।

**১৪১** ইহঁতেই সিবিলাক লোক যি গত হৈ গৈছে। সিহঁতৰ কাৰণে (নিৰ্ধাৰিত) আছে যিখিনি সিহঁতে অৰ্জন কৰিছিল আৰু তোমালোকৰ কাৰণে (অপেক্ষা কৰিছে) যি তোমালোকে অৰ্জন কৰিছা; আৰু তোমালোকক জবাবদিহি কৰিব নালাগিব সিহঁতে যি কৰিছিল সেইসম্বন্ধে।

## ২য় পাৰা

### পৰিচ্ছেদ - ১৭

**১৪২** (ইহুদী সম্প্ৰদায়ৰ) মানুহৰ মাজৰ নিৰ্বোধবিলাকে ততালিকে ক'ব— “(মুছলিমসকল মক্কাত থকাকালত) সেইসকলৰ কিব্‌লাহত (—‘বয়তুল মুকদ্দছ’-ত) য'ত তেওঁলোক (অধিষ্ঠিত) আছিল তাৰ পৰা (এতিয়া কা'বাৰ পিনে) তেওঁলোকক সলনি কৰিলে কিহে?” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “পূব আৰু পশ্চিম (সকলো অঞ্চল) আল্লাহৰেই; তেওঁ (যোগ্যতা অনুসৰি) যাকে ইচ্ছা কৰে তাকে সঠিক পথৰ ফালে পৰিচালিত কৰে (ফলত কা'বাহ-ক মুছলিমৰ কিব্‌লাহৰূপে তেৱেঁই স্থিৰ কৰি দিছে)।”

**১৪৩** আৰু এনেদৰে (হে আৰববাসী মুছলিমসকল!) তোমালোকক আমি বনাইছো এটা সু-সামঞ্জস্য ৰক্ষাকাৰী সমাজ যাতে তোমালোকে মানৱ জাতিৰ কাৰণে সাক্ষী হ'ব পাৰা, আৰু ৰছুল (—মুহাম্মদ-ছাঃ-ও) তোমালোকৰ কাৰণে (আল্লাহৰ বাণী লোকক পৌছাই দিছে বুলি) সাক্ষী হ'ব পাৰে। আৰু আমি তাক (অৰ্থাৎ কা'বাক) কিব্‌লাহ্ নবনালোহেঁতেন যাৰ ওপৰত তুমি (আগ্ৰহান্বিত) আছিলা, জানোচা আমি যাচাই কৰিব পাৰো কোনে ৰছুলক অনুসৰণ কৰে সিজনৰ পৰা যিজনে তাৰ গোৰোহাৰ ওপৰত হোঁহকি যায়। আৰু নিসন্দেহে এইটো (—কিব্‌লাহ সলনিৰ বিষয়টো) কঠিন ব্যাপাৰ আছিল সেইসকলক বাদ দি যিসকলক আল্লাহে হেদায়ত কৰিছে। আৰু আল্লাহে তোমালোকৰ ঈমান কেতিয়াও নিষ্ফল হ'ব নিদিয়ে। নিসন্দেহে আল্লাহ মানুহৰ প্ৰতি পৰম স্নেহশীল, অফুৰন্ত ফলদাতা।

**১৪৪** আমি নিশ্চয় দেখিছো (হে মুহাম্মদ-ছাঃ!) তুমি আকাশৰ ফালে তোমাৰ মুখ কৰি আছা (মোৰ পৰা কিব্‌লাহ পৰিবৰ্তনৰ আচল কাৰণ জানিবলৈ); সেইকাৰণে (সিবিলাকক জনাই দিয়া) আমি নিশ্চয় তোমাক (শীঘ্ৰেই) কৰ্তৃত্ব দিম কিব্‌লাহৰ (তথা গোটেই মক্কা নগৰীৰ) যিটো তুমি পছন্দ কৰা। গতিকে “মছজিদুল হাৰাম”-ৰ (অৰ্থাৎ পবিত্ৰ কা'বাৰ) পিনে তোমাৰ মুখ ঘূৰোৱা। আৰু য'তেই তোমালোক (—মুছলিমসকল) থাকা তোমালোকৰ মুখ (নামাযৰ সময়ত) তেন্তে ইয়াৰ ফালেই ঘূৰাবা। আৰু যিসকলক কিতাপ দিয়া হৈছে সেইসকলে অৱশ্যেই জানে যে নিসন্দেহে ই (কুৰআনখন) তেওঁলোকৰ প্ৰভুৰ পৰা অহা ধ্ৰুৱসত্য। আৰু সেইসকলে যি কৰিছে আল্লাহ সেইসম্বন্ধে বেখেয়াল নহয়।

**১৪৫** আৰু যদিও তুমি যিসকলক কিতাপ দিয়া হৈছে সিহঁতৰ (অৰ্থাৎ ইহুদী আৰু খ্ৰীষ্টানসকলৰ) ওচৰলৈ (কা'বাৰ সমৰ্থনত) সকলো নিদৰ্শন লৈ আহা তথাপি সিহঁতে তোমাৰ কিব্‌লাহ মানি নচলিব। আৰু তুমি সিহঁতৰ কিব্‌লাহৰ অনুবৰ্তী হ'ব নোৱাৰা, আকৌ সিহঁতৰ কোনো কোনোৱে (জেৰুজালেমৰ সপক্ষে) পৰস্পৰৰ কিব্‌লাহৰ অনুবৰ্তী নহয়। আৰু তুমি যদি সিহঁতৰ হীন মনোবৃত্তিক অনুসৰণ কৰা, তোমাৰ ওচৰলৈ জ্ঞানৰ যি আহিছে তাৰ পাছতো তেনেহ'লে নিসন্দেহে তুমিও হ'বা অন্যায়কাৰীসকলৰ অন্যতম।

**১৪৬** (ইছ্‌ৰাইলৰ বংশধৰসকলৰ দৰে) যিবিলাকক আমি কিতাপ দিছো সিসকলে এওঁক (—মুহাম্মদ-ছাঃ-ক) চিনিব পাৰিছে (ঈমান পৰিষ্কাৰভাৱে) যেনেকৈ সিসকলে চিনি পায় সিহঁতৰ (আপোন) সন্তানবিলাকক। কিন্তু সিহঁতৰ মাজৰে এদলে নিশ্চয় (মুহাম্মদ-ছাঃ-ৰ আবিৰ্ভাৱ সম্পৰ্কীয়) সত্যক গোপন কৰিছে, আৰু সিহঁতে জানে (যিটো সিহঁতে কৰিছে)।

**১৪৭** এই সত্য (বাণী) আহিছে তোমাৰ প্ৰভুৰ পৰা, এতেকে তোমালোক সন্দিগ্ধমনাহঁতৰ অন্তৰ্ভুক্ত নহবা।

### পৰিচ্ছেদ - ১৮

**১৪৮** আৰু প্ৰত্যেকৰে কাৰণে একোটি কেন্দ্ৰস্থল আছে, তাৰ পিনে (উপাসনাৰ সময়ত) সেইজন ঘূৰে, একেতে সৎকৰ্মত তোমালোকে (—মুছলিমসকলে, এজনে আনৰ সৈতে) প্ৰতিযোগিতা কৰা। য'তেই তোমালোক নথকা কিয়, আল্লাহে তোমালোকৰ সকলোকে (এই কিব্‌লাহ-ৰ মাধ্যমত) একত্ৰিত কৰিব। নিসন্দেহে আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

**১৪৯** আৰু (হে মুহাম্মদ-ছাঃ!) য'ৰে পৰাই তুমি (নামাযৰ কাৰণে) ওলোৱা তোমাৰ মুখ (মক্কাৰ) পবিত্ৰ মছজিদৰ ফালে ঘূৰুৱা। আৰু নিসন্দেহে এইটো তোমাৰ প্ৰভুৰ পৰা (অহা) ধ্ৰুৱ সত্য। আৰু অৱশ্যেই আল্লাহ বেখেয়াল নহয় তোমালোকে যি কৰা সেইসম্বন্ধে।

**১৫০** আৰু য'ৰে পৰাই তুমি ওলোৱা, তোমাৰ মুখ পবিত্ৰ মছজিদৰ পিনে ঘূৰাবা। আৰু (হে মুছলিমসকল!) য'তেই তোমালোক থাকা, তোমালোকৰ মুখ সেই পিনেই ঘূৰাবা, যাতে তোমালোকৰ বিৰুদ্ধে জনসাধাৰণৰ কোনো কাজিয়া (বা তৰ্ক-বিতৰ্ক) যেন নাথাকে সিহঁতৰ মাজৰ যিবিলাকে অন্যায় কৰে সেইবিলাকৰ ব্যতিৰেকে। এতেকে সিহঁতক ভয় নকৰিবা, বৰং ভয় কৰা মোক। আৰু (সেয়ে কৰা উচিত) যেন মই তোমালোকৰ ওপৰত মোৰ নিয়ামত সম্পূৰ্ণ কৰিব পাৰো, আৰু তোমালোকেও যাতে সুপথ লাভ কৰিবা পাৰা;—

**১৫১** যেনেকৈ, আমি তোমালোকৰ ওচৰলৈ তোমালোকৰ মাজৰে পৰা এজন ৰছুল পঠিয়াইছো, যিজনে আমাৰ বাণী তোমালোকৰ ওচৰত তিলাওত কৰিছে আৰু তোমালোকক পবিত্ৰ কৰিছে, আৰু তোমালোকক ধৰ্মগ্ৰন্থ আৰু জ্ঞান-বিজ্ঞানৰ শিক্ষা দিছে, আৰু তোমালোকক শিকাইছে যিখিনি তোমালোকে (ইয়াৰ আগেয়ে) নাজানিছিলা।

**১৫২** এতেকে মোক স্মৰণ কৰা, ময়ো তোমালোকক স্মৰণ কৰিম আৰু মোৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰা, আৰু মোক অস্বীকাৰ নকৰিবা।

### পৰিচ্ছেদ - ১৯

**১৫৩** হেৰা যিসকলে ঈমান আনিছা! (আল্লাহৰ) সহায় বিচৰা ধৈৰ্য আৰু নামাযৰ জৰিয়তে। নিসন্দেহে আল্লাহ ধৈৰ্যশীলসকলৰ লগত আছে।

**১৫৪** আৰু যিসকলক আল্লাহৰ পথত কাতল কৰা হৈছে (নাইবা মৃত্যুবৰণ কৰিছে) তেওঁলোকক নকবা— “(তোমালোক) মৃত”; বৰঞ্চ (তেওঁলোক) জীৱন্ত , যদিও তোমালোকে (সেই কথাটো) বুজিব পাৰা নাই (৩:১৬৮)।

**১৫৫** আৰু আমি নিশ্চয় তোমালোকক পৰীক্ষা কৰিম কিছু ভয় দি, আৰু ক্ষুধা দি, আৰু বয়বস্তুৰ আৰু আপোনজনৰ আৰু ফল-ফচলৰ লোকচান কৰি। আৰু সুসংবাদ দিয়া ধৈৰ্যশীলসকলক,—

**১৫৬** যিসকলে তেওঁলোকৰ ওপৰত কোনো আপদ-বিপদ ঘটিলে (ধৈৰ্য নেহেৰুৱাই) কয়— “নিসন্দেহে আমি আল্লাহৰ কাৰণে (উৎসৰ্গীকৃত) আৰু অৱশ্যেই আমি তেওঁৰেই ওচৰলৈ প্ৰত্যাৱৰ্তনকাৰী।”

**১৫৭** এইসকলেই তেওঁলোক যিসকলৰ ওপৰত তেওঁলোকৰ প্ৰভুৰ পৰা আশীৰ্বাদ আৰু কৰুণা (বৰ্ষিত হৈছে); আৰু এওঁলোক নিজেই সুপথপ্ৰাপ্ত।

**১৫৮** নিসন্দেহে ‘ছাফা’ আৰু ‘মাৰৱাহ’ (এই দুটি পাহাৰ) আল্লাহৰ নিদৰ্শনসমূহৰ অন্যতম। সেই কাৰণে যি কোনোবাই (কা’বা) গৃহত হজ কৰে অথবা উমৰাহ কৰে তেওঁৰ কাৰণে অপৰাধ নহ’ব যদি তেওঁ এই দুইৰ মাজত তৱাফ (অৰ্থাৎ প্ৰদক্ষিণ) কৰে। আৰু যিয়েই স্বেচ্ছাই সৎকৰ্ম কৰে, (তেওঁৰ কাৰণে) আল্লাহ নিশ্চয় অতি দানশীল, সৰ্বজ্ঞাতা।

**১৫৯** নিসন্দেহে যিয়েই গোপন কৰি ৰাখে প্ৰত্যক্ষ প্ৰমাণাৱলী আৰু পথনিৰ্দেশৰ যি সমস্ত (বাণী) আমি অৱতাৰণ কৰিছিলো এইসমুদায় জনগণৰ কাৰণে (সিহঁতৰ) ধৰ্মগ্ৰন্থত সুস্পষ্টভাৱে বৰ্ণনা কৰাৰ পাচতো, সিহঁতেই— আল্লাহে সিহঁতক লানৎ দিয়ে (অৰ্থাৎ বঞ্চিত কৰে তেওঁৰ আশীৰ্বাদৰ পৰা), আৰু সিহঁতক অভিশাপ দিয়ে লানৎকাৰীসকলেও,—

**১৬০** সিহঁতক বাদ দি যিসকলে তওবা কৰে আৰু (নিজৰ আচৰণ) শুধৰাই লয় আৰু (গোপন কৰি ৰখা সত্যবাণী) প্ৰকাশ কৰে, তেনেহ’লে সিহঁতেই— সিহঁতৰ প্ৰতি মই (সদয় হৈ) ফিৰিম, আৰু মই (তওবা কবুল কৰাৰ কাৰণে) বাৰম্বাৰ ফিৰো, (কিয়নো মই) অফুৰন্ত ফলদাতা।

**১৬১** অৱশ্যে যিবিলাকে (সত্যত) অবিশ্বাস পোষণ কৰে আৰু মৰি যায় সিহঁত অবিশ্বাসী থকা অৱস্থাতে, সিহঁতৰ ক্ষেত্ৰত সিহঁতৰ ওপৰত ধিক্কাৰ হওক আল্লাহৰ আৰু ফিৰিশ্বতাসকলৰ আৰু জনগণৰ (পৰা) সম্মিলিতভাৱে—

**১৬২** ইয়াত (অৰ্থাৎ এনে লাঞ্ছিত-বঞ্চিত অৱস্থাত) সিহঁত অৱস্থান কৰিব। সিহঁতৰ ওপৰৰ পৰা (প্ৰাপ্য) যাতনা লাঘৱ কৰা নহ’ব, আৰু সিহঁতে অৱকাশো নাপাব।

**১৬৩** আৰু তোমালোকৰ উপাস্য একক (তথা একমেবাদ্বিতীয়ম) খোদা, তেওঁৰ বাহিৰে কোনো উপাস্য নাই; (তেওঁ) ৰহমান, ৰহীম।

## পৰিচ্ছেদ - ২০

**১৬৪** নিসন্দেহে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিৰ মাজত, আৰু ৰাতি আৰু দিনৰ বিৱৰ্তনত, আৰু জাহাজত— যি সাগৰৰ মাজত চলাচল কৰে (আৰু) যাৰ দ্বাৰা মানুহৰ মুনাফা হয় (তাৰ মাজত), আৰু আল্লাহে আকাশৰ পৰা বৃষ্টিৰ যি কিছু পঠায় তাত, তাৰ পাচত তাৰ দ্বাৰা মাটিক তাৰ মৰণৰ পাচত সজীৱ কৰে আৰু তাতে বিয়পাই দিয়ে হৰেক ৰকমৰ জীৱ-জন্তু আৰু আকাশ আৰু পৃথিৱীৰ মাজত নিয়ন্ত্ৰিত বতাহ আৰু মেঘৰ গতিবেগত (আল্লাহৰ সাৰ্বভৌম কৰ্তৃত্বৰ) বিশেষ নিদৰ্শন ৰৈছে বিচাৰ-বুদ্ধি প্ৰয়োগ কৰোতা লোকৰ নিমিত্তে (কাৰণ বৈচিত্ৰময় প্ৰকৃতিৰ সৰ্বত্ৰ নিয়ম-শৃঙ্খলাৰ সঙ্গতি এইটোৱে প্ৰমাণ কৰে যে, সেইবিলাকৰ সৃষ্টিকৰ্তা আৰু পৰিচালক এক আল্লাহ হ’বই লাগিব)।

**১৬৫** আৰু মানুহৰ মাজৰ কোনোবাই আল্লাহক এৰি অন্যক মুৰব্বী বুলি গ্ৰহণ কৰে, সিহঁতে ইবিলাকক ভাল পায় আল্লাহক ভাল পোৱাৰ দৰে। অথচ যিসকলে (সত্যে সত্যে) ঈমান আনিছে আল্লাহৰ প্ৰতি তেওঁলোকৰ ভালপোৱা প্ৰবলতৰ। আহা! যিবিলাকে অন্যায় কৰে সিহঁতে যদি (নিজৰ শোচনীয় পৰিণতি) দেখিলেহেঁতেন— যেতিয়া (দুখৰ) শাস্তি সিহঁতে (চাক্ষুস) দেখিবলৈ পায়;— (তেতিয়া বুজিব পাৰিলেহেঁতেন) যে সকলো ক্ষমতা একমাত্ৰ আল্লাহৰ, আৰু আল্লাহ নিসন্দেহে শাস্তি দিয়াত কঠোৰ।

**১৬৬** চোৱা! যাক অনুসৰণ কৰা হৈছিল, সিহঁতে (সেইদিনা) যিবিলাকে অনুসৰণ কৰিছিল, সিহঁতৰ পৰা আঁতৰি যাব, আৰু সিহঁতে দেখিবলৈ পাব শাস্তি, আৰু (তেতিয়া) সিহঁতৰ মাজৰ সকলো সম্পৰ্ক ছিগি যাব।

**১৬৭** আৰু যিবিলাকে (মাতব্বৰবিলাকক) অনুসৰণ কৰিছিল সিহঁতে ক’ব— “হায়, আমাৰ যদি (পৃথিৱীলৈ ওভতি যোৱাৰ) সুযোগ হ’লহেঁতেন তেনেহ’লে আমি সিহঁতৰ পৰা আঁতৰি গ’লোহেঁতেন, যেনেকৈ সিহঁতে (এতিয়া) আমাৰ পৰা আঁতৰি গৈছে।” এইদৰে আল্লাহে সিহঁতৰ ক্ৰিয়াকলাপ সিহঁতক দেখায় সিহঁতৰ কাৰণে তীব্ৰ আক্ষেপৰূপে। আৰু সিহঁত (মৰ্মদাহ আৰু অনুতাপৰ) জুইৰ পৰা ওলাই অহাৰ পাত্ৰ নহয়।

## পৰিচ্ছেদ - ২১

**১৬৮** হেৰা মানৱজাতি! পৃথিৱীত যিবোৰ হালাল পৱিত্ৰ (খাদ্য) আছে তাৰ পৰা পানাহাৰ কৰা; আৰু চয়তানৰ পদচিহ্ন অনুসৰণ নকৰিবা। নিসন্দেহে সি তোমালোকৰ নিমিত্তে প্ৰকাশ্য শত্ৰু।

**১৬৯** সি তোমালোকক প্ৰৰোচনা দিয়ে কেৱল বেয়া আৰু অশালীনতাৰ প্ৰতি, আৰু আল্লাহৰ বিৰুদ্ধে (সেই কথা) ক’বলৈ যি তোমালোকে নাজানা।

**১৭০** আৰু যেতিয়া সিহঁতক কোৱা হয়— “আল্লাহে যি (বাণী) অৱতাৰণ কৰিছে তাকে অনুসৰণ কৰা”, সিহঁতে কয়— “নহয়, আমি অনুসৰণ কৰিম সেইখিনিহে যিটোৰ ওপৰত আমাৰ পিতৃপুৰুষসকলক (অভ্যস্ত) দেখিছো।” কি! (সিহঁতে পৈতৃক আচাৰতে সাৱটি থাকিবনে) যদিও সিহঁতৰ

পিতৃপুৰুষসকলে বুদ্ধি-বিবেচনা একোৱেই প্ৰয়োগ নকৰিছিল, আৰু সিহঁতে পথনিৰ্দেশ গ্ৰহণ কৰা নাছিল?

**১৭১** আৰু যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতৰ উপমা হৈছে তাৰ দৃষ্টান্তৰ দৰে যি (ৰাখোৱালে) মাত দিয়ে এনে (জন্তু-জানোৱাৰ) কিবাক যি আওৱাজ আৰু চিঞৰ-বাখৰৰ বাহিৰে একোৱেই নুশুনে। (সিহঁতৰ বেমাৰ হৈছে—) ক'লা, বোবা (আৰু) অন্ধত্ব, গতিকে সিহঁতে নুবুজে।

**১৭২** হেৰা যিসকলে ঈমান আনিছা! পবিত্ৰ বস্তুৰ পৰা পানাহাৰ কৰা যিবিলাক আমি তোমালোকক খাবলৈ দিছো, আৰু আল্লাহৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰা, যদি তোমালোকে তেওঁৰেই এবাদত কৰা।

**১৭৩** তেওঁ তোমালোকৰ নিমিত্তে (খাবলৈ) নিষেধ কৰিছে কেৱল মৰাশ', আৰু (ওলাই যোৱা) তেজ, আৰু গাহৰিৰ মঙহ, আৰু যাৰ ওপৰত (যবেহ কৰাৰ সময়ত) আল্লাহক বাদ দি অন্য নাম লোৱা হৈছে। কিন্তু যিয়ে হেঁচাত পৰিছে, (আল্লাহৰ প্ৰতি) অবাধ্য হোৱা নাই বা (প্ৰয়োজনৰ) মাত্ৰা পাৰ হোৱা নাই, তেন্তে তাৰ ওপৰত (প্ৰয়োজন সাপেক্ষে অলপমান খালে) কোনো পাপ নহ'ব। নিসন্দেহে আল্লাহ ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

**১৭৪** নিসন্দেহে আল্লাহে ধৰ্মগ্ৰন্থৰ পৰা যি নাযিল কৰিছে তাক যিবিলাকে লুকাই ৰাখে আৰু (তেনেকৈ) ইয়াৰ দ্বাৰা তুচ্ছ বস্তু (যথা সামান্য সুযোগ-সুবিধা) কিনি নিয়ে, সিহঁতেই— সিহঁতৰ পেটত জুইৰ বাহিৰে অইন একোৱেই নাখালে, আৰু কিয়ামতৰ দিনা আল্লাহে সিহঁতৰ লগত (বন্ধুসুলভ) কথা-বতৰা নক'ব বা সিহঁতক শুদ্ধও নকৰিব; আৰু সিহঁতৰ কাৰণে ৰখা হৈছে ব্যথাদায়ক শাস্তি।

**১৭৫** ইহঁতেই সিহঁত যিয়ে কিনি লৈছে হেদায়তৰ বিনিময়ত ভ্ৰান্ত পথ আৰু পৰিত্ৰাণৰ পৰিৱৰ্তে শাস্তি। এতেকে (দেখা যাওক) কিমান সিহঁতৰ ধৈৰ্য (দুযখৰ) জুইৰ প্ৰতি (ধাবিত হোৱাৰ)।

**১৭৬** সেইটোৱেই (সিহঁতে ভুগিব লাগিব)! কিয়নো আল্লাহে (এই কুৰআন) গ্ৰন্থখন নাযিল কৰিছে সত্যৰ সৈতে। আৰু যিসকলে গ্ৰন্থখনতে (ইয়াৰ সত্যতাত) মতবিৰোধ কৰে সিহঁতে নিশ্চয় জেদত বহুদূৰ গৈছে।

## পৰিচ্ছেদ - ২২

**১৭৭** ধাৰ্মিকতা ইটো নহয় যে (নামাযৰ কেৱল বাহ্যিক দিশতে) তোমালোকৰ মুখ পূব বা পশ্চিম দিশত ঘূৰুৱা, বৰং ধাৰ্মিকতা হৈছে (তাৰ মাজত) যি ঈমান আনে আল্লাহৰ প্ৰতি, আৰু আখেৰাতৰ দিনৰ প্ৰতি, আৰু ফিৰিশ্বতাসকলৰ প্ৰতি, আৰু (কুৰআন) গ্ৰন্থখনত, আৰু নবীসকলৰ প্ৰতি; আৰু যিয়ে তেওঁৰ (—আল্লাহৰ) প্ৰতি মহব্বতবশতঃ ধন দান কৰে আত্মীয়-স্বজনক, আৰু এতীমসকলক, আৰু মিছকিনসকলক, আৰু (অসহায় হৈ পৰা) বাটৰুৱাসকলক, আৰু ভিখাৰীসকলক, আৰু (দাসবিলাকৰ) মুক্তিপণ বাবদ; আৰু যিয়ে নামায কায়েম কৰে আৰু যাকাত আদায় কৰে; আৰু নিজৰ প্ৰতিজ্ঞা পালনকাৰীসকল যেতিয়া সেইসকলে ওৱাদা কৰি থাকে; আৰু অভাৱ অনাটনত আৰু আপদকালত আৰু আতঙ্কৰ সময়ত ধৈৰ্যশীলসকলক। এওঁলোকেই তেওঁলোক যিয়ে সত্যনিষ্ঠ, আৰু এওঁলোক নিজেই ধৰ্মপৰায়ণ।

**১৭৮** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ প্ৰতি হত্যাৰ ক্ষেত্ৰত প্ৰতিশোধৰ বিধান দিয়া হৈছে। (প্ৰতিশোধ লোৱা সেই খুনী) স্বাধীন ব্যক্তিৰ ওপৰত (যদি হত্যাৰ দাই বৰ্তায়) স্বাধীন ব্যক্তিৰ ক্ষেত্ৰত, আৰু (সেইদৰে) দাসৰ ওপৰত দাসৰ ক্ষেত্ৰত, আৰু নাৰীৰ ওপৰত নাৰীৰ ক্ষেত্ৰত (কিন্তু কোনো অৱস্থাতে নিৰপৰাধীৰ ওপৰত প্ৰতিহিংসা নল'বা)। গতিকে যাক (প্ৰতিশোধ লোৱাৰ ক্ষেত্ৰত) কিছু ৰেহাই দিয়া হয় তাৰ (নিপীড়িত) ভাইৰ তৰফৰ পৰা (অৰ্থাৎ শোকসন্তপ্ত ব্যক্তিয়ে যদি খুনৰ বদলি খুন কৰাৰ পৰা খুনীজনক ভাতৃসুলভভাৱে ৰেহাই দিয়ে), তেনেহ'লে (ইয়াৰ) বিচাৰ হ'ব ন্যায্যভাৱে, আৰু তাৰ প্ৰতি (—হত্যাকাণ্ডত ক্ষতিগ্ৰস্ত লোকৰ প্ৰতি) ক্ষতিপূৰণ দিয়া হ'ব উদাৰভাৱে। এইটো তোমাৰ প্ৰভুৰ পৰা (প্ৰাণদণ্ডৰ পৰিৱৰ্তে) লঘু ব্যৱস্থা আৰু কৰুণা। সুতৰাং ইয়াৰ পাচতো যিয়ে (প্ৰতিশোধ ল'বলৈ গৈ) সীমা লঙ্ঘন কৰে তাৰ বাবে তেন্তে ৰৈছে ব্যথাদায়ক শাস্তি।

**১৭৯** আৰু তোমালোকৰ নিমিত্তে প্ৰতিশোধৰ বিধানত ৰৈছে জীৱন, হে জ্ঞানবান লোকসকল! যাতে (এই বিধান মানি চলি) তোমালোকে ধৰ্মপৰায়ণতা অৱলম্বন কৰা।

**১৮০** তোমালোকৰ কাৰণে বিধিৱদ্ধ কৰা গ'ল যে যেতিয়া তোমালোকৰ কাৰোবাৰ ওচৰত মৃত্যু হাজিৰ হয় (আৰু) সেইজনে ধন-সম্পদ এৰি থৈ যায়, তেনেহ'লে যেন (মৰাৰ আগতে) ওছিয়ৎ (বা উইল) কৰা হয় মাতা-পিতা আৰু ঘনিষ্ঠ আত্মীয়-স্বজনৰ কাৰণে ন্যায়সঙ্গতভাৱে; মুত্তকীসকলৰ ওপৰত এইটো এটা কৰ্তব্য।

**১৮১** তাৰ পাছত যিয়েই ইয়াক (—এই ওছিয়ৎ) বদলি কৰে (মৰণাপন্ন ব্যক্তিৰ পৰা) সেইখিনি শুনাৰ পাছত তেনেহ'লে তাৰ পাপ লাগিব তাৰ ওপৰত যিয়ে এইটো বদলাব। নিসন্দেহে আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১৮২** কিন্তু যদি কোনোবাই আশংকা কৰে যে ওছিয়ৎকাৰীৰ পৰা (পক্ষপাতমূলক) ভুল বা (উত্তৰাধিকাৰীৰ প্ৰতি) অন্যায় কৰা হৈছে, ফলত সিহঁতৰ মাজত বুজাপৰা কৰি দিয়ে (যাতে সম্পত্তিৰ এক তৃতীয়াংশৰ বেচি উইল কৰা নহয়) তেনেহ'লে তাৰ ওপৰত কোনো দোষ নহ'ব। নিশ্চয়ে আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ২৩

**১৮৩** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ ওপৰত (ৰমযান মাহত) ৰোযা বিধিবদ্ধ কৰা গ'ল যেনেকুৱা বিধান কৰা হৈছিল (ইহুদী, খ্ৰীষ্টান প্ৰভৃতি ধৰ্মমতাৱলম্বী) যিসকল তোমালোকৰ আগতে আহিছে সেইসকলৰ ওপৰত, যাতে তোমালোকে ধৰ্মভীৰুতা অৱলম্বন কৰা—

**১৮৪** (এইটো বিধিবদ্ধ হৈছে ৰমযান মাহৰ) গণনাৰ দিন কেইটি মাত্ৰ। কিন্তু তোমালোকৰ মাজত যিকোনোবা অসুস্থ অথবা ভ্ৰমণত ৰত আছা, সিহঁতৰ কাৰণে সেই সংখ্যক অন্য দিনবিলাকত (ৰোযা ৰাখিব লাগে)। আৰু যিসকলে ইয়াক অতি কষ্টসাধ্য বোধ কৰে (তেন্তে) প্ৰতিবিধান হ’ল এজন মিছিকিনক খাবলৈ দিয়া। কিন্তু যিয়েই স্বেচ্ছায় ভাল কাম কৰে তেন্তে সেইটো তাৰ কাৰণে (আৰু) ভাল। আৰু যদি তোমালোকে (কষ্ট সহ্য কৰিও) ৰোযা ৰাখা তেন্তে তোমালোকৰ কাৰণে অতি উত্তম— যদি তোমালোকে (ৰোযাৰ উপকাৰিতা সম্বন্ধে) জানিলাহেঁতেন।

**১৮৫** ৰমযান মাহ এইটো য’ত কুৰআন নাযিল হৈছিল,— মানৱজাতিৰ কাৰণে পথপ্ৰদৰ্শকস্বৰূপে আৰু (পূৰ্ববৰ্তী কিতাপত থকা) পথনিৰ্দেশৰ স্পষ্ট প্ৰমাণৰূপে, আৰু ফুৰকান (অৰ্থাৎ ভাল-বেয়া আৰু ন্যায়-অন্যায় প্ৰভেদকাৰক গ্ৰন্থ)। গতিকে তোমালোকৰ মাজত যিয়েই (এই ৰমযান) মাহটিৰ দেখা পাবা সি যেন ইয়াত ৰোযা ৰাখে। আৰু যি অসুস্থ বা ভ্ৰমণৰত আছে তেন্তে সি অন্যদিনবোৰত (ৰোযা ৰাখি) সংখ্যা পূৰণ কৰিব। আল্লাহে তোমালোকৰ কাৰণে সুবিধা (দিবলৈ) বিচাৰে, আৰু তেওঁ তোমালোকৰ কাৰণে কষ্টকৰ অৱস্থা নিবিচাৰে; আৰু (তেওঁ ইচ্ছা কৰে) তোমালোকে যেন (সমগ্ৰ মাহব্যাপী ৰোযা ৰাখি) এই সংখ্যা সম্পূৰ্ণ কৰা, আৰু যাতে আল্লাহৰ মহিমা কীৰ্তন কৰা তোমালোকক যি পথনিৰ্দেশ তেওঁ দিছে সেইকাৰণে, আৰু তোমালোকে যেন (চৰিত্ৰ গঠনৰ এনে পন্থা পাই তেওঁৰ প্ৰতি) কৃতজ্ঞতা জ্ঞাপন কৰা।

**১৮৬** আৰু (হে নবী!) যেতিয়া আমাৰ বান্দাসকলে আমাৰ সম্বন্ধে তোমাক প্ৰশ্ন কৰে, তেতিয়া (ময়েই পোনপতীয়াকৈ সঁহাৰি দিওঁ)— “চোৱা! মই নিসন্দেহে (তোমালোকৰ) ওচৰত।” মই প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনাৰ উত্তৰ দিওঁ যেতিয়া সি মোক মাতে। এতেকে সিহঁতে মোৰ প্ৰতি সঁহাৰি দিয়ক আৰু মোতেই ঈমান আনক— যেন সিহঁত সুপথত চলিব পাৰে।

**১৮৭** ৰোযাৰ ৰাতিত তোমালোকৰ স্ত্ৰীসকলৰ ওচৰলৈ গমন কৰাটো তোমালোকৰ কাৰণে বৈধ কৰা গ’ল। সিহঁত (—স্ত্ৰীসকল) তোমালোকৰ বাবে পোছাক আৰু তোমালোকো সিহঁতৰ বাবে পোছাক। আল্লাহে জানে যে তোমালোকে (ৰোযাৰ ৰাতিতো স্ত্ৰীসংগম পৰিত্যাগ কৰি) তোমালোকক নিজকে প্ৰবঞ্চনা কৰিছিলা, সেইকাৰণে তেওঁ তোমালোকৰ ওপৰত (সদয় হৈ) ফিৰিছে আৰু তোমালোকৰ পৰা (আত্মবঞ্চনা) উপেক্ষা কৰিছে। এতেকে এতিয়া সিহঁতৰ সাহচৰ্য ভোগ কৰা, আৰু আল্লাহে (তেওঁলোকৰ পৰা সুখ-শান্তি, প্ৰেম-প্ৰীতি) যি তোমালোকৰ কাৰণে নিৰ্ধাৰিত কৰিছে সেইটো বিচাৰা। আৰু (ৰাতিবেলা) আহাৰ কৰা আৰু পান কৰা সেইসময়লৈকে যেতিয়া তোমালোকৰ ওচৰত স্পষ্ট হৈ উঠে নিচেই পুৱাৰ বগা কিৰণ (ৰাতিৰ) ক’লা ছাঁৰ পৰা, তাৰ পাছত ৰোযা সম্পূৰ্ণ কৰা ৰাতিৰ আগমনলৈকে। আৰু সিহঁতক (—স্ত্ৰীলোকক) স্পৰ্শ নকৰিবা যেতিয়া তোমালোকে মছজিদবিলাকত ই’তিকাফ কৰা। এইবোৰ হৈছে আল্লাহৰ (নিৰ্ধাৰিত) সীমা, এতেকে এইবিলাকৰ ওচৰলৈকো নাযাবা (অৰ্থাৎ সীমালঙ্ঘনৰ কাষলৈকো নাযাবা)। এইদৰে আল্লাহে তেওঁৰ আয়াতসমূহ মানুহৰ নিমিত্তে সুস্পষ্ট কৰি দিছে যেন সিহঁতে ধৰ্মপৰায়ণতা অৱলম্বন কৰে।

**১৮৮** আৰু তোমালোকৰ সম্পত্তি পৰস্পৰৰ মাজত জালিয়াতি কৰি গ্ৰাস নকৰিবা আৰু এইবিলাক লৈ বিচাৰকসকলৰ ওচৰত নাচাপিবা যাতে লোকৰ সম্পত্তিৰ কিছু পৰিমাণো অন্যায়ভাৱে গিলি পেলাব পাৰা, আৰু সেইটো তোমালোকে জানি-বুজিয়েই (কৰিবলৈ চোৱা)।

## পৰিচ্ছেদ - ২৪

**১৮৯** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক নতুন জোনৰ সম্বন্ধে সুধিছে। তুমি কোৱাঁ— “এইবিলাক হৈছে নিৰ্দিষ্ট সময় জনসাধাৰণৰ কাৰণে আৰু হজৰ কাৰণে।” আৰু ধাৰ্মিকতা এইটো নহয় যে (আৰববাসীৰ কুসংস্কাৰ অনুযায়ী) তোমালোকে ঘৰত প্ৰৱেশ কৰিবা তাৰ পাচফালেদি; বৰং ধাৰ্মিকতা হৈছে (তাৰ মাজত) যি ধৰ্মভীৰুতা অৱলম্বন কৰে। সেইকাৰণে ঘৰত সোমাৱো তাৰ (সদৰ) দুৱাৰেদি আৰু আল্লাহতে ভয়-শ্ৰদ্ধা কৰা যেন তোমালোক সফলকাম হ’ব পাৰা।

**১৯০** আৰু আল্লাহৰ পথত তোমালোকে যুদ্ধ কৰা সিহঁতৰ বিৰুদ্ধে যিবিলাকে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰে, কিন্তু তোমালোকে সীমা লঙ্ঘন নকৰিবা। নিসন্দেহে আল্লাহে সীমা-লঙ্ঘনকাৰীবিলাকক ভাল নাপায়।

**১৯১** আৰু (যুদ্ধাৱস্থাত) সিহঁতক হত্যা কৰা য’তেই তোমালোকে সিহঁতক দেখা পোৱা, আৰু সিহঁতক উলিয়াই দিয়া (মক্কাৰ সেইবিলাক ঠাইৰ পৰা) য’ৰ পৰা সিহঁতে তোমালোকক খেদি দিছিল, কিয়নো (সিহঁতৰ) উৎপীড়ন (তোমালোকৰ) যুদ্ধতকৈও নিকৃষ্ট (কাৰণ আজীৱন অমানুষিক উৎপীড়ন ভোগ কৰা একে কোবে মৃত্যু হোৱাতকৈ অনেক বেচি যন্ত্ৰণাদায়ক)। কিন্তু সিহঁতক হত্যা নকৰিবা পৱিত্ৰ মছজিদৰ আশে-পাশে যেতিয়ালৈকে নেকি সিহঁতে তাত তোমালোকৰ সৈতে যুদ্ধ কৰে; অৱশ্যে সিহঁতে যদি তোমালোকৰ সৈতে (আগতীয়াকৈ) যুদ্ধ কৰে তেন্তে তোমালোকেও সিহঁতৰ সৈতে যুদ্ধ কৰিবা। এয়ে হৈছে অবিশ্বাসীবিলাকৰ (প্ৰাপ্য) প্ৰতিফল।

**১৯২** কিন্তু সিহঁতে যদি (আক্ৰমণৰ পৰা) ক্ষান্ত হয়, তেনেহ’লে (মুছলিমসকলেও যুদ্ধ বন্ধ কৰিব, কাৰণ) আল্লাহ নিশ্চয়ে ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

**১৯৩** আৰু সিহঁতৰ সৈতে যুঁজিবা (ধৰ্মৰ নামত) উৎপীড়ন বন্ধ নোহোৱালৈকে, আৰু ধৰ্ম হৈছে (একমাত্ৰ) আল্লাহৰ নিমিত্তে। গতিকে সিহঁত যদি (বিভিন্ন ধৰ্মাৱলম্বীক আক্ৰমণৰ পৰা) বিৰত হয় তেনেহ’লে যুদ্ধ-বিগ্ৰহ নচলিব কেৱল অত্যাচাৰীবিলাকৰ সৈতে ব্যতিৰেকে।

**১৯৪** পৱিত্ৰ মাহ (মানি চলিব লাগে) পৱিত্ৰ মাহৰ খাতিৰত, আৰু সকলো নিষিদ্ধ বিষয়ত প্ৰতিশোধ লোৱা হ’ব (লঙ্ঘনকাৰীহঁতৰ ওপৰত)। এতেকে যিকোনোৱে (নিষিদ্ধ মাহত) তোমালোকৰ ওপৰত আক্ৰমণ চলায় তোমালোকেও তেতিয়া সিহঁতৰ ওপৰত আঘাত হানিবা, যিদৰে সিহঁতে তোমালোকৰ ওপৰত আঘাত কৰিছিল। আৰু আল্লাহক ভয়-শ্ৰদ্ধা কৰিবা আৰু জানি ৰাখা— নিশ্চয় আল্লাহ ধৰ্মভীৰুসকলৰ লগত আছে।

**১৯৫** আৰু আল্লাহৰ ৰাস্তাত (প্ৰতিৰক্ষাৰ বাবে জান-মাল) খৰচ কৰা, আৰু তোমালোকৰ নিজহাতে নিজকে ধ্বংসৰ মাজত নেপেলাবা (বা আত্মঘাতী নহবা), বৰং (সৰ্বসাধাৰণৰ লিমিত্তে) ভাল কৰা; বাস্তৱিকতে আল্লাহে মঙ্গলকাৰীসকলক ভাল পায়।

**১৯৬** আৰু আল্লাহৰ কাৰণে সমাধা কৰা হজ আৰু উমৰাহ। কিন্তু যদি (হজ কৰিবলৈ) বাধা পোৱা, তেন্তে কুৰবানিৰ যি কিছু পোৱা যায় সেইখিনিয়ে (সেই ঠাইতেই কুৰবানি কৰা), আৰু তোমালোকৰ মূৰ নুখুৰাবা কুৰবানি তাৰ গন্তব্যস্থান নোপোৱালৈকে। কিন্তু তোমালোকৰ মাজত যদি কোনোবা অসুস্থ হয় অথবা তাৰ মূৰত ৰোগ থাকে তেন্তে প্ৰতিবিধান পালন হৈছে ৰোযা ৰাখি বা দান দি বা কুৰবানি কৰি। কিন্তু যেতিয়া তোমালোকে (মক্কাত তীৰ্থ কৰিবলৈ) নিৰাপদ বোধ কৰিবা তেতিয়া যিজনে উমৰাহ-ক হজৰ সৈতে সংযোজন কৰি লাভবান হ’ব বিচাৰে (অৰ্থাৎ ‘তামাত্তু’-হজ কৰিব বিচাৰে) সেইজনে যেন কুৰবানিৰ (জন্তু) যি কিবা পায় সেয়া (উৎসৰ্গ কৰে), কিন্তু যি (কোনো জন্তু) নাপায় (তাৰ কাৰণে) ৰোযা হৈছে হজৰ সময়ত তিনিদিন আৰু তোমালোকে যেতিয়া (ঘৰলৈ) উভতি আহা তেতিয়া সাত (দিন),— এয়া হ’ল পুৰা দহ। এইটো (অৰ্থাৎ উমৰাহ আৰু হজৰ মাজত ইহৰাম ভঙ্গ কৰাৰ সুবিধা) তাৰ নিমিত্তে যাৰ পৰিয়াল পৱিত্ৰ মছজিদত (—মক্কাত) উপস্থিত নাথাকে (কাৰণ মক্কাৰ বাসিন্দাৰ কাৰণে উমৰাহ কৰাৰ বা তীৰ্থদৰ্শনত যোৱাৰ প্ৰশ্ন নুঠে)। আৰু আল্লাহক ভয়-ভক্তি কৰা, আৰু জানি ৰাখা যে প্ৰকৃততে আল্লাহ প্ৰতিফল দিয়াত কঠোৰ।

## পৰিচ্ছেদ - ২৫

**১৯৭** হজ হয় কেইটামান সুবিখ্যাত মাহত (যেনে— শ্বাওৱাল, যুল-ক্বাদ আৰু যুল-হজৰ প্ৰথম ন’ দিন— যি সময়ত হজৰ বাবে ‘ইহৰাম’ পিন্ধা যায়); এতেকে যিয়ে এই সময়ত হজ কৰাৰ সঙ্কল্প কৰে (আৰু ‘ইহৰাম’ বান্ধে) তাৰ কাৰণে স্ত্ৰীগমন বা দুষ্টামি নাথাকিব, বা হজৰ মাজত কাজিয়া-কলহ নচলিব, আৰু ভাল যি কিছু তোমালোকে কৰা আল্লাহে সেইটো জানে। আৰু (হজৰ তথা পৰকালৰ যাত্ৰাৰ কাৰণে) পাথেয় সংগ্ৰহ কৰা, নিসন্দেহে (দুনিয়া আৰু আখেৰাতৰ) শ্ৰেষ্ঠ পাথেয় হৈছে ধৰ্মপৰায়ণতা। এতেকে মোকে ভয়-শ্ৰদ্ধা কৰা, হে জ্ঞানৰ অধিকাৰীসকল!

**১৯৮** তোমালোকৰ ওপৰত কেনো অপৰাধ নহ’ব যদিওবা তোমালোকে (হজ কৰাৰ সময়ত) তোমালোকৰ প্ৰভুৰ পৰা (ব্যৱসায় বা চাকৰিৰ জৰিয়তে) অনুগ্ৰহ-সামগ্ৰী অন্বেষণ কৰা। তাৰ পাচত তোমালোকে যেতিয়া আৰাফাতৰ পৰা লৰালৰি উভতিবা তেতিয়া (মুযদালিফাত) ‘মাশ্বআৰিল হাৰাম’-ৰ (বা পৱিত্ৰ স্মৃতিস্থলৰ) ওচৰত আল্লাহক স্মৰণ কৰিবা; আৰু তেওঁক (কৃতজ্ঞতাৰে) স্মৰণ কৰা যেনেকৈ তেওঁ তোমালোকক নিৰ্দেশ দিছে, যদিও ইতিপূৰ্বে নিশ্চয় তোমালোক আছিলা পথভ্ৰষ্টসকলৰ অন্তৰ্ভুক্ত।

**১৯৯** তাৰ পাচত তোমালোকে (দহ যুল-হজৰ নিচেই পুৱাতে) লৰালৰিকৈ যোৱা য’ৰ পৰা জনতা আগবাঢ়ি যায় আৰু আল্লাহৰ ওচৰত পৰিত্ৰাণ খোজা। নিসন্দেহে আল্লাহ ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

**২০০** তাৰ পিছত যেতিয়া তোমালোকে পুণ্যানুষ্ঠানসমূহ সম্পাদন কৰা তেতিয়া (কৃতজ্ঞচিত্তে) আল্লাহৰ গুণগান কৰা তোমালোকৰ পূৰ্বপুৰুষসকলক তোমালোকৰ স্মৰণ কৰাৰ দৰে— বৰং তাতকৈও বেছি গুণকীৰ্তন কৰা। অথচ মানুহৰ মাজত এনে কিছুমান আছে যি কয়— “আমাৰ প্ৰভু! এই দুনিয়াত আমাক (ৰিযেক) দিয়া।” এতেকে আখেৰাতত সিহঁতৰ নিমিত্তে (ৰিযেকৰ) কেনো ভাগ নাথাকিব।

**২০১** আৰু সিহঁতৰ মাজত এনেও (লোক) আছে যি কয়— “আমাৰ প্ৰভু! এই দুনিয়াতে আমাক ভাল বয়-বস্তু প্ৰদান কৰা, আৰু আখেৰাততো ভাল সামগ্ৰী (প্ৰদান কৰা), আৰু আমাক ৰক্ষা কৰা (দুযখৰ) জুইৰ শাস্তিৰ পৰা।”

**২০২** এওঁলোকেই— এওঁলোকৰ কাৰণে আছে ভাগ (আখেৰাততো) যি তেওঁলোকে (এই দুনিয়াতে) অৰ্জন কৰিছে তাৰ পৰা। আৰু আল্লাহ হিচাপ-নিকাচত তৎপৰ।

**২০৩** আৰু আল্লাহক স্মৰণ কৰা (‘তশ্বৰীক’ৰ তিনি) নিৰ্ধাৰিত দিন কেইটাত। কিন্তু যি দু’দিনত (ওভতি যাবৰ কাৰণে) লৰালৰি কৰে, তেন্তে তাৰ ওপৰত কেনো অপৰাধ নহ’ব; আৰু যি পলম কৰে (আৰু ১৩ই যুল-হজ আবেলিলৈকে থাকি যায়) তাৰ ওপৰতো তেন্তে অপৰাধ নহ’ব— যিজনে ধৰ্মপৰায়ণতা অৱলম্বন কৰে। আৰু তোমালোকে আল্লাহক ভয়-ভক্তি কৰা; আৰু জানি ৰাখা— তোমালোকক নিশ্চয় তেওঁৰেই ওচৰত (হিচাপ-নিকাচৰ কাৰণে) একত্ৰিত কৰা হ’ব।

**২০৪** আৰু (হে মুহাম্মদ-ছাঃ!) মানুহৰ মাজত এনেও (কিছুমান মুনাফিক) আছে যাৰ দুনিয়াৰ জীৱনৰ কথা-বতৰাই তোমাক তাজ্জব কৰি দিয়ে; আৰু সি আল্লাহক সাক্ষী মানে তাৰ অন্তৰত (তোমাৰ প্ৰতি লোক-দেখুওৱা সহানুভূতি) যি আছে সেইসম্বন্ধে, অথচ সিয়েই হৈছে প্ৰতিদ্বন্দ্বীবিলাকৰ ভিতৰত সকলোতকৈ মাৰাত্মক।

**২০৫** আৰু সি যেতিয়া (তোমাৰ পৰা) ওভতি যায় তেতিয়া সি দেশৰ ভিতৰত দৌৰাদৌৰি কৰে তাত গণ্ডগোল কৰিবলৈ, আৰু খেতি-বাতি তথা পশুপাল ধ্বংস কৰিবলৈ। আৰু আল্লাহে গণ্ডগোল পছন্দ নকৰে।

**২০৬** আৰু যেতিয়া তাক কোৱা হয়— “আল্লাহক ভয়-ভক্তি কৰা”, অহঙ্কাৰে তাক নি থাকে পাপৰ মাজলৈ, গতিকে জাহান্নামেই হৈছে তাৰ হিচাপ-নিকাচ; আৰু নিশ্চয় বেয়া সেই বিশ্ৰামস্থান।

**২০৭** আৰু মানুহৰ মাজত এনেও (মানুহ) আছে যি নিজৰ সত্বাক বিক্ৰি কৰি দিছে আল্লাহৰ সন্তুষ্টি কামনা কৰি। আৰু আল্লাহ পৰম স্নেহময় (তেওঁৰ) বান্দাসকলৰ প্ৰতি।

**২০৮** হেৰা যিসকলে ঈমান আনিছা! (আল্লাহৰ প্ৰতি) সম্পূৰ্ণৰূপে আত্মসমৰ্পণত অন্তৰ্ভুক্ত হোৱা, আৰু চয়তানৰ পদচিহ্ন অনুসৰণ নকৰিবা। নিসন্দেহে সি তোমালোকৰ নিমিত্তে প্ৰকাশ্য শত্ৰু।

**২০৯** কিন্তু তোমালোকলৈ স্পষ্ট প্ৰমাণাৱলী অহাৰ পাছতো যদি তোমালোক পিছলি পৰা, তেন্তে জানি ৰাখা বাস্তৱতে আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।

**২১০** সিহঁতে ইয়াৰ বাহিৰে আৰু কিহৰ প্ৰতীক্ষা কৰে যে সিহঁতৰ কাষলৈ আল্লাহ আহিব (ইতিপূৰ্বে ঘোষিত শাস্তি লৈ) মেঘৰ ছাঁৰ মাজত (যেনেকৈ বদৰৰ যুদ্ধৰ দিনা আকাশ ভাঙ্গি সিহঁতৰ মূৰত বৃষ্টি নামিব), আৰু ফিৰিশ্বতাসকলো (আহিব আঘাত হানিবলৈ), আৰু বিষয়টোৰ সমাধান হৈয়ে গৈছে (যে সত্যৰ সৈতে অসত্যৰ সংঘৰ্ষ ঘটিলে ন্যায় অন্যায়ৰ মীমাংসা হৈয়ে যাব)? আৰু আল্লাহৰ ওচৰতে সকলো বিষয় (মীমাংসাৰ নিমিত্তে) উভতি যায়।

## পৰিচ্ছেদ - ২৬

**২১১** ইছ্ৰাইলৰ বংশধৰবিলাকক সোধাচোন— স্পষ্ট নিৰ্দেশাৱলীৰ পৰা (মুহাম্মদ-ছাঃ সম্বন্ধে ভৱিষ্যৎবাণী) কিমানখিনি আমি সিহঁতক দিছিলো। আৰু যিয়েই আল্লাহৰ নিয়ামত বদলি কৰে সেইখিনি তাৰ কাষলৈ অহাৰ পাছত, তেনেহ'লে (তাৰ জানি ৰখা উচিত যে) নিসন্দেহে আল্লাহ প্ৰতিফল দিয়াত কঠোৰ।

**২১২** যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতৰ কাৰণে এই দুনিয়াৰ জীৱন মনোৰম বনাই দিয়া হৈছে, আৰু সিহঁতে মস্কৰা কৰে যিসকলে ঈমান আনিছে তেওঁলোকক। আৰু যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে তেওঁলোক কিয়ামতৰ দিনা সিহঁতৰ ওপৰত থাকিব। আৰু আল্লাহে যাকে (যোগ্য বুলি) ইচ্ছা কৰে তাকে বেহিচাপ ৰিযেক দান কৰে।

**২১৩** মানৱজাতি হৈছে একেই জাতি। এতেকে আল্লাহে (প্ৰত্যেক মানৱগোষ্ঠীৰ মাজত) উত্থাপন কৰিলে নবীসকলক (আখেৰী নবী মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কে) সুসংবাদদাতাৰূপে, আৰু (তেওঁক প্ৰত্যাখ্যানৰ পৰিণতি সম্বন্ধে) সতৰ্ককাৰীৰূপে; আৰু তেওঁলোকৰ (প্ৰত্যেকৰে) লগত তেওঁ অবতাৰণ কৰিছিলে কিতাপ সত্যতাৰ সৈতে, সেইখনে যেন মীমাংসা কৰিব পাৰে লোকসকলৰ মাজৰ (আল্লাহৰ একত্ব আৰু মানুহৰ ভ্ৰাতৃত্ব ঘোষণা সম্বন্ধে) যি বিষয়ত সিহঁতে মতবিৰোধ কৰিছিল। আৰু কোনেও ইয়াত মতবিৰোধ কৰা নাছিল সেইবিলাকৰ বাহিৰে যাক ই (—ধৰ্মগ্ৰন্থ) দিয়া হৈছিল, সিহঁতৰ কাষত স্পষ্টপ্ৰমাণ অহাৰ পিছতো,— সিহঁতৰ পৰস্পৰৰ মাজত (বিশ্বনবীৰ মাধ্যমত বিশ্বভ্ৰাতৃত্ব সৃষ্টিৰ বিষয়ে) বিদ্ৰোহাচৰণ বশত। সেইকাৰণে যিসকলে ঈমান আনিছে আল্লাহে তেওঁলোকক হেদায়ত কৰিলে নিজ এখতিয়াৰত (কুৰআনৰ) সেই সত্যত যি বিষয়ে এওঁলোকে (ইতিপূৰ্বে) মতবিৰোধ কৰিছিল। আৰু আল্লাহে যাকে (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰে তেওঁক সহজ-সঠিক পথলৈ পৰিচালিত কৰে।

**২১৪** অথবা তোমালোকে ভাবিছানে যে তোমালোকে বেহেশ্বতত দাখিল হ'ব পাৰিবা, অথচ তোমালোকৰ ওপৰতো তোমালোকৰ আগতে যিসকল গত হৈছে সেইসকলৰ দৰে কোনোকিছু নাহে? সিহঁতক আক্ৰমণ কৰিছিল দাৰুণ বিপৰ্যয়ে আৰু চৰম দুৰ্দশাই, আৰু সিহঁতে (ভয়তে) কঁপিছিল, (ঈমানলৈকে যে) শেষতে ৰছুল আৰু তেওঁৰ লগত যিসকলে ঈমান আনিছিলে তেওঁলোকে ক'লে— "(সত্যৰ বিজয়ৰূপে) আল্লাহৰ সাহায্য কেতিয়া (আহিব)?" আল্লাহৰ সাহায্য অৱশ্যে নিকটবৰ্তী নহয়নে?

**২১৫** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক সুধিছে (প্ৰতিৰক্ষাৰ ক্ষেত্ৰত) সিহঁতে কি খৰচ কৰিব। তুমি কোৱা— "ভাল বস্তু যিখিনি তোমালোকে খৰচ কৰা সি (তোমালোকৰ নিজৰে) মাতা-পিতাৰ কাৰণে আৰু ঘনিষ্ঠ আত্মীয়সকলৰ আৰু এতিমসকলৰ আৰু মিছকিনসকলৰ আৰু বাটৰুৱাসকলৰ কাৰণে (যিসকল নিছলা হোৱা হেতু হিজৰত কৰিব নোৱাৰি মক্কাত নিষ্ঠুৰ অত্যাচাৰত ভুগিছে)। আৰু তোমালোকে ভাল কাম যিকিবা কৰা নিসন্দেহে আল্লাহ সেইসম্বন্ধে সৰ্বজ্ঞাতা।

**২১৬** তোমালোকৰ কাৰণে (আক্ৰমণকাৰীৰ বিৰুদ্ধে) যুদ্ধ বিধিবদ্ধ কৰা হ'ল, যদিও তোমালোকৰ নিমিত্তে সেইটো অপ্ৰিয়। আৰু হ'ব পাৰে তোমালোকে কোনোকিছু অপছন্দ কৰিলা, অথচ সেইটো তোমালোকৰ নিমিত্তে মঙ্গলজনক; আকৌ সম্ভৱতঃ তোমালোকে কোনোকিছু ভালপোৱা, অথচ সেইটো তোমালোকৰ পক্ষে বেয়া। দৰাচলতে আল্লাহে (আচল পৰিণতি) জানে যদিও তোমালোকে নাজানা।

## পৰিচ্ছেদ - ২৭

**২১৭** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক পৱিত্ৰ মাহ সম্পৰ্কে প্ৰশ্ন কৰিছে তাতে যুদ্ধ কৰাৰ বিষয়ত। তুমি কোৱা— "ইয়াত যুদ্ধ কৰা গুৰুতৰ (অপৰাধ); কিন্তু অবিশ্বাসীসকলে (জানি ৰখা উচিত যে লোকক) আল্লাহৰ পথৰ পৰা উভতাই ৰখা, আৰু তেওঁৰ প্ৰতি আৰু পৱিত্ৰ মছজিদৰ প্ৰতি অবিশ্বাস পোষণ কৰা, আৰু তাৰ (—মক্কাৰ) বাসিন্দাসকলক তাৰ পৰা উলিয়াই দিয়া আল্লাহৰ ওচৰত অধিক গুৰুতৰ। আৰু উৎপীড়ন (বা তিল তিলকৈ মৰাটো একেবাৰে) হত্যাতকৈ গুৰুতৰ। আৰু সিহঁতে তোমালোকৰ সৈতে যুদ্ধ কৰাটো তেতিয়ালৈ নথমাব যেতিয়ালৈকেনেকি সিহঁতে তোমালোকৰ ধৰ্মৰ পৰা তোমালোকক ফিৰাই লৈ যাব পাৰে, যদি সিহঁতে (সেইটো কৰিব) পাৰে। আৰু তোমালোকৰ মাজৰ পৰা যি তাৰ ধৰ্মৰ পৰা ফিৰি যায় আৰু মৰা যায় অবিশ্বাসী থকা অৱস্থাতে, তেনেহ'লে এইবিলাকেই হ'ল— ইহঁতৰ সকলো কাম এই দুনিয়াত আৰু আখেৰাতত বিফলে যাব। আৰু সিহঁতেই (দুযখৰ) জুইৰ অধিবাসী, সিহঁতে ইয়াতে থাকিব দীৰ্ঘকাল।

**২১৮** দৰাচলতে যিসকলে ঈমান আনিছিল আৰু যিসকল হিজৰত কৰিছিল, আৰু আল্লাহৰ ৰাস্তাত কঠোৰ সংগ্ৰাম কৰিছিল,— এওঁলোকেই আশা ৰাখে আল্লাহৰ করুণাৰ। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

**২১৯** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক নিচা আৰু জুৱা সম্বন্ধে সুধিছে। তুমি কোৱা— "এই উভয়তে আছে গুৰুতৰ পাপ আৰু মানুহৰ কাৰণে

(নামমাত্ৰ) মুনাফা; কিন্তু তাৰ পাপ তাৰ মুনাফাতকৈ গুৰুতৰ।" আৰু সিহঁতে তোমাক সোধে (দান-দক্ষিণাত) কী সিহঁতে খৰচ কৰিব। কোৱা— "যি ৰাহি থাকে।" এইদৰে আল্লাহে তোমালোকৰ কাৰণে বাণীসমূহ সুস্পষ্ট কৰিছে যাতে (ইয়াত থকা উপকাৰ) তোমালোকে ভাবি চাব পাৰা,—

**২২০** (যি অপেক্ষা কৰিছে) এই দুনিয়াত আৰু আখেৰাতত। আৰু সিহঁতে তোমাক এতিমসকলৰ সম্পৰ্কে প্ৰশ্ন কৰিছে। তুমি কোৱা— "সিহঁতৰ কাৰণে সুব্যৱস্থা কৰা উত্তম।" আৰু তোমালোক যদি (সিহঁতৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ নিমিত্তে) সিহঁতৰ সৈতে অংশীদাৰ হোৱা তেন্তে সিহঁতে তোমালোকৰ ভাই-ককাই। আৰু আল্লাহে হিতকাৰীসকলৰ পৰা ফেচাদকাৰীসকলক (ভালকৈ) জানে। আৰু আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে নিশ্চয় (এতিমৰ সমস্যাক লৈ) তোমালোকক বিপন্ন কৰিব পাৰিলেহেঁতেন। (কিন্তু তেওঁ তোমালোকৰ মুচকিল আচান কৰিছে, যিহেতু) নিসন্দেহে আল্লাহ মহাশক্তিশালী, পৰমজ্ঞানী।

**২২১** আৰু মুশ্বৰিক (বা বহুখোদাবাদী) নাৰীসকলক বিয়া নকৰিবা যেতিয়ালৈকেনো সিহঁতে ঈমান আনে। আৰু বাস্তৱতে একজন মুমিন (বা এক আল্লাহত বিশ্বাসী) দাসীও একজন মুশ্বৰিক নাৰীতকৈ ভাল, যদিওবা তাই তোমালোকক মোহিত কৰি দিয়ে; আৰু (বিশ্বাসী নাৰীক) মুশ্বৰিকবিলাকৰ লগত বিয়া নিদিবা যেতিয়ালৈকেনেকি সিহঁতে ঈমান আনে, কিয়নো বাস্তৱত এজন মুমিন গোলামো এজন মুশ্বৰিকতকৈ উত্তম, যদিও সি তোমালোকক তাজ্জব কৰি দিয়ে। এইবিলাকে আমন্ত্ৰণ কৰে জুইৰ প্ৰতি, আৰু আল্লাহে (তোমালোকক) আহ্বান কৰে বেহেশ্বতৰ ফালে, আৰু (ভুল-ভ্ৰান্তিৰ পৰা) পৰিত্ৰাণৰ ফালে তেওঁৰ নিজৰ ইচ্ছাত; আৰু তেওঁ মানুহৰ নিমিত্তে তেওঁৰ নিৰ্দেশাৱলী সুস্পষ্ট কৰি দিয়ে যাতে সিহঁতে (ভিন্নধৰ্মীয় লোকৰ সৈতে বিয়াৰ বিধি নিষেধত) মনোযোগ দিয়ে।

## পৰিচ্ছেদ - ২৮

**২২২** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক ঋতুস্ৰাৱ (হোৱা কালত সহবাস) সম্বন্ধে সুধিছে। তুমি কোৱা— "এইটো অনিষ্টকৰ, গতিকে ঋতুকালত স্ত্ৰীসকলৰ পৰা বেলেগে থাকিবা, আৰু সিহঁত পৰিষ্কাৰ নোহোৱালৈকে সিহঁতৰ ওচৰ নাচাপিবা। তাৰ পিছত যেতিয়া সিহঁতে নিজকে পৰিষ্কাৰ কৰি লয় তেতিয়া সিহঁতৰ লগত মিলিত হোৱা যিদৰে আল্লাহে তোমালোকক আদেশ দিছে।" আল্লাহে নিশ্চয় ভাল পায় তেওঁৰ পিনে প্ৰত্যাৱৰ্তনকাৰীসকলক, আৰু ভালপায় পৰিচ্ছন্নতা ৰক্ষাকাৰীসকলক।

**২২৩** তোমালোকৰ স্ত্ৰীসকল তোমালোকৰ নিমিত্তে এক কৃষিপাম। গতিকে তোমালোকে যেতিয়া-যেনেকৈ ইচ্ছা কৰা তোমালোকৰ কৃষিপামত গমন কৰা। আৰু তোমালোকৰ নিজৰ (কল্যাণৰ) কাৰণে অগ্ৰিম ব্যৱস্থা অৱলম্বন কৰা। আৰু আল্লাহক ভয়-ভক্তি কৰিবা; আৰু জানি ৰাখা— নিশ্চয় তেওঁৰ সৈতে তোমালোকৰ (কাম-কাজৰ হিচাপ-নিকাচৰ বাবে) মোলাকাত হ'ব। আৰু (হে মুহাম্মদ-ছাঃ!) সুসংবাদ দিয়া মুমিনসকলক।

**২২৪** আৰু আল্লাহক প্ৰতিবন্ধক নবনাবা তোমালোকৰ শপতৰ দ্বাৰা তোমালোকৰ ভালকাম কৰাৰ বেলিকা, আৰু (আল্লাহৰ প্ৰতি) ভয়-ভক্তি দেখুওৱাত আৰু মানুহৰ মাজত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**২২৫** আল্লাহে তোমালোকক নধৰিব তোমালোকৰ শপতবোৰৰ মাজত যি নিৰৰ্থক; কিন্তু তেওঁ তোমালোকক ধৰিব যি (স্বেচ্ছাকৃতভাৱে) তোমালোকৰ হৃদয়ে অৰ্জন কৰিছে। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) ত্ৰাণকৰ্তা, পৰম সহনশীল।

**২২৬** যিসকলে সিহঁতৰ স্ত্ৰীসকলৰ পৰা 'ইলা' কৰে (সেই ক্ষেত্ৰত স্ত্ৰীসকলে) চাৰিমাহ কাল অপেক্ষা কৰিব লাগে; কিন্তু সিহঁতে যদি (চাৰিমাহৰ ভিতৰত আকৌ দাম্পত্য জীৱনলৈ) ওভতি আহে তেনেহ'লে (সেইটো খুব ভাল, কিয়নো) আল্লাহ নিশ্চয় (ভুল-ভ্ৰান্তিৰ পৰা) ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

**২২৭** আৰু যদি সিহঁতে তালাকৰ সিদ্ধান্ত লয় তেন্তে নিসন্দেহে আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**২২৮** আৰু তালাকপ্ৰাপ্তা নাৰীসকলে নিজকে প্ৰতীক্ষাত ৰাখিব ('ইদ্দত' হিচাপে) তিনিটা ঋতুকাল, আৰু সিহঁতৰ (—স্ত্ৰীসকলৰ) কাৰণে বৈধ নহ'ব লুকাই ৰখা যি আল্লাহে সিহঁতৰ গৰ্ভত সৃষ্টি কৰিছে, যদিহে সিহঁতে আল্লাহত আৰু শেষ (বিচাৰৰ) দিনত ঈমান আনিছে। আৰু সিহঁতৰ স্বামীসকলৰ অধিকতৰ অধিকাৰ আছে সিহঁতক ইতিমধ্যে (দাম্পত্য জীৱনলৈ) ঘূৰাই নিয়াৰ, যদি তেওঁলোকে মিট্‌মাট কৰিব বিচাৰে। আৰু তিৰোতাসকলৰো তেনে অধিকাৰ আছে (স্বামীৰ ওপৰত) যেনেকৈ (স্বামীৰ) আছে তিৰোতাসকলৰ ওপৰত ন্যায়সঙ্গতভাৱে। অৱশ্যে পুৰুষসকলৰ অৱস্থান তেওঁলোকৰ কিছু ওপৰত। আৰু আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।

## পৰিচ্ছেদ - ২৯

**২২৯** তালাক দুবাৰ (দিয়া যাব পাৰে); তাৰ পিছত (হয় এই স্ত্ৰীক) পুৰাদস্তুৰ ৰক্ষণ নাইবা সুন্দৰভাৱে বিদায় দান (কৰিব লাগে)। আৰু তোমালোকৰ পক্ষে বৈধ নহয় সিহঁতক যি (মহৰানা) দিছা তাৰ পৰা কিছু ঘূৰাই নিয়া যদিহে দুয়োজনেই আশঙ্কা কৰে যে আল্লাহৰ নিৰ্দেশিত সীমা কায়েম ৰখা সিহঁতৰ পক্ষে সম্ভৱপৰ নহয়। কিন্তু তোমালোকে (অৰ্থাৎ বিধিমত সংগঠিত মেলুৱাই) যদি আশঙ্কা কৰা যে সিহঁতে আল্লাহৰ গণ্ডিৰ ভিতৰত কায়েম থাকিব নোৱাৰিব, তেনেহ'লে (তালাক সম্পাদন কৰি দিবা, আৰু সেইক্ষেত্ৰত) সিহঁতৰ কাৰণে অপৰাধ নহ'ব যাৰ বিনিময়ত (বা যি মহৰানা-টকাৰ লেনদেনত) সিহঁতে মুক্ত হ'বলৈ বিচাৰে। এইবিলাক হৈছে আল্লাহৰ নিৰ্দেশিত গণ্ডি, এতেকে এইবিলাক লংঘন নকৰিবা; আৰু যিয়ে আল্লাহৰ গণ্ডি লংঘন কৰে সিহঁত নিজেই হৈছে অন্যায়কাৰী।

**২৩০** তাৰপিছত যদি সি (তৃতীয়বাৰ) তাইক তালাক দিয়ে তেন্তে ইয়াৰ পাচত সেইজনী তাৰ কাৰণে বৈধ নহ'ব যেতিয়ালৈকে সেই গৰাকীয়ে

অন্য স্বামীক বিবাহ কৰে। তাৰ পিছত যদি সিও (বাধ্য হৈ) এইজনীক তালাক দি দিয়ে তেনেহ’লে সিহঁতৰ উভয়ৰে অপৰাধ নহ’ব যদি সিহঁতে পৰস্পৰৰ কাষলৈ ঘূৰি আহে, যদি সিহঁতে বিবেচনা কৰে যে উভয়ে আল্লাহৰ গণ্ডিৰ মাজত থাকিব পাৰিব। আৰু এইবিলাক হৈছে আল্লাহৰ নিৰ্দেশিত সীমা, তেওঁ সেইটো সুস্পষ্ট কৰি দিয়ে সেই লোকসকলৰ নিমিত্তে যিয়ে (বিধি-নিষেধ সমূহ) জানে।

**২৩১** আৰু যেতিয়া তোমালোকে স্ত্ৰীবিলাকক তালাক দিয়া আৰু সিহতে নিজৰ ইদ্দত পূৰ্ণ কৰে, তেতিয়া সিহঁতক ৰাখিবা সদয়ভাৱে (পুনৰায় বিয়া কৰাই) নতুবা সিহঁতক মুক্তি দিবা সদয়ভাৱে (সিহঁতৰ মহৰানা আৰু দেনা-পাওনা পৰিশোধ কৰি)। আৰু সিহঁতক আটকাই নাৰাখিবা ক্ষতি কৰাৰ কাৰণে,— যাৰ ফলত তোমোলোকে (বিধি-নিষেধৰ) সীমা লঙঘন কৰিবা; আৰু যি সেইটো কৰে সি নিশ্চয় তাৰ নিজৰ প্ৰতি অন্যায় কৰে। আৰু (যধে-মধে তালাক দি, বা ‘হালালাহ’-ৰ নিচিনা ভেঁকোভাৱনা প্ৰচলন কৰি) আল্লাহৰ প্ৰত্যাদেশক খেল-ধেমালিৰূপে নল’বা, আৰু স্মৰণ কৰা তোমালোকৰ ওপৰত আল্লাহৰ অনুগ্ৰহসামগ্ৰী আৰু তোমালোকৰ ওচৰত ধৰ্মগ্ৰন্থৰ যিখন তেওঁ অৱতাৰণ কৰিছে (যেনে এই কুৰআন) আৰু (তাত থকা) হিকমত সম্পৰ্কে, যাৰ দ্বাৰা তেওঁ তোমালোকক উপদেশ দিছে। আৰু আল্লাহক ভয়-ভক্তি কৰিবা, আৰু জানি ৰাখা— নিসন্দেহে আল্লাহ সকলো বিষয়ে সৰ্বজ্ঞাতা।

## পৰিচ্ছেদ - ৩০

**২৩২** আৰু যেতিয়া তোমালোকে স্ত্ৰীসকলক (প্ৰথম বা দ্বিতীয় দফাত) তালাক দিয়া আৰু সিহঁতে সিহঁতৰ ইদ্দত পূৰ্ণ কৰে, তেতিয়া সিহঁতক বাধা নিদিবা সিহঁতৰ (পূৰ্বৰ) স্বামীসকলক বিয়া কৰাবলৈ, যদি সিহঁতে নিজৰ মাজতে ৰাজী হয় সঙ্গতভাৱে। এইদৰে ইয়াৰ দ্বাৰা উপদেশ দিয়া হৈছে তোমালোকৰ মাজৰ সেইসকলক যিসকলে আল্লাহত আৰু শেষ (বিচাৰৰ) দিনত ঈমান আনে। এইটো তোমালোকৰ কাৰণে (হালালাহ-তকৈ) অধিকতৰ পৰিচ্ছন্ন আৰু পৱিত্ৰতৰ। আৰু আল্লাহে (ভাল বেয়া সকলো) জানে অথচ তোমালোকে নাজানা।

**২৩৩** আৰু (স্তন্যদাত্ৰী) মাতৃসকলে নিজ সন্তানবিলাকক পূৰা দুবছৰ স্তন্য খাবলৈ দিব,— যি বিচাৰে (তালাক দিয়া সত্বেও সেই স্ত্ৰীৰ দ্বাৰা) স্তন্যদান পূৰা কৰিবলৈ। আৰু পিতাকৰ ওপৰত দায়িত্ব ইহঁতক খাব দিয়া আৰু ইহঁতক পিন্ধোৱা ন্যায়সঙ্গতৰূপে। কোনো লোককেই তাৰ সামৰ্থ্যৰ অতিৰিক্ত দায়িত্ব আৰোপ কৰা নহয়। মাকসকলো যেন তেওঁলোকৰ সন্তানৰ কাৰণে ক্ষতিগ্ৰস্ত হ’ব নালাগে আৰু যাৰ ঔৰসত সন্তান উপজিছে তেৰোঁ যেন নিজৰ সন্তানৰ বাবে (ক্ষতিগ্ৰস্ত নহয়), আৰু (যদি সন্তানে গাখীৰ এৰাৰ আগতেই পিতাৰ মৃত্যু হয় তেন্তে পিতাকৰ) উত্তৰাধিকাৰীৰ ওপৰত ৰৈছে ইয়াৰ অনুৰূপ (দায়িত্ব, অৰ্থাৎ প্ৰয়োজনীয় খৰচপত্ৰ বহন কৰিবলৈ)। কিন্তু যদি দুয়োজনেই ইচ্ছা কৰে (দু’বছৰৰ ভিতৰতেই) গাখীৰ এৰুৱাবলৈ, উভয়ৰ মাজত সন্মতিক্ৰমে আৰু পৰামৰ্শক্ৰমে, তেন্তে সিহঁতৰ কোনো অপৰাধ নহ’ব (তালাক দিয়া স্ত্ৰীৰ খোৱা-বোৱাৰ খৰচ বন্ধ কৰিবলৈ গ’লে, বা স্ত্ৰীৰ পক্ষে ইমানদিন অপেক্ষা কৰিবলৈ নিবিচাৰিলে)। আৰু যদি তোমালোকে চোৱা তোমালোকৰ সন্তানবিলাকক (সিহঁতৰ আপোন মাকৰ পৰিৱৰ্তে) ধাইমাৰ পিয়াহ খুৱাবলৈ, তাতো তোমালোকৰ কোনো অপৰাধ নহ’ব যদিহে তোমালোক ৰাজী থাকা যি তোমালোকে (ধাইমাক পাৰিশ্ৰমিকৰূপে) পুৰাদস্তুৰ প্ৰদান কৰিবা। আৰু আল্লাহক (সকলো ক্ষেত্ৰতে) ভয়-ভক্তি কৰিবা, আৰু জানি ৰাখা— তোমালোকে যি কৰা আল্লাহ নিশ্চয় তাৰ দৰ্শক।

**২৩৪** আৰু তোমালোকৰ মাজৰ যিসকল মৰি যায় আৰু ৰাখি যায় স্ত্ৰীসকলক, তেওঁলোকে (—স্ত্ৰীসকলে) নিজকে অপেক্ষাত ৰাখিব চাৰি মাহ আৰু দহ (দিন)। তাৰ পিছত এওঁলোক যেতিয়া নিজৰ সময়-সীমাত উপনীত হ’ব তেতিয়া তোমালোকৰ কোনো অপৰাধ নহ’ব যি (বৈবাহিক আলাপ-আলোচনা আৰু সম্বন্ধ) এওঁলোকে নিজৰ ব্যাপাৰে কৰে ন্যায়সঙ্গতভাৱে। আৰু তোমালোকে যি কৰা সেই সম্বন্ধে আল্লাহ ওয়াকিবহাল।

**২৩৫** আৰু তোমালোকৰ ওপৰত অপৰাধ নহ’ব তোমালোকে (এই বিধবা) নাৰীসকলৰ (ইদ্দতৰ ভিতৰতেই) বিয়াৰ প্ৰস্তাৱত যি আকাৰে-ইঙ্গিতে প্ৰকাশ কৰা, অথবা (সেই বাসনা) গোপনে ৰাখা তোমালোকৰ অন্তৰত। আল্লাহে জানে যে তোমালোকে সিহঁতক স্মৰণ কৰিবা, কিন্তু (সিহঁতৰ সৈতে) ভদ্ৰভাৱে কথা কোৱাৰ বাহিৰে গোপনে সিহঁতৰ সৈতে (বিয়াৰ) অঙ্গীকাৰ নকৰিবা; আৰু বিবাহবন্ধন পকাপকি নকৰিবা যেতিয়ালৈকেনেকি সিহঁতে (অপেক্ষাৰ কাৰণে) নিৰ্ধাৰিত সময়সীমাত উপনীত হয়। আৰু জানি ৰাখা— আল্লাহে নিশ্চয় জানে যি তোমালোকৰ অন্তৰত আছে, এতেকে তেওঁৰ সম্পৰ্কে সতৰ্ক হোৱা, আৰু জানি ৰাখা যে নিসন্দেহে আল্লাহ (তোমালোকৰ ভুল-ভ্ৰান্তিৰ ক্ষেত্ৰত) ত্ৰাণকৰ্তা, পৰম সহনশীল।

## পৰিচ্ছেদ - ৩১

**২৩৬** তোমালোকৰ অপৰাধ নহ’ব যদি তোমালোকে স্ত্ৰীসকলক তালাক দিয়া যিসকলক তোমালোকে (সহবাসৰ কাৰণে) স্পৰ্শ কৰা নাই অথবা সিঁহতৰ কাৰণে মহৰানা ধাৰ্য কৰা নাই। আৰু (এনে অৱস্থাতো) সিহঁতৰ কাৰণে (ভৰণ-পোষণৰ) ব্যৱস্থা কৰা— ধনীৰ ক্ষেত্ৰত নিজৰ সামৰ্থ্য অনুসাৰে আৰু অভাৱীৰ ক্ষেত্ৰত নিজৰ সামৰ্থ্য অনুসাৰে,— (ভৰণপোষণৰ) ব্যৱস্থা হ’ব পুৰাদস্তুৰভাৱে। সৎকৰ্মীসকলৰ কাৰণে (এইটো) এটা কৰ্তব্য।

**২৩৭** কিন্তু যদি তোমালোকে সিহঁতক তালাক দিয়া সিহঁতক (সহবাসৰ কাৰণে) স্পৰ্শ কৰাৰ আগতে আৰু ইতিমধ্যে সিহঁতৰ বাবে মহৰানা ধাৰ্য কৰি পেলাইছা, তেন্তে (সিহঁতৰ প্ৰাপ্য হৈছে) যি ধাৰ্য কৰিছা তাৰ অৰ্ধেক, যদিনা সিহঁতে মাফ কৰি দিয়ে (সিহঁতৰ প্ৰাপ্য অৰ্ধেকৰ কোনো অংশ), অথবা তেওঁ (—স্বামীয়ে, নিজৰ অংশ) মাফ কৰি দিয়ে যাৰ হাতত ৰৈছে বিবাহ-গ্ৰন্থি। আৰু যদি তোমালোকে (—স্বামীসকলে, দাবি) এৰি দিয়া তেন্তে ই ধৰ্মপৰায়ণতাৰ অতি ওচৰত। আৰু তোমালোকে পৰস্পৰৰ মাজত (দান উপহাৰৰ মাধ্যমেৰে) উদাৰতা পাহৰি নাযাবা। তোমালোকে যি কৰিছা আল্লাহ নিশ্চয়ে তাৰ দৰ্শক।

**২৩৮** হেফাজত কৰা নামাযসমূহৰ, বিশেষকৈ (‘আছৰ’-ৰ ওৱাক্তৰ) সৰ্বোৎকৃষ্ট নামায; আৰু তোমালোকে থিয় দিবা আল্লাহৰ উদ্দেশ্যে পৰম বিনয়েৰে।

**২৩৯** কিন্তু যদি তোমালোকে আশঙ্কা কৰা (যে নামাযত থিয় হ’লে শত্ৰুৱে তোমালোকক আক্ৰমণ কৰিব পাৰে) তেন্তে খোজ কাঢ়া নাইবা (যানবাহনত)

আৰোহণ কৰা অৱস্থাত (নামায পঢ়ি লবা); কিন্তু যেতিয়া তোমালোকে নিৰাপত্তা বোধ কৰা তেতিয়া আল্লাহক স্মৰণ কৰা যিভাৱে তেওঁ তোমালোকক শিকাইছে— যি তোমালোকে ইতিপূৰ্বে নাজানিছিলা।

**২৪০** আৰু তোমালোকৰ মাজৰ যিসকল মৰি যায় আৰু এৰি যায় স্ত্ৰীসকলক (সেইক্ষেত্ৰত স্বামীৰ সম্পত্তিৰ নিৰ্দিষ্ট অংশ উত্তৰাধিকাৰসূত্ৰে পোৱাৰ উপৰিও) সিহঁতৰ স্ত্ৰীসকলৰ কাৰণে এবছৰৰ ভৰণপোষণৰ ওছিয়ৎ হোৱা দৰকাৰ— (সিহঁতক স্বামীৰ ঘৰৰ পৰা) উলিয়াই নিদি; কিন্তু সিহঁত যদি (নিজ ইচ্ছাই এবছৰৰ ভিতৰতে) গুছি যায় তেন্তে তোমালোকৰ ওপৰত অপৰাধ নহ'ব যি সিহঁতে নিজৰ ব্যাপাৰত সুসঙ্গতভাৱে কৰে। আৰু আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।

**২৪১** আৰু তালাক দিয়া নাৰীসকলৰ কাৰণে (মহৰানাৰ উপৰিও ভৰণপোষণৰ) ব্যৱস্থা হ'ব লাগে পুৰাদস্তুৰ মতে; ধৰ্মপৰায়ণসকলৰ নিমিত্তে (এইটো) এটা কৰ্তব্য।

**২৪২** এইদৰে আল্লাহে তোমালোকৰ কাৰণে তেওঁৰ বাণীসমূহ সুস্পষ্ট কৰি দিছে যাতে তোমালোকে বুজিব পাৰা (কোন পথেৰে তোমালোক চলিবা)।

## পৰিচ্ছেদ - ৩২

**২৪৩** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ ফালে লক্ষ্য কৰা নাইনে যিসকলে (যেনে ইছৰাইলীসকলে) সিহঁতৰ ঘৰবাৰীৰ পৰা ওলাই আহিছিল মৃত্যুৰ ভয়ত আৰু সিহঁত আছিল হাজাৰ হাজাৰ? তাৰ পাচত আল্লাহে সিহঁতক ক'লে— "(তোমালোকৰ প্ৰতিশ্ৰুত দেশত সোমাবলৈ তোমালোক অসন্মত বুলি) তোমালোক মৰি যোৱা"; ইয়াৰ পিছত তেওঁ সিহঁতক (অৰ্থাৎ পৰৱৰ্তী বংশধৰক) জীৱন দান কৰিলে। নিসন্দেহে আল্লাহ অৱশ্যেই মানুহৰ প্ৰতি অশেষ কৰুণাময়; কিন্তু অধিকাংশ লোকেই (তেওঁৰ প্ৰতি) কৃতজ্ঞতা প্ৰকাশ নকৰে।

**২৪৪** আৰু আল্লাহৰ পথত (ধনজন উৎসৰ্গ কৰি) সংগ্ৰাম কৰা আৰু জানি ৰাখা— নিসন্দেহে আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**২৪৫** কোন আছে যিয়ে আল্লাহক ধাৰ দিব সৰ্বাঙ্গসুন্দৰ ঋণ? তেওঁ তেতিয়া সেইটো বঢ়াই দিব তাৰ নিমিত্তে বহুগুণিত কৰি। আৰু আল্লাহে (যিকোনো দান আৰু ত্যাগ) গ্ৰহণ কৰে আৰু (তাৰ প্ৰতিদান বহুগুণে) বঢ়াই দিয়ে; আৰু তেওঁৰ কাষলৈকে তোমালোকক ফিৰাই অনা হ'ব।

**২৪৬** (হে মুহাম্মদ-ছাঃ!) তুমি মূছা (আঃ)-ৰ পৰবৰ্তীকালৰ ইছৰাইলৰ বংশধৰবিলাকৰ মুখিয়ালবোৰৰ বিষয়ে ভাবি চোৱা নাইনে, যেতিয়া সিহঁতে সিহঁতৰ এজন নবীক কৈছিল— "আমাৰ নিমিত্তে এজন ৰজা উত্থাপন কৰা যাতে (তেওঁৰ নেতৃত্বত) আমি আল্লাহৰ পথত যুঁজিব পাৰো"? তেওঁ কৈছিল— "তোমালোকৰ এনেকুৱা সম্ভাৱনা আছে নেকি যে তোমালোকৰ নিমিত্তে যুদ্ধ বিধিবদ্ধ কৰা হ'লে তোমালোকে যুদ্ধ নকৰিবা?" সিহঁতে কৈছিল— "আমাৰ কি হৈছে যে আমি আল্লাহৰ পথত যুদ্ধ নকৰিম যেতিয়া আমি আমাৰ ঘৰ-বাৰীৰ আৰু ল'ৰা-ছোৱালীৰ পৰা বিতাৰিত হৈছো?" তাৰ পিছত যেতিয়া সিহঁতৰ নিমিত্তে যুদ্ধ বিধিবদ্ধ কৰা হ'ল, সিহঁতে ঘূৰি গ'ল সিহঁতৰ মাজৰ অলপ কেইজনমান ব্যতীত। আৰু আল্লাহ অন্যায়কাৰীবিলাকৰ সম্বন্ধে সৰ্বজ্ঞাতা।

**২৪৭** আৰু সিহঁতৰ নবীয়ে সিহঁতক কৈছিল— "নিশ্চয় আল্লাহে এতিয়া তোমালোকৰ নিমিত্তে তালুত-ক ৰজা বনাইছে।" সিহঁতে ক'লে— "তেওঁ কেনেকৈ আমাৰ ওপৰত ৰাজত্ব পাব পাৰে, যেতিয়া ৰাজত্বত তেওঁতকৈ আমাৰেই দাবী বেচি, আৰু তেওঁক ধন-দৌলতৰ প্ৰাচুৰ্যও দিয়া হোৱা নাই?" তেওঁ (—নবীয়ে) কৈছিল— "নিশ্চয় আল্লাহে তেওঁকে (ৰজা হিচাপে) তোমালোকৰ ওপৰত মনোনীত কৰিছে। আৰু তেওঁক অগাধভাৱে প্ৰাচুৰ্যও দিছে জ্ঞানত আৰু দেহত। আৰু আল্লাহে তেওঁৰ ৰাজত্ব দিয়ে যাকে তেওঁ (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰে, কাৰণ আল্লাহ সৰ্বব্যাপ্ত, সৰ্বজ্ঞাতা।"

**২৪৮** আৰু সিহঁতৰ নবীয়ে সিহঁতক (আৰু) কৈছিল— "প্ৰকৃততে তেওঁৰ (—তালুতৰ) ৰাজত্বৰ লক্ষণ এই যে তোমালোকৰ ওচৰলৈ আহিব 'তাবুত' য'ত আছে তোমালোকৰ প্ৰভুৰ পক্ষৰ পৰা প্ৰশান্তি, আৰু মূছা (আঃ)-ৰ বংশধৰসকলে আৰু হাৰুন (আঃ)-ৰ অনুগামীসকলে যি (শিক্ষণীয় বস্তু) এৰি গৈছে তাৰ বাকী থকা অংশ, সেইটো বহন কৰিছে ফিৰিশ্বতাসকলে। নিসন্দেহে ইয়াতে আছে তোমালোকৰ নিমিত্তে নিদৰ্শন, যদি তোমালোক বিশ্বাসী হৈ থাকা।

## পৰিচ্ছেদ - ৩৩

**২৪৯** তাৰ পিছত তালুতে যেতিয়া সৈন্যদল লৈ অভিযান চলালে তেতিয়া ক'লে— "নিশ্চয় আল্লাহে তোমালোকক পৰীক্ষা কৰিব এখন নদীৰ দ্বাৰা; গতিকে যিজনে ইয়াৰ পৰা পান কৰিব সেইসকল মোৰ (দলভুক্ত) নহয়, আৰু যি ইটো নাখায় সিয়ে প্ৰকৃততে মোৰ (দলৰ), কেৱল সেইজনক এৰি যি তাৰ হাতেৰে (মাত্ৰ) কোষা পৰিমাণ পান কৰে।" কিন্তু সিহঁতৰ অলপ কেইজনমান ব্যতীত সিহঁতে ইয়াৰ পৰা পান কৰিছিল। তাৰ পাচত তেওঁ যেতিয়া ইয়াক পাৰ হৈ গৈছিল— তেওঁ আৰু যিসকলে তেওঁৰ সৈতে ঈমান আনিছিল, সেইসকলে ক'লে— "আজি আমাৰ শক্তি নাই জালুত (—গলিয়াত) আৰু তাৰ সৈন্যদলৰ বিৰুদ্ধে।" যিসকল নিশ্চিত আছিল যে সিহঁতে অৱশ্যেই আল্লাহৰ সৈতে মুলাকাত কৰিবলৈ গৈছে সেইসকলে ক'লে— "কিমানবাৰ সৰু দলে আল্লাহৰ হুকুমত ডাঙৰ দলক পৰাজিত কৰিছে; আৰু আল্লাহ অধ্যৱসায়ীসকলৰ সৈতে আছে।"

**২৫০** আৰু যেতিয়া সিহঁত জালুতৰ আৰু তাৰ সৈন্যবিলাকৰ সন্মুখীন হ'ল সিহঁতে ক'লে— "আমাৰ প্ৰভু! আমাৰ প্ৰতি অধ্যৱসায় বৰ্ষণ কৰা, আৰু আমাৰ পদক্ষেপ দৃঢ় কৰা, আৰু অবিশ্বাসী দলৰ বিৰুদ্ধে আমাক সাহায্য কৰা।"

**২৫১** এতেকে আল্লাহৰ হুকুমত এওঁলোকে সিহঁতক পৰাজিত কৰিলে আৰু দাউদে হত্যা কৰিলে জালুতক, আৰু আল্লাহে তেওঁক ৰাজত্ব আৰু জ্ঞান

দিলে, আৰু তেওঁক শিকালে যিখিনি তেওঁ ইচ্ছা কৰিলে। আৰু (অত্যাচাৰী) মানুহৰ কাৰণে যদি আল্লাহৰ প্ৰতিহতকৰণ নাথাকিলহেঁতেন— সিহঁতৰ এদলক আন দলৰ দ্বাৰা, তেন্তে পৃথিৱী নিশ্চয়ে অৰাজকতাপূৰ্ণ হ’লহেঁতেন। কিন্তু আল্লাহ সমস্ত সৃষ্টজগতৰ প্ৰতি অশেষ কৃপাময়।

**২৫২** এইবিলাক হৈছে আল্লাহৰ বাণী, (হে মুহাম্মদ-ছাঃ!) আমি তোমাৰ ওচৰত সেইখিনি পাঠ কৰিছো যথাযথভাৱে; আৰু নিসন্দেহে তুমি ৰছূলসকলৰ অন্যতম।

## ৩য় পাৰা

**২৫৩** এইসকল ৰছুল— আমি তেওঁলোকৰ কোনোবাক অইন কাৰোবাৰ ওপৰত শ্ৰেষ্ঠত্ব দিছো। তেওঁলোকৰ মাজত কাৰোবাৰ সৈতে আল্লাহে (প্ৰায় মুখামুখি) কথা কৈছে আৰু (হে মুহাম্মদ-ছাঃ! তোমাৰ দৰে) তেওঁলোকৰ কাৰোবাক তেওঁ বহুস্তৰ উন্নত কৰিছে। আৰু আমি মৰিয়ম-পুত্ৰ ঈছা (আঃ)-ক দিছিলো স্পষ্ট প্ৰমাণসমূহ, আৰু আমি তেওঁক বলবান কৰিছিলো ‘ৰূহুল কুদুছ’ দি। আৰু আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে তেওঁলোকৰ (অৰ্থাৎ ৰছূলসকলৰ) পৰৱৰ্তীসকলে পৰস্পৰে বিবাদ নকৰিলেহেঁতেন সিহঁতৰ ওচৰত (তোমাৰ আগমন সম্পৰ্কে) স্পষ্ট প্ৰমাণসমূহ অহাৰ পিছতো; কিন্তু সিহঁতে মতবিৰোধ কৰিলে, গতিকে সিহঁতৰ মাজৰ কোনোৱে ঈমান আনিলে আৰু সিহঁতৰ কোনোৱে (তোমাৰ ধৰ্মত) অবিশ্বাস পোষণ কৰিলে। কিন্তু আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে সিহঁতে পৰস্পৰ যুঁজবাগৰ নকৰিলেহেঁতেন; কিন্তু আল্লাহে যি ইচ্ছা কৰে তাকেই কৰি থাকে।

### পৰিচ্ছেদ - ৩৪

**২৫৪** হেৰা যিসকলে ঈমান আনিছা! আমি তোমালোকক যি ৰিযেক দিছো তাৰ পৰা তোমালোকে (প্ৰতিৰক্ষাৰ বাবে) খৰচ কৰা (হিচাপ-নিকাচৰ) সেই দিন অহাৰ আগেয়ে যি দিন দৰদস্তুৰ কৰা নচলিব, বা বন্ধুত্বও নাথাকিব বা চুপাৰিচ নিটিকিব। আৰু অবিশ্বাসীবিলাক— সিহঁতেই অন্যায়কাৰী।

**২৫৫** আল্লাহ— তেওঁ ব্যতীত অন্য উপাস্য নাই— চিৰ-জীৱন্ত, সদা বিদ্যমান; তন্দ্ৰাই তেওঁক আক্ৰান্ত কৰিব নোৱাৰে, নিদ্ৰায়ো নহয়, তেওঁৰেই হৈছে যিসকল আছে মহাকাশমণ্ডলত আৰু যিসকল পৃথিৱীত। কোন আছে যি তেওঁৰ দৰবাৰত (আনৰ কাৰণে) চুপাৰিচ কৰিব পাৰে তেওঁৰ অনুমতি ব্যতীত? তেওঁ জানে কী (পুৰস্কাৰ) আছে এওঁলোকৰ সমুখত আৰু কী আছে তেওঁলোকৰ পিছত; আৰু তেওঁৰ জ্ঞানৰ (গভীৰত্বৰ) একোৱেই এওঁলোকে ধাৰণা কৰিব নোৱাৰে তেওঁ যি (বা যিমানখিনি) ইচ্ছা কৰে তাৰ ব্যতিৰেকে। তেওঁৰ মহাসিংহাসন মহাকাশমণ্ডল আৰু পৃথিৱীত বিয়পি ৰৈছে; ইবিলাকৰ উভয়ৰ হেফাজত (বা ৰক্ষণাবেক্ষণ তথা পৰিচালনাই) তেওঁক ক্লান্ত নকৰে; আৰু তেওঁ সৰ্বোচ্চত অধিষ্ঠিত, মহামহিম।

**২৫৬** ধৰ্মৰ ক্ষেত্ৰত জবৰদস্তি নাই; সত্যপথ নিশ্চয়ে ভ্ৰান্তপথৰ পৰা সুস্পষ্ট কৰা হৈ গৈছে। এতেকে যিজনে তাগুতক (অৰ্থাৎ চয়তানক বা দেৱ-দেৱীক) অস্বীকাৰ কৰে আৰু আল্লাহত ঈমান আনে তেৱেঁই তেন্তে ধৰিছে এটি মজবুত হাতল, যিটো কেতিয়াও ভাঙিবলৈ নহয়। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**২৫৭** আল্লাহ সেইসকলৰ পৃষ্ঠপোষক যিসকলে ঈমান আনিছে; তেওঁ আন্ধাৰৰ পৰা তেওঁলোকক পোহৰলৈ উলিয়াই আনে। আৰু যিসকলে অবিশ্বাস পোষণ কৰে, সিহঁতৰ পৃষ্ঠপোষক হৈছে তাগুত (বা চয়তানবিলাক), সিহঁতে পোহৰৰ পৰা ইহঁতক আন্ধাৰলৈ উলিয়াই লৈ যায়। সিহঁতেই হৈছে জুইৰ বাসিন্দা, সিহঁত তাতে থাকিব দীৰ্ঘকাল।

### পৰিচ্ছেদ - ৩৫

**২৫৮** (হে মুহাম্মদ-ছাঃ!) তুমি কি সেইজনৰ (যেনে বাবিলনৰ শাসনকৰ্তা নমৰূদ-ৰ) কথা ভাবি চোৱা নাই যি ইব্ৰাহীম (আঃ)-ৰ লগত তেওঁৰ প্ৰভুৰ সম্বন্ধে হুজ্জত কৰিছিল যেহেতু আল্লাহে তেওঁকে ৰাজত্ব দিছিলে? স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ কৈছিলে— “মোৰ প্ৰভু তেওঁ যিজনে জীৱন দান কৰে আৰু মৃত্যু ঘটায়।” সেইজনে (—নমৰূদে) ক’লে— “ময়ো (কাৰোবাক) জীৱন দি ৰাখিব পাৰো আৰু (কোনোবাক) মৃত্যু ঘটাব পাৰো।” ইব্ৰাহীম (আঃ)-এ কৈছিলে— “আল্লাহে কিন্তু সূৰ্যক পূবফালৰ পৰা লৈ আহে, তুমি বাৰু তাক পশ্চিমফালৰ পৰা লৈ আহা।” তেতিয়া সি হতবুদ্ধি হৈ গ’ল যি (আল্লাহত) অবিশ্বাস পোষণ কৰিছিল। আৰু আল্লাহে জুলুমকাৰী জাতিক সৎপথ নেদেখুৱায়।

**২৫৯** অথবা (তুমি ভাবি চোৱা নাইনে) সেইজনৰ কথা যিজন গৈছিলে এক নগৰৰ কাষেদি আৰু সেইটো ভাঙ্গি পৰিছিল তাৰ চালৰ সৈতে? তেওঁ কৈছিল— “কেনেকৈ আল্লাহে ইয়াক পুনৰ্জীৱিত কৰিব তাৰ (ধ্বংস বা) মৃত্যুৰ পাচত?” তেতিয়া আল্লাহে তেওঁক এশ বছৰ কাল মৃতবৎ কৰি ৰাখিলে, তাৰ পিছত তেওঁ তাক পুনৰুত্থিত কৰিলে। তেওঁ (—আল্লাহে) ক’লে— “কিমান সময় তুমি কটাইছা?” তেওঁ ক’লে— “মই কটাইছো এটা দিন, বা এদিনৰ কিছু অংশ”। তেওঁ ক’লে— “বৰং তুমি এশ বছৰ কটাইছা, এতেকে তোমাৰ খাদ্য আৰু তোমাৰ পানীয়ৰ ফালে চোৱাচোন, এইবোৰ পুৰণি হোৱা নাই; আৰু তোমাৰ গাধৰ ফালে চোৱা, আৰু তোমাক যাতে মানুহৰ কাৰণে নিদৰ্শন কৰিব পাৰো; আৰু এই হাড়বোৰৰ ফালে চোৱা; কেনেকৈ আমি সিহঁতক একেলগ কৰিছো আৰু সেইবিলাক মঙহেৰে ঢাকিছো।” এতেকে যেতিয়া (বিষয়টো) তেওঁৰ ওচৰত পৰিষ্কাৰ হ’ল তেওঁ ক’লে— “মই বুজিছো যে আল্লাহ সকলোৰে ওপৰত সৰ্বশক্তিমান।”

**২৬০** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ ক’লে— “মোৰ প্ৰভু! মোক দেখুওৱা কেনেকৈ তুমি মৃতক জীৱিত কৰা।” তেওঁ ক’লে— “তুমি কি বিশ্বাস নকৰা?” তেওঁ ক’লে— “(সেই কথা) নহয়, কিন্তু (মই সুধিছো) মোৰ হৃদয়ক শান্ত কৰিবলৈ।” তেওঁ ক’লে— “তেনেহ’লে চৰাইবোৰৰ চাৰিটা তুমি নিয়া আৰু সিহঁতক (পোহ মনাই) তোমাৰ প্ৰতি অনুগত কৰা, তাৰ পাচত প্ৰতিটো টিলাত সিহঁতৰ একোটা অংশ স্থাপন কৰা, তাৰ পাচত সিহঁতক মাতা, সিহঁত বেগেৰে আহিব তোমাৰ কাষলৈ। আৰু জানি ৰাখা, নিসন্দেহে আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।”

## পৰিচ্ছেদ - ৩৬

**২৬১** যিসকলে সিহঁতৰ ধনসম্পত্তি আল্লাহৰ পথত খৰচ কৰে তাৰ উপমা হৈছে এটা শস্যবীজৰ উপমাৰ নিচিনা, সেইটোৱে গজায় সাতটি শীহ, প্ৰতিটো শীহত থাকে এশকৈ গুটি। (এই সাতশ গুণ বৃদ্ধিৰ উপৰি) আল্লাহে বহুগুণিত কৰে যাৰ কাৰণে তেওঁ (উচিত বুলি) বিবেচনা কৰে; কাৰণ আল্লাহ মহাদানশীল, সৰ্বজ্ঞাতা।

**২৬২** যিসকলে সিহঁতৰ ধন-সম্পত্তি আল্লাহৰ পথত খৰচ কৰে, তাৰ পিছত যি সিহঁতে খৰচ কৰিছে তাৰ পাচে পাচে নাযায় (সাহায্যপ্ৰাপ্ত লোকৰ) শলাগ পাবলৈ বা (অপমানৰ দ্বাৰা) আঘাত হানিবলৈ, সেইসকলৰ নিমিত্তে পুৰস্কাৰ (নিৰ্ধাৰিত) আছে সিহঁতৰ প্ৰভুৰ দৰবাৰত; গতিকে সেইসকলৰ ওপৰত (আল্লাহৰ অসন্তোষ বা শাস্তিৰ) কোনো ভয় নাই আৰু সেইসকলে নিজেও অনুতাপ কৰিব নালাগিব।

**২৬৩** সদয় আলাপ (আৰু সৎ উপদেশ) আৰু (ভুলভ্ৰান্তিৰ বাবে) ক্ষমা কৰা বহুত ভাল সেই দানতকৈ যাক অনুসৰণ কৰা হয় আঘাতৰ দ্বাৰা। আৰু আল্লাহ স্বয়ংসমৃদ্ধ, ধৈৰ্যশীল।

**২৬৪** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ দান-বৰঙণিক ব্যৰ্থ কৰি নিদিবা (দান গ্ৰহণকাৰীৰ পৰা) শলাগ লৈ অথবা আঘাত হানি, সেইজনৰ দৰে যি তাৰ ধন-সম্পত্তি খৰচ কৰে মানুহক দেখুৱাবৰ নিমিত্তে, আৰু যি ঈমান নানে আল্লাহৰ প্ৰতি আৰু আখেৰাতৰ দিনত। এতেকে তাৰ উদাহৰণ হৈছে পিছলা পাথৰৰ উপমাৰ নিচিনা, যাৰ ওপৰত আছে ধূলি-মাটি (য'ত ছটিয়াই দিয়া শস্যবীজে শিপা মেলিব নোৱাৰে), তাৰ পিছত তাৰ ওপৰত নামে ধাৰাসাৰ বৰষুণ, গতিকে (সকলো মাটি ধুই নি) তাক পেলাই ৰাখে খালি কৰি। সিহঁতে (মানুহ-দেখুওৱা বদান্যতাৰ দ্বাৰা) যি অৰ্জন কৰিছে তাৰ একোৰেই ওপৰত সিহঁতৰ অধিকাৰ নাথাকে। আৰু আল্লাহে অবিশ্বাসী লোকসকলক হেদায়ত নকৰে।

**২৬৫** আৰু যিসকলে নিজৰ ধন-দৌলত খৰচ কৰে আল্লাহৰ সন্তুষ্টি কামনা কৰি, আৰু সিহঁতৰ আত্মাৰ দৃঢ়প্ৰত্যয় জন্মোৱাৰ কাৰণে, এইসকলৰ উদাহৰণ হৈছে টিলাৰ ওপৰৰ বাগানৰ উপমাৰ দৰে, যাৰ ওপৰত নামে ধাৰাসাৰ বৰষুণ, ফলতে তাৰ খাদ্যশস্য দ্বিগুণ হৈ আহে; আৰু যদি তাত বৃষ্টিধাৰা নপৰেও তেন্তে নিয়ৰেই (যথেষ্ট)। আৰু তোমালোকে যি কৰা আল্লাহ তাৰ দৰ্শক।

**২৬৬** তোমালোকৰ কোনোবাই কি আশা কৰে যে তাৰ নিমিত্তে খাজুৰ আৰু আঙুৰৰ এখন বাগান হওক, যাৰ তলেদি বৈ যায় নিজৰাবিলাক, তাৰ কাৰণে তাতে ৰৈছে সকলোৰকমৰ ফল-ফচল, আৰু তাক ধৰিলে বাৰ্দ্ধক্যই অথচ তাৰ ল'ৰা-ছোৱালী দুৰ্বল; এনে অৱস্থাত তাক (—বাগানক) আগুৰি ধৰিলে ধুমুহা-বতাহে, য'ত ৰৈছে জুইৰ হলকা, ফলত সেইটো পুৰি গ'ল। এইদৰে (উদাহৰণ, উপমা ইত্যাদিৰ জৰিয়তে) আল্লাহে তোমালোকৰ নিমিত্তে তেওঁৰ বাণীসমূহ সুস্পষ্ট কৰি থাকে যাতে তোমালোকে (এই বিষয়ত) চিন্তা কৰিব পাৰা।

## পৰিচ্ছেদ - ৩৭

**২৬৭** হেৰা যিসকলে ঈমান আনিছা! (আল্লাহৰ উদ্দেশ্যে দান-খয়ৰাতত) খৰচ কৰা ভাল বিষয়বস্তু যি তোমালোকে উপাৰ্জন কৰা আৰু তাৰ পৰা যি আমি তোমালোকৰ কাৰণে মাটিৰ পৰা উৎপাদন কৰো, আৰু যি নিকৃষ্ট তাৰ পৰা খৰচ কৰিবলৈ সংকল্প নকৰিবা যেতিয়া তোমালোকে নিজেই তাৰ গ্ৰহণকাৰী নোহোৱা— ইয়াৰ প্ৰতি উপেক্ষা কৰাৰ বাহিৰে। আৰু জানি ৰাখা, প্ৰকৃততে আল্লাহ স্বয়ংসমৃদ্ধ, পৰম প্ৰশংসিত।

**২৬৮** চয়তানে তোমালোকক দৰিদ্ৰতাৰ ধমক দিয়ে (অৰ্থাৎ দান-দক্ষিণা দিলে তোমালোক গৰীব হৈ যাবা বুলি ভয় দেখুৱায়), আৰু তোমালোকক হুকুম কৰে (কাৰ্পণ্য তথা) গৰ্হিত কামলৈ, অথচ আল্লাহে তোমালোকক প্ৰতিশ্ৰুতি দিয়ে তেওঁৰ পৰা (আপদ-বিপদত) পৰিত্ৰাণৰ আৰু (গৰীব হোৱাৰ পৰিৱৰ্তে) প্ৰাচুৰ্যৰ। আৰু আল্লাহ মহাবদান্য, সৰ্বজ্ঞাতা—

**২৬৯** তেওঁ জ্ঞানদান কৰে যাকেই (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰে; আৰু যাক জ্ঞান দিয়া হয় তাক অৱশ্যেই অপাৰ কল্যাণ দিয়া হৈছে। আৰু বোধশক্তিৰ অধিকাৰীৰ বাহিৰে আন কোনেও (জ্ঞানৰ মূল্য) বুজিব নোৱাৰে।

**২৭০** আৰু দানৰ কাৰণে যিকিবা তোমালোকে খৰচ কৰা অথবা ব্ৰতৰ কাৰণে যিয়েই তোমালোকে সংকল্প কৰা, নিসন্দেহে আল্লাহে সেইটো জানে। আৰু অন্যায়কাৰীসকলৰ কাৰণে সাহায্যকাৰী কোনোৱে নাই।

**২৭১** তোমালোকে (জনসাধাৰণক প্ৰেৰণা যোগাবলৈ গৈ) যদি দান-খয়ৰাত প্ৰকাশ কৰা তেন্তে সেইটো কিমান যে ভাল। আৰু যদি সেইটো গোপনে ৰাখা আৰু দুখীয়াবিলাকক দান কৰা (যাতে দান গ্ৰহণকাৰী কোনো ধৰনে হেয় হ'ব লগা নহয়) তেনেহ'লে তোমালোকৰ কাৰণে সেইটো অতি উত্তম। আৰু তোমালোকৰ গৰ্হিত ক্ৰিয়াকৰ্মৰ পৰা (ইয়াৰ দ্বাৰা) তোমালোকৰ প্ৰায়শ্চিত্ত হ'ব। আৰু তোমালোকে যি কৰিছা আল্লাহ তাৰ ওয়াকিফহাল।

**২৭২** (হে মুহাম্মদ-ছাঃ!) সিহঁতক হেদায়ৎ কৰাৰ দায়িত্ব তোমাৰ ওপৰত নহয়, কিন্তু আল্লাহে হেদায়ৎ কৰে যিসকলক তেওঁ ইচ্ছা কৰে। আৰু ভাল বস্তুৰ যিকিবা তোমালোকে খৰচ কৰা সেইখিনি তোমালোকৰ নিজৰেই (উপকাৰৰ) নিমিত্তে; আৰু তোমালোকে আল্লাহৰ সন্তুষ্টি লাভৰ উদ্দেশ্যৰ বাহিৰে (আন কামত নিজৰ ধন-সম্পত্তি) খৰচ নকৰিবা। আৰু ভাল যিকিবা তোমালোকে খৰচ কৰা সেইখিনি তোমালোকক (বহুগুণে বঢ়াই) প্ৰতিদান দিয়া হ'ব, আৰু তোমালোকৰ প্ৰতি (কোনো ধৰণে) অন্যায় কৰা নহ'ব।

**২৭৩** (ব্যক্তিগতভাৱে দান) দুখীয়াসকলৰ কাৰণে যিসকল আল্লাহৰ পথত (পঙ্গু হৈ, অথবা নিৰাপত্তাৰ অভাৱত) বাধাগ্ৰস্ত হৈ পৰিছে— সেইসকল পৃথিৱীত (জীৱিকা অৰ্জনৰ কাৰণে) ঘূৰা-ফুৰা কৰিব নোৱাৰে। নজনা লোকে এওঁলোকক ধনী বুলি ভাবে (লোকৰ ওচৰত হাতপতাৰ পৰা) এওঁলোক বিৰত থকাৰ কাৰণে। তুমি এওঁলোকক চিনিব পাৰিবা তেওঁলোকৰ চেহেৰাতে। তেওঁলোকে আনৰ ওচৰত ধৰনা দি ভিক্ষা নকৰে। আৰু ভাল বস্তুৰ যিকিবা তোমালোকে খৰচ কৰা তেন্তে সেইবিষয়ে আল্লাহ নিশ্চয় সৰ্বজ্ঞাতা।

## পৰিচ্ছেদ - ৩৮

**২৭৪** যিসকলে তেওঁলোকৰ ধনদৌলত ৰাতিয়ে আৰু দিনে (আল্লাহৰ পথত) গোপনে আৰু প্ৰকাশ্যভাৱে খৰচ কৰি থাকে, তেওঁলোকৰ পুৰস্কাৰ ৰৈছে তেওঁলোকৰ প্ৰভুৰ দৰবাৰত; আৰু তেওঁলোকৰ ওপৰত (আল্লাহৰ অসন্তুষ্টিৰ) কোনো ভয় নাই, আৰু তেওঁলোকে নিজে অনুতাপো নকৰিব।

**২৭৫** যিসকলে (গৰীব-দুখীয়াক সা-সহায় কৰাৰ পৰিৱৰ্তে সিহঁতৰ পৰা) সুত খায় সিহঁতে (পোন হৈ মূৰ তুলি) থিয় দিব নোৱাৰে তাৰ দৰে (কুঁজা হৈ) থিয় দিয়াৰ বাহিৰে যাক চয়তানে তাৰ স্পৰ্শৰ দ্বাৰা (ৰাজহাড় ভাঙ্গি দি মাটিত) পেলাই দিছে। এনে হ’ব (সুতখোৰৰ অৱস্থা) কিয়নো সিহঁতে কয়— “বেহা-বেপাৰ অৱশ্যে সুতখোৰিৰ নিচিনাই।” কিন্তু আল্লাহে বৈধ কৰিছে ব্যৱসায়, অথচ নিষেধ কৰিছে সুত খোৱা। এতেকে যাৰ ওচৰলৈ তাৰ প্ৰভুৰ পৰা এই নিৰ্দেশ আহে আৰু সেইজনে (এতিয়াৰে পৰা সুত গ্ৰহণত বা প্ৰদানত) বিৰত হয় সেইজনৰ (সকলো) বিষয় ৰ’ল আল্লাহৰ ওচৰত। আৰু যি (পুনৰায় সুত-খোৱাত) উভতি যায় সিহঁতেই হৈছে (দুখৰ) জুইৰ বাসিন্দা, ইয়াতে সিহঁত থাকিব দীৰ্ঘকাল।

**২৭৬** (সভ্যতাৰ বিকাশৰ লগেলগে) আল্লাহে সুতখোৰিক নিপাত কৰিছে, আৰু দান-খয়ৰাতক অগ্ৰগামী কৰিছে। আৰু আল্লাহে অবিশ্বাসী পাপীসকলক ভাল নাপায়।

**২৭৭** নিসন্দেহে যিসকলে ঈমান আনিছে আৰু সৎকাম কৰে, আৰু নামায কায়েম কৰে আৰু যাকাত দিয়ে, তেওঁলোকৰ কাৰণে নিজ নিজ প্ৰতিদান (নিৰ্ধাৰিত) ৰৈছে তেওঁলোকৰ প্ৰভুৰ দৰবাৰত; আৰু তেওঁলোকৰ ওপৰত কোনো ভয় নাই আৰু তেওঁলোকে নিজে কেনো অনুতাপো নকৰিব।

**২৭৮** হেৰা যিসকলে ঈমান আনিছা! আল্লাহক ভয়-শ্ৰদ্ধা কৰা আৰু সুতৰ বাবদ বাকী থকা যি (পাওনা) আছে সেইখিনি এৰি দিয়া, যদিহে তোমালোকে ঈমানদাৰ হোৱা।

**২৭৯** কিন্তু যদি তোমালোকে (সেইটো) নকৰা তেন্তে আল্লাহ আৰু তেওঁৰ ৰছুলৰ পৰা সংগ্ৰামৰ ঘোষণা জানি ৰাখা। আৰু যদি তোমালোক (আল্লাহৰ পিনে) ঘূৰা (আৰু সুতখোৱা বন্ধ কৰা) তেন্তে তোমালোকৰ নিমিত্তে ৰ’ল তোমালোকৰ ধন-সম্পত্তিৰ মূলধন। অত্যাচাৰ নকৰিবা আৰু অত্যাচাৰিতও নহ’বা।

**২৮০** আৰু যদি সি (—দেনদাৰ) অভাৱগ্ৰস্ত হয় তেন্তে অৱকাশ দিবা (সেইজনৰ) সচ্ছলতা অহা লৈকে। ওপৰঞ্চি যদি তোমালোকে (সেই ঋণৰ টকা) দান কৰি দিয়া তেন্তে তোমালোকৰ কাৰণে আৰু উত্তম,— যদি তোমালোকে জানিলাহেঁতেন।

**২৮১** আৰু হুচিয়াৰ হোৱা (শেষ বিচাৰৰ) সেইদিন সম্বন্ধে যিদিনা তোমালোকক ফিৰাই অনা হ’ব আল্লাহৰ তৰফলৈ, তেতিয়া প্ৰত্যেক লোককে পুৰাপুৰি প্ৰতিদান দিয়া হ’ব (ভাল-বেয়া) যি তেওঁ অৰ্জন কৰিছে, আৰু সিবিলাকক অন্যায় কৰা নহ’ব।

## পৰিচ্ছেদ - ৩৯

**২৮২** হে-ৰা যিসকলে ঈমান আনিছা! তোমালোকে যেতিয়া কোনো লেনদেন নিৰ্দিষ্ট সময়ৰ কাৰণে সম্পাদিত কৰা তেতিয়া সেইটো লিখি ৰাখা, আৰু লেখকজনে যেন তোমালোকৰ মাজত (লেনদেনৰ চৰ্তাৱলী) লিখি ৰাখে ন্যায়সঙ্গতভাৱে; আৰু লেখকে যেন লিখিবলৈ অস্বীকাৰ নকৰে, কিয়নো আল্লাহে তেওঁক (দলিলপত্ৰ লিখাৰ বিদ্যা) শিকাইছে, এতেকে তেওঁ লিখক। আৰু যাৰ ওপৰত দেনাৰ দায়িত্ব সিজনে কৈ যাব (কি চৰ্তাৱলী লিখিব লাগে), আৰু সেইজনে তেওঁৰ প্ৰভু আল্লাহক যেন ভয়-ভক্তি কৰে, আৰু তাৰ পৰা (অৰ্থাৎ ঋণৰ পৰিমাণৰ বা তাৰ চৰ্তাৱলীত) একো যেন কম নকৰে। কিন্তু যাৰ ওপৰত দেনাৰ দায় সিজন যদি (নাবালক বা বৃদ্ধ-অথৰ্ব হোৱা বাবে) অল্পবুদ্ধি বা দুৰ্বল হয় অথবা (কি লিখিব লাগে) সেইখিনি কৈ যোৱাত অপাৰগ হয় তেন্তে সিজনৰ অভিভাৱকে (বা এটৰ্নিয়ে) কৈ যাব ন্যায়সঙ্গতভাৱে। আৰু তোমালোকে পুৰুষসকলৰ পৰা দুজন সাক্ষীক সাক্ষী মনোনীত কৰা। কিন্তু যদি দুজন পুৰুষ (পাবলৈ) নাই তেন্তে এজন পুৰুষ আৰু দুগৰাকী মহিলাক (নিযুক্ত কৰিবা)— তেওঁলোকৰ মাজৰ পৰা যাক তোমালোকে সাক্ষী মনোনীত কৰা, যাতে তেওঁলোক দুইজনীৰ এজনীয়ে যদি ভুল কৰে তেন্তে তেওঁলোকৰ অন্য গৰাকীয়ে মনত পেলাই দিব। আৰু সাক্ষীসকলে যেন (সত্য কথা প্ৰকাশত) অস্বীকাৰ নকৰে যেতিয়া তেওঁলোকক মতা হয়। আৰু এইটো (চুক্তি) লিখি যোৱাত অমনোযোগী নহ’বা— (লেনদেনৰ পৰিমাণ) সৰুৱেই হওক বা ডাঙৰেই হওক— তাৰ (পৰিশোধৰ) মিয়াদকে ধৰি। এইটো আল্লাহৰ কাষত বেচি ন্যায়সঙ্গত আৰু সাক্ষ্যৰ কাৰণে বেচি নিৰ্ভৰযোগ্য, আৰু (দেনা-পাওনা মিটাবলৈ গৈ সেইসম্পৰ্কে) তোমোলোকে যাতে সন্দেহ নকৰা সেইকাৰণেও ই আটাইতকৈ ভাল; অৱশ্যে হাতৰ কাষৰে পণ্য সামগ্ৰী হ’লে তোমালোকৰ মাজত তাৰ (নগদ) বিনিময়ৰ ক্ষেত্ৰ ব্যতিৰেকে, তেতিয়া তোমালোকৰ অপৰাধ নহ’ব যদি তোমালোকে সেইটো লেখালেখি নকৰা। আৰু সাক্ষী ৰাখিবা যেতিয়া তোমালোকে (কোনো মূল্যবান বস্তু) বেচা-কিনা কৰা। আৰু (মনত ৰাখিবা—) লেখক যাতে ক্ষতিগ্ৰস্ত নহয় আৰু সাক্ষীও যাতে (ক্ষতিগ্ৰস্ত) নহয়। কিন্তু যদি তোমালোকে (তেওঁলোকৰ ক্ষতি সাধন) কৰা তেন্তে সেইটো অৱশ্যে তোমালোকৰ পক্ষে পাপাচাৰ হ’ব। আৰু আল্লাহক ভয়-ভক্তি কৰিবা, কাৰণ আল্লাহে তোমালোকক (লেন-দেনৰ নিয়ম-কানুন) শিকাইছে। আৰু আল্লাহ সকলো বিষয়সম্বন্ধে সৰ্বজ্ঞাতা।

**২৮৩** আৰু যদি তোমালোক ভ্ৰমণত থাকা আৰু (লেন-দেন লিখি ৰাখিবলৈ) লেখক নোপোৱা তেন্তে (কোনো সম্পত্তি) বন্ধক ল’ব পাৰা। কিন্তু তোমালোকৰ যদি কোনোবাই আনজনক বিশ্বাস কৰে তেন্তে যাক বিশ্বাস কৰা হ’ল সিজনে সেইজনৰ আমানত ফিৰত দিয়ক, আৰু তেওঁৰ প্ৰভু আল্লাহক ভয়-ভক্তি কৰক। আৰু সাক্ষ্য গোপন নকৰিবা; কাৰণ যি তাক গোপন কৰে তাৰ হৃদয় নিসন্দেহে পাপিষ্ঠ। আৰু তোমালোকে যি কৰা আল্লাহ সেইসম্বন্ধে সৰ্বজ্ঞাতা।

## পৰিচ্ছেদ - ৪০

**২৮৪** আল্লাহৰেই হ'ল যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিছু আছে পৃথিৱীত। আৰু তোমালোকৰ অন্তৰত যি আছে সেইটো প্ৰকাশ কৰা বা সেইটো (দমন কৰি) লুকাই ৰাখা, আল্লাহে তাৰ কাৰণে তোমালোকৰ হিচাপ-নিকাচ ল'ব। তাৰ পিচত যাকে তেওঁ ইচ্ছা কৰিব পৰিত্ৰাণ কৰিব আৰু যাকে ইচ্ছা কৰিব শাস্তিও দিব। আৰু আল্লাহ সকলোবিষয়ৰ ওপৰত সৰ্বশক্তিমান।

**২৮৫** ৰছুলজনে (—মুহাম্মদ-ছাঃ-এ) ঈমান আনিছে যি তেওঁৰ প্ৰভুৰ পৰা তেওঁৰ ওচৰত অৱতীৰ্ণ হৈছে, আৰু বিশ্বাসীসকলেও (তাতে ঈমান আনিছে)। (তেওঁলোকৰ) সকলোৱে ঈমান আনিছে আল্লাহত, আৰু তেওঁৰ ফিৰিশ্বতাসকলত, আৰু তেওঁৰ কিতাপসমূহত, আৰু তেওঁৰ ৰছুলসকলত— (আৰু তেওঁলোকে ঘোষণা কৰে) "আমি তেওঁৰ ৰছুলসকলৰ কোনো এজনৰ মাজতো কোনো পাৰ্থক্য নকৰো।" তেওঁলোকে আৰু কয়— "আমি (তোমাৰ বাণী) শুনো আৰু (তোমাৰ নিৰ্দেশ) আমি পালন কৰো; (এতেকে) হে আমাৰ প্ৰভু! তোমাৰ পৰিত্ৰাণ (কামনা কৰিছো), আৰু তোমাৰেই ওচৰত (আমাৰ) গন্তব্য পথ।"

**২৮৬** আল্লাহে কোনো সত্ত্বাৰ ওপৰত সেইজনৰ ক্ষমতাৰ অতিৰিক্ত দায়িত্ব চপাই নিদিয়ে। তাৰ বাবে (লাভৰ ভাগ) ৰৈছে সি যি অৰ্জন কৰিছে, আৰু তাৰ প্ৰতিকূলে (লোকচানৰ ভাগ) ৰৈছে সি যি অৰ্জন কৰিছে। (প্ৰকৃত ঈমানদাৰসকলে সকলো অৱস্থাতে প্ৰাৰ্থনা কৰে—) "আমাৰ প্ৰভু! আমাক সাৰটি নধৰিবা যদি আমি (কৰ্তব্য পালন কৰা) পাহৰি যাওঁ অথবা ভুল কৰো; হে আমাৰ প্ৰভু! আৰু আমাৰ ওপৰত তেনে বোজা চপাই নিদিবা যেনেকৈ তুমি সেইটো চপাইছিলা সেইবিলাকৰ ওপৰত যিবিলাক আছিল আমাৰ পূৰ্বৱৰ্তী; আমাৰ প্ৰভু! আৰু আমাৰ ওপৰত তেনে ভাৰ উঠাই নিদিবা যিটোৰ (বহন কৰাৰ) সামৰ্থ্য আমাৰ নাই। এতেকে তুমি আমাক ক্ষমা কৰি দিয়া, আৰু আমাক তুমি ৰক্ষা কৰা, আৰু আমাৰ প্ৰতি তুমি কৰুণা বৰ্ষণ কৰা। (কিয়নো) তুমিয়েই আমাৰ পৃষ্ঠপোষক, এতেকে অবিশ্বাসিগোষ্ঠীৰ বিৰুদ্ধে আমাক তুমি সহায় কৰা।"

* * * * * * * * * * * *

ছূৰা - ৩

# ইমৰানৰ পৰিয়াল

*(আলি ইমৰান : ৩২)*

মদীনাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

১ আলিফ লাম মীম।

২ আল্লাহ! তেওঁৰ বাহিৰে অন্য উপাস্য নাই, চিৰ-জীৱন্ত, সদা-বিদ্যমান।

৩ (হে মুহাম্মদ-ছাঃ!) তেওঁ তোমাৰ ওচৰত এই কিতাপ (অৰ্থাৎ কুৰআন) অৱতাৰণ কৰিছে সত্যৰ সৈতে,— ইয়াৰ আগেয়ে (পঠোৱা গ্ৰন্থবিলাকত বৰ্ণিত ভৱিষ্যৎবাণী) যি আহিছিল তাৰ সত্য সমৰ্থনৰূপে, আৰু তেওঁ তওৰাত আৰু ইঞ্জীল অৱতাৰণ কৰিছিলে,—

৪ ইয়াৰ আগতে (য'ত শেষ-নবী মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কে বহুত ভৱিষ্যৎবাণী কৰা হৈছিল), মানুহৰ নিমিত্তে পথনিৰ্দেশৰূপে, আৰু তেওঁ (সৰ্বশেষত) অৱতাৰণ কৰিছে এই ফুৰকান (বা ন্যায়-অন্যায়ৰ আৰু সঁচা-মিছাৰ বিভেদকাৰী গ্ৰন্থ)। বস্তুতঃ যিসকলে অবিশ্বাস কৰে আল্লাহৰ বাণীসমূহত, সিহঁতৰ কাৰণে (নিৰ্ধাৰিত) ৰৈছে ভয়ঙ্কৰ শাস্তি। আৰু আল্লাহ মহাশক্তিশালী, প্ৰতিফল দানত সুসমৰ্থ।

৫ নিসন্দেহে আল্লাহ সম্পৰ্কে— তেওঁৰ ওচৰত কোনো বস্তু লুকাই থাকিব নোৱাৰে এই পৃথিৱীত আৰু মহাকাশতো নহয়।

৬ তেৱেঁই সেইজন যিজনে তোমালোকক গঢ়ি তোলে জৰায়ুৰ ভিতৰত যেনেকৈ তেওঁ বিচাৰে। তেওঁৰ বাহিৰে অইন উপাস্য নাই— (তেৱেঁই) মহাশক্তিশালী, পৰম জ্ঞানী।

৭ (হে মুহাম্মদ-ছাঃ!) তেৱেঁই সেইজন যিজনে তোমাৰ ওচৰত এই কিতাপ (অৰ্থাৎ কুৰআন) অৱতাৰণ কৰিছে, ইয়াৰ মাজৰ কিছুমান আয়াত 'মুহকম' (বা মৌলিক, যি সুস্পষ্টভাৱে স্থিৰ নিশ্চিত অৰ্থ জ্ঞাপন কৰে), সেইবিলাক হৈছে (এই) গ্ৰন্থৰ ভিত্তি, আৰু আনবিলাক 'মুতাশ্বাবিহ' (বা ৰূপক বা আলংকাৰিক, যাৰ বাহ্যিক অৰ্থৰ পৰা অন্তৰ্নিহিত অৰ্থ ওলাব লাগে মৌলিক আয়াতৰ বা বাস্তৱতাৰ ভিত্তিত)। কিন্তু সেইবিলাকৰ বেলিকা যিবিলাকৰ অন্তৰত আছে কুটিলতা সেইসকলে অনুসৰণ কৰে ইয়াৰ মাজৰ যিবিলাক ৰূপক (সেইবিলাক আয়াতক),— বিৰোধ সৃষ্টিৰ কামনাত আৰু (মনেসজা কাহিনীৰ অৱতাৰণা কৰি) ইয়াৰ ব্যাখ্যা দিয়াৰ প্ৰচেষ্টাত। আৰু ইয়াৰ (সঠিক) ব্যাখ্যা আল্লাহৰ বাহিৰে কোনেও নাজানে (এতেকে আল্লাহৰ প্ৰত্যাদিষ্ট এই কুৰআনৰ পৰাই উলিয়াব লাগিব ৰূপক আয়াতবোৰৰ অন্তৰ্নিহিত অৰ্থ)। আৰু যিসকল জ্ঞানৰ ওপৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত সেইসকলে কয়— "আমি ইয়াত বিশ্বাস কৰোঁ, এই সকলোবিলাক আমাৰ প্ৰভুৰ ওচৰৰ পৰা (বিভিন্ন ধৰনে আমাক বুজাবলৈ অৱতীৰ্ণ হৈছে)।" আৰু (কুৰআনৰ অৰ্থ বা মৰ্ম উদ্ধাৰৰ এই পদ্ধতি অৱলম্বনত) কোনেও মনোযোগ নিদিয়ে জ্ঞানবানসকলৰ বাহিৰে।

৮ (তেওঁলোকে আৰু কয়) "আমাৰ প্ৰভু! আমাৰ অন্তৰক বিপথগামী নকৰিবা আমাক হেদায়ত কৰাৰ (বা পথ দেখুওৱাৰ) পাচত; আৰু তোমাৰ ওচৰৰ পৰা আমাক কৰুণা প্ৰদান কৰা। নিসন্দেহে তুমি নিজে পৰম দানশীল।

৯ "আমাৰ প্ৰভু! অৱশ্যেই তুমি মানুহবোৰক সমবেত কৰিবলৈ গৈছা এনে এক দিনৰ প্ৰতি যাৰ সম্বন্ধে কোনো সন্দেহ নাই।" আল্লাহে (শেষ-বিচাৰৰ নিমিত্তে ধাৰ্য) স্থান-কালৰ নিশ্চয় সাল-সলনি নকৰে।

## পৰিচ্ছেদ - ২

১০ যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতৰ ধন-সম্পত্তি আৰু সিহঁতৰ সন্তান-সন্ততিয়ে দৰাচলতে আল্লাহৰ বিৰুদ্ধে কোনোভাৱেই সিহঁতক কেতিয়াও লাভবান নকৰিব। আৰু সিহঁত নিজেই হৈছে (দুযখৰ) জুইৰ শলা,—

১১ (সিহঁতৰ দৃষ্টান্ত হৈছে) ফিৰআউনৰ দলৰ সংগ্ৰামৰ দৰে, আৰু যিবিলাক সিহঁতৰ পূৰ্বৱৰ্তীসকলৰ অন্তৰ্ভুক্ত আছিল (সিবিলাকৰ সংগ্ৰামৰ দৰে)। সিহঁতে আমাৰ প্ৰত্যাদেশসমূহত মিথ্যাৰোপ কৰিছিল, সেইকাৰণে আল্লাহে সিহঁতক ধৰিছিল সিহঁতৰ অপৰাধৰ নিমিত্তে। আৰু আল্লাহ (পাপিষ্ঠবিলাকক) প্ৰতিফলদানত কঠোৰ।

১২ (হে মুহাম্মদ-ছাঃ!) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক কোৱা— "তোমালোক অচিৰেই পৰাজিত হ'বা, আৰু (পৰকালত) তোমালোকক খেদি নিয়া হ'ব জাহান্নামৰ পিনে; আৰু নিকৃষ্ট সেই বিশ্ৰাম স্থান।"

১৩ ইতিপূৰ্বে তোমালোকৰ কাৰণে (ইছলামৰ সত্যতাৰ প্ৰমাণ স্বৰূপে) এটি নিদৰ্শন আহিছিল (বদৰৰ যুদ্ধক্ষেত্ৰত) দুই সৈন্যদল মুখামুখি হোৱাত—

এদলে যুদ্ধ কৰিছিল আল্লাহৰ পথত, আৰু অন্যদল অবিশ্বাসী; এইসকলে (—মুছলিমসকলে) চকুৰে দেখাত সিহঁতক দেখিছিল নিজৰ (মাত্ৰ) দুগুণ (অথচ শত্ৰুপক্ষৰ আচল সংখ্যা দেখা পালে এওঁলোকৰ পক্ষে ভীত হৈ পৰাটোৱেই আছিল স্বাভাৱিক)। আৰু আল্লাহে নিজৰ সাহায্য দি (যেনে ফিৰিশ্বতা পঠিয়াই) সহায় কৰে যাকে তেওঁ (যোগ্য বিবেচনাত) ইচ্ছা কৰে। নিসন্দেহে ইয়াত শিকনি আছে দৃষ্টিমানসকলৰ বাবে।

**১৪** (সাধাৰণ) মানুহৰ পক্ষে মনোৰম বোধ হয় নাৰীৰ সাহচৰ্যৰ প্ৰতি আকৰ্যণ আৰু সন্তান-সন্ততিৰ (প্ৰতি ভালপোৱা), আৰু সোণ আৰু ৰূপৰ সঞ্চিত ভাণ্ডাৰৰ (প্ৰতি লোভ), আৰু সুশিক্ষিত ঘোঁৰাৰ তথা গবাদি-পশুৰ (প্ৰতি মোহ), আৰু খেতি-পথাৰৰ (প্ৰতি আকৰ্যণ)। এইবিলাক এই দুনিয়াৰ (ক্ষণস্থায়ী) জীৱনৰ আহিলাপাতি; অথচ আল্লাহ— তেওঁৰ ওচৰত আছে (চিৰ শান্তিৰ আবাস বা) উত্তম নিভৃত বিশ্ৰামস্থল।

**১৫** (হে মুহাম্মদ-ছাঃ! ভোগবিলাসত আসক্ত এই মানুহবোৰক) তুমি কোৱা— "তোমালোকক এইবিলাকতকৈও ভাল বস্তুৰ খা-খবৰ দিমনে? যিসকল সুপথত চলে সেইসকলৰ নিমিত্তে তেওঁলোকৰ প্ৰভুৰ ওচৰত ৰৈছে বাগানসমূহ, যিবিলাকৰ তলেদি বৈ গৈছে নিজৰাবোৰ, তাতেই তেওঁলোক থাকিব চিৰকাল আৰু (পাব) পৱিত্ৰ লগ-লগৰীয়া, আৰু আল্লাহৰ সন্তুষ্টি। আৰু আল্লাহ (তেওঁৰ) বান্দাসকলৰ পৰ্যবেক্ষক—

**১৬** "যিসকলে কয়— 'আমাৰ প্ৰভু! আমি নিশ্চয় ঈমান আনিছো, এতেকে আমাৰ অপৰাধৰ পৰা তুমি আমাক ত্ৰাণ কৰা, আৰু (দুযখৰ) জুইৰ যাতনাৰ পৰা আমাক ৰক্ষা কৰা।'

**১৭** "(এওঁলোক হৈছে কৰ্মক্ষেত্ৰত) ধৈৰ্যশীল, আৰু সত্যপৰায়ণ, আৰু (আল্লাহৰ প্ৰতি) অনুগত, আৰু (জনগণৰ কাৰণে) খৰচ কৰোঁতা, আৰু শেহৰাতিত পৰিত্ৰাণ প্ৰাৰ্থী।"

**১৮** আল্লাহে (নিজে তেওঁৰ সুশৃঙ্খলাবদ্ধ সৃষ্টিৰ জৰিয়তে) সাক্ষ্য দিছে যে তেওঁৰ বাহিৰে অইন কোনো উপাস্য নাই, আৰু ফিৰিশ্বতাসকলেও, আৰু জ্ঞানৰ অধিকাৰীসকলে ন্যায়ত অধিষ্ঠিত হৈ (একেই সুৰে আল্লাহৰ একত্বৰ সাক্ষ্য দিছে)। (আল্লাহ সম্পৰ্কে বিশ্বজনীন ঘোষণা হৈছে—) তেওঁৰ বাহিৰে কোনো উপাস্য নাই, মহাশক্তিশালী, পৰম জ্ঞানী।

**১৯** নিসন্দেহে আল্লাহৰ ওচৰত ধৰ্ম হৈছে (একমাত্ৰ) ইছলাম। আৰু যিসকলক (ইতিপূৰ্বে ঐশিক) কিতাপ দিয়া হৈছিল সেইসকলে (এই বিষয়ে) মতভেদ কৰা নাই কেৱল সেইবিলাকৰ বাহিৰে যিবিলাকৰ ওচৰত জ্ঞানৰ বিষয় অহাৰ পিচতো নিজৰ মাজতে ঈৰ্ষা-বিদ্বেষ কৰিছিল। আৰু যি আল্লাহৰ নিৰ্দেশৰ প্ৰতি অবিশ্বাস পোষণ কৰে (সি দেখিবলৈ পাব)— নিসন্দেহে আল্লাহ হিচাপ-নিকাচত তৎপৰ।

**২০** কিন্তু (হে মুহাম্মদ-ছাঃ! তথাপি) যদি সিহঁতে তোমাৰ সৈতে বিবাদ কৰে তেন্তে তুমি কোৱা— "মই আল্লাহৰ পিনে মোৰ মুখ পূৰ্ণ অনুগত কৰিছো, আৰু যিসকলে মোক অনুসৰণ কৰে (তেওঁলোকো ভিন্নমুখী নহয়)।" আৰু যিসকলক কিতাপ দিয়া হৈছে সেইসকলক কোৱা, আৰু নিৰক্ষৰ সকলকো— "তোমালোকে (ইছলামধৰ্ম গ্ৰহণ কৰি আল্লাহত) আত্মসমৰ্পণ কৰিছানে?" এতেকে সিহঁতে যদি আত্মসমৰ্পণ কৰে তেন্তে অৱশ্যেই সিহঁত সৎপথপ্ৰাপ্ত হ'ব; আৰু যদি সিহঁতে (ইছলাম এৰি) ঘূৰি যায় তেন্তে দৰাচলতে তোমাৰ ওপৰত (দায়িত্ব) হৈছে (আল্লাহৰ বাণী মানুহৰ ওচৰত) পৌছাই দিয়াৰ। আৰু আল্লাহ (তেওঁৰ) বান্দাসকলৰ (ক্ৰিয়াকলাপৰ) দৰ্শক।

## পৰিচ্ছেদ - ৩

**২১** নিসন্দেহে যিবিলাকে আল্লাহৰ নিৰ্দেশাৱলীত অবিশ্বাস পোষণ কৰে আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিবলৈ যায়, আৰু মানুহৰ মাজত যিসকলে ন্যায় প্ৰতিষ্ঠাৰ নিৰ্দেশ দিয়ে সেইসকলকো হত্যা কৰিবলৈ যায়,— সিহঁতক তুমি সুসংবাদ দিয়া ব্যথাময় যাতনাৰ।

**২২** ইহঁতেই সেইবিলাক যিবিলাকৰ কাম-কাজ বৃথা হ'ব এই দুনিয়াত আৰু আখেৰাতত; আৰু সিহঁতৰ কাৰণে সাহায্যকাৰীসকলৰ কোনোৱেই নাথাকিব।

**২৩** তুমি সিহঁতৰ (অৰ্থাৎ ইহুদীবিলাকৰ) ফালে চোৱা নাইনে যিসকলক ধৰ্মগ্ৰন্থৰ কিছু অংশ দিয়া হৈছে (যাৰ বহুলাংশ সিহঁতে সাল-সলনি কৰি লৈছে)? সিহঁতক আহ্বান কৰা হৈছে, আল্লাহৰ কিতাপৰ (অৰ্থাৎ কুৰআনৰ) পিনে, যাতে ইখনে সিবিলাকৰ মাজত (বিভিন্ন সমস্যাৰ) মীমাংসা কৰিব পাৰে। তাৰ পিচত সিহঁতৰ মাজৰ এটি দল ঘূৰি গ'ল, ফলত সিহঁত হ'ল অগ্ৰাহ্যকাৰী।

**২৪** এনে আছিল (সিহঁতৰ ক্ৰিয়া-কীৰ্তি) কাৰণ সিহঁতে কয়— "(দুযখৰ) জুইয়ে আমাক কদাচিতো স্পৰ্শ নকৰিব গণনাৰ দিন কেইটাৰ বাহিৰে।" আৰু সিহঁতৰ (মনেগঢ়া) ধৰ্মমতত সিহঁতে নিজকে প্ৰতাৰণা কৰি চলিছে সিহঁতে (নিজৰ খেয়াল-খুচিমতে) যি জালিয়াতি কৰি আছে তাৰ দ্বাৰা।

**২৫** গতিকে কেনে হ'ব (সিহঁতৰ অৱস্থা), যেতিয়া আমি সিহঁতক গোট খুওৱাম এনে এক (বিচাৰৰ) দিনত যাৰ সম্বন্ধে কোনো সন্দেহ নাই; আৰু প্ৰত্যেক সত্বাকে পুৰাপুৰি প্ৰতিদান দিয়া হ'ব যি সি অৰ্জন কৰিছে, আৰু সিহঁতৰ প্ৰতি (অকণমানো) অন্যায় কৰা নহ'ব?

**২৬** তুমি কোৱা— "হে আল্লাহ! (ইহলৌকিক আৰু পাৰলৌকিক) সাম্ৰাজ্যৰ অধিপতি! তুমি যাকে (যোগ্য বিবেচনা কৰি) ইচ্ছা কৰা তাকে সাম্ৰাজ্য প্ৰদান কৰা; আকৌ যাৰ ওচৰৰ পৰা (অযোগ্যতা হোৱা হেতুকে) ইচ্ছা কৰা ৰাজত্ব কাঢ়ি নিয়া; আৰু যাকে খুচি সন্মান দান কৰা, আকৌ যাকে খুচি অপমানিত কৰা,— তোমাৰ হাততেই ৰৈছে কল্যাণ (গতিকে 'আল্লাহৰ সাম্ৰাজ্য' বা স্বৰ্গৰাজ্য অযোগ্য পাত্ৰৰ পৰা যোগ্য পাত্ৰকে তুমি অৰ্পণ কৰিবা)। নিসন্দেহে তুমি সকলোৰে ওপৰত সৰ্বশক্তিমান।

**২৭** "তুমি (আমাৰ আশ্ৰয়হীন অন্ধকাৰ) ৰাতিক প্ৰৱেশ কৰোৱা (বিজয়দীপ্ত) দিনলৈ, আকৌ (ইছৰাইলৰ গৌৰৱময়) দিনক প্ৰৱেশ কৰোৱা ৰাতিলৈ, আৰু প্ৰাণবান সকলক উদ্‌গত কৰা মৃতকৰ পৰা, আকৌ মৃতকক উলিয়াই আনা জীৱন্তৰ পৰা; আৰু (সেইদৰে তোমাৰ বিবেচনা অনুযায়ী) যাকে ইচ্ছা কৰা বেহিচাপ জীৱিকা দান কৰা।"

**২৮** বিশ্বাসীসকলে যেন (যুদ্ধকালীন অৱস্থাত) বিশ্বাসীসকলক বাদ দি অবিশ্বাসীসকলক বন্ধুৰূপে গ্ৰহণ নকৰে। আৰু যি এনে কৰিব (সি জানি ৰাখক যে) আল্লাহৰ পৰা (তাৰ নিমিত্তে সাহায্যৰ) একোৱেই নাথাকিব, কিন্তু যদি তোমালোকে সিহঁতৰ পৰা সতৰ্কতাস্বৰূপ সাৱধান হ'বলৈ চোৱা (তেন্তে তেনে ক্ষেত্ৰত দোষ নহ'ব)। আৰু আল্লাহে তোমালোকক তেওঁৰ (পৰা কৰ্মফল পোৱা) সম্বন্ধে সাৱধান কৰিছে; আৰু আল্লাহৰ ফালেই শেষ গতি।

**২৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "তোমালোকৰ অন্তৰত যি (কুচিন্তা বা কুপ্ৰবৃত্তি) আছে তাক (দমন কৰি) লুকাই ৰাখা, অথবা তাক (কাৰ্যত পৰিণত কৰি) প্ৰকাশ কৰা, আল্লাহে সেইটো জানে। আৰু তেওঁ জানে যিকিবা আছে মহাকাশত আৰু যিকিছু পৃথিৱীত। আৰু আল্লাহ সকলোৰে ওপৰত সৰ্বশক্তিমান।"

**৩০** (হিচাপ-নিকাচৰ) সেইদিনা প্ৰত্যেক সত্বাই দেখিবলৈ পাব ভাল যিকিবা সি কৰিছিল সেইটো (তাৰ সন্মুখত) হাজিৰ কৰা হৈছে, আৰু বেয়া যিকিছু সি কৰিছিল সেইটোও; সি বিচাৰিব— তাৰ আৰু ইয়াৰ মাজত যদি সুদীৰ্ঘ ব্যৱধান থাকিলেহেঁতেন। কিন্তু আল্লাহে তোমালোকক সাৱধান কৰিছে তেওঁৰ সম্বন্ধে। আৰু আল্লাহ (তেওঁৰ খাঁটি) বান্দাসকলৰ প্ৰতি স্নেহময়।

## পৰিচ্ছেদ - ৪

**৩১** (হে নবী!) তুমি কোৱা— "তোমালোকে (নিজকে আল্লাহৰ প্ৰিয়পাত্ৰ বুলি গপ না মাৰি) যদি আল্লাহকে (সঁচাকৈ) ভাল পোৱা তেন্তে তোমালোকে মোক অনুসৰণ কৰা, (তেতিয়া) আল্লাহে তোমালোকক ভাল পাব, আৰু তোমালোকক পৰিত্ৰাণ কৰিব তোমালোকৰ অপৰাধৰ পৰা। কিয়নো আল্লাহ পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।"

**৩২** তুমি কোৱা— "আল্লাহৰ আজ্ঞা পালন কৰা আৰু ৰছুলৰো।" কিন্তু সেইবিলাক যদি (অবাধ্য হৈ) ফিৰি যায় তেন্তে (জানি ৰাখা—) নিসন্দেহে আল্লাহে অবিশ্বাসীবিলাকক ভাল নাপায়।

**৩৩** আল্লাহে নিশ্চয় আদম আৰু নুহ আৰু ইব্ৰাহীম (আঃ)-ৰ বংশধৰক, আৰু (মুছা আৰু হাৰুন-আঃ-ৰ পিতা) ইমৰানৰ পৰিয়ালক মানৱগোষ্ঠীৰ ওপৰত উচ্চ মৰ্যাদা দিছিলে—

**৩৪** (এওঁলোক উচ্চ মৰ্যাদাপ্ৰাপ্ত) এক বংশ পৰম্পৰা— একৰ পৰা সিহঁতৰ আনবিলাক (উদ্ভূত হৈছে, আৰু নিজৰ নিজৰ গুণ অনুযায়ী আল্লাহৰ প্ৰিয়পাত্ৰ হ'ব পাৰিছে)। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**৩৫** স্মৰণ কৰা! ইমৰান বংশৰ এগৰাকী তিৰোতাই ক'লে— "মোৰ প্ৰভু! মোৰ গৰ্ভত যি (সন্তান) আছে তাক মই তোমাৰ কাৰণে উচৰ্গ কৰিলো একান্তভাৱে, এতেকে মোৰ (এই লৰাজনক) কবুল কৰা; প্ৰকৃততে তুমি নিজেই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।"

**৩৬** তাৰ পিচত যেতিয়া তেওঁ তাক প্ৰসৱ কৰিলে, তেওঁ ক'লে— "প্ৰভু! (আচৰিত কথা!) মই কিন্তু ইয়াকে প্ৰসৱ কৰিলো এটি কন্যা (আৰু তওৰাতৰ বিধানমতে তিৰোতাই ধৰ্মযাজকতা কৰিব নোৱাৰে)।" আৰু আল্লাহে ভালকৈয়ে জানে কি তেওঁ প্ৰসৱ কৰিলে। আৰু (তেখেতে ভাবি থকা) ল'ৰা সন্তান (এইজনী) কন্যা সন্তানৰ নিচিনা নহয়। (তেওঁ কৈ গ'লে—) "আৰু মই তাইৰ নাম ৰাখিলো মৰিয়ম, আৰু মই অৱশ্যেই তোমাৰ আশ্ৰয়ত তাইক ৰাখিছো, আৰু তাইৰ সন্তান-সন্ততিকো (তোমাৰ আশ্ৰয়ত ৰাখিছো) ভ্ৰষ্ট চয়তানৰ (প্ৰভাৱৰ) পৰা।"

**৩৭** এতেকে তেওঁৰ প্ৰভুৱে তেওঁক (অৰ্থাৎ মাকৰ প্ৰাৰ্থনাৰ লগতে মৰিয়মক) কবুল কৰিলে সুন্দৰ স্বীকৃতিৰ সৈতে, ফলত তেওঁক বৰ্ধিত কৰিলে সুন্দৰ বৰ্ধনত; আৰু তেওঁৰ অভিভাৱকত্ব অৰ্পণ কৰিলে (ধৰ্ম মন্দিৰৰ সেৱাইত) যাকাৰিয়াকে। যেতিয়াই যাকাৰিয়াই তাইৰ ওচৰলৈ উপসনাস্থলত প্ৰৱেশ কৰিছিলে তাইৰ ওচৰত তেওঁ দেখিবলৈ পাইছিলে ৰিযেক (অৰ্থাৎ পাৰ্থিৱ খাদ্যবস্তু আৰু আধ্যাত্মিক জ্ঞানভাণ্ডাৰ)। তেওঁ কৈছিলে— "হে মৰিয়ম! এইবিলাক তোমাৰ ওচৰত ক'ৰ পৰা (আহে)?" তেওঁ ক'লে— "ই আল্লাহৰ তৰফৰ পৰা। নিসন্দেহে আল্লাহে যাকে ইচ্ছা কৰে তাকে বেহিচাপ ৰিযেক দান কৰে।"

**৩৮** (সৰু ছোৱালীৰ মাজত এনে ধৰ্মনিষ্ঠা দেখি যাকাৰিয়াৰ মনত অনুৰূপ ধৰ্মপৰায়ণ সন্তানৰ আকাঙ্খা জাগিলে, গতিকে) তাতেই যাকাৰিয়াই তেওঁৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিলে; তেওঁ ক'লে— "মোৰ প্ৰভু! তোমাৰ ওচৰৰ পৰা মোক এটি উত্তম সন্তান দিয়া। নিসন্দেহে তুমি (সকলো) প্ৰাৰ্থনাৰ শ্ৰোতা।"

**৩৯** তেওঁ উপসনাস্থলত নামাযত থিয় থাকোতেই ফিৰিশ্বতাসকলে তেওঁক মাতি ক'লে— "আল্লাহে নিশ্চয় আপোনাক সুসংবাদ দিছে (এজন পুত্ৰ সন্তান) ইয়াহ্য়াৰ, (তেওঁ আহিছে) আল্লাহৰ বাণীৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ, আৰু (তেওঁ হ'ব) সন্মানিত আৰু চৰিত্ৰবান, আৰু সাধুপুৰুষসকলৰ পৰা এজন নবী।"

**৪০** তেওঁ (আল্লাহক উদ্দেশ কৰি) ক'লে— "মোৰ প্ৰভু! ক'ৰ পৰা মোৰ ল'ৰা হ'ব পাৰে, যেহেতু ইতিমধ্যেই মোৰ ওচৰত বাৰ্ধক্য আহি পাইছে, তদুপৰি মোৰ স্ত্ৰী বন্ধ্যা?" তেওঁ ক'লে— "এইদৰেই— আল্লাহে সেইটোৱেই কৰে যিটো তেওঁ বিচাৰে।"

**৪১** তেওঁ ক'লে— "মোৰ প্ৰভু! মোৰ নিমিত্তে এটি নিদৰ্শন নিৰ্ধাৰিত কৰা (যাতে মোৰ অন্তৰত দৃঢ়প্ৰত্যয় জন্মে যে আমাৰো সন্তান জন্মিব পাৰে)।" তেওঁ ক'লে— "তোমাৰ নিদৰ্শন হৈছে এয়ে যে তুমি লোকজনৰ সৈতে তিনিদিন কথা নক'বা কেৱল ইঙ্গিতৰ বাহিৰে; আৰু তোমাৰ প্ৰভুক বেচিকৈ স্মৰণ কৰিবা আৰু তেওঁৰ গুণগান কৰিবা নিশাভাগত আৰু পুৱাবেলাতে।"

## পৰিচ্ছেদ - ৫

৪২ আৰু স্মৰণ কৰা! (মৰিয়ম গাভৰু হোৱাৰ পিচত) ফিৰিশ্বতাসকলে ক'লে— "হে মৰিয়ম! নিশ্চয় আল্লাহে তোমাক (নবীৰ সুযোগ্যা মাতা হ'বলৈ) নিৰ্বাচন কৰিছে, আৰু তোমাক পৱিত্ৰ কৰিছে , আৰু বিশ্বজগতৰ নাৰীসকলক ওপৰত তোমাকে নিৰ্বাচন কৰিছে।

৪৩ "হে মৰিয়ম! তোমাৰ প্ৰভুৰ অনুগত হৈ থাকা, আৰু সিজ্‌দা কৰা আৰু ৰুকু কৰা ৰুকুকাৰীসকলৰ সৈতে।"

৪৪ (হে মুহাম্মদ-ছাঃ!) এয়াই হৈছে অদৃশ্য বাৰ্তাসমূহৰ পৰা যি তোমাৰ ওচৰত আমি প্ৰত্যাদেশ কৰিছো। আৰু তুমি সিহঁতৰ কাষত নাছিলা যেতিয়া সিহঁতে কলম নিক্ষেপ কৰিছিল (অৰ্থাৎ লটাৰি খেলিছিল) সিহঁতৰ মাজত কোনে মৰিয়মৰ অভিভাৱকত্ব ল'ব সেই সম্পৰ্কে (সিদ্ধান্ত ল'বলৈ), আৰু তুমি সিহঁতৰ সমীপত নাছিলা যেতিয়া সিহঁতে পৰস্পৰে হকাহুনা কৰিছিলে।

৪৫ স্মৰণ কৰা! (লটাৰিৰ মাধ্যমেৰে সিদ্ধান্তটো পকাপকি হোৱাৰ পাছত) ফিৰিশ্বতাসকলে ক'লে— "হে মৰিয়ম, নিসন্দেহে আল্লাহে তোমাক সুসংবাদ দিছে তেওঁৰ পৰা এটি (ভৱিষ্যৎ) বাণীৰ দ্বাৰা— তেওঁৰ নাম হৈছে মছীহ মৰিয়ম-পুত্ৰ ঈছা, ইহকাল আৰু পৰকালত সন্মানৰ যোগ্য, আৰু তেওঁ হৈছে (নবুওৱৎ প্ৰদানৰ দ্বাৰা আল্লাহৰ) নৈকট্যত আনি-লোৱাসকলৰ অন্তৰ্গত।

৪৬ "আৰু তেওঁ লোকসকলৰ সৈতে কথা ক'ব দোলনাত (থকা অৱস্থাত, অৰ্থাৎ বাল্যকালত), আৰু বাৰ্দ্ধক্যকালত, আৰু তেওঁ হ'ব সৎকৰ্মীসকলৰ অন্যতম।"

৪৭ তেওঁ (—মৰিয়মে) ক'লে— "মোৰ প্ৰভু! ক'ৰ পৰা মোৰ সন্তান হ'ব যেতিয়া পুৰুষ মানুহে (এতিয়াও) মোক স্পৰ্শ কৰা নাই?" তেওঁ ক'লে— "এইভাৱেই আল্লাহে সৃষ্টি কৰে যিয়ে তেওঁ বিচাৰে। (আচল কথা হৈছে) তেওঁ যেতিয়া কোনো বিষয়ে (কিবা কৰাৰ) সিদ্ধান্ত কৰে, তেওঁ তেতিয়া সেইসম্বন্ধে কেৱল কয়— 'হোৱা' আৰু সেইটো (সৃষ্টিচক্ৰৰ নিয়ম অনুযায়ী নিৰ্ধাৰিত সময়ত) হৈ যায়।

৪৮ "আৰু তেওঁ তেখেতক শিকাব (বিভিন্ন) ধৰ্মগ্ৰন্থ আৰু জ্ঞানভাণ্ডাৰ আৰু তওৰাত আৰু ইঞ্জীল।

৪৯ "আৰু (আল্লাহে তেওঁক বনাব) ইছৰাইল বংশীয়সকলৰ প্ৰতি ৰছুল। (তেওঁৰ বাণীৰ ধৰন হৈছে ৰূপক বা আলঙ্কাৰিক বৰ্ণনা আৰু সেই হিচাপে তেওঁ ক'ব—) 'নিসন্দেহে মই তোমালোকৰ ওচৰলৈ আহিছো তোমালোকৰ প্ৰভুৰ পৰা এটি নিৰ্দশন লৈ,— মই অৱশ্যেই তোমালোকৰ নিমিত্তে মাটিৰ পৰা তৈয়াৰী কৰিছো চৰাইৰ নিচিনা মূৰ্তি, তাৰ পাচত তাতে মই ফুঁই মাৰো, তেতিয়া সেইটো পক্ষী হৈ যায় আল্লাহৰ ইচ্ছাত, আৰু মই আৰোগ্য কৰো অন্ধক, আৰু কুষ্ঠ ৰোগীক, আৰু মই জীৱন দিওঁ মৃতকক আল্লাহৰ ইচ্ছাত। আৰু মই তোমালোকক খবৰ দিওঁ যিবিলাক খাবা আৰু যি তোমালোকে নিজৰ ঘৰত মজুত কৰি ৰাখা। নিসন্দেহে ইয়াত বিশেষ নিৰ্দশন আছে তোমালোকৰ কাৰণে যদি তোমালোক বিশ্বাসী হোৱা;

৫০ " 'আৰু তওৰাতৰ পৰা যিখিনি (বাণী) মোৰ ওচৰত আছে (মই আহিছো) তাৰ সত্য সমৰ্থনকাৰীৰূপে, আৰু মই যাতে তোমালোকৰ নিমিত্তে বৈধ কৰিব পাৰো তাৰে কিছুমান যি তোমালোকৰ বাবে (পূৰ্ববৰ্তী অৱস্থাৰ পৰিপ্ৰেক্ষিতত) হৈছিল নিষিদ্ধ; আৰু মই তোমালোকৰ ওচৰলৈ আহিছো তোমালোকৰ প্ৰভুৰ পৰা এটি (কালোপযোগী) বাণী লৈ, এতেকে আল্লাহক ভয়-শ্ৰদ্ধা কৰা আৰু মোক অনুসৰণ কৰা।

৫১ " 'নিসন্দেহে আল্লাহ মোৰ প্ৰভু আৰু তোমালোকৰ প্ৰভু, এতেকে তেওঁৰেই উপাসনা কৰা,— এয়ে হৈছে সঠিক পথ।' "

৫২ কিন্তু যেতিয়া ঈছা (আঃ)-এ সিহঁতৰ মাজত অবিশ্বাস বোধ কৰিলে, তেওঁ ক'লে— "কোন হ'বা আল্লাহৰ পথত মোৰ সাহায্যকাৰী?" শিষ্যসকলে ক'লে— "আমি আল্লাহৰ (পথত) সাহায্যকাৰী হ'ম; আমি আল্লাহতে বিশ্বাস কৰো, আৰু তুমি সাক্ষ্য দিয়া যে আমি হৈছো আত্মসমৰ্পণকাৰী (মুছলিম, আৰু তুমি আজীৱন আমাক তোমাৰ অনুগতৰূপে দেখা পাবা)।

৫৩ "আমাৰ প্ৰভু! আমি ঈমান আনিছো তাত (যেনে তওৰাতত আৰু ইঞ্জীলত) যি তুমি অৱতাৰণ কৰিছা, আৰু আমি ৰছুলক (অৰ্থাৎ ঈছাক) অনুসৰণ কৰো; এতেকে আমাক লিখি ৰাখা (সত্যৰ) সাক্ষীদিওঁতাসকলৰ সৈতে।"

৫৪ আৰু সিহঁতে (অৰ্থাৎ ইহুদীবিলাকে) চক্ৰান্ত কৰিছিল (ঈছাক মিছলীয়া সাব্যস্ত কৰিবলৈ), আৰু আল্লাহেও পৰিকল্পনা কৰিছিলে (সিহঁতৰ এই প্ৰচেষ্টা নাকচ কৰি দিবলৈ)। আৰু আল্লাহ পৰিকল্পনাকাৰীসকলৰ ভিতৰত সৰ্বোত্তম।

## পৰিচ্ছেদ - ৬

৫৫ স্মৰণ কৰা! আল্লাহে ক'লে— "হে ঈছা, মই নিশ্চয় তোমাৰ মৃত্যু ঘটাম, আৰু মই তোমাক মোৰ ফালে (সন্মান আৰু মৰ্যাদাত) উন্নীত কৰিম, আৰু তোমাক পৰিশোধিত কৰিম (ইহুদীবিলাকৰ নিচিনা) যিসকলে অবিশ্বাস পোষণ কৰে সেইসকলৰ (প্ৰদত্ত অপবাদৰ) পৰা, আৰু যিসকলে তোমাক অনুসৰণ কৰিব সেইসকলক মই স্থান দিম যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতৰ ওপৰত কিয়ামতৰ দিনলৈকে। ইয়াৰ পাচত মোৰেই ওচৰলৈ তোমালোকৰ প্ৰত্যাৱৰ্তন স্থান, তেতিয়া মই তোমালোকৰ মাজত বিচাৰ কৰিম সেই বিষয়ে য'ত তোমালোকে মতভেদ কৰিছিলা।

৫৬ এতেকে যিবিলাকে অবিশ্বাস পোষণ কৰে মই সিহঁতক শাস্তি দিম কঠোৰ শাস্তিৰে এই দুনিয়াত আৰু পৰলোকত, আৰু সিহঁতৰ কাৰণে সাহায্যকাৰীসকলৰ কোনোৰেই নাথাকিব।

৫৭ আৰু যিসকলে ঈমান আনিছে আৰু ভাল কাম কৰিছে, তেওঁলোকৰ প্ৰাপ্য (পুৰস্কাৰ) তেওঁলোকক পুৰাপুৰি দিয়া হ'ব। আৰু অন্যায়কাৰীবিলাকক আল্লাহে ভাল নাপায়।

**৫৮** (হে মুহাম্মদ-ছাঃ!) এইটোৱেই (ইতিহাসৰ সেই গুপ্ত তথ্য) যিটো মই তোমাৰ ওচৰত বৰ্ণনা কৰিছো (মোৰ) নিৰ্দেশবাণী আৰু জ্ঞানগৰ্ভ উপদেশৰ পৰা।

**৫৯** নিসন্দেহে ঈছাৰ দৃষ্টান্ত হৈছে আল্লাহৰ ওচৰত আদমৰ দৃষ্টান্তৰ দৰে। তেওঁ তেখেতক সৃষ্টি কৰিছিলে মাটিৰ পৰা; তাৰ পাচত তেওঁক কৈছিলে— 'হোৱা', গতিকে তেওঁ হৈ গ'ল।

**৬০** (হে মুহাম্মদ-ছাঃ! এই বাণী) তোমাৰ প্ৰভুৰ পৰা অহা ধ্ৰুৱসত্য; গতিকে তোমালোকে সন্দেহকাৰীবিলাকৰ দলভুক্ত নহ'বা।

**৬১** এতেকে যিবিলাকে তোমাৰ সৈতে এই বিষয়ে বিবাদ কৰে তোমাৰ ওচৰলৈ (সঠিক) জ্ঞানৰ যি আহিছে তাৰ পাচতো তেনেহ'লে (শেষ চেষ্টাস্বৰূপে) কোৱা— "আহা, আমি মাতি আনো আমাৰ সন্তানবিলাকক আৰু তোমালোকৰ সন্তানবিলাকক, আৰু আমাৰ তিৰোতাসকলক আৰু তোমালোকৰ তিৰোতাসকলক, আৰু আমাৰ আপোন লোকসকলক আৰু তোমালোকৰ আপোন লোকসকলক, তাৰ পাচত (আমাৰ প্ৰভুৰ দৰবাৰত) আমি মিনতি কৰো যেন আল্লাহৰ অভিশাপ পৰে মিছলীয়াসকলৰ ওপৰত।"

**৬২** নিসন্দেহে এয়ে হৈছে প্ৰকৃততে (ঈছা-আঃ সম্বন্ধে) সত্য বিবৃতি; আৰু আল্লাহৰ ব্যতিৰেকে অইন কোনো উপাস্য নাই। আৰু নিসন্দেহে আল্লাহ— তেওঁ অৱশ্যেই মহাশক্তিশালী, পৰম জ্ঞানী।

**৬৩** কিন্তু সিহঁতে যদি (জানি-শুনি মুবাহেলাৰ প্ৰাৰ্থনাৰ পৰা) ফিৰি যায়, তেনেহ'লে আল্লাহ গণ্ডগোলকাৰীবিলাকৰ সম্যক জ্ঞাতা।

## পৰিচ্ছেদ – ৭

**৬৪** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "হে গ্ৰন্থপ্ৰাপ্ত লোকসকল, আমাৰ মাজত আৰু তোমালোকৰ মাজত পৰস্পৰ বুজাবুজিৰ মাজলৈ আহা, যেন আমি আল্লাহৰ ব্যতিৰেকে অইন কাৰো উপাসনা নকৰিম, আৰু তেওঁৰ সৈতে আমি অন্য কোনোবাক শ্বৰীক নকৰিম, আৰু কোনেও আল্লাহক বাদ দি অন্য কাকোৱেই প্ৰভু বুলি গ্ৰহণ নকৰিম।" কিন্তু সিহঁতে যদি (এই নীতি প্ৰত্যাখ্যান কৰি শ্বিৰকিৰ পিনে) ফিৰি যায় তেন্তে তোমালোকে কোৱা— "সাক্ষী থাকা, আমি কিন্তু (একেশ্বৰবাদী) মুছলিম।"

**৬৫** হে গ্ৰন্থধাৰিসকল! তোমালোকে কিয় ইব্ৰাহীম (আঃ) সম্বন্ধে বিবাদ কৰা অথচ তওৰাত আৰু ইঞ্জীল তেওঁৰ পিছত ব্যতীত (আগতে) অৱতীৰ্ণ হোৱা নাই? তোমালোকে কি তেনেহ'লে (একোৱেই) নুবুজা (নে বুজিও নুবুজাৰ ভাও ধৰা)?

**৬৬** চোৱা! তোমালোকেই সেইবিলাক যিবিলাকে তৰ্ক-বিতৰ্ক কৰিছা যি বিষয়ত তোমালোকৰ (কিছু) জ্ঞান আছিল, তেন্তে কিয় তোমালোকে বিবাদ কৰিছা যি বিষয়ত তোমালোকৰ একো জ্ঞান নাই? আৰু আল্লাহে (সকলো) জানে, অথচ তোমালোকে (একোৱেই) নাজানা।

**৬৭** ইব্ৰাহীম (আঃ) ইহুদী নাছিল, খ্ৰীষ্টানো নহয়, বৰং তেওঁ আছিল একনিষ্ঠ (আত্মসমৰ্পিত) মুছলিম, আৰু তেওঁ মুশ্বৰিকবিলাকৰ অন্তৰ্ভুক্ত নাছিল।

**৬৮** বাস্তৱতে ইব্ৰাহীম (আঃ)-ৰ নিকটতম লোক আছিল— যিসকলে তেওঁক অনুসৰণ কৰি চলিছিল, আৰু এই নবী (মুহাম্মদ-ছাঃ), আৰু যিসকলে (মুছলিমৰূপে) ঈমান আনিছে। আৰু আল্লাহ বিশ্বাসীসকলৰ ৰক্ষাকাৰী বন্ধু।

**৬৯** গ্ৰন্থপ্ৰাপ্তসকলৰ এদলে বিচাৰে যেন সিহঁতে তোমালোকক বিপথগামী কৰিব পাৰে। আৰু (আচলতে) সিহঁতে নিজৰ বাহিৰে আন কাকোৱেই বিপথে নিব নোৱাৰে; কিন্তু সিহঁতে বুজিব পৰা নাই।

**৭০** হে গ্ৰন্থধাৰিসকল! কিয় তোমালোকে আল্লাহৰ নিৰ্দেশসমূহত অবিশ্বাস পোষণ কৰা, অথচ তোমালোকে (ইয়াৰ সত্যতাৰ) সাক্ষ্য দিছা?

**৭১** হে গ্ৰন্থধাৰিগণ! কিয় তোমালোকে সত্যক মিছাৰ আৱৰণ পিন্ধাই দিছা, আৰু তোমালোকে জানি-শুনিও সত্যক লুকাইছা?

## পৰিচ্ছেদ – ৮

**৭২** আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ এদলে কয়— "যিসকলে ঈমান আনিছে সিহঁতৰ ওচৰত যি নাযিল হৈছে তাত তোমালোকেও বিশ্বাস কৰা দিনৰ আগবেলাত, আৰু তাৰ পিছবেলা (সেইটো) প্ৰত্যাখ্যান কৰা, যাতে সিহঁতেও (অৰ্থাৎ মুছলিমেও ইছলামৰ পৰা যেন) উভতি আহে।

**৭৩** "তদুপৰি যিজনে (তওৰাতত বৰ্ণিত) তোমালোকৰ ধৰ্ম অনুসৰণ কৰে তেওঁৰ বাহিৰে (আনৰ প্ৰতি) ঈমান নানিবা।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "বাস্তৱিকতে (আচল) হেদায়ত হৈছে আল্লাহৰ হেদায়ত; এতেকে তোমালোকক যি (ঐশিক বাণী) দিয়া হৈছিল তাৰ নিচিনা (বাণী) আন এজনকো (অৰ্থাৎ মুহাম্মদ-ছাঃ-কো) দিয়া হৈছে; অথবা এইসকলে (—মুছলিমসকলে) তোমালোকৰ প্ৰভুৰ সন্মুখত তোমালোকৰ সৈতে বিৰ্তক কৰিব পাৰিব।" (তুমি আৰু) কোৱা— "প্ৰকৃততে (নবী মনোনয়নৰ) অনুগ্ৰহ আল্লাহৰ হাতত; তেওঁ সেইটো (উপযুক্ত পাত্ৰত) দান কৰে যাকে তেওঁ পছন্দ কৰে। আৰু আল্লাহ মহাদানশীল, সৰ্বজ্ঞাতা";—

**৭৪** তেওঁৰ কৰুণাবশতঃ (নবীৰূপে) তেওঁ নিৰ্বাচন কৰে যাকে তেওঁ পছন্দ কৰে; আৰু আল্লাহ বিপুল মহিমাৰ অধিকাৰী।

**৭৫** আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ মাজত এনে লোকো আছে যাৰ ওচৰত তুমি যদি এসোপা (ধনসম্পত্তি) আমানত ৰাখা সেইজনে তোমাক সেইখিনি ঘূৰাই দিব; আৰু সিহঁতৰ মাজত এনেও আছে যাৰ ওচৰত যদি তুমি এটি দিনাৰ (বা ফুটা পইচা) জমা ৰাখা সি তোমাক সেইখিনি ঘূৰাই নিদিব, যদিহে তুমি তাৰ ওচৰত (নাছোৰবান্দাভাৱে তাগিদা দি) থিয় দি নাথাকা। এইদৰে (সিহঁতে কৰি থাকে) কিয়নো সিহঁতে কয়— "অক্ষৰজ্ঞানহীন (আৰববাসী) সকলৰ

বিষয়ত আমাৰ কোনো পথ ধৰি চলাৰ দায়িত্ব নাই।" আৰু সিহঁতে আল্লাহ সম্বন্ধে মিথ্যাৰোপ কৰে যদিও সিহঁতে (ভাল কৰিয়েই প্ৰকৃত বিষয়খিনি) জানে।

**৭৬** হয়, যিজনে নিজৰ অংগীকাৰ পালন কৰে আৰু (আল্লাহক) ভক্তি-শ্ৰদ্ধা কৰি চলে, তেতিয়া নিশ্চয় আল্লাহ ধৰ্মভীৰুসকলক ভাল পায়।

**৭৭** নিসন্দেহে যিসকলে আল্লাহৰ অংগীকাৰ আৰু সিহঁতৰ প্ৰতিশ্ৰুতি কম দামত বিক্ৰী কৰি দিয়ে (অৰ্থাৎ সামান্য অজুহাত বা সুবিধা পালেই চুক্তি ভংগ কৰে), সিহঁতে— পৰকালত সিহঁতৰ কাৰণে (স্বৰ্গসুখৰ) কোনো ভাগ নাথাকিব, আৰু আল্লাহে সিহঁতৰ সৈতে কথাও নক'ব, বা সিহঁতৰ পিনে কিয়ামতৰ দিনা (ফিৰিও) নাচাব, আৰু তেওঁ সিহঁতক শুদ্ধও নকৰিব; আৰু সিহঁতৰ নিমিত্তে আছে কঠোৰ শাস্তি।

**৭৮** আৰু নিশ্চয় সিহঁতৰ মাজত এদলে গ্ৰন্থপাঠত সিহঁতৰ জিভাক (বিশেষ পাৰদৰ্শিতাৰ সৈতে) পকাই তোলে যাতে তোমালোকে ভাবিব পাৰা যে সেইটো ধৰ্মগ্ৰন্থৰ পৰাই, অথচ (আচলতে) সেইটো গ্ৰন্থৰ পৰা নহয়। আৰু সিহঁতে কয়— "এইখিনি আল্লাহৰ ওচৰৰ পৰা", যদিও সেইখিনি আল্লাহৰ ওচৰৰ পৰা নহয়। আৰু সিহঁতে আল্লাহ সম্বন্ধে মিছা কথা কয়, যদিও সিহঁতে (নিজৰ জুৱাচুৰি ভাল কৰিয়েই) জানে।

**৭৯** কোনো মানুহৰ ক্ষেত্ৰত এইটো হোৱা নাই যে আল্লাহে তেওঁক ধৰ্মগ্ৰন্থ আৰু নিৰ্দেশনামা আৰু নবুওৱৎ (বা পয়গম্বৰত্ব) দিব, তাৰ পিচত তেওঁ লোকসকলক ক'ব— "তোমালোকে আল্লাহক এৰি মোৰ উপাসনাকাৰী হোৱা"; বৰং (তেওঁ ক'ব—) "তোমালোক ৰব্বানী (অৰ্থাৎ আল্লাহৰ উপাসক আৰু জনগণৰ শিক্ষক) হোৱা, কিয়নো তোমালোকে (গ্ৰন্থ) অনুশীলন কৰি চলিছিলা।"

**৮০** আৰু তেওঁ তোমালোকক আদেশ নকৰিব যে তোমালোকে (আল্লাহৰ সৈতে) ফিৰিশ্বতাসকলক আৰু নবীসকলক প্ৰভুৰূপে গ্ৰহণ কৰিবা। তেওঁ কি তোমালোকক আদেশ কৰিব অবিশ্বাসৰ পিনে, তোমালোক মুছলিম হোৱাৰ পাচতো?

## পৰিচ্ছেদ - ৯

**৮১** আৰু স্মৰণ কৰা! আল্লাহে নবীসকলৰ মাধ্যমে (মানৱগোষ্ঠীৰ ওচৰত) অংগীকাৰ কৰিছিলে— "নিসন্দেহে মই তোমালোকক ধৰ্মগ্ৰন্থ আৰু জ্ঞানভাণ্ডাৰৰ পৰা (প্ৰচুৰ অনুগ্ৰহ) প্ৰদান কৰিছো, তাৰ পিচত তোমালোকৰ ওচৰলৈ এজন ৰছুল আহিব তোমালোকৰ ওচৰত যি (ভৱিষ্যৎবাণী) আছে তাৰ সত্য-সমৰ্থন কৰি; তোমালোকে (তেতিয়া) অৱশ্যে তেওঁৰ প্ৰতি ঈমান আনিবা আৰু নিশ্চয় তেওঁক সাহায্য কৰিবা।" তেওঁ (—আল্লাহে, আৰু) কৈছিলে— "তোমালোকে কি স্বীকাৰ কৰিলা আৰু এই বিষয়ত মোৰ চৰ্ত গ্ৰহণ কৰিলা?" সিহঁতে কৈছিল— "আমি স্বীকাৰ কৰিলো।" তেওঁ ক'লে— "তেন্তে তোমালোকে সাক্ষ্য দিবা আৰু ময়ো (এই অংগীকাৰত) তোমালোকৰ লগত সাক্ষ্যদাতাসকলৰ অন্যতম।"

**৮২** এতেকে যিসকলে ইয়াৰ পাচত (এই অংগীকাৰৰ পৰা) উভতি যায় তেনেহ'লে সিহঁতে নিজেই হৈছে পাপাচাৰী।

**৮৩** সিহঁতে তেন্তে আল্লাহৰ ধৰ্মৰ বাহিৰে অইন কিবা বিচাৰিছেনে? অথচ তেওঁৰ প্ৰতি আত্মসমৰ্পণ কৰিছে যি কোনোবা আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত— নিজ ইচ্ছাই (অনুপ্ৰাণিত হৈ) অথবা (অন্য পথ নাপাই) অনিচ্ছাই; আৰু তেওঁৰ ওচৰতেই সিহঁতক ফিৰাই অনা হ'ব।

**৮৪** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "আমি বিশ্বাস কৰো আল্লাহত আৰু যি আমাৰ ওচৰত অৱতীৰ্ণ হৈছে (অৰ্থাৎ এই কুৰআনত) আৰু যি নাযিল হৈছিল ইব্ৰাহীম (আঃ) আৰু ইছমাইল (আঃ) আৰু ইছহাক (আঃ) আৰু ইয়াকুব (আঃ) আৰু গোত্ৰীয়সকলৰ ওচৰত, আৰু যি দিয়া হৈছিল মূছা (আঃ)-ক আৰু ঈছা (আঃ)-ক আৰু (পৃথিৱীৰ আন) নবীসকলক তেওঁলোকৰ প্ৰভুৰ পৰা। আমি তেওঁলোকৰ কোনো এজনৰ মাজতো পাৰ্থক্য নকৰো; আৰু তেওঁৰেই ওচৰত আমি আত্মসমৰ্পণকাৰী (মুছলিম বুলি ঘোষণা কৰিছো)।"

**৮৫** আৰু যিসকলে ইছলাম (ধৰ্ম) পৰিত্যাগ কৰি অন্য কোনো ধৰ্ম অনুসৰণ কৰে তেনেহ'লে তাৰ পৰা কেতিয়াও সেইটো কবুল কৰা নহ'ব। আৰু আখেৰাতত সি হ'ব ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত।

**৮৬** আল্লাহে কেনেকৈ হেদায়ত কৰিব সেই লোকসকলক যিসকলে (মুহাম্মদ-ছাঃ-ৰ প্ৰতি) অবিশ্বাস পোষণ কৰে (পূৰ্ববৰ্তী নবীসকলৰ প্ৰতি) সিহঁতৰ বিশ্বাস স্থাপনৰ (পাচতো, অথচ সেই নবীসকলে শেষ-নবীৰ আগমন সম্পৰ্কে ভৱিষ্যৎবাণী কৰি গৈছিল), আৰু এই ৰছুল সত্য বুলি সাক্ষী দিয়াৰ (পাচতো), আৰু (মুহাম্মদেই যে সেই প্ৰতিশ্ৰুত ৰছুল এই সম্পৰ্কে) স্পষ্ট প্ৰমাণাৱলী সিহঁতৰ ওচৰলৈ অহাৰ পাচতো? আৰু অন্যায়কাৰী দলক আল্লাহে হেদায়ত নকৰে।

**৮৭** এইবিলাকেই— ইহঁতৰ প্ৰাপ্য এই যে সিহঁতৰ ওপৰত ধিক্কাৰ হওক আল্লাহৰ আৰু ফিৰিশ্বতাসকলৰ আৰু মানুহৰ সন্মিলিতভাৱে,—

**৮৮** ইয়াতেই (অৰ্থাৎ সকলোফালৰ পৰা লাঞ্ছিত বঞ্চিত অৱস্থাত) সিহঁত অৱস্থান কৰিব। সিহঁতৰ ওপৰৰ পৰা (প্ৰাপ্য) যাতনা লাঘৱ কৰা নহ'ব আৰু সিহঁতক (অলপমান) বিৰামো দিয়া নহ'ব,—

**৮৯** সেইসকলৰ বাহিৰে যিসকলে ইয়াৰ পাচত তওবা কৰে আৰু (নিজৰ আচৰণ) সংশোধন কৰে, এতেকে আল্লাহ নিশ্চয়ে (সিহঁতৰ কাৰণে) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৯০** নিসন্দেহে যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ বিশ্বাস স্থাপনৰ পিচতো, তাৰ পাচত অবিশ্বাস বঢ়াই নি থাকে, সিহঁতৰ (বিশ্বাসী হোৱাৰ সময়ত কৰা) তওবা কেতিয়াও কবুল কৰা নহ'ব; আৰু ইহঁত নিজেই হৈছে পথভ্ৰষ্ট।

**৯১** বাস্তৱিকতে যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু মৰি যায় সিহঁত অবিশ্বাসী থকা অৱস্থাতে, তেনেহ'লে সিহঁতৰ কোনো এজনৰ পৰাও পৃথিৱী ভৰা সোণও (প্ৰায়শ্চিত্ত স্বৰূপে) গ্ৰহণ কৰা নহ'ব, যদি সি তাকে দি মুক্তি পাবলৈ বিচাৰে। ইহঁতেই— ইহঁতৰ নিমিত্তে (অপেক্ষা কৰিছে) ব্যথাদায়ক শাস্তি আৰু ইহঁতৰ (পৰিত্ৰাণৰ) নিমিত্তে নাথাকিব কোনো সাহায্যকাৰী।

## ৪ৰ্থ পাৰা

### পৰিচ্ছেদ - ১০

**৯২** তোমালোক কেতিয়াও ধৰ্মনিষ্ঠ হ'ব নোৱাৰিবা যেতিয়ালৈকে নেকি তোমালোকে (ইছলামৰ কাৰণে) ব্যয় কৰা তোমালোকে ভাল পোৱা বস্তুৰ পৰা। আৰু তোমালোকে যি বস্তুকেই (আল্লাহৰ পথত) খৰচ কৰিবা, নিশ্চয় আল্লাহ সেইসম্বন্ধে সৰ্বজ্ঞাতা।

**৯৩** সকলো খাদ্য (যি ইব্ৰাহীম-আঃ-ৰ বাবে বৈধ ৰৈছে সেইটো) বৈধ আছিল ইছ্ৰাইলৰ বংশধৰসকলৰ বাবেও— সেইবিলাকৰ বাহিৰে যিবিলাক তওৰাত অৱতীৰ্ণ হোৱাৰ আগতে ইছ্ৰাইলীসকলে নিজৰ কাৰণে নিষিদ্ধ কৰিছিল। (হে মুহাম্মদ-ছাঃ! তুমি সিহঁতক) কোৱা— "তেনেহ'লে তওৰাত লৈ আহা আৰু সেইখন পঢ়া (ক'তনো সেইবোৰ খাদ্যত নিষেধাজ্ঞা ৰৈছে), যদি (তোমালোকৰ দাবী সম্পৰ্কে) তোমালোক সত্যবাদী হোৱা।"

**৯৪** এতেকে যিজনে ইয়াৰ পাচত আল্লাহৰ বিৰুদ্ধে মিথ্যাৰোপ কৰে (আৰু বৈধ খাদ্যত নিষেধাজ্ঞা জাৰি কৰে) তেনেহ'লে সিবিলাক নিজেই হৈছে অন্যায়কাৰী।

**৯৫** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "আল্লাহে সত্যকথা কয়, কাজেই ঋজুস্বভাৱ ইব্ৰাহীম (আঃ)-ৰ ধৰ্ম (ইছলাম) অনুসৰণ কৰা। আৰু তেওঁ বহুখোদাবাদীবিলাকৰ অন্তৰ্ভুক্ত নাছিলে।"

**৯৬** নিসন্দেহে মানৱজাতিৰ নিমিত্তে (আল্লাহৰ উপাসনাৰ) প্ৰথম যি উপাসনালয় প্ৰতিষ্ঠিত হৈছিল সেইটো হৈছে বাক্কাত (বা মক্কাতে অৱস্থিত কা'বা গৃহ),— অশেষ কল্যাণময় (সৰ্বপ্ৰাচীন উপাসনালয়); আৰু সকলো মানৱ গোষ্ঠীৰ নিমিত্তে পথপ্ৰদৰ্শক।

**৯৭** ইয়াত আছে (তিনিটা) সুস্পষ্ট নিদৰ্শনাৱলীঃ *(১)* মকামে ইব্ৰাহীম (বা ইব্ৰাহীম-আঃ-ৰ অৱস্থানস্থল, যি ঠাইত মূৰ্তিপূজাৰ পংকিলতা কেতিয়াও প্ৰৱেশ নকৰিব); আৰু *(২)* যি কোনোবা ইয়াত প্ৰৱেশ কৰিব সেইজন হৈছে নিৰাপদ (কাৰণ কোনো শত্ৰুৱে ইয়াক ধ্বংস কৰিব নোৱাৰিব)। আৰু *(৩)* আল্লাহৰ উদ্দেশ্যে এই গৃহত হজ কৰা মানৱগোষ্ঠীৰ কাৰণে আৱশ্যিক— যাৰেই সেই ঠাইৰ পাথেয় অৰ্জনৰ ক্ষমতা আছে (আৰু প্ৰতি বছৰত হজ পালনৰ এই প্ৰথাক কোনেও বন্ধ কৰিব নোৱাৰিব)। আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে— তেনেহ'লে (সিহঁতে জানি থওক যে) নিশ্চয় আল্লাহ সমস্ত সৃষ্টজগতৰ পৰা স্বয়ং-সমৃদ্ধ (গতিকে মক্কা সম্পৰ্কে এই ভৱিষৎবাণী অচিৰেই ফলিব ধৰিছে)।

**৯৮** তুমি কোৱা— "হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! কিয় তোমালোকে আল্লাহৰ নিৰ্দেশাৱলীত অবিশ্বাস পোষণ কৰা, অথচ আল্লাহ সাক্ষী ৰৈছে তোমালোকে যি কৰা তাৰ?"

**৯৯** তুমি কোৱা— "হে গ্ৰন্থপ্ৰাপ্তসকল! কিয় তোমালোকে আল্লাহৰ পথৰ পৰা প্ৰতিৰোধ কৰা (অৰ্থাৎ সৎপথত চলাত বাধা দিয়া) সেইসকলক যিসকলে ঈমান আনিছে; তোমালোকে তাৰ (অৰ্থাৎ সেই পথৰ) বক্ৰতা বিচাৰা, অথচ তোমালোক (আল্লাহৰ নিৰ্দেশাৱলীৰ) সাক্ষী ৰৈছা?" আৰু আল্লাহ নজনা নহয় তোমালোকে যি কৰা সেইসম্বন্ধে।

**১০০** হেৰা যিসকলে ঈমান আনিছা! যিসকলক কিতাপ দিয়া হৈছে সিহঁতৰ কোনো এদলক যদি তোমালোকে অনুসৰণ কৰা, তেনেহ'লে সিহঁতে তোমালোকক ফিৰাই নিব অবিশ্বাসীবিলাকৰ দললৈ।

**১০১** কিন্তু কেনেকৈ তোমালোকে অবিশ্বাস পোষণ কৰিব পাৰা যেতিয়া তোমালোকৰেই ওচৰত আল্লাহৰ বাণীসমূহ পাঠ কৰা হৈছে, আৰু তোমালোকৰ ওচৰত আছে তেওঁৰেই ৰছুল (মুহাম্মদ-ছাঃ)? আৰু যিজনে আল্লাহকে দৃঢ়ভাৱে ধৰি থাকে, নিসন্দেহে সেইজন তেনেহ'লে চালিত হৈছে সঠিক পথত।

### পৰিচ্ছেদ - ১১

**১০২** হেৰা যিসকলে ঈমান আনিছা! আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যেনেদৰে তেওঁক ভয়-ভক্তি কৰা উচিত, আৰু তোমালোকে প্ৰাণত্যাগ নকৰিবা আত্মসমৰ্পিত (মুছলিম) নোহোৱাকৈ।

**১০৩** আৰু তোমালোক সকলোৱে একেলগে আল্লাহৰ ৰচি (অৰ্থাৎ কুৰআনৰ মাধ্যমত গঢ়া ইছলামৰ ভ্ৰাতৃবন্ধন) দৃঢ়ভাৱে সাৱটি ধৰা, আৰু বিচ্ছিন্ন নহ'বা; আৰু স্মৰণ কৰা তোমালোকৰ ওপৰত আল্লাহৰ অনুগ্ৰহ, যেনে— তোমালোক আছিলা পৰস্পৰে শত্ৰু, তাৰ পাচত (ইছলামৰ জৰিয়তে) তেওঁ তোমালোকৰ হৃদয়ত সম্প্ৰীতি ঘটালে, এতেকে এজনে আনজনৰ সৈতে তেওঁৰ অনুগ্ৰহত তোমালোক হ'লা ভাই-ককাই। আৰু তোমালোক আছিলা এক অগ্নিকুণ্ডৰ কাষত (আৰু সেই ৰণাঙ্গনৰ জুইত তোমালোক জপিয়াই পৰিছিলা), তাৰ পিচত তেওঁ (ইছলামৰ শান্তিৰ বাৰ্তা দি) তোমালোকক তাৰ পৰা বচালে। এইদৰে আল্লাহে তোমালোকৰ আগত তেওঁৰ নিৰ্দেশাৱলী সুস্পষ্ট কৰে যাতে তোমালোকে সৎপথ লাভ কৰিব পাৰা।

**১০৪** আৰু তোমালোকৰ মাজত এনে এটি দল থকা আৱশ্যক যিসকলে আহ্বান কৰিব কল্যাণৰ (অৰ্থাৎ কুৰআনৰ) প্ৰতি, আৰু নিৰ্দেশ দিব ন্যায় পথৰ, আৰু নিষেধ কৰিব অন্যায়ৰ পৰা। আৰু এইসকল নিজেই হৈছে (ইহকাল আৰু পৰকালত) সফলকাম।

**১০৫** আৰু সিহঁতৰ নিচিনা নহ'বা যিবিলাক বিচ্ছিন্ন হৈছিল আৰু মতবিৰোধ কৰিছিল সিহঁতৰ ওচৰত সুস্পষ্ট নিৰ্দেশাৱলী অহাৰ পাচতো। আৰু এইবিলাক— ইহঁতৰ কাৰণে আছে কঠোৰ যন্ত্ৰণা—

**১০৬** সেইদিনা কিছুমান চেহেৰা হ'ব ঝকমকীয়া আৰু কিছুমান চেহেৰা হ'ব কিচ্‌কিচীয়া; তাৰ পাচত যিবিলাকৰ চেহেৰা ক'লা হ'ব সিহঁতৰ ক্ষেত্ৰত (কোৱা হ'ব)— "তোমালোকে অবিশ্বাস পোষণ কৰিছিলানে তোমালোকৰ ঈমান অনাৰ পাচত? এতেকে (নৰক) যন্ত্ৰণাৰ সোৱাদ গ্ৰহণ কৰা যিহেতু তোমালোকে অবিশ্বাস পোষণ কৰিছিলা।"

**১০৭** আৰু যিসকলৰ চেহেৰা ঝকমকীয়া হ'ব তেনে ক্ষেত্ৰত তেওঁলোক থাকিব আল্লাহৰ কৰুণাসিন্ধুত; ইয়াতে তেওঁলোক থাকিব চিৰকাল।

**১০৮** (হে মুহাম্মদ-ছাঃ!) এইবিলাক হৈছে আল্লাহৰ নিৰ্দেশাৱলী যি আমি তোমাৰ ওচৰত পাঠ কৰিছো সত্যৰ সৈতে। আৰু আল্লাহে কোনো প্ৰাণীৰ প্ৰতি অবিচাৰ নিবিচাৰে।

**১০৯** আৰু যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিবা আছে পৃথিৱীত সেইসকলো আল্লাহৰেই। আৰু আল্লাহৰ কাষলৈকে সকলো বিষয় ফিৰাই নিয়া হ'ব।

## পৰিচ্ছেদ - ১২

**১১০** তোমালোকে (—আৰববাসী মুছলিমসকলে) মানৱ সমাজৰ নিমিত্তে এক শ্ৰেষ্ঠ সমাজৰূপে উত্থিত হৈছা— তোমালোকে (মানুহক) ন্যায়ৰ পথৰ নিৰ্দেশ দিয়া আৰু অন্যায়ৰ পৰা নিষেধ কৰা, আৰু আল্লাহত বিশ্বাস ৰাখা। আৰু গ্ৰন্থপ্ৰাপ্তসকলেও যদি (তোমালোকৰ দৰে) ঈমান আনিলেহেঁতেন তেন্তে সিহঁতৰ কাৰণে (কিমান যে) ভাল হ'লহেঁতেন। সিহঁতৰ মাজৰ কোনো কোনো বিশ্বাসী, কিন্তু সিহঁতৰ সৰহভাগেই দুষ্টলোক।

**১১১** সিহঁতে (অৰ্থাৎ ইহুদীসকলে) কেতিয়াও তোমালোকৰ ক্ষতি কৰিব নোৱাৰিব কিঞ্চিৎ জ্বালাতন ব্যতীত; আৰু যদি সিহঁতে তোমালোকৰ সৈতে যুদ্ধ পাতে তেন্তে (তোমালোকেও যুদ্ধত নামিলে) সিহঁতে তোমালোকৰ পিনে পিঠি ঘূৰাব (অৰ্থাৎ পলায়ন কৰিব), তেতিয়া সিহঁতক সাহায্য কৰা নহ'ব।

**১১২** (সিহঁতৰ পৰৱৰ্তী ইতিহাস হৈছে—) সিহঁতৰ ওপৰত লাঞ্ছনাই হান্ মাৰিব সিহঁত য'তেই নাথাকক লাগে, যদিনা আল্লাহৰ পৰা অহা ৰচিৰ দ্বাৰা (ইছলামক সাবটি ধৰে) বা মানুহৰ পৰা পোৱা ৰচিত; আৰু সিহঁতে আল্লাহৰ ৰোষ অৰ্জন কৰিছে, আৰু সিহঁতৰ ওপৰত দুৰ্দশাই হান্ মাৰিব। সেইটো হৈছে— কিয়নো সিহঁতে আল্লাহৰ নিৰ্দেশাৱলী অমান্য কৰি চলিছিল আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিব গৈছিল। তেনেই হয় কিয়নো সিহঁত অবাধ্য হৈছিল আৰু সিহঁতে সীমা লঙঘন কৰিছিল।

**১১৩** সিহঁত (—ইহুদীবিলাক) সকলোৱেই একে ধৰনৰ নহয়। গ্ৰন্থপ্ৰাপ্তসকলৰ মাজৰ এদল আছে নিষ্ঠাবান, তেওঁলোকে আল্লাহৰ নিৰ্দেশাৱলী ৰাতিৰ ভাগত (একাগ্ৰতাৰে) পাঠ কৰে, আৰু তেওঁলোকে (আল্লাহৰ প্ৰতি নিজক উৎসৰ্গ কৰি) ছিজ্‌দা কৰে।

**১১৪** তেওঁলোকে (মুছলিমৰ দৰে) আল্লাহৰ প্ৰতি আৰু আখেৰাতৰ দিনৰ প্ৰতি বিশ্বাস কৰে, আৰু তেওঁলোকে (লোকক) ন্যায় পথৰ নিৰ্দেশ দিয়ে আৰু অন্যায়ৰ পৰা নিষেধ কৰে, আৰু তেওঁলোকে শুভকামত পৰস্পৰৰ মাজত প্ৰতিযোগিতা কৰে; আৰু এওঁলোকেই সৎকৰ্মীসকলৰ অন্তৰ্ভুক্ত।

**১১৫** আৰু তেওঁলোকে ভাল কামৰ যিকিবা কৰে তাৰ (প্ৰাপ্য পুৰস্কাৰ) সম্বন্ধে তেওঁলোকক কেতিয়াও অস্বীকাৰ কৰা নহ'ব। আৰু আল্লাহ ধৰ্মপৰায়ণসকলৰ সম্বন্ধে সৰ্বজ্ঞাতা।

**১১৬** নিসন্দেহে যিসকলে অবিশ্বাস পোষণ কৰে, সিহঁতৰ ধন-সম্পত্তি আৰু সিহঁতৰ সন্তান-সন্ততি আল্লাহৰ বিৰুদ্ধে (অৰ্থাৎ ইছলাম আৰু মুছলিমৰ বিৰুদ্ধে) কোনোভাৱেই সিহঁতক কেতিয়াও লাভবান নকৰিব। আৰু সিহঁতেই হৈছে (দুযখৰ) জুইৰ অধিবাসী, সিহঁত তাতেই থাকিব দীৰ্ঘকাল।

**১১৭** দুনিয়াৰ এই জীৱনত সিহঁতে (ইছলাম নিৰ্মূল কৰাৰ উদ্দেশ্যে) যি খৰচ কৰে তাৰ দৃষ্টান্ত হৈছে বতাহৰ দৃষ্টান্তৰ দৰে য'ত ৰৈছে কঁপনি ধৰা জাৰ, ই (চেঁচা বতাহে) ধাক্কা দিলে সেই লোকবিলাকৰ ফচলত যিবিলাকে নিজৰ প্ৰতিয়েই অন্যায় কৰিছে, গতিকে ই ধ্বংস কৰি দিলে তাক (—সেই ফচলক)। আৰু আল্লাহে সিহঁতৰ প্ৰতি অন্যায় কৰা নাই, বৰঞ্চ সিহঁতে সিহঁতৰ নিজৰে প্ৰতি অন্যায় কৰিছে।

**১১৮** হেৰা যিসকলে ঈমান আনিছা! (সঙ্কটকালত তোমালোকৰ নিৰাপত্তাৰ কাৰণে) তোমালোকৰ নিজৰ লোকৰ বাহিৰে আন কাকো অন্তৰংগৰূপে গ্ৰহণ নকৰিবা; সিহঁতে অনিষ্ট সাধন কৰোঁতে তোমালোকৰ পৰা পাশ্চাৎপদ নহয়। তোমালোকক যিয়ে ক্লেশ দিয়ে সিহঁতে তাক ভাল পায়, সিহঁতৰ মুখৰ পৰা ঘোৰ বিদ্বেষ ইতিমধ্যে নিৰ্গত হৈছে। আৰু সিহঁতৰ অন্তৰত যি (বিদ্বেষ) লুকুৱা আছে সেইটো আৰু গুৰুতৰ। তোমালোকৰ কাৰণে (আমাৰ) নিৰ্দেশাৱলী সুস্পষ্ট কৰিলো, যদি তোমালোকে বুজিব পাৰা।

**১১৯** তোমালোকেই হয়! তোমালোকে সিহঁতকে ভাল পোৱা, অথচ সিহঁতে তোমালোকক ভাল নাপায়; তোমালোকে কিন্তু ধৰ্মগ্ৰন্থত বিশ্বাস কৰা, তাৰ আটাইবিলাকতে। আৰু যেতিয়া সিহঁতে তোমালোকৰ সৈতে দেখা কৰে সিহঁতে কয়— "আমি ঈমান আনিছো"; আৰু যেতিয়া সিহঁত (নিজৰ মাজতে) নিৰিবিলি হয়, তোমালোকৰ প্ৰতি আক্ৰোশত সিহঁতে আঙুলি কামোৰে। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "তোমালোক আক্ৰোশত মৰি যোৱা। দৰাচলতে (তোমালোকৰ) বুকুৰ মাজত কি আছে সেই সম্বন্ধে আল্লাহ সৰ্বজ্ঞাতা।"

**১২০** যদি শুভ কিবা তোমালোকৰ প্ৰতি ঘটে তেন্তে সেইটোৱে সিহঁতক দুখ দিয়ে, আৰু যদি বেয়া কিবাই তোমালোকক ধৰে তেন্তে তাত সিহঁত

হয় পৰম আনন্দিত। আৰু যদি তোমালোকে ধৈৰ্য ধাৰণ কৰা আৰু ধৰ্মপৰায়ণতা অৱলম্বন কৰা তেন্তে সিহঁতৰ ষড়যন্ত্ৰই তোমালোকৰ অকণমানো ক্ষতি নকৰিব। সিহঁতে যি কৰিছে তাক আল্লাহে নিশ্চয় ঘেৰাও কৰি লৈছে।

## পৰিচ্ছেদ – ১৩

**১২১** আৰু স্মৰণ কৰা (হে মুহাম্মদ-ছাঃ)! তুমি পুৱাই তোমাৰ পৰিয়ালৰ পৰা (বিদায় লৈ উহুদৰ পিনে) যাত্ৰা কৰিলা যুদ্ধৰ বাবে বিশ্বাসীসকলৰ অৱস্থান নিৰ্ধাৰণ কৰিবলৈ (যাতে তোমালোকে মক্কাৰ পৰা আগত কুৰাইশ্ব বাহিনীৰ সন্মুখীন হ’ব পাৰা)। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১২২** স্মৰণ কৰা! তোমালোকৰ মাজত দুটা দলে ভীৰুতা দেখুওৱাৰ মনস্থ কৰিছিল, আৰু আল্লাহ আছিল সিহঁতৰ উভয়ৰে অভিভাৱক। আৰু আল্লাহৰ ওপৰতেই তেনেহ’লে বিশ্বাসীসকলে নিৰ্ভৰ কৰক।

**১২৩** আৰু আল্লাহে ইতিপূৰ্বে তোমালোকক সাহায্য কৰিছিলে (আৰু বিজয় দান কৰিছিলে) বদৰত, যেতিয়া তোমালোক আছিলা দুৰ্দশাগ্ৰস্ত; এতেকে আল্লাহৰ প্ৰতি ভয়-শ্ৰদ্ধা কৰা যাতে তোমালোকে (এইবাৰো পৰাক্ৰম দেখুৱাই তেওঁক) ধন্যবাদ দিব পাৰা।

**১২৪** স্মৰণ কৰা! তুমি বিশ্বাসীসকলক কৈছিলা— “এইটো কি তোমালোকৰ কাৰণে যথেষ্ট নহয় যে তোমালোকৰ প্ৰভুৱে তোমালোকক সাহায্য কৰক নামি অহা ফিৰিশ্বতাসকলৰ তিনি হাজাৰ (বাহিনী) দি?

**১২৫** “যথাৰ্থ! যদি তোমালোকে ধৈৰ্য ধাৰণ কৰা আৰু ধৰ্মপৰায়ণতা অৱলম্বন কৰা, আৰু সিহঁত (—শত্ৰুবিলাক, পাঁচ হাজাৰ সৈন্য লৈ) তোমালোকৰ ওপৰত জপিয়াই পৰে প্ৰৱলবেগে (অথচ তোমালোকৰ সংখ্যা আছিল চৈধ্যশ);— তোমালোকৰ প্ৰভুৱে তোমালোকক সাহায্য কৰিছিলে প্ৰচণ্ড আঘাতকাৰী পাঁচ হাজাৰ ফিৰিশ্বতাক দি।”

**১২৬** আৰু আল্লাহে এইটো নকৰে তোমালোকৰ কাৰণে সুসংবাদৰ ব্যতিৰেকে (অৰ্থাৎ তোমালোকক বিজয়দান কৰিছিলে তেওঁৰ কৰুণা তথা শুভাশীষৰূপে); আৰু যাতে তোমালোকৰ হৃদয়ে ইয়াৰ দ্বাৰা সান্ত্বনা পায়। আৰু সাহায্য কেৱল মহাশক্তিশালী, পৰম জ্ঞানী আল্লাহৰ দৰবাৰত বাহিৰে আন ক’ৰো পৰা নাহে,—

**১২৭** যেন যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ এদলক তেওঁ ধ্বংস কৰিব পাৰে, অথবা সিহঁতক পৰাভূত কৰিব পাৰে, যাতে সিহঁতে বিফল মনোৰথ হৈ ফিৰি যায়।

**১২৮** (হে মুহাম্মদ-ছাঃ!) এই বিষয়ত তোমাৰ অকণো কোনো সংস্ৰৱ নাই যে তেওঁ সিহঁতৰ প্ৰতি (সদয়ভাৱে) ফিৰিব, অথবা সিহঁতক শাস্তি দিব, যদিও সিহঁত প্ৰকৃততে অন্যায়কাৰী।

**১২৯** আৰু মহাকাশমণ্ডলত যিকিছু আছে আৰু যিকিবা আছে পৃথিৱীত সেইসকলো আল্লাহৰেই। (সৎপথত চলাৰ কাৰণে) তেওঁ যাকে ইচ্ছা কৰিব (পদস্খলনৰ পৰা) পৰিত্ৰাণ কৰিব আৰু (কুপথগামী হোৱাৰ কাৰণে) যাকে ইচ্ছা কৰিব শাস্তিও দিব। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ – ১৪

**১৩০** হেৰা যিসকলে ঈমান আনিছা! সুত নাখাবা (মূলধনক) দ্বিগুণ কৰি, বহুগুণিত কৰি; আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যাতে তোমালোক সফলকাম হ’ব পাৰা।

**১৩১** আৰু সতৰ্কতা অৱলম্বন কৰা সেই জুইসম্বন্ধে যাক তৈয়াৰী কৰা হৈছে অবিশ্বাসীবিলাকৰ কাৰণে।

**১৩২** আৰু আল্লাহ আৰু ৰছুলৰ প্ৰতি অনুগত হোৱা, যাতে তোমালোকক (বিজয় দানৰ দ্বাৰা) কৰুণা দেখুওৱা হয়।

**১৩৩** আৰু (আল্লাহ আৰু ৰছুলৰ প্ৰতি আনুগত্য দেখুওৱাই) তৎপৰ হোৱা তোমালোকৰ প্ৰভুৰ পৰা পৰিত্ৰাণ লাভৰ কাৰণে; আৰু স্বৰ্গোদ্যানৰ কাৰণে যাৰ বিস্তাৰ হৈছে মহাকাশমণ্ডল আৰু পৃথিৱী জুৰি— (যি ঠাঁই) তৈয়াৰ হৈছে ধৰ্মপৰায়ণসকলৰ নিমিত্তে—

**১৩৪** যিসকলে (নিজৰ ধন-দৌলত আল্লাহৰ পথত) খৰচ কৰে প্ৰাচুৰ্যৰ সময়ত আৰু অনাটনৰ বেলিকা, আৰু যিসকল ক্ৰোধ সম্বৰণকাৰী আৰু যিসকল মানুহৰ প্ৰতি ক্ষমাশীল। আৰু আল্লাহে সৎকৰ্মীসকলক ভাল পায়;

**১৩৫** আৰু যিবিলাকে, যেতিয়া কোনো গৰ্হিত কাম কৰে বা নিজৰ প্ৰতি অন্যায় কৰে, তেতিয়া আল্লাহকে স্মৰণ কৰে আৰু নিজৰ অপৰাধৰ কাৰণে পৰিত্ৰাণ বিচাৰে; বস্তুতঃ আল্লাহৰ বাহিৰে আন কোনে অপৰাধ ক্ষমা কৰে? আৰু সিবিলাকে (আগতে) যি (কুকৰ্ম) কৰিছিল তাতে জানি-শুনি খামোচ মাৰি ধৰি নাথাকে।

**১৩৬** এওঁলোক! এইসকলৰ পুৰস্কাৰ হৈছে এওঁলোকৰ প্ৰভুৰ পৰা পৰিত্ৰাণ আৰু স্বৰ্গোদ্যানসমূহ যিবিলাকৰ তলেদি বৈ গৈছে নিজৰাবোৰ, তাতেই তেওঁলোক থাকিব স্থায়ীভাৱে। আৰু (সৎপথৰ) কৰ্মীসকলৰ পুৰস্কাৰ কি চমৎকাৰ!

**১৩৭** নিশ্চয় তোমালোকৰ আগেয়ে বহু জীৱনধাৰা গত হৈ গৈছে। এতেকে পৃথিৱীত ভ্ৰমণ কৰা আৰু চোৱা কেনে হৈছিল মিথ্যাৰোপকাৰীবিলাকৰ পৰিণাম।

**১৩৮** এই (কুৰআন) হৈছে মানৱজাতিৰ কাৰণে সুস্পষ্ট ঘোষণা আৰু পথনির্দেশ আৰু উপদেশ— ধর্মপৰায়ণসকলৰ নিমিত্তে।

**১৩৯** এতেকে দুর্বলচিত্ত নহ’বা আৰু অনুশোচনা নকৰিবা, কাৰণ তোমালোকেই হ’বা উচ্চপদস্থ (আৰু বিজেতা) যদি তোমালোক বিশ্বাসী হোৱা।

**১৪০** (উহুদৰ যুদ্ধত) যদি কোনো আঘাতে তোমালোকক পীড়া দি থাকে তেন্তে তাৰ সমান আঘাতে পীড়া দিছে (অবিশ্বাসী) দলটোকো। আৰু এই (ভাগ্য-বিপর্যয়ৰ) দিনবিলাকেই আমি মানুহৰ ওচৰলৈ পর্যায়ক্রমে আনি থাকো— যাতে আল্লাহে নির্ধাৰণ কৰিব পাৰে যিসকলে ঈমান আনিছে সেইসকলক, আৰু যাতে তোমালোকৰ মাজৰ পৰা (কোনে ধৈর্য ধৰি আগবাঢ়ি আহে তাকে) সাক্ষী মনোনীত কৰিব পাৰে। আৰু আল্লাহে অন্যায়কাৰীবিলাকক ভাল নাপায়,—

**১৪১** আৰু যাতে আল্লাহে (কপটাচাৰীবিলাকৰ পৰা) বিমুক্ত কৰিব পাৰে যিসকলে ঈমান আনিছে তেওঁলোকক, আৰু নিষ্ফল কৰিব পাৰে অবিশ্বাসীবিলাকক।

**১৪২** তোমালোকে বিবেচনা কৰিছানে যে তোমালোকে বেহেশ্বতত প্রৱেশ কৰিবা, অথচ আল্লাহে এতিয়াও নির্ণয় কৰা নাই তোমালোকৰ মাজৰ যিসকলে (সত্যৰ কাৰণে) সংগ্রাম কৰিছা, আৰু নির্ধাৰণ কৰা নাই ধৈর্যশীল সকলক?

**১৪৩** আৰু দৰাচলতে তোমালোকে বিচাৰিছিলা (শত্রুক সম্পূর্ণ ধ্বংস নকৰালৈকে যুঁজি যুঁজি) মৃত্যুবৰণ কৰিবলৈ — তাৰ সৈতে (অর্থাৎ সেই জীৱন-মৰণ সংগ্রামৰ সৈতে) দেখা হোৱাৰ আগতে, এতিয়া কিন্তু তোমালোকে তাক দেখিছা আৰু তোমালোকে দেখি থাকা।

## পৰিচ্ছেদ - ১৫

**১৪৪** আৰু মুহাম্মদ (ছাঃ) (উহুদৰ যুদ্ধত আহত হৈ পৰি যোৱা মুহূর্ততে জনৰৱ উঠিছিল যে তেওঁ নিহত হৈছে, কিন্তু দৰাচলতে তেওঁ) এজন ৰছুল ব্যতীত আন কোনো নহয়; তেওঁৰ আগৰ সকলো ৰছুল ইতিপূর্বে গত হৈ গৈছে। এতেকে (তেওঁলোকৰ দৰে) এওঁ যদি (স্বাভাৱিকভাৱে) মৰা পৰে অথবা এখেতক হত্যা কৰা হয় তেনেহ’লে তোমালোকে তোমালোকৰ গোৰোৱাৰ ওপৰত হোঁহকি যাবানে? আৰু যি তাৰ গোৰোৱাৰ ওপৰত হোঁহকি যায় (আৰু ইছলামৰ ৰচি চিঙি বিচ্ছিন্ন হৈ যায়) সি কিন্তু আল্লাহৰ অকণমানো অনিষ্ট কৰিব নোৱাৰে। আৰু আল্লাহে অচিৰেই পুৰস্কাৰ দিব (তেওঁৰ প্রতি) কৃতজ্ঞসকলক।

**১৪৫** আৰু কোনো লোকৰ পক্ষেই তাৰ মৰি যোৱা সম্ভৱ নহয় আল্লাহৰ অনুমতি বিহনে—লিপিৱদ্ধ থকা নির্ধাৰিত সময় অনুসৰি (আৰু মুহাম্মদ-ছাঃ-ৰ সেই অন্তিম সময় এতিয়াও অহা নাই)। আৰু যি কোনোবাই ইহজীৱনৰ পুৰস্কাৰ কামনা কৰে আমি তাক তাৰ (প্রাপ্য পুৰস্কাৰৰ) পৰা আদায় কৰো; আৰু যিজনে বিচাৰে পৰলোকৰ পুৰস্কাৰ আমি তাকো তাৰ পৰা প্রদান কৰো। আৰু আমি অচিৰেই পুৰস্কৃত কৰিম কৃতজ্ঞসকলক।

**১৪৬** আৰু (মুহাম্মদ-ছাঃ-ৰ দৰে) কিমান নবীয়ে (আল্লাহৰ পথত) যুদ্ধ কৰিছে; তেওঁলোকৰ লগত আছিল প্রভুৰ অনুগত বহুলোক, আৰু আল্লাহৰ পথত তেওঁলোকৰ ওপৰত যি (দুর্যোগ) বর্তিছিল তাৰ কাৰণে তেওঁলোক অৱসাদগ্রস্ত হোৱা নাই, আৰু তেওঁলোক দুর্বলো হোৱা নাই, আৰু তেওঁলোকে (শত্রুৰ ওচৰত আত্মসমর্পণ কৰি) নিজকে হীন কৰা নাই। আৰু আল্লাহে ভাল পায় ধৈর্যশীলসকলক।

**১৪৭** আৰু তেওঁলোকৰ বক্তব্য ইয়াকে কোৱাৰ বাহিৰে একোৱেই নাছিল— “আমাৰ প্রভু! ক্ষমা কৰা আমাৰ সকলো অপৰাধ, আৰু কাম-কাজত আমাৰ সকলো অমিতাচাৰ, আৰু দৃঢ়কৰা আমাৰ পদক্ষেপ, আৰু আমাক সাহায্য কৰা অবিশ্বাসী লোকদলৰ বিৰুদ্ধে।”

**১৪৮** কাজেই আল্লাহে তেওঁলোকক দিছিল (যুদ্ধক্ষেত্রত প্রাপ্ত) ইহজীৱনৰ পুৰস্কাৰ আৰু পৰলোকৰ পুৰস্কাৰ অধিক চমৎকাৰ। আৰু আল্লাহে ভাল পায় সৎকর্মীসকলক।

## পৰিচ্ছেদ - ১৬

**১৪৯** হেৰা যিসকলে ঈমান আনিছা! যিবিলাকে অবিশ্বাস পোষণ কৰে (আৰু তোমালোকক সিহঁতৰ দললৈ টানিব বিচাৰে) তোমালোক যদি সিহঁতৰ অনুগত হোৱা তেন্তে সিহঁতে তোমালোকৰ গেৰোৱাৰ ওপৰত তোমালোকক হোঁহোঁকাই নিব, ফলত তোমালোকে ক্ষতিগ্রস্ত হৈ ওভতিবা।

**১৫০** নহয়, আল্লাহ তোমালোকৰ ৰক্ষাকাৰী বন্ধু, আৰু তেওঁ সাহায্যকাৰীসকলৰ মাজত সর্বোত্তম।

**১৫১** যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ অন্তৰত আমি অচিৰেই ভীতি সঞ্চাৰ কৰিম (ফলত উহুদৰ পৰা সিহঁতে মক্কালৈ ওভতি যোৱাই নিৰাপদ ভাবিলে), কিয়নো সিহঁতে আল্লাহৰ সৈতে (দেৱ-দেৱীক) অংশী কৰিছিল, যাৰ বাবে তেওঁ কোনো সংবিধান অৱতাৰণ কৰা নাই; ফলত সিহঁতৰ বাসস্থান হৈছে (দুযখৰ) জুই, আৰু অন্যায়কাৰীবিলাকৰ আবাসস্থল বেয়া হয়েই।

**১৫২** আৰু নিসন্দেহে আল্লাহে ইতিপূর্বে তোমালোকৰ ওচৰত তেওঁৰ অঙ্গীকাৰ পালন কৰিছিলে যেতিয়া তোমালোকে তেওঁৰ ইচ্ছাত (উহুদৰ যুদ্ধক্ষেত্রত) সিহঁতক বিধ্বংস কৰিছিলা, যেতিয়ালৈকে নেকি তোমালোকে বিচলিত হৈ পৰিলা, আৰু তোমালোকে (যুদ্ধজয় হৈ গৈছে ভাবি বিশেষ সুবিধাস্থান ত্যাগ নকৰাৰ) আদেশৰ বিৰোধ কৰিলা আৰু অবাধ্য হ’লা যি (যুদ্ধ জয়) তোমালোকে ভাল পোৱা তাক তোমালোকক দেখুওৱাৰ পিচতো। তোমালোকৰ মাজত কোনোবা আছিল যিয়ে এই দুনিয়া বিচাৰিছিল, আৰু তোমালোকৰ মাজত কোনোবা আছিল যিয়ে পৰকাল বিচাৰিছিল (আৰু নিজ স্থানত অৱস্থান কৰি ৰৈছিল); তাৰ পিছত তেওঁ তোমালোকক তাৰ পৰা (—শত্রুৰ পৰা) পলায়নৰত কৰিলে যাতে তেওঁ তোমালোকক শাসন কৰিব পাৰে। আৰু তেওঁ অৱশ্যে তোমালোকৰ অপৰাধ মার্জনা কৰিলে। আৰু আল্লাহ বিশ্বাসীসকলৰ প্রতি অশেষ কৃপাময়।

**১৫৩** স্মৰণ কৰা! তোমালোকে (লৰালৰি কৈ পাহাৰৰ) ওপৰলৈ উঠিছিলা আৰু কাৰো ফালে ভ্ৰূক্ষেপ কৰা নাছিলা, অথচ ৰছুলে তোমালোকৰ পিছৰ পৰা তোমালোকক মাতিছিলে (শত্ৰুৰ সৈতে যুঁজিবৰ কাৰণে); গতিকে তেওঁ (—আল্লাহে) তোমালোকক বিষাদৰ ওপৰতে বিষাদ আনি দিলে, যাতে তোমালোকে অনুশোচনা নকৰা (শত্ৰুৱে পেলাই যোৱা মালপত্ৰ সংগ্ৰহ কৰাৰ সুযোগ) যিটো তোমালোকৰ পৰা আঁতৰি গৈছে, আৰু (ক্ষয়ক্ষতি) যি তোমালোকৰ ওপৰত বৰ্তিছে তাৰ কাৰণেও নহয়, আৰু তোমালোকে যি কৰা সেইসম্বন্ধে আল্লাহ খবৰ ৰাখোঁতা।

**১৫৪** তাৰ পিছত বিষাদৰ পাচত তেওঁ তোমালোকৰ ওপৰত বৰ্ষণ কৰিলে নিৰাপত্তা, তোমালোকৰ এদলৰ ওপৰত নামি আহিল প্ৰশান্তি, আৰু অন্য এক (মুনাফিক) দলৰ নিজৰেই মন সিহঁতক উৎকণ্ঠিত কৰিছিল,— সিহঁতে আল্লাহৰ (পৰা অহা সাহায্য) সম্বন্ধে অজ্ঞানতাকালীন সন্দেহপ্ৰৱণতাত সন্দিহান হৈছিল অসঙ্গতভাৱে। সিহঁতে কৈছিল— “এই বিষয়ত আমালোকৰ কিবা (কৰণীয়) আছেনে?” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “নিসন্দেহে (উহুদত শত্ৰুক মোকাবিলা কৰাৰ) বিষয়টো সৰ্বতোভাৱে আল্লাহৰ (ইচ্ছানুযায়ী হৈছে)।” সিবিলাকে সিহঁতৰ নিজৰ মাজত যি (বিদ্বেষ) লুকাই ৰাখিছে সেইটো তোমাৰ ওচৰত প্ৰকাশ কৰা নাই; সিহঁতে কৈছিল— “এই বিষয়ত (বা সিদ্ধান্তত) যদি আমাৰ (মতামত খটুওৱাৰ) কিবা থাকিলহেঁতেন তেন্তে ইয়াত আমালোকক হত্যা কৰা নহ’লহেঁতেন।” তুমি কোৱা— “তোমালোকে যদি তোমালোকৰ ঘৰৰ ভিতৰতো (লুকাই) থাকা তথাপি যিসকলৰ বাবে প্ৰাণাঘাত লিখিত হৈছে সেইসকল নিশ্চয় নিজৰ নিৰ্ধাৰিত ঠাইত গৈ হাজিৰ হ’লহেঁতেন (আৰু ‘জিকিলে বীৰ মৰিলে শ্বহীদ’ এই মনোবল লৈ প্ৰাণপণে যুদ্ধ কৰি গ’লহেঁতেন)।” আৰু (এইবিলাক ঘটিছে এইকাৰণেই যে) আল্লাহে যাতে বিচাৰ কৰিব পাৰে কি (গৰল) আছে তোমালোকৰ হিয়াত, আৰু যাতে নিগৰাই উলিয়াই দিব পাৰে যি আছে তোমালোকৰ হৃদয়ত। আৰু বুকুৰ ভিতৰত যি (মনোভাৱ লুকাই) আছে সেইসম্বন্ধে আল্লাহ সৰ্বজ্ঞাতা।

**১৫৫** বাস্তৱিকতে যিদিনা দুই সৈন্যদল পৰস্পৰ মুখামুখি হৈছিল সেইদিনা তোমালোকৰ মাজৰ যিসকলে পলায়নপৰ হৈছিলা, সিহঁতক পদস্খলন কৰিছিল চয়তানে, কিয়নো সিহঁতে কিছু (অন্যায়) অৰ্জন কৰিছিল; আৰু অৱশ্যে আল্লাহে (শেষলৈকে) সিহঁতক মাৰ্জনা কৰিলে। নিশ্চয় আল্লাহ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অতি অমায়িক।

## পৰিচ্ছেদ - ১৭

**১৫৬** হেৰা যিসকলে ঈমান আনিছা! সিহঁতৰ নিচিনা নহ’বা যিবিলাকে অবিশ্বাস পোষণ কৰিছে আৰু সিহঁতৰ ভাই-ককাইক (অৰ্থাৎ মুছলিম আত্মীয়-স্বজনক) কয়, যেতিয়া সেইসকলে দেশত ভ্ৰমণ কৰে অথবা অভিযানত লিপ্ত হয়— “সিহঁত যদি আমাৰ সৈতে থাকিলহেঁতেন তেনেহ’লে সিহঁতে (এইদৰে অপঘাতত) নমৰিলহেঁতেন বা নিহত নহ’লহেঁতেন।” পৰিণামত আল্লাহে এইটো সিহঁতৰ অন্তৰত আক্ষেপৰ বিষয় বনাইছে (কিয়নো সিহঁতৰ এনেকুৱা লোক-দেখুওৱা কন্দা-কটা প্ৰকাশ হৈ পৰিল)। আৰু আল্লাহে জীৱন দান কৰে আৰু মৃত্যু ঘটায়। আৰু তোমালোকে যি কৰিছা আল্লাহ তাৰ দৰ্শক।

**১৫৭** আৰু যদি আল্লাহৰ পথত তোমালোকক হত্যা কৰা হয় অথবা তোমালোকৰ মৃত্যু হয় তেন্তে নিশ্চয় আল্লাহৰ পৰা (তোমালোকৰ কাৰণে ধাৰ্য) পৰিত্ৰাণলাভ আৰু কৰুণাপ্ৰাপ্তি সিহঁতে (ধনসম্পত্তি) যি জমা কৰে তাতোকৈ অধিক উৎকৃষ্ট।

**১৫৮** আৰু যদি তোমালোকে (আল্লাহৰ পথত) মৰাই যোৱা বা তোমালোক নিহত হোৱা (তাত তোমালোকৰ একো ক্ষতি নাই), দৰাচলতে আল্লাহৰ ওচৰত তোমালোকক (সসন্মানেৰে) একত্ৰিত কৰা হ’ব।

**১৫৯** তাৰ পিছত আল্লাহৰ কৰুণাৰ ফলত (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ প্ৰতি কোমল হৈছিলা। আৰু যদি তুমি ৰুক্ষ আৰু কঠোৰ হৃদয় হ’লাহেঁতেন তেনেহ’লে নিশ্চয় সিহঁত তোমাৰ চাৰিওফালৰ পৰা বিচ্ছিন্ন হৈগ’লহেঁতেন। এতেকে সিহঁতৰ অপৰাধ মাৰ্জনা কৰা, আৰু সিহঁতৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰা, আৰু সিহঁতৰ সৈতে (সম্পৰ্ক ত্যাগ নকৰি) কাম-কাজত পৰামৰ্শ কৰা। আৰু যেতিয়া তুমি (কোনো বিষয়ত) সংকল্প গ্ৰহণ কৰিছা তেতিয়া (দৃঢ় মনোবল লৈ আগবাঢ়ি যোৱা আৰু ফলাফলৰ কাৰণে) আল্লাহৰ ওপৰত নিৰ্ভৰ কৰা। বাস্তৱতে আল্লাহে ভাল পায় (তেওঁৰ ওপৰত) নিৰ্ভৰশীলসকলক।

**১৬০** যদি আল্লাহে তোমালোকক সাহায্য কৰে তেন্তে কোনেও তোমালোকক পৰাজিত কৰিব নোৱাৰিব, আৰু যদি তেওঁ তোমালোকক পৰিত্যাগ কৰে তেনেহ’লে তেওঁৰ বাহিৰে অইন কোন আছে যি তোমালোকক সাহায্য কৰিব পাৰে? আৰু আল্লাহৰ ওপৰতেই তেনেহ’লে বিশ্বাসীসকলে নিৰ্ভৰ কৰক।

**১৬১** আৰু কোনো নবীৰ পক্ষে এইটো (সম্ভৱ) নহয় যে তেওঁ প্ৰতাৰণা কৰিব। আৰু যিজনে প্ৰতাৰণা কৰে সেইজনে যিকিবা প্ৰতাৰণা কৰিছে সেইখিনি কিয়ামতৰ দিনা (লগত) লৈ আহিব। তাৰ পাছত প্ৰত্যেক সত্ত্বাকে পুৰাপুৰি দিয়া হ’ব যি সি অৰ্জন কৰিছে, আৰু (এই প্ৰতিফল দানত) সিহঁতক অন্যায় কৰা নহ’ব।

**১৬২** কি! যিজনে আল্লাহৰ সন্তুষ্টিৰ অনুগমন কৰে সেইজন তাৰ নিচিনানে যি আল্লাহৰ পৰা অসন্তুষ্টি লৈ আহিছে, আৰু যাৰ ঠাই হৈছে জাহান্নাম? আৰু জঘন্য সেই গন্তব্যস্থান।

**১৬৩** আল্লাহৰ কাষত তেওঁলোকৰ (মৰ্যাদাৰ) স্তৰভেদ আছে। আৰু তেওঁলোকে যি কৰিছে আল্লাহ তাকে দেখি থাকোঁতা।

**১৬৪** নিসন্দেহে আল্লাহে বিশ্বাসীসকলৰ প্ৰতি অনুগ্ৰহ কৰিছিলে যেতিয়া তেওঁ তেওঁলোকৰ ওচৰত তেওঁলোকৰ মাজৰে পৰা থিয় কৰালে এজন ৰছুল,

যিজনে তেওঁৰ নির্দেশাৱলী তেওঁলোকৰ ওচৰত পাঠ কৰে আৰু তেওঁলোকক পৰিশোধিত কৰে, আৰু তেওঁলোকক ধর্মগ্রন্থ আৰু জ্ঞান-বিজ্ঞানৰ শিক্ষা দিয়ে; যদিও ইয়াৰ আগেয়ে প্ৰকৃততে তেওঁলোক আছিল স্পষ্ট ভুলৰ মাজত।

**১৬৫** কি! যেতিয়া কোনো দুৰ্যোগ তোমালোকৰ ওপৰত ঘটিল (যেনে উহুদৰ যুদ্ধত তোমালোকৰ সত্তৰজন সেনা শ্বহীদ হ'ল)— (যদিও) ইয়াৰ আগতে তোমালোকে (শত্ৰুৰ ওপৰত) ইয়াৰ দুগুণ পৰিমাণ দুৰ্যোগ আনিছিলা— তোমালোকে ক'বলৈ আৰম্ভ কৰিলা— "এইটো (বিপৰ্যয়) ক'ৰ পৰা?" তুমি কোৱা— "এইবিলাক তোমালোকৰ নিজৰে (কৰ্মৰ) পৰা।" নিশ্চয় আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

**১৬৬** আৰু যিদিনা দুই সৈন্যদল (পৰস্পৰৰ) মুখামুখি হৈছিল সেইদিনা যি তোমালোকৰ ওপৰত ঘটিছিল সেইটো আল্লাহৰ জ্ঞাতসাৰে (ঘটিছিল); আৰু যাতে তেওঁ বিশ্বাসীসকলক জানিব পাৰে;

**১৬৭** আৰু যাতে তেওঁ জানিব পাৰে সিহঁতক যিবিলাকে কপটতা কৰে; আৰু সিহঁতক কোৱা হৈছিল— "আহাঁ, আল্লাহৰ পথত যুদ্ধ কৰা, অথবা আত্মৰক্ষা কৰা।" সিহঁতে (ভাওধৰি) কৈছিল— "আমি যদি যুদ্ধ কৰিব জানিলোহেঁতেন, তেন্তে আমি নিশ্চয় তোমালোকক অনুসৰণ কৰিলোহেঁতেন।" সেইদিনা সিহঁতে ঈমানতকৈ অবিশ্বাসৰহে নিকটতৰ হৈছিল। সিহঁতে সিহঁতৰ মুখেদি (এনেকুৱা মৰমপতিয়া কথা) কৈছিল যি সিহঁতৰ অন্তৰত নাছিল; আৰু আল্লাহে ভাল জানে যিখিনি সিহঁতে লকুৱাইছে।

**১৬৮** সিহঁতে (নিজে) ঘৰতে বহি থাকি (যুদ্ধ কৰি থকা) সিহঁতৰ ভাই-ককাইৰ সম্বন্ধে কৈছিল— "সিহঁতে যদি আমাৰ কথা শুনিলেহেঁতেন তেন্তে সিহঁতক হত্যা কৰা নহ'লহেঁতেন।" (হে মুহাম্মদ-ছাঃ! সিহঁতক) কোৱা— "তেনেহ'লে তোমালোকে নিজৰ পৰাই মৃত্যুক বাধা দি ৰাখা, যদিহে তোমালোক সত্যবাদী হোৱা।"

**১৬৯** আৰু যিসকলক আল্লাহৰ পথত (যুদ্ধত লিপ্ত থাকোতে) হত্যা কৰা হৈছে তেওঁলোকক মৃত বুলি নাভাবিবা। বৰঞ্চ তেওঁলোকৰ প্ৰভুৰ দৰবাৰত (তেওঁলোক) জীৱন্ত (আৰু শ্বহীদী মৰ্যাদাপ্ৰাপ্ত), (আখেৰাতত অফুৰন্তভাৱে) তেওঁলোকক ৰিযেক দিয়া হ'ব—

**১৭০** আল্লাহে তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা তেওঁলোকক যি দিছে সেইকাৰণে (তেওঁলোক) খুচিত ডগমগ, আৰু তেওঁলোকে আনন্দ কৰিব সেইসকলৰ কাৰণে যিসকলে তেওঁলোকৰ পাচতীয়াৰ পৰা তেওঁলোকৰ সৈতে (তেতিয়ালৈকে) মিলিত হোৱা নাই, কিয়নো তেওঁলোকৰ (উভয় দলৰ) ওপৰত কোনো ভয় নাই আৰু তেওঁলোকে অনুতাপো নকৰিব।

**১৭১** তেওঁলোকে আনন্দ প্ৰকাশ কৰিব আল্লাহৰ পৰা (প্ৰাপ্ত) অনুগ্ৰহৰ কাৰণে আৰু কৰুণা ভাণ্ডাৰৰ কাৰণে, আৰু নিসন্দেহে আল্লাহে বিশ্বাসীসকলৰ প্ৰাপ্য বিফল নকৰে।

## পৰিচ্ছেদ - ১৮

**১৭২** যিসকলে আল্লাহ আৰু ৰছুলৰ আহ্বানত সঁহাৰি দিছিল সিহঁতৰ ওপৰত দুৰ্যোগ ঘটাৰ পিছতো, তেওঁলোকৰ মাজৰ যিসকলে সৎকৰ্ম কৰে আৰু (আল্লাহক) ভয়-শ্ৰদ্ধা কৰে তেওঁলোকৰ নিমিত্তে আছে বিৰাট পুৰস্কাৰ।

**১৭৩** মানুবোৰে যিসকলক কৈছিল— "অৱশ্যে (পাচৰ বছৰ 'সৰু-বদৰ'-ৰ অভিযানত) তোমালোকৰ বিৰুদ্ধে মানুহ গোট খাইছেহি, এতেকে সিহঁতক ভয় কৰা;"— কিন্তু (এই আক্ৰমণৰ হুকিৰ ফলত) সেইসকলৰ ঈমান বাঢ়ি গ'ল, আৰু তেওঁলোকে ক'লে— "আল্লাহেই আমাৰ কাৰণে যথেষ্ট, আৰু তেওঁ অতি উত্তম ৰক্ষাকৰ্তা।"

**১৭৪** গতিকে তেওঁলোক উভতি আহিলে আল্লাহৰ পৰা নিয়ামত আৰু কৰুণাভাণ্ডাৰ লৈ; কোনো অনিষ্টই তেওঁলোকক স্পৰ্শ কৰা নাই (কিয়নো 'সৰু-বদৰ'-ত কোনো যুদ্ধই নহ'ল), বস্তুতঃ তেওঁলোকে আল্লাহৰ প্ৰসন্নতাৰ অনুগমন কৰিছিল। আৰু আল্লাহ অফুৰন্ত কৰুণাভাণ্ডাৰৰ মালিক।

**১৭৫** নিসন্দেহে তোমালোকৰ সেই চয়তানেই ভয় দেখুওৱায় তাৰ বন্ধু-বান্ধৱক ; কিন্তু তোমালোকে সিহঁতক ভয় নকৰিবা, বৰং আমাকেই ভয় কৰা— যদি তোমালোক ঈমানদাৰ হোৱা।

**১৭৬** আৰু যিসকলে অবিশ্বাসৰ পিনে ধাবিত হয় সিহঁতে যেন তোমালোকক দুখী নকৰে; নিশ্চয় সিহঁতে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰে। আল্লাহে বিচাৰে যে আখেৰাতত সিহঁতৰ নিমিত্তে লাভৰ একোৱেই নাথাকক, আৰু সিহঁতৰ নিমিত্তে ৰৈছে কঠোৰ শাস্তি।

**১৭৭** দৰাচলতে যিসকলে ঈমানৰ সলনি অবিশ্বাস কিনিছে সিহঁতে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰিব; আৰু সিহঁতৰ কাৰণে ৰৈছে ব্যথাদায়ক শাস্তি।

**১৭৮** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে যেন নাভাবে যে আমি সিহঁতক যি অৱকাশ দিছো সেইটো সিহঁতৰ ভালৰ কাৰণে। বাস্তৱতে আমি সিহঁতক অৱকাশ দিছো যেন সিহঁতে পাপৰ মাত্ৰা বঢ়াই তুলে; আৰু সিহঁতৰ কাৰণে ৰৈছে লাঞ্ছনাদায়ক শাস্তি।

**১৭৯** (হে ঈমানদাৰ সকল!) তোমালোক যি অৱস্থাত (এতিয়া) আছা সেই অৱস্থাত আল্লাহে বিশ্বাসীসকলক কোনোৰকমেই পেলাই নাৰাখিব, যেতিয়ালৈকেনেকি তেওঁ ভালৰ পৰা বেয়াক পৃথক কৰে। আৰু আল্লাহ অদৃশ্য সম্বন্ধে তোমালোকৰ ওচৰত গোচৰীভূত নকৰিব, হ'লেও আল্লাহে (সেই উদ্দেশ্যে) তেওঁৰ ৰছুলসকলৰ মাজৰ পৰা যাকে ইচ্ছা কৰে (গুপ্ত জ্ঞানভাণ্ডাৰ মুকলি কৰি দিয়াৰ কাৰণে) নিৰ্বাচন কৰে। এতেকে আল্লাহতে আৰু তেওঁৰ ৰছুলসকলত ঈমান আনা। আৰু যদি তোমালোকে বিশ্বাস কৰা আৰু ভয়-শ্ৰদ্ধা কৰা তেনেহ'লে তোমালোকৰ কাৰণে ৰৈছে বিৰাট পুৰস্কাৰ।

**১৮০** আৰু আল্লাহে যিবিলাকক তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা যি দান কৰিছে সেই বিষয়ত যিসকলে কৃপণতা কৰে সিহঁতে যেন নাভাবে যে সেইটো (—কটকিনালি) সিহঁতৰ কাৰণে ভাল। নহয়, সেইটো সিহঁতৰ কাৰণে বেয়া। যি বিষয়ত সিহঁতে (এই দুনিয়াত) কৃপণালি কৰে সেইটো কিয়ামতৰ দিনা সিহঁতৰ ডিঙিত (দাসত্বৰ শিকলিৰ দৰে) ঝুলি থাকিব। আৰু মহাকাশমণ্ডলৰ আৰু পৃথিৱীৰ উত্তৰাধিকাৰ আল্লাহৰ। আৰু যি তোমালোকে কৰা, আল্লাহ তাৰ খবৰ ৰাখোঁতা।

## পৰিচ্ছেদ - ১৯

**১৮১** আল্লাহে অৱশ্যেই শুনিছে সিহঁতৰ কথা যিবিলাকে (মুছলিমৰ দৰিদ্ৰতাৰ প্ৰতি ব্যঙ্গ কৰি) কৈছিল— "নিশ্চয় আল্লাহ দুখীয়া, আৰু আমি ধনী।" কাজেই আমি লিখি ৰাখিম সিহঁতে যি কয়, আৰু নবীসকলক অন্যায়ভাৱে সিহঁতৰ হত্যা কৰিবলৈ যোৱাটো; আৰু আমি ক'ম— "(দুযখৰ জুইত) পোৰাৰ যন্ত্ৰণাৰ সোৱাদ গ্ৰহণ কৰা।

**১৮২** "এইটো তাৰ কাৰণে (অৰ্থাৎ সেইবিলাক দুষ্কৃতিৰ কাৰণে) যি তোমালোকৰ হাতেৰে আগবঢ়াইছা, আৰু যেহেতু আল্লাহ বান্দাসকলৰ প্ৰতি অত্যাচাৰী নহয়।"

**১৮৩** (ইহুদীবোৰৰ) যিবিলাকে কৈছিল— "আল্লাহে অৱশ্যে আমাৰ ওচৰত অঙ্গীকাৰ কৰিছে যে আমি কোনো ৰছুলৰ প্ৰতি ঈমান নানিম যেতিয়ালৈকে নেকি তেওঁ আমাৰ ওচৰত এনে কুৰবানি আনিব যাক (পূজাৰ) জুইয়ে পুৰি থাকে।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "নিশ্চয় মোৰ আগে তোমালোকৰ ওচৰলৈ ৰছুলসকল আহিছিল স্পষ্ট প্ৰমাণাৱলী লৈ, আৰু তোমালোকে যাৰ কথা (অৰ্থাৎ মূছা-আঃ-ৰ বিধানৰ কথা) কৈছা তাক লৈ; তেন্তে কিয় তোমালোকে তেওঁলোকক হত্যা কৰিবলৈ গৈছিলা, (কোৱাঁ—) যদি তোমালোক সত্যবাদী হোৱা।"

**১৮৪** এতেকে (হে মুহাম্মদ-ছাঃ!) যদি সিহঁতে তোমাক অস্বীকাৰ কৰে তেন্তে (ইয়াত নতুনত্ব একোৱেই নাই, কিয়নো) তোমাৰ আগৰ ৰছুলসকলকো অস্বীকাৰ কৰা হৈছিল, যিসকল লগত লৈ আহিছিল স্পষ্ট প্ৰমাণাৱলী, আৰু যবুৰ, আৰু উজ্জ্বল কিতাপ।

**১৮৫** প্ৰত্যেক ব্যক্তিকেই মৃত্যুৰ সোৱাদ ল'বই লাগিব। আৰু নিশ্চয় কিয়ামতৰ দিনা তোমালোকৰ প্ৰাপ্য পুৰাপুৰি তোমালোকক আদায় কৰা হ'ব। এতেকে যাকে (দুযখৰ) জুইৰ পৰা বহু দূৰৈত ৰখা হ'ব আৰু স্বৰ্গোদ্যানত প্ৰৱেশ কৰোৱা হ'ব, স্বৰূপতে তেওঁ হ'ল সফলকাম। আৰু এই দুনিয়াৰ জীৱন ফোঁপোলা বিষয় ব্যতিত একোৱেই নহয়।

**১৮৬** (হে মুছলিমগণ!) নিশ্চয় তোমালোকক পৰীক্ষা কৰা হ'ব তোমালোকৰ ধন-সম্পত্তি আৰু তোমালোকৰ জান-প্ৰাণৰ মাধ্যমেৰে; আৰু নিশ্চয় তোমালোকে শুনিবলৈ পাবা তোমালোকৰ আগতে যিসকলক গ্ৰন্থ দিয়া হৈছে সেইসকলৰ পৰা, আৰু যিসকলে (আল্লাহৰ লগতে অন্য উপাস্য) শ্বৰীক কৰে সেইবিলাকৰ পৰা অনেক গালি-গালাজ। আৰু যদি তোমালোকে ধৈৰ্য ধাৰণ কৰা আৰু (আল্লাহকে) ভয়-ভক্তি কৰা তেন্তে নিশ্চয় সেইটো হ'ব সৎসাহসৰ কাম।

**১৮৭** আৰু স্মৰণ কৰা! যিসকলক কিতাপ (বা ধৰ্মগ্ৰন্থ) দিয়া হৈছিল সেইসকলৰ পৰা আল্লাহে অঙ্গীকাৰ গ্ৰহণ কৰিছিলে— "তোমালোকে নিশ্চয় ইয়াৰ কথা (অৰ্থাৎ মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কীয় ভৱিষ্যৎবাণীৰ কথা) লোকৰ ওচৰত প্ৰকাশ কৰিবা, আৰু তাক লুকাই নাৰাখিবা।" কিন্তু সিহঁতে এইটো (—এই অঙ্গীকাৰ) সিহঁতৰ পিঠিৰ পিছফালে পেলাই ৰাখি দিছিল, আৰু ইয়াৰ কাৰণে বিনিময়ত অল্পমূল্য গ্ৰহণ কৰিছিল। এতেকে বেয়া এইটো যিটো সিহঁতে কিনে।

**১৮৮** (হে মুহাম্মদ-ছাঃ!) তুমি মনত নকৰিবা যিবিলাকে উলাহ কৰে যি সিহঁতক দিয়া হৈছে সেইকাৰণে, আৰু ভাল পায় যিটো কৰা নাই তাৰ কাৰণে সিহঁতক প্ৰশংসা কৰা হ'লে,— কাজেই সিহঁতক তুমি নাভাবিবা যে সিহঁত শাস্তিৰ পৰা নিৰাপদ; অৰু সিহঁতৰ কাৰণে ৰৈছে ব্যথাদায়ক শাস্তি।

**১৮৯** আৰু আল্লাহৰেই মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব। আৰু আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

## পৰিচ্ছেদ - ২০

**১৯০** নিসন্দেহে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিত, আৰু ৰাতি আৰু দিনৰ আবৰ্তনত বিশেষ নিদৰ্শন ৰৈছে জ্ঞানবান লোকসকলৰ নিমিত্তে,—

**১৯১** যিসকলে (এফালে যেনেকৈ) আল্লাহক স্মৰণ কৰে থিয় হৈ থকা আৰু বহা আৰু তেওঁলোকৰ একাষৰীয়াকৈ শায়িত অৱস্থাত, আৰু (আনফালে তেনেকৈ) গভীৰ চিন্তা কৰে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিৰ বিষয়ে। (তেওঁলোকে আল্লাহৰ অসীম মহিমা উপলব্ধি কৰি কয়—) "আমাৰ প্ৰভু! এইবিলাক তুমি অনৰ্থক সৃষ্টি কৰা নাই; তোমাৰেই সকলো মহিমা! এতেকে আমাক ৰক্ষা কৰা (দুযখৰ) জুইৰ শাস্তিৰ পৰা।

**১৯২** "আমাৰ প্ৰভু! নিশ্চয় যাকে তুমি (দুযখৰ) জুইত প্ৰৱেশ কৰোৱা, তাক তেন্তে প্ৰকৃততে তুমি লাঞ্ছিত কৰিছা আৰু অন্যায়কাৰীবিলাকৰ নিমিত্তে (সেই জুইৰ পৰা মুক্তিৰ কাৰণে) সাহায্যকাৰীসকলৰ কোনোৱেই নাথাকিব।

**১৯৩** "আমাৰ প্ৰভু! নিশ্চয় আমি শুনিছো (মুহাম্মদ-ছাঃ-নামক) এজন ঘোষণাকাৰীক ঈমানৰ প্ৰতি আহ্বান কৰোতে এইবুলি— 'তোমালোকৰ প্ৰভুৰ প্ৰতি ঈমান আনা', গতিকে আমি ঈমান আনিছো। আমাৰ প্ৰভু! এতেকে আমাৰ অপৰাধসমূহৰ পৰা আমাক পৰিত্ৰাণ কৰা, আৰু দোষ-ক্ৰটিবিলাক আমাৰ পৰা মচি দিয়া, আৰু আমাক প্ৰাণত্যাগ কৰিবলৈ দিয়া সজ্জনসকলৰ লগতে।

**১৯৪** "আমাৰ প্ৰভু! আৰু আমাক (সেই বিজয়) প্ৰদান কৰা যি তুমি তোমাৰ ৰছুলসকলৰ জৰিয়তে আমাৰ ওচৰত প্ৰতিজ্ঞা কৰিছা; আৰু আমাক

লাঞ্ছিত নকৰিবা কিয়ামতৰ (শেষ বিচাৰৰ) দিনা। নিশ্চয় তুমি প্ৰতিজ্ঞাৰ খেলাপ নকৰা।”

**১৯৫** তেওঁলোকৰ প্ৰভুৱে তেতিয়া তেওঁলোকৰ প্ৰতি সঁহাৰি দিলে (আৰু ক’লে)— “মই নিশ্চয় বিফল নকৰিম তোমালোকৰ মাজৰ কৰ্মীসকলৰ কাম-কাজ— পুৰুষেই হওক বা নাৰী— তোমালোকৰ এজন অন্যজনৰ পৰা (উদ্ভূত), গতিকে যিসকলে হিজৰত কৰিছে, আৰু নিজৰ ঘৰ-বাৰীৰ পৰা (যিসকলক) উলিয়াই দিয়া হৈছে, আৰু আমাৰ পথত নিৰ্যাতিত হৈছে, আৰু যুদ্ধ কৰিছে আৰু নিহত হৈছে,— নিসন্দেহে সেইসকলৰ দোষ-ত্ৰুটি তেওঁলোকৰ পৰা অৱশ্যেই মচি দিম আৰু নিসন্দেহে তেওঁলোকক অৱশ্যেই প্ৰৱেশ কৰাম স্বৰ্গোদ্যানসমূহত, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ— এটি পুৰস্কাৰ আল্লাহৰ দৰবাৰৰ পৰা। আৰু আল্লাহ— তেওঁৰ ওচৰত ৰৈছে আৰু উত্তম পুৰস্কাৰ।”

**১৯৬** যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ চহৰে-নগৰে (অবাধ) চলাফুৰা (আৰু আধিপত্যই) তোমাক যেন ফাঁকি নিদিয়ে।

**১৯৭** (এয়া ক্ষণিকৰ) তুচ্ছ ভোগ। তাৰ পিছত সিহঁতৰ বাসস্থান হৈছে জাহান্নাম, আৰু জঘন্য এই বিশ্ৰামস্থল।

**১৯৮** কিন্তু যিসকলে তেওঁলোকৰ প্ৰভুক ভয়-শ্ৰদ্ধা কৰে তেওঁলোকৰ নিমিত্তে (নিৰ্ধাৰিত ৰৈছে) স্বৰ্গোদ্যানসমূহ, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তাতে তেওঁলোক থাকিব চিৰকাল— আল্লাহৰ তৰফৰ পৰা আপ্যায়ন! আৰু আল্লাহৰ কাষত যি (সঞ্চিত) ৰৈছে সেইখিনি পুণ্যাত্মাসকলৰ নিমিত্তে আৰু উত্তম।

**১৯৯** আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ মাজৰ যিসকলে ঈমান আনে আল্লাহত, আৰু যি তোমালোকৰ ওচৰত অৱতীৰ্ণ হৈছে তাত, আৰু যি তেওঁলোকৰ ওচৰত (ইতিপূৰ্বে) অৱতীৰ্ণ হৈছিল তাত, তেওঁলোক আল্লাহৰ ওচৰত বিনীত (থাকে), তেওঁলোকে আল্লাহৰ বাণীসমূহৰ কাৰণে অল্পমূল্য অৰ্জন কৰিবলৈ নাযায়। এওঁলোকেই (সেইসকল ভাগ্যবান),— এওঁলোকৰ নিমিত্তে নিজ নিজ পুৰস্কাৰ ৰৈছে এওঁলোকৰ প্ৰভুৰ ওচৰত। নিসন্দেহে আল্লাহ হিচাপ-নিকাচত তৎপৰ।

**২০০** হেৰা যিসকলে ঈমান আনিছা! (সঙ্কটকালত) ধৈৰ্যধাৰণ কৰা আৰু ধৈৰ্যধাৰণত অগ্ৰণী হোৱা, আৰু (দৈনন্দিন ক্ৰিয়াকলাপৰ ক্ষেত্ৰত) অবিচল থাকা, আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যাতে তোমালোক সফলকাম হ’ব পাৰা।

* * * * * * * * * * * *

ছুৰা - ৪

# নাৰী

(আন নিৰ্ছা’ : ১)

মদীনাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

**১** হেৰা মানৱ জাতি! তোমালোকৰ প্ৰভুক ভয়-ভক্তি কৰা যিজনে তোমালোকক সৃষ্টি কৰিছে একেই নফচ’ৰ (বা মানৱীয় সত্বাৰ) পৰা আৰু তাৰ সহচৰকো সৃষ্টি কৰিছে তাৰেই পৰা, আৰু এই যুগলৰ পৰা তেওঁ সিচৰি দিছে বহু নৰ আৰু নাৰী। এতেকে ভয়-শ্ৰদ্ধা কৰা আল্লাহক যিজনৰ (বিধানৰ) দ্বাৰা তোমালোকে পৰস্পৰৰ আৰু মাতৃগৰ্ভৰ (ৰক্তৰ সম্পৰ্কসম্বন্ধে) সোধ-পোছ কৰা। নিসন্দেহে আল্লাহ তোমালোকৰ ওপৰত সদা প্ৰহৰী।

**২** আৰু এতীমবিলাকক সিহঁতৰ ধন-সম্পত্তি দি দিয়া, আৰু (সিহঁতৰ) উৎকৃষ্ট বস্তুৰ সৈতে (তোমালোকৰ) নিকৃষ্ট বস্তু সলনি নকৰিবা। আৰু সিহঁতৰ সম্পত্তি তোমালোকৰ সম্পত্তিৰ লগত (মিলাই পেলাই) গ্ৰাস নকৰিবা। বাস্তৱতে এইটো গুৰুতৰ অপৰাধ।

**৩** আৰু যদি তোমালোকে আশংকা কৰা যে তোমালোকে এতীমবিলাকৰ প্ৰতি ন্যায়পৰায়ণ হ’ব নোৱাৰা তেনেহ’লে তিৰোতাসকলৰ মাজৰ যাকে তোমালোকৰ ভাল লাগে তাকে বিয়া কৰাব পাৰা— দুই বা তিনি বা চাৰি (গৰাকী)। কিন্তু তোমালোকে যদি আশংকা কৰা যে (স্ত্ৰীসকলৰ প্ৰতি) তোমালোকে সমব্যৱহাৰ কৰিব নোৱাৰিবা, তেনেহ’লে এজনীকেই (লৈ থাকিবা); অথবা তোমালোকৰ সোঁহাতে যাক ধৰি ৰাখিছা (তাকেই বিয়া কৰাব পাৰা)। এইটোৱেই বেচি সঙ্গত যাতে তোমালোকে (ন্যায়সঙ্গত আচৰণৰ পৰা) আঁতৰি নোযোৱা।

**৪** আৰু স্ত্ৰীসকলক সিহঁতৰ মহৰানা আদায় কৰিবা নিস্বাৰ্থভাৱে। কিন্তু যদি সিহঁতে নিজেই ইয়াৰ কোনো অংশ তোমালোকক দিবলৈ খুচি হয় তেনেহ’লে সেইখিনি ভোগ কৰা আনন্দসহকাৰে তৃপ্তিৰ সৈতে।

**৫** আৰু অবোধবিলাকক প্ৰদান নকৰিবা তোমালোকৰ (হেফাজতত ৰখা সিহঁতৰ) সম্পত্তি যিটোক আল্লাহে তোমালোকৰ নিমিত্তে অৱলম্বন স্বৰূপ কৰিছে। আৰু তাৰ পৰাই সিহঁতক খুৱাবা আৰু সিহঁতক পিন্ধাবা; আৰু সিহঁতক কোৱা ভাল ভাল কথা।

**৬** আৰু এতীমবিলাকক (শিক্ষা-দীক্ষা দি) পৰীক্ষা কৰি চাবা যেতিয়ালৈকেনেকি সিহঁতে বিবাহ বয়সত উপনীত হয়; তাৰ পিছত যদি সিহঁতৰ মাজত বিচাৰ-বুদ্ধি দেখিবলৈ পোৱা তেনেহ’লে সিহঁতৰ ধন-সম্পত্তি সিহঁতক হস্তাৰ্পণ কৰি দিয়া; আৰু সেইবিলাক মাত্ৰাতিৰিক্তভাৱে আৰু হুৰাহুৰিকৈ খাই নেপেলাবা পাচত সিহঁত ডাঙৰ হৈ যাব (এই আশঙ্কাত)। আৰু যি (অভিভাৱক) অৱস্থাপন্ন তেওঁ যেন (পাৰিশ্ৰমিক গ্ৰহণৰ পৰা) নিবৃত থাকে, আৰু যিজন গৰীব সেইজনে ন্যায়সঙ্গতভাৱে (অলপ-চলপ) খাওঁক। তাৰ পিছত যেতিয়া তোমালোকে সিহঁতৰ সম্পত্তি সিহঁতক ওভতাই দিয়া তেতিয়া সিহঁতৰ সন্মুখত সাক্ষী মাতা। আৰু হিচাপৰক্ষক-ৰূপে আল্লাহ (অকলেই) যথেষ্ট।

**৭** (সম্পত্তিৰ উত্তৰাধিকাৰৰ ক্ষেত্ৰত) পিতা-মাতা আৰু আত্মীয়-স্বজনে যি ৰাখি যায় তাৰ এটা অংশ পুৰুষসকলৰ নিমিত্তে, আৰু স্ত্ৰীলোকসকলৰ নিমিত্তেও থাকিব এটি অংশ যি পিতা-মাতা আৰু আত্মীয়-স্বজনে ৰাখি যায় তাৰ— সেইটো কমেই হওক বা বেচিয়েই হওক— এটা নিৰ্দিষ্ট অংশ।

**৮** আৰু ভগা-ভগিৰ সময়ত যেতিয়া উপস্থিত থাকে আত্মীয়-স্বজন আৰু এতীমবিলাক আৰু নিঃকিনবিলাক, তেতিয়া তাৰ পৰাই সিহঁতকো দান কৰিবা, আৰু সিবিলাকৰ সৈতে ভালদৰে কথা-বতৰা পাতিবা।

**৯** আৰু সিহঁতে (আল্লাহক) তেনে ভয় কৰক যেন সিহঁতেও যদি সিহঁতৰ পাচত অসহায় ল’ৰা-ছোৱালীক এৰি যাব লগা হয় তেন্তে সিহঁতৰ (ভৱিষ্যৎ সংস্থানৰ) কাৰণে যেনে আশঙ্কা কৰে। গতিকে সিহঁতে আল্লাহকে ভয়-শ্ৰদ্ধা কৰক আৰু সততাৰ সৈতে কথাবাৰ্তা কওক।

**১০** বাস্তৱিকতে যিবিলাকে এতীমবিলাকৰ ধন-সম্পত্তি অন্যায়ভাৱে গ্ৰাস কৰে সিবিলাকে নিশ্চয়কৈ সিহঁতৰ পেটলৈ জুই গিলে। আৰু সিহঁতে শীঘ্ৰে প্ৰৱেশ কৰিব জলন্ত জুইত।

## পৰিচ্ছেদ - ২

**১১** আল্লাহে (উত্তৰাধিকাৰৰ ক্ষেত্ৰত) তোমালোকক নিৰ্দেশ দিছে তোমালোকৰ সন্তান-সন্ততি সম্পৰ্কে,— এজন পুত্ৰসন্তানৰ বাবে দুই কন্যাসন্তানৰ সমান অংশ; কিন্তু যদি সিবিলাক সকলো কন্যা হয়, দুইজনীৰ ওপৰত, তেন্তে সিবিলাকৰ নিমিত্তে সেইজনে যি ৰাখি গৈছে তাৰ দুই তৃতীয়াংশ, আৰু যদি তাই এজনীয়েই কন্যা হয় তেন্তে তাইৰ কাৰণে অৰ্ধেক। আৰু তাৰ পিতা-মাতাৰ কাৰণে— সিহঁত দুজনৰ প্ৰত্যেকৰ নিমিত্তে (নিৰ্ধাৰিত হ’ল)

সেইজনে যি ৰাখি গৈছে তাৰ ষষ্ঠাংশ, যদি তাৰ সন্তান থাকে; কিন্তু সেইজনৰ যদি সন্তান নাথাকে আৰু তাৰ ওৱাৰিচ হয় (কেৱল) পিতা-মাতাই, তেনেহ'লে তাৰ মাকৰ কাৰণে এক তৃতীয়াংশ; কিন্তু যদি তাৰ ভাই-ককাইবোৰ থাকে তেন্তে তাৰ মাকৰ কাৰণে ষষ্ঠাংশ— কোনো ওছিয়ৎনামাত উইল কৰা থাকিলে বা দেনা থাকিলে সেইখিনি আদায়ৰ পাচত। তোমালোকৰ পিতা-মাতা আৰু তোমালোকৰ সন্তান-সন্ততি— তোমালোকে নাজানা এওঁলোকৰ কোন তোমালোকৰ ওচৰত লাভৰ ফালৰ পৰা নিকটতৰ। এয়ে আল্লাহৰ পৰা বিধান। নিশ্চয় আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**১২** আৰু তোমালোকৰ স্ত্ৰীবিলাকে যি ৰাখি যায় তাৰ অৰ্ধেক তোমালোকৰ নিমিত্তে যদি সিহঁতৰ কোনো সন্তান নাথাকে, কিন্তু যদি সিহঁতৰ সন্তান থাকে তেনেহ'লে তোমালোকৰ কাৰণে (সাব্যস্ত হ'ল) সিহঁতে যি ৰাখি গৈছে তাৰ এক চতুৰ্থাংশ— কোনো ওছিয়ৎনামাত সিহঁতৰ উইল কৰা থাকিলে বা দেনা থাকিলে সেইখিনি আদায়ৰ পিছত। আৰু সিহঁতৰ (—স্ত্ৰীবিলাকৰ) নিমিত্তে (প্ৰাপ্য) যি তোমালোকে ৰাখি যোৱা তাৰ এক চতুৰ্থাংশ যদি তোমালোকৰ কোনো সন্তান নাথাকে, কিন্তু যদি তোমালোকৰ কোনো সন্তান থাকে তেন্তে সিহঁতৰ কাৰণে (নিৰ্ধাৰিত প্ৰাপ্য) যি তোমালোকে ৰাখি গৈছা তাৰ অষ্টমাংশ, কোনো ওছিয়ৎনামাত তোমালোকৰ উইল কৰা থাকিলে বা দেনা থাকিলে সেইখিনি আদায়ৰ পিছত। আৰু যদি কোনো পুৰুষ বা স্ত্ৰীলোকক নিসন্তানভাৱে উত্তৰাধিকাৰ কৰিব লাগে আৰু তাৰ এজন ভায়েক বা এজনী ভনীয়েক থাকে তেন্তে সিহঁতৰ যিকোনো এজনৰ নিমিত্তে ষষ্ঠাংশ, কিন্তু যদি সিহঁত ইয়াতকৈ বেচি (অৰ্থাৎ দুই বা ততোধিক) হয় তেনেহ'লে সিহঁত (সমবেতভাৱে) হ'ব এক তৃতীয়াংশৰ অংশীদাৰ— কোনো ওছিয়ৎ কৰা থাকিলে বা দেনা থাকিলে সেইখিনি আদায়ৰ পিছত—(অৱশ্যে তেনে ওছিয়তৰ দ্বাৰা ওয়াৰিচসকলৰ) কোনো ক্ষতি নকৰাকৈ; এয়ে হৈছে আল্লাহৰ পৰা বিধান। আৰু আল্লাহ হৈছে সৰ্বজ্ঞাতা, অতি অমায়িক।

**১৩** এইবিলাক হৈছে আল্লাহৰ (নিৰ্দেশিত) সীমা। আৰু যি কোনোবাই আল্লাহ আৰু তেওঁৰ ৰছুলৰ অনুৱৰ্তী হয় তাকে তেওঁ (—আল্লাহে) প্ৰৱেশ কৰাব স্বৰ্গোদ্যানসমূহত যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তেওঁলোক থাকিব স্থায়ীভাৱে। আৰু সেইটোৱেই হৈছে মহা-সাফল্য।

**১৪** আৰু যি কোনোবাই আল্লাহ আৰু তেওঁৰ ৰছুলৰ অবাধ্যতা কৰে আৰু তেওঁৰ সীমা লঙ্ঘন কৰে, তাক তেওঁ (—আল্লাহে) প্ৰৱেশ কৰাব (দুযখৰ) জুইত, তাতে থাকিবৰ কাৰণে দীৰ্ঘকাল; আৰু তাৰ নিমিত্তে ৰৈছে লাঞ্ছনাদায়ক শাস্তি।

## পৰিচ্ছেদ - ৩

**১৫** আৰু তোমালোকৰ নাৰীবিলাকৰ মাজত যিবিলাকে অশ্লীল আচৰণ কৰে সিহঁতৰ বিৰুদ্ধে তোমাৰ মাজৰ পৰা চাৰিজন সাক্ষী মাতা; সিহঁতে যদি সাক্ষী দিয়ে তেন্তে সিহঁতক (—দোষী নাৰীবিলাকক) ঘৰৰ ভিতৰত আটক কৰি ৰাখিবা যেতিয়ালৈকেনেকি মৃত্যু সিহঁতৰ ওপৰত নামি আহে, অথবা আল্লাহে সিহঁতৰ কাৰণে (বেলেগ) পথ কৰি দিয়ে।

**১৬** আৰু তোমালোকৰ মাজৰ যদি দুজনে (পুৰুষ অথবা নাৰীয়ে) এই (অশ্লীল) আচৰণ কৰে তেন্তে সিহঁত উভয়কে মৃদু শাস্তি দিয়া। তাৰ পিছত যদি সিহঁতে তওবা কৰে আৰু (নিজকে) শুধৰায় তেন্তে সিহঁতৰ পৰা (তোমালোকৰ টান নজৰ) ওভতাই লোৱা। বাস্তৱতে আল্লাহ (তওবাকাৰীসকলৰ প্ৰতি) বাৰম্বাৰ ফিৰোঁতা, অফুৰন্ত ফলদাতা।

**১৭** দৰাচলতে আল্লাহৰ পক্ষে (তওবা কবুল কৰাৰ কাৰণে) ফিৰা সম্ভৱ সিহঁতৰ প্ৰতি যিবিলাকে কুকৰ্ম কৰে অজ্ঞানতাবশতঃ, তাৰ পিছত অবিলম্বে তওবা কৰে; এতেকে এওঁলোকেই— আল্লাহ এওঁলোকৰ প্ৰতি (সদয় হৈ) ফিৰে। আৰু আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**১৮** আৰু তওবা সিহঁতৰ নিমিত্তে নহয় যিবিলাকে কুকৰ্ম কৰিয়েই থাকে যেতিয়ালৈকে নেকি মৃত্যুৱে সিহঁতৰ কোনোজনৰ ওচৰত হাজিৰ হয়, সি তেতিয়া কয়— "মই অৱশ্যেই এতিয়া তওবা কৰিছো",— আৰু (প্ৰায়শ্চিত্ত) সিহঁতৰ নিমিত্তেও নহয় যিবিলাক মৰি যায় অথচ সিহঁত অবিশ্বাসী থাকে। সিবিলাকেই— সিহঁতৰ নিমিত্তে আমি তৈয়াৰ কৰিছো ব্যথাদায়ক শাস্তি।

**১৯** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ নিমিত্তে বৈধ নহয় যে তোমালোকে (মৃত আত্মীয়-স্বজনৰ) স্ত্ৰীবিলাকক জবৰদস্তি উত্তৰাধিকাৰ কৰিবা। আৰু সিবিলাকৰ ওপৰত জোৰ-জুলুম নকৰিবা তোমালোকে যি (মহৰানা) সিহঁতক দিছা তাৰ অংশবিশেষ ওভতাই পাবৰ কাৰণে, যদিনা সেইসকলে জাজ্বল্যমান অশ্লীল আচৰণত লিপ্ত হয়। আৰু সিহঁতৰ প্ৰতি সদয় ব্যৱহাৰ কৰা। অৱশ্যে যদি তোমালোকে সিহঁতক ঘৃণা কৰা তেনেহ'লে হ'ব পাৰে তোমালোকে এনে এটা কিছু অপছন্দ কৰিলা অথচ আল্লাহে তাৰ মাজত প্ৰচুৰ কল্যাণ নিহিত ৰাখিছে।

**২০** আৰু তোমালোকে যদি এক স্ত্ৰীৰ ঠাইত অইন স্ত্ৰীক (বিয়া কৰাই) বদলাই ল'ব বিচাৰা, আৰু যদি ইহঁতৰ এজনীক এক স্তূপ (ধন-দৌলত মহৰানা বাবত) দি থাকা তেন্তে তাৰ পৰা একোৱেই (ফেৰত) নিনিবা। তোমালোকে সেইখিনি নিবানে কুৎসা ৰটনা কৰি আৰু ভীষণ অন্যায় কৰি?

**২১** আৰু কেনেকুৱা তোমালোকে সেইখিনি (ফিৰাই) নিব পাৰা যেতিয়া তোমালোকৰ এজনে আনজনত গমন কৰিছা, আৰু সিহঁতে তোমালোকৰ পৰা (পৰস্পৰৰ প্ৰেম-প্ৰীতিৰ) দৃঢ় অঙ্গীকাৰ গ্ৰহণ কৰিছে?

**২২** আৰু তোমালোকৰ পিতৃয়ে যাক বিয়া কৰিছিল সেইবিলাক (বিধবা বা তালাকপ্ৰাপ্তা) নাৰীক বিয়া নকৰিবা,— অৱশ্যে যি ইতিমধ্যে ঘটি গৈছে সেইটো বাদ দি। নিসন্দেহে এইটো হৈছে এটি অশ্লীল আচৰণ আৰু ঘৃণাকৰ কাম; আৰু জঘন্য পন্থা।

## পৰিচ্ছেদ - ৪

**২৩** তোমালোকৰ নিমিত্তে (বিবাহৰ বাবে) অবৈধ হৈছে— তোমালোকৰ মাতৃসকল, আৰু তোমালোকৰ কন্যাসকল, আৰু তোমালোকৰ ভগিনীসকল, আৰু তোমালোকৰ পেহীসকল আৰু তোমালোকৰ মাহীসকল, আৰু ভাতৃৰ ছোৱালীবোৰ, আৰু ভগিনীৰ ছোৱালীবোৰ, আৰু তোমালোকৰ মাতৃসকল

যিসকলে তোমালোকক স্তনদান কৰিছে, আৰু ধাইমাৰ দিশৰ পৰা তোমালোকৰ ভগিনীবিলাক, আৰু তোমালোকৰ স্ত্ৰীবিলাকৰ মাতৃসকল আৰু তোমালোকৰ সতীয়া কন্যাবিলাক যিবিলাক তোমালোকৰ অভিভাৱকত্বত আছে,— তোমালোকৰ তেনে স্ত্ৰীসকলৰ পৰা (জন্ম হোৱা কন্যা) যিসকলৰ সৈতে সহবাস কৰিছা, কিন্তু যদি সিহঁতৰ লগত সহবাস কৰা নাই তেন্তে তোমালোকৰ অপৰাধ নহব; আৰু তোমালোকৰ তেনে পুত্ৰবোৰৰ স্ত্ৰীবিলাক যিবোৰ (পুত্ৰ) তোমালোকৰ ঔৰসৰ পৰা (জন্মিছে); আৰু (বৈধ নহয়) যে তোমালোকে দুই ভগিনীৰ মাজত (সতিনীৰূপে) সমবেত কৰিবা,— অৱশ্যে যি ইতিমধ্যে ঘটি গৈছে সেইটো বাদ দি। বাস্তৱতে আল্লাহ হৈছে (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## ৫ম পাৰা

**২৪** আৰু তিৰোতাবিলাকৰ মাজৰ সধবাবিলাক (বিবাহৰ বাবে অবৈধ), কিন্তু তোমালোকৰ সোঁহাতে যিবিলাকক ধৰি ৰাখিছে সিবিলাকৰ ব্যতিৰেক; (এয়ে হৈছে) তোমালোকৰ প্ৰতি আল্লাহৰ বিধান। আৰু ইয়াৰ বাহিৰে (অন্য স্ত্ৰীলোকক) তোমালোকৰ কাৰণে বৈধ কৰা হ'ল যদি তোমালোকে (সেইবিলাকক) বিচাৰা তোমালোকৰ ধন-দৌলত দি বিবাহৰ জৰিয়তে, ব্যভিচাৰৰ নিমিত্তে নহয়। এতেকে সিবিলাকৰ মাজৰ যিবিলাকৰ পৰা তোমালোকে (দাম্পত্য জীৱনৰ) সুফল পাবলৈ বিচাৰা সিবিলাকৰ নিৰ্ধাৰিত মহৰানা সিহঁতক প্ৰদান কৰা। আৰু তোমালোকৰ কাৰণে দোষণীয় নহ'ব (মহৰানা) নিৰ্ধাৰিত হোৱাৰ পাচত তোমালোকে (সেইটো কম-বেচি কৰাৰ কাৰণে) যিটোতে পৰস্পৰ সন্মত হোৱা। নিসন্দেহে আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**২৫** আৰু তোমালোকৰ মাজৰ যাৰ (তেনে) আৰ্থিক সঙ্গতি নাই যে বিশ্বাসিনী স্বাধীন নাৰীক বিয়া কৰাব পাৰে, সি তেনেহলে (বিয়া কৰক) তোমালোকৰ সোঁহাতে ধৰি ৰখা বিশ্বাসিনী কুমাৰীবিলাকৰ মাজৰ পৰা। আৰু আল্লাহে ভালকৈ জানে তোমালোকৰ ধৰ্মবিশ্বাস সম্বন্ধে। তোমালোকে এজনে অন্যৰ পৰা (উদ্ভূত), কাজেই সিহঁতক বিয়া কৰোৱা সিহঁতৰ মনিবৰ অনুমতি লৈ, আৰু সিহঁতৰ মহৰানা সিহঁতক দিয়া দস্তুৰমতে,— বিবাহ বন্ধনৰ জৰিয়তে, ব্যভিচাৰৰ নিমিত্তে নহয়, আৰু ৰক্ষিতাৰূপে গ্ৰহণ কৰিও নহয়। এতেকে যেতিয়া সিহঁতক বিবাহবন্ধনত অনা হয় তাৰ পিচত যদি সিহঁতে অশ্লীল আচৰণ (বা ব্যভিচাৰো) কৰে তেন্তে সিহঁতৰ কাৰণে হৈছে স্বাধীন নাৰীবিলাকৰ বাবে নিৰ্ধাৰিত শাস্তিৰ অৰ্ধেক। এই (পৰামৰ্শ) হৈছে তোমালোকৰ মাজৰ তাৰ নিমিত্তে যি পাপত পৰাৰ ভয় কৰে। আৰু যদি তোমালোকে ধৈৰ্য ধৰা, তেন্তে সেইটো তোমালোকৰ কাৰণে বেচি ভাল। আৰু আল্লাহ (পদস্খলনৰ পৰা) ত্ৰাণকৰ্তা, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ৫

**২৬** আল্লাহে বিচাৰে তোমালোকৰ আগতে যিসকল আছিল সেইসকলৰ দৃষ্টান্তৰ দ্বাৰা তোমালোকৰ ওচৰত (তেওঁৰ বাণী) সুস্পষ্ট কৰিবলৈ আৰু তোমালোকক হেদায়ৎ কৰিবলৈ, আৰু তোমালোকৰ ফালে (সদয় হৈ) ফিৰিবলৈ। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**২৭** আৰু আল্লাহে বিচাৰে যে তেওঁ তোমালোকৰ ফালে (সদয় হৈ) সদায় ফিৰিব; কিন্তু যিবিলাকে (সিহঁতৰ) কাম-লালসাৰ অনুসৰণ কৰে সিহঁতে বিচাৰে তোমালোকেও যেন গহীন বিপথত পথ হেৰুৱা।

**২৮** আল্লাহে বিচাৰে যে তেওঁ (ইছলামৰ জৰিয়তে) তোমালোকৰ বোজা লঘু কৰিব; কিয়নো মানুহক দুৰ্বল কৰি সৃষ্টি কৰা হৈছে।

**২৯** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ সম্পত্তি (বিশেষতঃ তোমালোকৰ তত্বাৱধানত থকা নাৰী আৰু এতীমবিলাকৰ সম্পত্তি) জুৱাচুৰি কৰি নিজৰ মাজতে গ্ৰাস নকৰিবা, কিন্তু যদি তোমালোকৰ পৰস্পৰ সন্মতিক্ৰমে ব্যৱসায়-বাণিজ্যৰ দ্বাৰা ই (লাভ অৰ্জন) হৈ থাকে; আৰু তোমালোকে তোমালোকৰ নিজকেই হত্যা নকৰিবা। আল্লাহ নিসন্দেহে তোমালোকৰ প্ৰতি অফুৰন্ত ফলদাতা।

**৩০** আৰু যিজনে সেইটো কৰে (আল্লাহৰ নিৰ্দেশ) উলঙ্ঘন কৰি আৰু অত্যাচাৰ কৰি, আমি অচিৰেই তাক পেলাম (দুযখৰ) জুইত। আৰু এইটো আল্লাহৰ কাৰণে অতি সহজ।

**৩১** যদি তোমালোক বিৰত থাকা (পাপাচাৰৰ) ডাঙৰ বিলাকৰ পৰা যিটোৰ পৰা তোমালোকক নিষেধ কৰা হৈছে, তেন্তে তোমালোকৰ পৰা আমি তোমালোকৰ (সৰু-সুৰা) দোষ-ত্ৰুটি মচি দিম, আৰু তোমালোকক প্ৰৱেশ কৰাম (বেহেশ্বতৰ) এক গৌৰৱময় প্ৰৱেশদুৱাৰতে।

**৩২** আৰু ঈৰ্ষা নকৰিবা যি বিষয়ৰ দ্বাৰা আল্লাহে তোমালোকৰ কোনোবাক আনৰ ওপৰত শ্ৰেষ্ঠত্ব দিছে। পুৰুষসকলৰ নিমিত্তে ভাগ ৰৈছে যি তেওঁলোকে অৰ্জন কৰে আৰু নাৰীসকলৰ নিমিত্তেও ভাগ ৰৈছে যি তেওঁলোকে অৰ্জন কৰে। কাজেই (নিজৰ প্ৰচেষ্টাৰ জৰিয়তে) আল্লাহৰ ওচৰত বিচাৰা তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা। নিশ্চয় আল্লাহ হৈছে সকলো বিষয়তে সৰ্বজ্ঞাতা।

**৩৩** আৰু প্ৰত্যেকৰে নিমিত্তে আমি উত্তৰাধিকাৰ নিৰ্ধাৰিত কৰিছো যি (সিহঁতৰ) পিতা-মাতা আৰু আত্মীয়স্বজনে ৰাখি যায়। আৰু (হে আনছাৰসকল! মক্কাৰ মুহাজিৰ) যিসকলৰ লগত তোমালোকৰ সোঁহাতৰ দ্বাৰা (ভাতৃত্বৰ) অঙ্গীকাৰ কৰিছা সেইসকলৰ ভাগ তেনেহ'লে সেইসকলক প্ৰদান কৰা। আল্লাহ নিশ্চয় সকলো বিষয়তেই সাক্ষ্যদাতা।

## পৰিচ্ছেদ - ৬

**৩৪** পুৰুষলোকেই নাৰীসকলৰ ওপৰত অৱলম্বন, যেহেতু আল্লাহে সিহঁতৰ একশ্ৰেণীক অন্য শ্ৰেণীৰ ওপৰত শ্ৰেষ্ঠত্ব দিছে, আৰু যেহেতু সিহঁতে সিহঁতৰ ধন-সম্পত্তিৰ পৰা (স্ত্ৰীলোকৰ কাৰণে) খৰচ কৰে। এতেকে সতী-সাধ্বী নাৰীসকল অনুগতা, গোপনীয়তাৰ ৰক্ষাকাৰিণী, যেনেকৈ আল্লাহে (স্বামীৰ স্বাৰ্থ) ৰক্ষা কৰিছে। আৰু যিসকল নাৰীৰ ক্ষেত্ৰত সিহঁতৰ অবাধ্যতা তোমালোকে আশঙ্কা কৰা সেইবিলাকক (প্ৰথমতঃ) উপদেশ দিয়া, আৰু (পৰৱৰ্তী

পদক্ষেপৰূপে) শয্যাত সিহঁতক অকলে পেলাই ৰাখা, আৰু (প্ৰয়োজন হ’লে) সিহঁতক (মৃদু) প্ৰহাৰ কৰা। তাৰ পাচত যদি সিহঁত তোমালোকৰ আজ্ঞা পালন কৰে তেন্তে সিহঁতৰ বিৰুদ্ধে (তালাকৰ দৰে) অন্য পথ নল’বা। নিশ্চয় আল্লাহ হৈছে সৰ্বজ্ঞাতা, মহামহিম।

**৩৫** আৰু যদি তোমালোকে(—বিচাৰকসকলে, স্বামী-স্ত্ৰী) দুজনৰ মাজত বিচ্ছেদ আশঙ্কা কৰা, তেন্তে তাৰ পৰিয়ালৰ পৰা এজন মধ্যস্থ থিয় কৰোৱা আৰু তাইৰ পৰিয়ালৰ পৰাও এজন মধ্যস্থ; যদি (ছালিচসকলৰ প্ৰচেষ্টাত) সিহঁত দুজনে মিট-মাট বিচাৰে তেন্তে আল্লাহে সিহঁতৰ মিলন ঘটাব। নিশ্চয় আল্লাহ হৈছে সৰ্বজ্ঞাতা, ওৱাকিফহাল।

**৩৬** আৰু আল্লাহৰ এবাদত কৰা, আৰু তেওঁৰ সৈতে অন্য কোনোবাক শ্বিৰিক নকৰিবা, আৰু পিতা-মাতাৰ প্ৰতি সদয় আচৰণ কৰিবা, আৰু আত্মীয়-স্বজনৰ প্ৰতি আৰু এতীমসকলৰ আৰু মিছকিন (বা নিঃকিন) বিলাকৰ, আৰু নিকট সম্পৰ্কৰ প্ৰতিবেশীৰ আৰু পৰকীয় (বা অন্য সম্প্ৰদায়ৰ) প্ৰতিবেশীৰ, আৰু পাৰ্শ্বৱৰ্তী লগৰীয়াৰ (বা সহযাত্ৰীৰ), আৰু পথচাৰীৰ, আৰু যাক তোমালোকৰ সোঁহাতে ধৰি ৰাখিছে (সেইবিলাকৰ সকলোৰে প্ৰতি সদ্ব্যৱহাৰ কৰা)। নিসন্দেহে আল্লাহে ভাল নাপায় তাক যিজন দাম্ভিক, অহঙ্কাৰী,—

**৩৭** যি (নিজে) কাৰ্পণ্য কৰে আৰু লোককো কৃপণতাৰ নিৰ্দেশ দিয়ে, আৰু লুকাই ৰাখে আল্লাহে যি সিহঁতক দিছে তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা। আৰু অবিশ্বাসীবোৰৰ কাৰণে আমি সাজু কৰিছো লাঞ্ছনাদায়ক শাস্তি;—

**৩৮** আৰু (তেওঁ ভাল নাপায়) যিবিলাকে সিহঁতৰ ধন-সম্পত্তি খৰচ কৰে মানুহক দেখুওৱাবৰ বাবে, অথচ সিহঁতে আল্লাহত বিশ্বাস নকৰে আৰু আখেৰাতৰ দিনতো নকৰে। আৰু যাৰ কাৰণে সঙ্গী হৈছে চয়তান— সি তেন্তে (অৱশ্যেই) বেয়া সঙ্গী।

**৩৯** আৰু ইয়াত সিহঁতৰ কিনো (ক্ষতি) হ’লহেঁতেন যদি সিহঁতে আল্লাহত আৰু আখেৰাতৰ দিনত ঈমান আনিলেহেঁতেন, আৰু (ভাল কামত) খৰচ কৰিলেহেঁতেন আল্লাহে সিহঁতক যি ৰিযেক দিছে তাৰ পৰা? আৰু আল্লাহ হৈছে সিহঁতৰ বিষয়ত সৰ্বজ্ঞাতা।

**৪০** প্ৰকৃততে আল্লাহে (কাৰোৱ প্ৰতি) বিন্দুমাত্ৰও অবিচাৰ নকৰে; আৰু যদি এইটো (সামান্য এটা) শুভ কাম হয় তেওঁ সেইটোক বহুগুণিত কৰে, আৰু তেওঁৰ নিজৰ তৰফৰ পৰা (সেইজনক) দিয়ে মহান পুৰস্কাৰ।

**৪১** অতএব তেতিয়া (দুষ্কৃতিকাৰীৰ পৰিণাম) কেনে হ’ব যেতিয়া প্ৰত্যেক জাতিৰ পৰা আমি এক একজন সাক্ষী (অৰ্থাৎ ৰছুল) আনিম আৰু (হে মুহাম্মদ-ছাঃ!) তোমাক আনিম এইবিলাকৰ (—এই সমুদায় জাতিৰ) সম্বন্ধে সাক্ষীৰূপে?

**৪২** সেইদিনা যিবিলাকে অবিশ্বাস কৰে আৰু ৰছুলক অমান্য কৰে সিহঁতে বিচাৰিব— সিহঁতক লৈ পৃথিৱীখন যদি সমতল হৈ গ’লহেঁতেন। আৰু সিহঁতে আল্লাহৰ পৰা কোনো কথা লুকুৱাব নোৱাৰিব।

## পৰিচ্ছেদ - ৭

**৪৩** হেৰা যিসকলে ঈমান আনিছা! নামাযৰ ওচৰ নাচাপিবা যেতিয়া তোমালোকে নিচাত বিভোৰ হৈ থাকা, যেতিয়ালৈকেনো তোমালোকে বুজা কি তোমালোকে কৈছা; অথবা যৌন সম্ভোগ কৰাৰ পৰৱৰ্তী অৱস্থাত, কিন্তু কেৱল (মছজিদ এলেকা) অতিক্ৰম কৰাৰ বাহিৰে— যতক্ষণ নেকি গোছল কৰিছা। আৰু যদি তোমালোক অসুস্থ হোৱা, অথবা ভ্ৰমণত থাকা, অথবা তোমালোকৰ কোনোবা পায়খানাৰ পৰা আহিছা, অথবা স্ত্ৰীবিলাকক স্পৰ্শ কৰিছা, আৰু যদি পানী নোপোৱা তেন্তে তৈয়ম্মুম কৰা বিশুদ্ধ মাটি লৈ আৰু (তাৰেই) তোমালোকৰ মুখমণ্ডল আৰু তোমালোকৰ হাত মচি পেলাবা। নিসন্দেহে আল্লাহ হৈছে (ভুলত্ৰুটি) মাৰ্জনাকাৰী, পৰিত্ৰাণকাৰী।

**৪৪** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ কথা ভাবি চোৱা নাইনে যিসকলক ধৰ্মগ্ৰন্থৰ কিছু অংশ দিয়া হৈছিল— সিবিলাকে (কেনেকৈ) ভুল-ভ্ৰান্তি কিনি নিয়ে, আৰু ইচ্ছা কৰে যেন তোমালোকেও (সঠিক) পথৰ পৰা ভ্ৰষ্ট হোৱা?

**৪৫** আৰু আল্লাহে ভালকৈ জানে তোমালোকৰ শত্ৰুবিলাকক। আৰু আল্লাহেই মুৰব্বীৰূপে যথেষ্ট, আৰু আল্লাহেই যথেষ্ট সহায়কৰূপে।

**৪৬** যিবিলাকে ইহুদী মত পোষণ কৰে সিহঁতৰ মাজৰ কোনো কোনোৱে (আল্লাহৰ) বাণীবিলাক সিবিলাকৰ (যথাৰ্থ) স্থানৰ পৰা আঁতৰাই দিয়ে, আৰু কয়— ‘আমি শুনিছো’, আৰু (ফুচফুচকৈ কয়) ‘আমি অমান্য কৰিছো’; আৰু (মুহাম্মদ-ছাঃ-ক মাতি কয়) ‘শুনা’ (আৰু সৰুকৈ কয়) ‘—নুশুনাকৈ (বধিৰৰ দৰে)’; আৰু “ৰ্’ইৰ্না” (যাৰ অৰ্থ “আমাৰ ফালে শুনক”, কিন্তু ইহুদীবিলাকে) সিহঁতৰ জিভাৰ দ্বাৰা বিকৃত কৰি (মুহাম্মদ-ছাঃ-ক কয় “ৰা’ইনা”, অৰ্থাৎ “তুমি এটা নিৰ্বোধ”); আৰু ধৰ্মক লৈ (তোমাক) বিদ্ৰূপ কৰে। আৰু যদি সিহঁতে ক’লেহেঁতেন— ‘আমি শুনিছো আৰু আমি মান্য কৰিছো, আৰু শুনক আৰু “উনজুৰ্না” (বা আমাৰ পিনে চাওক) তেনেহ’লে সেইটো সিহঁতৰ পক্ষে বেচি ভাল আৰু বেচি ন্যায়সঙ্গত হ’লহেঁতেন। কিন্তু আল্লাহে সিহঁতক বঞ্চিত কৰিছে সিহঁতৰ অবিশ্বাসৰ কাৰণে; ফলত সিহঁতে ঈমান নানে অলপ (কেইজন) মানৰ বাহিৰে।

**৪৭** হেৰা যিসকলক ধৰ্মগ্ৰন্থ দিয়া হৈছে! তোমালোকে ঈমান আনা তাত যি আমি (এতিয়া) অৱতাৰণ কৰিছো, তোমালোকৰ ওচৰত (ভৱিষ্যৎবাণী) যি আছে তাৰ সত্য সমৰ্থনৰূপে, (তোমালোকৰ) মুখপাত্ৰবিলাকক বিধ্বস্ত কৰাৰ আৰু সিহঁতৰ পিচৰ ফাললৈ সিহঁতক হেঁাহকি নিয়াৰ অথবা সিহঁতক বঞ্চিত কৰাৰ পূৰ্বে, যেনেকৈ আমি বঞ্চিত কৰিছিলো ছাব্বাতৰ অনুগামীসকলক। আৰু আল্লাহৰ হুকুম অৱশ্যে কাৰ্যকৰী হ’ব।

**৪৮** নিশ্চয় আল্লাহে ক্ষমা নকৰিব যে তেওঁৰ সৈতে কাৰোবাক শ্বিৰিক কৰা হওক, আৰু ইয়াৰ বাহিৰে আন সকলো (ভুল-ভ্ৰান্তি-পাপাচাৰ) তেওঁ ক্ষমা কৰে— যাৰ নিমিত্তে তেওঁ ইচ্ছা কৰে। আৰু যি কোনোবাই আল্লাহৰ সৈতে (অন্য উপাস্য) শ্বিৰিক কৰে সেইজনে তেনেহ’লে উদ্ভাৱন কৰিছে বিৰাট পাপ।

৪৯ (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ ফালে চাই দেখা নাইনে যিবিলাকে নিজৰ প্ৰতি পৱিত্ৰতা আৰোপ কৰে? নহয়, আল্লাহে পৱিত্ৰ কৰে যাকে তেওঁ পছন্দ কৰে। আৰু সিহঁতক অন্যায় কৰা নহ’ব খেজুৰ-বিচিৰ-পাতল-আৱৰণ পৰিমাণো।

৫০ চোৱা, কেনেকৈ সিহঁতে আল্লাহৰ বিৰুদ্ধে মিছা ৰটনা কৰে। আৰু স্পষ্ট পাপ হিচাপে এইটোৱেই যথেষ্ট।

## পৰিচ্ছেদ - ৮

৫১ (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ কথা ভাবি চোৱা নাইনে, যিবিলাকক ধৰ্মগ্ৰন্থৰ কিছু অংশ দিয়া হৈছিল, যিবিলাকে বিশ্বাস কৰে তন্ত্ৰ-মন্ত্ৰত আৰু তাগুতত, আৰু যিবোৰে অবিশ্বাস পোষণ কৰে সিবিলাকৰসম্বন্ধে যিবিলাকে কয়— “যিসকলে ঈমান আনিছে সিহঁততকৈ এওঁলোকেই (সঠিক) পথত অধিকতৰ সুপথগামী?”

৫২ ইহঁতেই সেইসকল যিবিলাকক আল্লাহে বঞ্চিত কৰিছে। আৰু যাকে আল্লাহে বঞ্চিত কৰে তাৰ নিমিত্তে তুমি কোনো সাহায্যকাৰী নাপাবা।

৫৩ অথবা, সিহঁতৰ কোনো ভাগ আছে নেকি (দুনিয়াৰ আৰু আখেৰাতৰ) সাম্ৰাজ্যত? হ’লেও কিন্তু সিহঁতে লোকসকলক নিদিয়ে খেজুৰ-বিচিৰ-ছালটো পৰ্যন্ত;

৫৪ অথবা সিহঁতে লোকসকলক (যথা আৰববাসী ইছমাইলীয়সকলক) ঈৰ্ষা কৰেনে আল্লাহে তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা এওঁলোকক যি (প্ৰাধান্য) দিছে সেইকাৰণে? তেন্তে আমি নিশ্চয়কৈ ইব্ৰাহীমৰ (উভয় শাখাৰ) বংশধৰক দিছো ধৰ্মগ্ৰন্থ আৰু জ্ঞান-বিজ্ঞান, আৰু আমি তেওঁলোকক দিছো এক বিশাল ৰাজত্ব।

৫৫ এতেকে সিহঁতৰ (অৰ্থাৎ ইব্ৰাহীম-আঃ-ৰ বংশৰ উভয় শাখাৰ) মাজত আছে সেইজন যিয়ে তেওঁৰ প্ৰতি ঈমান আনিছে, আকৌ সিহঁতৰ মাজত সিও আছে যিয়ে (বিদ্বেষ বশতঃ) তেওঁৰ পৰা ফিৰি যায়। আৰু (অবিশ্বাসীবিলাকৰ কাৰণে) জ্বলন্ত জুইৰূপে জাহান্নামেই যথেষ্ট।

৫৬ যিবিলাকে আমাৰ নিৰ্দেশাৱলীত অবিশ্বাস পোষণ কৰে নিশ্চয় সিহঁতক আমি অচিৰেই (দুযখৰ) জুইত প্ৰৱেশ কৰাম। যিমানবাৰ সিহঁতৰ ছাল পুৰি ছাৰখাৰ হ’ব সিমানবাৰ আমি সিহঁতৰ বাবে বদলাই দিম তাৰ পৰিৱৰ্তে বেলেগ ছাল, যাতে সিহঁতে শাস্তিৰ সোৱাদ লৈ থাকিব পাৰে। নিসন্দেহে আল্লাহ হৈছে মহাশক্তিশালী, পৰমজ্ঞানী।

৫৭ আৰু যিসকলে ঈমান আনে আৰু সৎকাম কৰে তেওঁলোকক আমি শীঘ্ৰেই প্ৰৱেশ কৰাম স্বৰ্গোদ্যানসমূহত, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবিলাক, তাতে তেওঁলোক থাকিব চিৰকাল। তেওঁলোকৰ কাৰণে ইয়াৰ মাজত থাকিব পৱিত্ৰ লগ-লগৰীয়া, আৰু তেওঁলোকক আমি প্ৰৱেশ কৰাম ঘন ছাঁত।

৫৮ আল্লাহ নিশ্চয় তোমালোকক আদেশ কৰিছে যেন তোমালোকে (নিজৰ দখলত থকা) আমানত সিহঁতৰ (যোগ্য) বাসিন্দাবিলাকক সমৰ্পণ কৰা; আৰু যেতিয়া তোমালোকে বিচাৰ-আচাৰ কৰা তেতিয়া যেন ন্যায়পৰায়ণতাৰ সৈতে বিচাৰ কৰা। নিসন্দেহে আল্লাহে তোমালোকক যি উপদেশ দি আছে সি অতি উত্তম। নিশ্চয় আল্লাহ হৈছে সৰ্বশ্ৰোতা, সৰ্বদৰ্শী।

৫৯ হেৰা যিসকলে ঈমান আনিছা! আল্লাহকে অনুসৰণ কৰা, আৰু ৰছুলক অনুগমন কৰা, আৰু তোমালোকৰ মাজৰ যিসকলৰ হুকুম দিয়াৰ ভাৰ আছে তেওঁলোকক অনুসৰণ কৰা। তাৰ পিছত যদি কোনো বিষয়ত তোমালোকে মতভেদ কৰা তেন্তে সেইটো পেচ কৰা আল্লাহ আৰু ৰছুলৰ ওচৰত যদি তোমালোক (সঁচাকৈ) আল্লাহৰ আৰু আখেৰাতৰ দিনত বিশ্বাস কৰি থাকা। এইটোৱেই হৈছে শ্ৰেষ্ঠ আৰু সৰ্বাঙ্গসুন্দৰ সমাপ্তিকৰণ।

## পৰিচ্ছেদ - ৯

৬০ (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ ফালে ভাবি চোৱা নাইনে যিবিলাকে ভাও ধৰে যে সিহঁতে বিশ্বাস কৰে যি তোমাৰ ওচৰত অৱতীৰ্ণ হৈছে আৰু যি তোমাৰ পূৰ্বৱৰ্তীসকলৰ ওচৰত অৱতীৰ্ণ হৈছিল, (অথচ আচলতে) সিহঁতে বিচাৰ কৰিবলৈ চায় তাগুতৰ পৰা, যদিও নিশ্চয় সিহঁতক নিৰ্দেশ দিয়া হৈছিল তাক (—তাগুত বা চয়তানবিলাকক) অস্বীকাৰ কৰিবলৈ? আৰু চয়তানে বিচাৰে সিহঁতক সুদূৰ বিপথে পথহাৰা কৰিবলৈ।

৬১ আৰু যেতিয়া কোৱা হয়— “আল্লাহে যি নাযিল কৰিছে তাৰ ফাললৈ আৰু ৰছুলৰ ফালে আহাঁ”, তুমি দেখিবলৈ পাবা মুনাফিকবিলাকে তোমাৰ ওচৰৰ পৰা ফিৰি গৈছে বিতৃষ্ণাৰ সৈতে।

৬২ কিন্তু কেনে হ’ব (সেই অৱস্থা) যেতিয়া সিহঁতৰ ওপৰত কোনো বিপদ আহি পৰিব যি সিহঁতৰ (নিজ) হাত আগবঢ়াইছে সেই কাৰণে? তেতিয়া সিহঁত তোমাৰ ওচৰলৈ আহিব আল্লাহৰ নামত হলপ কৰি (আৰু ক’ব)— “আমি কিন্তু চাইছো কল্যাণ আৰু সদ্ভাৱৰ বাহিৰে আন একো নহয়।”

৬৩ এইবিলাকেই সিহঁত যিবিলাকৰ সম্বন্ধে আল্লাহে জানে কি আছে সিহঁতৰ অন্তৰত। এতেকে সিহঁতৰ পৰা আঁতৰি যোৱা, হ’লেও সিহঁতক উপদেশ দিয়া আৰু সিহঁতৰ নিজৰ সম্বন্ধে সিহঁতক কোৱা মৰ্মস্পৰ্শী কথা।

৬৪ আৰু আমি কোনো ৰছুল পঠোৱা নাই তেওঁলোকক আল্লাহৰ হুকুমত অনুসৰণ কৰিবৰ কাৰণে ব্যতিৰেকে। আৰু সিহঁতে যদি, যেতিয়া সিহঁতে নিজৰ প্ৰতি অন্যায় কৰিছিল তেতিয়া, তোমাৰ ওচৰত আহিলেহেঁতেন আৰু আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলেহেঁতেন, আৰু ৰছুলেও যদি সিহঁতৰ কাৰণে ক্ষমা বিচাৰিলেহেঁতেন, তেন্তে সিহঁতে আল্লাহক পালেহেঁতেন (ক্ষমাৰ ভঁৰাল লৈ) বাৰম্বাৰ প্ৰত্যাৱৰ্তনকাৰী, অফুৰন্ত ফলদাতা।

**৬৫** কিন্তু নহয়, তোমাৰ খোদাৰ কছম! সিহঁতে (পৰিপূৰ্ণ) ঈমান নানে যেতিয়ালৈকে সিহঁতে তোমাক বিচাৰক মনোনীত নকৰে য'ত সিহঁতে পৰস্পৰৰ মাজত মতবিৰোধ কৰে, তাৰ পিছত (তোমাৰ প্ৰতি পূৰা আস্থা স্থাপনৰ ফলত) নিজৰ অন্তৰত কোনো বেমেজালি নাপায় তুমি যি মীমাংসা কৰা সেইসম্বন্ধে, আৰু সিহঁতে (তোমাৰ সিদ্ধান্তত) আত্মসমৰ্পণ কৰে পূৰ্ণ সমৰ্পণৰ সৈতে।

**৬৬** আৰু আমি যদি সিহঁতৰ নিমিত্তে বিধান কৰিলোহেঁতেন, যেনে— "(সত্যৰ নিমিত্তে) তোমালোকে নিজৰ জীৱন বিসৰ্জন কৰা", অথবা "তোমালোকৰ বাৰী-ঘৰৰ পৰা ওলাই যোৱা (আমাৰ পথত কাম কৰিবৰ নিমিত্তে)"— সিহঁতে সেইটো নকৰে সিহঁতৰ মাজৰ মাত্ৰ কেইজনমানৰ বাহিৰে। আৰু (এতিয়াও) যদি সিহঁতে সেইটো কৰিলেহেঁতেন যি বিষয়ত সিহঁতক উপদেশ দিয়া হৈছিল, তেন্তে সিহঁতৰ কাৰণে সেইটো হ'লহেঁতেন বহু ভাল আৰু বেচি শক্তিদায়ক।

**৬৭** আৰু তেনেহলে আমাৰ তৰফৰ পৰা আমি নিশ্চয় সিহঁতক দিলোহেঁতেন বিৰাট পুৰস্কাৰ;

**৬৮** আৰু নিশ্চয় সিহঁতক পৰিচালিত কৰিলোহেঁতেন সঠিক পথত।

**৬৯** আৰু যি কোনোবাই আল্লাহৰ আৰু ৰছুলৰ আজ্ঞা পালন কৰে, এওঁলোকেই তেনেহলে তেওঁলোকৰ লগৰীয়া যিসকলৰ ওপৰত আল্লাহে নিয়ামত প্ৰদান কৰিছে; (আৰু নিয়ামতপ্ৰাপ্ত লোক হৈছে) নবীসকলৰ পৰা, আৰু সত্যপৰায়ণসকলৰ, আৰু (ইছলামৰ সত্যতাত) সাক্ষ্যদাতাসকলৰ, আৰু সৎকৰ্মীসকলৰ পৰা; আৰু এওঁলোকেই হৈছে সৰ্বাঙ্গসুন্দৰ বন্ধুবৰ্গ।

**৭০** এয়ে হৈছে আল্লাহৰ পৰা অপাৰ কৰুণা! আৰু সৰ্বজ্ঞাতাৰূপে আল্লাহেই যথেষ্ট।

## পৰিচ্ছেদ - ১০

**৭১** হেৰা যিসকলে ঈমান আনিছা! (যুদ্ধ যাত্ৰাৰ আগে) নিজৰ সতৰ্কতামূলক সাজ-সৰঞ্জাম লোৱা, তাৰ পিছত বেলেগ বেলেগ দল হৈ ওলাই যোৱা অথবা আগবাঢ়ি যোৱা দলবদ্ধভাৱে।

**৭২** আৰু প্ৰকৃততে তোমালোকৰ মাজত এনেকুৱা লোক আছে যি পাচত পৰি থাকে; তাৰ পিছত তোমালোকৰ ওপৰত যদি কোনো দুৰ্ঘটনা ঘটি যায় সি কয়— "আল্লাহে নিশ্চয় মোৰ ওপৰত অনুগ্ৰহ কৰিছে যে মই সিহঁতৰ লগত (এই দুৰ্দশাৰ) চাক্ষুষকাৰী নাছিলো।"

**৭৩** আৰু যদি আল্লাহৰ ফালৰ পৰা তোমালোকৰ ওচৰত কৰুণাভাণ্ডাৰ আহি পৰে তেতিয়া, যেন তোমালোকৰ মাজত আৰু তাৰ মাজত কেনো বন্ধুত্বই নাছিল এনেভাৱে সি কৈ উঠে— "অস্ অস্! মই যদি সিহঁতৰ লগত থাকিলোহেঁতেন তেন্তে বিৰাট সাফল্যত সফলকাম হ'ব পাৰিলোহেঁতেন।"

**৭৪** এতেকে (কেৱল) এওঁলোকেই আল্লাহৰ পথত যুদ্ধ কৰক যিসকলে এই দুনিয়াৰ জীৱন পৰকালৰ কাৰণে বিক্ৰয় কৰি দিয়ে। আৰু যি কোনোবাই আল্লাহৰ পথত যুদ্ধ কৰে, তেওঁ নিহত হওক বা বিজয়ী হওক শীঘ্ৰেই তেওঁক আমি দিম বিৰাট পুৰস্কাৰ।

**৭৫** আৰু তোমালোকৰ (এনে কাৰণ) কি আছে যে তোমালোকে আল্লাহৰ পথত যুদ্ধ নকৰিবা, অথচ পুৰুষবিলাকৰ মাজৰ দুৰ্বলবিলাকে আৰু স্ত্ৰীলোকসকলে আৰু ল'ৰা-ছোৱালীবিলাকে যিবিলাকে (অত্যাচাৰত জৰ্জৰিত) কৈছে! "আমাৰ প্ৰভু! আমাক (মক্কাৰ) এই বসতিৰ পৰা বাহিৰলৈ লৈ ব'লা যাৰ অধিবাসীবোৰ অত্যাচাৰী; আৰু তোমাৰ ওচৰৰ পৰা আমাৰ কাৰণে এজন ৰক্ষাকাৰী বন্ধু দিয়া, আৰু তোমাৰ ওচৰৰ পৰা আমাক দিয়া এজন সাহায্যকাৰী।"

**৭৬** যিসকলে ঈমান আনিছে সেইসকলে যুদ্ধ কৰে আল্লাহৰ পথত, আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে তাগুতৰ পথত যুদ্ধ কৰে; এতেকে চয়তানৰ সাঙ্গোপাঙ্গবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা। বাস্তৱতে চয়তানৰ চক্ৰান্ত চিৰ দুৰ্বল।

## পৰিচ্ছেদ - ১১

**৭৭** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ ফালে চাই দেখা নাইনে যিসকলক কোৱা হৈছিল— "তোমালোকৰ হাত গুটিয়াই ৰাখা, আৰু নামায কায়েম কৰা, আৰু যাকাত আদায় কৰা।" কিন্তু যেতিয়া সিহঁতৰ নিমিত্তে যুদ্ধৰ বিধান দিয়া হ'ল তেতিয়া, আশ্চৰ্য! সিহঁতৰ একদলে মানুহক ভয় কৰিবলৈ ধৰিলে যেনে উচিত আছিল আল্লাহকহে ভয় কৰা,— অথবা তাতকৈও বেচি ভয়, আৰু ক'লে— "আমাৰ প্ৰভু! কিয়নো তুমি আমাৰ নিমিত্তে যুদ্ধৰ বিধান কৰিলা? তুমি আমাক অলপ কালৰ কাৰণে বিৰাম নিদিবানে?" (হে মুহাম্মদ-ছাঃ! সিহঁতক) কোৱা— "এই দুনিয়াৰ আয়োজন অলপ-অচৰপ, আৰু পৰকাল হৈছে যোনে (আল্লাহক) ভয় কৰে তাৰ কাৰণে উৎকৃষ্টতৰ। আৰু (কৰ্মফল দিয়াৰ বেলিকা) তোমালোকক অন্যায় কৰা নহ'ব খেজুৰ-বিচিৰ-পাতলা-পৰত পৰিমাণো।

**৭৮** "য'তেই তোমালোক থাকা মৃত্যুৱে তোমালোকক ধৰিবই, যদিওবা তোমালোক মজবুত দুৰ্গত অৱস্থান কৰা।" আৰু যদি ভাল কিবা সিহঁতৰ প্ৰতি ঘটে সিহঁতে কয়— "এইটো আল্লাহৰ তৰফৰ পৰা।" আৰু যদি বেয়া কিবা সিহঁতৰ প্ৰতি ঘটে সিহঁতে কয়— "এইটো তোমাৰ ওচৰৰ পৰা।" তুমি কোৱা— "সকলোৱেই আল্লাহৰ ওচৰৰ পৰা।" কিন্তু কি হৈছে এই লোকবিলাকৰ, এইবিলাকে কথাখিনি বুজিবৰ কোনো চেষ্টা নকৰে?

**৭৯** (হে মানৱ!) ভাল যিকিবা তোমাৰ ঘটে সেইটো কিন্তু আল্লাহৰ ফালৰ পৰা, আৰু বেয়া বিষয়ৰ পৰা যিকিবা তোমাৰ ঘটে সেইটো কিন্তু তোমাৰ নিজৰ পৰাই। আৰু (হে মুহাম্মদ-ছাঃ!) আমি তোমাক মানৱ সমাজৰ নিমিত্তে ৰছুলৰূপে পঠিয়াইছো। আৰু সাক্ষীৰূপে আল্লাহেই যথেষ্ট।

**৮০** যি কোনোবাই ৰছুলৰ আজ্ঞা পালন কৰে তেওঁ অৱশ্যেই আল্লাহৰ আজ্ঞা পালন কৰে। আৰু যি কোনোবাই (ৰছুলৰ পথনিৰ্দেশৰ পৰা) উভতি যায়— আমি তেন্তে তোমাক সিহঁতৰ ওপৰত ৰক্ষাকৰ্তাৰূপে পঠোৱা নাই।

**৮১** আৰু সিহঁতে কৈ ফুৰে— "আজ্ঞানুবৰ্তিতা", কিন্তু যেতিয়া সিহঁত তোমাৰ সন্মুখৰ পৰা আঁতৰি যায়, সিহঁতৰ এদলে ৰাত্ৰিকালত কু-পৰামৰ্শ কৰে তুমি যি কৈছা তাৰ ওলোটাভাৱে। আৰু আল্লাহে লিখি ৰাখে যি সিহঁতে নিশাকালত মন্ত্ৰণা কৰে; এতেকে সিহঁতৰ পৰা ফিৰি যোৱা আৰু আল্লাহৰ ওপৰত ভৰসা কৰা। আৰু ৰক্ষাকাৰীৰূপে আল্লাহেই যথেষ্ট।

**৮২** কি! সিহঁতে কি তেন্তে কুৰআন সম্বন্ধে চিন্তা নকৰে? বস্তুতঃ সেইটো যদি আল্লাহৰ পৰিৱৰ্তে অন্য কাৰোবাৰ ওচৰৰ পৰা (সংকলিত) হ'লহেঁতেন তেন্তে তাত নিশ্চয় সিহঁতে পালেহেঁতেন প্ৰচুৰ গৰমিল।

**৮৩** আৰু যেতিয়া সিহঁতৰ ওচৰত নিৰাপত্তাৰ অথবা ভয়ৰ কোনো বিষয় আহে, সিহঁতে সেইটো প্ৰচাৰ কৰে। আৰু যদি সিহঁতে সেইটো ৰছুলৰ আৰু সিহঁতৰ মাজৰে কৰ্তৃপক্ষৰ গোচৰলৈ আনিলেহেঁতেন তেন্তে সিহঁতৰ মাজৰ যিসকলক ইয়াৰ তদন্ত কৰাৰ কথা তেওঁলোকে সেইটো জানিব পাৰিলেহেঁতেন। আৰু যদি আল্লাহৰ কল্যাণ আৰু তেওঁৰ ৰহমত তোমালোকৰ ওপৰত নাথাকিলহেঁতেন তেনেহ'লে তোমালোকে অৱশ্যেই চয়তানৰ তাবেদাৰি কৰিলাহেঁতেন— অলপ (কেইজন) মানৰ বাহিৰে।

**৮৪** এতেকে যুদ্ধ কৰা আল্লাহৰ পথত; (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওপৰত তোমাৰ নিজৰ বাহিৰে (আনৰ দায়িত্ব) চপোৱা হোৱা নাই, আৰু বিশ্বাসীসকলক (আত্মৰক্ষাৰ কাৰণে অস্ত্ৰ হাতত ল'বলৈ) উদ্বুদ্ধ কৰা। হ'ব পাৰে যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ হিংস্ৰতা আল্লাহে বন্ধ কৰিব। আৰু আল্লাহ বিক্ৰমত কঠোৰতৰ, আৰু লক্ষণীয় শাস্তিদানত আৰু কঠোৰ।

**৮৫** যি কোনোবাই ওকালতি কৰে সুন্দৰ ওকালতিত, তাৰ কাৰণে ভাগ থাকিব তাৰ পৰা; আৰু যি কোনোবাই ছোপাৰিচ কৰে বেয়া ওকালতিত, তাৰ কাৰণে (পাপৰ) বোজা থাকিব তাৰ পৰা। আৰু আল্লাহ হৈছে সকলো বিষয়ৰ নিয়ন্ত্ৰণকাৰী।

**৮৬** আৰু যেতিয়া তোমালোকক প্ৰীতি-সম্ভাষণেৰে সম্ভাষিত কৰা হয় তেতিয়া তাতকৈয়ো ভাল সম্ভাষণ কৰা, নাইবা সেইটোহে ফিৰাই দিয়া। নিসন্দেহে আল্লাহ হৈছে সকলো বিষয়ৰ হিচাপ ৰক্ষক।

**৮৭** আল্লাহ— তেওঁৰ বিনে কোনো উপাস্য নাই। তেওঁ নিশ্চয় তোমালোকক সমবেত কৰিব কিয়ামতৰ দিনত— কোনো সন্দেহ নাই তাত। আৰু কথা ৰখাৰ বেলিকা আল্লাহতকৈ কোন বেচি সত্যনিষ্ঠ?

## পৰিচ্ছেদ - ১২

**৮৮** তোমালোকৰ তেন্তে কি হৈছে যে মুনাফিকবিলাকৰ ক্ষেত্ৰত তোমালোক দুদল হৈছা, অথচ আল্লাহে সিহঁতক আঁতৰ কৰিছে, সিহঁতে (বিশ্বাসঘাতকতা কৰি) যি অৰ্জন কৰিছে সেইকাৰণে? তোমালোকে কি সেইজনক পথপ্ৰদৰ্শন কৰিব বিচৰা যিজনক আল্লাহে পথভ্ৰষ্ট হ'বলৈ দিছে? আৰু আল্লাহে যাক পথভ্ৰষ্ট হ'বলৈ দিয়ে তাৰ কাৰণে তুমি একোতেই পথ বিচাৰি নাপাবা।

**৮৯** সিহঁতে বিচাৰে যে তোমালোকেও (—মুছলিমসকলেও) যেন অবিশ্বাস পোষণ কৰা যেনেকৈ সিহঁতে অবিশ্বাস কৰে, যাতে তোমালোক সকলোৱেই একে ধৰনৰ হ'ব পাৰা। সেইদেখি সিহঁতৰ মাজৰ পৰা কাকোৱেই বন্ধু বুলি নলবা যেতিয়ালৈকেনেকি সিহঁতেও আল্লাহৰ পথত গৃহত্যাগ কৰে। কিন্তু সিহঁত যদি (শত্ৰুতাত) উভতি যায় তেনেহ'লে সিহঁতক ধৰা আৰু বধ কৰা য'তেই সিহঁতক পোৱা; আৰু সিহঁতৰ পৰা কাকোৱেই মুৰব্বীৰূপে নল'বা, আৰু সাহায্যকাৰীৰূপেও নহয়,—

**৯০** সিহঁতক এৰি যিবিলাকে এনে লোকবিলাকৰ সৈতে দল বান্ধে যিবিলাকৰ মাজত আৰু তোমালোকৰ মাজত (শান্তিৰক্ষাৰ) অঙ্গীকাৰ ৰৈছে, অথবা (যিবিলাক) তোমালোকৰ ওচৰলৈ (বশ্যতাস্বীকাৰ কৰি) আহে— যিবিলাকৰ হৃদয় সংকুচিত হৈছে তোমালোকৰ লগত যুদ্ধ কৰিবলৈ অথবা সিহঁতৰ লোকবিলাকৰ লগত যুদ্ধ কৰিবলৈ। আৰু যদি আল্লাহে ইচ্ছা কৰিলেহেঁতেন তেন্তে তেওঁ তোমালোকৰ ওপৰত সিহঁতক বলীয়ান্ কৰিলেহেঁতেন, তাৰ ফলত সিহঁতে নিশ্চয় তোমালোকৰ সৈতে যুদ্ধ কৰিলেহেঁতেন। কাজেই যদি সিহঁতে তোমালোকৰ পৰা আঁতৰি যায় আৰু তোমালাকৰ সৈতে যুদ্ধ নকৰে, বৰঞ্চ তোমালোকৰ প্ৰতি শান্তি-চুক্তি দাঙি ধৰে, তেনেহ'লে সিহঁতৰ বিৰুদ্ধে (সংগ্ৰামৰ) কোনো পথ তোমালোকৰ কাৰণে আল্লাহে নিৰ্ধাৰণ কৰা নাই।

**৯১** তোমালোকে অন্যবিলাককো পাবা যিবিলাকে বিচাৰে তোমালোকৰ পৰা নিৰাপদে আৰু সিহঁতৰ লোকবিলাকৰ পৰাও নিৰাপদে থাকিবলৈ। (কিন্তু) যেতিয়াই (মুছলিমৰ প্ৰতি) বিৰুদ্ধাচৰণ কৰিবলৈ সিহঁতক ওলোটাই নিয়া হয় সিহঁতে তাতে মগ্ন হয়; গতিকে সিহঁতে যদি তোমালোকৰ (বিৰুদ্ধাচৰণৰ) পৰা আঁতৰি নাযায়, বা তোমালোকৰ প্ৰতি শান্তি-চুক্তি পেশ নকৰে, বা সিহঁতৰ হাত (অস্ত্ৰ ধাৰণৰ পৰা) চপাই নাৰাখে, তেন্তে সিহঁতক ধৰা আৰু সিহঁতক হত্যা কৰা য'তেই সিহঁতক পোৱা। আৰু এইবিলাকেই— ইহঁতৰ বিৰুদ্ধে (যুদ্ধ কৰিবলৈ) তোমালোকক আমি স্পষ্ট কৰ্তৃত্ব দিছো।

## পৰিচ্ছেদ - ১৩

**৯২** আৰু এজন মুমিনৰ কাৰণে সঙ্গত নহয় যে ভুলবশতঃ আন এজন মুমিনক তেওঁ হত্যা কৰিব, আৰু যিকোনোবাই এজন মুমিনক ভুল কৰি হত্যা কৰিব তেনেহ'লে (সেইজনে) এজন মুমিন দাসক মুক্ত কৰিব লাগিব আৰু তাৰ লোকসকলক হত্যাৰ ক্ষতিপূৰণ আদায় কৰিব, যদিনা সিহঁতে (সেই ক্ষতিপূৰণ) দানৰূপে মাফ কৰি দিয়ে। কিন্তু যদি সেইজন তোমালোকৰ শত্ৰুপক্ষীয় দলৰ পৰা হয় আৰু সেইজন মুমিন হয় তেন্তে এজন মুমিন দাসক মুক্ত কৰিব লাগিব। আৰু যদি সেইজন এনে দলৰ লোক হয় যে তোমালোকৰ মাজত আৰু সিহঁতৰ মাজত (সহাৱস্থানৰ) অঙ্গীকাৰ ৰৈছে তেনেহ'লে তাৰ লোকসকলক হত্যাৰ ক্ষতিপূৰণ আদায় কৰিব লাগিব আৰু মুক্ত কৰিব লাগিব এজন মুমিন দাসক। কিন্তু যি (তেনে দাস বা দাসমুক্তিদানৰ অৰ্থ)

নাপায় তেন্তে (তাৰ কাৰণে) একেৰাহে দুমাহ ৰোযা— (এয়ে হৈছে) আল্লাহৰ পৰা প্রায়শ্চিত্ত। আৰু আল্লাহ হৈছে সর্বজ্ঞাতা, পৰমজ্ঞানী।

**৯৩** আৰু যিয়ে ইচ্ছাকৃতভাৱে এজন মুমিনক হত্যা কৰে, তাৰ তেনেহ’লে পৰিণতি হৈছে জাহান্নাম, তাতে সি থাকিব দীর্ঘকাল, আৰু তাৰ ওপৰত আহিব আল্লাহৰ গযব আৰু তেওঁৰ লানৎ, আৰু তাৰ নিমিত্তে তেওঁ সাজু ৰাখিছে কঠোৰ শাস্তি।

**৯৪** হেৰা যিসকলে ঈমান আনিছা! তোমালোকে যেতিয়া আল্লাহৰ পথত যাত্রা কৰা, তেতিয়া পৰিষ্কাৰ কৰি লোৱা (কোন কোন গোত্র শত্রুভাৱাপন্ন), আৰু যিয়ে তোমালোকৰ প্রতি (ইছলামী প্রথাত) ‘ছালাম’ জনায় সেইজনক নক’বা— “তুমি মুমিন নোহোৱা।” তোমালোকে এই দুনিয়াৰ জীৱনৰ সম্পদকে বিচাৰিছানে (যেন যধে-মধে লোকক শত্রুপক্ষীয় ভাবি মাৰিবা আৰু তাৰ সা-সম্পত্তি আত্মসাৎ কৰিবা)? কিন্তু আল্লাহৰ ওচৰত আছে প্রচুৰ ধন-দৌলত। ইতিপূর্বে তোমালোকো এনেকুৱা (অবিশ্বাসী) আছিলা, কিন্তু আল্লাহে তোমালোকৰ হিত সাধন কৰিছে (বুলিয়েই তোমালোক মুছলিম হৈছা); গতিকে (কাৰোবাক আক্রমণ কৰাৰ আগতে) পৰিষ্কাৰ কৰি লোৱা (সেইজন শত্রু হয় নে নহয়)। তোমালোকে যি কৰা আল্লাহ নিশ্চয় তাৰ খবৰ ৰাখোঁতা।

**৯৫** সমতুল্য নহয় মুমিনসকলৰ মাজৰ যিসকল (জিহাদৰ সময়ত) বহি-থকা লোক— কোনো ঘা-জখম নাথাকাতেও, আৰু যিসকল আল্লাহৰ পথত তেওঁলোকৰ ধন-সম্পত্তি আৰু নিজৰ জান-প্রাণ দি জিহাদকাৰী (বা সংগ্রামী)। নিজ নিজ সা-সম্পদ আৰু আপোন প্রাণ দি জিহাদকাৰীসকলক আল্লাহে মাহাত্ম্য দিছে বহি-থকা লোকসকলৰ ওপৰত পদমর্যাদাত। আৰু আল্লাহে সকলোকে কল্যাণদানৰ অঙ্গীকাৰ কৰিছে। আৰু মুজাহিদসকলক আল্লাহে মহাত্ম্য দিছে বহি-থকা লোকবিলাকতকৈ বিৰাট পুৰস্কাৰ দানেৰে—

**৯৬** তেওঁৰ ওচৰৰ পৰা বহুতো পদমর্যাদায়, আৰু পৰিত্রাণেৰে, আৰু করুণাধাৰাৰে। আৰু আল্লাহ হৈছে পৰিত্রাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৪

**৯৭** নিসন্দেহে ফিৰিশ্বতাসকলে যিসকলৰ মৃত্যু ঘটায় (আৰু) যিসকল আছিল নিজৰেই প্রতি অন্যায়কাৰী, তেওঁলোকে (অর্থাৎ ফিৰিশ্বতাসকলে, সিহঁতক) ক’ব— “তোমালোক কেনে অৱস্থাত পৰি ৰৈছিলা?” সিহঁতে ক’ব— “আমি দুনিয়াত দুর্বল আছিলো।” তেওঁলোকে ক’ব— “আল্লাহৰ পৃথিৱী প্রশস্ত নাছিলনে যাৰ ফলত তোমালোকে তাত হিজৰত কৰিব পাৰিলাহেঁতেন?” এতেকে এইবিলাক— ইহঁতৰ বাসস্থান হৈছে জাহান্নাম আৰু বেয়া সেই আশ্রয়স্থল;—

**৯৮** হ’লেও পুৰুষবিলাকৰ আৰু স্ত্রীবিলাকৰ আৰু সতি-সন্ততিবিলাকৰ মাজৰ দুর্বল লোকবিলাক ব্যতীত, যিবিলাকৰ কোনো সামর্থ্য নিজৰ ক্ষমতাত নাই, আৰু যিবিলাকে পথ বিচাৰি পোৱা নাই;

**৯৯** এতেকে এওঁলোকৰ ক্ষেত্রত— আশা হৈছে যে আল্লাহে এওঁলোকক ক্ষমা কৰিব আৰু আল্লাহ হৈছে ক্ষমাশীল, পৰিত্রাণকাৰী।

**১০০** আৰু যিয়েই আল্লাহৰ পথত হিজৰত কৰিব সি পৃথিৱীত পাব বহু আশ্রয়স্থল আৰু প্রাচুর্য! আৰু যি কোনোবাই তাৰ বাৰীঘৰৰ পৰা আল্লাহ আৰু তেওঁৰ ৰছূলৰ কাৰণে হিজৰত কৰি ওলাই আহে, তাৰ পিছত মৃত্যুৱে তেওঁক গ্রাস কৰে, তেনেহ’লে তেওঁৰ প্রতিদান নিশ্চয় আল্লাহৰ ওচৰত মজুত ৰৈছে! আৰু আল্লাহ হৈছে (ত্রুটি-বিচ্যুতিৰ পৰা) পৰিত্রাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৫

**১০১** আৰু যেতিয়া তোমালোকে পৃথিৱীত (ভ্রমণত) ওলাই যোৱা তেতিয়া তোমালোকৰ ওপৰত কোনো অপৰাধ নহয় যদি তোমালোকে নামাযত ‘ক্বস্বৰ’ (বা সংক্ষেপ) কৰা, যদি তোমালোকে আশঙ্কা কৰা যে যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতে তোমালোকক আমনি কৰিব। নিসন্দেহে অবিশ্বাসীবিলাক হৈছে তোমালোকৰ প্রতি প্রকাশ্য শত্রু।

**১০২** আৰু (হে মুহাম্মদ-ছাঃ!) যেতিয়া তুমি সিহঁতৰ মাজত (যুদ্ধক্ষেত্রত) অৱস্থান কৰা আৰু সিহঁতৰ লগতে (ঈমাম হৈ) নামাযত থিয় হোৱা, তেতিয়া সিহঁতৰ মাজৰ এদল তোমাৰ লগত (নামাযত) থিয় হওক আৰু (আনদলে) সিহঁতৰ অস্ত্রধাৰণ কৰক; কিন্তু যেতিয়া এওঁলোকে তোমাৰ সৈতে (প্রথম ৰাকাতৰ) সিজ্‌দা কৰিছে তেতিয়া এইসকল তোমাৰ পাচৰ পৰা আঁতৰি যাওক, আৰু অন্যদলে যিবিলাকে নামায পঢ়া নাই সেইবিলাক আগুৱাই আহক আৰু তোমাৰ লগত (জামাতত) নামায পঢ়ক, আৰু (যিসকলে প্রথম ৰাকাত তোমাৰ লগত পঢ়ি লৈছে) সেইসকলে সিহঁতৰ সতর্কতামূলক ব্যৱস্থা লওক আৰু নিজৰ অস্ত্র গ্রহণ কৰক; কিয়নো যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে বিচাৰে যে যদি তোমালোকে তোমালোকৰ অস্ত্র-শস্ত্র আৰু তোমালোকৰ মাল-আসবাব সম্বন্ধে অসাৱধান হোৱা তেন্তে সিহঁতে তোমালোকৰ ওপৰত একেজাপে জপিয়াই পৰিব। আৰু তোমালোকৰ ওপৰত অপৰাধ নহ’ব যদি তোমালোক বৰষুণত বিব্রত হোৱা অথবা তোমালোক অসুস্থ হোৱা, ফলত তোমালোকৰ অস্ত্র ৰাখি দিয়া; কিন্তু তোমালোকে সতর্কতামূলক ব্যৱস্থা গ্রহণ কৰা। নিশ্চয় অবিশ্বাসীবিলাকৰ কাৰণে আল্লাহে তৈয়াৰ কৰিছে লাঞ্ছনাদায়ক শাস্তি।

**১০৩** এতেকে যেতিয়া তোমালোকে নামায সম্পূর্ণ কৰা তেতিয়াও আল্লাহক স্মৰণ কৰিবা থিয় হৈ থাকি, আৰু বহা অৱস্থাত, আৰু তোমালোকৰ কাতি হৈ (শুই) থকা অৱস্থাত। কিন্তু যেতিয়া তোমালোকে নিৰাপত্তাবোধ কৰা তেতিয়া (পুৰাদস্তুৰ) নামায কায়েম কৰা। বাস্তৱতে নামায হৈছে মুমিনসকলৰ কাৰণে নির্দিষ্ট সময়ত পালনীয় বিধান।

**১০৪** আৰু (শত্রুপক্ষীয়) লোকবিলাকৰ অনুসন্ধানত শিথিল নহ’বা। যদি তোমালোকে ব্যথা পাই থাকা তেন্তে সিহঁতেও নিশ্চয় ব্যথা পাইছে যেনেকৈ

তোমালোকে ব্যথা পাইছা; আৰু তোমালোকে আল্লাহৰ পৰা যি (পুৰস্কাৰ) আশা কৰা সিহঁতে সেইটো আশা নকৰে। আৰু আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

## পৰিচ্ছেদ - ১৬

**১০৫** নিসন্দেহে আমি তোমাৰ ওচৰত এই ধৰ্মগ্ৰন্থ অৱতাৰণ কৰিছো সত্যৰ সৈতে যেন তুমি মানুহৰ মাজত বিচাৰ কৰিব পাৰা আল্লাহে যি (পথ) তোমাক দেখুওৱাইছে তাৰ সাহায্যত। আৰু তুমি বিশ্বাসভঙ্গকাৰীবিলাকৰ পক্ষ সমৰ্থনকাৰী নহ'বা,—

**১০৬** আৰু আল্লাহৰ ওচৰত পৰিত্ৰাণ খোজা। নিশ্চয় আল্লাহ হৈছে (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১০৭** আৰু যিসকলে (অসদাচৰণৰ দ্বাৰা) নিজৰেই আত্মাক ফাঁকি দিয়ে সিহঁতৰ পক্ষে বিতৰ্ক নকৰিবা। প্ৰকৃততে আল্লাহে ভাল নাপায় তাক যি বিশ্বাসঘাতক, পাপাচাৰী।

**১০৮** সিহঁতে (—মুনাফিকবিলাকে, নিজৰ কুকীৰ্তি) মানুহৰ পৰা লুকাব বিচাৰে, কিন্তু সিহঁতে (সেইবিলাক) লুকাব নোৱাৰে আল্লাহৰ পৰা, কাৰণ তেওঁ সিহঁতৰ লগত থাকে যেতিয়া সিহঁতে ৰাতি আলোচনা কৰে সেইবিলাক কথা যি তেওঁক খুচী নকৰে। আৰু সিহঁতে যি (যড়যন্ত্ৰ) কৰে আল্লাহ তাৰ ঘেৰাওকাৰী।

**১০৯** আহা ৰে! তোমালোকেই সেইবোৰ যিবিলাকে সিহঁতৰ পক্ষে এই দুনিয়াৰ জীৱনত বিতৰ্ক কৰিছা; কিন্তু কোনে আল্লাহৰ ওচৰত সিহঁতৰ পক্ষে খাটনি ধৰিব কিয়ামতৰ দিনা? অথবা কোন হ'ব সিহঁতৰ পক্ষে উকীল?

**১১০** আৰু যিজনে কুকৰ্ম কৰে অথবা নিজৰ আত্মাৰ প্ৰতি জুলুম কৰে, তাৰ পাচত আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে, সিজনে আল্লাহক পাব (ভুল-ভ্ৰান্তিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১১১** আৰু যি কোনোবাই পাপ অৰ্জন কৰে (আৰু তাৰ বাবে অনুতাপ বোধ নকৰে) সি তেন্তে অৱশ্যে তাকে অৰ্জন কৰে নিজৰ আত্মাৰ বিৰুদ্ধে। আৰু আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**১১২** আৰু যিয়ে কোনো ত্ৰুটি বা পাপ অৰ্জন কৰে, তাৰ পাচত ইয়াৰ দ্বাৰা দোষাৰোপ কৰে নিৰ্দোষক, সি তেনেহ'লে নিশ্চয় বহন কৰিছে কলঙ্ক আৰোপৰ আৰু স্পষ্ট পাপৰ বোজা।

## পৰিচ্ছেদ - ১৭

**১১৩** আৰু (হে মুহাম্মদ-ছাঃ!) যদি তোমাৰ ওপৰত আল্লাহৰ কৃপা আৰু তেওঁৰ কৰুণা নাথাকিলহেঁতেন তেনেহ'লে সিহঁতৰ এদলে নিশ্চয় সংকল্প কৰিছিল তোমাক পথভ্ৰষ্ট কৰিবলৈ। কিন্তু সিহঁতে নিজৰ বাহিৰে কাকো পথভ্ৰান্ত নকৰে, আৰু সিহঁতে তোমাৰ একোৰেই ক্ষতি কৰিব নোৱাৰিব। আৰু আল্লাহে তোমাৰ ওচৰত নাযিল কৰিছে ধৰ্মগ্ৰন্থ আৰু জ্ঞান-বিজ্ঞান, আৰু তোমাক শিকাইছে যি তুমি নাজানিছিলা। আৰু তোমাৰ ওপৰত আল্লাহৰ কৃপা হৈছে অসীম।

**১১৪** সিহঁতৰ বেচিভাগ গুপ্ত পৰামৰ্শত ভাল একোৰেই নাই তাৰ ক্ষেত্ৰৰ বাহিৰে যি নিৰ্দেশ দিয়ে দান-দক্ষিণাৰ অথবা শুভকামৰ অথবা মানুহৰ মাজত শান্তি প্ৰতিষ্ঠাৰ। আৰু যিজনে এই ধৰনৰ (ভাল-কামবিলাক) কৰে আল্লাহৰ সন্তুষ্টি কামনাৰ বাবে, তেন্তে তাক আমি দিম বিৰাট পুৰস্কাৰ।

**১১৫** আৰু যিজনে ৰছুলৰ বিৰুদ্ধাচৰণ কৰে (আল্লাহৰ) পথনিৰ্দেশ তাৰ ওচৰত সুস্পষ্ট হোৱাৰ পাচতো, আৰু অনুসৰণ কৰে মুমিনসকলৰ পথৰ পৰা ভিন্ন (পথ), আমি তাক ঘূৰাই আনিম সেই (জুইৰ) ফালে যি ফালে সি ঘূৰিছে, আৰু তাক প্ৰৱেশ কৰোৱাম জাহান্নামত। আৰু বেয়া সেই গন্তব্যস্থান।

## পৰিচ্ছেদ - ১৮

**১১৬** আল্লাহে নিশ্চয়ে ক্ষমা নকৰে তেওঁৰ সৈতে (কাৰোবাক) শ্বৰিক কৰা হওক, আৰু তাৰ বাহিৰে সকলো তেওঁ ক্ষমা কৰে যাৰ নিমিত্তে তেওঁ ইচ্ছা কৰে। আৰু যি কোনোবাই আল্লাহৰ সৈতে অংশীদাৰ কৰে সি নিশ্চয় বিপথগামী হয় সুদূৰ বিপথত।

**১১৭** সিহঁতে তো আহ্বান কৰে তেওঁৰ (—আল্লাহৰ) পৰিৱৰ্তে কেৱল নাৰী মূৰ্তিবিলাকক, আৰু সিহঁতে আহ্বান কৰে কেৱল বিদ্ৰোহী চয়তানক,—

**১১৮** তাক (—চয়তানক) আল্লাহে বঞ্চিত কৰিছে; আৰু সি কৈছিল— "মই নিশ্চয় তোমাৰ বান্দাসকলৰ এটি নিৰ্ধাৰিত অংশ (মোৰ অনুগামীৰূপে) গ্ৰহণ কৰিম;

**১১৯** "আৰু মই নিশ্চয় সিহঁতক পথভ্ৰষ্ট কৰিম, আৰু সিহঁতৰ মাজত জগাম ব্যৰ্থ কামনা, আৰু সিহঁতক নিৰ্দেশ দিম— ফলত সিহঁতে গবাদি-পশুৰ কৰ্ণচ্ছেদ কৰিব, আৰু মই সিহঁতক আদেশ কৰিম— ফলত সিহঁতে আল্লাহৰ সৃষ্টি ওলোটাই-পালোটাই দিব।" আৰু যিয়ে আল্লাহৰ পৰিৱৰ্তে চয়তানক মুৰব্বী বুলি গ্ৰহণ কৰে সি নিশ্চয় ডাঙৰ লোকচানত ক্ষতিগ্ৰস্ত হ'ব।

**১২০** সি (—চয়তানে) সিহঁতক (মিছা) প্ৰতিশ্ৰুতি দিয়ে আৰু সিহঁতৰ মাজত জগায় ব্যৰ্থ কামনা। আৰু চয়তানে কেৱল প্ৰৱঞ্চনা কৰাৰ বাহিৰে সিহঁতক অন্য প্ৰতিশ্ৰুতি নিদিয়ে।

**১২১** এইবিলাকেই— ইহঁতৰ বাসস্থান হৈছে জাহান্নাম, আৰু তাৰ পৰা সিহঁতে কোনো নিষ্কৃতি নাপাব।

**১২২** আৰু যিসকলে ঈমান আনিছে আৰু ভালকাম কৰিছে তেওঁলোকক আমি শীঘ্রেই প্রৱেশ কৰাম স্বৰ্গোদ্যানসমূহত, যিবোৰৰ তলেদি বৈ গৈছে নিজৰাবিলাক, তেওঁলোক তাতে থাকিব অনন্তকাল;— আল্লাহৰ এই অঙ্গীকাৰ ধ্রুৱসত্য। আৰু কোন বেচি সত্যবাদী আল্লাহতকৈ কথা ৰখাৰ ক্ষেত্রত?

**১২৩** (হে মূৰ্তিপূজকগণ!) ই (পৰিণতি) তোমালোকে বিচৰা-অনুসৰি নহ'ব, আৰু গ্রন্থপ্রাপ্তসকলে বিচৰা অনুসৰিয়ো নহ'ব। যি কোনোবাই কুকৰ্ম কৰে তাক সেইটোৰেই প্রতিফল দিয়া হ'ব, আৰু তাৰ সপক্ষে সি আল্লাহৰ বাহিৰে নাপাব কোনো বন্ধু, না কোনো সহায়।

**১২৪** আৰু যি কোনোবাই ভাল কাম কৰে, পুৰুষেই হওক বা নাৰী, আৰু সিজন যদি মুমিন হয়— এওঁলোকেই তেন্তে বেহেশ্বতত প্রৱেশ কৰিব, আৰু এওঁলোকক অন্যায় কৰা নহ'ব খেজুৰ গুটিৰ পাতল বাকলিৰ পৰিমাণো।

**১২৫** আৰু (মুহাম্মদ-ছাঃ-ৰ দৰে) তেওঁতকৈ কোন বেচি ধৰ্মপৰায়ণ যি আল্লাহৰ ফালে নিজৰ মুখমণ্ডল সমৰ্পণ কৰিছে আৰু তেওঁ সৎকৰ্মী, আৰু যি একনিষ্ঠ ইব্রাহীম (আঃ)-ৰ ধৰ্মমত অনুসৰণ কৰে? আৰু আল্লাহে ইব্রাহীম (আঃ)-ক গ্রহণ কৰিছিল বন্ধুৰূপে।

**১২৬** আৰু আল্লাহৰেই যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিবা আছে পৃথিৱীত। আৰু আল্লাহ হৈছে সকলোৰে পৰিবেষ্টনকাৰী।

## পৰিচ্ছেদ - ১৯

**১২৭** আৰু (হে মুহাম্মদ-ছাঃ!) নাৰীসকলৰ সম্বন্ধে সিহঁতে তোমাৰ ওচৰত ব্যৱস্থা বিচাৰে। তুমি কোৱা— “আল্লাহে সিহঁতৰ সম্বন্ধে তোমালোকৰ ওচৰত বিচাৰ-ব্যৱস্থা দিছে, আৰু যি তোমালোকৰ ওচৰত কিতাপখনত পাঠ কৰা হৈছে এতীম নাৰীসকলৰ সম্বন্ধে, যিবিলাকক তোমালোকে দিবলৈ নিবিচাৰা সিহঁতৰ নিমিত্তে নিৰ্ধাৰিত প্রাপ্য, অথচ তোমালোকে ইচ্ছা কৰা যে সিহঁতক তোমালোকে বিয়া কৰিবা; আৰু (ব্যৱস্থা দিছে) সন্তান-সন্ততিৰ মাজৰ দুৰ্বলবিলাকৰ সম্বন্ধে; আৰু যেন এতীমবিলাকৰ প্রতি ন্যায়বিচাৰ কৰাটো তোমালোকে প্রতিষ্ঠা কৰা।” আৰু ভাল বিষয়ৰ যিকিবা তোমালোকে কৰা, নিশ্চয় আল্লাহ সেইসম্বন্ধে হৈছে সৰ্বজ্ঞাতা।

**১২৮** আৰু যদি কোনো নাৰীয়ে নিজৰ স্বামীৰ ফালৰ পৰা আশংকা কৰে দুৰ্ব্যৱহাৰ অথবা বৰ্জন, তেন্তে সিহঁত দুয়োৰে দোষ নহ'ব যদি সিহঁতে উভয়ৰ মাজত বুজাপৰা কৰি পুনৰ্মিলন ঘটাব পাৰে। আৰু আপোচ-মীমাংসা কল্যাণকৰ। আৰু (মানুহৰ) মনৰ মাজত বৰ্তমান থাকে লালচা। আৰু যদি তোমালোকে (পৰস্পৰৰ প্রতি) ভাল কৰা আৰু (আল্লাহকে) ভয়-শ্রদ্ধা কৰা, তেন্তে নিসন্দেহে তোমালোকে যি কৰা সেইসম্বন্ধে আল্লাহ হৈছে চিৰ ওৱাকিফহাল।

**১২৯** আৰু তোমালোকৰ সাধ্য নাই যে তোমালোকে স্ত্রীবিলাকৰ মাজত সমব্যৱহাৰ কৰিবা, যদিও তোমালোকে আকাঙ্খা কৰা; কিন্তু (কাৰোৰ প্রতি) বীতৰাগ নহ'বা পুৰাপুৰি বিৰাগ ভাজনত, যাৰ ফলত তাইক পেলাই ৰাখা ওলমি থকা অৱস্থাত। আৰু যদি তোমালোকে আপোচ কৰা আৰু (আল্লাহক) ভয়-শ্রদ্ধা কৰা, তেন্তে নিশ্চয় আল্লাহ হৈছে (ভুল-ত্রুটিৰ পৰা) পৰিত্রাণকাৰী, অফুৰন্ত ফলদাতা।

**১৩০** আৰু যদি সিহঁত দুয়ো বিচ্ছিন্ন হয়, আল্লাহে সিহঁতৰ উভয়কে সমৃদ্ধ কৰিব তেওঁৰ প্রাচুৰ্যৰ পৰা। আৰু আল্লাহ হৈছে অশেষ দাতা, পৰম জ্ঞানী।

**১৩১** আৰু যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিছু আছে পৃথিৱীত সেই সকলোৰেই আল্লাহৰ। আৰু আমি নিশ্চয় নিৰ্দেশ দিছিলো তোমালোকৰ আগতে যিসকলক ধৰ্মগ্রন্থ দিয়া হৈছিল সেইসকলক আৰু তোমালোককো যেন তোমালোকে আল্লাহক ভয়-শ্রদ্ধা কৰিবা। কিন্তু যদি তোমালোকে অবিশ্বাস পোষণ কৰা তেন্তে (জানি ৰাখা—) প্রকৃততে আল্লাহৰেই যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিছু আছে পৃথিৱীত। আৰু আল্লাহ হৈছে মহাধনাঢ্য, পৰম প্রশংসিত।

**১৩২** আৰু আল্লাহৰেই যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিছু আছে পৃথিৱীত। আৰু (সমস্ত সৃষ্টিৰ) কাৰ্যনিৰ্বাহকৰূপে আল্লাহেই যথেষ্ট।

**১৩৩** হে (অবিশ্বাসী) লোকবিলাক! যদি তেওঁ ইচ্ছা কৰে তেন্তে তেওঁ তোমালোকক আঁতৰাই দিব পাৰে আৰু (আল্লাহৰ অনুগামী) অন্যলোকক লৈ আহিব পাৰে। আৰু আল্লাহ এই বিষয়ত হৈছে অসীম ক্ষমতাশালী।

**১৩৪** যি কোনোবাই এই দুনিয়াৰ পুৰস্কাৰ কামনা কৰে (সি জানি ৰাখক যে) আল্লাহৰ ওচৰত তেন্তে ৰৈছে ইহজগতৰ আৰু পৰকালৰ পুৰস্কাৰ। আৰু আল্লাহ হৈছে সৰ্বশ্রোতা, সৰ্বদ্রষ্টা।

## পৰিচ্ছেদ - ২০

**১৩৫** হেৰা যিসকলে ঈমান আনিছা! তোমালোক (ইছলামী) ন্যায়বিচাৰৰ দৃঢ়প্রতিষ্ঠাতা হোৱা, আল্লাহৰ উদ্দেশ্যে সাক্ষ্যদাতা হোৱা, যদিওবা সেইটো তোমালোকৰ নিজৰেই বিৰুদ্ধে যায়, অথবা পিতা-মাতাৰ আৰু আত্মীয়-স্বজনৰ (বিৰুদ্ধেও যায়); সি ধনীয়েই হওক অথবা গৰীব। গতিকে কামনাৰ অনুসৰণ নকৰিবা যেন তোমালোকে সততা অৱলম্বন কৰা। আৰু যদি তোমালোকে (সাক্ষ্য) বিকৃত কৰা অথবা (হক্‌কথা প্রকাশ নকৰি) ফিৰি যোৱা, তেন্তে তোমালোকে যি কৰা আল্লাহ নিশ্চয় তাৰ পূৰ্ণ ওৱাকিফ্‌হাল।

**১৩৬** হেৰা যিসকলে (এৰা-ধৰাকৈ) ঈমান আনিছা! তোমালোকে বিশ্বাস স্থাপন কৰা আল্লাহত আৰু তেওঁৰ ৰছুলত, আৰু ধৰ্মগ্রন্থখনত যি তেওঁ নাযিল কৰিছে তেওঁৰ ৰছুলৰ উপৰত, আৰু যি ধৰ্মগ্রন্থ তেওঁ অৱতাৰণ কৰিছিলে ইয়াৰ আগেয়ে। আৰু যি কোনোবাই অবিশ্বাস কৰে আল্লাহত, আৰু তেওঁৰ ফিৰিশ্বিতাসকলত, আৰু তেওঁৰ ধৰ্মগ্রন্থসমূহত, আৰু তেওঁৰ ৰছুলসকলত, আৰু আখেৰাতৰ দিনত, সি তেনেহলে নিশ্চয় গুচি গৈছে সুদূৰ বিপথত।

**১৩৭** নিসন্দেহে যিবিলাকে (এবাৰ) ঈমান আনে তাৰ পাচত অবিশ্বাস পোষণ কৰে, পুনৰায় ঈমান আনে আৰু আকৌ অবিশ্বাস কৰে, তাৰ পিছত অবিশ্বাস বঢ়াই লৈ যায়— সিহঁতক পৰিত্ৰাণ কৰাৰ কাৰণে আল্লাহ নহয়, আৰু নহয় সিহঁতক সৎপথে পৰিচালিত কৰাৰ কাৰণেও।

**১৩৮** মুনাফিকবিলাকক সুসংবাদ দিয়া যে সিহঁতৰ কাৰণে নিশ্চয় ৰৈছে ব্যথাদায়ক শাস্তি—

**১৩৯** —যিবিলাকে অবিশ্বাসীবিলাকক বন্ধুৰূপে গ্ৰহণ কৰে বিশ্বাসীসকলক এৰি দি। সিহঁতে সিহঁতৰ ওচৰত মান-সন্মান বিচাৰেনে? তেন্তে বাস্তৱতে মান-সন্মান সকলোখিনি আল্লাহৰ ওচৰতে।

**১৪০** আৰু নিশ্চয় তোমালোকৰ ওচৰত তেওঁ কিতাপখনত নাযিল কৰিছে যে যেতিয়া তোমালোকে শুনা আল্লাহৰ আয়াতসমূহ অবিশ্বাস কৰা হৈছে আৰু সেইবিলাকক বিদ্ৰূপ কৰা হৈছে তেতিয়া সিহঁতৰ লগত বহি নাথাকিবা যেতিয়ালৈকেনেকি সিহঁতে অইন কোনো প্ৰসঙ্গত প্ৰৱেশ কৰে, (তোমালোক যদি সিহঁতৰ সৈতে বহি থাকা) তেনেহলে তোমালোকে দৰাচলতে সিহঁতৰ দৰে হ'বা। নিসন্দেহে আল্লাহে মুনাফিকবিলাকক আৰু অবিশ্বাসীবোৰক সন্মিলিতভাৱে একত্ৰিত কৰিবলৈ গৈছে জাহান্নামত,—

**১৪১** যিবিলাকে প্ৰতীক্ষা কৰি থাকে তোমালোকৰ (মূৰত কুঠাৰ মৰাৰ) কাৰণে, তাৰ পাচত যদি আল্লাহৰ পৰা তোমালোকৰ প্ৰতি বিজয় আহে তেন্তে সিহঁতে কয়— "আমি তোমালোকৰ লগত নাছিলোনে?" আৰু যদি অবিশ্বাসীবিলাকৰ কাৰণে (বিজয়ৰ) ভাগ পৰে তেন্তে সিহঁতে কয়— "আমি তোমালোকৰ ওপৰত আধিপত্য ৰখা নাছিলোনে, আৰু মুমিনবিলাকৰ পৰা তোমালোকক ৰক্ষা কৰা নাই জানো?" সেই কাৰণে আল্লাহে কিয়ামতৰ দিনা তোমালোকৰ মাজত বিচাৰ কৰিব (কোন দুমুখীয়া সাপ আছিল)। আৰু আল্লাহে কেতিয়াও অবিশ্বাসীবিলাকক মুমিনসকলৰ ওপৰত পথ কৰি নিদিয়ে।

## পৰিচ্ছেদ - ২১

**১৪২** মুনাফিকবিলাকে প্ৰকৃততে আল্লাহক ফাঁকি দিবলৈ বিচাৰে; কিন্তু তেৱেঁই সিহঁতক ফাঁকিদিওঁতা। আৰু যেতিয়া সিহঁত নামাযত থিয় হয়, সিহঁত থিয় দিয়ে অমনোযোগিতাৰ সৈতে, লোকক সিহঁতে দেখুৱাবলৈ; আৰু সিহঁতে আল্লাহক স্মৰণ নকৰে নামমাত্ৰ ব্যতিৰেকে;

**১৪৩** সিহঁতে ইয়াৰ মাজত দুলিছে— এইফালেও সিহঁত নহয়, সেইফালেও সিহঁত নহয়। আৰু যাক আল্লাহে বিপথে চলিব দিয়ে (হে মুহাম্মদ-ছাঃ!) তুমি তাৰ কাৰণে কেতিয়াও পথ নাপাবা।

**১৪৪** হেৰা যিসকলে ঈমান আনিছা! তোমালোকে মুমিনসকলক বাদ দি অবিশ্বাসীবিলাকক বন্ধুৰূপে গ্ৰহণ নকৰিবা; তোমালোকে বিচৰানে যে তোমালোকে আল্লাহৰ ওচৰত তোমালোকৰ বিৰুদ্ধে স্পষ্ট কৰ্তৃত্ব দিবা?

**১৪৫** নিসন্দেহে মুনাফিকবোৰ (দুযখৰ) জুইৰ নিম্নতম গহ্বৰত থাকিব, আৰু তুমি সিহঁতৰ নিমিত্তে কেতিয়াও নাপাবা কোনো সহায়—

**১৪৬** সিহঁতৰ ব্যতিৰেকে যিবিলাকে তওবা কৰে আৰু (নিজকে) শুধৰায়, আৰু আল্লাহকে দৃঢ়ভাৱে সাৱটি ধৰে, আৰু সিহঁতৰ ধৰ্মকে আল্লাহৰ নিমিত্তে বিশুদ্ধ কৰে,— সিহঁতেই তেন্তে মুমিনসকলৰ সৈতে থাকিব, আৰু শীঘ্ৰেই আল্লাহে মুমিনসকলকে দি আছে এক বিৰাট পুৰস্কাৰ।

**১৪৭** তোমালোকৰ শাস্তিৰ দ্বাৰা আল্লাহে কি কৰিব, যদি তোমালোক কৃতজ্ঞ হোৱা আৰু বিশ্বাস স্থাপন কৰা। আৰু আল্লাহ হৈছে গুণগ্ৰাহী, সৰ্বজ্ঞাতা।

## ৬ষ্ঠ পাৰা

**১৪৮** আল্লাহে ভাল নাপায় প্ৰকাশ্যে বেয়া বাক্যালাপ; হলেও যাক জুলুম কৰা হৈছে তাক বাদ দি। আৰু আল্লাহ হৈছে সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১৪৯** যদি তোমালোকে ভাল কিবা প্ৰকাশ্যভাৱে কৰা, অথবা সেইটো গোপনে ৰাখা, অথবা ক্ষমা কৰি দিয়া বেয়াখিনিক, তেনেহলে নিসন্দেহে আল্লাহ হৈছে (দোষ-ত্ৰুটিৰ পৰা) সদায় ক্ষমাশীল, পৰম শক্তিমান।

**১৫০** নিশ্চয় যিসকলে অবিশ্বাস পোষণ কৰে আল্লাহত আৰু তেওঁৰ ৰছুলসকলত, আৰু যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ মাজত পাৰ্থক্য কৰিব বিচাৰে, আৰু সিহঁতে কয়— "আমি ঈমান আনিছো কেইজনমানৰ প্ৰতি আৰু অস্বীকাৰ কৰিছো কেইজনক", আৰু যিসকলে বিচাৰে ইয়াৰ মাজত এটি পথ লবলৈ,—

**১৫১** এইবিলাক নিজেই হৈছে প্ৰকৃত অবিশ্বাসী; আৰু আমি অবিশ্বাসীবিলাকৰ নিমিত্তে তৈয়াৰ কৰিছো লাঞ্ছনাদায়ক শাস্তি।

**১৫২** আৰু যিসকলে ঈমান আনে আল্লাহত আৰু তেওঁৰ ৰছুলসকলত, আৰু তেওঁলোকৰ কোনোজনৰ মাজত পাৰ্থক্য নকৰে; এওঁলোকেই— এওঁলোকৰ পুৰস্কাৰ শীঘ্ৰেই এওঁলোকক দিয়া হ'ব। আৰু আল্লাহ হৈছে (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ২২

**১৫৩** (হে মুহাম্মদ-ছাঃ!) গ্ৰন্থপ্ৰাপ্তসকলে তোমাক প্ৰশ্ন কৰে, তুমি আকাশৰ পৰা সিহঁতৰ ওচৰলৈ ধৰ্মগ্ৰন্থ অৱতাৰণ কৰা; এইদৰেই সিহঁতে মূছা (আঃ)-ৰ ওচৰত প্ৰশ্ন কৰিছিল ইয়াতকৈ ডাঙৰ কিবা— যেতিয়া সিহঁতে কৈছিল— "আল্লাহক আমাক দেখুওৱা প্ৰকাশ্যভাৱে।" সেইকাৰণে বজ্ৰধ্বনি সিহঁতক আগুৰি ধৰিলে সিহঁতৰ অন্যায়ৰ কাৰণে। পিছত আকৌ সিহঁতে দামুৰিটোক গ্ৰহণ কৰিছিল (দেৱতাৰূপে) সিহঁতৰ ওচৰলৈ (আল্লাহসম্বন্ধে) স্পষ্ট নিদৰ্শনাৱলী অহাৰ পাচতো; কিন্তু আমি সেইখিনিও মাফ কৰিলো। আৰু আমি মূছা (আঃ)-ক দিছিলো স্পষ্ট কৰ্তৃত্ব।

**১৫৪** আৰু আমি সিহঁতৰ ওপৰত তুলিছিলো (সিনাই) পৰ্বত সিহঁতৰ অঙ্গীকাৰৰ সময়ত, আৰু সিহঁতক কৈছিলো— “(শিত্তিমৰ) দুৱাৰেদি প্ৰৱেশ কৰা নতশিৰে।” আৰু সিহঁতক কৈছিলো— “ছাব্বাথ-ৰ নিয়ম লঙ্ঘন নকৰিবা।” আৰু সিহঁতৰ পৰা আমি গ্ৰহণ কৰিছিলো সুদৃঢ় অঙ্গীকাৰ।

**১৫৫** কিন্তু (আল্লাহৰ গযব সিহঁতে অৰ্জন কৰিছিল) সিহঁতৰ অঙ্গীকাৰ সিহঁতে ভাঙি দিয়াৰ ফলত, আৰু আল্লাহৰ নিৰ্দেশৰ প্ৰতি সিহঁতৰ অবিশ্বাসৰ কাৰণে, আৰু নবীসকলক অনাহকতে হত্যা কৰিবলৈ যোৱাৰ কাৰণে, আৰু সিহঁতে কোৱাৰ কাৰণে— “আমালোকৰ হৃদয় হ’ল গেলাফ।” নহয়, আল্লাহে সিহঁতৰ ওপৰত চীল মাৰি দিছে সিহঁতৰ অবিশ্বাসৰ কাৰণে; সেইকাৰণে সিহঁতে ঈমান নানে অলপসংখ্যকৰ বাহিৰে;

**১৫৬** আৰু (আল্লাহ আৰু ৰছুলসকলৰ প্ৰতি) সিহঁতৰ অবিশ্বাসৰ কাৰণে আৰু মৰিয়মৰ বিৰুদ্ধে সিহঁতৰ জঘন্য কুচ্ছা ৰটনাৰ কাৰণে;

**১৫৭** আৰু সিহঁতৰ কোৱাৰ কাৰণে— “আমি নিশ্চয় হত্যা কৰিছো মছীহক”— মৰিয়মৰ পুত্ৰ ঈছা (আৰু) আল্লাহৰ ৰছুল; আৰু (প্ৰকৃত ঘটনা এই যে) সিহঁতে তেওঁক হত্যা কৰা নাই আৰু ক্ৰুচত মাৰাও নাই, কিন্তু সিহঁতৰ ওচৰত তেওঁক (মৃতৰ নিচিনা) প্ৰতীয়মান কৰা হৈছিল। আৰু প্ৰকৃততে যিবিলাকে এই বিষয়ত ভিন্নমত পোষণ কৰিছিল সিহঁতে অৱশ্যে তেওঁৰ সম্বন্ধে সন্দেহৰ মাজত আছিল। (ঈছা-আঃ-ৰ মুক্তি লাভৰ) এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই অনুমানৰ অনুসৰণৰ বাহিৰে। আৰু এইটো সুনিশ্চিত যে সিহঁতে তেওঁক হত্যা কৰা নাই,—

**১৫৮** পক্ষান্তৰে আল্লাহে তেওঁক নিজৰ পিনে উন্নীত কৰিছে। আৰু আল্লাহ হৈছে মহাশক্তিশালী, পৰম জ্ঞানী।

**১৫৯** আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ মাজত এনে কোনো নাই যিজনে ইয়াত বিশ্বাস নকৰিব সেইজনৰ মৃত্যুৰ পূৰ্বে। আৰু কিয়ামতৰ দিনা তেওঁ হ’ব সিহঁতৰ বিৰুদ্ধে সাক্ষ্যদাতা।

**১৬০** তাৰ পিছত যিবিলাকে ইহুদীমত পোষণ কৰে সিহঁতৰ অন্যায় আচৰণৰ ফলত আমি সিহঁতৰ নিমিত্তে হাৰাম কৰিছো কিছু পবিত্ৰ বস্তু, যিবিলাক সিহঁতৰ কাৰণে হালাল আছিল, আৰু বহুতক আল্লাহৰ পথৰ পৰা সিহঁতৰ প্ৰতিৰোধ কৰাৰ কাৰণে;—

**১৬১** আৰু সিহঁতে সুদ লোৱাৰ বাবে, যদিও সিহঁতক সেইটো নিষেধ কৰা হৈছিল, আৰু লোকৰ সম্পত্তি অন্যায়ভাৱে সিহঁতৰ গ্ৰাস কৰাৰ কাৰণে, আৰু সিহঁতৰ মাজৰ অবিশ্বাসীবিলাকৰ নিমিত্তে আমি তৈয়াৰী কৰিছো ব্যথাদায়ক শাস্তি।

**১৬২** কিন্তু সিহঁতৰ মাজৰ যিসকল জ্ঞানত দৃঢ়-প্ৰতিষ্ঠিত আৰু মুমিনসকল, তেওঁলোকে বিশ্বাস কৰে তোমাৰ ওচৰত যি অৱতাৰণ কৰা হৈছে আৰু যি তোমাৰ আগে অৱতীৰ্ণ হৈছিল তাত, আৰু যিসকলে নামায কায়েম কৰে আৰু যাকাত আদায় কৰে, আৰু যিসকলে আল্লাহৰ প্ৰতি আৰু আখেৰাতৰ দিনত বিশ্বাস স্থাপন কৰে,— এওঁলোকেই, এওঁলোকক আমি শীঘ্ৰেই দিম বিৰাট পুৰস্কাৰ।

## পৰিচ্ছেদ - ২৩

**১৬৩** (হে মুহাম্মদ-ছাঃ!) নিসন্দেহে আমি তোমাৰ ওচৰত প্ৰত্যাদেশ পঠিয়াইছো যেনেকৈ আমি প্ৰত্যাদেশ দিছিলো নূহ (আঃ)-ক আৰু তেওঁৰ পৰৱৰ্তী নবীসকলক, আৰু আমি প্ৰত্যাদেশ পঠিয়াইছো ইব্ৰাহীম (আঃ)-লৈ, আৰু ইছমাইল (আঃ) আৰু ইছহাক (আঃ) আৰু ইয়াকুব (আঃ)-লৈ, আৰু গোত্ৰবিলাকলৈ, আৰু ঈছা (আঃ) আৰু আইয়ুব (আঃ) আৰু ইউনুছ (আঃ)-লৈ আৰু হাৰুন আৰু ছুলাইমান (আঃ)-লৈ, আৰু আমি দাউদ (আঃ)-ক দিছিলো যবুৰ;—

**১৬৪** আৰু (প্ৰত্যাদেশ পঠিয়াইছিলো) ৰছুলসকলক যিসকলৰ কথা ইতিপূৰ্বে তোমাৰ ওচৰত বৰ্ণনা কৰিছো আৰু ৰছুলসকলক যিসকলৰ বিষয়ে তোমাৰ ওচৰত উল্লেখ কৰা নাই;— আৰু আল্লাহে মূছা (আঃ)-ৰ সৈতে কৰিছিলে কথা-বতৰা;—

**১৬৫** (আৰু পঠিয়াইছিলো এই) ৰছুলসকলক সুসংবাদদাতাৰূপে, আৰু সাৱধানকাৰীৰূপে, যাতে আল্লাহৰ বিৰুদ্ধে মানুহৰ কোনো অজুহাত থাকিব নোৱাৰে ৰছুলসকলৰ (আগমনৰ) পাচত। আৰু আল্লাহ হৈছে মহাশক্তিশালী, পৰম জ্ঞানী।

**১৬৬** কিন্তু আল্লাহে সাক্ষ্য দিছে যি (কুৰআন) তোমাৰ ওচৰত তেওঁ অৱতাৰণ কৰিছে তাৰ দ্বাৰা যে তেওঁ সেইখন নাযিল কৰিছে তেওঁৰ জ্ঞানৰ সৈতে, আৰু ফিৰিশ্বতাসকলেও সাক্ষ্য দিছে। আৰু সাক্ষীৰূপে আল্লাহেই যথেষ্ট।

**১৬৭** বাস্তৱিকতে যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু (মানুহক) আল্লাহৰ পথৰ পৰা আঁতৰাই ৰাখে, সিবিলাকে নিশ্চয় পথ হেৰুৱাই গৈছে সুদূৰ বিপথত।

**১৬৮** দৰাচলতে যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু অন্যায় কৰে, সিহঁতৰ পৰিত্ৰাণৰ কাৰণে আল্লাহে দায়িত্ব লোৱা নাই, আৰু সিহঁতক কোনো গতিপথত পৰিচালিত কৰাৰ কাৰণেও নহয়,—

**১৬৯** কেৱল জাহান্নামৰ পথৰ বাদে; সিহঁতে তাতে থাকিব দীৰ্ঘকাল। আৰু আল্লাহৰ পক্ষে এইটো হৈছে সহজ।

**১৭০** হেৰা মানৱ সমাজ! নিশ্চয় ৰছুল (মুহাম্মদ-ছাঃ) তোমালোকৰ ওচৰলৈ আহিছে তোমালোকৰ প্ৰভুৰ পৰা সত্য (বাণী) সহ, এতেকে ঈমান আনা, তোমালোকৰ পক্ষে (সেইটো) মঙ্গলজনক। কিন্তু যদি তোমালোকে অবিশ্বাস পোষণ কৰা তেন্তে (জানি ৰাখা—) নিসন্দেহে আল্লাহৰেই যিকিবা আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত। আৰু আল্লাহ হৈছে সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**১৭১** হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! তোমালোকৰ ধৰ্মত সীমা লঙ্ঘন নকৰিবা, আৰু আল্লাহ সম্পৰ্কে সত্যৰ বাহিৰে অন্য কথা নকবা। নিসন্দেহে মছীহ—

মৰিয়মপুত্ৰ ঈছা হৈছে আল্লাহৰ এজন ৰছুল, আৰু তেওঁৰ কলিমাহ যিটো তেওঁ মৰিয়মৰ ওচৰলৈ পঠিয়াইছিলে, আৰু তেওঁৰ পৰা অহা ৰূহ, গতিকে ঈমান আনা আল্লাহৰ প্ৰতি আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি, আৰু নকবা— “তিনিজন”; ৰ’বা— তোমালোকৰ কাৰণে (সেইটো) মঙ্গলজনক। নিশ্চয়কৈ আল্লাহ হৈছে একক উপাস্য। সমস্ত মহিমা তেওঁৰেই যে তেওঁৰ কোনো পুত্ৰ থাকিব পাৰে! যিকিবা আছে মহাকাশমণ্ডলত আৰু যিকিছু আছে পৃথিৱীত সেই সকলো তেওঁৰ। আৰু ৰক্ষাকাৰীৰূপে আল্লাহেই যথেষ্ট।

**পৰিচ্ছেদ - ২৪**

**১৭২** মছীহে কেতিয়াও কুণ্ঠাবোধ নকৰে আল্লাহৰ বান্দা হ’বলৈ, আৰু (আল্লাহৰ) সান্নিধ্যত থকা ফিৰিশ্বতাসকলেও নকৰে। আৰু যি কোনোবাই তেওঁৰ সেৱাত কুণ্ঠাবোধ কৰে আৰু অহংকাৰ কৰে, তেওঁ তেনেহ’লে সিহঁতক তেওঁৰ ফাললৈ একত্ৰিত কৰিব একগোটত।

**১৭৩** গতিকে যি সকলে ঈমান আনে আৰু ভাল কাম কৰে তেওঁ তেনেহলে তেওঁলোকৰ প্ৰাপ্য তেওঁলোকক পুৰাপুৰি প্ৰদান কৰিব, আৰু তেওঁৰ কৰুণা-ভাণ্ডাৰৰ পৰা তেওঁলোকক বঢ়াই দিব। কিন্তু যিবিলাকে (সৎকৰ্ম কৰিবলৈ) কুণ্ঠাবোধ কৰে আৰু অহংকাৰ কৰে, তেওঁ তেনেহ’লে সেইবিলাকক শাস্তি দিব ব্যথাদায়ক শাস্তিৰে;—

**১৭৪** আৰু সিহঁতে আল্লাহৰ বাহিৰে সিহঁতৰ কাৰণে নাপাব কোনো মুৰব্বী, নাইবা কোনো সহায়কাৰী।

**১৭৫** হে-ৰা জনগণ! তোমালোকৰ ওচৰত নিশ্চয় তোমালোকৰ প্ৰভুৰ পৰা আহিছে স্পষ্ট-প্ৰমাণ (যথা এই কুৰআন), আৰু তোমালোকৰ ওচৰলৈ আমি পঠিয়াইছো উজ্জ্বল জ্যোতি।

**১৭৬** এতেকে যিসকলে আল্লাহৰ প্ৰতি ঈমান আনিছে আৰু তেওঁকে দৃঢ়ভাৱে আঁকোৱালি ধৰিছে, তেওঁ তেনেহ’লে তেওঁলোকক শীঘ্ৰেই প্ৰৱেশ কৰাব তেওঁৰ পৰা কৰুণাধাৰাত আৰু প্ৰাচুৰ্যত, আৰু তেওঁলোকক পৰিচালিত কৰিব তেওঁৰ ফাললৈ সহজ-সঠিক পথত।

**১৭৭** (হে মুহাম্মদ-ছাঃ!) সিহঁতে (উত্তৰাধিকাৰৰ) এটি বিধান সম্পৰ্কে তোমাক সুধিছে। তুমি কোৱাঁ— “আল্লাহে তোমালোকক বিধান দিছে পিতৃ-মাতৃহীন আৰু সন্তান-সন্ততিহীনসকলৰ সম্বন্ধে।” যদি কোনো লোক মৰা যায় (আৰু) তাৰ কোনো সন্তান নাই কিন্তু এজনী ভনী আছে— তাইৰ কাৰণে তেনেহলে (নিৰ্ধাৰিত হৈছে) সেইজনে যি এৰি গৈছে তাৰ অৰ্ধেক, আৰু সি (ভাই) হৈছে তাইৰ ওৱাৰিচ, যদি তাইৰ কোনো সন্তান নাথাকে। আৰু যদি সেইবিলাক দুজনী (ভনী) হয় তেন্তে সেইবিলাক দুজনাৰ কাৰণে (নিৰ্ধাৰিত হৈছে) সেইজনে যি এৰি যায় তাৰ দুই-তৃতীয়াংশ। আৰু যদি সেইবিলাক হয় ভাতৃবৰ্গ— পুৰুষ আৰু স্ত্ৰীলোক তেন্তে পুৰুষৰ কাৰণে (নিৰ্ধাৰিত) হৈছে দুগৰাকী স্ত্ৰীলোকৰ সমান অংশ। আল্লাহে (ভাগ-বটোৱাৰাৰ নিয়ম) তোমালোকৰ নিমিত্তে সুস্পষ্ট কৰি দিছে, পাছে তোমালোক পথভ্ৰষ্ট হোৱা! আৰু আল্লাহ সকলো বিষয়তে সৰ্বজ্ঞাতা।

* * * * * * * * * * * *

ছূৰা - ৫

# খাদ্য পৰিবেশিত টেবিল

(আল মাঁইদাহ্ : ১১২)

মদীনাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

১ হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ অঙ্গীকাৰসমূহ প্ৰতিপালন কৰা। তোমালোকৰ কাৰণে (খাদ্যৰ নিমিত্তে) বৈধ কৰা গ'ল গবাদি-পশু— তোমালোকৰ ওচৰত যি বৰ্ণনা কৰা হৈছে তাৰ ব্যতিৰেকে, চিকাৰ বিধিসঙ্গত নহয় যেতিয়া তোমালোক 'হাৰাম'-ত থাকা। বাস্তৱতে আল্লাহে হুকুম কৰে যি তেওঁ (কল্যাণকৰ বুলি) মনস্থ কৰে।

২ হেৰা যিসকলে ঈমান আনিছা! আল্লাহৰ নিৰ্দৰ্শনসমূহ লঙ্ঘন নকৰিবা, আৰু পৱিত্ৰ মাহৰো নহয়, আৰু উৎসৰ্গীকৃত পশুবিলাকৰো নহয়, আৰু পৱিত্ৰ গৃহত আশ্ৰয় গ্ৰহণকাৰী সকলৰো নহয়, যিসকলে সিহঁতৰ প্ৰভুৰ পৰা কৃপা আৰু সন্তোষ কামনা কৰিছে। কিন্তু যেতিয়া তোমালোকে (হজ বা উমৰাহৰ পৰা) মুক্ত হৈ যোৱা তেতিয়া চিকাৰ কৰা। আৰু কোনো লোকৰ প্ৰতি বিদ্বেষ,— যেহেতু সিহঁতে হাৰাম-মছজিদত তোমালোকক যাবলৈ বাধা দিছিল,— তোমালোকক যেন সীমালঙ্ঘনত প্ৰৰোচিত নকৰে। আৰু (মানুহৰ প্ৰতি) সৎকামত আৰু (আল্লাহৰ প্ৰতি) ভয়-ভক্তিত তোমালোকে পৰস্পৰক সাহায্য কৰা, কিন্তু পাপচাৰ আৰু সীমালঙ্ঘনত সহায়তা নকৰিবা; আৰু আল্লাহক ভয়-ভক্তি কৰা। নিসন্দেহে আল্লাহ প্ৰতিফলদানত কঠোৰ।

৩ তোমালোকৰ নিমিত্তে অবৈধ (খাদ্য) হৈছে— মৃত-জন্তু, আৰু ৰক্ত, আৰু গাহৰিৰ মঙহ, আৰু যিটো যবেহ কৰা হৈছে আল্লাহৰ বাহিৰে অন্য নাম লৈ, আৰু টেঁটুত চেপা দি মৰা জন্তু, আৰু যি হতচেতন হৈ মৰিছে, আৰু পৰি গৈ মৰা জন্তু, আৰু যিটো শিঙৰ খোঁচত মৰিছে, আৰু যিটোক বন্যজন্তুৱে খাইছে— তোমালোকে যিটো (যবেহ কৰি) বৈধ কৰিছা সেইটো ব্যতীত, আৰু যি পাথৰ-বেদীত বলি দিয়া হৈছে, আৰু তোমালোকে ভাগাভাগি কৰিছা তীৰৰ লটাৰী খেলি; এই সকলোবোৰ পাপাচাৰ। যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে আজিৰ দিনত তোমালোকৰ ধৰ্মসম্বন্ধে (বাধাদানৰ প্ৰচেষ্টাত) নিৰাশ হৈছে, গতিকে সিহঁতক ভয় নকৰিবা, বৰঞ্চ ভয় কৰিবা মোকেই। আজিৰ দিনা মই তোমালোকৰ নিমিত্তে তোমালোকৰ ধৰ্মব্যৱস্থা পূৰ্ণাঙ্গ কৰিলো, আৰু তোমালোকৰ ওপৰত মোৰ অনুগ্ৰহ সম্পূৰ্ণ কৰিলো, আৰু তোমালোকৰ কাৰণে ইছলামকেই ধৰ্মৰূপে মনোনীত কৰিলো। এতেকে (খাদ্যসম্বন্ধে বিধান হৈছে যে) যি কোনোবাই ক্ষুধাৰ তাড়নাত বাধ্য হয় (নিষিদ্ধ খাদ্য খাবলৈ)— পাপৰ ফালে আকৃষ্ট নহৈ— তেন্তে প্ৰকৃততে আল্লাহ হৈছে (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

৪ (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক সুধিছে কি (খাদ্য) সিহঁতৰ নিমিত্তে হালাল হৈছে। তুমি কোৱা— "(সকলো) ভাল বস্তু তোমালোকৰ কাৰণে বৈধ হৈছে। আৰু চিকাৰী পশুপক্ষীবিলাকক চিকাৰ কৰিবলৈ যি শিকাইছা— সিবিলাকক (কলা-কৌশল) তোমালোকে শিকাইছা যি আল্লাহে তোমালোকক শিকাইছে, গতিকে সিহঁতে তোমালোকৰ ওচৰলৈ যিকিবা ধৰি আনে তাৰ পৰা তোমালোকে খোৱা, হ'লেও তাৰ ওপৰত আল্লাহৰ নাম উল্লেখ কৰা। আৰু আল্লাহক ভয়-ভক্তি কৰিবা। নিসন্দেহে আল্লাহ হিচাপ-নিকাচত তৎপৰ।"

৫ আজি (সকলো) ভাল বস্তু তোমালোকৰ নিমিত্তে হালাল কৰা হ'ল। আৰু যিসকলক গ্ৰন্থ দিয়া হৈছে সেইসকলৰ খাদ্য তোমালোকৰ কাৰণে হালাল, আৰু তোমালোকৰ খাদ্যও তেওঁলোকৰ কাৰণে বৈধ। আৰু মুমিনসকলৰ মাজৰ সতী-সাধ্বী নাৰী (বিবাহ কৰা বৈধ), আৰু তোমালোকৰ আগেয়ে যিসকলক গ্ৰন্থ দিয়া হৈছে সেইসকলৰ মাজৰ সতী-সাধ্বী নাৰীও— যেতিয়া তোমালোকে সিহঁতৰ মহাৰানা আদায় কৰিছা, সচ্চৰিত্ৰভাৱে, ব্যভিচাৰৰকাৰণে নহয় আৰু ৰক্ষিতাৰূপে গ্ৰহণ কৰিও নহয়। আৰু যি কোনোবাই ধৰ্মবিশ্বাসক অস্বীকাৰ কৰে সি তেনেহ'লে তাৰ আচৰণ ব্যৰ্থ কৰিছে, আৰু সি পৰকালত হ'ব ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত।

## পৰিচ্ছেদ - ২

৬ হেৰা যিসকলে ঈমান আনিছা! যেতিয়া তোমালোকে নামাযত থিয় হোৱা তেতিয়া (ওজু কৰিবলৈ) তোমালোকৰ মুখমণ্ডল আৰু কিলাকুটিলৈকে নিজৰ হাত ধোৱা, আৰু তোমালোকৰ মূৰ আৰু তোমালোকৰ ভৰি গোৰোৱালৈকে মচিবা। আৰু যদি তোমালোকে যৌন সম্ভোগৰ পৰৱৰ্তী অৱস্থাত থাকা তেনেহ'লে ধৌত কৰা। আৰু যদি তোমালোক অসুস্থ হোৱা, অথবা ভ্ৰমণত থাকা, অথবা তোমালোকৰ কোনোৱে পায়খানাৰ পৰা আহিছা, অথবা স্ত্ৰীলোকক স্পৰ্শ কৰিছা, আৰু যদি পানী নোপোৱা তেন্তে তৈয়ম্মুম কৰা বিশুদ্ধ মাটি লৈ, আৰু সেইটোৰেই তোমালোকৰ মুখমণ্ডল আৰু তোমালোকৰ হাত মচিবা। আল্লাহে তোমালোকৰ ওপৰত কষ্টৰ একো আৰোপ কৰিব নিবিচাৰে, কিন্তু তেওঁ বিচাৰে তোমালোকক পৱিত্ৰ কৰিবলৈ, আৰু তেওঁৰ অনুগ্ৰহ তোমালোকৰ ওপৰত পৰিপূৰ্ণ কৰিবলৈ যাতে তোমালোকে (তেওঁক) ধন্যবাদ দিব পাৰা।

**৭** আৰু স্মৰণ কৰা তোমালোকৰ ওপৰত আল্লাহৰ নিয়ামত আৰু তেওঁৰ (সৈতে) অঙ্গীকাৰ যাৰ দ্বাৰা তেওঁ তোমালোকক অঙ্গীকাৰাবদ্ধ কৰিছিলে, যেতিয়া তোমালোকে কৈছিলা— "আমি শুনিছো আৰু আমি আজ্ঞা পালন কৰিছো।" আৰু আল্লাহকে ভয়-ভক্তি কৰা। প্ৰকৃততে (মানুহৰ) বুকুৰ ভিতৰত যি আছে আল্লাহ সেইসম্বন্ধে সৰ্বজ্ঞাতা।

**৮** হেৰা যিসকলে ঈমান আনিছা! আল্লাহৰ কাৰণে (সততাৰ) দৃঢ়প্ৰতিষ্ঠাতা হোৱা, ন্যায়বিচাৰত সাক্ষ্যদাতা হোৱা, আৰু কোনো সম্প্ৰদায়ৰ প্ৰতি বিদ্বেষভাৱ তোমালোকক যেন ন্যায়াচৰণ নকৰিবলৈ প্ৰৰোচিত নকৰে। (সৰ্বাৱস্থাতে) ন্যায়াচৰণ কৰা, এইটোৱেই হৈছে ধৰ্মপৰায়ণতাৰ অধিক ওচৰ। আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা। নিসন্দেহে তোমালোকে যি কৰিছা আল্লাহ তাৰ পূৰ্ণ ওৱাকিবহাল।

**৯** আল্লাহে ওৱাদা কৰিছে— যিসকলে ঈমান আনে আৰু সৎকাম কৰে সেইসকলৰ কাৰণে ৰৈছে (পদস্খলনৰ পৰা) পৰিত্ৰাণ আৰু বিৰাট পুৰস্কাৰ।

**১০** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু আমাৰ নিদৰ্শনসমূহত মিথ্যাৰোপ কৰে—এইবিলাক হৈছে জ্বলন্ত জুইৰ বাসিন্দা।

**১১** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ ওপৰত আল্লাহৰ অনুগ্ৰহ স্মৰণ কৰা— যেতিয়া এটি দলে দৃঢ়সংকল্প কৰিছিলে তোমালোকৰ ফালে (নিৰ্মম আঘাত কৰাৰ উদ্দেশ্যে) সিহঁতৰ হাত বঢ়াবলৈ, কিন্তু তেওঁ তোমালোকৰ বিৰুদ্ধে সিহঁতৰ হাত কোঁচাই ৰাখিছিলে, এতেকে আল্লাহকে ভয়-শ্ৰদ্ধা কৰা। আৰু আল্লাহৰ ওপৰতেই তেনেহ'লে নিৰ্ভৰ কৰক মুমিনসকলে।

## পৰিচ্ছেদ - ৩

**১২** আৰু আল্লাহে অৱশ্যেই ইছ্ৰাইলৰ বংশধৰবিলাকৰ পৰা অঙ্গীকাৰ গ্ৰহণ কৰিছিলে, আৰু আমি সিহঁতৰ মাজৰ পৰা বাৰজন দলপতি থিয় কৰাইছিলো। আৰু আল্লাহে কৈছিলে— "নিশ্চয় মই তোমালোকৰ লগতে আছো। যদি তোমালোকে নামায কায়েম কৰা আৰু যাকাত আদায় কৰা, আৰু মোৰ ৰছুলসকলৰ প্ৰতি ঈমান আনা আৰু তেওঁলোকক সমৰ্থন কৰা, আৰু আল্লাহক ঋণ দিয়া পৰ্যাপ্ত সুন্দৰ ঋণ, তেন্তে মই নিশ্চয় তোমালোকৰ পৰা তোমালোকৰ সকলো পাপ মচি দিম, আৰু তোমালোকক প্ৰৱেশ কৰাম (বেহেশ্বতৰ) উদ্যানসমূহত যিবিলাকৰ তলেদি বৈ আছে নিঝৰাবোৰ। কিন্তু ইয়াৰ পিছতো তোমালোকৰ মাজৰ যিকোনোবাই অবিশ্বাস পোষণ কৰে সি তেন্তে নিশ্চয় সৰল পথৰ দিশ হেৰুৱাই।"

**১৩** তাৰ পাচত নিজৰ অঙ্গীকাৰ সিহঁতে ভঙ্গ কৰাৰ কাৰণে আমি সিহঁতক বঞ্চিত কৰিলো, আৰু সিহঁতৰ অন্তৰক কঠিন হ'বলৈ দিলো। সিহঁতে (ধৰ্মগ্ৰন্থৰ) বাণীবিলাক সিবিলাকৰ (যথাযথ) স্থানৰ পৰা আঁতৰাই দিয়ে, আৰু সিহঁতক যিবোৰ নিৰ্দেশ দিয়া হৈছিল তাৰ অংশবিশেষ পাহৰি যায়, আৰু সিহঁতৰ পৰা বিশ্বাসঘাতকতা আৱিষ্কাৰ কৰা তুমি শেষ কৰিব নোৱাৰিবা সিহঁতৰ অলপ কেইজনৰ বাহিৰে; তুমি কিন্তু সিহঁতক ক্ষমা কৰা আৰু উপেক্ষা কৰা (দোষ-ত্ৰুটিবিলাক)। বাস্তৱিকতে আল্লাহে ভাল পায় সৎকৰ্মীসকলক।

**১৪** আৰু যিসকলে কয়— "প্ৰকৃততে আমি খ্ৰীষ্টান", সিহঁতৰ পৰা আমি সিহঁতৰ অঙ্গীকাৰ গ্ৰহণ কৰিছিলো, সিহঁতেও পাহৰি গ'ল যিবিলাক নিৰ্দেশ সিহঁতক দিয়া হৈছিল তাৰ অংশবিশেষ; গতিকে আমি সিহঁতৰ মাজত শত্ৰুতা আৰু বিদ্বেষ জগাই ৰাখিছো কিয়ামতৰ দিনলৈকে। আৰু অচিৰেই আল্লাহে সিহঁতক জনাই দিব সিহঁতে কি কৰি গৈছিল।

**১৫** হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! আমাৰ ৰছুল (মুহাম্মদ-ছাঃ) তোমালোকৰ ওচৰত ইতিমধ্যে আহি গৈছে, ধৰ্মগ্ৰন্থৰ যি তোমালোকে লুকাইছিলা তাৰ বহুলাংশ তেওঁ তোমালোকৰ আগত (কুৰআনৰ মাধ্যমেৰে) সুস্পষ্ট কৰিছে, আৰু অনেকখিনি তেওঁ উপেক্ষা কৰিছে। আল্লাহৰ পৰা তোমালোকৰ ওচৰলৈ নিশ্চয় আহিছে এক জ্যোতি আৰু উজ্জ্বল কিতাপ;—

**১৬** ইয়াৰ দ্বাৰা আল্লাহে তাকে হেদায়ত কৰে যিজনে তেওঁৰ সন্তুষ্টি অনুসৰণ কৰে শান্তিৰ পথত, আৰু সেইসকলক উলিয়াই আনে অন্ধকাৰৰ পৰা (ইছলামী) আলোকৰ পিনে তেওঁৰ মৰ্জিমতে, আৰু সেইসকলক পৰিচালিত কৰে সঠিক পথৰ ফালে।

**১৭** সিহঁতে নিশ্চয় অবিশ্বাস পোষণ কৰে যিবিলাকে কয়— "নিশ্চয় আল্লাহ, তেওঁৱেই মছীহ, মৰিয়মৰ পুত্ৰ।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "কাৰ তেনেহ'লে বিন্দুমাত্ৰ ক্ষমতা আছে আল্লাহৰ বিৰুদ্ধে যেতিয়া তেওঁ বিচাৰিছিলে মৰিয়ম-পুত্ৰ মছীহক বিনাশ কৰিবলৈ, আৰু তেওঁৰ মাতৃক, আৰু পৃথিৱীত যিসকল আছিল সেইসকলোকে?" বস্তুতঃ আল্লাহৰেই মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব আৰু এই দুয়োৰ মাজত যি আছে (সকলো)। তেওঁ সৃষ্টি কৰে যি তেওঁ ইচ্ছা কৰে। আৰু আল্লাহ সকলো বিষয়ৰ ওপৰতে সৰ্বশক্তিমান।

**১৮** আৰু ইহুদী আৰু খ্ৰীষ্টানবিলাকে কয়— "আমি আল্লাহৰ সন্তান আৰু তেওঁৰ প্ৰিয়পাত্ৰ"। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— " তেনেহ'লে কিয় তোমালোকৰ অপৰাধৰ কাৰণে তেওঁ তোমালোকক শাস্তি দিয়ে? নহয়, যিসকলক তেওঁ সৃষ্টি কৰিছে তোমালোকো সেইবিলাকৰ মাজৰে মানুহ। তেওঁ যাকে ইচ্ছা কৰে পৰিত্ৰাণ কৰে আৰু যাকে ইচ্ছা কৰে শাস্তি দিয়ে।" আৰু আল্লাহৰেই মহাকাশমণ্ডল আৰু পৃথিৱীৰ সাম্ৰাজ্য আৰু এই দুয়োৰ মাজত যি আছে (সকলো), আৰু তেওঁৰ ফাললৈহে (সকলোৰ) প্ৰত্যাৱৰ্তন।

**১৯** হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! তোমালোকৰ ওচৰত নিশ্চয় আমাৰ ৰছুল (মুহাম্মদ-ছাঃ) আহিছে তোমালোকৰ ওচৰত (আমাৰ বাণী) সুস্পষ্ট কৰিবলৈ, ৰছুলসকলৰ (আগমনৰ) এক বিৰতিৰ পাচত,— পিচে তোমালোকে কোৱা— "আমাৰ ওচৰত সুসংবাদদাতাসকলৰ কোনোৱেই অহা নাই বা সতৰ্ককাৰীও নাই।" এতিয়া তোমালোকৰ ওচৰলৈ নিশ্চয় এজন (সৰ্ববৰেণ্য) সুসংবাদদাতা আৰু সতৰ্ককাৰী আহিছে। আৰু আল্লাহ সকলো বিষয়ৰ ওপৰতে সৰ্বশক্তিমান।

## পৰিচ্ছেদ - ৪

**২০** আৰু স্মৰণ কৰা! মূছা (আঃ)-এ তেওঁৰ লোকসকলক কৈছিলে— “হে মোৰ সম্প্ৰদায়! তোমালোকৰ প্ৰতি আল্লাহৰ অনুগ্ৰহ স্মৰণ কৰা যেতিয়া তেওঁ তোমালোকৰ মাজত নবীসকলক নিযুক্ত কৰিছিলে আৰু তোমালোকক বনাইছিলে ৰাজ-ৰাজেশ্বৰ, আৰু তোমালোকক দিছিলে (বিশ্বনবীৰ পৰিচয় পোৱাৰ এনে সুস্পষ্ট নিদৰ্শন) যি তেওঁ মানৱসমাজৰ মাজৰ অন্য কাকো দিয়া নাছিলে।

**২১** “হে মোৰ লোকসকল! (কানান-ৰ) সেই পুণ্যভূমিত প্ৰৱেশ কৰা যি আল্লাহে তোমালোকৰ নিমিত্তে বিধান কৰিছে, আৰু তোমালোকে পাচৰ পিনে ওভতি নাযাবা, কিয়নো তোমালোক তেনেহ’লে উলটি আহিবা ক্ষতিগ্ৰস্তভাৱে।”

**২২** সিহঁতে ক’লে— “হে মূছা (আঃ)! নিসন্দেহে ইয়াতে ৰৈছে পৰাক্ৰমশালী লোকদল, আৰু আমি কেতিয়াও ইয়াত প্ৰৱেশ নকৰিম যেতিয়ালৈকে নেকি সিহঁত ইয়াৰ পৰা ওলাই যায়। কাজেই সিহঁত যদি ইয়াৰ পৰা ওলাই যায় তেন্তে আমি অৱশ্যেই প্ৰৱেশ কৰিম।”

**২৩** যিসকলে (আল্লাহক) ভয় কৰিছিল সিহঁতৰ মাজৰ দুজন লোক— যিসকলৰ ওপৰত আল্লাহে অনুগ্ৰহ কৰিছিলে, সেইসকলে ক’লে— “সিহঁতৰ ওপৰত (আক্ৰমণ চলাই) সোমাই যোৱা (চহৰৰ সদৰ) দুৱাৰেদি, এতেকে যেতিয়া তোমালোকে তাত প্ৰৱেশ কৰিবা তোমালোক তেতিয়া নিশ্চয় বিজয়ী হ’বা আৰু আল্লাহৰ ওপৰত তেনেহ’লে তোমালোকে নিৰ্ভৰ কৰা, যদি তোমালোক মুমিন হোৱা।”

**২৪** সিহঁতে ক’লে— “হে মুছা (আঃ)! আমি নিশ্চয় কেতিয়াও ইয়াত নোসোমাম যেতিয়ালৈকে সিহঁতে ইয়াৰ মাজত অৱস্থান কৰিছে। গতিকে তুমি আৰু তোমাৰ প্ৰভু আগবাঢ়ি যোৱা আৰু তোমালোক দুজনেই যুদ্ধ কৰা; আমি নিশ্চয় ইয়াতে বহি পৰিলো।”

**২৫** তেওঁ ক’লে— “মোৰ প্ৰভু! নিশ্চয় মই মোৰ নিজৰ আৰু মোৰ ভাইৰ ওপৰৰ বাহিৰে (অন্যত) কৰ্তৃত্ব ৰখা নাই, এতেকে আমাৰ আৰু দুষ্কৃতিপৰায়ণ লোকবিলাকৰ মাজত এৰাএৰি ঘটাই দিয়া।”

**২৬** তেওঁ (—আল্লাহে) ক’লে— “তেন্তে নিসন্দেহে এইটো (—পুণ্যভূমিৰ দখল পোৱাটো) সিহঁতৰ কাৰণে নিষিদ্ধ থাকিব চল্লিশ বছৰ কাল; সিহঁতে পৃথিৱীত ঘূৰি ফুৰিব। এতেকে দুখ নকৰিবা এই দুষ্কৃতিপৰায়ণ জাতিৰ কাৰণে।

## পৰিচ্ছেদ - ৫

**২৭** আৰু (হে মুহাম্মদ-ছাঃ!) সিহঁতৰ ওচৰত সঠিকভাৱে বৰ্ণনা কৰা আদমৰ দুই সন্তানৰ কাহিনী, কেনেকৈ সিহঁতৰ উভয়ে কুৰবানি কৰিছিল, কিন্তু সেইটো কবুল হ’ল সিহঁতৰ এজনৰ পৰা আৰু আনজনৰ পৰা সেইটো গৃহীত নহ’ল। সি (—ককাই কাবিলে) ক’লে— “নিশ্চয় মই তোমাক হত্যা কৰিম।” তেওঁ (—হাবিলে) ক’লে— “আল্লাহে (কুৰবানি) কবুল কৰে কেৱল ধৰ্মভীৰুসকলৰ পৰাহে।

**২৮** “তুমি যদি মোৰ পিনে তোমাৰ হাত আগবঢ়োৱা মোক হত্যা কৰিবলৈ, মই কিন্তু তোমাৰ ফালে মোৰ হাত প্ৰসাৰণকাৰী নহ’ম তোমাক হত্যা কৰিবলৈ; দৰাচলতে মই ভয় কৰো আল্লাহক— সমগ্ৰ বিশ্বজগতৰ প্ৰভুক।

**২৯** “প্ৰকৃততে মই চাওঁ যে তুমি মোৰ বিৰুদ্ধে (কৰা) পাপ আৰু তোমাৰ (ইতিপূৰ্বে অৰ্জিত) পাপ বহন কৰা, ফলত (দুযখৰ) জুইৰ বাসিন্দাবোৰৰ দলভুক্ত হোৱা; আৰু এয়েই অন্যায়কাৰীবিলাকৰ প্ৰতিফল।”

**৩০** কিন্তু তাৰ অন্তৰখনে তাক উচটাই দিলে তাৰ ভায়েকক হত্যা কৰিবলৈ, সেইকাৰণে সি তেওঁক হত্যা কৰিলে; গতিকে পিচ মুহূৰ্ততে সি হ’ল ক্ষতিগ্ৰস্তবিলাকৰ দলৰ।

**৩১** তাৰ পিছত আল্লাহে এটি কাউৰী নিযুক্ত কৰিলে, সি মাটি আঁচুৰিব ধৰিলে যাতে তাক (—কাবিল-ক) দেখুওৱা যায় কেনেকৈ সি তাৰ ভায়েকৰ মৃতদেহ ঢাকিব। সি ক’লে— “হায় দুৰ্ভাগ্য! মই এই কাউৰীৰ দৰে হ’বৰ কাৰণে ইমানেই দুৰ্বল হৈ গৈছোনে, এতেকে মই যেন মোৰ ভাইৰ মৰা-শ (কবৰস্থ কৰি) ঢাকিব পাৰো?” সেইকাৰণে পিচ মুহূৰ্ততে সি হ’ল অনুতপ্তবিলাকৰ দলৰ;

**৩২** এইকাৰণেহে আমি বিধিবদ্ধ কৰিছিলো ইছৰাইলৰ বংশধৰবিলাকৰ নিমিত্তে— যে, যিকোনোবাই হত্যা কৰে এজন মানুহক আৰু এজনক (হত্যা কৰাৰ) ব্যতিৰেকে অথবা দেশত কন্দলৰ সৃষ্টি কৰাৰ (ব্যতিৰেকে), তেনেহ’লে সি যেন সকলো মানুহকে হত্যা কৰিলে। আকৌ যিকোনোবাই তাক বচাই ৰাখে, সি যেন তেন্তে সকলো মানুহকেই বচালে। আৰু নিশ্চয় সিহঁতৰ ওচৰত আমাৰ ৰছুলসকল আহিছিলে স্পষ্ট প্ৰমাণাৱলী লৈ, কিন্তু সিহঁতৰ মাজৰ অনেকে ইয়াৰ পাচতো পৃথিৱীত সীমা উলঙ্ঘাই চলে।

**৩৩** যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু দেশত গণ্ডগোল সৃষ্টিত তৎপৰ হয় সিহঁতৰ একমাত্ৰ প্ৰাপ্য হৈছে— সিহঁতক হত্যা কৰা, অথবা শূলত উঠাই (বা ফাঁচি দি) মাৰা, অথবা সিহঁতৰ হাত আৰু সিহঁতৰ ভৰি বিপৰীত ফালে কাটি পেলোৱা, অথবা সিহঁতক দেশৰ পৰা বিতাড়িত কৰা। এইটো হৈছে সিহঁতৰ কাৰণে ইহলোকৰ লাঞ্ছনা, আৰু সিহঁতৰ নিমিত্তে পৰকালত ৰৈছে কঠোৰ শাস্তি,—

**৩৪** সেইবিলাকৰ ব্যতিৰেকে যিবিলাকে তওবা কৰে তুমি সিহঁতৰ ওপৰত ক্ষমতা লাভৰ আগতে, তেনেহ’লে জানি ৰাখা যে নিসন্দেহে আল্লাহ (মানুহৰ অপৰাধৰ) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ৬

**৩৫** হেৰা যিসকলে ঈমান আনিছা! আল্লাহক ভয়-শ্ৰদ্ধা কৰা, আৰু তেওঁৰ ফালে (অগ্ৰসৰ হোৱাৰ) অৱলম্বন অন্বেষণ কৰা, আৰু তেওঁৰ পথত জিহাদ কৰা, যাতে তোমালোকে সফলকাম হ'ব পাৰা।

**৩৬** নিসন্দেহে যিবিলাকে অবিশ্বাস কৰে— পৃথিৱীত যি (সম্পদ) আছে সেই গোটেইখিনি যদি সিহঁতৰ হ'লহেঁতেন আৰু তাৰ সৈতে সেই পৰিমাণে (অন্য সম্পদ থাকিলহেঁতেন), যাৰ বিনিময়ত সিহঁতে মুক্তি কামনা কৰিলেহেঁতেন কিয়ামতৰ দিনৰ শাস্তিৰ পৰা, সিহঁতৰ পৰা সেইটো কবুল নহ'ব; আৰু সিহঁতৰ নিমিত্তে ৰৈছে ব্যথাদায়ক শাস্তি।

**৩৭** সিহঁতে বিচাৰিব যাতে সেই জুইৰ পৰা সিহঁত ওলাই যাব পাৰে, কিন্তু তাৰ পৰা সিহঁতে ওলাই যাবলৈ নহয় আৰু সিহঁতৰ নিমিত্তে ৰৈছে দীৰ্ঘস্থায়ী শাস্তি।

**৩৮** আৰু চোৰ আৰু চুৰুণী— দুয়োৰে তেন্তে হাত কাটি পেলোৱা,— সিহঁতে যি কৰিছে তাৰ প্ৰতিফল স্বৰূপে, এইটো আল্লাহৰ পৰা এটি দৃষ্টান্ত স্থাপনকাৰী শাস্তি। আৰু আল্লাহ হৈছে মহাশক্তিশালী, পৰমজ্ঞানী।

**৩৯** কিন্তু যিকোনোবাই তওবা কৰে তাৰ অন্যায় আচৰণৰ পাচত আৰু সংশোধন কৰে (নিজৰ আচাব-ব্যৱহাৰ), তেনেহ'লে নিসন্দেহে আল্লাহে তাৰ পিনে ফিৰিব। নিশ্চয় আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৪০** তুমি নাজানানে আল্লাহ— মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব তেওঁৰেই? তেওঁ শাস্তি দিয়ে যাকে ইচ্ছা কৰে আৰু ক্ষমাও কৰে যাকে ইচ্ছা কৰে। আৰু আল্লাহ সকলোৰে ওপৰত সৰ্বশক্তিমান।

**৪১** হে প্ৰিয় ৰছুল! যিবিলাকে অবিশ্বাসৰ অভিমুখে ধাবিত হৈছে সিহঁতে যেন তোমাক দুঃখিত নকৰে— যিবিলাকে সিহঁতৰ মুখেৰে কয়— "আমি ঈমান আনিছো", কিন্তু সিহঁতৰ হৃদয়ে ঈমান অনা নাই; আৰু যিবিলাকে ইহুদীয় মত পোষণ কৰে,— মিছাৰ কাৰণে শ্ৰৱণকাৰী, শ্ৰৱণকাৰী অন্যলোকৰ কাৰণে যিবিলাকে তোমাৰ ওচৰত নাহে। সিহঁতে (ধৰ্মগ্ৰন্থৰ) কথাবিলাক আঁতৰাই দিয়ে সেইবিলাকক যথাস্থানত স্থাপনৰ পাচত, সিহঁতে কয়— "তোমালোকক যদি এই (ধৰনৰ বিধান) দিয়া হয় তেন্তে সেইটো গ্ৰহণ কৰিবা আৰু যদি তোমালোকক এইটো দিয়া নহয় তেন্তে সাৱধান হ'বা।" আৰু যাক তাৰ প্ৰলোভনৰ মাজত (ৰাখি দিবলৈ) আল্লাহে বিচাৰে, তাৰ নিমিত্তে আল্লাহৰ পৰা কিবা কৰাৰ ক্ষমতা তোমাৰ নাই। এই বিলাকেই সেইবিলাক যিবিলাকৰসম্বন্ধে আল্লাহে নিবিচাৰে যে সিহঁতৰ হৃদয় বিশুদ্ধ হওক। ইহঁতৰ কাৰণে এই দুনিয়াত ৰৈছে দুৰ্গতি আৰু পৰকালত ইহঁতৰ কাৰণে (অপেক্ষা কৰিছে) কঠোৰ শাস্তি।

**৪২** সিহঁত মিছাৰ কাৰণে শ্ৰৱণকাৰী, নিষিদ্ধবস্তুৰ ভক্ষণকাৰী। এতেকে সিহঁতে যদি (বিবাদ-বিসংবাদ মীমাংসাৰ বাবে) তোমাৰ ওচৰলৈ আহে তেন্তে সিহঁতৰ মাজত বিচাৰ কৰা (ন্যায়সংগতভাৱে), নাইবা সিহঁতৰ পৰা বিৰতথাকা; আৰু যদি তুমি সিহঁতৰ পৰা পৰাঙ্মুখ হোৱা তেন্তে সিহঁতে কেতিয়াও তোমাৰ একো ক্ষতি কৰিব নোৱাৰিব। আৰু যদি তুমি বিচাৰ কৰা তেন্তে সিহঁতৰ মাজত বিচাৰ কৰা নিৰপেক্ষভাৱে। নিশ্চয় আল্লাহে ভাল পায় নিৰপেক্ষসকলক।

**৪৩** আৰু কেনেকৈ সিহঁতে তোমাক বিচাৰক (সাব্যস্ত) কৰে, অথচ সিহঁতৰ ওচৰত ৰৈছে তওৰাত য'ত আছে আল্লাহৰ বিধান? তেনে সত্ত্বেও সিহঁত ফিৰি যায় এইবিলাকৰ (অৰ্থাৎ তওৰাতত লিপিৱদ্ধ স্পষ্ট নিৰ্দেশৰ) পাচতো। আৰু এনে লোকবিলাক মুমিন নহয়।

## পৰিচ্ছেদ - ৭

**৪৪** নিসন্দেহে আমি (মূছা-আঃ-ৰ ওচৰত) অৱতাৰণ কৰিছো তওৰাত; য'ত ৰৈছে পথপ্ৰদৰ্শন আৰু দীপ্তি। ইয়াৰ দ্বাৰা নবীসকলে, যিসকলে ইছলাম অনুসৰণ কৰিছিলে, বিধান দিছিলে সিহঁতক যিবিলাকে ইহুদীয় মত পোষণ কৰে, আৰু ৰব্বিসকলেও, আৰু পুৰোহিতবিলাকেও (বিধান দিছিলে) আল্লাহৰ কিতাপৰ যি সিহঁতে সংৰক্ষণ কৰিছে তাৰ দ্বাৰা, আৰু সিহঁত সেইবিলাকৰ সাক্ষী আছিল। সেইকাৰণে তোমালোকে লোকজনক ভয় নকৰিবা, বৰং ভয় কৰা আমাক, আৰু আমাৰ বাণীসমূহৰ কাৰণে অল্প মূল্য কামাবলৈ নাযাবা। আৰু যিবিলাকে বিচাৰ নকৰে আল্লাহে যি (বিধান) অৱতাৰণ কৰিছে তাৰ দ্বাৰা, সিহঁত তেন্তে নিজেই অবিশ্বাসী।

**৪৫** আৰু আমি সিহঁতৰ নিমিত্তে তাতে (—তওৰাতত) বিধান কৰিছিলো— প্ৰাণৰ সলনি প্ৰাণ, আৰু চকুৰ সলনি চকু, আৰু নাকৰ সলনি নাক, আৰু কাণৰ সলনি কাণ, আৰু দাঁতৰ সলনি দাঁত, আৰু জখমৰও সলনি (সমানে সমানে)। আৰু যিকোনোবাই এইটো (—প্ৰতিশোধৰ দাবী) দান কৰি দিয়ে, সেইটো তেনেহ'লে তাৰ কাৰণে হ'ব (কোনো গুৰুতৰ অপৰাধৰ) প্ৰায়শ্চিত্ত। আৰু যিবিলাকে বিচাৰ নকৰে আল্লাহে যি অৱতীৰ্ণ কৰিছে তাৰ দ্বাৰা, তেনেহ'লে সিহঁত নিজেই হৈছে অন্যায়কাৰী।

**৪৬** আৰু সিহঁতৰ পদে-পদে আমি পঠিয়াইছিলো মৰিয়ম-পুত্ৰ ঈছাক, তেওঁৰ আগতে তওৰাতত যি (বিধান) আছিল তাৰ সত্যসমৰ্থনকাৰীৰূপে, আৰু তেওঁক আমি দিছিলো ইঞ্জীল য'ত ৰৈছে পথপ্ৰদৰ্শন আৰু দীপ্তি, ইয়াৰ আগতে তওৰাতত যি (বিধান দিয়া) আছিল তাৰ সত্যসমৰ্থনৰূপে, আৰু (ই হৈছে) পথপ্ৰদৰ্শন আৰু উপদেশ ধৰ্মপৰায়ণসকলৰ কাৰণে।

**৪৭** আৰু ইঞ্জীলৰ অনুৱৰ্তীসকলৰ উচিত তেওঁলোকে যেন বিচাৰ কৰে আল্লাহে তাতে যি (বিধান) অৱতাৰণ কৰিছে তাৰ দ্বাৰা। আৰু যিয়েই বিচাৰ নকৰে আল্লাহে যি অৱতাৰণ কৰিছে তাৰ দ্বাৰা, সিহঁত তেন্তে নিজেই হৈছে দুষ্কৃতিপৰায়ণ।

**৪৮** আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওচৰত আমি অৱতাৰণ কৰিছো এই ধৰ্মগ্ৰন্থ সত্যৰ সৈতে, আৰু পূৰ্বৱৰ্তী ধৰ্মগ্ৰন্থত যি আছে তাৰ সত্যসমৰ্থনৰূপে, আৰু তাৰ ওপৰত প্ৰহৰীৰূপে; সেইকাৰণে সিহঁতৰ মাজত বিচাৰ কৰা যি আল্লাহে নাযিল কৰিছে তাৰ দ্বাৰা, আৰু সিহঁতৰ হীন বাসনাৰ অনুসৰণ নকৰিবা তোমাৰ প্ৰতি সত্যৰ যি আহিছে তাৰ প্ৰতি বিমুখ হৈ। তোমালোকৰ মাজৰ প্ৰত্যেকৰে কাৰণে আমি নিৰ্ধাৰণ কৰিছিলো একো একোটি পন্থা। আৰু যদি আল্লাহে ইচ্ছা কৰিলেহেঁতেন তেন্তে তেওঁ তোমালোকক বনালেহেঁতেন একেই জাতি, কিন্তু তেওঁ তোমালোকক যেন বিচাৰ কৰিব পাৰে তোমালোকক যি তেওঁ দিছে তাৰ দ্বাৰা, এতেকে ভালকামত পৰস্পৰে প্ৰতিযোগিতা কৰা। আল্লাহৰ ওচৰত তোমালোকৰ সকলোৰে প্ৰত্যাৱৰ্তন, তেতিয়া তেওঁ তোমালোকক জনাই দিব সেইবোৰ বিষয় যিবিলাকত তোমালোকে মতভেদ কৰিছিলা।

**৪৯** আৰু তুমি যেন সিহঁতৰ মাজত বিচাৰ কৰা আল্লাহে যি অৱতাৰণ কৰিছে তাৰ দ্বাৰা, আৰু সিহঁতৰ হীন কামনাৰ অনুসৰণ নকৰিবা, আৰু সিহঁতৰ সম্পৰ্কে সাৱধান হ’বা পাচত সিহঁতে তোমাক ভ্ৰান্তিত পেলাই দিয়ে আল্লাহে তোমাৰ ওচৰত যি অৱতাৰণ কৰিছে তাৰ কোনো অংশৰ পৰা। ইয়াৰ পাচত যদি সিহঁতে ফিৰি যায় তেনেহ’লে জানি ৰাখা যে আল্লাহে নিশ্চয় সিহঁতক সাৱটি ধৰিব বিচাৰে সিহঁতৰ কেতবোৰ অপৰাধৰ কাৰণে। আৰু প্ৰকৃততে মানুহ সৰহভাগেই দুষ্কৃতি পৰায়ণ।

**৫০** তেন্তে সিহঁতে (প্ৰাক ইছলামিক) অজ্ঞতাৰ যুগৰ বিচাৰ-ব্যৱস্থা বিচাৰে নে? আৰু আল্লাহতকৈ কোন বেচি ভাল বিচাৰ-ব্যৱস্থাত সেই সম্প্ৰদায়ৰ কাৰণে যিসকল সুনিশ্চিত?

## পৰিচ্ছেদ - ৮

**৫১** হেৰা যিসকলে ঈমান আনিছা! ইহুদী আৰু খ্ৰীষ্টানবিলাকক (শত্ৰুতা কৰা অৱস্থাত) বন্ধুৰূপে গ্ৰহণ নকৰিবা; সিহঁতৰ এদল অন্যদলৰ বন্ধু। আৰু তোমালোকৰ মাজৰ যিকোনোবাই সিহঁতক মুৰব্বীৰূপে গ্ৰহণ কৰে তেন্তে সি নিসন্দেহে সিহঁতৰেই মাজৰ। বাস্তৱতে আল্লাহে পথ নেদেখুৱাই অন্যায়কাৰী সম্প্ৰদায়ক।

**৫২** এতেকে যিবিলাকৰ অন্তৰত (মুনাফিকি) ব্যাৰাম ৰৈছে সিহঁতক তুমি দেখিবলৈ পাবা সিহঁতৰ (আপোন গোষ্ঠীৰ) পিনে দৌৰি যাওঁতে এইবুলি— “আমি আশংকা কৰিছো (মুছলিমৰ লগত থাকিলে) কোনো দুৰ্যোগ আমাৰ ওপৰত ঘটি যায়।” কিন্তু হ’ব পাৰে যে আল্লাহে আনি দিব (মুছলিমৰ কাৰণে) বিজয় অথবা তেওঁৰ ওচৰৰ পৰা চূড়ান্ত নিষ্পত্তি, সেইকাৰণে সিহঁতৰ অন্তৰত সিহঁতে যি পোষণ কৰিছিল তাৰ নিমিত্তে পাচমুহূৰ্ততে সিহঁত হ’ল অনুতাপী।

**৫৩** আৰু যিসকলে ঈমান আনিছে তেওঁলোকে ক’ব— “এইবিলাকেই সেইবিলাক হয়নে যিসকলে আল্লাহৰ নামত সিহঁতৰ দৃঢ় আস্থাৰ সৈতে শপত খাইছিল যে সিহঁত সুনিশ্চিত তোমালোকৰ লগতেই?” সিহঁতৰ ক্ৰিয়া-কলাপ অথলে গ’ল, কাজেই পাচমুহূৰ্তত সিহঁতে হ’ল ক্ষতিগ্ৰস্ত।

**৫৪** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ মাজৰ পৰা যিকোনোবাই তাৰ ধৰ্মৰ পৰা উভতি যায় আল্লাহে তেন্তে শীঘ্ৰেই লৈ আহিব এটি (অধিকতৰ ধৰ্মপৰায়ণ) সম্প্ৰদায়— সিহঁতক তেওঁ ভাল পাব আৰু সিহঁতেও তেওঁক ভাল পাব, মুমিনসকলৰ প্ৰতি বিনীত, অবিশ্বাসীবিলাকৰ প্ৰতি কঠোৰ, সিহঁত আল্লাহৰ পথত জিহাদ কৰিব, আৰু ভয় নকৰিব কোনো নিন্দুকৰ নিন্দাক। এই হৈছে আল্লাহৰ এক অনুগ্ৰহ— তেওঁ সেইটো প্ৰদান কৰে যাকে তেওঁ ইচ্ছা কৰে। আৰু আল্লাহ পৰম বদান্য, সৰ্বজ্ঞাতা।

**৫৫** নিসন্দেহে তোমালোকৰ অভিভাৱক হৈছে কেৱল মাত্ৰ আল্লাহ, আৰু তেওঁৰ ৰছূল, আৰু যিসকলে ঈমান আনিছে— যিবিলাকে নামায কায়েম কৰে আৰু যাকাত আদায় কৰে, আৰু তেওঁলোক ৰুকুকাৰী।

**৫৬** আৰু যিকোনোবাই বন্ধুৰূপে গ্ৰহণ কৰে আল্লাহক আৰু তেওঁৰ ৰছূলক আৰু যিসকলে ঈমান আনিছে তেওঁলোকক, তেনেহ’লে (এওঁলোকেই হৈছে) আল্লাহৰ দল— এওঁলোকেই হ’ব বিজয়ী।

## পৰিচ্ছেদ - ৯

**৫৭** হেৰা যিসকলে ঈমান আনিছা! যিবিলাকে তোমালোকৰ ধৰ্মক উপহাস আৰু ধেমালিৰূপে গ্ৰহণ কৰে— তোমালোকৰ পূৰ্বে যিবিলাকক ধৰ্মগ্ৰন্থ দিয়া হৈছিল সিহঁতৰ আৰু অবিশ্বাসকাৰী বিলাকৰ পৰা— তাহাঁতক বন্ধুৰূপে গ্ৰহণ নকৰিবা। আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যদি তোমালোক মুমিন হোৱা।

**৫৮** আৰু যেতিয়া তোমালোকে নামাযলৈ আহ্বান কৰা (অৰ্থাৎ আজান দিয়া), সিহঁতে সেইটোক বিদ্ৰূপ আৰু খেল-ধেমালিৰূপে গ্ৰহণ কৰে। সেইটো এইকাৰণেই যে সিহঁত এনে এটা দল যিবিলাকে নুবুজে।

**৫৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! তোমালোকে আমাৰ কোনো দোষ ধৰিছানে ইয়াৰ ব্যতিৰেকে যে আমি ঈমান আনিছো আল্লাহতে, আৰু যি আমাৰ ওচৰত অৱতীৰ্ণ হৈছে তাতে, আৰু যি অৱতীৰ্ণ হৈছিল ইয়াৰ আগতে? আৰু নিশ্চয় তোমালোকৰ অধিকাংশই হৈছা দুষ্কৃতিপৰায়ণ।”

**৬০** তুমি কোৱা— “(হে মুছলিমসকল!) তোমালোকক মই জনামনে ইয়াতকৈয়ো অধম-বিলাকৰ কথা, আল্লাহৰ ওচৰত প্ৰতিফল পোৱাৰ সম্বন্ধে? যাক আল্লাহে বঞ্চিত কৰিছে, আৰু যাৰ ওপৰত তেওঁ ক্ৰোধ বৰ্ষণ কৰিছে, আৰু সিহঁতৰ মাজৰ কাৰোবাক তেওঁ বনালে বান্দৰ, আৰু গাহৰি, আৰু তাগুতৰ পূজাৰী। ইহঁত আছে অতি বেয়া অৱস্থাত, আৰু সৰল পথৰ পৰা সুদূৰ পথভ্ৰষ্টত।

**৬১** আৰু যেতিয়া সিহঁত তোমাৰ ওচৰলৈ আহে সিহঁতে কয়— “আমি ঈমান আনিছো।” কিন্তু আচলতে সিহঁতে ভৰ্তি হৈছিল অবিশ্বাস লৈ আৰু এতিয়া ওলাই গৈছে তাকে লৈয়েই। আৰু আল্লাহে ভালকৈ জানে কি সিহঁতে লুকুৱাইছে।

**৬২** আৰু তুমি দেখিবলৈ পাবা সিহঁতৰ অনেকেই ধাবিত হৈছে পাপৰ ফালে আৰু উলঙ্ঘাত, আৰু সিহঁতৰ অবৈধ বস্তু ভক্ষণত। নিশ্চয় গৰ্হিত যিখিনি সিহঁতে কৰি আছে।

**৬৩** ৰব্বিবিলাকে আৰু পুৰোহিতবিলাকে কিয় সিহঁতক নিষেধ নকৰে সিহঁতৰ পাপপূৰ্ণ কথা-বাৰ্তা কোৱাত আৰু সিহঁতৰ অবৈধ বস্তু খোৱাত। অৱশ্যেই গৰ্হিত যি সিহঁতে কৰি গৈছে।

**৬৪** আৰু ইহুদীবোৰে কয়— “আল্লাহৰ হাত বন্ধা ৰৈছে।” সিহঁতৰহে হাত বন্ধা, আৰু সিহঁত বঞ্চিত যি সিহঁতে কয় সেইকাৰণে। নহয়, তেওঁৰ দুই হাতেই পূৰ্ণ প্ৰসাৰিত— তেওঁ (দানসামগ্ৰী) বিতৰণ কৰে যেনেকৈ তেওঁ বিচাৰে। আৰু তোমাৰ প্ৰভুৰ পৰা তোমাৰ প্ৰতি যি অৱতীৰ্ণ হৈছে সেইটোৱে নিশ্চয় বঢ়াই দিয়ে সিহঁতৰ মাজৰ বহুতৰেই অবাধ্যতা আৰু অবিশ্বাস। আৰু আমি সিহঁতৰ মাজত ছটিয়াই দিছো শত্ৰুতা আৰু বিদ্বেষ কিয়ামতৰ দিনলৈকে। যিমানবাৰ সিহঁতে যুদ্ধৰ দাবানল জ্বলাই তোলে আল্লাহে তাক নিৰ্বাপিত কৰে, কিন্তু সিহঁতে দেশত গণ্ডগোল কৰাৰ চেষ্টা চলাইয়ে থাকে। আৰু আল্লাহে ভাল নাপায় গণ্ডগোল সৃষ্টিকাৰীবোৰক।

**৬৫** আৰু যদি গ্ৰন্থপ্ৰাপ্ত লোকবিলাকে ঈমান আনিলেহেঁতেন আৰু (আল্লাহক) ভয়-শ্ৰদ্ধা কৰিলেহেঁতেন, তেন্তে নিশ্চয় আমি সিহঁতৰ দোষ-ত্ৰুটি সিহঁতৰ পৰা মচি দিলোহেঁতেন, আৰু সিহঁতক অৱশ্যেই প্ৰৱেশ কৰালোহেঁতেন আনন্দময় স্বৰ্গোদ্যানত।

**৬৬** আৰু যদি সিহঁতে প্ৰতিষ্ঠিত ৰাখিলেহেঁতেন তওৰাত আৰু ইঞ্জীল আৰু সিহঁতৰ ওচৰত যি অৱতীৰ্ণ হৈছিল সিহঁতৰ প্ৰভুৰ পৰা, তেন্তে সিহঁতে নিশ্চয় আহাৰ কৰিলেহেঁতেন সিহঁতৰ ওপৰৰ পৰা আৰু সিহঁতৰ ভৰিৰ তলৰ পৰা। সিহঁতৰ মাজতো এটি নৰমপন্থী দল ৰৈছে; কিন্তু সিহঁতৰ সৰহভাগেই— সিহঁতে যি কৰে সি হৈছে গৰ্হিত।

## পৰিচ্ছেদ - ১০

**৬৭** হে প্ৰিয় ৰছুল! তোমাৰ প্ৰভুৰ পৰা যি তোমাৰ ওচৰত অৱতীৰ্ণ হৈছে সেইটো প্ৰচাৰ কৰা। আৰু যদি তুমি সেইটো নকৰা তেন্তে তেওঁৰ বাণী তুমি প্ৰচাৰ নকৰিলা। আৰু আল্লাহে লোকবিলাকৰ পৰা তোমাক ৰক্ষা কৰিব। নিসন্দেহে আল্লাহে অবিশ্বাসী লোকবিলাকক পথ প্ৰদৰ্শন নকৰে।

**৬৮** তুমি কোৱা— “হে গ্ৰন্থপ্ৰাপ্ত লোকসকল! তোমালোকে কোনো কিছুৰ ওপৰত (অধিষ্ঠিত) নোহোৱা যেতিয়ালৈকেনা তোমালোকে প্ৰতিষ্ঠিত ৰাখা তওৰাত আৰু ইঞ্জীল, আৰু যি তোমালোকৰ ওচৰত অৱতীৰ্ণ হৈছে তোমালোকৰ প্ৰভুৰ পৰা।” আৰু (হে মুহাম্মদ!) তোমাৰ ওচৰত তোমাৰ প্ৰভুৰ পৰা যি অৱতীৰ্ণ হৈছে সেইটোৱে নিশ্চয় বঢ়াই দিয়ে সিহঁতৰ মাজৰ অনেকৰে অবাধ্যতা আৰু অবিশ্বাস। সেইকাৰণে দুখ নকৰিবা অবিশ্বাসী লোকবিলাকৰ কাৰণে।

**৬৯** নিসন্দেহে যিসকলে (ইছলামত) ঈমান আনিছে আৰু যিবিলাকে ইহুদীমত পোষণ কৰে, আৰু ছাবেঈন আৰু খ্ৰীষ্টান,— যিয়েই আল্লাহৰ প্ৰতি ঈমান আনিছে আৰু আখেৰাতৰ দিনৰ প্ৰতি আৰু সৎকৰ্ম কৰে,— সিহঁতৰ ওপৰত তেনেহ’লে কোনো ভয় নাই আৰু সিহঁতে নিজেও অনুতাপ নকৰিব।

**৭০** আমি নিশ্চয় ইছৰাইলৰ বংশধৰসকলৰ পৰা অংগীকাৰ গ্ৰহণ কৰিছিলো আৰু সিহঁতৰ ওচৰলৈ পঠিয়াইছিলো ৰছুলসকলক। যেতিয়াই সিহঁতৰ ওচৰত কোনো ৰছুল আহিছে সেইটো লৈ যিটোক সিহঁতৰ মনে নিবিচাৰে, (তেওঁলোকৰ) কিছু সংখ্যকক সিহঁতে মিথ্যাৰোপ কৰিছে আৰু কাৰোবাক কৰিবলৈ গৈছে হত্যা।

**৭১** আৰু সিহঁতে ভাবিছিল যে (সিহঁতৰ) কোনো পৰীক্ষা-নিৰীক্ষা নহ’ব, সেইকাৰণে সিহঁত হ’ল অন্ধ আৰু ক’লা, ইয়াৰ পিছত আল্লাহে সিহঁতৰ পিনে (সদয় হৈ) ফিৰিলে। ইয়াৰ পাচতো সিহঁতৰ অনেক অন্ধ আৰু ক’লা হ’ল? আৰু সিহঁতে যি কৰে আল্লাহ তাৰ দৰ্শক।

**৭২** নিশ্চয় সিহঁতে অবিশ্বাস পোষণ কৰে যিবিলাকে কয়— “প্ৰকৃততে আল্লাহ, তেৱেঁই মৰিয়ম-পুত্ৰ মছীহ”। অথচ মছীহে কৈছে— “হে ইছৰাইলৰ বংশধৰসকল! আল্লাহৰ এবাদত কৰা যিজন মোৰ প্ৰভু।” নিসন্দেহে যিজনে আল্লাহৰ সৈতে অংশীদাৰ নিৰূপণ কৰে, আল্লাহে নিশ্চয় তাৰ নিমিত্তে নিষিদ্ধ কৰিছে স্বৰ্গোদ্যান, আৰু তাৰ আবাসস্থল হৈছে (দুযখৰ) জুই, আৰু অন্যায়কাৰীবিলাকৰ কাৰণে নাথাকিব কোনো সাহায্যকাৰী।

**৭৩** সিহঁতে নিশ্চয় অবিশ্বাস পোষণ কৰে যিবিলাকে কয়— “বাস্তৱিকতে আল্লাহ হৈছে তিনিজনৰ তৃতীয়জন।” বস্তুতঃ একক খোদাৰ বাহিৰে অন্য উপাস্য নাই। আৰু যি সিহঁতে কৈছে তাৰ পৰা যদি সিহঁত বিৰত নহয়, তেন্তে সিহঁতৰ মাজৰ যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক স্পৰ্শ কৰিব ব্যথাদায়ক শাস্তিয়ে।

**৭৪** তেন্তে সিহঁত আল্লাহৰ ফালে নিফিৰিবনে, আৰু তেওঁৰ ক্ষমা প্ৰাৰ্থনা নকৰিবনে? আৰু আল্লাহ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৭৫** মৰিয়ম-পুত্ৰ মছীহ এজন ৰছুল নহয়নে? তেওঁৰ আগৰ ৰছুলসকল নিশ্চয় গত হৈ গৈছে। আৰু তেওঁৰ মাতা আছিলে সত্যপৰায়ণা। তেওঁলোক উভয়ে (জীৱনধাৰণৰ কাৰণে) খাদ্য খাইছিলে। চোৱা, কেনেকুৱা আমি সিহঁতৰ কাৰণে মোৰ বাণী সুস্পষ্ট কৰিছো; তাৰ পিচত চোৱা, কেনেকৈ সিহঁত ঘূৰি যায়।

**৭৬** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “তোমালোকে আল্লাহক এৰি তাৰ এবাদত কৰানে যাৰ কোনো ক্ষমতা নাই তোমালোকৰ কাৰণে অপকাৰৰ, নাইবা কোনো উপকাৰৰ? আৰু আল্লাহ,— তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।”

**৭৭** তুমি কোৱা— “হে গ্ৰন্থপ্ৰাপ্ত লোকবিলাক! তোমালোকৰ ধৰ্মমতত সীমালঙঘন নকৰিবা নাহকভাৱে, আৰু লোকবিলাকৰ হীন কামনাৰ অনুৱৰ্তী নহবা,— যিবিলাকে ইতিপূৰ্বে পথভ্ৰষ্ট হৈছিল আৰু বহুতক কৰিছিল পথহাৰা, আৰু (নিজেও) বিপথে গৈছিল সৰল পথৰ পৰা।

## পৰিচ্ছেদ - ১১

**৭৮** ইছ্ৰাইলৰ বংশধৰবিলাকৰ মাজৰ যিবিলাকে অবিশ্বাস পোষণ কৰিছিল সিহঁতক অভিশাপ দিয়া হৈছিল দাউদ আৰু মৰিয়ম-পুত্ৰ ঈছাৰ জিভাৰ দ্বাৰা। এইটো হৈছিল, কিয়নো সিহঁত অবাধ্য হৈছিল আৰু সীমালঙঘন কৰিছিল।

**৭৯** সিহঁতে পৰস্পৰক নিষেধ নকৰিছিল কুকৰ্মসম্বন্ধে যি সিহঁতে কৰিছিল। নিশ্চয় বেয়া যি সিহঁতে কৰি চলিছিল।

**৮০** তুমি দেখিবলৈ পাবা সিহঁতৰ মাজৰ অনেকে বন্ধু বনাইছে যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক। নিশ্চয় বেয়া যি সিহঁতৰ নিমিত্তে সিহঁতৰ আত্মা আগবঢ়াইছে, যাৰ কাৰণে আল্লাহ সিহঁতৰ ওপৰত অসন্তুষ্ট হৈছে; আৰু শাস্তিৰ মাজতে সিহঁতে কটাব দীৰ্ঘকাল।

**৮১** আৰু যদি সিহঁতে ঈমান আনি থাকিলেহেঁতেন আল্লাহত আৰু নবীজনৰ ওপৰত, আৰু যি তেওঁৰ ওচৰত অৱতীৰ্ণ হৈছে তাত, তেন্তে সিহঁতে সেইবিলাকক বন্ধুৰূপে গ্ৰহণ নকৰিলেহেঁতেন। কিন্তু সিহঁতৰ মাজৰ সৰহভাগেই দুষ্কৃতিপৰায়ণ।

**৮২** তুমি নিশ্চয় দেখিবলৈ পাবা যে যিসকলে ঈমান আনিছে তেওঁলোকৰ সৈতে শত্ৰুতাত সকলোতকৈ কঠোৰ লোক হৈছে ইহুদীবিলাক আৰু যিবিলাকে (আল্লাহৰ সৈতে দেৱ-দেৱীক) শ্বৰীক কৰে; পক্ষান্তৰে তুমি নিশ্চয় আৱিষ্কাৰ কৰিবা যে যিসকলে ঈমান আনিছে সিহঁতৰ সৈতে বন্ধুতাত সিহঁতৰ অধিকতৰ ঘনিষ্ঠ হৈছে এওঁলোক যিসকলে কয়— “নিসন্দেহে আমি খ্ৰীষ্টান।” এইটো এই কাৰণে যে সিহঁতৰ মাজত ৰৈছে পাদ্ৰীবিলাক আৰু সাধুসন্তবিলাক, আৰু যিহেতু সিহঁতে অহংকাৰ নকৰে।

## ৭ম পাৰা

**৮৩** আৰু যেতিয়া তেওঁলোকে শুনে যি ৰছুললৈ অৱতীৰ্ণ হৈছে, তুমি তেতিয়া দেখিবা তেওঁলোকৰ চকু অশ্ৰুৰে প্লাবিত হৈছে (কুৰআনৰ) সত্যতা তেওঁলোকে উপলব্ধি কৰিছিল বুলি। তেওঁলোকে কয়— “আমাৰ প্ৰভু! আমি ঈমান আনিছো, সেইকাৰণে আমাক লিখি ৰাখা (সত্যৰ) সাক্ষ্যদাতাসকলৰ সৈতে।

**৮৪** “আৰু কিনো আমাৰ আপত্তি থাকিব পাৰে যাৰ কাৰণে আমি বিশ্বাস নকৰিম আল্লাহত আৰু যি সত্য আমাৰ ওচৰলৈ আহিছে তাত, যেতিয়া আমি বৰ আশা কৰো যে আমাৰ প্ৰভুৱে যেন সত্যপৰায়ণ লোকসকলৰ লগত আমাক অন্তৰ্ভুক্ত কৰে?”

**৮৫** এতেকে আল্লাহে তেওঁলোকক পুৰস্কাৰ দিছিল যি তেওঁলোকে কৈছিল তাৰ কাৰণে— উদ্যানসমূহ যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তাতে তেওঁলোক থাকিব চিৰকাল। আৰু এইটোৱেই হৈছে সৎকৰ্মীসকলৰ পুৰস্কাৰ।

**৮৬** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰে, সিহঁত হৈছে জ্বলন্ত জুইৰ বাসিন্দা।

## পৰিচ্ছেদ - ১২

**৮৭** হেৰা যিসকলে ঈমান আনিছা! ভাল বিষয়বস্তু যিবিলাক আল্লাহে তোমালোকৰ বাবে বৈধ কৰিছে সিবিলাক তোমালোকে নিষিদ্ধ নকৰিবা, আকৌ বঢ়া-বঢ়িও নকৰিবা। নিসন্দেহে আল্লাহে ভাল নাপায় সীমালঙঘনকাৰীসকলক।

**৮৮** আৰু আল্লাহে তোমালোকক যি হালাল আৰু ভাল ৰিযেক দিছে তাৰ পৰা ভোগ কৰা আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা— যিজনৰ প্ৰতি তোমালোক মুমিন হৈছা।

**৮৯** আল্লাহে তোমালোকক নধৰিব তোমালোকৰ শপতবিলাকৰ ভিতৰৰ যিবিলাক বাজেকথা, কিন্তু তেওঁ তোমালোকক ধৰিব সেইবিলাক শপতৰ কাৰণে যিবিলাক তোমালোকে স্বেচ্ছাকৃতভাৱে কৰা; সেইকাৰণে ইয়াৰ প্ৰায়শ্চিত্ত হৈছে দহজন গৰীবক খুওৱা— তোমালোকৰ পৰিয়ালক তোমালোকে যিধৰনে খাব দিয়া সেইদৰে সাধাৰণভাৱে, অথবা সিহঁতক (সেইধৰণে) পিন্ধোৱা, নাইবা এজন দাসক মুক্ত কৰা। কিন্তু যি (তেনে দাস) নাপায় তেন্তে (তাৰ কাৰণে ধাৰ্য ৰ'ল) তিনি দিন ৰোযা। এয়ে হৈছে তোমালোকৰ শপতৰ প্ৰায়শ্চিত্ত যেতিয়া তোমালোকে শপত কৰা। আৰু তোমালোকৰ শপত সাৱধানে ৰাখা। এইভাৱে আল্লাহে তোমালোকৰ কাৰণে তেওঁৰ নিৰ্দেশাৱলী সুস্পষ্ট কৰিছে যাতে তোমালোকে কৃতজ্ঞতা জ্ঞাপন কৰা।

**৯০** হেৰা যিসকলে ঈমান আনিছা! নিসন্দেহে মাদকদ্ৰব্য, আৰু জুৱা, আৰু প্ৰস্তৰ বেদী বহুৱা, আৰু তীৰৰ লটাৰি খেলা,— নিশ্চয় হৈছে অপবিত্ৰ, চয়তানৰ কামৰ অন্তৰ্ভুক্ত; কাজেই এইবিলাকক এৰি চলিবা, যাতে তোমালোকে সফলকাম হ'ব পাৰা।

**৯১** নিসন্দেহে চয়তানে কেৱলমাত্ৰ বিচাৰে যে তোমালোকৰ মাজত শত্ৰুতা আৰু বিদ্বেষ জাগৰিত হওক মাদকদ্ৰব্য আৰু জুৱাৰ মাধ্যমে, আৰু তোমালোকক ফিৰাই ৰাখিব আল্লাহৰ গুণগানৰ পৰা আৰু নামাযৰ পৰা। তোমালোকে তেনেহ'লে বিৰত থাকিবানে?

**৯২** এতেকে আল্লাহকে অনুসৰণ কৰা আৰু ৰছুলৰ অনুগমন কৰা, আৰু সাৱধান হোৱা; কিন্তু যদি তোমালোকে উভতি যোৱা, তেনেহ'লে জানি ৰাখা—প্ৰকৃততে আমাৰ ৰছুলৰ ওপৰত (দায়িত্ব) হৈছে মাত্ৰ (আল্লাহৰ বাণী) স্পষ্টভাৱে পৌছাই দিয়া।

**৯৩** যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰি গৈছে তেওঁলোকৰ ওপৰত কোনো অপৰাধ নহ'ব যি তেওঁলোকে খাইছে তাৰ বাবে, যেহেতু তেওঁলোকে (আল্লাহকে) ভয়-শ্ৰদ্ধা কৰে আৰু ঈমান আনে আৰু সৎকৰ্ম কৰে, পুনৰ (আল্লাহকে) ভক্তি-শ্ৰদ্ধা কৰে আৰু ঈমান আনে, আকৌ তেওঁলোকে (আল্লাহকে) ভয়-ভক্তি কৰে আৰু (লোকৰ প্ৰতি) ভাল কৰে। আৰু আল্লাহে ভাল পায় সৎকৰ্মীসকলক।

## পৰিচ্ছেদ - ১৩

**৯৪** হেৰা যিসকলে ঈমান আনিছা! আল্লাহে নিশ্চয় তোমালোকক পৰীক্ষা কৰিব চিকাৰৰ কিছুমান বিষয়ত যি তোমালোকৰ হাত আৰু তোমালোকৰ যাঠিবোৰে লগ পায়, যাতে আল্লাহে বিচাৰ কৰিব পাৰে কোনে তেওঁক ভয় কৰে (লোকচক্ষুৰ) অগোচৰে। কাজেই যি কোনোবাই ইয়াৰ পাচতো সীমালঙ্ঘন কৰে তাৰ কাৰণে (নিৰ্ধাৰিত ৰৈছে) ব্যথাদায়ক শাস্তি।

**৯৫** হেৰা যিসকলে ঈমান আনিছা! চিকাৰ হত্যা নকৰিবা যেতিয়া তোমালোক হাৰামত (অৰ্থাৎ পৱিত্ৰ মছজিদৰ আশে-পাশে বা ইহ্ৰাম অৱস্থাত) থাকা। আৰু তোমালোকৰ মাজৰ যিকোনোবাই ইচ্ছা কৰি সেইটো হত্যা কৰে (তাৰ) ক্ষতিপূৰণ তেন্তে হৈছে সি যাক হত্যা কৰিছে তাৰ অনুৰূপ গবাদি-পশুৰ পৰা যিটো ধাৰ্য কৰি দিব তোমালোকৰ মাজৰ দুজন ন্যায়বান লোকে, সেই কুৰবানি দিয়াৰ দিহা কৰিবা কা'বাত; অথবা (তাৰ) প্ৰায়শ্চিত্ত হৈছে গৰীবক খুওৱা অথবা তাৰ সমতুল্য (দিন কেইটা) ৰোযা ৰখা,— যেন সি তাৰ কামৰ দণ্ড ভোগ কৰে। আল্লাহে মাফ কৰি দিয়ে যি (অতীতত) হৈ গৈছে। কিন্তু যি কোনোবাই (তেনে কামত) পুনৰাবৰ্তন কৰে, আল্লাহে তাৰ বাবে (তাক) প্ৰতিফল দিব। আৰু আল্লাহ মহাশক্তিশালী, প্ৰতিফল দানত সক্ষম।

**৯৬** তোমালোকৰ কাৰণে বৈধ কৰা হৈছে জলাশয়ৰ চিকাৰ আৰু তাৰ খাদ্য তোমালোকৰ কাৰণে আৰু পৰ্যটকসকলৰ কাৰণে উপকৰণ; আৰু তোমালোকৰ কাৰণে নিষিদ্ধ স্থলভূমিৰ চিকাৰ যিসময়ত তোমালোক হাৰামত থাকা। আৰু ভক্তি-শ্ৰদ্ধা কৰা আল্লাহক, যিজনৰ ওচৰত তোমালোকক একত্ৰিত কৰা হৈছে।

**৯৭** আল্লাহে পৱিত্ৰ গৃহ কা'বাক বনাইছে মানুহৰ কাৰণে এক অৱলম্বন; আৰু পৱিত্ৰ মাহ, আৰু উৎসৰ্গীকৃত পশুবিলাক, আৰু মালা পিন্ধোৱা উটবিলাক। এইবিলাক এই কাৰণেই যে তোমালোকে যেন জানিব পাৰা— আল্লাহে জানে যিসকলো আছে মহাকাশমণ্ডলত আৰু যিকিবা আছে পৃথিৱীত, আৰু আল্লাহ সকলো বিষয়তে সৰ্বজ্ঞাতা।

**৯৮** তোমালোকে জানি ৰাখা যে আল্লাহ প্ৰতিফল দানত কঠোৰ, আৰু আল্লাহ (ভুল-ভ্ৰান্তিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৯৯** ৰছুলজনৰ ওপৰত অন্য দায়িত্ব নাই (আল্লাহৰ বাণী) পৌছাই দিয়াৰ বাহিৰে। আৰু আল্লাহে জানে যি তোমালোকে প্ৰকাশ কৰা আৰু যি লুকুৱাই ৰাখা।

**১০০** কোৱা (হে মুহাম্মদ-ছাঃ !)— "বেয়া আৰু ভাল সমতুল্য নহয়", যদিও বেয়াৰ প্ৰাচুৰ্যই তোমাক তাজ্যৱ বনাই দিয়ে; কাজেই আল্লাহকে ভক্তি-শ্ৰদ্ধা কৰা, হে বিজ্ঞ ব্যক্তিসকল! যাতে তোমালোকে সফলকাম হ'ব পাৰা।

## পৰিচ্ছেদ - ১৪

**১০১** হেৰা যিসকলে ঈমান আনিছা! (বিভিন্ন) বিষয়-বস্তুসম্বন্ধে প্ৰশ্ন নকৰিবা যি তোমালোকৰ ওচৰত ব্যক্ত কৰিলে তোমালোকৰ অসুবিধা হ'ব পাৰে। আৰু যদি তোমালোকে সেইবোৰৰ সম্বন্ধে প্ৰশ্ন কৰা যেতিয়া কুৰআন অৱতাৰণ হৈ থাকে তেন্তে তোমালোকৰ কাৰণে (সেইটো) ব্যক্ত কৰা হ'ব। আল্লাহে এইটোৰ পৰা (তোমালোকক) মাফ কৰিছে; কিয়নো আল্লাহ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অতি অমায়িক।

**১০২** তোমালোকৰ আগতে এটি দলে এই ধৰণৰ প্ৰশ্ন কৰিছিল, তাৰ পাচত সেইবিলাক কাৰণত পিচ মুহূৰ্ততে সিহঁত হ'ল অবিশ্বাসী।

**১০৩** আল্লাহে তৈয়াৰী কৰা নাই কোনো বাহীৰাহ, বা ছায়িবাহ, বা ওস্বীলাহ, বা হামি, কিন্তু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে আল্লাহৰ বিৰুদ্ধে মিছা ৰচনা কৰিছে। কিন্তু সিহঁতৰ অধিকাংশই বুজিব পৰা নাই।

**১০৪** আৰু যেতিয়া সিহঁতক কোৱা হয়— "আল্লাহে যি নাযিল কৰিছে তাৰ ফালে আৰু ৰছুলৰ পিনে আহাঁ", সিহঁতে কয়— "আমাৰ পক্ষে এয়েই যথেষ্ট যাৰ ওপৰত আমাৰ পিতৃপুৰুষসকলক পাইছিলো।" কি! যদিও সিহঁতৰ পিতৃপুৰুষবিলাকে একোৱেই নাজানিছিল, আৰু সেইবিলাকে হেদায়তো গ্ৰহণ কৰা নাছিল?

**১০৫** হে-ৰা যিসকলে ঈমান আনিছা! তোমালোকৰ ওপৰত দায়িত্ব আছে তোমালোকৰ জীৱনৰ; যি পথভ্ৰষ্ট হৈছে সি তোমালোকৰ কোনো ক্ষতি কৰিব নোৱাৰিব যদি তোমালোকে পথনিৰ্দেশ মানি চলা। আল্লাহৰ কাষলৈকে তোমালোক সকলোৰে প্ৰত্যাবৰ্তন, তেতিয়া তেওঁ তোমালোকক জনাব কি তোমালোকে কৰি গৈছিলা।

**১০৬** হে-ৰা যিসকলে ঈমান আনিছা! তোমালোকৰ কোনো এজনৰ ওচৰত যেতিয়া মৃত্যু আহি হাজিৰ হয় তেতিয়া তোমালোকৰ মাজৰ সাক্ষী মাতা ওছিয়ৎ (বা উইল) কৰিবৰ সময়ত,— তোমালোকৰ মাজৰ পৰা দুজন ন্যায়পৰায়ণ ব্যক্তিক, অথবা আন দুজনক তোমালোকৰ বাহিৰৰ পৰা—

যদি তোমালোক দেশভ্ৰমণত থাকা আৰু (তেতিয়া) তোমালোকৰ উপৰত মৃত্যুৰ বিভীষিকা আহে। এই দুজনক তোমালোকে ধৰি ৰাখিবা নামাযৰ পাচত, আৰু যদি তোমালোকে সন্দেহ কৰা তেনেহ'লে তেওঁলোক উভয়ে অল্লাহৰ নামত শপত খাওক— "আমি এইটো বিক্ৰী নকৰিম যি কোনো দামত যদিওবা ঘনিষ্ঠ আত্মীয় হয়, আৰু আমি আল্লাহৰ সাক্ষ্য নুলুকুৱাম, কিয়নো তেনেহ'লে আমি নিশ্চয় পাপীবিলাকৰ অন্তৰ্ভুক্ত হৈ পৰিম।"

**১০৭** পক্ষান্তৰে যদি আৱিষ্কাৰ কৰা হয় যে সিহঁত দুয়োজনেই পাপৰ যোগ্যতা লাভ কৰিছে তেন্তে সেই দুজনৰ ঠাইত থিয় হওক আন দুজন সেইসকলৰ মাজৰ পৰা যিসকলৰ দাবী প্ৰথম দুজনৰ দ্বাৰা ওলোটা হৈছে, তেতিয়া এই দুজনে আল্লাহৰ নামত শপত খাওক (এই বুলি)— "আমাৰ দুজনৰ সাক্ষ্য সেই দুজনৰ সাক্ষ্যতকৈ অধিকতৰ সত্য, আৰু আমি সীমালঙ্ঘন কৰা নাই, কিয়নো তেন্তে নিশ্চয়ে আমি অন্যায়কাৰীবিলাকৰ অন্তৰ্ভুক্ত হৈ যাম।"

**১০৮** এইদৰে এইটো অধিক সম্ভৱপৰ যে সিহঁতে গাফিলতি নকৰি পোনে পোনে সাক্ষ্য দিব সিবিলাকৰ মুখৰ ওপৰতে, অথবা সিবিলাকে আশংকা কৰিব যে অন্য শপতে সিহঁতৰ শপতক পৰৱৰ্তী কালত বাতিল কৰি দিব। আৰু আল্লাহকে ভয়-ভক্তি কৰা আৰু শুনা। আৰু আল্লাহে হেদায়ত নকৰে অবাধ্য লোকবিলাকক।

## পৰিচ্ছেদ - ১৫

**১০৯** যিদিনা আল্লাহে ৰছুলসকলক একত্ৰিত কৰিব, তাৰ পিছত ক'ব— "তোমালোকক (উম্মতসকলৰ পৰা) কি জবাব দিয়া হৈছিল?" তেওঁলোকে ক'ব— "আমাৰ কোনো জ্ঞান নাই; দৰাচলতে তুমিয়ে অদৃশ্য সম্বন্ধে পৰিজ্ঞাত।"

**১১০** তেতিয়া আল্লাহে ক'ব— "হে মৰিয়ম-পুত্ৰ ঈছা! তোমাৰ প্ৰতি আৰু তোমাৰ মাতৃৰ প্ৰতি মোৰ অনুগ্ৰহ স্মৰণ কৰা। স্মৰণ কৰা! কেনেকৈ তোমাক মই 'ৰূহুল ক্কুদুচ' দি বলীয়ান কৰিছিলো, তুমি মানুহৰ সৈতে কথা কৈছিলা— কোমল বয়সতে আৰু বাৰ্দ্ধক্যকালত; আৰু স্মৰণ কৰা! কেনেকৈ তোমাক শিকাইছিলো পুস্তক আৰু জ্ঞান-বিজ্ঞান, আৰু তওৰাত আৰু ইঞ্জীল; আৰু স্মৰণ কৰা! কেনেকৈ তুমি মাটিৰে তৈয়াৰী কৰিছিলা পক্ষীৰ দৰে মূৰ্তি মোৰ অনুমতিক্ৰমে, তাৰ পিছত তুমি তাতে ফুঁ দিছিলা, তেতিয়া সেইটো পক্ষী হৈ গৈছিল মোৰ অনুমতিক্ৰমে, আৰু তুমি আৰোগ্য কৰিছিলা জন্মান্ধক আৰু কুষ্ঠৰোগগ্ৰস্তক মোৰ অনুমতিক্ৰমে; আৰু স্মৰণ কৰা! কেনেকৈ তুমি মৃতকক উলিয়াই আনিছিলা মোৰ অনুমতিক্ৰমে; আৰু স্মৰণ কৰা! কেনেকৈ মই ইছ্ৰাইল বংশীয় লোকক নিবৃত ৰাখিছিলো তোমাৰ পৰা যেতিয়া তুমি সিহঁতৰ ওচৰলৈ আহিছিলা স্পষ্ট প্ৰমাণাৱলী লৈ।" কিন্তু সিহঁতৰ মাজৰ যিবিলাকে অবিশ্বাস পোষণ কৰিছিল সেইবিলাকে কৈছিল— "এইটো স্পষ্ট যাদু ভিন্ন আন একোৱেই নহয়।"

**১১১** আৰু স্মৰণ কৰা! মই হাৱাৰীসকলৰ ওচৰত প্ৰত্যাদেশ দিছিলো এই বুলি— "তোমালোকে মোৰ প্ৰতি আৰু মোৰ ৰছুলৰ প্ৰতি ঈমান আনা"; সিহঁতে কৈছিল— "আমি ঈমান আনিলো; আৰু তুমি সাক্ষী থাকা যে আমি নিশ্চয় আত্মসমৰ্পিত (মুছলিম)।

**১১২** স্মৰণ কৰা! হাৱাৰীসকলে কৈছিল— "হেৰী মৰিয়ম-পুত্ৰ ঈছা! তোমাৰ প্ৰভুৱে আমালোকৰ বাবে আকাশৰ পৰা খাদ্য-পৰিবেশিত টেবিল পঠাবলৈ ৰাজি হ'বনে?" তেওঁ কৈছিলে— "আল্লাহকে ভয়-ভক্তি কৰা যদি তোমালোক মুমিন হোৱা।"

**১১৩** সিহঁতে কৈছিল— "আমি বিচাৰো যে আমি যেন তাৰপৰা আহাৰ কৰো, আৰু আমাৰ চিত্ত যেন পৰিতৃপ্ত হয়, আৰু যেন আমি জানিব পাৰো যে তুমি আমাৰ ওচৰত সত্য কথাই কৈছিলা, আৰু আমি যেন সেই বিষয়ত সাক্ষীসকলৰ মাজৰ হ'ব পাৰো।"

**১১৪** মৰিয়ম-পুত্ৰ ঈছাই ক'লে— "হে আল্লাহ! আমাৰ প্ৰভু! আমাৰ বাবে আকাশৰ পৰা খাদ্যপৰিপূৰ্ণ থালি প্ৰেৰণ কৰা যিটো হ'ব আমাৰ এক ঈদ (বা আনন্দোৎসৱ),— আমাৰ অগ্ৰগামীসকলৰ নিমিত্তে আৰু আমাৰ পশ্চাদগামীসকলৰ নিমিত্তে; আৰু তোমাৰ পৰা এটি নিদৰ্শন; আৰু আমালোকক ৰিযেক দান কৰা, কিয়নো তুমিয়েই ৰিযেকদাতাসকলৰ মাজত সৰ্বোত্তম।"

**১১৫** আল্লাহে ক'লে— "নিসন্দেহে মই সেইটো তোমালোকৰ কাৰণে প্ৰেৰণ কৰিম, কিন্তু তোমালোকৰ মাজৰ যিকোনোবাই ইয়াৰ পাচতো অবিশ্বাস পোষণ কৰিব মই তেন্তে তাক নিশ্চয় এনেকুৱা শাস্তিৰে শাস্তি দিম যেনেকুৱা শাস্তি মই বিশ্বজগতৰ অইন কাকো দিয়া নাই।"

## পৰিচ্ছেদ - ১৬

**১১৬** আৰু চোৱা আল্লাহে ক'ব— "হে মৰিয়ম-পুত্ৰ ঈছা! তুমি মানুহবোৰক কৈছিলানে— 'মোক আৰু মোৰ মাতৃক আল্লাহৰ বাহিৰেও দুজন উপাস্যৰূপে গ্ৰহণ কৰা'?" তেওঁ ক'ব— "তোমাৰেই সকলো মহিমা! এইটো মোৰ পক্ষে সম্ভৱপৰ নহয় যে মই সেইটো কম যিটোত মোৰ কোনো অধিকাৰ নাই। যদি মই সেইটো ক'লোহেঁতেন তেন্তে তুমি সেইটো নিশ্চয় জানিলাহেঁতেন। (কিয়নো) মোৰ অন্তৰত যি আছে সেইটো তুমি জানা, আৰু মই নাজানো কি আছে তোমাৰ অন্তৰত। নিসন্দেহে কেৱল তুমিয়ে অদৃশ্য সম্বন্ধে পৰিজ্ঞাত।

**১১৭** "মই সিহঁতক কোৱা নাই তুমি যি মোক আদেশ কৰিছা তাৰ বাহিৰে আন কিবা,— যেনে, 'তোমালোকে আল্লাহৰ উপাসানা কৰা যিজন মোৰ প্ৰভু আৰু তোমালোকৰো প্ৰভু'; আৰু মই সিহঁতৰ সাক্ষী আছিলো যিমানদিন মই সিহঁতৰ মাজত আছিলো; কিন্তু যেতিয়া তুমি মোৰ মৃত্যু ঘটালা তেতিয়া তুমিয়েই আছিলা সিহঁতৰ ওপৰত প্ৰহৰী। আৰু তুমিয়েই হৈছা সকলো বিষয়ৰ সাক্ষী।

**১১৮** "তুমি যদি সিহঁতক শাস্তি দিয়া তেন্তে সিহঁতে তো তোমাৰেই দাস; আৰু যদি সিহঁতক তুমি পৰিত্ৰাণ কৰা তেন্তে তুমিয়েইতো মহাশক্তিশালী, পৰমজ্ঞানী।"

**১১৯** আল্লাহে ক'ব— "এই দিনা সত্যনিষ্ঠসকলক তেওঁলোকৰ সত্যপৰায়ণতাই উপকৃত কৰিব। তেওঁলোকৰ নিমিত্তে ৰৈছে স্বৰ্গোদ্যানসমূহ যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তেওঁলোক তাতেই থাকিব চিৰকাল। আল্লাহ তেওঁলোকৰ ওপৰত সুপ্ৰসন্ন আৰু তেওঁলোক তেওঁৰ ওপৰত চিৰসন্তুষ্ট; এইটো হৈছে এক বিৰাট সাফল্য।

**১২০** মহাকাশমণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌমত্ব আৰু তাৰ মাজত যিকিবা আছে সেই সকলোৱেই আল্লাহৰ। আৰু তেওঁ হৈছে সকলোৰে ওপৰত সৰ্বশক্তিমান।

* * * * * * * * * * * *

ছূৰা - ৬

# গৃহ পালিত পশু

*(আল আন'আম : ১৩৭)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** সকলো প্ৰশংসা আল্লাহৰ কাৰণে যিজনে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, আৰু তেওঁ তৈয়াৰ কৰিছে অন্ধকাৰ আৰু আলোক। তথাপি যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে নিজৰ প্ৰভুৰ সৈতে থিয় কৰায় সমকক্ষ।

**২** তেৱেঁই সেইজন যিজনে তোমালোকক সৃষ্টি কৰিছে বোকাৰ পৰা, তাৰ পিছত তেওঁ নিৰ্ধাৰিত কৰিছে এটি আয়ুস্‌কাল, আৰু তেওঁৰ ওচৰত নিৰ্ধাৰিত ৰৈছে (পৰলোকত আন) এটি কাল; তথাপি (সৃষ্টিকৰ্তা সম্বন্ধে) তোমালোকে সন্দেহ কৰা!

**৩** আৰু তেৱেঁই আল্লাহ, (তেওঁৰ সাৰ্বভৌমত্ব) মহাকাশমণ্ডলত আৰু পৃথিৱীত। তেওঁ জানে তোমালোকৰ গোপনীয় বিষয় আৰু তোমালোকৰ প্ৰকাশ্য বিষয়, আৰু তেওঁ জানে যি (কৰ্মফল) তোমালোকে অৰ্জন কৰা।

**৪** আৰু সিহঁতৰ ওচৰত সিহঁতৰ প্ৰভুৰ নিৰ্দেশাৱলীৰ পৰা এনে কোনো নিৰ্দেশ নাহে যাৰ পৰা সিহঁত ফিৰৎগামী নহয়।

**৫** গতিকে সিহঁতে নিশ্চয় সত্যক প্ৰত্যাখ্যান কৰিছে যেতিয়াই সেইটো সিহঁতৰ ওচৰলৈ আহিছে; কাজেই অচিৰেই সিহঁতৰ ওচৰলৈ (সত্যৰ জয়যাত্ৰাৰ) বাৰ্তা আহিব যিটোক লৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰিছিল।

**৬** সিহঁতে (ইতিহাস) চোৱা নাইনে— সিহঁতৰ আগতে আমি কিমান মানৰ বংশক ধ্বংস কৰিছো যিবিলাকক আমি পৃথিৱীত এনেভাৱে প্ৰতিষ্ঠিত কৰিছিলো যেনেকুৱা তোমালোককো প্ৰতিষ্ঠিত কৰা নাই? আৰু আমি মেঘমালা পঠিয়াইছিলো সিহঁতৰ ওপৰত ধাৰাষাৰে বৃষ্টিপাত কৰিবলৈ, আৰু সিহঁতৰ তলেদি নিঝৰাবোৰ প্ৰবাহিত হ'বলৈ দিছিলো; তাৰ পাচত সিহঁতক ধ্বংস কৰিছিলো সিহঁতৰ অপৰাধৰ কাৰণে; আৰু তাৰ পাচত প্ৰতিষ্ঠা কৰিছিলো অন্য এক মানৰ বংশক।

**৭** আৰু আমি যদি তোমাৰ ওচৰত কাগজত লেখা এখন ধৰ্মগ্ৰন্থ অৱতাৰণ কৰিলোহেঁতেন আৰু নিজ হাতেৰে সিহঁতে তাক স্পৰ্শও কৰিলেহেঁতেন, তথাপি যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে নিশ্চয় ক'লেহেঁতেন— "এইটো স্পষ্ট যাদু বিহনে আন একোৱেই নহয়।"

**৮** আৰু সিহঁতে কয়— "এজন ফিৰিশ্বতাক কিয় তেওঁৰ ওচৰত নমোৱা নহয়?" আৰু যদি আমি এজন ফিৰিশ্বতাক অৱতাৰণ কৰো তেনেহ'লে বিষয়টো নিশ্চয় মীমাংসা হৈ গ'লহেঁতেন, তেতিয়া সিহঁতক অৱকাশ দিয়া নহ'ব।

**৯** আৰু যদি তেওঁক এজন ফিৰিশ্বতা বনাওঁ তেন্তে নিশ্চয় তেওঁক আমি মানুহ (আকৃতিত) বনালোহেঁতেন, আৰু সিহঁতৰ কাৰণে আৰু জটিল কৰিলোহেঁতেন যি সিহঁতে (এতিয়া) জটিল কৰিছে।

**১০** আৰু নিশ্চয় তোমাৰ আগতেও ৰছুলসকলক ঠাট্টা-বিদ্ৰূপ কৰা হৈছিল, কাজেই যিটোক লৈ সিহঁতে ঠাট্টা কৰিছিল সেইটো ঘেৰাও কৰিছিল সিহঁতৰ মাজৰ যিবিলাকে বিদ্ৰূপ কৰিছিল সেইবিলাকক।

**পৰিচ্ছেদ - ২**

**১১** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "পৃথিৱীত পৰিভ্ৰমণ কৰা, তাৰ পাচত চাই দেখা কেনে হৈছিল মিছলীয়াবিলাকৰ পৰিণাম।"

**১২** তুমি কোৱা— "মহাকাশমণ্ডলত আৰু পৃথিৱীত যি আছে সেইসকলো কাৰ কাৰণে (সৃষ্টি হৈছে)?" তুমি কোৱা— "আল্লাহৰেই কাৰণে।" তেওঁ তেখেতৰ নিজৰ ওপৰত কৰ্তব্য নিৰ্ধাৰণ কৰিছে কৰুণা। তেওঁ অৱশ্যেই কিয়ামতৰ দিনৰ ফালে তোমালোকক জমা কৰিবলৈ গৈছে— কোনো সন্দেহ নাই তাত। যিসকলে (আল্লাহ আৰু ৰছুলক অস্বীকাৰ কৰি) নিজৰেই অন্তৰাত্মাৰ ক্ষতি সাধন কৰিছে সিহঁতে তেন্তে ঈমান নানিব।

**১৩** আৰু তেওঁৰেই যি কিবা অৱস্থান কৰে ৰাতি আৰু দিনৰ বেলাত; আৰু তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১৪** (হে মুহাম্মদ-ছাঃ! মুশ্বৰিকবিলাকক) তুমি কোৱা— "মই মহাকাশমণ্ডল আৰু পৃথিৱীৰ আদি-স্ৰষ্টা আল্লাহক এৰি অইনক মুৰব্বীৰূপে গ্ৰহণ কৰিমনে,

অথচ তেৱেঁই (সকলোকে) খুৱায় কিন্তু তেওঁক খুওৱা নহয় ।" তুমি কোৱা— "মই নিশ্চয় আদেশ পাইছো যে যিসকলে (মুছলিমৰূপে) আত্মসমৰ্পণ কৰিছে তেওঁলোকৰ মাজত মই অগ্ৰণী হওঁ।" আৰু তুমি মুশ্ৰৰিকবিলাকৰ অন্তৰ্ভুক্ত নহ'বা।

**১৫** তুমি কোৱা— "মই অৱশ্যেই ভয় কৰো— যদি মই মোৰ প্ৰভুৰ অবাধ্যতা কৰো— এক ভীষণ দিনৰ শাস্তিৰ।"

**১৬** যাৰ পৰা সেইদিনা এইটো (শাস্তি) অপসাৰিত কৰা হ'ব তাক তেন্তে নিশ্চয় তেওঁ কৰুণা কৰিছে। আৰু ই এক সুস্পষ্ট সাফল্য।

**১৭** আৰু আল্লাহে যদি তোমাক দুখ দি স্পৰ্শ কৰে তেন্তে তাৰ মোচনকাৰী তেওঁৰ ব্যতিৰেকে আন কোনো নাই। আৰু যদি তেওঁ তোমাক স্পৰ্শ কৰে কল্যাণ দি, তেন্তে তেৱেঁইতো সকলোৰে ওপৰত সৰ্বশক্তিমান।

**১৮** আৰু তেওঁৰ বান্দাবিলাকৰ ওপৰত তেওঁ পৰম ক্ষমতাশালী। আৰু তেওঁ পৰমজ্ঞানী, চিৰ ওৱাকিফহাল।

**১৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "সাক্ষ্যদানত আটাইতকৈ গুৰুত্বপূৰ্ণ কি?" তুমি কোৱা— "আল্লাহেই মোৰ আৰু তোমালোকৰ মাজত (শ্ৰেষ্ঠ) সাক্ষী, আৰু এই কুৰআন মোৰ ওচৰত প্ৰত্যাদিষ্ট হৈছে যেন ইয়াৰ দ্বাৰা মই তোমালোকক আৰু (বহিৰ্দেশৰ) যাৰ ওচৰত ইয়াক পৌছাব পাৰো সিহঁতক সতৰ্ক কৰিব পাৰো। তোমালোকে সঁচাকৈয়ে সাক্ষ্য দিছানে যে আল্লাহৰ সৈতে অন্য বেলেগ উপাস্য আছে?" তুমি কোৱা— "মই (সেই) সাক্ষ্য নিদিওঁ।" কোৱা— "নিসন্দেহে তেওঁ একমাত্ৰ উপাস্য, আৰু মই অৱশ্যেই মুক্ত তোমালোকে যিবিলাক অংশীদাৰ থিয় কৰা তাৰ পৰা।"

**২০** যিবিলাকক আমি ধৰ্মগ্ৰন্থ দিছো সিহঁতে (বিশেষকৈ মদীনাৰ ইহুদীবিলাকে) তেওঁক চিনিব পাৰিছিল যেনেকৈ সিহঁতে চিনি পায় সিহঁতৰ (নিজৰ) সন্তানবিলাকক। যিবিলাকে সিহঁতৰ অন্তৰাত্মাৰ ক্ষতি কৰিছে সিহঁতে তেন্তে (আল্লাহত) ঈমান নানিব।

## পৰিচ্ছেদ - ৩

**২১** আৰু কোন তাতকৈ বেছি অন্যায়কাৰী যি আল্লাহ সম্বন্ধে মিথ্যা ৰচনা কৰে অথবা তেওঁৰ আয়াতসমূহত মিথ্যাৰোপ কৰে? প্ৰকৃততে অন্যায়কাৰীবিলাক সফলকাম নহ'ব।

**২২** আৰু (পৰৱৰ্তী যুগৰ দৰে) এদিন আমি সিহঁতৰ সকলোকে (বিভিন্ন ধৰ্মৰ বুজাবুজিৰ মাজেৰে) একত্ৰিত কৰিম, তাৰ পাছত যিবিলাকে অংশীদাৰ নিযুক্ত কৰিছিল সিহঁতক ক'ম— "ক'ত আছে তোমালোকৰ অনুষঙ্গী দেৱতাবিলাক যিবিলাকক তোমালোকে (আল্লাহৰ অংশীদাৰ) পাতিছিলা?"

**২৩** তেতিয়া সিহঁতৰ আৰু কোনো অজুহাত নাথাকিব এই কোৱাৰ বাহিৰে— "আমাৰ প্ৰভু আল্লাহৰ কছম, আমি বহুখোদাবাদী নাছিলো।"

**২৪** চোৱাঁ, কেনেকৈ সিহঁতে নিজৰেই বিৰুদ্ধে মিছা কথা কয়, আৰু (কেনেকৈ) সিহঁতৰ পৰা বিদায় ল'লে (দেৱতাবিলাক) যিবিলাকক সিহঁতে ৰচনা কৰিছিল।

**২৫** আৰু সিহঁতৰ মাজৰ কোনোবাই তোমাৰ পিনে (কপটভাৱে) কাণ দিয়ে; আৰু সিহঁতৰ অন্তঃকৰণৰ ওপৰত আমি দি ৰাখিছো ঢাকনী পাচে সিহঁতে সেইটো (এই কুৰআন) উপলব্ধি কৰি লয়, আৰু সিহঁতৰ কাণত (দিছো) গুৰুভাৰ। আৰু যদিও সিহঁতে প্ৰত্যেকটো নিদৰ্শন প্ৰত্যক্ষ কৰে তথাপি সিহঁতে ইয়াত বিশ্বাস নকৰিব। এনেকি সিহঁত যেতিয়া তোমাৰ ওচৰত আহে সিহঁতে তোমাৰ লগত তৰ্কবিতৰ্ক কৰে; যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে কয়— "এইবোৰতো আগৰ দিনৰ উপকথা ব্যতীত আন একোৱেই নহয়।"

**২৬** আৰু সিহঁতে অন্যক নিষেধ কৰে ইয়াৰ (—কুৰআনৰ) পৰা, আৰু ইয়াৰ পৰা সিহঁতে আঁতৰি যায়; আৰু সিহঁতে অৱশ্যেই ধ্বংস কৰে কেৱল সিহঁতৰ নিজকেই, কিন্তু সিহঁতে (সেইটো) অনুভৱ নকৰে।

**২৭** আৰু যদি তুমি দেখা পালাহেঁতেন যেতিয়া (দুযখৰ) জুইৰ আগত সিহঁতক থিয় কৰোৱা হ'ব, তেতিয়া সিহঁতে ক'ব— "হায়! যদি আমি (দুনিয়াৰ জীৱনলৈ) উভতি যাব পাৰিলোহেঁতেন, আৰু যদি আমাৰ প্ৰভুৰ নিৰ্দেশাৱলীক মিথ্যাৰোপ নকৰিলোহেঁতেন, আৰু যদি আমি হ'লোহেঁতেন বিশ্বাসীসকলৰ অন্তৰ্ভুক্ত!"

**২৮** নহয়, সিহঁতে আগেয়ে (পাৰ্থিব জীৱনত) যি লুকাইছিল সি (মৰণোত্তৰ জীৱনত) প্ৰকাশ পাব সিহঁতৰ ওচৰত। আৰু (আকৌ পাৰ্থিৱ জীৱনত) সিহঁতক ঘূৰাই পঠোৱা হ'লেও সিহঁত তাতেই ফিৰি গ'লহেঁতেন য'ৰ পৰা সিহঁতক নিষেধ কৰা হৈছিল; আৰু বাস্তৱিকতে সিহঁতেই মিথ্যাবাদী।

**২৯** আৰু সিহঁতে কয়— "আমাৰ দুনিয়াদাৰী জীৱনৰ ব্যতিৰেকে অইন একোৱেই নাই, আৰু আমি পুনৰুত্থিত নহ'ম।"

**৩০** আৰু যদি তুমি দেখিবলৈ পালাহেঁতেন যেতিয়া সিহঁতৰ প্ৰভুৰ সন্মুখত সিহঁতক থিয় কৰোৱা হ'ব! তেওঁ ক'ব— "এই (পুনৰুত্থান) সত্য নহয়নে?" সিহঁতে ক'ব— "হয়, আমাৰ প্ৰভুৰ কসম!" তেওঁ ক'ব— "তেন্তে তোমালোকে (এতিয়া) সোৱাদ গ্ৰহণ কৰা সেই শাস্তিৰ যি তোমালোকে অবিশ্বাস কৰিছিলা।"

## পৰিচ্ছেদ - ৪

**৩১** সিহঁতে নিশ্চয় (নিজৰেই) ক্ষতি কৰিছে যিবিলাকে আল্লাহৰ সৈতে (শেষ বিচাৰৰ) মুলাকাত হোৱা অস্বীকাৰ কৰে। কালক্ৰমে যেতিয়া সিহঁতৰ ওচৰত অতৰ্কিতে আহি পৰে (ৰোজ কিয়ামতৰ) ঘড়ী-ঘণ্টা, তেতিয়া সিহঁতে ক'ব— "হায়! এই সম্বন্ধে আমি অৱহেলা কৰিছিলো বুলিয়েই আফচোচ!" আৰু সিহঁতে সিহঁতৰ বোজা সিহঁতৰ পিঠিত বহন কৰিব। এইটো অতি নিকৃষ্ট (বোজা) নহয়নে যিটো সিহঁতে বহন কৰিছে?

**৩২** আৰু এই দুনিয়াৰ জীৱন খেলধেমালি আৰু কৌতুকৰ বাহিৰে একোৱেই নহয়। আৰু পৰকালৰ আবাসেই শ্ৰেষ্ঠ সেইসকলৰ নিমিত্তে যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে। তোমালোকে তেন্তে ভাবি নচোৱানে (কিয় মৰিচিকাৰ পাছত দৌৰি মৰিছা)?

**৩৩** আমি অৱশ্যেই জানো যে সিহঁতে যি কয় সেইটোৱে নিশ্চিতভাৱে তোমাক কষ্ট দিয়ে; কিন্তু (হে মুহাম্মদ-ছাঃ!) সিহঁতেতো নিশ্চয় তোমাক মিথ্যাবাদী বোলা নাই (বৰং "আল্-আমীন" বুলি স্বীকাৰ কৰিছে), কিন্তু অন্যায়কাৰীবিলাকে আল্লাহৰ আয়াতকেই অমান্য কৰে।

**৩৪** আৰু তোমাৰ পূৰ্বেও ৰছুলসকলক অৱশ্যেই (প্ৰত্যাদেশসম্বন্ধে) মিথ্যাৰোপ কৰা হৈছিল, কিন্তু তেওঁলোকে অধ্যৱসায় অৱলম্বন কৰিছিলে তেওঁলোকক মিথ্যাৰোপ কৰা আৰু যন্ত্ৰণা দিয়া সত্বেও, যেতিয়ালৈকেনা আমাৰ সাহায্য তেওঁলোকৰ ওচৰলৈ আহিছিল; আৰু আল্লাহৰ বাণী কোনেও সলাব নোৱাৰে। আৰু তোমাৰ ওচৰলৈ প্ৰেৰিতপুৰুষসকলৰ (প্ৰতি আল্লাহৰ সাহায্যদানৰ) সম্বন্ধে সংবাদ নিশ্চয় আহিছে।

**৩৫** আৰু যদি সিহঁতৰ বিমুখ হোৱা তোমাৰ পক্ষে কষ্টকৰ হয় তেন্তে যদি সমৰ্থ হোৱা তেনেহ'লে পৃথিৱীৰ তলেদি এটা সুৰঙ্গপথ বিচাৰা অথবা আকাশলৈ উঠাৰ এটি জখলা, আৰু (য'ৰেই পৰা পাৰা) সিহঁতলৈ তুমি লৈ আহা কোনো নিদৰ্শন! আৰু যদি আল্লাহে ইচ্ছা কৰিলেহেঁতেন তেন্তে তেওঁ সিহঁতৰ সকলোকে অৱশ্যে (আতঙ্কগ্ৰস্ত কৰি) সৎপথত সমবেত কৰিলেহেঁতেন, গতিকে তুমি (ধৈৰ্যহাৰাভাৱে) অজ্ঞবিলাকৰ অন্তৰ্ভুক্ত নহ'বা।

**৩৬** কেৱল তেওঁলোকে (তোমাৰ আহ্বানত) সঁহাৰি দিয়ে যিসকলে শুনে। আৰু মৃতকৰ সম্বন্ধে— আল্লাহে সিহঁতক পুনৰ্জীৱিত কৰিব, তেতিয়া তেওঁৰ (ধৰ্মৰ) ফালেই সিহঁতক ফিৰাই অনা হ'ব।

**৩৭** আৰু সিহঁতে কোৱাকুই কৰে— "কিয় তেওঁৰ ওচৰত তেওঁৰ প্ৰভুৰ পৰা কোনো নিদৰ্শন অৱতীৰ্ণ নহয়?" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "নিসন্দেহে আল্লাহে নিদৰ্শন অৱতীৰ্ণ কৰিবলৈ সক্ষম, কিন্তু সিহঁতৰ বেছিভাগেই নাজানে।"

**৩৮** আৰু এনে কোনো পাৰ্থিৱ জীৱ নাই এই পৃথিৱীতে, আৰু নাই কোনো চৰাইয়ো যি উৰে তাৰ দুই পাখীৰে, যিবিলাকে তোমালোকৰ দৰে এক সম্প্ৰদায়ৰ নহয়। আমি এই কিতাবত (পথনিৰ্দেশৰ) একোৱেই পেলাই ৰখা নাই। ইয়াৰ পিছত সিহঁতৰ প্ৰভুৰ ফাললৈ সিহঁতক একত্ৰিত কৰা হ'ব।

**৩৯** আৰু যিবিলাকে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰে সিহঁত ক'লা আৰু বোবা, (সিহঁত ৰৈছে) ঘোৰ অন্ধকাৰত। আল্লাহে যাকে ইচ্ছা কৰে তাকে বিপথে যাবলৈ দিয়ে; আৰু যাকে ইচ্ছা কৰে তেওঁ স্থাপন কৰে সঠিক পথৰ ওপৰত।

**৪০** (হে মুহাম্মদ-ছাঃ! মুশ্বৰিকবিলাকক) তুমি কোৱা— "তোমালোকে ভাবি চাইছানে, আল্লাহৰ শাস্তি তোমালোকৰ ওপৰত যদি আহি পৰে অথবা সেই ঘড়ী-ঘণ্টা তোমালোকৰ ওচৰত উপস্থিত হয়, তোমালোকে আল্লাহৰ বাহিৰে অইনক (সাহায্যৰ কাৰণে) মাতিবানে? (জবাব দিয়া) যদি তোমালোক সত্যবাদী হোৱা।"

**৪১** নহয়, বৰং তেওঁকেই তোমালোকে মাতিবা; আৰু তেওঁ যদি ইচ্ছা কৰে তেন্তে দূৰ কৰি দিব সেইটো (আপদ-বিপদ) যাৰ কাৰণে তেওঁকে তোমালোকে মাতি থাকা, আৰু তোমালোকে পাহৰি যাবা তোমালোকে যিবিলাকক (আল্লাহৰ) অংশীদাৰ পাতিছিলা।

## পৰিচ্ছেদ - ৫

**৪২** আৰু (হে মুহাম্মদ-ছাঃ!) আমি নিশ্চয় তোমাৰ আগৰ সম্প্ৰদায়ৰ ওচৰলৈ ৰছুল পঠাইছিলো, তাৰ পিচত আমি অভাৱ-অনাটন আৰু বিপদ-আপদৰ দ্বাৰা সিহঁতক আগুৰি ধৰিছিলো যাতে সিহঁতে নিজকে বিনত কৰে।

**৪৩** তেনেহ'লে কিয়, যেতিয়া আমাৰ পৰা দুৰ্দশা সিহঁতৰ ওপৰত আহিছিল, সিহঁতে (নিজকে) বিনত নকৰিলে? বৰঞ্চ সিহঁতৰ অন্তঃকৰণ কঠিন হৈ উঠিল, আৰু চয়তানে সিহঁতৰ ওচৰত চিত্তাকাৰ্যক কৰি তুলিলে যিবিলাক (কুকীৰ্তি) সিহঁতে কৰি গৈছিল।

**৪৪** তাৰ পাচত যেতিয়া সিহঁতে পাহৰি গ'ল (আমাৰ পথনিৰ্দেশ) যি বিষয়ে সিহঁতক স্মৰণ কৰি দিয়া হৈছিল, সিহঁতৰ কাৰণে আমি খুলি দিলো (সৌভাগ্যজনক) সকলো বিষয়ৰ দুৱাৰ, যেতিয়ালৈকে সিহঁতে উল্লসিত হৈ উঠিছিল যি (সুখ-সমৃদ্ধি) সিহঁতক দিয়া হৈছিল তাতে, (তেতিয়া) আমি সিহঁতক খামোচি ধৰিলো অতৰ্কিতে, কাজেই চোৱা! সিহঁত তেতিয়া বিবুদ্ধি হৈ পৰিল।

**৪৫** এইভাৱে শিপা কাটি দিয়া হৈছিল সেইবিলাক দলৰ যিবিলাকে অন্যায় কৰিছিল। আৰু (মুছলিমসকলে তেতিয়া ঘোষণা কৰিব—) "সকলো প্ৰশংসা আল্লাহৰ কাৰণে (যিজন) বিশ্বজগতৰ প্ৰভু।"

**৪৬** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "তোমালোকে ভাবি চাইছানে, আল্লাহে যদি কাঢ়ি লৈ যায় তোমালোকৰ শ্ৰৱণশক্তি আৰু তোমালোকৰ দৃষ্টিশক্তি, আৰু মোহৰ মাৰি দিয়ে তোমালোকৰ হৃদয়ৰ ওপৰত, তেন্তে আল্লাহ ব্যতিৰেকে কোন উপাস্য আছে যি তোমালোকক সেইবিলাক ফিৰাই দিব?" চোৱা, কেনেকৈ আমি নিৰ্দেশসমূহ নানাপ্ৰকাৰে বৰ্ণনা কৰিছো, এনে সত্বেও সিহঁতে (বহুখোদাৰ গোলামীলৈ) ফিৰি যায়!

**৪৭** কোৱা— "তোমালোকৰ দৃষ্টিগোচৰ হৈছেনে, তোমালোকৰ ওপৰত যদি আল্লাহৰ শাস্তি আহি পৰে অতৰ্কিতে অথবা প্ৰকাশ্যভাৱে, তেন্তে অত্যাচাৰীগোষ্ঠীৰ বাহিৰে অইন কাৰোবাক ধ্বংস কৰা হ'বনে?"

**৪৮** আৰু কোনো বাণীবাহককে আমি পঠোৱা নাই (সৎকৰ্মীৰ বাবে) সুসংবাদদাতাৰূপে আৰু (দুষ্কৃতিকাৰীৰ নিমিত্তে) সতৰ্ককাৰীৰূপে ব্যতিৰেকে। এতেকে যি কোনোবাই ঈমান আনে আৰু সৎকাম কৰে সেইসকলৰ ওপৰত নাথাকিব (আল্লাহৰ শাস্তিৰ) কোনো ভয়-ভীতি, আৰু তেওঁলোকে নকৰিব অনুতাপ।

**৪৯** আৰু যিবিলাকে আমাৰ নিৰ্দেশাৱলীত মিথ্যাৰোপ কৰিছে, শাস্তিয়ে সিহঁতক স্পৰ্শ কৰিব, কিয়নো সিহঁতে দুষ্কৃতি কৰি গৈছিল।

**৫০** (হে মুহাম্মদ-ছাঃ ! অবিশ্বাসীবিলাকক) তুমি কোৱা— "মই তোমালোকক কোৱা নাই যে মোৰ ওচৰত আল্লাহৰ ধন-ভাণ্ডাৰ ৰৈছে, আৰু অদৃশ্য সম্বন্ধেও মই নাজানো, আৰু মই তোমালোকক কোৱা নাই যে মই নিশ্চয় এজন ফিৰিশ্বতা (বা অতিমানৱ, মই হৈছো এজন মানুহ আৰু আল্লাহৰ ৰছুল); মোৰ ওচৰত যি প্ৰত্যাদিষ্ট হয় মই কেৱল তাৰেই অনুসৰণ কৰো।" তুমি (আৰু) কোৱা— "অন্ধ আৰু দৃষ্টিমান একেসমাননে? তোমালোকে তথাপি ভাবি নোচোৱানে?"

## পৰিচ্ছেদ - ৬

**৫১** (হে মুহাম্মদ ছাঃ!) ইয়াৰ দ্বাৰা সতৰ্ক কৰা সিহঁতক যিবিলাকে ভয় কৰে যে সিহঁতৰ প্ৰভুৰ ওচৰত সিহঁতক সমবেত কৰা হ'ব, সিহঁতৰ বাবে তেওঁৰ (—আল্লাহৰ) বাহিৰে কোনো অভিভাৱক নাই আৰু কোনো চুপাৰিচকাৰীও নাই, এতেকে সিহঁতে যেন ধৰ্মপৰায়ণতা অৱলম্বন কৰে।

**৫২** আৰু (মুছলিম সমাজৰ পৰা সাধাৰণ শ্ৰেণীৰ) সেইসকলক খেদি নিদিবা যিসকলে সিহঁতৰ প্ৰভুক প্ৰাৰ্থনা কৰে পুৱাত আৰু সন্ধ্যাবেলাত, সেইসকলে বিচাৰে তেওঁৰেই শুভ-মুখ (বা সন্তুষ্টি)। তোমাৰ ওপৰত সিহঁতৰ হিচাব-পাতিৰ কোনো দায়দায়িত্ব নাই, আৰু তোমাৰ হিচাপ-পত্ৰৰও কোনো দায়দায়িত্ব নাই সিহঁতৰ ওপৰত; এতেকে যদি সেইসকলক খেদি দিয়া তেন্তে তুমি হ'বা অন্যায়কাৰীবিলাকৰ অন্তৰ্ভুক্ত।

**৫৩** আৰু এইদৰে আমি সিহঁতৰ এদলক শাসন কৰো অন্য দলৰ দ্বাৰা, তাৰ ফলত সিহঁতে (—অভিজাত কুৰাইশ্ববিলাকে) কয়— "আমাৰ মাজৰ পৰা (নীচু স্তৰৰ) এইবিলাকেই সেইবিলাকনে যিবিলাকৰ প্ৰতি আল্লাহে অনুগ্ৰহ কৰিলে?" আল্লাহে ভালকৈ নাজানেনে কৃতজ্ঞসকলক?

**৫৪** আৰু (নিৰীহ মুছলিমসকলৰ) যিসকলে আমাৰ আয়াতসমূহত ঈমান আনিছে তেওঁলোক যেতিয়া তোমাৰ ওচৰলৈ আহে তেতিয়া (তেওঁলোকক সাদৰ সম্ভাষণেৰে) কোৱা— "ছালামুন আলাইকুম।" তোমালোকৰ প্ৰভুৱে তেওঁৰ নিজৰ ওপৰত কৰ্তব্য নিৰ্ধাৰণ কৰিছে কৰুণা, সেই কাৰণে তোমালোকৰ মাজত যি অজ্ঞানতাবশতঃ পাপকাৰ্য কৰে, পৰৱৰ্তী কালত তাৰ পাছত (আল্লাহৰ ৰাস্তাত) ফিৰে আৰু সৎকাম কৰে, তেন্তে তেওঁ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৫৫** আৰু এইদৰে আমি আয়াতসমূহ বহলাই বৰ্ণনা কৰো, আৰু যেন অপৰাধীবিলাকৰ পথ (মানুহৰ চকুত) স্পষ্ট প্ৰতীয়মান হয়।

## পৰিচ্ছেদ - ৭

**৫৬** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "মোক নিশ্চয় নিষেধ কৰা হৈছে আল্লাহ ব্যতিৰেকে সিহঁতক উপাসনা কৰিবলৈ যিবিলাকক তোমালোকে পূজা-অৰ্চনা কৰা।" (আকৌ) কোৱা— "মই তোমালোকৰ খেয়াল-খুচিৰ অনুসৰণ নকৰো, কিয়নো তেনেহলে মই নিশ্চয় বিপথে যাম, আৰু মই সৎপথপ্ৰাপ্তসকলৰ অন্তৰ্ভুক্ত নাথাকিম।"

**৫৭** তুমি (আৰু) কোৱা— "মই নিশ্চয় মোৰ প্ৰভুৰ পৰা সুস্পষ্ট প্ৰমাণৰ ওপৰত (অধিষ্ঠিত), অথচ তোমালোকে তাত মিথ্যাৰোপ কৰিছা। মোৰ ওচৰত সেইটো (—সেই শাস্তি) নাই যিটো তোমালোকে লৰালৰিকৈ ঘটাবলৈ বিচাৰিছা। (শাস্তি ঘটাবৰ) সিদ্ধান্ততো আল্লাহৰ বাহিৰে কাৰোৰেই নহয়। তেৱেঁই সত্য বৰ্ণনা কৰে, আৰু (সকলো বিষয়) মীমাংসাকাৰীসকলৰ মাজত তেৱেঁই শ্ৰেষ্ঠ।"

**৫৮** তুমি কোৱা— "মোৰ ওচৰত যদি (তোমালোকৰ প্ৰাপ্য শাস্তি) সেইটো থাকিলহেঁতেন যিটো তোমালোকে ত্বৰিতে ঘটোৱাব বিচৰা তেন্তে নিশ্চয় (বহু আগতেই) বিষয়টোৰ মীমাংসা হৈ গ'লহেঁতেন মোৰ মাজত আৰু তোমালোকৰ মাজত। আৰু আল্লাহে ভালকৈ জানে অন্যায়কাৰীবিলাকক।"

**৫৯** আৰু তেওঁৰেই ওচৰত অদৃশ্যৰ চাবিকাঠি ৰৈছে, কোনেও সেইটো নাজানে তেওঁৰ বাহিৰে। আৰু তেওঁ জানে যি আছে স্থলদেশত আৰু সমুদ্ৰত। আৰু গছৰ এনে এটি পাতো নপৰে যিটো তেওঁ নাজানে, আৰু নাই এটি শস্য-কণাও মাটিৰ অন্ধকাৰত (যি অঙ্কুৰিত হৈ বিৰাট গছত পৰিণত হয়), আৰু নাই কোনো সতেজ বস্তু অথবা শুকান বস্তু—(সকলোবোৰ) কিন্তু (লিপিবদ্ধ) আছে সুস্পষ্ট কিতাবত।

**৬০** আৰু তেৱেঁই সেইজন যিজনে তোমালোকৰ আত্মাক গ্ৰহণ কৰে ৰাত্ৰিকালত (ঘুমন্ত অৱস্থাত), আৰু তেওঁ জানে তোমালোকে যি অৰ্জন কৰা দিনৰ ভাগত, তেতিয়া ইয়াতে তেওঁ তোমালোক জাগৰিত কৰে, যেন (তোমালোকৰ জীৱনৰ) নিৰ্ধাৰিত কাল পূৰ্ণ হয়। তাৰ পিচত তেওঁৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাৱৰ্তন, তেতিয়া তেওঁ তোমালোকক জনাই দিব যি তোমালোকে কৰিছিলা।

## পৰিচ্ছেদ - ৮

**৬১** আৰু তেৱেঁই ক্ষমতাবান তেওঁৰ বান্দাবিলাকৰ ওপৰত, আৰু তেৱেঁই তোমালোকৰ ওপৰত ৰক্ষকবিলাকক (অৰ্থাৎ ফিৰিশ্বতাক) পঠায়। অৱশেষত যেতিয়া তোমালোকৰ কাৰোবাৰ ওচৰত মৃত্যু আহে তেতিয়া আমাৰ দূতবিলাকে তাক (—তাৰ আত্মাক) গ্ৰহণ কৰে, আৰু তেওঁলোকে অৱহেলা নকৰে।

**৬২** ইয়াৰ পাচত সিহঁতক অনা হ'ব সিহঁতৰ প্ৰকৃত মনিব আল্লাহৰ ওচৰলৈ। (সাৰ্বভৌম) কৰ্তৃত্ব তেওঁৰেই নহয়নে? আৰু তেওঁ হিচাপ-ৰক্ষকসকলৰ মাজত সকলোতকৈ তৎপৰ।

**৬৩** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "কোনে তোমালোকক উদ্ধাৰ কৰে স্থলদেশৰ আৰু সমুদ্ৰৰ অন্ধকাৰৰ পৰা (যেতিয়া) তোমালোকে তেওঁক মাতা কাতৰভাৱে (আৰ্তনাদ কৰি) আৰু মনে মনে— 'যদি তেওঁ ইয়াৰ পৰা আমাক উদ্ধাৰ কৰে তেন্তে নিশ্চয় আমি হ'ম কৃতজ্ঞবিলাকৰ মাজৰ'।"

**৬৪** তুমি কোৱা— “আল্লাহেই তোমালোকক উদ্ধাৰ কৰে এইবোৰৰ পৰা আৰু সকলো দুখকষ্টৰ পৰা, তথাপি (তেওঁৰ সৈতে) তোমালোকে অংশীদাৰ থিয় কৰোৱা।”

**৬৫** কোৱা— “তেওঁ ক্ষমতাৱান তোমালোকৰ ওপৰত শাস্তি আৰোপ কৰাত তোমালোকৰ ওপৰৰ পৰা, অথবা তোমালোকৰ ভৰিৰ তলৰ পৰা, অথবা তোমালোকক দিশহাৰা কৰিব পাৰে দলাদলি কৰোৱাই, আৰু তোমালোকৰ এদলক ভোগ কৰাব পাৰে অন্য দলৰ নিপীড়ন।” চোৱা, কিৰূপে আমি নির্দেশসমূহ নানানভাৱে বর্ণনা কৰো যেন সিহঁতে বুজিব পাৰে।

**৬৬** আৰু তোমাৰ (কুৰাইশ্ব) সম্প্ৰদায়ে ইয়াত মিথ্যাৰোপ কৰিছে, অথচ এইটোৱেই সত্য। তুমি কোৱা— “মই তোমালোকৰ কাৰণে উকিল নহও (তোমালোকৰ শাস্তিৰ নিয়ন্ত্রণকর্তা একমাত্র আল্লাহ)।

**৬৭** “প্রত্যেক ভৱিষ্যৎবাণীৰ নির্ধাৰিত কাল ৰৈছে, আৰু সোনকালেই তোমালোকে জানিব পাৰিবা (কেতিয়া ইয়াৰ প্রতিফলন ঘটিব)।”

**৬৮** আৰু তুমি যেতিয়া দেখা পাবা সিহঁতক যিবিলাকে আমাৰ আয়াতসমূহত নিৰর্থক তর্ক কৰে, তেতিয়া সিহঁতৰ পৰা আঁতৰি যাবা যেতিয়ালৈকেনেকি সিহঁতে অইন কোনো প্রসঙ্গত প্ৰৱেশ কৰে। আৰু যদি চয়তানে তোমাক পাহৰাই দিয়ে তেন্তে মনত পৰাৰ পাচত আৰু বহি নাথাকিবা অন্যায়কাৰীবিলাকৰ দলৰ লগতে।

**৬৯** আৰু যিসকলে ধর্মপৰায়ণতা অৱলম্বন কৰে সেইসকলৰ ওপৰত এইবিলাকৰ হিচাপ-পাতিৰ একোৱেই দায়িত্ব নাই, হ'লেও স্মৰণ কৰি দিয়া, যেন সিহঁতেও ধর্মপৰায়ণতা অৱলম্বন কৰে।

**৭০** আৰু সিহঁতৰ সঙ্গ বর্জন কৰা যিবিলাকে সিহঁতৰ ধর্মক খেল আৰু ধেমালিৰূপে গ্রহণ কৰিছে, আৰু যাক পার্থিব জীৱনে প্রবঞ্চনাত পেলাইছে; আৰু ইয়াৰ (—কুৰআনৰ) দ্বাৰা (লোকসকলক) স্মৰণ কৰাই দিয়া, জানোছা কোনো প্রাণ বিধ্বস্ত হৈ যায় যি সি অর্জন কৰে তাৰ দ্বাৰা; তাৰ কাৰণে আল্লাহক এৰি কোনো অভিভাৱক নাথাকিব আৰু চুপাৰিচকাৰীও নাথাকিব; আৰু যদি সিহঁতে ক্ষতিপূৰণ দিয়ে সকলো ধৰণৰ ক্ষতিপূৰণ তথাপি সিহঁতৰ পৰা সেইটো গ্রহণ কৰা নহ'ব। ইহঁতেই সিহঁত যিবিলাকক ধ্বংস কৰা হ'ব সিহঁতে যি (দুষ্কর্ম) অর্জন কৰিছে তাৰ কাৰণে; সিহঁতৰ নিমিত্তে পানীয় হৈছে ফুটন্ত পানীৰ পৰা, আৰু ৰৈছে এক ব্যথাদায়ক শাস্তি যেহেতু সিহঁতে (ইছলামত) অবিশ্বাস কৰি চলিছিল।

## পৰিচ্ছেদ - ৯

**৭১** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “আমি আল্লাহক এৰি সিহঁতক মাতিমনে যি আমাক উপকাৰ কৰিব নোৱাৰে আৰু আমাক অপকাৰো কৰিব নোৱাৰে, আৰু আমি আমাৰ গোৰোৰাৰ ওপৰত ঘূৰি যামনে আল্লাহে আমাক পথ দেখুৱাই দিয়াৰ পাছতো,— তাৰদৰে যাক চয়তানবিলাকে হীন প্রবৃত্তিত উদ্‌গনি দিছে দুনিয়াত হাৰাশাস্তিত পেলাই, (অথচ) তাৰ সঙ্গীবিলাক ৰৈছে যিসকলে তাক আহ্বান কৰিছে ধর্মপথৰ পিনে (এই বুলি)— ‘আমাৰ ফালে আহা’?” তুমি কোৱা— “নিসন্দেহে আল্লাহৰ পথনির্দেশ— এয়ে হৈছে (আচল) পথনির্দেশ। আৰু আমাক আদেশ দিয়া হৈছে যেন আমি আত্মসমর্পণ কৰো সমুদায় বিশ্বজগতৰ প্রভুৰ ওচৰত,—

**৭২** “আৰু (তোমালোকক নির্দেশ দিয়া হৈছে) নামায প্রতিষ্ঠিত ৰাখিবলৈ আৰু তেওঁকে ভয়-ভক্তি কৰিবলৈ; আৰু তেৱেঁই সেইজন যিজনৰ ওচৰত তোমালোকক সমবেত কৰা হ'ব।”

**৭৩** আৰু তেৱেঁই সেইজন যিজনে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে সত্যৰ সৈতে। আৰু যেতিয়া তেওঁ (কিবা সৃষ্টি কৰাৰ অভিপ্রায়ত) কয়— “হোৱা”, তেতিয়া (সেইটো) হৈ যায়। তেওঁৰ কথাই সত্য। আৰু তেওঁৰেই সার্বভৌম কর্তৃত্ব যিদিনা শিঙ্গাত ফুঁ দিয়া হ'ব। (তেওঁ) অদৃশ্য আৰু প্রকাশ্য বিষয়ে সর্বজ্ঞাতা; আৰু তেওঁ পৰম জ্ঞানী, পূর্ণ-ওৱাকিফহাল।

**৭৪** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ কৈছিলে তেওঁৰ পিতৃপুৰুষ আযাৰক— “তুমি মূর্তিবিলাকক উপাস্যৰূপে গ্রহণ কৰিছা নেকি? নিশ্চয় মই তোমাক আৰু তোমাৰ গোষ্ঠীক স্পষ্ট ভ্রান্তিৰ মাজত দেখিছো।”

**৭৫** আৰু এইদৰে আমি ইব্ৰাহীমক দেখুৱাইছিলো মহাকাশমণ্ডল আৰু পৃথিৱীৰ সার্বভৌম ৰাজত্ব, যাতে তেওঁ হ'ব পাৰে (আল্লাহৰ প্রতি) দৃঢ়প্রত্যয়ীসকলৰ অন্তর্ভুক্ত।

**৭৬** ইয়াৰ পাচত ৰাতি যেতিয়া তেওঁৰ ওপৰত অন্ধকাৰ নমাই আনিলে তেতিয়া তেওঁ এটা তৰা দেখা পালে; তেওঁ ক'লে— “এইটো (বুজি তোমালোকৰ মতে) মোৰ প্রভু!” তাৰ পাচত যেতিয়া সেইটো অস্ত গ'ল তেতিয়া তেওঁ ক'লে— “মই অস্তগামীবিলাকক (প্রভু গণ্য কৰাটো) ভাল নাপাওঁ।”

**৭৭** তাৰ পাচত যেতিয়া চন্দ্র উদয় হোৱা দেখিলে তেতিয়া (সিহঁতক) ক'লে— “এইটো (তেন্তে) মোৰ প্রভু!” কিন্তু যেতিয়া সেইটো অস্ত গ'ল তেতিয়া তেওঁ ক'লে— “যদি মোৰ প্রভুৱে মোক (ইতিপূর্বে) পথ প্রদর্শন নকৰিলেহেঁতেন তেনেহ'লে মই অৱশ্যেই হৈ পৰিলোহেঁতেন পথভ্রষ্টবিলাকৰ দলভুক্ত।”

**৭৮** তাৰ পিচত যেতিয়া তেওঁ দেখিলে সূর্য উদয় হৈছে তেতিয়া তেওঁ ক'লে— “এইটো (তেনেহ'লে) মোৰ প্রভু!— এইটো সকলোতকৈ ডাঙৰ!” কিন্তু যেতিয়া এইটোও অস্ত গ'ল তেতিয়া তেওঁ ক'লে— “হে মোৰ সম্প্ৰদায়, তোমালোকে যিবিলাকক (আল্লাহৰ সৈতে) শ্বৰিক কৰা তাৰ পৰা মই মুক্ত।

**৭৯** “নিসন্দেহে মই তেওঁৰ পিনে মোৰ মু কৰিছো একনিষ্ঠভাৱে যিগৰাকীয়ে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, আৰু মই বহুখোদাবাদীবিলাকৰ অন্তর্ভুক্ত নহওঁ।”

**৮০** আৰু তেওঁৰ লোকবিলাকে তেওঁৰ সৈতে বিবাদ সৃষ্টি কৰিলে। তেওঁ ক'লে— “তোমালোকে মোৰ লগত আল্লাহ সম্বন্ধে তৰ্ক কৰিছানে, অথচ তেওঁ মোক ইতিপূৰ্বে সৎপথ দেখুৱাইছে? আৰু মই সিহঁতক ভয় নকৰোঁ যিবিলাকক তোমালোকে তেওঁৰ সৈতে (উপাস্যৰূপে) শ্বৰিক কৰিছা, যদিহে না মোৰ প্ৰভুৱে অন্যবিধ ইচ্ছা কৰে। মোৰ প্ৰভুৱে সকলোৰে ওপৰত জ্ঞানত আধিপত্য ৰাখে। তেনে সত্ত্বেও তোমালোকে অনুধাৱন নকৰিবানে?

**৮১** “আৰু কেনেকৈ মই ভয় কৰিম সিহঁতক যিবিলাকক তোমালোকে (আল্লাহৰ সৈতে) অংশী কৰা, অথচ তোমালোকে ভয় নকৰা আল্লাহৰ সৈতে তোমালোকে অংশীদাৰ থিয় কৰাবলৈ যোৱাত যাৰ বাবে তেওঁ তোমালোকৰ ওচৰত কোনো সনদ পঠোৱা নাই? গতিকে (তোমালোকৰ আৰু মোৰ—) এই দুই দলৰ কোন (আল্লাহৰ দ্বাৰা) নিৰাপত্তা সম্বন্ধে বেছি হকদাৰ? (জবাব দিয়া) যদি তোমালোকে জানি থকা।”

**৮২** যিসকলে ঈমান আনিছে আৰু যিসকলে নিজৰ ঈমানক অন্যায় আচৰণৰ দ্বাৰা সনা-পোতকা কৰা নাই, সেইসকলেই— এওঁলোকৰেই প্ৰাপ্য নিৰাপত্তা, আৰু এওঁলোকেই হৈছে সৎপথত চালিত।

## পৰিচ্ছেদ - ১০

**৮৩** আৰু এইবিলাকেই হৈছে আমাৰ যুক্তিধাৰা যি আমি ইব্ৰাহীম (আঃ)-ক তেওঁৰ লোকসকলৰ বিৰুদ্ধে দিছিলো। আমি যাকে ইচ্ছা কৰো (মৰ্যাদাত) বহুস্তৰ উন্নত কৰোঁ। (হে মুহাম্মদ-ছাঃ!) নিশ্চয় তোমাৰ প্ৰভু পৰম জ্ঞানী, সৰ্বজ্ঞাতা।

**৮৪** আৰু আমি তেওঁক দিছিলো ইছহাক আৰু ইয়াকুব (আঃ)। (এওঁলোকৰ) প্ৰত্যেককে আমি সৎপথ দেখুৱাইছিলো; আৰু নূহ (আঃ)-ক পথ দেখুৱাইছিলো ইয়াৰ আগেয়ে, আৰু তেওঁৰ বংশধৰসকলৰ মাজৰ পৰা দাউদ (আঃ) আৰু ছুলাইমান (আঃ) আৰু আইয়ুব (আঃ) আৰু ইউছুফ (আঃ) আৰু মূছা (আঃ) আৰু হাৰুন (আঃ)। আৰু এইদৰে আমি পুৰস্কাৰ প্ৰদান কৰো সৎকৰ্মীসকলক।

**৮৫** আৰু যাকাৰিয়া (আঃ) আৰু ইয়াহয়া (আঃ) আৰু ঈছা (আঃ) আৰু ইলয়াচ (আঃ)। (এওঁলোকৰ) প্ৰত্যেকেই হৈছিলে পুণ্যৱানসকলৰ অন্তৰ্ভুক্ত।

**৮৬** আৰু ইছমাইল (আঃ), আৰু ইয়াছাআ (বা এলিশ্বা-আঃ) আৰু ইউনুছ (আঃ), আৰু লুত (আঃ)। আৰু (এওঁলোকৰ) সকলোকে আমি মানৱগোষ্ঠীৰ ওপৰত শ্ৰেষ্ঠত্ব দিছিলো।

**৮৭** আৰু তেওঁলোকৰ পিতৃসকলৰ, আৰু তেওঁলোকৰ বংশধৰবিলাকৰ, আৰু তেওঁলোকৰ ভাই-ককাইৰ মাজৰ পৰা (অনেককে আমি শ্ৰেষ্ঠত্ব দিছিলো); আৰু আমি তেওঁলোকক নিৰ্বাচিত কৰিছিলো, আৰু তেওঁলোকক পৰিচালিত কৰিছিলো সঠিক পথৰ ফালে।

**৮৮** এয়ে হৈছে আল্লাহৰ পথনিৰ্দেশ, ইয়াৰ দ্বাৰা তেওঁ পথ দেখুওৱায় তেওঁৰ বান্দাসকলৰ মাজৰ যাকে ইচ্ছা কৰে। আৰু যদি তেওঁলোকে (দেৱতাবিলাকক) অংশী থিয় কৰালেহেঁতেন তেন্তে তেওঁলোকে যি (ধৰ্মপৰায়ণতা) কৰিছিলে সেইবিলাক নিশ্চয় তেওঁলোকৰ কাৰণে বৃথা হ'লহেঁতেন।

**৮৯** এওঁলোকেই তেওঁলোক যিসকলক আমি দিছিলো ধৰ্মগ্ৰন্থ, আৰু কৰ্তৃত্ব, আৰু নবুওৱৎ; এতেকে এইসকলে যদি সেইবিলাকত অবিশ্বাস পোষণ কৰে তেন্তে আমি নিশ্চয় ইয়াৰ (—কুৰআনৰ) তত্বাৱধানৰ ভাৰ দিছো এনে এক সম্প্ৰদায়ৰ ওপৰত যিসকল ইয়াতে অবিশ্বাসী নহ'ব।

**৯০** এওঁলোকেই তেওঁলোক যিসকলক আল্লাহে সৎপথত পৰিচালিত কৰিছে, গতিকে (হে মুহাম্মদ-ছাঃ!) তুমি তেওঁলোকৰ পথনিৰ্দেশৰ অনুসৰণ কৰা। তুমি কৈ দিয়া— “মই ইয়াৰ বাবে তোমালোকৰ ওচৰত কোনো প্ৰতিদান নিবিচাৰো। এইখন নিশ্চয়ে মানৱগোষ্ঠীৰ নিমিত্তে (পূৰ্ববৰ্তী বাণীৰ) স্মাৰকেই হয়।”

## পৰিচ্ছেদ - ১১

**৯১** আৰু (অবিশ্বাসীবোৰৰ) সেইসকলে আল্লাহক সন্মান নকৰে তেওঁৰ যথাযোগ্য মৰ্যাদাৰ সৈতে যেতিয়া সিবিলাকে কয়— “আল্লাহে কোনো মানুহৰ ওচৰত একোৰেই অৱতাৰণ কৰা নাই।” (হে মুহাম্মদ-ছাঃ! সিহঁতক) তুমি কোৱা— “কোনে অৱতাৰণ কৰিছিলে (তওৰাত) গ্ৰন্থখন যি লৈ মূছা (আঃ) আহিছিলে— মানুহৰ নিমিত্তে আলোক আৰু পথনিৰ্দেশৰূপে, যাক তোমালোকে কাগজ-পত্ৰতে ৰাখি সেইটো (অলপখিনি) প্ৰকাশ কৰা আৰু বেছিভাগ গোপন ৰখা; আৰু তোমালোকক শিকোৱা হৈছিল যি তোমালোকে নাজানিছিলা,— তোমালোকে আৰু তোমালোকৰ পিতৃপুৰুষেও নহয়?” তুমিয়ে কোৱা— “আল্লাহে (অৱতাৰণ কৰিছিলে)।” ইয়াৰ পাচত সিহঁতক এৰি দিয়া সিহঁতৰ বাজে কথাত খেলধেমালি কৰিবলৈ।

**৯২** আৰু এই (কুৰআন) হৈছে ধৰ্মগ্ৰন্থ যি আমি অৱতাৰণ কৰিছো কল্যাণময় কৰি, যি ইয়াৰ আগেয়ে আহিছে তাৰ সত্য-সমৰ্থকৰূপে, আৰু যেন তুমি সতৰ্ক কৰিব পাৰা নগৰ-জননীক (অৰ্থাৎ মক্কাক) আৰু যিসকলে ইয়াৰ চাৰিওফালে ৰৈছে সিহঁতকো। আৰু যিসকলে পৰকালত বিশ্বাস কৰে সেইসকলেও ইয়াত বিশ্বাস কৰে, আৰু সেইসকলে নিজৰ নামাযৰ হেফাজত কৰি চলে।

**৯৩** আৰু কোন তাতকৈ বেছি অন্যায়কাৰী যি আল্লাহসম্বন্ধে মিছা ৰচনা কৰে, অথবা কয়— “আমাৰ ওচৰত প্ৰত্যাদেশ আহিছে”, অথচ তাৰ ওচৰত একো প্ৰত্যাদেশ অহা নাই; আৰু যি কয়— “মই অৱতাৰণ কৰিব পাৰো যি আল্লাহে অৱতাৰণ কৰিছে তাৰ নিচিনা (ভাষণ)”? আৰু (হে মুহাম্মদ-ছাঃ!) তুমি যদি দেখা পালাহেঁতেন যেতিয়া অন্যায়কাৰীবিলাক মৃত্যুযন্ত্ৰণাতে থাকিব আৰু ফিৰিশ্বতাসকলে নিজৰ হাত আগবঢ়াব (আৰু ক'ব)— “উলিয়াই আনা তোমালোকৰ অন্তৰাত্মা। আজি তোমালোকক দিয়া হ'ব লাঞ্ছনাপূৰ্ণ শাস্তি, কিয়নো তোমালোকে আল্লাহৰ বিৰুদ্ধে কৈ গৈছিলা অসত্য কথা, আৰু তোমালোকে তেওঁৰ আয়াতসমূহত অহঙ্কাৰ পোষণ কৰিছিলো।”

**৯৪** আৰু তোমালোক নিশ্চয় আমাৰ ওচৰলৈ আহিছা এজন এজনকৈ যেনেকৈ তোমালোকক আমি প্ৰথমবাৰ সৃজন কৰিছিলো, আৰু যি (দেহৰূপী

খোলা) তোমালোকক দিছিলো সেইটো তোমালোকে তোমালোকৰ পিঠিৰ পাচফালে পেলাই আহিছা; আৰু তোমালোকৰ সৈতে তোমালোকৰ চুপাৰিচকাৰীবিলাকক দেখা নাই যিবিলাকক তোমালোকে দাবী কৰা যে সেইবিলাক নিশ্চয়ে তোমালোকৰ মাজত (আল্লাহৰ) অংশীদাৰ। নিশ্চয় তোমালোকৰ মাজৰ বন্ধন (এতিয়া) ছিগিল, আৰু তোমালোকৰ পৰা দূৰ হৈ গৈছে (ভুৱা চুপাৰিচকাৰীৰ অস্তিত্ব) যি তোমালোকে দাবী কৰিছিলা।

## পৰিচ্ছেদ - ১২

**৯৫** নিশ্চয়কৈ আল্লাহ হৈছে শস্যবীজ আৰু (খাজুৰ) গুটিৰ অংকুৰোদ্‌গমকাৰী। তেওঁ মৃতকৰ পৰা জীৱিতক উদ্‌গত কৰে, আকৌ তেৰেঁই মৃতকৰ উদ্‌গমকাৰী (এক কালৰ) জীৱিতবিলাকৰ পৰা। এৰেঁইতো আল্লাহ! গতিকে কোন ফালে তোমালোকক ঘূৰাই নিয়া হৈছে?

**৯৬** তেৰেঁই উষাৰ উন্মোচনকাৰী; আৰু তেওঁ ৰাত্ৰিক সৃষ্টি কৰিছে বিশ্ৰামৰ কাৰণে, আৰু সূৰ্যক আৰু চন্দ্ৰক হিচাপ নিৰ্ণয়ৰ কাৰণে। এয়েই মহাশক্তিশালী সৰ্বজ্ঞাতা (আল্লাহ)-ৰ বিধান।

**৯৭** আৰু তেৰেঁই সেইজন যিজনে তোমালোকৰ কাৰণে সৃষ্টি কৰিছে তাৰকাৰাজি, যাতে তোমালোকে সেইবিলাকৰ সাহায্যত স্থলৰ আৰু সমুদ্ৰৰ অন্ধকাৰ পথ চলিব পাৰা। আমি নিশ্চয় নিদৰ্শনসমূহ বিশেষভাৱে বিবৃত কৰিছো এনে লোকৰ কাৰণে যিসকলে জ্ঞান ৰাখে।

**৯৮** আৰু তেৰেঁই সেইজন যিজনে তোমালোকক উদ্ভৱ কৰিছে একেই নফ্চৰ (বা সত্তাৰ) পৰা, আৰু (তোমালোকৰ কাৰণে) ৰৈছে এক বিশ্ৰামস্থল, আৰু এক পাত্ৰাধাৰ। আমি নিশ্চয় নিদৰ্শনবিলাক ব্যাখ্যা কৰিছো যিসকলে বুজ-বিচাৰ কৰে তেনে লোকৰ নিমিত্তে!

**৯৯** আৰু তেৰেঁই সেইজন যিজনে আকাশৰ পৰা নমাই বৃষ্টি। তেতিয়া তাৰ দ্বাৰা আমি উৎপন্ন কৰো সকলো ৰকমৰ গছপুলি, তাৰ পিচত তাৰ পৰা উদ্‌গম কৰো সেউজীয়া গছ-পাত যাৰ পৰা উৎপাদন কৰো থোপাথোপে শস্য; আৰু খাজুৰ গছৰ পৰা— তাৰ খাঁকিৰ পৰা ঝুলন্ত থোকবিলাক, আৰু আঙুৰৰ আৰু জলফাইৰ আৰু ডালিমৰ বাগান— সাদৃশ্য থকা আৰু সাদৃশ্য নথকা। তোমালোকে চাই দেখা তাৰ ফলৰ পিনে যেতিয়া সেইটো ফলৱান হয়, আৰু তাৰ পকি উঠাটো। নিসন্দেহে এইবিলাকত ৰৈছে নিদৰ্শনাৱলী যিসকলে বিশ্বাস স্থাপন কৰে তেনে লোকৰ নিমিত্তে।

**১০০** তথাপি সিহঁতে আল্লাহৰ সৈতে অংশী কৰে জিন্‌ক, যদিও তেৰেঁই ইবিলাকক সৃষ্টি কৰিছে, আৰু সিহঁতে কোনো জ্ঞানবিহনেই তেওঁতে আৰোপ কৰে পুত্ৰ আৰু কন্যাবিলাকক। তেওঁৰেই সকলো মহিমা! আৰু সিহঁতে যি আৰোপ কৰে সেইবিলাকৰ পৰা তেওঁ বহু ওপৰত।

## পৰিচ্ছেদ - ১৩

**১০১** মহাকাশমণ্ডল আৰু পৃথিৱীৰ আদি-স্ৰষ্টা! ক'ৰ পৰা তেওঁৰ সন্তান হ'ব যেতিয়া তেওঁৰ নিমিত্তে কোনো সহচৰী নাই! আৰু তেৰেঁই সৃষ্টি কৰিছে সকলো বস্তু, আৰু তেৰেঁইতো সকলো বিষয়বস্তু সম্বন্ধে সৰ্বজ্ঞাতা।

**১০২** এৰেঁই হৈছে আল্লাহ, তোমালোকৰ প্ৰভু! তেওঁৰ বিহনে অন্য উপাস্য নাই, তেওঁ সকলোৰে সৃষ্টিকৰ্তা, গতিকে তেওঁৰেই উপাসনা কৰা, আৰু তেওঁ সকলো বিষয়ৰ ওপৰত কৰ্ণধাৰ।

**১০৩** (তোমালোকৰ) দৃষ্টিৰে তেওঁক মেৰি ধৰিব নোৱাৰা, কিন্তু তেওঁ দৃষ্টিৰে (সকলোকে) মেৰি ধৰিছে। আৰু তেৰেঁই সূক্ষ্মদৰ্শী, পূৰ্ণ ওৱাকিফহাল।

**১০৪** (হে মুহাম্মদ-ছাঃ! তুমি কোঁৱা—) "নিশ্চয় তোমালোকৰ ওচৰত তোমালোকৰ প্ৰভুৰ পৰা জ্ঞান-দৃষ্টি আহিছে; এতেকে যিয়ে (সঁচা-মিছা) দেখা পায়, ই তাৰ নিজৰেই কাৰণে; আৰু যি কোনোবাই অন্ধ হ'ব সেইটো তাৰ বিৰুদ্ধে যাব। আৰু মই তোমালোকৰ ওপৰত তত্ত্বাৱধায়ক নহওঁ।"

**১০৫** আৰু এইদৰে আমি নিৰ্দেশাৱলী নানাভাৱে বৰ্ণনা কৰো, আৰু যেন সিহঁতে ক'ব পাৰে— "(আল্লাহৰ বাণী) তুমি পাঠ কৰিছা", আৰু যেন আমি তাকে (—এই বাণীকে) সুস্পষ্ট কৰিব পাৰো তেনে লোকসকলৰ বাবে যিসকলে জানে।

**১০৬** (হে মুহাম্মদ ছাঃ!) তুমি তাৰ অনুসৰণ কৰা যি তোমাৰ ওচৰত তোমাৰ প্ৰভুৰ পৰা প্ৰত্যাদেশ দিয়া হৈছে— "তেওঁৰ বাহিৰে অন্য উপাস্য নাই"; আৰু আঁতৰি যোৱা মুশ্বৰিক-বিলাকৰ পৰা।

**১০৭** আৰু যদি আল্লাহে ইচ্ছা কৰিলেহেঁতেন তেন্তে সিহঁতে শ্বৰিক নকৰিলেহেঁতেন। আৰু (হে মুহাম্মদ-ছাঃ!) আমি তোমাক সিহঁতৰ ওপৰত ৰক্ষাকাৰীৰূপে নিযুক্ত কৰা নাই, আৰু তুমি সিহঁতৰ ওপৰত কাৰ্যনিৰ্বাহকো নোহোৱা।

**১০৮** আৰু সিহঁতে আল্লাহক এৰি যিবিলাকৰ উপাসনা কৰে সেইবিলাকক গালি নিদিবা, পাচে সিহঁতেও সীমালঙ্ঘন কৰি জ্ঞানহীনতাৰ কাৰণে আল্লাহক গালি পাৰে। এইদৰে প্ৰত্যেক সম্প্ৰদায়ৰ কাৰণে সিহঁতৰ ক্ৰিয়াকলাপ আমি চিত্তাকৰ্ষক কৰিছো। তাৰ পাচত সিহঁতৰ প্ৰভুৰ ওচৰলৈকে হৈছে সিহঁতৰ প্ৰত্যাৱৰ্তন, তেতিয়া তেওঁ সিহঁতৰ জনাই দিব কি সিহঁতে কৰিছিল।

**১০৯** আৰু সিহঁতে আল্লাহৰ নামত শপত খাইছে সিহঁতৰ দৃঢ় শপতৰ দ্বাৰা যে যদি কোনো নিদৰ্শন সিহঁতৰ ওচৰলৈ আহে তেন্তে সিহঁতে নিশ্চয় তাতে বিশ্বাস কৰিব। তুমি কোৱা— "প্ৰকৃততে নিদৰ্শনসমূহ আল্লাহৰ ওচৰতেই ৰৈছে। আৰু কেনেকৈ তোমালোকক জনোৱা যাব যে যেতিয়া সেইটো আহিব সিহঁতে (তেতিয়াও) বিশ্বাস নকৰিব?"

**১১০** আৰু আমিও সিহঁতৰ অন্তঃকৰণ আৰু সিহঁতৰ দৃষ্টি ওলোটাই দিম যেনেকৈ সিহঁতে প্ৰথমবাৰ ইয়াত বিশ্বাস কৰা নাছিল, আৰু সিহঁতক এৰি দিম সিহঁতৰ অবাধ্যতাত উদ্‌ভ্ৰান্তভাৱে ঘূৰি ফুৰিবলৈ।

## ৮ম পাৰা

### পৰিচ্ছেদ - ১৪

**১১১** আৰু যদিও বা আমি সিহঁতৰ (—পৌত্তলিকবিলাকৰ) প্ৰতি পঠালোহেঁতেন ফিৰিশ্তাসকলক, আৰু মৃতসকলেও যদি সিহঁতৰ সৈতে কথা ক'লেহেঁতেন, আৰু সকলো বস্তুৰেই যদি সিহঁতৰ আগত একেলগে হাজিৰ কৰিলোহেঁতেন, তথাপি সিহঁতে বিশ্বাস নকৰিলেহেঁতেন, যদিনা আল্লাহে ইচ্ছা কৰিলেহেঁতেন; কিন্তু সিহঁতৰ অধিকাংশই অজ্ঞতা পোষণ কৰে।

**১১২** আৰু এইদৰে আমি প্ৰত্যেক নবীৰ কাৰণে সৃষ্টি কৰিছো শত্ৰু— মানুহ আৰু জিনৰ মাজৰ চয়তানবিলাকক, সিহঁতৰ এজনে আনজনক প্ৰৰোচিত কৰে চমকপ্ৰদ বাক্যৰ দ্বাৰা প্ৰতাৰণাৰ উদ্দেশ্যে। আৰু তোমাৰ প্ৰভুৱে যদি ইচ্ছা কৰিলেহেঁতেন তেনেহ'লে সিহঁতে এইটো নকৰিলেহেঁতেন। এতেকে এৰি দিয়া সিহঁতক আৰু (যাব দিয়া) সিহঁতে যি মিছা ৰচনা কৰে সেইটো।

**১১৩** আৰু যিবিলাকে পৰকালতে বিশ্বাস নকৰে সিহঁতৰ অন্তৰাত্মা যেন এইফালে (চয়তানিত) লিপ্ত হৈ পৰে, আৰু যেন সিহঁত ইয়াতে সন্তুষ্ট হয়, আৰু যেন সিহঁতে যি (কু-কীৰ্তি) কৰি চলিছে তাতে যেন নিমগ্ন থাকে।

**১১৪** (হে মুহাম্মদ-ছাঃ! তুমি কোৱা—) “তেন্তে আল্লাহক এৰি মই অন্যক বিচাৰক খুজিমনে যেতিয়া তেৱেঁই সেইজন যিজনে তোমালোকৰ ওচৰত অৱতাৰণ কৰিছে এই ধৰ্মগ্ৰন্থ, বিশদভাৱে ব্যাখ্যাকৃত?” আৰু যিসকলক আমি (অতীতত) গ্ৰন্থ দিছিলো সেইসকলে জানে যে এইখন অৱতীৰ্ণ হৈছে তোমাৰ প্ৰভুৰ পৰা সত্যৰ সৈতে; এতেকে তুমি সন্দিহানবিলাকৰ অন্তৰ্ভুক্ত নহ'বা।

**১১৫** আৰু তোমাৰ প্ৰভুৰ (আশ্বাস) বাণী সম্পূৰ্ণ হৈছে সত্য আৰু ন্যায়েৰে। তেওঁৰ বাণী কোনেও বদলাব নোৱাৰে; আৰু তেৱেঁই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১১৬** আৰু যদি তুমি দুনিয়াৰ বাসিন্দাবিলাকৰ সৰহভাগৰ আজ্ঞা পালন কৰা তেনেহ'লে সিহঁতে তোমাক আল্লাহৰ পথৰ পৰা বিভ্ৰান্ত কৰিব। সিহঁতেতো কেৱল অমূলক বস্তুৰহে অনুসৰণ কৰে, আৰু সিহঁতেতো কেৱল অনুমানৰ ওপৰতেই চলে।

**১১৭** নিসন্দেহে তোমাৰ প্ৰভুৱে— তেওঁ ভালকৈ জানে কোন তেওঁৰ পথ এৰি বিপথে যায়, আৰু তেওঁ ভালকৈ জানে সৎপথত পৰিচালিতসকলক।

**১১৮** কাজেই আহাৰ কৰা (এনে হালাল প্ৰাণীৰ মঙ্গহ) যাৰ ওপৰত আল্লাহৰ নাম উল্লেখ কৰা হৈছে— যদি তোমালোক তেওঁৰ নিৰ্দেশসমূহত বিশ্বাসী হোৱা।

**১১৯** আৰু তোমালোকৰ কিনো (আপত্তি) হ'ব পাৰে যে তোমালোকে সেইটো নাখাবা যাৰ ওপৰত আল্লাহৰ নাম উল্লেখ কৰা হৈছে, আৰু তেওঁ ইতিপূৰ্বে তোমালোকৰ নিমিত্তে বিশদভাৱে বৰ্ণনা কৰিছে যি (খাবলৈ) তোমালোকৰ কাৰণে তেওঁ নিষেধ কৰিছে, সেয়েহে য'ত তোমালোক বাধ্য হোৱা তাৰ ব্যতিৰেকে? আৰু দৰাচলতে অনেকেই বিপথে পৰিচালিত কৰে সিহঁতৰ খিয়াল-খুচিৰ দ্বাৰা জ্ঞানহীনতাবশতঃ। নিশ্চয় তোমাৰ প্ৰভু— তেওঁ ভালকৈ জানে সীমালঙ্ঘনকাৰীবিলাকক।

**১২০** আৰু পৰিহাৰ কৰা প্ৰকাশ্য পাপ আৰু তাৰ গোপনীয়বিলাকো। নিসন্দেহে যিবিলাকে পাপ অৰ্জন কৰে সিহঁতক প্ৰতিফল দিয়া হ'ব সিহঁতে যি উপাৰ্জন কৰি থাকে তাৰ দ্বাৰা।

**১২১** আৰু আহাৰ নকৰিবা (এনে পশু-পক্ষীৰ মাংস) য'ত আল্লাহৰ নাম উল্লেখ কৰা হোৱা নাই, কিয়নো নিশ্চয় এইটো নিশ্চিত পাপাচাৰ। আৰু বাস্তৱিকতে চয়তানবিলাকে সিহঁতৰ বন্ধু-বান্ধৱক প্ৰৰোচনা দিয়ে তোমালোকৰ সৈতে বিবাদ কৰিবলৈ; আৰু তোমালোকে যদি সিহঁতৰ আজ্ঞা পালন কৰা তেন্তে নিসন্দেহে তোমালোক নিশ্চয় বহুখোদাবাদী হ'বা।

### পৰিচ্ছেদ - ১৫

**১২২** (মুহাম্মদ-ছাঃ-ৰ নিচিনা নবীও) যিজন আছিল (অন্ধকাৰ যুগত জন্ম লোৱা হেতু) মৃত, তাৰ পাচত তেওঁক আমি (নবুওৱতেৰে ফুঁই মাৰি) জীৱন্ত কৰিলো, আৰু তেওঁৰ নিমিত্তে তৈয়াৰী কৰিলো (কুৰআনৰ) আলোক যাৰ সহায়েৰে তেওঁ মানুহৰ মাজত ফুৰা-চকা কৰে,— তেওঁ এনে এজনৰ নিচিনা হ'ব পাৰেনে যি থাকে (অজ্ঞানতাৰ) অন্ধকাৰত য'ৰ পৰা ওলাবলৈ বাট নাই? এইদৰে (কুৰআনৰ পোহৰ দিয়া সত্বেও) অবিশ্বাসীবিলাকৰ নিমিত্তে আমি চিত্তাকৰ্ষক কৰি থাকো (অনাচাৰবোৰ) যি সিহঁতে কৰি থাকে।

**১২৩** আৰু এইদৰে আমি প্ৰত্যেক জনপদত সেই ঠাইৰ অপৰাধীবিলাকক বনাইছো চৰ্দাৰ, যেন সিহঁতে তাতে চক্ৰান্ত কৰি চলে; আৰু সিহঁতে (অন্যৰ প্ৰতি) চক্ৰান্ত নকৰে কেৱল নিজ অন্তৰাত্মাৰ বিৰুদ্ধে ব্যতিৰেকে, আৰু সিহঁতে (এই মূৰ্খামি) নুবুজে।

**১২৪** আৰু যেতিয়া সিহঁতৰ ওচৰত কোনো নিদৰ্শন (বা সতৰ্কীকৰণ) আহে, সিহঁতে কয়— “আমি কেতিয়াও বিশ্বাস নকৰিম যেতিয়ালৈকে আল্লাহৰ ৰছুলসকলক যি (ঐশীবাণী) দিয়া হৈছে তাৰ অনুৰূপ কিবা আমাকো দিয়া নহয়।” আল্লাহেই ভালকৈ জানে ক'ত তেওঁৰ প্ৰত্যাদেশৰ ভাৰ অৰ্পণ কৰিব। যিবিলাকে অপৰাধ কৰি চলে সিহঁতৰ ওপৰত অচিৰেই ঘটিব আল্লাহৰ তৰফৰ পৰা লাঞ্ছনা আৰু কঠোৰ শাস্তি— সিহঁতে যি চক্ৰান্ত কৰি চলিছে সেইকাৰণে।

**১২৫** এতেকে আল্লাহে যদি কাৰোবাক ইচ্ছা কৰে যে তেওঁ তাকেই ধৰ্মপথত পৰিচালনা কৰিব, তেন্তে তাৰ বুকু তেওঁ ইছলামৰ প্ৰতি প্ৰশস্ত কৰিব;

আৰু যাৰ নিমিত্তে তেওঁ ইচ্ছা কৰে যে তেওঁ তাক পথভ্ৰষ্টতাত পেলাই ৰাখিব, তাৰ হিয়াক তেওঁ সংকুচিত আৰু সংকীৰ্ণ কৰি পেলাব যেন সি (ফোঁপোলা হৈ) আকাশত আৰোহণ কৰি চলিছে। এইদৰে আল্লাহে কলুষতা আনয়ন কৰে সিহঁতৰ ওপৰত যিবিলাকে বিশ্বাস স্থাপন নকৰে।

**১২৬** আৰু এয়ে হৈছে তোমাৰ প্ৰভুৰ সঠিক (ইছলামী) পথ। আমি নিশ্চয় নিৰ্দেশসমূহ বিশদভাৱে ব্যাখ্যা কৰিছো তেনে লোকৰ কাৰণে যিসকলে মনোনিৱেশ কৰে।

**১২৭** তেওঁলোকৰ কাৰণে ৰৈছে শান্তিনিকেতন তেওঁলোকৰ প্ৰভুৰ ওচৰত, আৰু তেওঁলোকে যি (ধৰ্মকৰ্ম) কৰি থাকে সেইকাৰণে তেৱেঁই এওঁলোকৰ ৰক্ষাকাৰী বন্ধু।

**১২৮** আৰু যিদিনা তেওঁ সিহঁতৰ সকলোকে একত্ৰ কৰিব (আৰু ক'ব)— "হে জিন্ সম্প্ৰদায়! তোমালোকে জনগণৰ অনেককেই (তোমালোকৰ দললৈ) লৈ গৈছিলা।" আৰু মানৱগোষ্ঠীৰ মাজৰে সিহঁতৰ বন্ধু-বান্ধৱবিলাকে ক'ব— "আমাৰ প্ৰভু! আমাৰ কোনো কোনোৱে আনবিলাকৰ দ্বাৰা লাভৱান হৈছিলো; কিন্তু আমি পাইছোহি আমাৰ অন্তিম সময়ত যি তুমি আমাৰ কাৰণে নিৰ্ধাৰিত কৰিছিলা।" তেওঁ ক'ব— "(দুযখৰ) জুই হৈছে তোমালোকৰ আবাসস্থল, সেই ঠাইত দীৰ্ঘকাল থকাৰ কাৰণে,— আল্লাহে যাকে ইচ্ছা কৰে তাক ব্যতিৰেকে।" নিসন্দেহে তোমাৰ প্ৰভু পৰমজ্ঞানী, সৰ্বজ্ঞাতা।

**১২৯** আৰু এইদৰে আমি কোনো কোনো অন্যায়কাৰীক আনবিলাকৰ সহায় হ'বলৈ দিওঁ যি সিহঁতে অৰ্জন কৰি থাকে তাৰ বাবে।

## পৰিচ্ছেদ - ১৬

**১৩০** হেৰা জিন্ আৰু মানৱ সম্প্ৰদায়! তোমালোকৰ ওচৰলৈ তোমালোকৰ মাজৰ পৰা ৰছুলসকল অহা নাইনে, যিসকলে তোমালোকৰ ওচৰত আমাৰ নিৰ্দেশাৱলী বৰ্ণনা কৰিছিলে আৰু তোমালোকক সতৰ্ক কৰিছিলে তোমালোকৰ এই দিনটোলৈ একত্ৰিত হোৱাৰ সম্বন্ধে? সিহঁতে ক'ব— "আমি সাক্ষ্য দিছো আমাৰ নিজৰ বিৰুদ্ধেই।" আৰু এই দুনিয়াৰ জীৱনে সিহঁতক ভুলাইছিলে, আৰু সিহঁতে নিজৰ বিৰুদ্ধেই সাক্ষ্য দিব যে সিহঁত প্ৰকৃততে অবিশ্বাসী আছিল।

**১৩১** এইটো (—ৰছুল পঠোৱাটো) এইকাৰণে যে কোনো জনপদক অন্যায়ভাৱে ধ্বংস কৰা তোমাৰ প্ৰভুৰ কাম নহয়, যেতিয়া তাৰ বাসিন্দাবিলাক অজ্ঞ থাকে।

**১৩২** আৰু প্ৰত্যেকৰ কাৰণে ৰৈছে সিহঁতে যি কৰে তাৰ অনুপাতে (পদমৰ্যাদাৰ) স্তৰসমূহ। আৰু তোমাৰ প্ৰভু অনভিজ্ঞ নহয় সিহঁতে যি কৰে সেইসম্বন্ধে।

**১৩৩** আৰু তোমাৰ প্ৰভু স্বয়ংসম্পূৰ্ণ, কৰুণাৰ অধিকাৰী। তেওঁ যদি ইচ্ছা কৰে তেন্তে তেওঁ তোমালোকক আঁতৰাই দিব পাৰে, আৰু তোমালোকৰ পাচত তোমালোকৰ স্থলাভিষিক্ত কৰিব পাৰে যাকে তেওঁ বিচাৰে, যেনেকৈ তেওঁ (অতীত কালত) তোমালোকক উত্থিত কৰিছিলে অইন এটা জাতিৰ বংশধৰৰ পৰা।

**১৩৪** নিসন্দেহে তোমালোকৰ ওচৰত যি ওৱাদা কৰা হৈছে সেইটো অৱশ্যেই ঘটিব; আৰু তোমালোক এৰি যোৱাৰ পাত্ৰ নোহোৱা।

**১৩৫** (হে মুহাম্মদ ছাঃ! অবিশ্বাসীবিলাকক) তুমি কোৱা— "হে মোৰ লোকসকল! তোমালোকৰ স্থানত তোমালোকে কাম কৰি যোৱা, ময়ো কাম কৰি গৈছো; আৰু শীঘ্ৰেই তোমালোকে জানিব পাৰিবা কাৰ নিমিত্তে ৰৈছে (চিৰশান্তিৰ) শেষ আলয়।" সুনিশ্চিত যে অন্যায়কাৰীবিলাক কেতিয়াও সফলকাম নহ'ব।

**১৩৬** আৰু সিহঁতে আল্লাহৰ কাৰণে নিৰ্দিষ্ট কৰে শস্যক্ষেত্ৰৰ আৰু পশুপালনৰ পৰা সিহঁতে যি উৎপাদন কৰিছে তাৰ এটা অংশ, আৰু কয়— "এই (ভাগটো) হৈছে আল্লাহৰ কাৰণে"— সিহঁতৰ ধাৰণা অনুযায়ী,— "আৰু ই হৈছে আমালোকৰ অংশীদাৰসকলৰ (বা দেৱতাবিলাকৰ) কাৰণে।" কিন্তু যিখিনি সিহঁতৰ অংশীদাৰবোৰৰ কাৰণে (ৰখা হয়) সেইটো আল্লাহৰ ওচৰত নাপায়গৈ, আৰু যি আল্লাহৰ কাৰণে (ৰখা হয়) সেইটো পায়গৈ সিহঁতৰ অংশীদাৰবিলাকলৈ। কি নিকৃষ্ট (বিভাজন) যি সিহঁতে বিচাৰ কৰে!

**১৩৭** আৰু এইদৰে বহুখোদাবাদীবিলাকৰ বহুতৰ বাবে সিহঁতৰ অংশীদাৰবিলাকে (অৰ্থাৎ দেৱ-দেৱীয়ে) চিত্তাকৰ্ষক কৰিছে সিহঁতৰ সন্তানহত্যা, যেন সিহঁতে ইহঁতক ধ্বংস কৰিব পাৰে, আৰু সিহঁতৰ ধৰ্মক (অৰ্থাৎ আচাৰ-অনুষ্ঠানক) সিহঁতৰ কাৰণে বিভ্ৰান্তিকৰ কৰিব পাৰে। আৰু আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে সিহঁতে এনে নকৰিলেহেঁতেন; গতিকে সিহঁতক আৰু সিহঁতে যি জালিয়াতি কৰে তাক উপেক্ষা কৰা।

**১৩৮** আৰু সিহঁতে কয়— "এইবিলাক গবাদি পশু আৰু শস্যক্ষেত্ৰ (জনসাধাৰণৰ কাৰণে) নিষিদ্ধ; কোনেও এইবিলাক খাব নোৱাৰিব আমি যাক ইচ্ছা কৰো সেইসকলৰ ব্যতিৰেকে"—সিহঁতৰ ধাৰণা অনুযায়ী;— আৰু কিছুমান পশু যিবিলাকৰ পিঠি (আৰোহণৰ বা ভাৰ-বহনৰ কাৰণে) নিষেধ কৰা হৈছে; আৰু গবাদি পশু যিবিলাকৰ ওপৰত সিহঁতে আল্লাহৰ নাম স্মৰণ নকৰে,— এইবিলাক তেওঁৰ বিৰুদ্ধে (সিহঁতৰ) মিছা উদ্ভাৱন। তেওঁ অচিৰেই সিহঁতক প্ৰতিফল দিব সিহঁতে যি উদ্ভাৱন কৰি থাকে তাৰ কাৰণে।

**১৩৯** আৰু সিহঁতে কয়— "এই গবাদি পশুৰ পেটত যি (পোৱালী) আছে সেইটো বিশেষভাৱে আমাৰ পুৰুষবিলাকৰ কাৰণে (নিৰ্ধাৰিত), আৰু নিষিদ্ধ আমাৰ নাৰীবিলাকৰ কাৰণে; আৰু যদি সেইটো মৃত (ওপজা) হয় তেন্তে সিহঁতো ইয়াত অংশীদাৰ।" তেওঁ শীঘ্ৰেই সিহঁতক প্ৰতিদান দিব সিহঁতৰ (এনে পক্ষপাতমূলক ব্যৱস্থা) ধাৰ্য কৰাৰ কাৰণে। নিসন্দেহে তেওঁ পৰমজ্ঞানী, সৰ্বজ্ঞাতা।

**১৪০** বাস্তৱিকতে সিহঁত ক্ষতিগ্রস্ত যিসকলে সিহঁতৰ সন্তানবিলাকক হত্যা কৰে নিৰ্বুদ্ধিতাবশতঃ, জ্ঞানহীনতাৰ কাৰণে, আৰু আল্লাহৰ বিৰুদ্ধে মিছা সাজি নিষেধ কৰে যি সিহঁতক আল্লাহে খাবলৈ দিছে। সিহঁত অৱশ্যেই বিপথত গৈছে আৰু সিহঁত সৎপথপ্ৰাপ্তও নহয়।

## পৰিচ্ছেদ - ১৭

**১৪১** আৰু তেৱেঁই সেইজন যিজনে সৃষ্টি কৰিছে (আঙুৰৰ) বাগান— হেদালি দিয়া আৰু হেদালি নিদিয়া, আৰু খাজুৰ গছ আৰু শস্য— যাৰ ৰকম ৰকম সোৱাদ, আৰু জলফাই আৰু ডালিম— একে ধৰনৰ আৰু বেলেগ ধৰনৰ। সেইবিলাকৰ ফল খোৱা যেতিয়া তাৰ ফল ধৰে আৰু (গৰীব-দুখীয়াবিলাকৰ কাৰণে) তাৰ হক প্ৰদান কৰা ফচল তোলাৰ দিনত, আৰু অপচয় নকৰিবা। নিসন্দেহে তেওঁ অপচয়কাৰীবিলাকক ভাল নাপায়।

**১৪২** আৰু গবাদি পশুবিলাকৰ মাজত কিছুমান (তেওঁ সৃষ্টি কৰিছে) ভাৰ বহনৰ কাৰণে, আৰু কিছুমান ক্ষুদ্ৰাকাৰ। আল্লাহে তোমালোকক যি খাবলৈ দিছে তাৰ পৰা খোৱা, আৰু চয়তানৰ পদাংক অনুসৰণ নকৰিবা। তোমালোকৰ কাৰণে নিশ্চয় সি হৈছে প্ৰকাশ্য শত্ৰু।

**১৪৩** (গবাদি পশুৰ) আঠটি (ৰৈছে মতা আৰু মাইকীৰে চাৰি) জোৰাৰে— ভেৰাৰ পৰা দুটা আৰু ছাগলীৰ পৰা দুটা। তুমি কোৱা— “তেওঁ কি নিষেধ কৰিছে মতা দুটি অথবা মাইকী দুজনী, অথবা মাইকী দুজনীৰ গৰ্ভত যি ধৰি ৰাখিছে সেইটো? জ্ঞানৰ সৈতে আমাক জনোৱা যদি তোমালোক (তোমালোকৰ আৰোপিত বিধি-নিষেধ সম্বন্ধে) সত্যবাদী হৈ থাকা।”

**১৪৪** আৰু উটৰ পৰা (মতা আৰু মাইকীকলৈ) দুটা আৰু গৰুৰ পৰা দুটা (—ইয়াকেলৈ সৰ্বমোট আঠোটা গবাদি পশু)। তুমি কোৱা— “তেওঁ নিষেধ কৰিছেনে মতা দুটা অথবা মাইকী দুটি, নহ'লে মাইকী দুজনীৰ গৰ্ভত যি ধাৰণ কৰিছে সেইটো? অথবা তোমালোক সাক্ষী আছিলানে যেতিয়া আল্লাহে তোমালোকৰ কাৰণে এই বিধান দিছিলে?” গতিকে কোন বেচি অন্যায়কাৰী সেইজনতকৈ যিজনে আল্লাহৰ বিৰুদ্ধে মিছা ৰচনা কৰে, যাতে সি জনসাধাৰণক বিভ্ৰান্ত কৰিব পাৰে জ্ঞানহীনভাৱে? প্ৰকৃততে আল্লাহে পথপ্ৰদৰ্শন নকৰে অন্যায়কাৰী সম্প্ৰদায়ক।

## পৰিচ্ছেদ - ১৮

**১৪৫** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “মোৰ ওচৰত যি প্ৰত্যাদিষ্ট হৈছে তাত মই খাওঁতাজনৰ কাৰণে নিষিদ্ধ পোৱা নাই সেইটো খাবলৈ ইয়াৰ ব্যতিৰেকে যি মৃত হৈ গৈছে, অথবা বৈ যোৱা ৰক্ত, অথবা গাহৰিৰ মঙ্গহ— কিয়নো সেইটো নিসন্দেহে অশুচি, অথবা যাক হালাল কৰা হৈছে তাৰ ওপৰত আল্লাহ ব্যতীত অন্য নাম লোৱাৰ অবাধ্যাচাৰত; কিন্তু যি কোনোবাই হেঁচাত পৰিছে (তেনে খাদ্য খাবলৈ), অবাধ্য নহৈ বা মাত্ৰা অতিক্ৰম নকৰি, তেন্তে (তাৰ কাৰণে অন্যায় নহ'ব, কিয়নো) তোমাৰ প্ৰভু দৰাচলতে (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১৪৬** আৰু যিসকলে ইহুদী মত পোষণ কৰে সেইবিলাকৰ নিমিত্তে আমি নিষেধ কৰিছিলো প্ৰত্যেক অবিভক্ত খুৰা থকা প্ৰাণী; আৰু গৰু আৰু ছাগলীৰ পৰা দুয়োৰে চৰ্বি সিবিলাকৰ কাৰণে আমি নিষেধ কৰিছিলো, হ'লেও যি জড়িত থাকে তাৰ পিঠিত বা নাড়ি-ভুঁৰুত অথবা যি সংযুক্ত থাকে হাড়ৰ সৈতে সেইটোৰ ব্যতিৰেকে। এইদৰে সিহঁতক আমি প্ৰতিফল দিছিলো সিহঁতৰ অবাধ্যতাৰ কাৰণে, আৰু নিসন্দেহে আমি সত্যপৰায়ণ।

**১৪৭** এতেকে (হে মুহাম্মদ-ছাঃ!) সিহঁতে যদি তোমাক প্ৰত্যাখ্যান কৰে তেন্তে কোৱা— “তোমালোকৰ প্ৰভু সৰ্বব্যাপী কৰুণাৰ মালিক, কিন্তু (মূৰকত) তেওঁৰ শাস্তি প্ৰতিহত নহ'ব অপৰাধী সম্প্ৰদায়ৰ পৰা।”

**১৪৮** যিসকল বহুখোদাবাদী সেইসকলে তেতিয়া ক'ব— “আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে আমি (তেওঁৰ সৈতে) অংশী থিয় নকৰিলোহেঁতেন, আৰু আমাৰ পিতৃ পুৰুষসকলেও নহয়, আৰু আমি (হালাল খাদ্যবস্তুৰ) একোৱেই নিষেধ নকৰিলোহেঁতেন।” এইদৰে ইবিলাকৰ আগতে যিসকল আছিল সেইবিলাকেও (নিজ নিজ ৰছুলক) প্ৰত্যাখ্যান কৰিছিল, যেতিয়ালৈকেনা সিহঁতে আমাৰ ক্ষমতা আস্বাদ কৰিছিলে। (সিহঁতক) কোৱা— “তোমালোকৰ ওচৰত (পৌত্তলিকতাৰ সমৰ্থনত) কোনো জ্ঞান ৰৈছে নেকি? (যদি আছে) তেন্তে সেইটো আমাৰ ওচৰত উলুওৱা। তোমালোকে কেৱল কল্পনাৰেই অনুসৰণ কৰিছা আৰু তোমালোকতো কেৱল আন্দাজতে খেপিয়াইছা।”

**১৪৯** তুমি কোৱা— “সেয়েহে চূড়ান্ত যুক্তিতৰ্ক আল্লাহৰেই; কাজেই তেওঁ যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে তোমালোকৰ সকলোকে তেওঁ সৎপথত পৰিচালিত কৰিলেহেঁতেন।”

**১৫০** তুমি কোৱা— “হাজিৰ কৰা তোমালোকৰ সাক্ষীবিলাকক যিসকলে সাক্ষ্য দিব পাৰে যে আল্লাহে ইয়াক (খাবলৈ) নিষেধ কৰিছে।” এতেকে যদি সিহঁতে (মিছা) সাক্ষ্য দিয়ে তেন্তে তুমি সিহঁতৰ সৈতে (পাল্টা) সাক্ষ্য দিবলৈ নাযাবা, আৰু সিহঁতৰ খেয়াল-খুচিৰ অনুসৰণ নকৰিবা যিবিলাকে আমাৰ নিৰ্দেশাৱলীত মিথ্যাৰোপ কৰিছে, আৰু যিবিলাকে পৰকালত বিশ্বাস নকৰে, আৰু যিসকলে সিহঁতৰ প্ৰতিপালকৰ প্ৰতি (দেৱ-দেৱীক) সমকক্ষ ঠাওৱায়।

## পৰিচ্ছেদ - ১৯

**১৫১** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “আহা, মই বৰ্ণনা কৰো তোমালোকৰ প্ৰভুৱে তোমালোকৰ কাৰণে কি নিষেধ কৰিছে— (প্ৰথমতঃ) তোমালোকে তেওঁৰ লগত আনক (উপাস্যৰূপে) শ্বৰিক নকৰিবা, আৰু পিতা-মাতাৰ সৈতে সদ্ব্যৱহাৰ, আৰু তোমালোকৰ সন্তান-সন্ততিক হত্যা নকৰিবা দৰিদ্ৰতা বশতঃ।” আমিয়েই জীৱিকা দিওঁ তোমালোকক আৰু সিহঁতকো,— “আৰু অশ্লীলতাৰ ওচৰে-পাজৰেও নাযাবা সেইবোৰৰ যি প্ৰকাশ পায় আৰু যি গোপনে থাকে, আৰু কোনো (নিৰপৰাধ) লোকক হত্যা নকৰিবা যাক আল্লাহে নিষেধ কৰিছে, যথাযথ কাৰণ ব্যতিৰেকে। এইবিলাকৰ যোগে তেওঁ তোমালোকক আদেশ জাৰি কৰিছে, যাতে তোমালোকে (ইয়াত নিহিত কল্যাণৰ বিষয়) বুজিব পাৰা।

**১৫২** "আৰু এতীমৰ সম্পত্তিৰ ওচৰলৈ নাযাবা যি শ্ৰেষ্ঠ সেই উদ্দেশ্য ব্যতিৰেকে যেতিয়ালৈকেনো সি তাৰ সাবালকত্ব পায়গৈ। আৰু পুৰা মাপ আৰু ওজন দিবা নায্যভাৱে।" আমি লোকৰ ওপৰত (তেনে) ভাৰ চপাই নিদিও যি তাৰ ক্ষমতাৰ অতিৰিক্ত। "আৰু যেতিয়া তোমালোকে (কোনো বিষয়ে) কথা কোৱা তেতিয়া ন্যায়নিষ্ঠ হ'বা যদিও সেইটো আপোনজনৰ বিষয়ত (যথা পক্ষত বা বিপক্ষতো) হয়। আৰু আল্লাহৰ (নামলৈ কৰা) ওৱাদা সম্পাদন কৰিবা। এইবিলাকৰ যোগে তোমালোকক তেওঁ নিৰ্দেশ দিছে যাতে তোমালোকে (সৎপথত চলাত) মনোনিৱেশ কৰা।

**১৫৩** "আৰু (জানি ৰাখা) যে এইটোৱেই মোৰ (প্ৰদৰ্শিত) সঠিক পথ, এতেকে ইয়াৰেই অনুসৰণ কৰা, অন্যান্য পথবোৰ অনুসৰণ নকৰিবা, কিয়নো সেইবিলাকে তেওঁৰ পথৰ পৰা তোমালোকক বিচ্ছিন্ন কৰিব।" এইবিলাকৰ দ্বাৰা তেওঁ তোমালোকক নিৰ্দেশ দিছে যাতে তোমালোকে ধৰ্মপৰায়ণতা অৱলম্বন কৰা।

**১৫৪** পুনৰায়, আমি মূছা (আঃ)-ক দিছিলো ধৰ্মগ্ৰন্থ— পূৰ্ণাঙ্গ (আশীৰ্বাদৰূপে) তাৰ নিমিত্তে যি শুভকাম কৰে, আৰু যি হৈছে সকলো বস্তুৰ বিশদ বিৱৰণ আৰু পথনিৰ্দেশ আৰু কৰুণা— যাতে সিহঁতে নিজৰ প্ৰভুৰ সৈতে মুলাকাতৰ সম্বন্ধে বিশ্বাস কৰে।

## পৰিচ্ছেদ - ২০

**১৫৫** আৰু ই (কুৰআনখন) এক গ্ৰন্থ— আমি এইখন অৱতাৰণ কৰিছো কল্যাণময় কৰি, গতিকে ইয়াকে অনুসৰণ কৰা আৰু (আল্লাহকে) ভয়-ভক্তি কৰা যাতে তোমালোকৰ প্ৰতি দয়া প্ৰদৰ্শন কৰা হয়;—

**১৫৬** পাচেকৈ তোমালোকে (—আৰববাসী পৌত্তলিকবিলাকে) কোৱা— "আমাৰ আগতে ধৰ্মগ্ৰন্থ অৱতীৰ্ণ হৈছিল কেৱল দুটি সম্প্ৰদায়ৰ ওচৰত, আৰু সেইসকলৰ পঢ়াশুনা সম্বন্ধে আমি অজ্ঞান আছিলো।"

**১৫৭** অথবা পাচত তোমালোকে কোৱা— "যদি আমাৰ ওচৰত ধৰ্মগ্ৰন্থ অৱতীৰ্ণ হ'লহেঁতেন তেন্তে আমি সিহঁতকৈয়ো ভালকৈ সুপথগামী হ'লোহেঁতেন।" এতিয়াতো তোমালোকৰ ওচৰত তোমালোকৰ প্ৰভুৰ পৰা আহিছে স্পষ্ট প্ৰমাণ, আৰু পথ নিৰ্দেশ, আৰু কৰুণা। এতেকে তাতকৈ কোন বেচি অন্যায়কাৰী যি (কুৰআনত বিবৃত) আল্লাহৰ নিৰ্দেশসমূহ প্ৰত্যাখ্যান কৰে আৰু সেইবিলাকৰ পৰা ফিৰি যায়? যিসকল আমাৰ নিৰ্দেশাৱলীৰ পৰা ঘূৰি যায় সিহঁতক আমি অচিৰেই প্ৰতিফল দিম নিকৃষ্ট শাস্তিৰে, যেহেতু সিহঁত (সৎপথৰ পৰা) ফিৰি গৈছে।

**১৫৮** সিহঁতে প্ৰতীক্ষা কৰি আছেনে পাচে ফিৰিশ্বতাসকল সিহঁতৰ ওচৰলৈ আহক, অথবা তোমাৰ প্ৰভু (নিজে) আহক, অথবা তোমাৰ প্ৰভুৰ কোনো কোনো নিদৰ্শন আহক, তেতিয়া কোনো লোকৰেই তাৰ (মৰণকালৰ) ঈমান আনাত একো লাভ নহ'ব যিজনে ইয়াৰ আগতে বিশ্বাস স্থাপন কৰা নাই, কিম্বা যিজনে তাৰ ঈমানৰ দ্বাৰা কোনো কল্যাণ অৰ্জন কৰা নাই। তুমি কোৱা— "তোমালোকে অপেক্ষা কৰা (তোমালোকৰ প্ৰাপ্য শাস্তিৰ কাৰণে), আমিও প্ৰতিক্ষাকাৰী (আমাৰ পুৰস্কাৰ লাভৰ নিমিত্তে)।"

**১৫৯** নিসন্দেহে যিসকলে সিহঁতৰ ধৰ্মক বিভক্ত কৰিছে, আৰু বিভিন্ন দল হৈ গৈছে; সিহঁতৰ কাৰণে (হে মুহাম্মদ-ছাঃ!) তোমাৰ কোনো দায়-দায়িত্ব নাই। প্ৰকৃততে সিহঁতৰ বিষয় আল্লাহৰ ওচৰতে; তেৱেঁই ইয়াৰ পাচত সিহঁতক জনাব যি (দুষ্কৃতি) সিহঁতে কৰি চলিছে।

**১৬০** যি কোনোবাই এটা ভাল কাম লৈ আহে, তাৰ কাৰণে তেতিয়া থাকিব দহটি তাৰ অনুৰূপ; আৰু যি কোনোবাই এটা বেয়া কাম লৈ আহে, তাক তেতিয়া প্ৰতিদান দিয়া নহয় তাৰ অনুৰূপ ব্যতীত (বেছি বেয়া); আৰু সিহঁতৰ প্ৰতি অন্যায় কৰা নহ'ব।

**১৬১** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা—"অৱশ্যে মোৰ ক্ষেত্ৰত মোৰ প্ৰভুৱে মোক পৰিচালনা কৰিছে সঠিক পথৰ ফালে, এক সুষ্ঠাঙ্গ ধৰ্মলৈ— একনিষ্ঠ ইব্ৰাহীম (আঃ)-ৰ ধৰ্মমতলৈ; আৰু তেওঁ বহুখোদাবাদীবিলাকৰ অন্তৰ্ভুক্ত নাছিল।"

**১৬২** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "নিশ্চয় মোৰ নামায আৰু মোৰ কুৰবানি আৰু মোৰ জীৱন আৰু মোৰ মৰণ (সকলোৱেই) বিশ্বজগতৰ প্ৰভু আল্লাহৰ নিমিত্তে,—

**১৬৩** "কোনো শ্বৰীক নাই তেওঁৰ; আৰু এইদৰেই মই আদিষ্ট হৈছো, আৰু মই থাকিম মুছলিমসকলৰ আগভাগত।"

**১৬৪** কোৱা—"কি! মই আল্লাহৰ বাহিৰে অন্য প্ৰভু বিচাৰিমনে অথচ তেৱেঁই সকলোৰে প্ৰভু?" আৰু প্ৰত্যেক সত্তাই যিকিবা অৰ্জন নকৰক সেইটো অকল তাৰ কাৰণেই; আৰু (নিজৰ কৃতকৰ্মৰ) ভাৰবাহক কোনেও অন্যৰ ভাৰ বহন নকৰিব। তাৰ পাচত তোমালোকৰ প্ৰভুৰ ওচৰলৈ তোমালোকৰ প্ৰত্যাৱৰ্তন, তেতিয়া তেওঁ তোমালোকক জনাই দিব যিবিলাক বিষয়ত তোমালোকে মতভেদ কৰি চলিছিলা।

**১৬৫** আৰু তেৱেঁই সেইজন যিজনে তোমালোকক পৃথিৱীৰ খলিফা বনাইছে, আৰু তোমালোকৰ কাৰোবাক আনবিলাকৰ ওপৰত মৰ্যাদাত উন্নত কৰিছে, যাতে তেওঁ তোমালোকক নিয়মানুৱৰ্তী কৰিব পাৰে যি (আদেশ-উপদেশ-নিৰ্দেশ) তেওঁ তোমালোকক দিছে তাৰ দ্বাৰা। নিশ্চয় তোমাৰ প্ৰভু প্ৰতিফলদানত তৎপৰ। আৰু নিসন্দেহে তেওঁ (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

* * * * * * * * * * * *

ছূৰা - ৭

# উচ্চ স্থানসমূহ

*(আল আ'ৰাফ : ৪৬)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

**১** আলিফ, লাম, মীম, স্বাদ (—মই, আল্লাহ, শ্ৰেষ্ঠজ্ঞাতা, সত্যপৰায়ণ)।

**২** (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওচৰত অৱতাৰণ কৰা এখন ধৰ্মগ্ৰন্থ,— এতেকে (কুৰআন প্ৰচাৰ কৰিবলৈ) তোমাৰ হিয়াত ইয়াৰ কাৰণে কোনো সংকোচ নাথাকক,— যাতে তুমি ইয়াৰ দ্বাৰা সতৰ্ক কৰিব পাৰা, আৰু (এইটো হৈছে) মুমিনসকলৰ কাৰণে স্মাৰক।

**৩** (লোকসকলক কোৱা—) "তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ ওচৰলৈ যি অৱতীৰ্ণ হৈছে তাৰেই অনুসৰণ কৰা, আৰু তেওঁক বাদ দি (দেৱ-দেৱী প্ৰভৃতি) অভিভাৱকসকলক অনুসৰণ নকৰিবা। অলপেই যিটো তোমালোকে মনত ৰাখা।"

**৪** আৰু জনবসতিৰ মাজৰ কিমানটো যে আমি ধ্বংস কৰিছো! সেইকাৰণে আমাৰ শাস্তি তালৈ আহিছিল নিশাকালত অথবা সিহঁতে দুপৰবেলাত টোপনি মাৰোতে।

**৫** কাজেই সিহঁতৰ ওচৰত যেতিয়া আমাৰ শাস্তি আহি পৰিছিল তেতিয়া সিহঁতৰ আৰু কোনো অজুহাত নাছিল এই বুলি কোৱাৰ বাহিৰে— "সঁচাকৈয়ে আমি আছিলো অন্যায়কাৰী।"

**৬** আমি তেতিয়া সিহঁতক অৱশ্যেই প্ৰশ্ন কৰিম যিসকলৰ ওচৰত (সতৰ্ককাৰী) প্ৰেৰণ কৰা হৈছিল, আৰু আমি নিশ্চয় প্ৰেৰিতপুৰুষসকলকো সুধিম (কিভাৱে লোকে তেওঁলোকক গ্ৰহণ কৰিছিল)।

**৭** তেতিয়া আমি নিশ্চয় সিহঁতৰ ওচৰত (সিহঁতৰ কাৰ্যাৱলী) বৰ্ণনা কৰিম জ্ঞানৰ সৈতে, আৰু আমিতো (সাক্ষীৰূপে) অনুপস্থিত নাছিলো।

**৮** আৰু সেইদিনা ওজন হ'ব সঠিকভাৱে। কাজেই যাৰ (সৎকৰ্মৰ) পাল্লা ভাৰী হ'ব সেইসকলেই তেন্তে হ'ব সফলকাম।

**৯** আৰু যাৰ পাল্লা হাল্কা হ'ব ইবিলাকেই তেন্তে সেইবিলাক যিবিলাকে নিজৰ আত্মাৰ ক্ষতিসাধন কৰিছে, কিয়নো সিহঁতে আমাৰ নিৰ্দেশাৱলীৰ প্ৰতি অন্যায় কৰিছিল।

**১০** আৰু আমিতো পৃথিৱীতে তোমালোকক প্ৰতিষ্ঠিত কৰিছো, আৰু তোমালোকৰ কাৰণে তাতে কৰিছো জীৱিকাৰ ব্যৱস্থা। অলপমানেই সেইখিনি তোমালোকে যি কৃতজ্ঞতা জ্ঞাপন কৰা।

## পৰিচ্ছেদ - ২

**১১** আৰু নিশ্চয় আমি তোমালোকক (প্ৰথমবাৰ) সৃষ্টি কৰিছো, তাৰ পিচত তোমালোকক ৰূপদান কৰিছো, তাৰ পাচত ফিৰিশ্বতাসকলক ক'লো— "আদমৰ প্ৰতি ছিজ্‌দা কৰা।" গতিকে তেওঁলোকে ছিজ্‌দা কৰিলে, অকলে ইবলীছ ব্যতিৰেকে। সি ছিজ্‌দাকাৰীসকলক অন্তৰ্ভুক্ত নহ'ল।

**১২** তেওঁ ক'লে— "কিহে তোমাক বাধা দিছিল যিকাৰণে তুমি ছিজ্‌দা নকৰিলা যেতিয়া মই তোমাক আদেশ কৰিছিলো?" সি ক'লে— "মই তাতকৈ শ্ৰেষ্ঠ; মোক তুমি জুইৰে সৃষ্টি কৰিছা, আৰু তাক তুমি সৃষ্টি কৰিছা বোকা দি।"

**১৩** তেওঁ ক'লে— "তেন্তে ইয়াৰ পৰা অধঃপাতে যোৱা, তোমাৰ কাৰণে (সমীচীন) নহয় যে তুমি ইয়াত অহংকাৰ কৰিবা। এতেকে ওলাই যোৱা; তুমি আলবৎ অধমবোৰৰ মাজৰ।"

**১৪** সি ক'লে— "মোক সময় দিয়া সেইদিনালৈকে যেতিয়া সিহঁত পুনৰুত্থিত হ'ব।"

**১৫** তেওঁ ক'লে— "বাৰু, তুমি অৱকাশপ্ৰাপ্তবিলাকৰ মাজৰ।"

**১৬** সি ক'লে— "তেন্তে তুমি যেনেকৈ মোক বিপথে যাবলৈ দিছা, ময়ো তেনেকৈ সিহঁতৰ কাৰণে খাপ-পাতি থাকিম তোমাৰ সঠিক পথত।

**১৭** "তাৰ পিছত মই আলবৎ সিহঁতৰ ওপৰত আহি পৰিম সিহঁতৰ আগফালৰ পৰা আৰু সিহঁতৰ পিছফালৰ পৰা, আৰু সিহঁতৰ সোঁফালৰ পৰা আৰু সিহঁতৰ বাওঁফালৰ পৰা; আৰু সিহঁতৰ অনেককেই তুমি কৃতজ্ঞ নাপাবা।"

**১৮** তেওঁ ক'লে— "ওলাই যোৱা ইয়াৰ পৰা— নিলাজ, বিতাড়িত (চয়তান)! সিহঁতৰ মাজৰ যিকোনোবাই তোমাক অনুসৰণ কৰিব,— মই নিশ্চয় জাহান্নাম ভৰ্তি কৰিম তোমালোকৰ মাজৰ সকলোকে দি।"

**১৯** আৰু (ইপিনে ক'লো)— "হে আদম! তুমি আৰু তোমাৰ সঙ্গিনী এই বাগানত বসবাস কৰা, আৰু য'ৰে পৰা তোমালোকে বিচাৰা আহাৰ কৰা; কিন্তু এই বৃক্ষৰ ওচৰে-পাজৰেও নাযাবা, তেনেহ'লে তোমালোক অন্যায়কাৰীবিলাকৰ অন্তৰ্ভুক্ত হ'বা।"

**২০** তাৰ পিছত চয়তানে সিহঁতক কুমন্ত্ৰণা দিলে যাতে সি (নৰ-নাৰী) উভয়ৰ ওচৰত প্ৰকাশ কৰিব পাৰে সিহঁতৰ লজ্জাৰ বিষয়ৰ যি উভয়ৰ ওচৰত গোপন আছিল, সেইকাৰণে সি ক'লে— "তোমালোকৰ প্ৰভুৱে এই গছজোপাৰ পৰা তোমালোকক নিষেধ কৰা নাই এই কাৰণৰ বাহিৰে যে তোমালোক ফিৰিশ্বতা হৈ যাবা, নাইবা তোমালোক হ'বা চিৰজীৱীবিলাকৰ অন্তৰ্ভুক্ত।"

**২১** আৰু সি তেওঁলোকৰ ওচৰত শপত খালে (আৰু ক'লে)— "বাস্তৱতে মই নিশ্চয় তোমালোকৰ কাৰণে সদ্‌উপদেশদাতাসকলৰ অন্যতম।"

**২২** এইদৰে সি তেওঁলোকক ছলনা কৰি বিপথে চলালে; পিছত তেওঁলোকে যেতিয়া (নিষিদ্ধ) বৃক্ষৰ সোৱাদ গ্ৰহণ কৰিলে তেতিয়া তেওঁলোকৰ লজ্জাস্থান উভয়ৰ ওচৰত প্ৰকাশ পালে, আৰু তেওঁলোক নিজকে আবৃত কৰিবলৈ ধৰিলে (সেই একেই) বাগানৰ পাতেৰে। তেতিয়া তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক মাতি ক'লে— "মই তোমালোকক নিষেধ কৰা নাছিলোনে সেই গছজোপাৰ পৰা (আঁতৰি থাকিবলৈ), আৰু তোমালোককতো মই কৈছোৱেই যে চয়তান তোমালোকৰ নিমিত্তে প্ৰকাশ্য শত্ৰু?"

**২৩** তেওঁলোকে ক'লে— "আমাৰ প্ৰভু! আমি (চয়তানৰ প্ৰৰোচনাত) আমাৰ নিজৰ প্ৰতিয়েই অন্যায় কৰিছো; আৰু যদি তুমি আমাক পৰিত্ৰাণ নকৰা আৰু আমাক তুমি দয়া নকৰা তেনেহ'লে আমি নিশ্চয় ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত হৈ যাম।"

**২৪** তেওঁ ক'লে— "তোমালোক (সকলো আদমগোষ্ঠী) অধঃপাতে যোৱা। তোমালোকৰ কোনোজন অইন কোনোবাৰ শত্ৰু। আৰু তোমালোকৰ নিমিত্তে পৃথিৱীতে ৰৈছে জিৰণিৰ স্থান আৰু কিছুসময়ৰ কাৰণে সংস্থান।"

**২৫** তেওঁ (আৰু) ক'লে— "ইয়াতেই তোমালোকে জীৱনযাপন কৰিবা আৰু ইয়াতেই তোমালোকে মৃত্যুবৰণ কৰিবা, আৰু ইয়াৰ পৰাই তোমালোকক পুনৰুত্থিত কৰা হ'ব।"

## পৰিচ্ছেদ - ৩

**২৬** হে আদমসন্তানসকল! আমি তোমালোকৰ কাৰণে নিশ্চয় (প্ৰত্যাদেশৰূপী) পোছাক পঠিয়াইছো তোমালোকৰ লজ্জা ঢাকিবলৈ, আৰু বেশভূষাৰ কাৰণে। আৰু ধৰ্মপৰায়ণতাৰ পোছাক— সেইটোৱেই সৰ্বশ্ৰেষ্ঠ। এইটো হৈছে আল্লাহৰ নিৰ্দেশাৱলীৰ পৰা, যাতে সিহঁতে মনত ৰাখে (যে পাপ কৰি শাস্তি পোৱাতকৈ পাপৰ পৰা আঁতৰি থকাই বেচি ভাল।

**২৭** হে আদমৰ বংশধৰশকল! চয়তানে যাতে তোমালোকক একোতেই প্ৰলোভিত নকৰে যেনেকৈ সি তোমালোকৰ পিতা-মাতাক ওলাই দিছিল এই বাগানৰ পৰা, তেওঁলোকৰ পৰা তেওঁলোকৰ পোছাক ছিন্ন কৰি, যেন সি তেওঁলোকক দেখুওৱাব পাৰে তেওঁলোকৰ লজ্জা। নিশ্চয় সি তোমালোকক দেখে— সি আৰু তাৰ পালি-পহৰীয়াই, য'ৰ পৰা তোমালোকে সিহঁতক দেখিবলৈ নোপোৱা। নিসন্দেহে আমি চয়তানক বনাইছো সিহঁতৰ অভিভাৱক যিসকলে বিশ্বাস নকৰে।

**২৮** আৰু যেতিয়া সিহঁতে কোনো অশ্লীল আচৰণ কৰে তেতিয়া কয়— "আমি আমাৰ পিতৃপুৰুষসকলক ইয়াতেই পাইছো, আৰু আল্লাহে আমাকো ইয়াতে আদেশ কৰিছে।" তুমি কোৱা— "নিশ্চয় আল্লাহে অশ্লীলতাৰ প্ৰতি আদেশ নকৰে। তোমালোকে কি আল্লাহৰ বিৰুদ্ধে কোৱা যি তোমালোকে নাজানা?

**২৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "আমাৰ প্ৰভুৱে আদেশ দিয়ে ন্যায়বিচাৰৰ; আৰু তোমালোকৰ মুখ পোনে পোনে থিয় কৰা প্ৰত্যেক ছিজ্‌দাস্থলত (আৰু ছিজ্‌দাকালত), আৰু তেওঁকে মাতা তেওঁৰ প্ৰতি ধৰ্মত একনিষ্ঠভাৱে।" যেনেকৈ তেওঁ তোমালোকক আদিতে সৃষ্টি কৰিছিলে তেনেকৈ তোমালোক (পুনৰুত্থিত হৈ) ফিৰি আহিবা।

**৩০** এদলক তেওঁ সুপথগামী কৰিছে আৰু আন এদলৰ ক্ষেত্ৰত পথভ্ৰান্তি সিহঁতৰ ওপৰত সংগত হৈছে। প্ৰকৃততে সিহঁতে আল্লাহক এৰি দি চয়তানবোৰক গ্ৰহণ কৰিছিল অভিভাৱকৰূপে, আৰু সিহঁতে ভাবিছিল সিহঁত অৱশ্যেই সুপথত চালিত।

**৩১** হে আদম সন্তানসকল! তোমালোকৰ শোভা গ্ৰহণ কৰা প্ৰত্যেক ছিজ্‌দাস্থলত (বা নামাযৰ সময়ত), আৰু খোৱা আৰু পিয়া (বৈধ খাদ্য), কিন্তু অপচয় নকৰিবা, সঁচাকৈয়ে তেওঁ অমিতব্যয়ীসকলক ভাল নাপায়।

## পৰিচ্ছেদ - ৪

**৩২** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "কোনে নিষিদ্ধ কৰিছে আল্লাহৰ শোভনীয় বস্তুবোৰ, যিবিলাক তেওঁ বান্দাসকলৰ কাৰণে উদ্ভৱ কৰিছে, আৰু

জীৱিকানিৰ্বাহৰ বিশুদ্ধ বস্তুসমূহ?" কোৱা— "এইবিলাক এই দুনিয়াৰ জীৱনত (দিয়া হৈছে) সেইসকলৰ নিমিত্তে যিসকলে ঈমান আনিছে,— পুনৰ্জাগৰণ দিনা (এইবিলাক কিন্তু) বিশেষভাৱে (ঈমানদাৰসকলৰ কাৰণে)।" এইদৰে আমি আমাৰ নিৰ্দেশাৱলী বিশদভাৱে ব্যাখ্যা কৰোঁ তেনে সম্প্ৰদায়ৰ কাৰণে যিসকলে জানে।

**৩৩** তুমি কোৱা— "নিসন্দেহে মোৰ প্ৰভুৱে নিষেধ কৰিছে অশ্লীলতা তাৰ যিখিনি প্ৰকাশ পায় আৰু যিখিনি গোপনে থাকে, আৰু পাপাচাৰ, আৰু নাহকভাৱে বিদ্ৰোহাচৰণ, আৰু আল্লাহৰ সৈতে যেন তোমালোকে শ্বৰিক কৰা যিসম্বন্ধে কোনো দলিল তেওঁ অৱতীৰ্ণ কৰা নাই, আৰু যেন তোমালোকে আল্লাহৰ বিৰুদ্ধে এনে (অপমানজনক) কথা কোৱা যি তোমালোকে নাজানা।"

**৩৪** আৰু প্ৰত্যেক জাতিৰ নিমিত্তে ৰৈছে এটি নিৰ্ধাৰিত সময়; গতিকে যেতিয়া নিৰ্ধাৰিত সময় আহি পৰে তেতিয়া সিহঁতে (সেই চৰম ঘটনা) পিছোৱাব নোৱাৰিব এঘণ্টাৰ কাৰণেও, আৰু সিহঁতে আগুৱাবও নোৱাৰিব।

**৩৫** হে আদমৰ বংশধৰসকল! যেতিয়া তোমালোকৰ ওচৰত তোমালোকৰ মাজৰ পৰা ৰছুলসকল আহে (আৰু) তোমালোকৰ ওচৰত আমাৰ নিৰ্দেশাৱলী বৰ্ণনা কৰে, তেতিয়া যিকোনোবাই (আল্লাহৰ প্ৰতি) ভয়-ভক্তি কৰে আৰু সৎকাম কৰে, সেইসকলৰ নিমিত্তে তেন্তে নাথাকিব ভয়-ভীতি, আৰু সেইসকলে অনুতাপো নকৰিব।

**৩৬** আৰু যিবিলাকে আমাৰ নিৰ্দেশাৱলীত মিথ্যাৰোপ কৰে আৰু সেইসমূহৰ পৰা বৰাই কৰে, সিহঁতেই হৈছে (দুযখৰ) জুইৰ বাসিন্দা, সিহঁত তাতে থাকিব দীৰ্ঘকাল।

**৩৭** এতেকে তাতকৈ কোন বেচি অন্যায়কাৰী যিজনে আল্লাহসম্বন্ধে মিছা ৰচনা কৰে অথবা তেওঁৰ নিৰ্দেশাৱলী প্ৰত্যাখ্যান কৰে? এইবিলাকেই— ইহঁতৰ ওচৰত পাবহি কিতাপৰ পৰা (প্ৰতিশ্ৰুত শাস্তিৰ) যি সিহঁতৰ ভাগত আছে। শেষলৈকে যেতিয়া আমাৰ দূতসকল সিহঁতৰ ওচৰলৈ আহিব সিহঁতৰ মৃত্যু ঘটাবলৈ, সেইসকলে তেতিয়া ক'ব— "ক'ত আছে সিহঁত যিবিলাকক তোমালোকে আল্লাহক বাদ দি (উপাস্যৰূপে) আহ্বান কৰিছিলা?" সিহঁতে ক'ব— "সিহঁতে আমাৰ পৰা আঁতৰি গৈছে।" আৰু সিহঁতে নিজৰ বিৰুদ্ধে সাক্ষ্য দিব যে সিহঁত প্ৰকৃততে অবিশ্বাসী আছিল।

**৩৮** তেওঁ ক'ব— "তোমালোকে প্ৰৱেশ কৰা (নৰকৰ) জুইৰ মাজত দলৱদ্ধভাৱে (সিহঁতৰ লগত) যিবিলাক তোমালোকৰ আগতে গত হৈ গৈছে জিন্ আৰু মানুহৰ মাজৰ পৰা। যেতিয়াই এটা দল (সেই নৰককুণ্ডত) প্ৰৱেশ কৰিব সি অভিশাপ দিব তাৰ ভগিনীক (বা ভগ্নীস্থানীয় দলক)। অৱশেষত যেতিয়া সিহঁত সকলোমিলি তাত সমবেত হ'ব, সিহঁতৰ পশ্চাদ্গামীসকলে সিহঁতৰ অগ্ৰগামীসকলৰসম্বন্ধে ক'ব— "আমাৰ প্ৰভু! ইহঁতেই আমাক পথভ্ৰষ্ট কৰিছিল, সেইকাৰণে সিহঁতক দিয়া (দুযখৰ) জুইৰ দ্বাৰা দুগুণ শাস্তি।" তেওঁ ক'ব— "(তোমালোকৰ) প্ৰত্যেকৰে কাৰণে ৰৈছে দুগুণকৈ শাস্তি, কিন্তু তোমালোকে নাজানা (যে নিজৰ অন্যায়াচৰণ আৰু আনক বেয়া পথ প্ৰদৰ্শন হৈছে দুবিধ অপৰাধ)।"

**৩৯** আৰু সিহঁতৰ অগ্ৰগামীবিলাকে সিহঁতৰ পশ্চাদ্গামীবিলাকক ক'ব— "তেনেহ'লে (দুগুণ শাস্তি পোৱাৰ বেলিকা) তোমালোকৰ সপক্ষে আমাৰ ওপৰত কেনো শ্ৰেষ্ঠত্ব নাই, এতেকে তোমালোকে যি অৰ্জন কৰিছিলা তাৰ কাৰণে শাস্তি আস্বাদন কৰা।"

## পৰিচ্ছেদ - ৫

**৪০** বাস্তৱিকতে যিবিলাকে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰে আৰু সিবিলাকৰ পৰা বৰাই কৰে, সিহঁতৰ নিমিত্তে (আল্লাহৰ অনুগ্ৰহ বৰ্ষণ কৰিবলৈ) মহাকাশৰ দুৱাৰবোৰ উন্মুক্ত কৰা নহ'ব, আৰু সিহঁতে বেহেশ্বততো প্ৰৱেশ কৰিব নোৱাৰিব, যেতিয়ালৈকেনো উট প্ৰৱেশ কৰে বেজীৰ জলায়েদি। আৰু এইভাৱে আমি অপৰাধীবিলাকক (সিহঁতৰ কৃতকৰ্মৰ) প্ৰতিফল দিওঁ।

**৪১** সিহঁতৰ কাৰণে ৰৈছে জাহান্নামত থকা (কণ্টকময়) শয্যা, আৰু সিহঁতৰ ওপৰত ৰৈছে (অনুৰূপ) আৱৰণ। আৰু এইদৰেই মই প্ৰতিফল দিওঁ অন্যায়কাৰীবিলাকক।

**৪২** আৰু যিসকলে ঈমান আনিছে আৰু সৎকাম কৰে— আমি কোনো সত্বাকে ভাৰাক্ৰান্ত নকৰোঁ তাৰ ক্ষমতাৰ অতিৰিক্ত;— এওঁলোকেই হৈছে জান্নাতৰ বাসিন্দা, এওঁলোক তাতেই থাকিব চিৰকাল।

**৪৩** আৰু আমি দূৰ কৰি দিম (অন্যৰ প্ৰতি) মনোমালিন্যৰ যি কিবা আছে তেওঁলোকৰ বুকুত,— তেওঁলোকৰ তলেদি বৈ থাকিব নিঝৰাবোৰ; আৰু তেওঁলোকে ক'ব— "সমুদায় প্ৰশংসা আল্লাহৰেই যিজনে আমাক পথ দেখুৱাইছে এইফালে, আৰু আমি নিজে সৎপথ নাপালোহেঁতেন যদিহেনো আল্লাহে আমাক পথ দেখুৱালেহেঁতেন; নিশ্চয় আমাৰ প্ৰভুৰ ৰছুলসকলে (আমাৰ ওচৰত) সত্য লৈ আহিছিলে।" আৰু তেওঁলোকক ঘোষণা কৰা হ'ব— "দেখা! এই বেহেশ্বত তোমালোকৰ সন্মুখত, তোমালোকক ইয়াৰ গৰাকী কৰা হ'ল তোমালোকে যি (সৎকৰ্ম) কৰিছিলা তাৰ নিমিত্তে।"

**৪৪** আৰু জান্নাতবাসীসকলে (দুযখৰ) জুইৰ বাসিন্দাবিলাকক মাতি ক'ব— "আমি নিশ্চয় পাইছো আমাৰ প্ৰভুৱে আমাৰ ওচৰত যি (পুৰস্কাৰ) ওৱাদা কৰিছিলে সেইটো সত্য, তোমালোকেও তেন্তে তোমালোকৰ প্ৰভুৱে যি (পৰিণতি) ওৱাদা কৰিছিলে সেইটো সত্য পাইছানে?" সিহঁতে ক'ব— "হয়'; তেতিয়া জনৈক মুওজ্জিনে সিহঁতৰ মাজত ঘোষণা কৰিব— "আল্লাহৰ ধিকাৰ হওক দুৰাচাৰীবিলাকৰ ওপৰত—

**৪৫** "যিবিলাকে আল্লাহৰ পথৰ পৰা (লোকক) আঁতৰাই দিয়ে আৰু ইয়াক কুটিল কৰিবলৈ চেষ্টা কৰে; আৰু সিহঁত আখেৰাতৰ সম্বন্ধে অবিশ্বাসী।"

**৪৬** আৰু এই দুয়োৰ (অৰ্থাৎ বেহেশ্বত আৰু দুযখৰ) মাজত থাকিব এটি পৰ্দা। আৰু উচ্চস্থানসমূহত থাকিব (উচ্চ পৰ্যায়ৰ) কিছু লোক, তেওঁলোকে

(আগন্তুক জান্নাতী) সকলোকে চিনি পাব এওঁলোকৰ (উজ্জ্বল) চিহ্নৰ দ্বাৰা। আৰু তেওঁলোকে বেহেশ্বতৰ (এই) বাসিন্দাসকলক মাতি ক'ব— "ছালামুন আলায়কুম"। এওঁলোক এতিয়াও তাতে প্ৰৱেশ কৰা নাই, হ'লেও এওঁলোকে (প্ৰৱেশাধিকাৰ লাভৰ) আশা ৰাখে।

**৪৭** আৰু যেতিয়া তেওঁলোকৰ দৃষ্টি (বেহেশ্বতবাসীৰ পৰা) ফিৰোৱা হ'ব তেতিয়া সেইটোৱে নৰকবাসীবিলাকৰ সাক্ষাৎ পাব; তেওঁলোকে ক'ব— "আমাৰ প্ৰভু! অন্যায়কাৰী দলৰ লগত (এই দুযখত) আমাক স্থাপন নকৰিবা।"

## পৰিচ্ছেদ - ৬

**৪৮** আৰু উচ্চস্থানৰ বাসিন্দাসকলে মাতিব (দুযখৰ) সেইবিলাক লোকক যিবিলাকক তেওঁলোকে চিনি পাব সিহঁতৰ (কুচ্ছিত) চিহ্নৰ দ্বাৰা; তেওঁলোকে (ইহঁতক) ক'ব— "তোমালোকৰ কোনো কামতেই নাহিল তোমালোকৰ সঞ্চয়, আৰু যিবিলাকক লৈ তোমালোকে বৰাই কৰিছিলা।

**৪৯** "(বেহেশ্বতত প্ৰৱেশাধিকাৰ লাভৰ আশাত অপেক্ষা কৰি থকা) এওঁলোকেই কি তেওঁলোক যিসকলৰ সম্বন্ধে তোমালোকে শপথ খাইছিলা যে আল্লাহে তেওঁলোকক কৰুণা প্ৰদান নকৰিব?" (তাৰ পাচত এওঁলোকক কোৱা হ'ব—) "বেহেশ্বতত প্ৰৱেশ কৰা; তোমালোকৰ ওপৰত কোনো ভয় নাই আৰু তোমালোকে অনুতাপো নকৰিবা।"

**৫০** আৰু নৰকবাসীয়ে জান্নাতবাসীক মাতি ক'ব— "আমালোকৰ ওপৰত পানীৰ পৰা কিবা অলপ ঢালি দিয়া, অথবা (পেলাই দিয়া) আল্লাহে তোমালোকক যি খুৱাইছে তাৰ পৰা।" তেওঁলোকে ক'ব— "প্ৰকৃততে আল্লাহে এই দুয়োটাই নিষিদ্ধ কৰিছে অবিশ্বাসীবিলাকৰ নিমিত্তে,—

**৫১** "যিসকলে (পাৰ্থিৱ জীৱনত) সিহঁতৰ ধৰ্মক গ্ৰহণ কৰিছিল আমোদ-প্ৰমোদ আৰু খেল-ধেমালিৰূপে, আৰু এই দুনিয়াৰ জীৱনে যিসকলক ভুলাইছিল।" গতিকে আজি আমি সিহঁতক উপেক্ষা কৰিছো যেনেকৈ সিহঁতে আওহেলা কৰিছিল সিহঁতৰ (শেষবিচাৰৰ) এই দিনটোৰ সাক্ষাৎসম্বন্ধে, আৰু যেহেতু সিহঁতে আমাৰ নিৰ্দেশাৱলী প্ৰত্যাখ্যান কৰিছিল।

**৫২** আৰু নিশ্চয় আমি সিহঁতৰ কাৰণে লৈ আহিছো এখন ধৰ্মগ্ৰন্থ (যথা এই কুৰআন) য'ত বহলাই ব্যাখ্যা কৰিছো (সঠিক) জ্ঞানৰ দ্বাৰা,— এক পথনিৰ্দেশ আৰু কৰুণা যিসকলে বিশ্বাস কৰে তেনেলোকৰ কাৰণে।

**৫৩** সিহঁতে অইন কিবাৰ অপেক্ষা কৰেনে ইয়াৰ পৰিণামৰ বাহিৰে (অৰ্থাৎ কুৰআনৰ পথনিৰ্দেশৰ পৰিৱৰ্তে ইয়াৰ পৰিণামটোকেই চাব বিচাৰেনে)? যিদিনা ইয়াৰ পৰিণাম আহিব, যিসকলে ইয়াৰ আগতে এইটো আওহেলা কৰিছিল সিহঁতে ক'ব— "আমাৰ প্ৰভুৰ ৰছুলসকলে নিশ্চয় সত্য লৈ আহিছিলে। আমাৰ কাৰণে কোনো চুপাৰিচকাৰী আছেনে? সিহঁতে তেন্তে আমাৰ নিমিত্তে (মুক্তিৰ বাবে) চুপাৰিচ কৰক, অথবা আমি (আকৌ দুনিয়াৰ জীৱনলৈ) প্ৰত্যাবৃত্ত হ'ব পাৰোনে যাতে আমি যি (দুষ্কৃতি) কৰিছিলো তাৰ বিপৰীত কিবা (সৎকাম) কৰিব পাৰো?" সিহঁতে আলবৎ সিহঁতৰ অন্তৰাত্মা হেৰুৱাইছে, আৰু সিহঁতৰ পৰা বিদায় লৈছে সেইসকল (মিছা চুপাৰিচকাৰীহঁত) যিসকলক সিহঁতে উদ্ভাৱন কৰিছিল।

## পৰিচ্ছেদ - ৭

**৫৪** নিসন্দেহে তোমালোকৰ প্ৰভু হৈছে আল্লাহ যিজনে সৃষ্টি কৰিছে মহাকাশমণ্ডল আৰু পৃথিৱী ছদিনত, তেতিয়া তেওঁ আৰশ্বত অধিষ্ঠিত হ'লে। তেওঁ দিনক আবৰি ধৰে ৰাতিৰে— যি বেগেৰে তাৰ অনুসৰণ কৰে। আৰু সূৰ্য আৰু চন্দ্ৰ আৰু গ্ৰহ-নক্ষত্ৰবোৰ তেওঁৰ হুকুমৰ আজ্ঞাধীন। সৃষ্টি কৰা আৰু নিৰ্দেশ দান তেওঁৰ অধিকাৰভুক্ত নহয় জানো? মহিমাময় আল্লাহ— বিশ্বজগতৰ প্ৰভু।

**৫৫** (হে মানৱগোষ্ঠী!) তোমালোকৰ প্ৰভুক মাতা বিনীতভাৱে আৰু গোপনতাৰ সৈতে। নিশ্চয় তেওঁ সীমালঙ্ঘনকাৰীবিলাকক ভাল নাপায়।

**৫৬** আৰু দুনিয়াত গণ্ডগোল সৃষ্টি নকৰিবা তাত শান্তি প্ৰতিষ্ঠাৰ পাচত, আৰু তেওঁক মাতা ভয়ত আৰু আশাত। নিসন্দেহে আল্লাহৰ অনুগ্ৰহ সৎকৰ্মীসকলৰ সমীপৱৰ্তী।

**৫৭** আৰু তেৱেঁই সেইজন যিজনে বায়ুপ্ৰবাহ পঠায় তেওঁৰ অনুগ্ৰহৰ আগেয়ে সুসংবাদবাহীৰূপে। অৱশেষত যেতিয়া সেইবিলাকে সঘন মেঘমালা বহন কৰি আনে, আমি তেতিয়া সেইটো মৃত ভূখণ্ডৰ পিনে পঠাও, তাৰ পাচত আমি তাৰ পৰা পানী বৰ্ষণ কৰো, তেতিয়া ইয়াৰ সাহায্যত উৎপাদন কৰো সকলো ৰকমৰ ফল-ফচল। এইদৰেই আমি মৃতক (জীৱন্ত কৰি) ওলাই আনো, যাতে তোমালোকে মনত ৰাখিব পাৰা।

**৫৮** আৰু ভাল মাটি— ইয়াৰ গছপুলি গজায় (পৰ্যাপ্তভাৱে) তাৰ প্ৰভুৰ অনুমতিক্ৰমে, আৰু যি (মাটি) বেয়া— একোৱেই তাত নগজাই অলপ-চলপৰ বাহিৰে। এইভাৱে আমি নিৰ্দেশসমূহ পৰিষ্কাৰকৈ বৰ্ণনা কৰো যিসকলে কৃতজ্ঞতা প্ৰকাশ কৰে তেনেলোকৰ নিমিত্তে।

## পৰিচ্ছেদ - ৮

**৫৯** আমি অৱশ্যেই নূহ (আঃ)-ক পঠিয়াইছিলো তেওঁৰ সম্প্ৰদায়ৰ প্ৰতি। তেওঁ তেতিয়া কৈছিল— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তেওঁৰ বাহিৰে তোমালোকৰ অন্য উপাস্য নাই। নিসন্দেহে মই তোমালোকৰ নিমিত্তে আশংকা কৰিছো এক ভয়ংকৰ দিনৰ শাস্তি।"

**৬০** তেওঁৰ সম্প্ৰদায়ৰ মুখিয়ালবিলাকে ক'লে— "নিশ্চয় আমিতো তোমাক দেখিছো স্পষ্ট ভ্ৰান্তিৰ মাজত।"

**৬১** তেওঁ ক'লে— "হে মোৰ জনগণ! মোৰ মাজত কোনো বিভ্ৰান্তি নাই, বৰং মই হৈছো বিশ্বজগতৰ প্ৰভুৰ পৰা এজন ৰছুল।

**৬২** "মই তোমালোকৰ ওচৰত পৌছাই দিছো মোৰ প্ৰভুৰ বাণীসমূহ, আৰু মই তোমালোকক সদুপদেশ দিওঁ, কাৰণ মই আল্লাহৰ পৰা জানো যি তোমালোকে নাজানা।

**৬৩** "বা-ৰু, তোমালোক আচৰিত হৈছানে যে তোমালোকৰ ওচৰত তোমালোকৰ প্ৰভুৰ পৰা উপদেশ আহিছে তোমালোকৰেই মাজৰ এজন মানুহৰ যোগেদি যাতে তেওঁ তোমালোকক সৰ্তক কৰে, আৰু যেন তোমালোকে ধৰ্মভীৰুতা অৱলম্বন কৰা আৰু যেন তোমালোকক কৰুণা কৰা হয়।"

**৬৪** কিন্তু সিহঁতে তেওঁক মিথ্যাৰোপ কৰিলে; সেই কাৰণে তেওঁক আৰু তেওঁৰ লগত যিসকল আছিল তেওঁলোকক আমি উদ্ধাৰ কৰিছিলো জাহাজেৰে, আৰু ডুবাই দিছিলো সিহঁতক যিবিলাকে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰিছিল। নিসন্দেহে সিহঁত আছিল এক অন্ধ সম্প্ৰদায়।

## পৰিচ্ছেদ - ৯

**৬৫** আৰু 'আদ জাতিৰ ওচৰলৈ সিহঁতৰ ভাতৃ হূদ-ক। তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ নিমিত্তে তেওঁৰ বাহিৰে অন্য উপাস্য নাই। তোমালোকে তেন্তে ধৰ্মভীৰুতা অৱলম্বন নকৰিবানে?"

**৬৬** তেওঁৰ সম্প্ৰদায়ৰ মাজৰ পৰা যিবিলাকে অবিশ্বাস পোষণ কৰিছিল সিহঁতৰ মুখিয়াল বিলাকে ক'লে— "নিশ্চয় আমিতো তোমাক দেখিছো চূড়ান্ত মূৰ্খামিত, আৰু আমি অৱশ্যে তোমাক মিথ্যাবাদীবিলাকৰ মাজৰ বুলি গণ্য কৰোঁ।"

**৬৭** তেওঁ ক'লে— "হে মোৰ লোকসকল! মোৰ মাজত কোনো মূৰ্খামি নাই, বৰং মই হৈছো বিশ্বজগতৰ প্ৰভুৰ পৰা এজন ৰছুল।"

**৬৮** "মই তোমালোকৰ ওচৰত পৌছাই দিওঁ মোৰ প্ৰভুৰ বাণীসমূহ, আৰু মই তোমালোকৰ নিমিত্তে এজন বিশ্বস্ত উপদেশ দিওঁতা।"

**৬৯** "বাৰু, তোমালোক আচৰিত হৈছা নেকি যে তোমালোকৰ ওচৰত তোমালোকৰ প্ৰভুৰ পৰা উপদেশ আহিছে তোমালোকৰেই মাজৰ এজন মানুহৰ মাধ্যমেৰে যাতে তেওঁ তোমালোকক সৰ্তক কৰিব পাৰে? আৰু স্মৰণ কৰা, কেনেকৈ তেওঁ তোমালোকক নূহ (আঃ)-ৰ সম্প্ৰদায়ৰ পৰৱৰ্তী কালত প্ৰতিনিধি বনাইছিল আৰু তোমালোকক বৰ্ধিত কৰিছে আকৃতিৰ বৈশিষ্ট্যত। গতিকে তোমালোকে আল্লাহৰ অনুগ্ৰহবিলাক স্মৰণ কৰা যাতে তোমালোক সফল হ'ব পাৰা।"

**৭০** সিহঁতে ক'লে— "তুমি আমাৰ ওচৰত আহিছানে যাতে আমি একমাত্ৰ আল্লাহৰ উপাসনা কৰো, আৰু বৰ্জন কৰো আমাৰ পিতৃপুৰুষসকলে যিসকলৰ উপাসনা কৰিছিল? তেন্তে লৈ আঁহা আমাৰ ওচৰলৈ (সেইবিলাক শাস্তি) যিবিলাকৰ দ্বাৰা তুমি আমাক ভয় দেখুৱাইছা, যদি তুমি সত্যবাদীসকলৰ অন্তৰ্ভুক্ত হোৱা।"

**৭১** তেওঁ ক'লে— "তোমালোকৰ ওপৰত তোমালোকৰ প্ৰভুৰ পৰা শাস্তি আৰু ক্ৰোধতো হাজিৰ হৈছেহি লাগে। তোমালোকে মোৰ লগত তৰ্কাতৰ্কি কৰিছানে কিছুমান (দেৱতাৰ) নাম সম্বন্ধে— যিবোৰ নাম দিছা তোমালোকে আৰু তোমালোকৰ পিতৃপুৰুষসকলে, তাৰ কাৰণে আল্লাহে কোনো সনদ পঠোৱা নাই? এতেকে অপেক্ষা কৰা, ময়ো তোমালোকৰ সৈতে (শেষ দশা চাবলৈ) অপেক্ষাকাৰীসকলৰ মাজত ৰৈছো।"

**৭২** অৱশেষত তেওঁক আৰু তেওঁৰ লগত যিসকল আছিল তেওঁলোকক আমি উদ্ধাৰ কৰিছিলো আমাৰ পৰা অনুগ্ৰহ বশতঃ, আৰু কাটি দিছিলো সিহঁতৰ শিপা যিসকলে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰিছিল, আৰু সিসকল মুমিন নাছিল।

## পৰিচ্ছেদ - ১০

**৭৩** আৰু চামূদ জাতিৰ ওচৰত (আমি পঠিয়াইছিলো) সিহঁতৰ ভাতৃ স্বালিহ (আঃ)-ক। তেওঁ কলে— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ নিমিত্তে তেওঁৰ বাহিৰে অইন কোনো উপাস্য নাই। আলবৎ তোমালোকৰ কাৰণে তোমালোকৰ প্ৰভুৰ পৰা আহিছে স্পষ্ট প্ৰমাণ। এইটো হৈছে আল্লাহৰ উটনী,— তোমালোকৰ কাৰণে এটি নিদৰ্শন, এতেকে তাইক এৰি দিয়া আল্লাহৰ ভূমিত চৰি খাবলৈ, আৰু তাইক কোনো ক্ষতিৰে ক্ষতি নকৰিবা, পাচে মৰ্মন্তুদ শাস্তিয়ে তোমালোকক পাকৰাও কৰে।

**৭৪** "আৰু স্মৰণ কৰা! কেনেকৈ তেওঁ তোমালোকক 'আদ-ৰ পৰৱৰ্তী কালত (সিহঁতৰ) প্ৰতিনিধি বনাইছিল। আৰু তোমালোকক প্ৰতিষ্ঠিত কৰিছিলে পৃথিৱীত— যাৰ সমতলভূমিত তোমালোকে প্ৰাসাদ গঢ়িছিলা আৰু পাহাৰ কাটি বনাইছিলা বাৰীঘৰ। সেইকাৰণে তোমালোকে স্মৰণ কৰা আল্লাহৰ অনুগ্ৰহসমূহ; আৰু দেশত গৰ্হিত আচৰণ নকৰিবা গণ্ডগোল সৃষ্টিকাৰী হৈ।"

**৭৫** তেওঁৰ সম্প্ৰদায়ৰ মাজৰ যিসকলে বৰাই কৰিছিল সিহঁতৰ মুখিয়ালবিলাকে ক'লে সেইসকলক যিসকলে দুৰ্বলতা বোধ কৰিছিল, অথচ ইহঁতৰ মাজৰ যিসকলে ঈমান আনিছিল তেওঁলোকক— "তোমালোকে জানানে যে স্বালিহ (আঃ) তেওঁৰ প্ৰভুৰ পৰা (অহা) এজন প্ৰেৰিত-পুৰুষ?" তেওঁলোকে (—ঈমান-অনাসকলে) ক'লে— "তেওঁৰ জৰিয়তে যি (বাণী) পঠোৱা হৈছে তাত আমি বিশ্বাসী।"

**৭৬** যিসকলে বৰাই কৰিছিল সিহঁতে ক'লে— "তোমালোকে যিবিলাকত বিশ্বাস কৰা তাত আমি নিশ্চয় অবিশ্বাসী।"

**৭৭** ইয়াৰ পাচত সিহঁতে উটনী হত্যা কৰিলে, আৰু অমান্য কৰিলে সিহঁতৰ প্ৰভুৰ নিৰ্দেশ, আৰু ক'লে— "হে স্বালিহ! লৈ আহা তেন্তে আমাৰ নিমিত্তে (সেইবিলাক শাস্তি) যিবিলাকৰ যোগে তুমি আমাক ভয় দেখুৱাইছা, যদি তুমি (সঁচাই) ৰছুলসকলৰ এজন হোৱা।"

**৭৮** গতিকে সিহঁতক পাকৰাও কৰিলে ভূমিকম্পই, এতেকে সিহঁত হৈ গ'ল নিজ বাৰীঘৰতেই নিথৰদেহী।

**৭৯** তাৰ পাচত তেওঁ সিহঁতৰ পৰা ওভতি গ'ল আৰু (ভুঁই-কঁপৰ পৰা উদ্ধাৰ পোৱা লোকসকলক) ক'লে— "হে মোৰ সম্প্ৰদায়! মই তোমালোকৰ ওচৰলৈ মোৰ প্ৰভুৰ বাণীসমূহ নিশ্চয় পৌছাই দিছিলো, আৰু তোমালোকক (সৎপথৰ) উপদেশ দিছিলো, কিন্তু তোমালোকে উপদেষ্টাসকলক ভাল নাপালা (গতিকে আল্লাহে তোমালোকৰ গঢ়া সভ্যতা ধ্বংস কৰি দিলে)।"

**৮০** আৰু (অইন এক ৰছুল) লূত (আঃ)! স্মৰণ কৰা! তেওঁ তেখেতৰ লোকসকলক ক'লে— "তোমালোকে এনেকুৱা অশ্লীলতা (যেনে পুং-মৈথুন) কৰিছানে যিটো জগৎবাসীৰ কোনেও তোমালোকৰ আগতে আৰম্ভ কৰা নাই?

**৮১** "তোমালোকতো প্ৰকৃততে কামাতুৰ হৈ কামিনীসকলক এৰি দি পুৰুষসকলৰ কাষ চাপা গৈ। নহয়, তোমালোক হৈছা সীমালঙ্ঘনকাৰী জাতি।"

**৮২** আৰু তেওঁৰ লোকবিলাকৰ উত্তৰ ইয়াৰ বাহিৰে আন একোৱেই নাছিল যে সিহঁতে ক'লে— "তোমালোকৰ জনপদৰ পৰা এইবিলাকক উলিয়াই দিয়া। এইসকল এনে লোক যিসকলে পৱিত্ৰ হ'বলৈ বিচাৰে!"

**৮৩** কাজেই আমি তেওঁক আৰু তেওঁৰ পৰিবাৰবৰ্গক (অৰ্থাৎ অনুৱৰ্তীসকলক) উদ্ধাৰ কৰিলো— তেওঁৰ স্ত্ৰী ব্যতিৰেকে; সেইজনী আছিল পিছ-পৰি-থকাবিলাকৰ অন্তৰ্ভুক্ত।

**৮৪** আৰু সিহঁতৰ ওপৰত আমি বৰ্ষণ কৰিছিলো (আগ্নেয়গিৰিৰ অগ্ন্যুদ্গাৰৰ) এক বৰ্ষণ। এতেকে চোৱা, অপৰাধীবিলাকৰ পৰিণাম কেনে হৈছিল?

## পৰিচ্ছেদ - ১১

**৮৫** আৰু মাদয়ানবাসীৰ ওচৰত (আমি পঠাইছিলো) সিহঁতৰ ভ্ৰাতা শ্বুআইব (আঃ)-ক। তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ কাৰণে তেওঁৰ ব্যতিৰেকে অন্য উপাস্য নাই। তোমালোকৰ ওচৰলৈ তোমালোকৰ প্ৰভুৰ পৰা নিশ্চয় আহিছে স্পষ্ট প্ৰমাণ। এতেকে পূৰা মাপ আৰু ওজন দিবা; আৰু কোনো লোকক বঞ্চিত নকৰিবা তেওঁলোকৰ বিষয়বস্তুত, আৰু পৃথিৱীত তাৰ সুব্যৱস্থা অনাৰ পাচত (তাত) বিপৰ্যয় সৃষ্টি নকৰিবা। এইটোৱেই তোমালোকৰ নিমিত্তে শ্ৰেয় যদি তোমালোক বিশ্বাসী হোৱা।

**৮৬** "আৰু প্ৰত্যেক ৰাস্তাতে খাপ পাতি নাথাকিবা (পথযাত্ৰীক) ভয় দেখুৱাই, আৰু আল্লাহৰ পথৰ পৰা তাক ফিৰাই নিয়াত যিজনে তেওঁৰ প্ৰতি ঈমান আনিছে, আৰু তাক (—আল্লাহৰ ধৰ্মব্যৱস্থাক) কুটিল কৰিবলৈ নাযাবা। আৰু স্মৰণ কৰা— যেতিয়া তোমালোক অলপসংখ্যক আছিলা, তেতিয়া তেওঁ তোমালোকক (বল-বিক্ৰম ধন-জন) বঢ়াই দিছিলে। এতেকে চোৱাঁ, বিপৰ্যয় সৃষ্টিকৰোঁতাবোৰৰ পৰিণাম কি হৈছিল।

**৮৭** "আৰু যদি তোমালোকৰ এদলে বিশ্বাস কৰে মোক যি (প্ৰত্যাদেশ) দি পঠোৱা হৈছে তাত, আৰু (ডাঙৰ) এদলে বিশ্বাস নকৰে, তেতিয়া ধৈৰ্য ধৰা যেতিয়ালৈকে নেকি আল্লাহে আমাৰ উভয়ৰ মাজত মীমাংসা কৰি দিয়ে; আৰু তেৱেঁই বিচাৰকৰ্তাসকলৰ মাজত শ্ৰেষ্ঠ।"

## ৯ম পাৰা

**৮৮** তেওঁৰ সম্প্ৰদায়ৰ মাজৰ যিবিলাকে বৰাই কৰিছিল সিহঁতৰ মুখিয়ালবিলাকে ক'লে— "আমি নিশ্চয় আমাৰ জনপদৰ পৰা তোমাক খেদি দিম, হে শ্বুআইব! আৰু যিবিলাকে তোমাৰ লগত ঈমান আনিছে সিহঁতকো, অথবা আমাৰ ধৰ্মমতলৈ তোমালোকক ফিৰি আহিবই লাগিব।" তেওঁ ক'লে— "কি! (আমি কি ফিৰি যাম পাপাচাৰলৈ) যদিও আমি ঘৃণা কৰো?

**৮৯** "আমি নিশ্চয় আল্লাহৰ বিৰুদ্ধে মিছা ৰচনা কৰিম যদি আমি ফিৰি যাওঁ তোমালোকৰ ধৰ্মমতলৈ তাৰ পৰা আল্লাহে আমাক উদ্ধাৰ কৰাৰ পাচতো। আৰু এইটো আমাৰ সমীচীন নহ'ব যে আমি ইয়ালৈ ফিৰি যাওঁ যদিহেনো আমাৰ প্ৰভু আল্লাহে (তেনে) ইচ্ছা কৰে। আমাৰ প্ৰভুৱে জ্ঞানত সকলো বস্তুতে ব্যাপকতা ৰাখে। আল্লাহৰ ওপৰতে আমি নিৰ্ভৰ কৰো (আৰু কওঁ—) 'আমাৰ প্ৰভু! আমাৰ মাজত আৰু আমাৰ (অবিশ্বাসী) সম্প্ৰদায়ৰ মাজত (বিৰোধসমূহ) নায্যভাৱে নিষ্পত্তি কৰি দিয়া, আৰু তুমিয়েই নিষ্পত্তিকাৰীসকলৰ মাজত শ্ৰেষ্ঠ।' "

**৯০** আৰু তেওঁৰ সম্প্ৰদায়ৰ মাজৰ যিবিলাকে অবিশ্বাস কৰিছিল সিহঁতৰ মুখিয়ালবিলাকে ক'লে— "(বাৰু!) যদি তোমালোকে শুআইব-ক অনুসৰণ কৰা তেন্তে তোমালোক নিশ্চয় ক্ষতিগ্ৰস্ত হ'বা।"

**৯১** তাৰ পাচত ভূমিকম্পই সিহঁতক ধৰিলে, ফলত সিহঁত হৈ গ'ল নিজ বাৰীঘৰতেই হতচেতন।

**৯২** যিবিলাকে শ্বুআইব-ক মিথ্যাৰোপ কৰিছিল সিহঁতৰ দশা হ'ল— সিহঁত যেন কেতিয়াও সেইঠাইত বসবাস কৰা নাছিল; (এতেকে) যিবিলাকে শ্বুআইব-ক মিথ্যাৰোপ কৰিছিল সিহঁত নিজেই হ'ল ক্ষতিগ্ৰস্ত!

**৯৩** ইয়াৰ পাচত তেওঁ (যি কেইজন বাচি আছিল) সিহঁতৰ পৰা ঘূৰি গ'লে আৰু ক'লে— "হে মোৰ সম্প্ৰদায়! মইতো অৱশ্যেই তোমালোকৰ ওচৰত মোৰ প্ৰভুৰ নিৰ্দেশসমূহ পৌছাই দিছিলো আৰু তোমালোকক সৎ-উপদেশ দিছিলো; গতিকে কেলেইনো মই দুখ কৰিম এক অবিশ্বাসী সম্প্ৰদায়ৰ কাৰণে।"

## পৰিচ্ছেদ - ১২

**৯৪** আৰু আমি কোনো জনপদলৈ কোনো নবী পঠোৱা নাই, সিহঁতৰ বাসিন্দাবিলাকক দুখ আৰু দুৰ্দশা দি আক্ৰমণ নকৰাকৈ, যেন সিহঁত নিজে (আল্লাহৰ প্ৰতি) বিনয়াবনত হয়।

**৯৫** তাৰ পাচত আমি (সিহঁতৰ) দুখকষ্টৰ অৱস্থা বদলাই দিলো ভাল (অৱস্থা) দি যেতিয়ালৈকেনো সিহঁতে (প্ৰাচুৰ্যত) ওফন্দি উঠিলে আৰু ক'লে— "আমাৰ পিতৃপুৰুষসকলকো দুখ-দুৰ্দশা আৰু আমোদ-আহ্লাদে স্পৰ্শ কৰিছিল।" এতেকে আমি সিহঁতক ধৰিলো অতৰ্কিতে, আৰু সিহঁতে গমো নাপালে (ক'ৰ পৰা কেনেকৈ সিহঁতৰ সৰ্বনাশ ঘটি গ'ল)।

**৯৬** আৰু যদি জনপদসমূহৰ অধিবাসীবিলাকে ঈমান আনিলেহেঁতেন আৰু ধৰ্মভীৰুতা অৱলম্বন কৰিলেহেঁতেন তেনেহলে আমি নিশ্চয় সিহঁতৰ কাৰণে উন্মুক্ত কৰিলোহেঁতেন মহাকাশমণ্ডল আৰু পৃথিৱীৰ পৰা আশীৰ্বাদসমূহ; কিন্তু সিহঁতেতো মিথ্যাৰোপ কৰিছিল (মোৰ নিৰ্দেশাৱলীত), সেইকাৰণে আমি সিহঁতক ধৰিলো যি (দুষ্কৃতি) সিহঁতে অৰ্জন কৰিছিল তাৰ কাৰণে।

**৯৭** তেন্তে জনপদৰ বাসিন্দাবিলাকে নিৰাপদ বোধ কৰিছেনে সিহঁতৰ ওপৰত আমাৰ বিপৰ্যয় আহি পৰাৰ সম্পৰ্কত ৰাতিৰ আক্ৰমণৰূপে যেতিয়া সিহঁত থাকে নিদ্ৰামগ্ন?

**৯৮** অথবা জনপদৰ বাসিন্দাসকলে (নিজক) নিৰাপদ বুলি ভাবেনে সিহঁতৰ ওপৰত আমাৰ বিপৰ্যয় আহি পৰাৰ সম্পৰ্কে (দিনদুপৰতে বা) পুৱা বেলাতে যেতিয়া সিহঁত থাকে খেলাত মগ্ন?

**৯৯** সিহঁতে তেন্তে নিৰাপদ বোধ কৰেনে আল্লাহৰ পৰিকল্পনাৰ পৰা? আৰু আল্লাহৰ পৰিকল্পনাৰ পৰা কোনোবাই নিৰাপদ থাকিব নোৱাৰে ক্ষতিগ্ৰস্ত সম্প্ৰদায়ৰ ব্যতিৰেকে।

## পৰিচ্ছেদ - ১৩

**১০০** এইটো নিৰ্দেশাত্মক নহয়নে সেইবিলাকৰ কাৰণে যিবিলাকে দেশৰ উত্তৰাধিকাৰপ্ৰাপ্ত হয় সিহঁতৰ (পূৰ্বৱৰ্তী) বাসিন্দাসকলৰ পাচত, যে যদি আমি ইচ্ছা কৰো তেন্তে সেইবিলাককো আমি আঘাত হানিব পাৰো সিহঁতৰ অপৰাধৰ কাৰণে, আৰু সিহঁতৰ হৃদয়ৰ ওপৰত মোহৰ মাৰি দিব পাৰো, ফলত সেইবিলাকে (ধৰ্মোপদেশ) নুশুনিব?

**১০১** এই জনবসতিসমূহ— ইবিলাকৰ কাহিনীৰ পৰা (হে মুহাম্মদ ছাঃ!) কিছুমান আমি তোমাৰ ওচৰত বৰ্ণনা কৰিছো। আৰু নিশ্চয় সেইবিলাকৰ ওচৰলৈ সিহঁতৰ ৰছুলসকল আহিছিলে স্পষ্ট প্ৰমাণাৱলী লৈ; কিন্তু সেইবিলাকৰ বিশ্বাস কৰাৰ অৱস্থা নাছিল তাত যি সিহঁতে ইতিপূৰ্বে অবিশ্বাস কৰিছিলে। এইদৰে (কুকৰ্ম্মত পাকৈত হোৱাৰ কাৰণে) আল্লাহে মোহৰ মাৰি দিয়ে অবিশ্বাসীসকলৰ হৃদয়ৰ ওপৰত।

**১০২** আৰু সিহঁতৰ সৰহ ভাগতেই মই প্ৰতিশ্ৰুতি পালনৰ (লক্ষণ) একোৱেই পোৱা নাই, বৰং সিহঁতৰ অধিকাংশকে অৱশ্যেই পাইছো বৰ অসৎকৰ্মা।

**১০৩** অৱশেষত সিহঁতৰ পাচত মই মূছা (আঃ)-ক নিযুক্ত কৰিছিলো ফিৰআউন আৰু তাৰ পৰিষদবৰ্গৰ ওচৰলৈ আমাৰ নিৰ্দেশাৱলী লগত দি, কিন্তু সিহঁতে ইয়াতে (প্ৰত্যাখ্যানৰ দ্বাৰা) অবিচাৰ কৰিছিল; এতেকে চোৱা, কেনেকুৱা হৈছিল বিশৃঙ্খলতা সৃষ্টিকৰোঁতাবিলাকৰ পৰিণাম।

**১০৪** আৰু মূছাই ক'লে— "হে ফিৰআউন, নিসন্দেহে মই বিশ্বজগতৰ প্ৰভুৰ পৰা (প্ৰেৰিত) এজন ৰছুল।

**১০৫** "স্থিৰ নিশ্চিত যে মই আল্লাহসম্বন্ধে সত্যৰ বাহিৰে (একোৱেই) নকওঁ। মই তোমালোকৰ ওচৰলৈ আহিছো তোমালোকৰ প্ৰভুৰ পৰা স্পষ্ট প্ৰমাণৱলী লৈ, গতিকে মোৰ লগত পঠিয়াই দিয়া ইছ্ৰাইলবংশীয় লোকসকলক।"

**১০৬** সি ক'লে— "যদি তুমি কোনো নিদৰ্শন (বা দলিলপত্ৰ) লৈ আহিছা তেন্তে সেইবিলাক আনা— যদি তুমি সত্যবাদীসকলৰ মাজৰ হোৱা।"

**১০৭** তেতিয়া তেওঁ নিজৰ লাঠিডাল নিক্ষেপ কৰিলে, তেতিয়া আশ্চৰ্য! সেইটো (দেখাত যেন) হ'ল এক স্পষ্ট সাপ।

**১০৮** আৰু তেওঁ তেওঁৰ হাত (বুকুৰ ভিতৰৰ পৰা) উলিয়াই আনিলে, তেতিয়া আশ্চৰ্য! সেইবিলাক হ'ল দৰ্শকবিলাকৰ ওচৰত বগা।

## পৰিচ্ছেদ - ১৪

**১০৯** ফিৰআউনৰ মুখিয়ালবিলাকে ক'লে— "নিসন্দেহে এওঁ এজন সুদক্ষ যাদুকৰ,—

**১১০** "এইজনে বিচাৰে তোমালোকক নিজ দেশৰ (আৰু দেশাচাৰৰ) পৰা উলিয়াই দিবলৈ; এতেকে তোমালোকে কি পৰামৰ্শ দিয়া?"

**১১১** সিহঁতে (ফিৰআউনক) ক'লে— "তাক আৰু তাৰ ভায়েকক কিঞ্চিৎ অৱকাশ দিয়ক, আৰু চহৰে-নগৰে পঠাওক তলবকাৰীবিলাকক,

**১১২** "আপোনাৰ ওচৰলৈ সিহঁতে লৈ আহক প্ৰত্যেক অভিজ্ঞ যাদুকৰক।"

**১১৩** আৰু যাদুকৰবিলাক ফিৰআউনৰ ওচৰলৈ আহিল। সিহঁতে ক'লে— "আমালোকৰ পুৰস্কাৰ থাকিব লাগে যদি আমি নিজে বিজেতা হওঁ।"

**১১৪** তেওঁ ক'লে— "বাৰু, আৰু আলবৎ তোমালোক হ'বা (মোৰ) অন্তৰঙ্গসকলৰ অন্তৰ্ভুক্ত।"

**১১৫** সিহঁতে ক'লে— "হে মুছা! তুমি নিক্ষেপ কৰিবা, নে আমিয়েই হ'ম (প্ৰথম) নিক্ষেপকাৰী?"

**১১৬** তেওঁ ক'লে— "তোমালোকেই (আগতে) পেলোৱা।" ইয়াৰ পিছত যেতিয়া সিহঁতে (সিহঁতৰ কাৰচাজি) পেলালে তেতিয়া লোকসকলৰ চকুত চমক লগাই দিলে আৰু সিহঁতক ভয়াতুৰ কৰিলে; আৰু সিহঁতে লৈ আহিল এক ডাঙৰ ৰকমৰ যাদু।

**১১৭** তেতিয়া আমি মূছাক প্ৰত্যাদেশ দিলো এই বুলি— "তোমাৰ লাঠিডাল নিক্ষেপ কৰা।" তেতিয়া কি আশ্চৰ্য! সেইটোৱে গ্ৰাস কৰিবলৈ ধৰিলে যি সিহঁতে ৰচনা কৰিছিল।

**১১৮** এতেকে সত্যই প্ৰতিষ্ঠা লাভ কৰিলে আৰু সিহঁতে যি কৰিছিল সেইটো বাতিল হৈ গ'ল।

**১১৯** গতিকে সিহঁতে সেইঠাইতে পৰাজিত হ'ল আৰু উভতি গ'ল হীন হৈ।

**১২০** আৰু যাদুকৰবিলাকে লুটিখাই পৰিল ছিজ্‌দাৰত অৱস্থাত।

**১২১** সিহঁতে ক'লে— "আমি ঈমান আনিলো বিশ্বজগতৰ প্ৰভুৰ প্ৰতি,

**১২২** "(যিজন) মূছা আৰু হাৰুন (আঃ)-ৰ প্ৰভু।"

**১২৩** ফিৰআউনে ক'লে— "তহঁতে তাতে বিশ্বাস কৰিছা মই তহঁতক অনুমতি দিয়াৰ আগতেই! নিশ্চয় এইটো এটা চক্ৰান্ত যি তহঁতে এই চহৰত ফন্দিছা যাতে তহঁতে ইয়াৰ পৰা ইয়াৰ লোকবিলাকক উলিয়াই দিব পাৰা। বাৰু শীঘ্ৰেই (ইয়াৰ মজাপালি) বুজি পাবি।

**১২৪** "মই অৱশ্যে তহঁতৰ হাত আৰু তহঁতৰ ভৰি ওলোটা-ওভোতাভাৱে কাটি পেলাম, তাৰ পাচত তহঁতক শূলত উঠাম একেলগে।"

**১২৫** সেইবিলাকে ক'লে— "নিসন্দেহে আমাৰ প্ৰভুৰ ফালে আমি প্ৰত্যাৱৰ্তনকাৰী।

**১২৬** "আৰু তুমি আমাৰ ওপৰত প্ৰতিহিংসা লোৱা নাই কেৱল এইকাৰণৰ বাহিৰে যে আমি বিশ্বাস স্থাপন কৰিছো আমাৰ প্ৰভুৰ নিৰ্দেশাৱলীত যেতিয়া (মূছাৰ মাধ্যমে নিৰ্দেশসমূহ) আমাৰ ওচৰলৈ আহিছিল। (এতেকে) "আমাৰ প্ৰভু! আমাৰ ওপৰত ধৈৰ্য বৰ্ষণ কৰা, আৰু আমাৰ মৃত্যু ঘটোৱা (তোমাতেই আত্মসমৰ্পণকাৰী) মুছলিমৰূপে।"

## পৰিচ্ছেদ - ১৫

**১২৭** আৰু ফিৰআউনৰ লোকবিলাকৰ মুখিয়ালবোৰে ক'লে—"আপুনি কি মূছাক আৰু তাৰ লোকসকলক এৰি দিব দেশত বিপৰ্যয় সৃষ্টি কৰিবলৈ, আৰু আপোনাক আৰু আপোনাৰ দেৱতাবিলাকক পৰিত্যাগ কৰিবলৈ?" সি ক'লে— "মই সিহঁতৰ পুত্ৰবিলাকক অৱশ্যেই হত্যা কৰিম আৰু সিহঁতৰ কন্যাবিলাকক জীয়াই থাকিবলৈ দিম, আৰু মই অৱশ্যে সিহঁতৰ ওপৰত প্ৰতাপশালী।"

**১২৮** মূছা (আঃ)-এ তেওঁৰ লোকসকলক ক'লে— "তোমালোকে আল্লাহৰ ওচৰত সাহায্য বিচাৰা আৰু ধৈৰ্য ধৰা; দৰাচলতে পৃথিৱীটো আল্লাহৰেই; তেওঁ তাৰ উত্তৰাধিকাৰ দিব তেওঁৰ বান্দাসকলৰ মাজৰ যিসকলক তেওঁ পছন্দ কৰে। আৰু (শুভ) পৰিণাম হৈছে ধৰ্মপৰায়ণসকলৰ কাৰণেই।"

**১২৯** তেওঁলোকে ক'লে— "আমি (মিছৰীয়সকলৰ দ্বাৰা নিৰ্মমভাৱে) অত্যাচাৰিত হৈছো আমাৰ ওচৰলৈ তোমাৰ আগমনৰ আগতে আৰু আমাৰ ওচৰলৈ তুমি অহাৰ পাছতো।" তেওঁ ক'লে— "হ'ব পাৰে তোমালোকৰ প্ৰভুৱে (শেষলৈ) তোমালোকৰ শত্ৰুবিলাকক ধ্বংস কৰিব আৰু অচিৰেই তোমালোকক তেওঁ অধিপতি বনাব (প্ৰতিশ্ৰুত) দেশৰ মাজত, যাতে তেওঁ দেখিব পাৰে কেনেধৰণে তোমালোকে কাম কৰা।"

## পৰিচ্ছেদ - ১৬

**১৩০** আৰু আমি নিশ্চয় ফিৰআউনৰ লোকবিলাকক ধৰিছিলো বহু বছৰব্যাপী অনাবৃষ্টিৰ দ্বাৰা, আৰু ফল-ফচলৰ ক্ষতি দি, যাতে সিহঁতে উপলব্ধি কৰে।

**১৩১** কিন্তু যেতিয়া সেইবিলাকৰ ওচৰত ভাল অৱস্থা আহে তেতিয়া সিহঁতে কৈছিল— "এইবিলাক আমাৰ (কৃতিত্বৰ) কাৰণে।" আৰু যেতিয়া বেয়া অৱস্থা সিহঁতৰ ওপৰত আহে সিহঁতে (সেইটো) আৰোপ কৰিছিল মূছা (আঃ)-ৰ আৰু তেওঁৰ লগত থকাসকলৰ ওপৰত। এই কি (সত্য) নহয় যে প্ৰকৃততে সিহঁতৰ ক্ৰিয়াকলাপ আল্লাহৰ ওচৰত ৰৈছে? কিন্তু সিহঁতৰ অধিকাংশই নাজানে।

**১৩২** আৰু সিহঁতে ক'লে— "তুমি নিদৰ্শনৰ পৰা যিকোনোটোৱেই আমালোকৰ ওচৰলৈ নানা কিয় তাৰ দ্বাৰা আমাক যাদু কৰিবলৈ, আমি কিন্তু তোমাত বিশ্বাসস্থাপনকাৰী নহ'ম।"

**১৩৩** তাৰ পিছত আমি সিহঁতৰ ওপৰলৈ পঠালো সুদূৰ প্ৰসাৰিত মৰক, আৰু কাকতী-ফৰিং আৰু ওকণী, আৰু ভেকুলি আৰু ৰক্ত— বিশদভাৱে বৰ্ণিত নিদৰ্শনাৱলী; কিন্তু সিহঁতে অহঙ্কাৰ কৰিছিল আৰু সিহঁত আছিল এটা অপৰাধী সম্প্ৰদায়।

**১৩৪** আৰু যেতিয়া সিহঁতৰ ওপৰত মৰকৰ আবিৰ্ভাৱ হ'ল সিহঁতে ক'লে— "হে মূছা! তোমাৰ প্ৰভুৰ ওচৰত আমাৰ কাৰণে প্ৰাৰ্থনা কৰা যেনেকৈ তেওঁ তোমাৰ ওচৰত ওৱাদা কৰিছে, তুমি যদি আমাৰ পৰা মহামাৰী দূৰ কৰি দিয়া তেন্তে আমি অৱশ্যেই তোমাতে ঈমান আনিম আৰু তোমাৰ সৈতে নিশ্চয় ইছৰাইল বংশীয়বোৰক পঠিয়াই দিম।"

**১৩৫** কিন্তু যেতিয়া আমি সিহঁতৰ পৰা মহামাৰী অপসাৰিত কৰিলো কিছু কালৰ কাৰণে য'ত (—যি সময়সীমাত) সিহঁত পালে গৈ, চোৱা! সিহঁতে ভঙ্গ কৰিলে।

**১৩৬** সেই কাৰণে আমি সিহঁতৰ পৰা শেষ পৰিণতি ল'লো, আৰু সিহঁতক আমি ডুবাই দিছিলো সাগৰৰ পানীত, যিহেতু সিহঁতে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰিছিল আৰু ইয়াত সিহঁত আছিল অমনোযোগী।

**১৩৭** আৰু আমি উত্তৰাধিকাৰ দিছিলো সেই লোকসকলক যিসকলক দুৰ্বল গণ্য কৰা হৈছিল— দেশৰ পূৰ্বাঞ্চলসমূহ আৰু তাৰ পশ্চিমাঞ্চলসমূহ— য'ত আমি সমৃদ্ধি অৰ্পণ কৰিছিলো। আৰু তোমাৰ প্ৰভুৰ শুভবাণী পৰিপূৰ্ণ হৈছিল ইছৰাইলৰ বংশধৰসকলৰ ক্ষেত্ৰত, যেহেতু সিহঁতে ধৈৰ্য ধৰিছিল। আৰু আমি ভাঙি পেলাইছিলো ফিৰআউন আৰু তাৰ লোকবিলাকে (ফিৰআউনকে খোদা বুলি উপাসনা কৰাৰ কাঠামো) যি গঢ়িছিল, আৰু যিবিলাক (সমাজ ব্যৱস্থা) সিহঁতে বনাইছিল।

**১৩৮** আৰু আমি ইছ্ৰাইলবংশীয় লোকসকলক সাগৰ পাৰ কৰি দিলো, তাৰ পিছত সিহঁতে আহিল এক জাতিৰ সংস্পৰ্শত যিসকল সিহঁতৰ প্ৰতিমাবিলাকৰ প্ৰতি (তেতিয়াও) আসক্ত আছিল। সিহঁতে ক'লে— "হে মুছা! আমাৰ কাৰণে এটি দেৱতা গঢ়ি দিয়ক যেনেকৈ সিহঁতৰ (—মিছ্ৰীয়বিলাকৰ) দেৱতা ৰৈছে।" তেওঁ ক'লে— "তোমালোক নিসন্দেহে এনে এক সম্প্ৰদায় যিবিলাকে মূৰ্খামি কৰিছা।

**১৩৯** "নিশ্চয় ইহঁতৰ বিষয়— যিহ'ত (—যি পৌত্তলিকতাত) সিহঁতে লিপ্ত ৰৈছে সেইটো ধ্বংসপ্ৰাপ্ত হ'বলৈ গৈছে, আৰু বৃথা যি সিহঁতে কৰি চলিছে।"

**১৪০** তেওঁ (আৰু) ক'লে— "মই তোমালোকৰ কাৰণে আল্লাহৰ বাহিৰে বেলেগ উপাস্য বিচাৰিমনে, অথচ তেওঁ তোমালোকক শ্ৰেষ্ঠত্ব দিছে সমস্ত বিশ্বজগতৰ ওপৰত ?"

**১৪১** আৰু স্মৰণ কৰা, আমি তোমালোকক উদ্ধাৰ কৰিছিলো ফিৰআউনৰ লোকদলৰ পৰা, সিহঁতে তোমালোকক অত্যাচাৰ কৰিছিল মৰ্মান্তিক শাস্তি দি,— সিহঁতে তোমালোকৰ পুত্ৰ-সন্তানবিলাকক হত্যা কৰিছিল আৰু জীয়াই ৰাখিছিল তোমালোকৰ কন্যাবিলাকক। আৰু ইয়াতেই আছিল তোমালোকৰ নিমিত্তে তোমালোকৰ প্ৰভুৰ পৰা এক বিৰাট সংকট।

## পৰিচ্ছেদ - ১৭

**১৪২** আৰু আমি মূছা (আঃ)-ৰ লগত ওৱাদা কৰিছিলো ত্ৰিশ ৰাতি, আৰু সেইটো পূৰ্ণ কৰো (আৰু) দহ দি— তাতে পূৰ্ণ হ'ল তেওঁৰ প্ৰভুৰ নিৰ্ধাৰিত চল্লিশ ৰাতি। আৰু (সিনাই পৰ্বতলৈ যোৱাৰ আগতে) মূছা (আঃ)-এ তেওঁৰ ভাই হাৰুনক ক'লে— "মোৰ সম্প্ৰদায়ৰ মাজত তুমি মোৰ প্ৰতিনিধিত্ব কৰিবা আৰু ভালভাৱে চলিবা, আৰু গণ্ডগোলসৃষ্টিকাৰীবিলাকৰ পথ অনুসৰণ নকৰিবা।"

**১৪৩** আৰু যেতিয়া মূছা (আঃ)-এ আমাৰ নিৰ্ধাৰিত স্থলত আহি পালে আৰু তেওঁৰ প্ৰভুৱে তেওঁৰ সৈতে কথা ক'লে, তেওঁ ক'লে— "মোৰ প্ৰভু! মোক দৰ্শন দিয়া, মই তোমাক চাব বিচাৰো।" তেওঁ ক'লে— "তুমি কেতিয়াও মোক দেখা নাপাবা; বৰং পাহাৰটোৰ ফালে চোৱাঁ, যদি সেইটো তাৰ ঠাইত স্থিৰ থাকে তেন্তে তুমি মোক দেখিবা।" তাৰ পাচত যেতিয়া তেওঁৰ প্ৰভুৱে পাহাৰটোত জ্যোতিষ্মান হ'লে তেতিয়া তেওঁ সেইটোক চূৰ্ণ-বিচূৰ্ণ কৰিলে, আৰু মূছা পৰি গ'ল হতচেতন হৈ। তাৰ পিছত যেতিয়া তেওঁ চেতনা পালে, তেওঁ ক'লে— "তোমাৰেই সকলো মহিমা! মই তোমাৰ ফালেই ফিৰিছো আৰু মই হ'ম মুমিনসকলৰ আগভাগত।"

**১৪৪** তেওঁ ক'লে— "হে মূছা! নিশ্চয় মই তোমাক নিৰ্বাচন কৰিছো জনগণৰ ওপৰত মোৰ বাণী প্ৰেৰণৰ দ্বাৰা আৰু মোৰ বাক্যালাপৰ দ্বাৰা; এতেকে তুমি ধাৰণ কৰা যি বিধান মই তোমাক দিছো আৰু কৃতজ্ঞসকলৰ মাজৰ হোৱা।"

**১৪৫** আৰু আমি তেওঁৰ কাৰণে লিপিবদ্ধ কৰিছিলো ফলিবিলাকত হৰেক ৰকমৰ উপদেশ আৰু সকলো বস্তুৰে ব্যাখ্যা; (তেওঁক কোৱা হৈছিল)— "এইবিলাক তেনেহ'লে শকতকৈ ধাৰণ কৰা, আৰু তোমাৰ লোকসকলক নিৰ্দেশ দিয়া সেইবিলাকৰ মাজত যি শ্ৰেষ্ঠ সেইটো গ্ৰহণ কৰিবলৈ।" মই অচিৰেই তোমলোকক দেখুৱাম সত্য-ত্যাগীসকলৰ বাসস্থান।

**১৪৬** মোৰ নিৰ্দেশাৱলীৰ (তথা অনুগ্ৰহৰ) পৰা মই সিবিলাকক বিমুখ কৰিম যিবিলাকে দেশৰ মাজত অন্যায়ভাৱে বৰাই কৰে। আৰু যদিও সিহঁতে প্ৰত্যেকটো নিদৰ্শন দেখিবলৈ পায় তথাপি সিহঁতে ইয়াত বিশ্বাস নকৰিব; আৰু যদিও সিহঁতে সঠিক পথ দেখা পায় তথাপি সিহঁতে ইয়াকে (সিহঁতৰ) পথ বুলি গ্ৰহণ নকৰিব, আৰু যদি সিহঁতে ভ্ৰান্ত পথ দেখা পায় তেন্তে তাকে সিহঁতে (নিজৰ) পথ বুলি গ্ৰহণ কৰে। এইটো এইকাৰণে যে সিহঁতে আমাৰ নিৰ্দেশসমূহক মিথ্যাৰোপ কৰিছিল আৰু তাতে সিহঁত উদাসীন হৈছিল।

**১৪৭** আৰু যিবিলাকে মিথ্যাৰোপ কৰিছিল আমাৰ নিৰ্দেশাৱলীত আৰু পৰকালৰ মুলাকাতৰ সম্বন্ধে, সিহঁতৰ ক্ৰিয়াকলাপ বৃথা হৈছে। (কৰ্মফল দিবৰ বেলিকা) সিহঁতক প্ৰতিফল দিয়া হ'বনে যি (দুষ্কৃতি) সিহঁতে কৰি গৈছিল তাৰ বিপৰীতে?

## পৰিচ্ছেদ - ১৮

**১৪৮** আৰু মূছা (আঃ)-ৰ লোকবিলাকে তেওঁৰ (সিনাই পৰ্বতত যোৱাৰ) পাছত (উপাসনাৰ উদ্দেশ্যে) গ্ৰহণ কৰিলে সিহঁতৰ অলংকাৰৰ দ্বাৰা (বনোৱা) এটি চেউৰী গাই— এটি (ফোঁপোলা) দেহ, য'ত (গৰুৰ দৰে) ফোঁপোলা আওৱাজ হৈছিল। সিহঁতে নেদেখিলেনে যে এইটোৱেতো সিহঁতৰ সৈতে কথা নকয় আৰু সিহঁতক সৎপথতো পৰিচালিত নকৰে? সিহঁতে এইটোকে গ্ৰহণ কৰিলে আৰু সিহঁত আছিল অন্যায়কাৰী।

**১৪৯** আৰু যেতিয়া সিহঁতৰ হাতত কামোৰ পৰিল (অৰ্থাৎ যেতিয়া সিহঁতে মাৰ খালে) আৰু দেখিলে যে সিহঁত বিপথে গৈছে, সিহঁতে ক'লে— "যদিনা আমাৰ প্ৰভুৱে আমাৰ প্ৰতি কৰুণা কৰে আৰু আমাক (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণ কৰে তেন্তে আমি অৱশ্যে ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত হ'ম।"

**১৫০** আৰু যেতিয়া মূছা (আঃ) ওভটি আহিল তেওঁৰ লোকসকলৰ ওচৰলৈ ক্ৰুদ্ধ আৰু ক্ষুব্ধ হৈ, তেওঁ ক'লে— "মোৰ (যোৱাৰ) পাচত তোমালোকে মোৰ স্থলত যি কৰিছা সেইটো জঘন্য! তোমালোকে তোমালোকৰ প্ৰভুৰ (শাস্তিদানৰ) বিচাৰ আগুৱাই অনাটো বিচাৰানে?" আৰু তেওঁ ফলিবিলাক পেলাই দিলে আৰু তেওঁৰ ভায়েকৰ মূৰত ধৰিলে তেওঁৰ ফালে তাক টানি আনিবলৈ। তেওঁ (—হাৰুনে) ক'লে— "হে মোৰ সহোদৰ! প্ৰকৃততে মানুহবোৰে মোক দুৰ্বল বুলি ভাবিলে আৰু মোক প্ৰায় মাৰিয়েই পেলাইছিল (যি কাৰণে মই সিহঁতৰ গো-পূজাত বাধা দিব নোৱাৰিছিলো)। গতিকে (শাস্তি দিয়াৰ এনেধৰণৰ) মোৰ দশাৰে শত্ৰুবিলাকক পুলকিত নকৰিবা, আৰু মোক পাপিষ্ঠ লোকবোৰৰ দলভুক্ত নকৰিবা।"

**১৫১** তেওঁ (তেতিয়া ভায়েকৰ সৈতে প্ৰাৰ্থনাৰত হৈ) ক'লে— "মোৰ প্ৰভু! মোক আৰু মোৰ ভাইটিক (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণ কৰা, আৰু আমাক অন্তৰ্ভুক্ত কৰা তোমাৰ অনুগ্ৰহৰ মাজত, কিয়নো তুমিয়েই দয়ালুসকলৰ ভিতৰত শ্ৰেষ্ঠ কৰুণাময়।"

## পৰিচ্ছেদ - ১৯

**১৫২** প্ৰকৃততে যিবিলাকে গো-বৎসক (দেৱতাৰূপে) গ্ৰহণ কৰিছিল সেইবিলাকৰ ওপৰত পতিত হব সিহঁতৰ প্ৰভুৰ ক্ৰোধ আৰু লাঞ্ছনা এই দুনিয়াৰ জীৱনতে। আৰু এইদৰে আমি প্ৰতিফল দিওঁ মিছা ৰচনাকাৰী-বিলাকক।

**১৫৩** আৰু যিবিলাকে অসৎ আচৰণ কৰে আৰু তাৰ পাচত (অনুতপ্ত হৈ সৎপথত) ফিৰে আৰু (আল্লাহতে) বিশ্বাস কৰে,— নিশ্চয় তোমাৰ প্ৰভুতো ইয়াৰ পাছত পৰম ক্ষমাশীল, অফুৰন্ত ফলদাতা।

**১৫৪** আৰু মূছা (আঃ)-ৰ পৰা ক্ৰোধ যেতিয়া প্ৰশমিত হ'ল তেওঁ তেতিয়া ফলি কেইখন তুলি নিলে; আৰু সেইবিলাকৰ লেখত আছিল পথনিৰ্দেশ আৰু কৰুণা সিহঁতৰ (অৰ্থাৎ সেইবিলাক ইছ্ৰাইলীৰ) কাৰণে যিসকলে নিজৰ প্ৰভুক ভয় কৰে।

**১৫৫** আৰু মূছা (আঃ)-এ তেওঁৰ সম্প্ৰদায়ৰ মাজৰ (সন্দিগ্ধমনা) সত্তৰজন লোকক বাছিলে আমাৰ নিৰ্ধাৰিত স্থলৰ কাৰণে; গতিকে যেতিয়া (বজ্ৰাঘাতৰ সৈতে) ভূমিকম্পই সিহঁতক ধৰিলে, তেওঁ ক'লে— "আমাৰ প্ৰভু! তুমি যদি ইচ্ছা কৰিলাহেঁতেন তেন্তে ইয়াৰ লগতেই তুমি সিহঁতক ধ্বংস কৰিব পাৰিলাহেঁতেন, আৰু (লগতে) মোকো। আমাৰ মাজৰ নিৰ্বোধবিলাকে যি (অন্যায়) কৰিছে তাৰ কাৰণে তুমি আমাক ধ্বংস কৰিবানে? এইটো তোমাৰ পৰীক্ষা নহয় জানো? ইয়াৰ দ্বাৰা যাক ইচ্ছা কৰা তুমি বিপথগামী কৰা, আৰু সৎপথত চলোৱা যিসকলক তুমি ইচ্ছা কৰা। তুমিয়েই আমাৰ অভিভাৱক, এতেকে (দোষ-ত্ৰুটিৰ পৰা) আমাক পৰিত্ৰাণ কৰা আৰু আমাৰ প্ৰতি কৰুণা কৰা, কাৰণ তুমিয়েই পৰিত্ৰাণকাৰীসকলৰ ভিতৰত সৰ্বোত্তম।

**১৫৬** "আৰু আমাৰ নিমিত্তে বিধান কৰা এই দুনিয়াতে কল্যাণ আৰু পৰকালতো; আমি নিসন্দেহে তোমাৰ ফাললৈকে ফিৰিছো।" তেওঁ (—আল্লাহে) ক'লে— "আমাৰ শাস্তি— তাকে দি মই আঘাত হানিম যাকে ইচ্ছা কৰিম, কিন্তু মোৰ কৰুণা— সেইটোৱে সকলো বস্তুকে পৰিবেষ্টন কৰি আছে। গতিকে মই সেইটো (—মোৰ সৰ্বব্যাপী কৰুণা) লিপিবদ্ধ কৰি ৰাখিম সেইসকলৰ নিমিত্তে যিসকলে ধৰ্মভীৰুতা অৱলম্বন কৰে, আৰু যাকাত আদায় কৰে, আৰু যিসকলে নিজেই আমাৰ নিদেৰ্শাৱলীত বিশ্বাস কৰে,—

**১৫৭** "যিসকলে অনুসৰণ কৰে সেই ৰছুলক— নবী, উম্মী, যিজনক সেইসকলে দেখা পায় সিহঁতৰ ওচৰত লিখিত হৈছে (ইহুদীবিলাকৰ) তওৰাতত আৰু (খ্ৰীষ্টানবিলাকৰ) ইঞ্জীলত; আৰু যিজনে সিহঁতক নিৰ্দেশ দিয়ে সৎকামৰ আৰু সিহঁতক নিষেধ কৰে অসৎকামৰ পৰা, আৰু সিহঁতৰ নিমিত্তে বৈধ কৰে ভাল বিষয়বস্তু আৰু সিহঁতৰ কাৰণে নিষেধ কৰে বেয়া বস্তুবোৰ; আৰু যিজনে সিহঁতৰ পৰা (ইছলামৰ সুষ্ঠ ধৰ্মব্যৱস্থাৰ দ্বাৰা) দুৰ কৰি দিয়ে সিহঁতৰ বোজা আৰু (আচাৰ অনুষ্ঠানৰ কঠোৰ) বন্ধন যিবিলাক সিহঁতৰ ওপৰত (আৰোপিত) আছিল। এতেকে যিসকলে তেওঁৰ প্ৰতি বিশ্বাস কৰে আৰু তেওঁক মান্য কৰে আৰু তেওঁক সাহায্য কৰে আৰু অনুসৰণ কৰে সেই আলোক (অৰ্থাৎ আলোকদায়িনী কুৰআন) যি তেওঁৰ লগত অৱতীৰ্ণ হৈছে,— এওঁলোক নিজেই হৈছে সফলকাম।"

## পৰিচ্ছেদ - ২০

**১৫৮** কোৱাঁ (হে মুহাম্মদ-ছাঃ)— "হে-ৰা জনগণ! মই নিশ্চয় আল্লাহৰ ৰছুল তোমালোকৰ সকলোৰে প্ৰতি,—(মই হৈছো) মহাকাশমণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌমত্ব যিজনৰ তেওঁৰেই (বাণীবাহক); তেওঁৰ বাহিৰে অন্য উপাস্য নাই, তেওঁ জীৱন দান কৰে আৰু মৃত্যু ঘটায়। সেইকাৰণে আল্লাহতে বিশ্বাস কৰা আৰু তেওঁৰ ৰছুলৰ প্ৰতি— উম্মী নবী যিজনে ঈমান আনিছে আল্লাহতে আৰু তেওঁৰ বাণীসমুহত, আৰু তোমালোকেও তেওঁৰ অনুসৰণ কৰা যাতে তোমালোক সৎপথপ্ৰাপ্ত হ'ব পাৰা।"

**১৫৯** আৰু মূছা (আঃ)-ৰ (ইহুদী) সম্প্ৰদায়ৰ মাজতো এটি দল আছে যিসকলে (আন লোকক) পথ দেখুৱায় সত্যৰ দ্বাৰা, আৰু তাৰ দ্বাৰা ন্যায়বিচাৰ কৰে।

**১৬০** আৰু আমি তেওঁলোকক বিভক্ত কৰিছিলো বাৰটা গোত্ৰত (তথা) দলত। আৰু মূছা (আঃ)-ৰ প্ৰতি আমি প্ৰেৰণা দিলো যেতিয়া তেওঁৰ লোকবিলাকে তেওঁৰ ওচৰত পানী বিচাৰিলে, এই বুলি— "তোমাৰ লাখুটিডালেৰে পাথৰত আঘাত কৰা।" তেতিয়া তাৰ পৰা বাৰটা নিজৰা ওলাই পৰিল। প্ৰত্যেক গোত্ৰই নিজৰ পানী খোৱা ঠাই চিনি ল'লে। আৰু সিহঁতৰ ওপৰত আমি মেঘৰে ছাঁ দিছিলো, আৰু সিহঁতৰ ওচৰলৈ পঠিয়াইছিলো 'মান্না' আৰু 'ছালৱা'; (সিহঁতক কৈছিলো—) "তোমালোকক যি জীৱিকা দিছো তাৰ ভাল ভাল বস্তুৰ পৰা খোৱা।" কিন্তু (মোৰ প্ৰতি বিৰুদ্ধাচাৰী হৈয়ো) সিহঁতে আমাৰ কোনো অনিষ্ট কৰা নাই, বৰং সিহঁতে সিহঁতৰ নিজৰ প্ৰতিয়েই অনিষ্ট কৰিছিল।

**১৬১** আৰু স্মৰণ কৰা! সিহঁতক কোৱা হৈছিল— "এইখন জনবসতিত বসবাস কৰা, আৰু ইয়াৰ পৰা খোৱা-বোৱা কৰা য'ৰেই পৰা ইচ্ছা কৰা, আৰু কোৱাঁ 'হিৎতাতুন' (অৰ্থাৎ 'আমি ক্ষমা বিচাৰিছো'), আৰু (নগৰৰ) সদৰ দুৱাৰেদি প্ৰবেশ কৰা নতশিৰে; (তেনে হ'লে) তোমালোকৰ ভুল-ভ্ৰান্তিবোৰ আমি তোমালোকৰ নিমিত্তে ক্ষমা কৰি দিম। তদুপৰি আমি বঢ়াই দিম (আমাৰ দয়াৰ ভাণ্ডাৰ) শুভকৰ্মীসকলৰ কাৰণে।"

**১৬২** কিন্তু সিহঁতৰ মাজৰ যিবিলাকে অন্যায় কৰিছিল সিহঁতে (মোৰ প্ৰত্যাদেশত) সিহঁতক যি কোৱা হৈছিল তাৰ বিপৰীত কথাৰে সেইটো বদলাই দিলে; সেইকাৰণে সিহঁতৰ ওপৰত আমি আকাশৰ পৰা পঠিয়ালো মহামাৰী, কিয়নো সিহঁতে অন্যায় কৰি চলিছিল।

## পৰিচ্ছেদ - ২১

**১৬৩** আৰু (হে মুহাম্মদ-ছাঃ!) সিহঁতক সোধা সেই জনবসতি সম্বন্ধে যিসকল আছিল সমুদ্ৰৰ কাষত। স্মৰণ কৰা! সিহঁতে ছাব্বাথ (অৰ্থাৎ সপ্তাহৰ সপ্তম দিনত পুণ্যকৰ্ম কৰাৰ নিয়ম) লংঘন কৰিছিল, কাৰণ সিহঁতৰ মাছবিলাক সিহঁতৰ ওচৰলৈ (আহাৰ খাবলৈ) আহিছিল সিহঁতৰ ছাব্বাথৰ দিনা জাকে

জাকে, আৰু যিদিনা সিহঁতে ছাব্বাথ পালন নকৰে সেইবোৰ সিহঁতৰ ওচৰলৈ নাহে। এইদৰে আমি সিহঁতক (ছাব্বাথৰ দিনত মাছধৰাৰ পৰা) নিয়ন্ত্রিত কৰিছিলো, কিয়নো সিহঁতে (সংযম হেৰুওৱাই) পাপাচাৰ কৰি চলিছিল।

**১৬৪** আৰু যেতিয়া সিহঁতৰ মাজৰ এটি (ধৰ্মপৰায়ণ) দলে ক'লে— "কিয় তোমালোকে সেই লোকবিলাকক উপদেশ দিছা যিবিলাকক আল্লাহে ধ্বংস কৰিবলৈ গৈছে অথবা কঠোৰ শাস্তিৰে শাস্তি দিবলৈ গৈছে", তেওঁলোকে (—সতৰ্ককাৰীসকলে) ক'লে— "তোমালোকৰ প্ৰভু ৰ ওচৰত দোষমুক্ত হোৱাৰ কাৰণে (কিয়নো পাপাচাৰৰ বিৰুদ্ধে কথা কোৱাৰ দায়িত্ব আমাৰ ওপৰতে ন্যস্ত), আৰু যাতে সিহঁতে (কোনোবা নহয় কোনোবাই) ধৰ্মপৰায়ণতা অৱলম্বন কৰে।"

**১৬৫** কিন্তু যেতিয়া সিহঁত বিস্মৃত হ'ল যি সিহঁতক স্মৰণ কৰাই দিয়া হৈছিল, আমি উদ্ধাৰ কৰিছিলো সেইসকল (ধৰ্মপৰায়ণ) লোকক যিসকলে (মানুহক) নিষেধ কৰিছিল বেয়া কামৰ পৰা; আৰু যিবিলাকে অন্যায় কৰে সিহঁতক আমি ধৰিলো কঠিন শাস্তিৰে কিয়নো সিহঁতে পাপাচাৰ কৰিছিল।

**১৬৬** তাৰ পাচত যেতিয়া সিহঁতে তাচ্ছিল্য কৰিলে তাত যি কৰিবলৈ সিহঁতক নিষেধ কৰা হৈছিল তেতিয়া আমি সিহঁতক ক'লো— "তোমালোকে (বান্দৰামি কৰিছা বুলিয়েই) ঘৃণ্য বান্দৰ হৈ যোৱা।"

**১৬৭** আৰু স্মৰণ কৰা! তোমাৰ প্ৰভুৱে জাননী দিলে যে তেওঁ সিহঁতৰ বিৰুদ্ধে কিয়ামতৰ দিনলৈকে নিযুক্ত কৰিব (এনেলোকক) যিসকলে সিহঁতক পীড়ন কৰিব কঠিন উৎপীড়নেৰে। নিসন্দেহে তোমাৰ প্ৰভুতো প্ৰতিফল দানত খৰতকীয়া; আৰু তেওঁতো নিশ্চয় (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১৬৮** আৰু আমি পৃথিৱীত সিহঁতক বিভক্ত কৰিছো বিভিন্ন দলত; সিহঁতৰ মাজৰ কোনোবা সৎপথ অৱলম্বী আৰু সিহঁতৰ কিছুমান ইয়াৰ বিপৰীত। আৰু আমি সিহঁতক নিয়ন্ত্ৰণ কৰিছো ভালেৰে আৰু বেয়াৰে (গতিকে সিহঁতক কেতিয়াবা বনাইছো ৰজা; কেতিয়াবা গোলাম), যাতে সিহঁতে (মোৰ পিনে) ফিৰি আহে।

**১৬৯** ইয়াৰ পিছত সিহঁতৰ পাচত স্থলাভিষিক্ত হৈছিল (অযোগ্য) উত্তৰ-পুৰুষ যিবিলাকে ধৰ্মগ্ৰন্থ উত্তৰাধিকাৰ কৰিছিল, সিহঁতে খামোচ মাৰি ধৰিছিল সাধাৰণ এই তুচ্ছ বস্তুবিলাক আৰু কৈছিল— "আমালোকক মাফ কৰি দিয়া হ'ব।" আৰু যদি সিহঁতৰ ওচৰত (পুনৰায়) তাৰ নিচিনা বস্তুবিলাক আহে তেতিয়াও সিহঁতে তাক গ্ৰহণ কৰে (আৰু কুপথৰ জীৱন আঁকোৱালি থাকে)। সিহঁতৰ পৰা (আল্লাহৰ) গ্ৰন্থৰ অঙ্গীকাৰ নিয়া হোৱা নাইনে যে সিহঁতে আল্লাহ সম্বন্ধে সত্যৰ বাহিৰে আন একোৱেই নক'ব; আৰু সিহঁতে পাঠও কৰিছে যি তাত আছে (তথাপি সিহঁতে নিজৰ জীৱন শুধৰাইছেনে)? আৰু পৰকালৰ বাসস্থানেই শ্ৰেষ্ঠ সেইসকলৰ নিমিত্তে যিসকলে ধৰ্মভীৰুতা অৱলম্বন কৰে। তোমালোকে তেন্তে (ইয়াৰ পৰিণাম) নুবুজানে?

**১৭০** আৰু যিবিলাকে (আল্লাহৰ) কিতাপ শক্তভাৱে ধাৰণ কৰে আৰু নামায কায়েম কৰে— (তেওঁলোকেই জানে যে) নিসন্দেহে আমি সৎকৰ্মশীলসকলৰ কৰ্মফল বিনষ্ট নকৰো।

**১৭১** আৰু স্মৰণ কৰা! আমি সিহঁতৰ ওপৰত পৰ্বতক (এক ভয়ঙ্কৰ বিস্ফোৰণত) কঁপাইছিলো (আৰু আগ্নেয়গিৰিৰ পৰা জুই-ধোঁৱা ইমান ওলাইছিল যে) সেইটো যেন হৈছিল এটা আচ্ছাদন, আৰু সিহঁতে ভাবিছিল যে এইটো নিশ্চয় সিহঁতৰ ওপৰতেই পৰিব ধৰিছে; (আৰু সিহঁতক কৈছিলো—) "আমি তোমালোকক যি (গ্ৰন্থ) দিছো সেইটো টানকৈ খামুচি ধৰা, আৰু তাত যি (বিধান লিখা) ৰৈছে সেইটো স্মৰণ ৰাখা, যাতে তোমালোকে ধৰ্মভীৰুতা অৱলম্বন কৰা।"

## পৰিচ্ছেদ - ২২

**১৭২** আৰু স্মৰণ কৰা! তোমাৰ প্ৰভুৱে আদমৰ বংশধৰৰ পৰা— সিহঁতৰ পৃষ্ঠদেশৰ পৰা— সিহঁতৰ সন্তান-সন্ততি আনিছিলে, আৰু সিহঁতৰ নিজৰ সম্বন্ধে সিহঁতক সাক্ষ্য দিয়াইছিল (যেতিয়া তেওঁ কৈছিলে)— "মই তোমালোকৰ প্ৰভু নহওঁনে?" সিহঁতে কৈছিল— "হয়, আমি সাক্ষ্য দিছো।" (এই স্বীকৃতি গ্ৰহণ) এই কাৰণে যে পাচত তোমালোকে কিয়ামতৰ দিনা কোৱা— "আমিতো এই বিষয়ত অজ্ঞাত আছিলো;"—

**১৭৩** অথবা (পাচত) তোমালোকে কোৱা— "আচল বিষয় হৈছে আমাৰ পূৰ্বপুৰুষসকলে ইয়াৰ আগতে (আল্লাহৰ সৈতে) অংশীদাৰ পাতিছিল আৰু আমি তেওঁলোকৰ পৰৱৰ্তীকালত (তেওঁলোকৰেই) বংশধৰ আছিলো। তুমি কি তেন্তে আমালোকক ধ্বংস কৰিবা (আমাৰ পূৰ্বৱৰ্তী) ভ্ৰষ্টাচাৰীবিলাকে যি কৰিছিলে সেই কাৰণে?"

**১৭৪** আৰু এইদৰে (নানা ধৰনৰ যুক্তি-বিচাৰ প্ৰয়োগ কৰি) আমাৰ নিৰ্দেশাৱলী আমি ব্যাখ্যা কৰো যাতে সিহঁতে (আমাৰ ফালে) ফিৰি আহে।

**১৭৫** আৰু সিহঁতৰ ওচৰত পাঠ কৰা তাৰ বৃত্তান্ত যাক আমি আমাৰ নিৰ্দেশাৱলী প্ৰদান কৰিছিলো, কিন্তু সি সেইবিলাকৰ পৰা (নিজকে) আঁতৰাই নিয়ে। সেইকাৰণে চয়তানে তাৰ পাচ লয়, গতিকে সি বিপথগামীবিলাকৰ অন্তৰ্ভুক্ত হয়।

**১৭৬** আৰু যদি আমি ইচ্ছা কৰিলোহেঁতেন তেন্তে নিশ্চয় ইয়াৰ দ্বাৰা (আমাৰ নিৰ্দেশাবলী বলবৎ কৰি) তাক আমি উন্নীত কৰিলোহেঁতেন, কিন্তু সি মাটিত আঁকুহি ধৰিলে (আৰু পাৰ্থিৱ বিষয়বস্তুতেই আসক্ত হৈ ৰ'ল) আৰু সি তাৰ হীনকামনাৰ অনুসৰণ কৰি চলিলে। গতিকে তাৰ উপমা হৈছে কুকুৰৰ দৃষ্টান্তৰ নিচিনা— ইয়াক যদি তুমি খেদি দিয়া সি জিভা উলিয়াই সেহাই থাকিব, আৰু যদি তুমি তাক এৰাই চলা (তেতিয়াও) সি জিভা উলিয়াই সেহাব। এয়ে হৈছে সেইবিলাক লোকৰ দৃষ্টান্ত যিবিলাকে আমাৰ নিৰ্দেশসমূহত মিথ্যাৰোপ কৰে। তুমি (সিহঁতৰ ওচৰত) ইতিবৃত্ত বিবৃত কৰা যাতে সিহঁতে চিন্তা কৰিব পাৰে (আৰু কোনোবা হয়ত সৎপথলৈ আহিব পাৰে)।

**১৭৭** বেয়াৰ দৃষ্টান্ত সেইবিলাক লোক, যিবিলাকে আমাৰ বাণীসমূহত মিথ্যাৰোপ কৰে, আৰু সিহঁতৰ অন্তৰাত্মাৰ প্ৰতি সিহঁতে অত্যাচাৰ কৰি চলে।

**১৭৮** যিজনক আল্লাহে পথ দেখুৱায় সেইজনেই তেন্তে সৎপথপ্ৰাপ্ত, আৰু যাক তেওঁ বিপথে চলিবলৈ দিয়ে তেনেহ'লে সিহঁত নিজেই ক্ষতিগ্ৰস্ত হয়।

**১৭৯** আৰু আমি জাহান্নামৰ কাৰণে নিশ্চয় সিচি দিছো জিন্ আৰু মানুহৰ মাজৰ অনেককে; সিহঁতৰ হৃদয় আছে (ঠিকেই, কিন্তু) তাৰে সিহঁতে নুবুজে, আৰু সিহঁতৰ চকু আছে (কিন্তু) সিহঁতে নেদেখে, আৰু সিহঁতৰ কাণ আছে (তথাপি) তাৰদ্বাৰা সিহঁতে নুশুনে। সিহঁতে গবাদি পশুৰ দৰে (গোমূৰ্খ), বৰং সিহঁত অধিক পথভ্ৰষ্ট। সিহঁত নিজেই হৈছে (সত্যৰ প্ৰতি) উদাসীন।

**১৮০** আৰু আল্লাহৰেই হৈছে আটাইতকৈ ভাল নামাৱলী, এতেকে তেওঁক মাতা সেইসমূহৰ দ্বাৰা; আৰু সিহঁতক এৰি দিয়া যিবিলাকে তেওঁৰ নামাৱলীক লৈ বিকৃতি কৰে। অচিৰেই সিহঁতক প্ৰতিফল দিয়া হ'ব সিহঁতে যি কৰি গৈছে তাৰ বাবে।

**১৮১** আৰু যিসকলক আমি সৃষ্টি কৰিছো তেওঁলোকৰ মাজত আছে এটি (ধৰ্মপ্ৰচাৰক) দল যিসকলে (জনসাধাৰণক) পথ দেখুৱায় সত্যৰ দ্বাৰা, আৰু তাৰে সৈতে ন্যায়পৰায়ণতা (প্ৰতিষ্ঠা) কৰে।

## পৰিচ্ছেদ - ২৩

**১৮২** আৰু যিসকলে আমাৰ বাণীসমূহত মিথ্যাৰোপ কৰে সিহঁতক আমি ক্ৰমান্বয়ে টানি লৈ যাওঁ (ধ্বংসৰ পিনে)— ক'ৰ পৰা (সিহঁতৰ সৰ্বনাশ আহে) সেইটো সিহঁতে নাজানে।

**১৮৩** আৰু মই সিহঁতক অৱসৰ দিও (যেন সিহঁতে নিজকে সংশোধন কৰে); নিসন্দেহে (শাস্তি দিয়াৰ) মোৰ ব্যৱস্থা অত্যন্ত বলিষ্ঠ।

**১৮৪** সিহঁতে চিন্তা নকৰেনে? সিহঁতৰ সহচৰৰ মাজত (অৰ্থাৎ মুহাম্মদ-ছাঃ-ৰ মাজত) কোনো পাগলামি নাই। বাস্তৱিকতে তেওঁতো এজন সুস্পষ্ট সতৰ্ককাৰী।

**১৮৫** সিহঁতে লক্ষ্য নকৰেনে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সাম্ৰাজ্যৰ প্ৰতি, আৰু বিষয়বস্তুৰ যিবিলাক আল্লাহে সৃষ্টি কৰিছে (তাৰ ফালে); আৰু হ'ব পাৰে (আল্লাহৰ বিৰুদ্ধাচৰণ কৰাৰ ফল স্বৰূপে) সিহঁতৰ (ধ্বংসপ্ৰাপ্তিৰ) নিৰ্ধাৰিত কাল ওচৰ চাপিছেহি? ইয়াৰ পিচত আৰু কোন আলোচনাৰ দ্বাৰা সিহঁতে তেন্তে বিশ্বাস কৰিব?

**১৮৬** আল্লাহে যাক বিপথে যাবলৈ দিয়ে তাৰ নিমিত্তে তেন্তে কোনো পথপ্ৰদৰ্শক নাই। আৰু সিহঁতক তেওঁ এৰি দিয়ে সিহঁতৰ অবাধ্যতাত উদ্‌ভ্ৰান্তভাৱে পাকঘূৰণি খাই থাকিবলৈ।

**১৮৭** (হে মুহাম্মদ ছাঃ!) সিহঁতে তোমাক (ৰোজ কিয়ামতৰ) ঘড়ী-ঘণ্টা সম্বন্ধে সুধিছে— কেতিয়া সেইটো ঘটিব। কোৱা— "ইয়াৰ জ্ঞান অৱশ্যেই ৰৈছে আমাৰ প্ৰভুৰ ওচৰত; ইয়াৰ সময় সম্বন্ধে সেইটো কোনেও প্ৰকাশ কৰিব নোৱাৰে তেওঁৰ বাহিৰে। (ইমানখিনিয়ে জানি ৰাখা যে) এইটো অতি গুৰুত্বপূৰ্ণ বিষয় মহাকাশমণ্ডলত আৰু পৃথিৱীত, এইটো আহি নপৰিব তোমালোকৰ ওপৰত অতৰ্কিতে ব্যতিৰেকে।" সিহঁতে তোমাক সুধিছে যেন তুমিয়েই এই বিষয়ত আগ্ৰহী। কোৱা— "ইয়াৰ জ্ঞান অৱশ্যে আল্লাহৰ ওচৰত; কিন্তু অধিকাংশ লোকেই নাজানে।"

**১৮৮** তুমি (আৰু) কোৱা— "মই কোনো ক্ষমতা নাৰাখো মোৰ নিজৰ নিমিত্তে কোনো লাভ কৰাৰ আৰু লোকচান কৰাৰও নাই— আল্লাহে যিটো বিচাৰে তাৰ ব্যতিৰেকে। আৰু যদি মই অদৃশ্যৰ সম্যক জ্ঞান ৰাখিলোহেঁতেন তেন্তে মই কল্যাণৰ প্ৰাচুৰ্য বনাই ল'লোহেঁতেন, আৰু (তোমালোকৰ পৰা) কোনো অনিষ্টই মোক স্পৰ্শ নকৰিলেহেঁতেন। মইতো (দুষ্কৰ্মৰ শাস্তিৰ ব্যাপাৰে) এজন সতৰ্ককাৰী নহওঁ জানো, আৰু এজন সুসংবাদদাতা সেইলোকসকলৰ কাৰণে যিসকলে (আল্লাহতে) ঈমান আনিছে।

## পৰিচ্ছেদ - ২৪

**১৮৯** তেৱেঁই সেইজন যিজনে তোমালোকক সৃষ্টি কৰিছে একেই নফ্‌ছৰ (বা প্ৰজাতিৰ) পৰা, আৰু তাৰ পৰা তেওঁ বনাইছে তাৰ সঙ্গিনী, যাতে সি তাইৰ লগতে শান্তি পাব পাৰে। এতেকে যেতিয়া সি তাইতে উপগত হয় তাই তেতিয়া এটি লঘু বোজা (গৰ্ভত) ধাৰণ কৰে আৰু তাকে লৈ চলা-ফুৰা কৰে; তাৰ পিচত যেতিয়া সেইটো গধুৰ হৈ উঠে তেতিয়া উভয়ে আহ্বান কৰে সিহঁতৰ প্ৰভু আল্লাহক— "যদি তুমি আমাক সুস্থ এটা (সন্তান) দিয়া আমি তেন্তে নিশ্চয় হ'ম কৃতজ্ঞসকলৰ অন্তৰ্ভুক্ত।"

**১৯০** কিন্তু তেওঁ যেতিয়া সিহঁতক সুস্থ এটা (সন্তান) দান কৰিলে সিহঁতে তেওঁৰ সৈতে থিয় কৰালে অংশীদাৰ তেওঁ সিহঁতক যি (সু-সন্তান) দিছে তাৰ বাবে। কিন্তু আল্লাহ বহু উচ্চত অৱস্থিত সিহঁতে যাক অংশী বনায় সেইবিলাকৰ পৰা।

**১৯১** সিহঁতে কি অংশীদাৰ বহুৱায় তাক যি (আল্লাহৰ দৰে) একোৱেই সৃষ্টি নকৰে; বৰং সিহঁতকেই (মূৰ্তিপূজকৰ দ্বাৰা) সৃষ্টি কৰা হৈছে?

**১৯২** আৰু এইবিলাকে (—দেৱ-দেৱীবিলাকে) কোনো ক্ষমতা নাৰাখে সিহঁতক (মূৰ্তি-পূজকক) সাহায্য কৰাৰ, আৰু সিহঁতে সিহঁতৰ নিজকেও সাহায্য কৰিব নোৱাৰে।

**১৯৩** আৰু যদি তোমালোকে সিহঁতক আহ্বান কৰা সৎপথৰ প্ৰতি, সিহঁতে তোমালোকক অনুসৰণ নকৰিব। তোমালোকে সিহঁতক আহ্বান কৰা অথবা তোমালোক নীৰবে থাকা তোমালোকৰ কাৰণে সকলো সমান।

**১৯৪** নিসন্দেহে তোমালোকে (—বহু খোদাবাদীবিলাকে) আল্লাহক এৰি যিবিলাকক আহ্বান কৰা সিহঁতো তোমালোকৰেই নিচিনা (আল্লাহৰ) দাস; গতিকে সিহঁতক মাতা, তোমালোকৰ প্ৰতি সিহঁতে তেন্তে সহাৰি দিয়ক— যদি তোমালোক (পৌত্তলিকতাৰ বিষয়ত) সত্যবাদী হোৱা।

**১৯৫** ( দেৱ-দেৱীসম্বন্ধে প্ৰশ্ন হৈছে) সিহঁতৰ ভৰি আছেনে যিটোৰ দ্বাৰা সিহঁতে চলাফুৰা কৰিব পাৰে, অথবা সিহঁতৰ হাত আছেনে যিটোৰে সিহঁতে ধৰিব পাৰে, অথবা সিহঁতৰ চকু আছেনে যিটোৰে সিহঁতে চাব পাৰে, অথবা সিহঁতৰ কাণ আছেনে যিহৰে সিহঁতে শুনিব পাৰে? (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “মাতা তোমালোকৰ অংশীদাৰবিলাকক, তাৰ পিচত মোৰ বিৰুদ্ধে ফন্দি কৰা আৰু মোক অৱকাশ নিদিবা (কিন্তু তোমালোকে মোৰ নাওমানো ক্ষতি কৰিব নোৱাৰিবা)?

**১৯৬** “নিশ্চয় মোৰ অভিভাৱক হৈছে আল্লাহ যিজনে ধৰ্মগ্ৰন্থ অৱতাৰণ কৰিছে (মানুহক পথ দেখুৱাবৰ কাৰণে) আৰু তেৱেঁই অভিভাৱকত্ব কৰে সৎপথাৱলম্বীসকলৰ।

**১৯৭** “আৰু (ঠাকুৰ-দেৱতা) যিবিলাকক তোমালোকে আহ্বান কৰা তেওঁক এৰি দি, সিহঁতে কোনো ক্ষমতা নাৰাখে তোমালোকক সাহায্য কৰাৰ, আৰু সিহঁতে নিজকো সাহায্য কৰিব নোৱাৰে।”

**১৯৮** আৰু যদি তোমালোকে সিহঁতক আহ্বান কৰা সৎপথৰ প্ৰতি, সিহঁতে (কিন্তু) নুশুনে। আৰু (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতক দেখিবলৈ পোৱা সিহঁতে তোমাৰ পিনে (ভাৱহীন চকুৰে) চাই আছে, কিন্তু (প্ৰকৃততে) সিহঁতৰ দেখা নহয়।

**১৯৯** (হে মুহাম্মদ-ছাঃ! তোমাৰ শত্ৰুবিলাকৰ প্ৰতিও) ক্ষমা অৱলম্বন কৰিবা, আৰু (শত্ৰু-মিত্ৰ সকলোৰে প্ৰতি) সদয়তাৰ নিৰ্দেশ দিবা, আৰু অজ্ঞবিলাকৰ পৰা আঁতৰি থাকিবা।

**২০০** আৰু যদি চয়তানৰ পৰা খোঁচা-খুঁচিয়ে তোমাক আহত কৰে তেন্তে (চয়তানৰ চয়তানিৰ পৰা) আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰিবা। নিশ্চয় তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**২০১** নিসন্দেহে যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে সেইসকলক যেতিয়া চয়তানৰ আক্ৰমণে স্পৰ্শ কৰে তেতিয়া তেওঁলোকে (আল্লাহৰ পথনিৰ্দেশ) স্মৰণ কৰে,— তেনেহলে চোৱাঁ! তেওঁলোকেই হয় (জ্ঞানালোকৰ দ্বাৰা) দৃষ্টিশক্তিমান।

**২০২** আৰু সিহঁতৰ ভাতৃবিলাক (অৰ্থাৎ চয়তানৰ সহচৰবিলাক),— সিহঁতে ইহঁতক টানি নিয়ে ভ্ৰান্তিৰ মাজলৈ, আৰু ইহঁতে (ভ্ৰষ্টাচাৰ কৰি থকাত) ত্ৰুটি নকৰে।

**২০৩** আৰু (হে মুহাম্মদ-ছাঃ!) যেতিয়া তুমি সিহঁতৰ ওচৰত কোনো আয়াত (অৰ্থাৎ আল্লাহৰ বাণী) লৈ নাহা সিহঁতে কয়— “তুমি (নিজৰ পৰাই) সেইটো বাচি নোলোৱা কিয়?” তুমি কোৱাঁ— “মই কেৱল তাৰেই অনুসৰণ কৰো যি মোৰ প্ৰভুৰ পৰা মোৰ ওচৰত প্ৰত্যাদিষ্ট হৈছে। এইটো (—এই কুৰআন) হৈছে তোমালোকৰ প্ৰভুৰ পৰা এটি জ্ঞানচকু উন্মেষক, আৰু এটি পথনিৰ্দেশ, আৰু হৈছে এটা কৰুণা সেই লোকসকলৰ নিমিত্তে যিসকলে (আল্লাহতে পৰিপূৰ্ণ) বিশ্বাস স্থাপন কৰে।”

**২০৪** আৰু যেতিয়া (তোমালোকৰ ওচৰত) কুৰআন পঠিত হয় তেতিয়া সেইটো (মনোযোগ দি) শুনা, আৰু (সেই সময়ত) নীৰৱ থাকিবা, যেন তোমালোকৰ প্ৰতি কৰুণা বৰ্ষিত হয়।

**২০৫** আৰু (হে মুহাম্মদ-ছাঃ!) স্মৰণ কৰা তোমাৰ প্ৰভুক নিজৰ অন্তৰেৰে সবিনয়ে আৰু সভয়ে, আৰু মাত ওখ নকৰাকৈ, পুৱাবেলা আৰু আবেলি; আৰু তুমি উদাসীনবিলাকৰ অন্তৰ্ভুক্ত নহ'বা।

**২০৬** নিসন্দেহে যিসকল তোমাৰ প্ৰভুৰ সমীপত ৰৈছে সেইসকলে তেওঁৰ উপাসনাত অহংকাৰ নেদেখুওৱায়; আৰু তেওঁলোকে তেওঁৰেই মহিমা কীৰ্তন কৰে, আৰু তেওঁৰেই প্ৰতি **ছিজ্‌দা** কৰে (এতেকে এই আয়াত পঢ়াৰ অথবা শুনাৰ লগে লগে ঠিকঠিকেই ছিজ্‌দা বা আল্লাহৰ মহিমা কীৰ্তনত মাটিত মূৰ লগাই প্ৰণিপাত কৰা কৰ্তব্য, যাতে অন্তৰৰ বিনয়-অৱনত অৱস্থা অঙ্গভঙ্গিত তথা অভিব্যক্তিত ফুটি উঠে; তেনেকুৱা অইন চৈধ্যটা আয়াত পঢ়াৰ বা শুনাৰ সময়ত ছিজ্‌দা কৰা উচিত, ১৩:১৫; ১৬:৫০; ১৭:১০৯; ১৯:৫৮; ২২:১৮,৭৭; ২৫:৬০; ২৭:২৬; ৩২:১৫; ৩৮:২৪; ৪১:৩৮; ৫৩:৬২; ৮০:২১; ৯৬:১৯)।

* * * * * * * * * * * *

ছূৰা - ৮

# যুদ্ধত লব্ধ ধনসম্পদ

*(আল আনফাল : ১)*

মদীনাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

**১** (হে মুহাম্মদ-ছাঃ!) সিহঁতে তোমাক যুদ্ধৰ বাবে সংগৃহীত ধন-সম্পদ সম্বন্ধে সুধিছে। তুমি কোৱা— “যুদ্ধৰ বাবে সংগৃহীত সম্পত্তি আল্লাহ আৰু ৰছূলৰ কাৰণে (যাতে ধৰ্মপ্ৰচাৰৰ আৰু মুছলিমৰ প্ৰতিৰক্ষাৰ কাৰণে সেইবিলাক খৰচ কৰা হয়)। গতিকে আল্লাহকে তোমালোকে ভয়-ভক্তি কৰা, আৰু তোমালোকৰ নিজৰ মাজত সদ্ভাৱ স্থাপন কৰা; আৰু আল্লাহ আৰু তেওঁৰ ৰছূলক মানি চলা যদি তোমালোক (খাঁটি) মুমিন হোৱা।”

**২** মুমিনতো প্ৰকৃততে সেইসকলেই যিসকলৰ হৃদয় ভয়ত কঁপি উঠে যেতিয়া আল্লাহৰ কথা কোৱা হয়, আৰু যেতিয়া তেওঁলোকৰ ওচৰত তেওঁৰ বাণীসমূহ পাঠ কৰা হয় তেতিয়া সেইটোৱে তেওঁলোকৰ ধৰ্মবিশ্বাস বঢ়াই দিয়ে, আৰু তেওঁলোকৰ প্ৰভুৰ ওপৰতেই তেওঁলোকে নিৰ্ভৰ কৰে,—

**৩** যিসকলে নামায কায়েম কৰে, আৰু আমি তেওঁলোকক যি ৰিযেক দিছো তাৰ পৰা তেওঁলোকে খৰচ কৰি থাকে।

**৪** সেইসকল নিজেই হৈছে সঁচাকৈয়ে মুমিন। তেওঁলোকৰ কাৰণে ৰৈছে তেওঁলোকৰ প্ৰভুৰ ওচৰত মৰ্যাদাৰ স্তৰসমূহ, আৰু (পদস্খলনৰ পৰা) পৰিত্ৰাণ আৰু সন্মানজনক জীৱিকা;

**৫** যেনেকৈ,— তোমাৰ প্ৰভুৱে তোমাক তোমাৰ (মদীনাৰ) বাৰী-ঘৰৰ পৰা ওলাই আনিলে সত্যৰ সৈতে (যেতিয়া মক্কাৰ পৰা এহেজাৰ সুদক্ষ কুৰাইশ্ব বাহিনীয়ে তোমালোকক ধ্বংস কৰিবলৈ মদীনাৰ নিকটৱৰ্তী বদৰ এলাকালৈ আগুৱাই আহিছিল, আৰু তুমি ল’ৰা-বুঢ়া মিলি মাত্ৰ ৩১৩ জন মুছলিমক লৈ আত্মৰক্ষাৰ কাৰণে ওলাইছিলা), যদিও মুমিনসকলৰ মাজৰ এটা দল (যুদ্ধত জপিয়াই পৰিবলৈ) অৱশ্যেই আছিল বিৰূপভাৱাপন্ন।

**৬** সিহঁতে (—অবিশ্বাসীগোষ্ঠীয়ে) তোমাৰ লগত সত্য সম্পৰ্কে বিতৰ্ক কৰিছিল সেইটো সুস্পষ্ট হোৱৰ পিচতো, যেন সিহঁত (ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ গ’লে) মৃত্যুৰ ফালে ধাবিত হৈছিল, আৰু সিহঁতে (নিজ কৰ্তব্য বুজিব নোৱাৰি ভেবাচেকা লাগি) চাইয়েই ৰৈছিল।

**৭** আৰু স্মৰণ কৰা! আল্লাহে তোমালোকক প্ৰতিশ্ৰুতি দিছিলে (শত্ৰুপক্ষীয়) দুই দলৰ এটিৰ সম্বন্ধে যিটো (যুদ্ধৰ কাৰণে) তোমালোকৰ হ’ব (যেনে, এফালে আৰু চুফিয়ানৰ নেতৃত্বত মুছলিমৰ বিৰুদ্ধে যুদ্ধৰ খৰচা বহনৰ কাৰণে অৰ্থোপাজন কৰি চিৰিয়াৰ পৰা মক্কাৰ পথত অহা ৭০ জন ব্যৱসায়ীৰ এটি নিৰস্ত্ৰ কাফেলা, আৰু আনফালে মক্কাৰ পৰা মদীনাৰ পথত যুদ্ধাৰ্থে অহা কুৰাইশ্বৰ এহাজাৰ জন সৈন্যৰ সশস্ত্ৰ বাহিনী), আৰু তোমালোকে বিচাৰিছিলা যি (দলটো) অস্ত্ৰ সজ্জিত নহয় সেইটো তোমালোকৰ হওক, অথচ আল্লাহে বিচাৰিছিলে যেন সত্য (অৰ্থাৎ ইছলাম প্ৰতিষ্ঠা লাভ কৰাৰ ভৱিষ্যৎবাণী) সত্যপ্ৰতিপন্ন হয় তেওঁৰ বাণীৰ (প্ৰতিপাদনৰ) দ্বাৰা, আৰু যেন তেওঁ অবিশ্বাসীবিলাকৰ শিপা কাটি দিয়ে (সিহঁতক সমূলে উৎখাটিত কৰি),—

**৮** যেন তেওঁ সত্যক সত্য প্ৰতিপন্ন কৰে আৰু মিছাক বাতিল কৰি দিয়ে, যদিও অপৰাধীবিলাকে সেইটো অপছন্দ কৰে।

**৯** স্মৰণ কৰা! তোমালোকে তোমালোকৰ প্ৰভুৰ সাহায্য প্ৰাৰ্থনা কৰিছিলা, সেইকাৰণে তেওঁ তোমালোকৰ প্ৰতি সঁহাৰি জনাইছিল (এইবুলি)— “মই নিশ্চয় তোমালোকক সাহায্য কৰিম অক্ষুণ্ণ পৰম্পৰাত আগত ফিৰিশ্বতাসকলৰ এহেজাৰজন দি।”

**১০** আৰু আল্লাহে (ফিৰিশ্বতা পঠোৱাৰ প্ৰতিশ্ৰুতি) এইটো কৰা নাই (একমাত্ৰ) সুসংবাদদিয়াৰ বাহিৰে, আৰু যেন ইয়াৰ দ্বাৰা তোমালোকৰ হৃদয়ে প্ৰশান্তি লাভ কৰে, আৰু সাহায্যতো নাহে (কেৱলমাত্ৰ) আল্লাহৰ ওচৰৰ পৰা ব্যতিৰেকে। নিসন্দেহে আল্লাহ হৈছে মহাশক্তিশালী, পৰম জ্ঞানী।

## পৰিচ্ছেদ - ২

**১১** স্মৰণ কৰা! তেওঁ তোমালোকৰ ওপৰত (উদ্বিগ্নতাৰ) প্ৰশমন আনিছিলে তেওঁৰ তৰফৰ পৰা (নিৰাপত্তাদানৰ) স্বস্তিৰূপে, আৰু তেওঁ তোমালোকৰ ওপৰত আকাশৰ পৰা বৰ্ষণ কৰিলে বৃষ্টি, যেন তেওঁ ইয়াৰ দ্বাৰা তোমালোকক (পানীৰ কষ্ট আৰু অমঙ্গলৰ আশঙ্কা ধুই-মচি) পৰিষ্কাৰ

কৰিব পাৰে, আৰু যেন তোমালোকৰ পৰা দূৰ কৰিব পাৰে চয়তানৰ লেতেৰামি (যথা তোমালোকৰ মন দুৰ্বল কৰাৰ চয়তানী প্ৰচেষ্টা), আৰু যেন তেওঁ তোমালোকৰ অন্তৰত (আল্লাহৰ সাহায্যসম্বন্ধে দৃঢ়প্ৰত্যয় জন্মাই) বলসঞ্চাৰ কৰিব পাৰে, আৰু যেন ইয়াৰ দ্বাৰা (নৰম বালি তিতাই দি তোমালোকৰ) পদক্ষেপ সুদৃঢ় কৰিব পাৰে।

**১২** স্মৰণ কৰা! তোমাৰ প্ৰভুৱে ফিৰিশ্তাসকলৰ ওচৰত প্ৰেৰণা দিলে (এইবুলি)— "মই নিশ্চয় তোমালোকৰ লগত আছো, কাজেই যিসকলে ঈমান আনিছে তেওঁলোকক (অসুবিধা-অক্ষমতা দূৰ কৰি) সুপ্ৰতিষ্ঠিত কৰা। মই অচিৰেই সিহঁতৰ অন্তৰত ভীতিৰ সঞ্চাৰ কৰিম যিবিলাকে অবিশ্বাস পোষণ কৰে, এতেকে (হে যুদ্ধৰত বিশ্বাসীসকল! শত্ৰুবোৰৰ) ডিঙিৰ ওপৰত আঘাত কৰা আৰু সিহঁতৰ পৰা প্ৰত্যেক প্ৰত্যঙ্গ কাটি পেলোৱা (যাতে বিকলাংগ হৈ সিহঁতে মুছলিমৰ বিৰুদ্ধে ভৱিষ্যতে অস্ত্ৰধাৰণ কৰিব নোৱাৰে)।"

**১৩** এইটো এই কাৰণে যে সিহঁতে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰোধিতা কৰে; আৰু যি কোনোবাই আল্লাহ আৰু ৰছুলৰ বিৰুদ্ধে থিয় দিয়ে— (সিহঁতে মনত ৰাখক) আল্লাহ তেন্তে নিশ্চয় শাস্তিদানত কঠোৰ।

**১৪** (সিহঁতক কোৱা হ'ব—) "এয়ে তোমালোকৰ কাৰণে (প্ৰাপ্য)। এতেকে ইয়াৰ সোৱাদ গ্ৰহণ কৰা (এই জীৱনতেই)। আৰু অবিশ্বাসীবিলাকৰ কাৰণে নিশ্চয় ৰৈছে (দুযখৰ) জুইৰ শাস্তি।"

**১৫** হেৰা যিসকলে ঈমান আনিছা! যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক যেতিয়া তোমালোকে দেখা পোৱা (তোমালোকক আক্ৰমণ কৰিবলৈ) যুদ্ধযাত্ৰা কৰিছে তেতিয়া সিহঁতৰ ফালে পিঠি নুঘূৰাবা (বৰং সন্মুখ সমৰত জপিয়াই পৰিবা)।

**১৬** আৰু যি কোনোবাই সেইদিনা (যুদ্ধৰ চৰম ক্ষণত) সিহঁতৰ পিঠি ফিৰাব— যুদ্ধৰ কৌশল অৱলম্বন ব্যতিৰেকে, অথবা (যুদ্ধত বেচি আগবাঢ়ি গৈ থাকিলে আকৌ নিজৰ) দলত যোগ দিয়াৰ কাৰণে— (এই উদ্দেশ্য ব্যতিৰেকে কাপুৰুষৰ দৰে যি কোনোবাই পিঠি প্ৰদৰ্শন কৰিব) সি তেনেহ'লে নিশ্চয় আল্লাহৰ ক্ৰোধ অৰ্জন কৰিব, আৰু তাৰ আশ্ৰয় হ'ব জাহান্নাম আৰু সেইটো হৈছে নিকৃষ্ট গন্তব্যস্থল।

**১৭** এতেকে (দৰাচলতে) তোমালোকে সিহঁতক বধ কৰা নাই, বৰং আল্লাহেই সিহঁতক বধ কৰিছে। আৰু (হে মুহাম্মদ-ছাঃ! এমুঠি কঙ্কৰ শত্ৰুৰ ফালে) তুমি দলি মৰা নাছিলা যেতিয়া তুমি (কঙ্কৰ) নিক্ষেপ কৰিছিলা, বৰং (যৱনিকাৰ অন্তৰালত থাকি) আল্লাহেই নিক্ষেপ কৰিছিলে, আৰু যেন তেওঁ (শত্ৰুপক্ষৰ শক্তি ধ্বংস কৰি দি) বিশ্বাসীসকলক প্ৰদান কৰে তেওঁৰ নিজৰ পৰা (বিজয়স্বৰূপ) এক উত্তম পুৰস্কাৰ। নিসন্দেহে আল্লাহ সৰ্বশ্ৰোতা (সেইকাৰণে যুদ্ধজয়ৰ নিমিত্তে তোমালোকৰ মোনাজাত তেওঁ কবুল কৰিছিলে), সৰ্বজ্ঞাতা (সেইকাৰণে শত্ৰুক ধ্বংস কৰাৰ ব্যৱস্থা তেওঁ সৃষ্টি কৰিছিলে)।

**১৮** এয়ে তোমালোকৰ কাৰণে (তোমালোকৰ ধৈৰ্য আৰু কৰ্মতৎপৰতাৰ পৰিণাম)! আৰু আল্লাহ অৱশ্যেই অবিশ্বাসীবিলাকৰ চক্ৰান্ত শিথিলকাৰী।

**১৯** (হে কুৰাইশ্বসকল!) তোমালোকে যেতিয়া বিজয় কামনা কৰিছিলা (যেনেকৈ মুছলিমৰ বিৰুদ্ধে যুদ্ধযাত্ৰাৰ আগমুহূৰ্তত কা'বা শ্বৰীফত গৈ সত্যনিষ্ঠসকলৰ প্ৰতি মোৰ সাহায্য আৰু পুনৰায় যুদ্ধক্ষেত্ৰত পথভ্ৰষ্টসকলৰ ধ্বংসপ্ৰাপ্তিৰ বাবে তোমালোকৰ প্ৰাৰ্থনা), তেতিয়া তোমালোকৰ ওচৰত অৱশ্যে বিজয় আহিছে (কিন্তু সেই বিজয় তোমালোকৰ পৰিৱৰ্তে মুছলিমৰ পক্ষেই গৈছিল)। আৰু যদি তোমালোক (মুছলিমক আক্ৰমণ কৰাৰ পৰা) বিৰত হোৱা তেন্তে সেইটো হ'ব তোমালোকৰ কাৰণে ভাল; কিন্তু যদি তোমালোকে (ৰণ কৰিবলৈ) ফিৰি আহা, আমিও ফিৰি আহিম (মুছলিমক সাহায্য কৰিবলৈ) আৰু তোমালোকৰ ফৌজ তোমালোকৰ কোনো কামত নাহিব যদিও সেইটো সংখ্যাগৰিষ্ঠ হওক লাগে। আৰু (জানা যে) আল্লাহ নিশ্চয় মুমিনসকলৰ লগতে ৰৈছে।

## পৰিচ্ছেদ - ৩

**২০** হেৰা যিসকলে ঈমান আনিছা! আল্লাহ আৰু তেওঁৰ ৰছুলৰ আজ্ঞা পালন কৰা, আৰু তেওঁৰ পৰা হোঁহকি নাযাবা যেতিয়া তোমালোকে শুনা (যে তেওঁ তোমালোকক লক্ষ্য কৰি কিবা কৈছে)।

**২১** আৰু তোমালোক সিহঁতৰ নিচিনা (—মদীনাৰ ইহুদীবিলাকৰ নিচিনা) নহ'বা যিবিলাকে কৈছিল— "আমি শুনিলো", কিন্তু সিহঁতে (বাস্তৱিকতে) শুনা নাই (কাৰণে সিহঁতে তেওঁৰ বাণী গ্ৰহণ কৰা নাই)।

**২২** সঁচাকৈয়ে আল্লাহৰ ওচৰত নিকৃষ্টতম জীৱ হৈছে— কলা (যিবিলাকে ৰছুলৰ কথা নুশুনে, আৰু) বোবা (যিবিলাকে ৰছুলৰ দলভুক্ত হ'বলৈ নকয়)— যিবিলাকে (ভাল বেয়া একোৱেই) নুবুজে।

**২৩** আৰু আল্লাহে যদি সিহঁতৰ মাজত ভাল কিবা জানিলেহেঁতেন (আৰু যদি সদ্‌গুণ অকণমানো দেখিলেহেঁতেন) তেন্তে তেওঁ নিশ্চয় সিহঁতক (সদ্‌উপদেশ) শুনালেহেঁতেন। কিন্তু যদিও তেওঁ (তেওঁৰ বাণী) সিহঁতক শুনালেহেঁতেন তথাপিও সিহঁত ফিৰি গ'লহেঁতেন (ভ্ৰান্ত পথৰ পিনে), যেহেতু সিহঁত (ইছলামৰ প্ৰতি) বিমুখ।

**২৪** হেৰা যিসকলে ঈমান আনিছা! আল্লাহৰ প্ৰতি আৰু ৰছুলৰ প্ৰতি সহাৰি দিয়া যেতিয়া তেওঁ তোমালোকক আহ্বান কৰে তাতে (অৰ্থাৎ ইছলামৰ প্ৰতি) যি তোমালোকক জীৱন দান কৰে। আৰু জানা যে আল্লাহ মানুহৰ আৰু তাৰ অন্তঃকৰণৰ মাজত বিৰাজমান (অৰ্থাৎ মানুহৰ সত্ত্বা আৰু আত্মাৰ মাজত যিমানখিনি সামীপ্য কল্পনা কৰা যায়, মানুহৰ সৈতে আল্লাহৰ নৈকট্য তাতকৈয়ো বেচি); আৰু নিসন্দেহে তেওঁ— তেওঁৰেই ওচৰত (কৰ্মফল প্ৰদানৰ কাৰণে) তোমালোকক একত্ৰিত কৰা হ'ব।

**২৫** আৰু ধৰ্মভীৰুতা অৱলম্বন কৰা (ধৰ্মদ্ৰোহীতাৰ শোচনীয় পৰিণামৰ) সেইবিপদ সম্বন্ধে যিটো তোমালোকৰ মাজৰ যিবিলাক অত্যাচাৰী কেৱল সিহঁতৰ ওপৰতেই নপৰে (বৰং অত্যাচাৰীবিলাকৰ সংস্ৰৱত থকা ভাল লোকও তাতে জড়িত হৈ পৰে)। আৰু জানি ৰাখা আল্লাহ অৱশ্যে প্ৰতিফল দানত কঠোৰ।

**২৬** আৰু স্মৰণ কৰা! যেতিয়া (মক্কাত অৱস্থান কালত) তোমালোক আছিলা অলপসংখ্যক (আৰু) দুনিয়াত তোমালোক দুৰ্বলৰূপে পৰিগণিত হৈছিলা, (আৰু) তোমালোকে ভয় কৰিছিলা যে মানুহে তোমালোকক থাপ মাৰি লৈ যাব, তেতিয়া তেওঁ (মদীনাত) তোমালোকক আশ্ৰয় দিলে আৰু (আনছাৰসকলৰ মাধ্যমে) তোমালোকৰ বলবৃদ্ধি কৰিলে তেওঁৰ সাহায্যৰ দ্বাৰা, আৰু তোমালোকক জীৱিকা দান কৰিলে উত্তম বিষয়বস্তুৰ পৰা, যেন তোমালোকে (আল্লাহৰ প্ৰতি) ধন্যবাদ জনাব পাৰা।

**২৭** হেৰা যিসকলে ঈমান আনিছা! আল্লাহ আৰু ৰছুলৰ প্ৰতি বিশ্বাসভঙ্গ নকৰিবা আৰু তোমালোকৰ আমানতত অসঞ্জাত কৰা সম্পৰ্কেও, সেইটোও তোমালোকে জানি-শুনি (বিশ্বাসভঙ্গ কৰিবলৈ নাযাবা)।

**২৮** আৰু জানি ৰাখা যে তোমালোকৰ ধন-দৌলত আৰু তোমালোকৰ সন্তান-সন্ততি প্ৰকৃততে তোমালোকৰ নিমিত্তে এক পৰীক্ষা; আৰু নিশ্চয় আল্লাহ— তেওঁৰেই ওচৰত ৰৈছে বিৰাট পুৰস্কাৰ।

## পৰিচ্ছেদ - ৪

**২৯** হেৰা যিসকলে ঈমান আনিছা! তোমালোকে যদি আল্লাহক ভয়-ভক্তি কৰা তেন্তে তেওঁ তোমালোকক দিব ফুৰকান (অৰ্থাৎ ন্যায়-অন্যায় আৰু ভাল-বেয়াৰ মাজত প্ৰভেদ কৰাৰ ক্ষমতা), আৰু তোমালোকৰ পৰা তোমালোকৰ বেয়া আঁতৰাই দিব, আৰু (ত্ৰুটি-বিচ্যুতিৰ পৰা) তোমালোকক পৰিত্ৰাণ কৰিব। আৰু আল্লাহ বিপুল কল্যাণৰ গৰাকী।

**৩০** আৰু স্মৰণ কৰা! (তোমাৰ অধিকাংশ সহচৰ মদীনাত হিজৰত কৰা দেখি) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে তোমাৰ বিৰুদ্ধে (আৰু গভীৰ) ষড়যন্ত্ৰ কৰিছিল যে সিহঁতে তোমাক (মক্কাতেই) আটক কৰিব, অথবা সিহঁতে তোমাক হত্যা কৰিব, অথবা সিহঁতে তোমাক (বাৰীঘৰৰ বা দেশৰ পৰা) নিৰ্বাসিত কৰিব। আৰু সিহঁতে ষড়যন্ত্ৰ কৰিছিল (আৰু সেইমতে ৰাতিত খোলা তৰোৱাল লৈ তোমাৰ ঘৰ ঘেৰাও কৰিছিল), আৰু আল্লাহেও পৰিকল্পনা কৰিছিলে (যাৰ ফলত তুমি সময় থাকোতেই আঁতৰি গৈছিলা)। আৰু পৰিকল্পনাকাৰীসকলৰ মাজত আল্লাহেই শ্ৰেষ্ঠ।

**৩১** আৰু যেতিয়া সিহঁতৰ ওচৰত আমাৰ বাণী পঢ়ি শুনোৱা হয় সিহঁতে কয়— "আমি ইতিমধ্যেই (এইবিলাক) শুনিছো, আমি ইচ্ছা কৰিলে ইয়াৰ নিচিনা অৱশ্যেই ক'ব পাৰিম; এইবিলাক পুৰণি কালৰ উপকথা নহয়নো কি।"

**৩২** আৰু স্মৰণ কৰা! সিহঁতে (ইতিকিং কৰি) কৈছিল— "হে আল্লাহ, এই (ধৰ্মটোৱেই) যদি তোমাৰ ওচৰৰ পৰা অহা যথাৰ্থ সত্য হয় তেন্তে (সেইটো প্ৰত্যাখ্যানৰ ফলস্বৰূপে) আমাৰ ওপৰত আকাশৰ পৰা শিল (বা শিলা-বৃষ্টি) বৰ্ষণ কৰা, নাইবা আমাৰ প্ৰতি মৰ্মন্তুদ শাস্তি লৈ আহাঁ।"

**৩৩** আৰু আল্লাহে সিহঁতক সেইক্ষণলৈকে শাস্তি নিদিব যেতিয়ালৈকে তুমি সিহঁতৰ মাজত ৰৈছা। আৰু আল্লাহ এনে নহয় যে তেওঁ সিহঁতৰ শাস্তিদাতা হ'ব যেতিয়া সিহঁতে ক্ষমাপ্ৰাৰ্থনা কৰে (আৰু নিজকে সংশোধন কৰি লয়)।

**৩৪** আৰু কি (অজুহাত) সিহঁতৰ থাকিব পাৰে যে আল্লাহে সিহঁতক শাস্তি নিদিব যেতিয়া সিহঁতে (লোকক) পৱিত্ৰ মছজিদৰ (অৰ্থাৎ কা'বাৰ) পৰা বাধা দিয়ে (সেইঠাইতে আল্লাহৰ উপাসনা কৰিবলৈ যোৱাত) অথচ সিহঁত ইয়াৰ ৰখীয়া হ'ব নোৱাৰে (কিয়নো এক আল্লাহৰ উপাসনাৰ কাৰণে প্ৰতিষ্ঠিত কা'বা গৃহত সিহঁতে মূৰ্তি বহুৱাই কলুষিত কৰিছে)। ইয়াৰ (সুযোগ্য) তত্ত্বাৱধায়ক হৈছে কেৱল মুত্তকীসকলেই, কিন্তু সিহঁতৰ সৰহভাগেই নাজানে (যে ইয়াৰ তত্ত্বাৱধানৰ ভাৰ অতি শীঘ্ৰেই মুছলিমৰ হাতত গুচি যাব)।

**৩৫** আৰু (পৱিত্ৰ) গৃহৰ ওচৰত সিহঁতৰ নামায (হৈছে) কেৱল সুহুৰি মৰা আৰু চাপৰি বজোৱাৰ বাহিৰে আন একোৱেই নহয়! গতিকে (সিহঁতক ন্যায্যভাৱেই কোৱা হয়—) "শাস্তিৰ সোৱাদ গ্ৰহণ কৰা যেহেতু তোমালোকে (আল্লাহত) অবিশ্বাস পোষণ কৰিছিলা।"

**৩৬** নিসন্দেহে যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে নিজৰ ধন-সম্পত্তি খৰচ কৰে আল্লাহৰ পথৰ পৰা (বিভিন্ন পন্থায় মানুহক) বাধা দিয়াৰ কাৰণে। সিহঁতে এইটো খৰচ কৰিবই (সিহঁতৰ কুঅভিসন্ধি চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে), শেহত (নিষ্ফল হোৱা হেতু) এইটো হ'ব সিহঁতৰ বাবে অনুতাপৰ কাৰণহে, তাৰ পিচত সিহঁতক পৰাজিত কৰা হ'ব। আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক জাহান্নামৰ ফালে একত্ৰিত কৰা হ'ব—

**৩৭** যাতে আল্লাহে পৃথক কৰিব পাৰে বেয়াক ভালৰ পৰা, আৰু সিহঁতৰ কিছুমানৰ বেয়াক তেওঁ স্থাপন কৰিব আন কিছুমানৰ ওপৰত, তাৰ পাচত সিহঁতৰ আটাইবিলাককে তেওঁ স্তূপীকৃত কৰিব আৰু তাক পেলাব জাহান্নামত। সিহঁত নিজেই হৈছে (শেষকালত) ক্ষতিগ্ৰস্ত।

## পৰিচ্ছেদ - ৫

**৩৮** (হে মুহাম্মদ-ছাঃ!) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক কোৱা— যদি সিহঁতে (বদৰৰ যুদ্ধৰ পাচত পুনৰায় অস্ত্ৰ ধাৰণৰ পৰা) নিবৃত্ত হয় তেন্তে (অতীতত) যি গ'ত হৈ গৈছে সেইটো সিহঁতক ক্ষমা কৰা হ'ব; আৰু যদি সিহঁত ফিৰি যায় (পুৰণি দুষ্কৃতিত) তেন্তে পূৰ্বৱৰ্তীসকলৰ ঘটনাৱলী ইতিপূৰ্বেই ঘটি গৈছে (আৰু আকৌ ইয়াৰ পুনৰাবৃত্তি হৈ থাকিব)।

**৩৯** আৰু তোমালোকে সিহঁতৰ বিৰুদ্ধে সংগ্ৰাম কৰি থাকিবা যেতিয়ালৈকে (ধৰ্মৰ নামত) উৎপীড়ন নাথাকে, আৰু ধৰ্মতো সামগ্ৰিকভাৱে আল্লাহৰ

কাৰণেই প্ৰতিষ্ঠিত (গতিকে ধৰ্মৰ পাণ্ডাসকলে জোৰকৈ কাৰোবাৰ ওপৰত কোনো ধৰ্মমত চপাই দিব নোৱাৰে)। এতেকে যদি সিহঁত (বিশ্বাসীসকলৰ প্ৰতি অত্যাচাৰ কৰাৰ পৰা) বিৰত হয় তেন্তে সিহঁতে যি কৰে আল্লাহ নিশ্চয় তাৰ দৰ্শক (ফলত আল্লাহেই সিহঁতৰ খবৰদাৰি কৰিব)।

**৪০** কিন্তু যদি সিহঁত ফিৰি যায় (আকৌ তোমালোকৰ বিৰুদ্ধে শত্ৰুতা কৰিবলৈ) তেন্তে জানি ৰাখা যে আল্লাহ নিশ্চয়ে তোমালোকৰ অভিভাৱক,— কিমান যে উত্তম অভিভাৱক আৰু উত্তম সাহায্যকাৰী!

## ১০ম পাৰা

**৪১** আৰু জানি ৰাখা— যি কিবা (ধনসম্পদ) তোমালোকে যুদ্ধক্ষেত্ৰত লাভ কৰা তাৰ পঞ্চমাংশ তেনেহ'লে আল্লাহৰ কাৰণে (যিখিনি আকৌ পাঁচ দফাত বিতৰণ কৰিব লাগিব) যেনে— (১) ৰছুলৰ নিমিত্তে, আৰু (২) (মুহাম্মদ-ছাঃ-ৰ দুখীয়া) আত্মীয়-স্বজনৰ কাৰণে, আৰু (৩) এতীমসকলৰ, আৰু (৪) নিঃকিনসকলৰ, আৰু (৫) পথিকসকলৰ নিমিত্তে (আৰু বাকী চাৰি-পঞ্চমাংশ চৰকাৰী তহবিলত জমা হৈ জনসাধাৰণৰ কল্যাণত আৰু প্ৰতিৰক্ষাখাতত খৰচ হৈ থাকিব) যদিহে তোমালোকে বিশ্বাস কৰা আল্লাহত আৰু তাত যি আমাৰ বান্দাৰ (—মুহাম্মদ-ছাঃ-ৰ) ওচৰত আমি অৱতাৰণ কৰিছো সেই ফুৰকানৰ (অৰ্থাৎ ন্যায়-অন্যায় আৰু সত্য-অসত্যৰ মাজত মীমাংসা কৰাৰ) দিনত যিদিনা (বদৰৰ যুদ্ধক্ষেত্ৰত) দুয়োদল মুখামুখী হৈছিলা। আৰু আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

**৪২** স্মৰণ কৰা! তোমালোক (—মুছলিমসকল) আছিলা উপত্যকাৰ ওচৰ প্ৰান্তত (অৰ্থাৎ মদীনাৰ ওচৰৰ ফালে) আৰু সিহঁত (—কুৰাইশ্বহঁত) উপত্যকাৰ দূৰৈৰ প্ৰান্তত, আৰু (বেহা-বেহানি লৈ মক্কাৰ পথত গমনকাৰী) কাফেলা আছিল তোমালোকৰ পৰা নামনিত। আৰু যদি তোমালোকে (কুৰাইশ্ববিলাকৰ সৈতে যুদ্ধ কৰাৰ কাৰণে) পৰস্পৰৰ মাজত কোনো বন্দোৱস্ত কৰি থাকিলোহেঁতেন তেন্তে (তোমালোকৰ দুৰ্বলতা হেতু) এই সিদ্ধান্তত তোমালোকে মতভেদ কৰিলাহেঁতেন; তথাপি কিন্তু (এই মোকাবিলা সংঘটিত হ'ল) যেন আল্লাহে বিষয় এটা (অৰ্থাৎ এই অসমঞ্জস সংঘৰ্ষখন) ঘটাব পাৰে, যিটো (ক'বলৈ গ'লে) ঘঠিয়েই গৈছে (যিহেতু এই ধৰনৰ এখন সংঘৰ্ষৰ প্ৰয়োজন আছিল), যাতে যিবিলাক ধ্বংস হোৱাৰ যোগ্য সিহঁত ধ্বংস হ'ব পাৰে (সত্যাসত্য) স্পষ্ট প্ৰমাণৰ ফলত, আৰু যিসকল বাচিব লাগে সেইসকল বাচিব পাৰে (সঁচা-মিছা) স্পষ্ট প্ৰমাণৰ ফলত। আৰু নিসন্দেহে আল্লাহ অৱশ্যেই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা (সেইকাৰণে তেওঁ শত্ৰু-মিত্ৰ উভয় পক্ষৰেই প্ৰাৰ্থনা শুনিছিলে আৰু ইয়াৰ সমুচিত ব্যৱস্থা লৈছিলে)।

**৪৩** স্মৰণ কৰা (হে মুহাম্মদ-ছাঃ)! আল্লাহে তোমাৰ ওচৰত সিহঁতক দেখুৱাইছিলে তোমাৰ সপোনত অলপ সংখ্যক (গতিকে গণনাত সিহঁত গৰিষ্ঠ হ'লেও গুণৰ দিশত মুষ্টিমেয়)। আৰু তেওঁ যদি তোমাৰ ওচৰত সিহঁতক দেখুৱালেহেঁতেন বহুসংখ্যক তেন্তে তোমালোক অৱশ্যেই দুৰ্বলচিত্ত হৈ পৰিলাহেঁতেন, আৰু (যুদ্ধ কৰা-নকৰাৰ) বিষয়টো সম্বন্ধে তোমালোকে তৰ্ক-বিতৰ্ক কৰিলাহেঁতেন; কিন্তু আল্লাহে (তোমালোকক) ৰক্ষা কৰিছিলে (গতিকে তোমালোকে একেমতেৰে যুদ্ধত যোগদানৰ সিদ্ধান্ত ল'ব পাৰিছিলা)। বাস্তৱতে তেওঁ বিশেষভাৱে অবহিত (লোকৰ) বুকুৰ ভিতৰত যি মনোবৃত্তি ৰৈছে সেইসম্বন্ধেও।

**৪৪** আৰু স্মৰণ কৰা! তেওঁ তোমালোকৰ ওচৰতো সিহঁতক দেখুৱাইছিলে— যেতিয়া তোমালোকে (সিহঁতৰ) মুখামুখি হৈছিলা— তোমালোকৰ চকুত অলপসংখ্যক (যাতে সিহঁতৰ সংখ্যাধিক্য দেখি তোমালোক ভীতি-বিহ্বল হৈ নপৰা), আৰু তেওঁ তোমালোকক কৰিছিলে অল্পসংখ্যক সিহঁতৰ চকুত (যাতে সিহঁতে সংঘৰ্ষটোক লঘুভাৱে গ্ৰহণ কৰে, যদিও বাস্তৱতে তোমালোকৰ সংখ্যা আছিল ৩১৩ আৰু সিহঁতৰ এহেজাৰ), এইকাৰণে যাতে আল্লাহে বিষয় এটা ঘটাব পাৰে যিটো ঘটিয়েই গৈছে। আৰু আল্লাহৰ ওচৰতেই সকলো বিষয় (চূড়ান্ত নিষ্পত্তিৰ কাৰণে) ফিৰাই অনা হয়।

## পৰিচ্ছেদ - ৬

**৪৫** হেৰা যিসকলে ঈমান আনিছা! তোমালোকে যেতিয়া কোনো সৈন্যদলৰ সন্মুখীন হোৱা তেতিয়া দৃঢ়সংকল্প হ'বা, আৰু আল্লাহকে বেচিকৈ স্মৰণ কৰিবা যাতে তোমালোক সফলকাম হোৱা।

**৪৬** আৰু আল্লাহ আৰু তেওঁৰ ৰছুলক মানি চলা, আৰু (নিজৰ মাজত) বিবাদ নকৰিবা পাচত তোমালোক দুৰ্বলচিত্ত হৈ যোৱা, আৰু তোমালোকৰ বায়ুপ্ৰবাহ গুচি যায় (অৰ্থাৎ অনুকুল বায়ুপ্ৰবাহ তথা শক্তি-সামৰ্থ্য বিলুপ্ত হৈ যায়), আৰু (কৰ্মক্ষেত্ৰত) অধ্যৱসায় অৱলম্বন কৰা। আল্লাহ দৰাচলতে অধ্যৱসায়ীসকলৰ সৈতে ৰৈছে।

**৪৭** আৰু তোমালোক সিহঁতৰ নিচিনা নহ'বা যিবিলাকে (মক্কাত অৱস্থিত) সিহঁতৰ ঘৰ-বাৰীৰ পৰা ওলাই আহিছিল (মদীনাত মুছলিমক আক্ৰমণ কৰিবলৈ, ঢাক-ঢোল পিটি) গৰ্বভাৱত আৰু মানুহক দেখুৱাবলৈ, যি (আচৰণে মানুহক) বাধা দিয়ে আল্লাহৰ পথৰ পৰা। আৰু সিহঁতে যি কৰে আল্লাহে সিবিলাক আগুৰি ধৰে।

**৪৮** আৰু স্মৰণ কৰা! (চুৰাকা-ইবনে-মালিক নামৰ) চয়তানটোৱে সিহঁতৰ (এই ধৰনৰ) কাৰ্যাৱলী সিহঁতৰ ওচৰত শোভনীয় কৰিছিল আৰু কৈছিল— “আজিৰ দিনটোত মানুহৰ মাজৰ কোনোৱেই তোমালোকৰ ওপৰত বিজয়ী হ'ব নোৱাৰিব, আৰু নিসন্দেহে মইতো ৰৈছো তোমালোকৰ সাহায্যকাৰী।” কিন্তু তাৰ পাচত যেতিয়া দুয়ো সৈন্যদলে (যুদ্ধক্ষেত্ৰত) দেখাদেখি হ'ল, সি তাৰ গেৰোৱাৰ ওপৰত হোঁহঁকি গ'ল (অৰ্থাৎ সি তৎক্ষণাত বাগি মাৰিলে) আৰু ক'লে— “মই অৱশ্যে তোমালোকৰ পৰা বিদায়, মই নিশ্চয় দেখা পাইছো (যুদ্ধৰ পৰিণতি) যি তোমালোকে দেখি পোৱা নাই; মই নিশ্চয় আল্লাহক ভয় কৰো; আৰু আল্লাহ প্ৰতিফল দানত অতি কঠোৰ।

## পৰিচ্ছেদ - ৭

**৪৯** স্মৰণ কৰা! কপটবিলাকে আৰু যিবিলাকৰ অন্তৰত ব্যাধি ৰৈছে সিহঁতে (মুছলিমৰ প্ৰতি কটুক্তি কৰি) কয়— “সিহঁতৰ ধৰ্মই সিহঁতক বিভ্ৰান্ত কৰিছে (যাৰ কাৰণে সিহঁতে ইমান দুৰ্ভোগ ভুগিছে)।” বস্তুতঃ যি কোনোবাই আল্লাহৰ ওপৰত নিৰ্ভৰ কৰে, তেন্তে নিসন্দেহে আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী (কাৰণ তাকেই আল্লাহে বিজয় মাল্যৰে ভূষিত কৰিব)।

**৫০** আৰু যদি তুমি দেখা পালাহেঁতেন (সেই ভীষণ যন্ত্ৰণা—) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক যেতিয়া প্ৰাণ হৰণ কৰা হয় তেতিয়া ফিৰিশ্বতাসকলে আঘাত কৰিছে সিহঁতৰ মুখত আৰু সিহঁতৰ পিঠিত, আৰু (লগতে কৈছে)— “পোড়াৰ যন্ত্ৰণা আস্বাদ কৰা!

**৫১** “এই (দাৰুণ শাস্তি) ইয়াৰ কাৰণে যিটো (দুষ্কৰ্ম কৰিবলৈ) তোমালোকৰ হাত আগুৱাই দিছিল, আৰু আল্লাহে কেতিয়াও (তেওঁৰ) বান্দাবিলাকৰ প্ৰতি অত্যাচাৰী নহয়।”

**৫২** (এয়ে হৈছে) ফিৰআউনৰ সাঙ্গোপাঙ্গৰ অৱস্থাৰ নিচিনা (যিবিলাক গোটেইবোৰ বুৰি মৰিছিল) আৰু যিবিলাক সিহঁতৰ পূৰ্বৱৰ্তী আছিল (আৰু যিবিলাকৰ ওপৰত নামি আহিছিল আল্লাহৰ কঠোৰ শাস্তি)। সিহঁতে আল্লাহৰ নিদৰ্শনসমূহ প্ৰত্যাখ্যান কৰিছিলে, সেইকাৰণে আল্লাহে সিহঁতক ধৰিলে সিহঁতৰ পাপৰ কাৰণে। নিশ্চয় আল্লাহ অসীম ক্ষমতাশালী, প্ৰতিফল দানত অতি কঠোৰ।

**৫৩** এইটো এই কাৰণেই যে আল্লাহে (অহেতুক তেওঁৰ) অনুগ্ৰহ পৰিবৰ্তনকাৰী নহয় যিটো কোনো জাতিৰ প্ৰতি তেওঁ অৰ্পণ কৰিছে, যেতিয়ালৈকে সিহঁতে নিজে (অন্যায়াচৰণৰ দ্বাৰা) সেইবোৰ বদলাই নেপেলায়। আৰু আল্লাহ প্ৰকৃততে সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা (গতিকে শত্ৰুপক্ষৰ পৰা তেওঁৰ অনুগ্ৰহ ভালকৈ দেখি-শুনিয়েই তেওঁ উঠাই নিয়ে)।

**৫৪** (সিহঁতৰ অৱস্থা হৈছে) ফিৰআউনৰগোষ্ঠীৰ অৱস্থাৰ নিচিনা আৰু যিসকল সিহঁতৰ পূৰ্বৱৰ্তী আছিল। সিহঁতে নিজ প্ৰভুৰ বাণীসমূহত মিথ্যাৰোপ কৰিছিল, গতিকে সিহঁতৰ পাপৰ কাৰণে আমি সিহঁতক ধ্বংস কৰিছিলো, আৰু ফিৰআউনৰ সাঙ্গোপাঙ্গক আমি ডুবাই দিছিলো; আৰু সিহঁত সকলোৱেই আছিল অত্যাচাৰী (আৰু হে মুহাম্মদ-ছাঃ! তোমাৰ বিৰুদ্ধাচাৰীবিলাকৰ দশাও তেনেকুৱাই হ’ব)।

**৫৫** বাস্তৱতে আল্লাহৰ ওচৰত নিকৃষ্টতম জীৱ হৈছে সিহঁত যিবিলাকে (কলা, বোবা আৰু অবুজ হোৱাৰ ফলত) অবিশ্বাস পোষণ কৰে, গতিকে সিহঁতে ঈমান নানে।

**৫৬** ইহঁতৰ মাজত (বনি-কুৰাইযাৰ নিচিনা) যিবিলাকৰ সৈতে তুমি (সহাৱস্থানৰ) চুক্তি সম্পাদন কৰা,— তাৰ পাচত সিহঁতে নিজৰ চুক্তি বাৰে বাৰে ভঙ্গ কৰে (তথাপি তুমি সিহঁতৰ সৈতে নতুন কৰি চুক্তি সম্পাদন কৰিছা),— আৰু সিহঁতে (মানুহৰ সৈতে ওৱাদাৰ তোৱাক্কা নকৰাৰ দৰে আল্লাহৰ প্ৰতিও) ভয়ভক্তি নকৰে।

**৫৭** গতিকে (চুক্তিভঙ্গ অৱস্থাত) যুদ্ধৰ মাজত যদি তোমালোকে সিহঁতক কৰায়ত্ত কৰা তেন্তে (সিহঁতক এনেকুৱা কঠোৰ শাস্তি দিয়া যাতে) যিবিলাকে সিহঁতৰ পশ্চাদানুসৰণ কৰে সেইবিলাককো সিহঁতৰ দ্বাৰা বিধস্ত কৰা হয়, যেন (পূৰ্বৱৰ্তীবিলাকৰ পৰিণাম দেখি) সিহঁতে সৰ্তকতা অৱলম্বন কৰে।

**৫৮** আৰু যদি তুমি কোনো দলৰ পৰা বিশ্বাসঘাতকতাৰ আশংকা কৰা তেন্তে দলিয়াই দিয়া সিহঁতৰ ফালে (সিহঁতৰ মৈত্ৰী চুক্তি যি সিহঁতে নিজেই ভঙ্গ কৰিছে) সমান সমানভাৱে (যাতে সিহঁতৰ আক্ৰমণৰ উপযুক্ত প্ৰত্যুত্তৰ তোমালোকেও দিব পাৰা)। নিসন্দেহে আল্লাহে বিশ্বাসঘাতকবিলাকক ভাল নাপায়।

## পৰিচ্ছেদ - ৮

**৫৯** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে (আৰু মুছলিমৰ দুৰ্বলতাৰ সুযোগ লৈ আক্ৰমণ চলাবলৈ তৎপৰ হৈ থাকে) সিহঁতে যেন নাভাবে যে সিহঁত (আল্লাহৰ উদ্দেশ্যে) দেও দি যাব পাৰিব। নিশ্চয় সিহঁতে (দুষ্কৃতিৰ পৰিণামৰ পৰা) পৰিত্ৰাণ নাপাব।

**৬০** আৰু (যিহেতু সবলৰ পক্ষেই শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াস সম্ভৱপৰ, সেইহেতু) তোমালোকে সিহঁতৰ বিৰুদ্ধে প্ৰস্তুত ৰাখিবা যিকিবাত তোমালোকে সমৰ্থ হোৱা— (যেনে, সেনা বাহিনীৰ) শৌৰ্য-বীৰ্যত, আৰু হৃষ্ট-পুষ্ট ঘোড়াবিলাকত,— তাৰ দ্বাৰা (অৰ্থাৎ প্ৰতিৰক্ষাৰ প্ৰস্তুতি চলাই) ভীত-সন্ত্ৰস্ত ৰাখিবা আল্লাহৰ শত্ৰুবিলাকক তথা তোমালোকৰ শত্ৰুবিলাকক, আৰু সিহঁতৰ বাহিৰে আন সকলকো (যিবিলাকে তোমোলোকৰ বিৰুদ্ধে শত্ৰুক ইন্ধন যোগায়); সিহঁতক তোমালোকে নাজানা, (কিন্তু) আল্লাহে সিহঁতক জানে (গতিকে তেনে সাজু থাকিলেহে তোমালোকৰ জনা-অজানা সকলো শত্ৰুৱে হাত কোঁচাই নিব)। আৰু (শান্তি ৰক্ষাৰ খাতত) যিকিবা তোমালোকে আল্লাহৰ পথত খৰচ কৰিবা সেইটো তোমালোকক পুৰাপুৰি প্ৰতিদান দিয়া হ’ব, তেতিয়া তোমালোক অত্যাচাৰিত নহ’বা।

**৬১** আৰু যদি সিহঁতে শান্তিৰ পিনে ঢাল লয় তেন্তে তুমিও ইহঁতৰ ফালে ঢাল খাবা, আৰু (যুদ্ধৰ সময়ত শত্ৰুৰ শান্তি প্ৰস্তাৱৰ মাজত বিশ্বাসঘাতকতাৰ কিছু সুৰুঙ্গা ৰৈ যায়, গতিকে সকলো অৱস্থাতে) আল্লাহৰ প্ৰতি নিৰ্ভৰ কৰা। প্ৰকৃততে তেৱেঁই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা (কাজেই তেওঁ তোমালোকৰ অভাৱ-অভিযোগ শুনে আৰু মনোবাঞ্ছা পূৰণ কৰে)।

**৬২** আৰু যদি সিহঁতে বিচাৰে যে (শান্তি প্ৰস্তাৱৰ আঁৰত) সিহঁতে তোমাক ফাঁকি দিব, তেন্তে নিসন্দেহে আল্লাহেই তোমাৰ কাৰণে যথেষ্ট (আৰু

ফাঁকিবাজিৰ দ্বাৰা সিহঁতে তোমাক ফান্দত পেলাব নোৱাৰিব)। তেৱেঁই সেইজন যিজনে তোমাক বলীয়ান কৰে তেওঁৰ সহায়তাৰ দ্বাৰা আৰু মুমিনসকলৰ দ্বাৰা (যিসকলে সিহঁতৰ চেষ্টা ব্যৰ্থ কৰি দিব)।

**৬৩** আৰু তেওঁলোকৰ (—মুমিনসকলৰ, পৰস্পৰৰ) হৃদয়ৰ মাজত তেওঁ প্ৰীতি স্থাপন কৰিছে। তুমি যদি পৃথিৱীত যি (সম্পদ) আছে তাৰ সকলোখিনিয়েই খৰচ কৰিলাহেঁতেন তথাপি তুমি সিহঁতৰ হৃদয়ৰ মাজৰ সম্প্ৰীতি স্থাপন কৰিব নোৱাৰিলাহেঁতেন, কিন্তু (ইছলামৰ জৰিয়তে) আল্লাহে এওঁলোকৰ মাজত প্ৰীতি স্থাপন কৰিছে (সেইকাৰণে তোমাৰ মাজত ইছলামৰ যি প্ৰেম-প্ৰীতি-ভ্ৰাতৃত্বৰ নিদৰ্শন আল্লাহে স্থাপন কৰিছে তাৰ দ্বাৰাই তুমি এই যুদ্ধোন্মাদ জাতিক এক কৰিছা)! নিসন্দেহে তেওঁ মহাশক্তিশালী, পৰমজ্ঞানী।

**৬৪** হে প্ৰিয় নবী! আল্লাহেই তোমাৰ কাৰণে যথেষ্ট আৰু মুমিনসকলৰ মাজৰ যিসকলে (নানান আপদ-বিপদ থকা সত্ত্বেও) তোমাক অনুসৰণ কৰে (তেওঁলোকৰ কাৰণেও)।

## পৰিচ্ছেদ - ৯

**৬৫** হে প্ৰিয় নবী! মুমিনসকলক যুদ্ধৰ কাৰণে উৎসাহিত কৰা (কিয়নো ইছলামৰ মূলোচ্ছেদ কৰাৰ কাৰণে আৰববাসীয়ে আক্ৰমণ চলাইছে, এনে ক্ষেত্ৰত মুছলিমৰ বাবে যুদ্ধত আগ বঢ়াৰ বাহিৰে গত্যন্তৰ নাই)। যদি তোমালোকৰ মাজত কুৰিজন ধৈৰ্যশীল (যোদ্ধা) থাকে তেন্তে তেওঁলোকে (দশগুণ তথা) দুশজনক পৰাজিত কৰিব, আৰু যদি তোমালোকৰ মাজত এশজন (বীৰ যোদ্ধা) থাকে তেন্তে তেওঁলোকে পৰাজিত কৰিব যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ এহেজাৰ জনক, যেহেতু সিহঁত হৈছে (এনে) এটি সম্প্ৰদায় যিবিলাকে (প্ৰাণৱন্ত ধৰ্মৰ প্ৰচণ্ড গতিবেগ) নুবুজে (আৰু মুছলিমৰ এই অবিশ্বাস্য সাফল্য বদৰত আৰু পৰৱৰ্তীকালত প্ৰমাণিত হ’ব ধৰিছে)।

**৬৬** সম্প্ৰতি আল্লাহে তোমালোকৰ বোজা লাঘৱ কৰিছে, যিহেতু তেওঁ জানে যে তোমালোকৰ মাজত দুৰ্বলতা আছে (কিয়নো বৰ্তমান সময়ত ল’ৰা-বুঢ়া, ৰুগীয়া-নৰিয়া সকলোৱেই উপযুক্ত সাজ-সৰঞ্জাম অবিহনেই আত্মৰক্ষাৰ বাবে যুদ্ধত নামিবলৈ বাধ্য হৈছা)। সেই কাৰণে যদি তোমালোকৰ মাজত এশজন ধৈৰ্যশীল (যোদ্ধা) থাকে তেন্তে তেওঁলোকে (শত্ৰুৰ দুগুণ বা) দুশজনক পৰাজিত কৰিব, আৰু যদি তোমালোকৰ মাজত (আত্মবিশ্বাসী) এহেজাৰজন থাকে তেন্তে তেওঁলোকে আল্লাহৰ অনুমতিক্ৰমে দুই হেজাৰজনক পৰাজিত কৰিব (যিটো তোমালোকে ইতিপূৰ্বে বদৰৰ যুদ্ধক্ষেত্ৰত দেখাব পাৰিছিলা)। আৰু আল্লাহ ধৈৰ্যশীলসকলৰ লগতে ৰৈছে।

**৬৭** এজন নবীৰ পক্ষে সংগত নহয় যে তেওঁৰ কাৰণে বন্দীবিলাকক ৰখা হওক যেতিয়ালৈকে নেকি তেওঁ দেশত জয়লাভ কৰিছে (আৰু শত্ৰুসৈন্যক গ্ৰেপ্তাৰ কৰিছে)। তোমালোকে (অৰ্থাৎ তোমালোকৰ কিছু লোকে) বিচাৰিছা পাৰ্থিৱ সম্পদ (যেনে কুৰাইশ্ব ব্যৱসায়ী কাফেলাৰ বাণিজ্যসম্ভাৰ), অথচ আল্লাহে (তোমালোকৰ কাৰণে) বিচাৰিছে পৰলোক, আৰু আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।

**৬৮** যদি (কুৰাইশ্বৰ সৈতে তোমালোকৰ জিহাদ কৰাৰ) লিখন আল্লাহৰ পৰা নিৰ্ধাৰিত হৈ নাথাকিলেহেঁতেন তেন্তে তোমালোকে যি গ্ৰহণ কৰিব গৈছিলা (অৰ্থাৎ কুৰাইশ্বৰ মূল আক্ৰমণ প্ৰতিহত নকৰাকৈয়ে বণিক কাফেলাক আক্ৰমণ কৰিব বিচাৰিছিলা) সেইকাৰণে তোমালোকৰ ওপৰত পৰিলহেঁতেন এক বিৰাট শাস্তি (এনেকি তোমালোকৰ অস্তিত্বই বিপন্ন হ’লহেঁতেন)।

**৬৯** এতেকে ভোগ কৰা যিবিলাক বৈধ পৱিত্ৰ দ্ৰব্য তোমালোকে (শত্ৰুবাহিনীৰ পৰা) যুদ্ধক্ষেত্ৰত সংগ্ৰহ কৰিছা, আৰু আল্লাহকে ভয়-ভক্তি কৰা (অৰ্থাৎ তেওঁৰ বিধানমতে যুদ্ধলব্ধ বস্তু ভাগা-ভাগি কৰা)। নিসন্দেহে আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১০

**৭০** হে প্ৰিয় নবী! বন্দীবিলাকৰ যিসকল তোমালোকৰ হাতত আছে সিহঁতক কোৱা— “আল্লাহে যদি তোমালোকৰ হৃদয়ত ভাল কিবা (আছে বুলি) জানিব পাৰে (অৰ্থাৎ তোমালোকৰ অন্তৰত যদি ইছলাম কবুল কৰাৰ বাসনা উদয় হয়) তেন্তে তেওঁ তোমালোকৰ পৰা (যুদ্ধক্ষেত্ৰত সংগ্ৰহ কৰা বস্তু) যি নিয়া হৈছিল তাতকৈয়ো ভাল কিবা (উপহাৰ) তোমালোকক দান কৰিব, আৰু (ইছলামৰ শত্ৰুৰূপে কৰা অপৰাধৰ পৰা) তেওঁ তোমালোকক পৰিত্ৰাণ কৰিব। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।”

**৭১** কিন্তু যদি সিহঁতে (তোমাৰ হাতৰ পৰা মুক্তি পালেই) তোমাৰ প্ৰতি বিশ্বাসঘাতকতা কৰিবলৈ ইচ্ছা কৰে, তেন্তে (ইয়াত হতাশ নহ’বা, কিয়নো) ইয়াৰ আগতেও সিহঁতে অৱশ্যেই আল্লাহৰ প্ৰতি বিশ্বাসভঙ্গ কৰিছিল, গতিকে তেওঁ (তোমাক) কৰ্তৃত্ব দিছিলে সিহঁতৰ অনেকৰ ওপৰত (ফলত সিহঁত তোমাৰ হাতত পৰাজিত হৈছিল আৰু অনেকেই বন্দী হৈছিল)। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**৭২** নিসন্দেহে যিসকলে ঈমান আনিছে আৰু হিজৰত কৰিছে আৰু নিজৰ ধনদৌলত আৰু আপোন জান-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰিছে, আৰু (মদীনাৰ সেই আনছাৰসকল) যিসকলে (মুহাজিৰসকলক) আশ্ৰয় দান কৰিছে, আৰু (ধনবল-জনবল-মনোবল দি) সাহায্য কৰিছে— এওঁলোকেই হৈছে পৰস্পৰে পৰস্পৰৰ বন্ধু। আৰু যিসকলে ঈমান আনিছে, অথচ গৃহত্যাগ কৰা নাই; তেওঁলোকৰ অভিভাৱকত্ব কোনোভাৱেই তোমালোকৰ দায়িত্ব নহয় যেতিয়ালৈকেনো তেওঁলোকেও হিজৰত কৰে। কিন্তু যদি তেওঁলোকে তোমালোকৰ ওচৰত ধৰ্মৰ বিষয়ত সহায় বিচাৰে তেন্তে (তেওঁলোকক) সাহায্য কৰাটো তোমালোকৰ কৰ্তব্য, অৱশ্যে সেই সম্প্ৰদায়ৰ (বা ৰাজ্যৰ) বিৰুদ্ধে নহয় যিসকলৰ মাজত আৰু তোমালোকৰ মাজত (আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ) চুক্তি ৰৈছে। আৰু তোমালোকে যি কৰা আল্লাহ তাৰ সম্যক দ্ৰষ্টা।

**৭৩** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে— সিহঁতৰ কোনোবাই আন কোনোবাৰ বন্ধু। (যিহেতু চোৰে চোৰে ভাই-ককাই, সেইকাৰণে সৎলোকৰ

পক্ষে সৎসঙ্গ কামনা কৰা আৰু এজনে আনজনৰ সাহায্য-সহায়তা কৰা বৰ বেচি প্ৰয়োজন, গতিকে) যদি তোমালোকে এইটো নকৰা (আৰু সাহায্য-সহায়তা কৰিবলৈ আগবাঢ়ি নাহা) তেন্তে দেশত (অসৎ লোকৰ কাৰ্যকলাপ বৃদ্ধি পাব আৰু তাৰ ফলত) অনাচাৰ আৰু মহা বিপৰ্যয় সৃষ্টি হ'ব।

**৭৪** আৰু যিসকলে ঈমান আনিছে আৰু হিজৰত কৰিছে আৰু আল্লাহৰ পথত জিহাদ কৰিছে, আৰু যিসকলে আশ্ৰয় দিছে আৰু সাহায্য কৰিছে, এওঁলোক নিজেই হৈছে প্ৰকৃত মুমিন। এওঁলোকৰ কাৰণেই ৰৈছে (ভুল-ভ্ৰান্তিৰ পৰা) পৰিত্ৰাণ আৰু মহৎ জীৱিকা।

**৭৫** আৰু যিসকলে পাচত ঈমান আনিছে আৰু হিজৰত কৰিছে আৰু তোমালোকৰ লগ লাগি সংগ্ৰাম কৰিছে, সেইসকলো তোমালোকৰ মাজৰ (আৰু ইছলামৰ ভ্ৰাতৃবন্ধনত এওঁলোকো ঘনিষ্ঠভাৱে আৱদ্ধ)। আৰু ৰক্তসম্পৰ্কৰ লোকসকল— সেইসকল আল্লাহৰ বিধানত পৰস্পৰে পৰস্পৰৰ অধিকতৰ নিকটাত্মীয় (কাৰণ মুহাজিৰ আৰু আনছাৰৰ মাজত ধন-সম্পদৰ বণ্টনত যি ধৰ্ম-ভ্ৰাতৃত্বৰ সম্পৰ্ক প্ৰতিষ্ঠিত হৈছিল সেইটো কিন্তু উত্তৰাধিকাৰী সম্পৰ্কৰ সমতুল্য নহয়)। নিসন্দেহে আল্লাহ সকলো বিষয়ে সৰ্বজ্ঞাতা (সেইকাৰণে ৰক্তসম্পৰ্কৰ আত্মীয়ক ধৰ্মীয় ভাতৃৰ ওপৰতে তেওঁ স্থান দিছে)।

* * * * * * * * * * * *

ছূৰা - ৯

# অব্যাহতি বা অনুশোচনা

*(আল বাৰ্আ'ত : ১; আত তাওবাহ্ : ৩)*

মদীনাত অৱতীৰ্ণ

**পৰিচ্ছেদ - ১**

**১** এইটো হৈছে এটি অব্যাহতি (যিটো তোমালোকক দিয়া হ'ল) আল্লাহ আৰু তেওঁৰ ৰছুলৰ ফালৰ পৰা সেইবোৰ বহুখোদাবাদীৰ প্ৰতি যিবিলাকৰ সৈতে তোমালোকে (—মুছলিমসকলে) সন্ধি কৰিছিলা (অথচ সিহঁতে তাক বাৰম্বাৰ লংঘন কৰিছে)।

**২** গতিকে (হে সন্ধিভঙ্গকাৰী মুশ্বৰিকবিলাক!) তোমালোকে দেশত অবাধে ঘূৰাফিৰা কৰা (এতিয়াৰ পৰা) চাৰিমাহ কাল (আৰু স্থিৰ কৰি লোৱা চুক্তি অনুযায়ী শান্তিৰক্ষা কৰি চলিবা নে নাই), আৰু জানি ৰাখা— তোমালোক নিশ্চয় আল্লাহৰ পৰা সাৰি যোৱাৰ পাত্ৰ নোহোৱা। আৰু আল্লাহে অৱশ্যে অবিশ্বাসীবিলাকক লাঞ্ছিত কৰি থাকে।

**৩** আৰু আল্লাহ আৰু তেওঁৰ ৰছুলৰ ফালৰ পৰা জনগণৰ প্ৰতি (নৱম হিজৰীৰ ৯ই যুল্‌হজৰ আৰাফাতত মহামিলনৰ আৰু ১০ই যুল্‌হজৰ মিনাত কুৰবানী কৰাৰ এই) মহান হজৰ দিনা এইটো এটা (গুৰুত্বপূৰ্ণ) ঘোষণা যে আল্লাহ মুশ্বৰিকবিলাকৰ ওচৰত (চুক্তি ৰক্ষাৰ পৰা) দায়মুক্ত, আৰু তেওঁৰ ৰছুলো। এতেকে তোমালোকে (—মুশ্বৰিকবিলাকে) যদি তওবা কৰা (আৰু চাৰি মাহৰ ভিতৰত সৎপথলৈ ঘূৰি আহা) তেন্তে সেইটো হ'ব তোমালোকৰ কাৰণে কল্যাণজনক; কিন্তু তোমালোকে যদি (বেইমানিত) ফিৰি যোৱা তেনেহ'লে জানি থোৱাঁ— তোমালোকে নিশ্চয় আল্লাহৰ পৰা সাৰি যোৱাৰ পাত্ৰ নোহোৱা। আৰু (হে মুহাম্মদ-ছাঃ!) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক মৰ্মন্তুদ শাস্তিৰ সংবাদ দিয়া,—

**৪** মুশ্বৰিকবিলাকৰ মাজৰ সেইবিলাকৰ বাহিৰে যিবিলাকৰ লগত তোমালোকে (—মুছলিমসকলে) চুক্তি কৰিছা, তাৰ পাচত সিহঁতে তোমালোকৰ সৈতে (চুক্তি ৰক্ষাত) কোনো ত্ৰুটি নকৰে, আৰু তোমালোকৰ বিৰুদ্ধে অন্য কাৰোবাক পৃষ্ঠপোষকতাও নকৰে, সিহঁতৰ সৈতে তেনেহ'লে সিহঁতৰ চুক্তি প্ৰতিপালন কৰা সেইবিলাকৰ মিয়াদ পৰ্যন্ত। নিসন্দেহে আল্লাহে ভাল পায় ধৰ্মপৰায়ণসকলক (যিসকলে মুছলিম-অমুছলিম সকলোৰে সৈতে ন্যায়পৰায়ণতা অৱলম্বন কৰে)।

**৫** ইয়াৰ পাচত নিষিদ্ধ মাহসমূহ যেতিয়া অতিবাহিত হৈ যায় (তথাপি অবিশ্বাসীবিলাকে বিশ্বাসঘাতকতাৰ পৰা ক্ষান্ত নহয়) তেতিয়া মুশ্বৰিকবিলাকক হত্যা কৰা য'তেই সিহঁতক পোৱা, আৰু (যিবিলাকে আত্মসমৰ্পণ কৰে) সিহঁতক বন্দী কৰা, আৰু (যিবোৰে ধৰা দিয়া নাই) সিহঁতক ঘেৰাও কৰা, আৰু (যিবিলাকক তোমালোকে ঢুকি নোপোৱা) সিহঁতৰ কাৰণে খাপ পাতি থাকা প্ৰত্যেক ঘাঁটিতে। কিন্তু (ইয়াৰ পাচতো) যদি সিহঁতে তওবা কৰে আৰু (মুছলিম হৈ) নামায কায়েম কৰে আৰু যাকাত আদায় কৰে তেন্তে (স্বাধীনভাৱে চলিবলৈ) সিহঁতৰ পথ এৰি দিয়া। নিসন্দেহে আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৬** আৰু যদি মুশ্বৰিকবিলাকৰ কোনো এজনে (যুদ্ধকালীন অৱস্থাতো) তোমাৰ ওচৰত আশ্ৰয় বিচাৰে তেন্তে তাক আশ্ৰয় দিয়া যাতে সি আল্লাহৰ বাণী শুনে, তাৰ পাচত (সি ইছলাম কবুল নকৰিলেও) তাক তাৰ নিৰাপদ ঠাইত পঠাই দিয়া। এইটো এই কাৰণেই যে সিহঁত হৈছে এনে এক সম্প্ৰদায় যিবিলাকে নাজানে।

**পৰিচ্ছেদ - ২**

**৭** কেনেকৈ আল্লাহৰ সৈতে আৰু তেওঁৰ ৰছুলৰ সৈতে মুশ্বৰিকবিলাকৰ চুক্তি হ'ব পাৰে, সেইবিলাকৰ বাহিৰে যিবিলাকৰ সৈতে তোমালোকে চুক্তি কৰিছিলা (মক্কাৰ) পৱিত্ৰ মছজিদৰ ওচৰত? গতিকে যেতিয়ালৈকে সিহঁত তোমালোকৰ প্ৰতি (চুক্তিত) কায়েম থাকিব তেতিয়ালৈকে তোমালোকো সিহঁতৰ প্ৰতি কায়েম ৰ'বা। নিশ্চয় আল্লাহে ধৰ্মপৰায়ণসকলক ভাল পায়।

**৮** কেনেকৈ (এইটো সম্ভৱ) যেতিয়া সিহঁতে যদি তোমালোকৰ পিঠিত উঠিব পাৰে তেন্তে সিহঁতে তোমালোকৰ সৈতে আত্মীয়তাৰ বা চুক্তিৰ বন্ধন নামানিব? সিহঁতে তোমালোকক সন্তুষ্ট ৰাখিবলৈ বিচাৰে সিহঁতৰ মুখেৰেহে, কিন্তু সিহঁতৰ হৃদয়ে অস্বীকাৰ কৰে; আৰু সিহঁতৰ অধিকাংশই দুষ্কৃতিকাৰী।

**৯** সিহঁতে আল্লাহৰ আয়াতক অলপ মূল্যত বিনিময় কৰে (আৰু সামান্য সুযোগ সুবিধা লাভৰ আশাত আল্লাহৰ বাণীসমূহ দলিয়াই দিয়ে), সেইকাৰণে সিহঁতে (আনক) তেওঁৰ পথৰ পৰা ফিৰাই ৰাখে। নিসন্দেহে জঘন্য যি সিহঁতে কৰি আছে।

**১০** সিহঁতে কোনো মুমিনৰ বেলিকা আত্মীয়তাৰ বা চুক্তিৰ বন্ধনসম্বন্ধে নাভাৱে (সিহঁতৰ সংঘৰ্ষৰ আচল কাৰণ হ’ল মুছলিমৰ সৈতে সিহঁতৰ ধৰ্মবিশ্বাসৰ পাৰ্থক্য)। এইবিলাক নিজেই হৈছে সীমালঙ্ঘনকাৰী (গতিকে এতিয়া মুছলিমৰো প্ৰয়োজন সিহঁতৰ সৈতে চুক্তি উল্লঙ্ঘন কৰা)।

**১১** কিন্তু (ইমানখিনি বৈৰিতা সত্ত্বেও শেষলৈ) যদি সিহঁতে তওবা কৰে আৰু (হৃদয়ৰ পৰিৱৰ্তন আনি) নামায কায়েম কৰে, আৰু (জনসেৱাৰ উদ্দেশ্যে) যাকাত আদায় কৰে, তেন্তে সিহঁতে ধৰ্মত তোমালোকৰ ভাই-ককাই। আৰু আমাৰ নিৰ্দেশাৱলী আমি বিশদভাৱে বিবৃত কৰো সেই লোকসকলৰ কাৰণে যিসকলে জ্ঞান ৰাখে।

**১২** আৰু সিহঁতে যদি নিজৰ চুক্তি সম্পাদনৰ পাচতো সিহঁতৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰে আৰু তোমালোকৰ ধৰ্মসম্পৰ্কে বিদ্ৰূপ কৰে তেন্তে অবিশ্বাসীৰ চৰ্দাৰবিলাকৰ সৈতে যুদ্ধ কৰা,—বাস্তৱিকতে সিহঁতৰ বেলিকা প্ৰতিজ্ঞাবিলাক সিহঁতৰ ওচৰত একোৱেই নহয়,— (এনেকুৱাই কৰা) যাতে সিহঁতে (দুষ্কৰ্মৰ পৰা) বিৰত হ’ব পাৰে।

**১৩** তোমালোকে সেইবিলাক সম্প্ৰদায়ৰ সৈতে যুদ্ধ নকৰিবানে যিবিলাকে (হুদাইবিয়াত ৬ষ্ঠ হিজৰীতে দহ বছৰৰ বাবে সম্পাদিত গুৰুত্বপূৰ্ণ চুক্তিৰ পাচত) সিহঁতৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰিছে আৰু সঙ্কল্প কৰিছে ৰছুলক (মদীনাৰ পৰাও) উলিয়াই দিবলৈ, আৰু সিহঁতেই তোমালোকৰ ওপৰত (আক্ৰমণ) আৰম্ভ কৰিছে পোনপ্ৰথমে? তোমালোকে সিহঁতক ভয় কৰানে? কিন্তু আল্লাহেই অধিকতৰ দাবিদাৰ যে তোমালোকে তেওঁক ভয় কৰিবা— যদিহে তোমালোক (যথাৰ্থ) মুমিন হোৱা।

**১৪** সিহঁতৰ সৈতে যুদ্ধ কৰা; আল্লাহে সিহঁতক শাস্তি দিব তোমালোকৰ হাতেৰে আৰু সিহঁতক লাঞ্ছিত কৰিব, আৰু সিহঁতৰ উপৰত (বিজয় অৰ্জনত) তোমালোকক সহায় কৰিব, আৰু মুমিন সম্প্ৰদায়ৰ বুকু (তথা বুকুৰ বিষ) প্ৰশমিত কৰিব।

**১৫** আৰু (অত্যাচাৰীবোৰক মুছলিমৰ হাতেৰে নাজেহাল কৰোৱাই) তেওঁ তেওঁলোকৰ বুকুৰ ক্ষোভ নিবাৰণ কৰিব। আৰু যাকে ইচ্ছা কৰে তাৰ প্ৰতি আল্লাহ (ইছলামৰ ছাঁ’ত আশ্ৰয় দিবলৈ সদয় হৈ) ফিৰে। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**১৬** তোমালোকে ভাবি লৈছা নেকি যে তোমালোকক এৰি দিয়া হ’ব, অথচ আল্লাহে জানি লোৱা নাই তোমালোকৰ মাজৰ কোনে কোনে (তেওঁৰ পথত) সংগ্ৰাম কৰিছে, আৰু কোনবিলাকে আল্লাহৰ ব্যতিৰেকে বা তেওঁৰ ৰছুলক এৰি নাইবা মুমিনসকলৰ বাহিৰে কোনো অন্তৰঙ্গ বন্ধু গ্ৰহণ কৰা নাই? আৰু তোমালোকে যি কৰা আল্লাহ সেইসম্বন্ধে পূৰ্ণ-ওয়াকিফহাল।

## পৰিচ্ছেদ - ৩

**১৭** মুশ্বৰিকবিলাকৰ কোনো অধিকাৰ নাই যে সিহঁতে আল্লাহৰ মছজিদসমূহ দেখা-শুনা কৰিব যেতিয়া সিহঁতে সিহঁতৰ নিজৰ বিৰুদ্ধেই অবিশ্বাসৰ সাক্ষ্য দিয়ে (অৰ্থাৎ নিজেই স্বীকাৰ কৰে যে সিহঁতে আল্লাহৰ সৈতে আনৰ প্ৰতিও বিশ্বাস কৰে; কাজেই হিজৰতৰ আঠ বছৰ পাচত মক্কাবিজয়ৰ ফলত মুছলিমসকল কা’বা গৃহৰ দখলদাৰ হোৱাত এতিয়াৰ পৰা অবিশ্বাসীবিলাকৰ কোনো অধিকাৰ ইয়াত নৰ’ল)। ইহঁতেই সিহঁত যিবিলাকৰ সকলো কাম ব্যৰ্থ হৈছে, আৰু (দুযখৰ) জুইৰ মাজতেই সিহঁতে অৱস্থান কৰিব।

**১৮** প্ৰকৃততে কেৱল সেইজনেই আল্লাহৰ মছজিদসমূহ ৰক্ষণাবেক্ষণ কৰিব যিজনে আল্লাহত বিশ্বাস কৰে আৰু পৰকালতো, আৰু নামায কায়েম কৰে আৰু যাকাত আদায় কৰে, আৰু আল্লাহৰ বাহিৰে কাকোৱেই ভয় নকৰে; গতিকে সম্ভৱতঃ এওঁলোকেই হেদায়ৎপ্ৰাপ্তসকলৰ মাজৰ হ’ব পাৰিব।

**১৯** তোমালোকে (আনুষ্ঠানিক সৎকামবিলাক, যেনে) হজ যাত্ৰীসকললৈ পানী সৰবৰাহ কৰা আৰু পবিত্ৰ মছজিদৰ (অৰ্থাৎ কা’বাৰ) চোৱাচিতা কৰাকে তুল্যজ্ঞান কৰিছানে সেইজনৰ (আৰাধনাৰ) সৈতে যিজনে আল্লাহৰ প্ৰতি আৰু পৰকালৰ প্ৰতি আস্থা ৰাখিছে আৰু (সৰ্বস্ব ত্যাগ কৰি) আল্লাহৰ পথত সংগ্ৰাম কৰিছে? আল্লাহৰ ওচৰত এওঁলোক সমতুল্য নহয়। আৰু আল্লাহে অন্যায়কাৰী সম্প্ৰদায়ক সৎপথত পৰিচালনা নকৰে।

**২০** যিসকলে (আন্তৰিকতাৰ সৈতে) ঈমান আনিছে আৰু হিজৰত কৰিছে আৰু (ইছলাম প্ৰতিষ্ঠাৰ কাৰণে) আল্লাহৰ পথত নিজৰ দন-দৌলত আৰু নিজৰ জান-প্ৰাণ দি সংগ্ৰাম কৰিছে, তেওঁলোকেই আল্লাহৰ ওচৰত মৰ্যাদাত উন্নততৰ। আৰু এওঁলোক নিজেই (আল্লাহৰ নৈকট্যলাভত) সফলকাম।

**২১** তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক সুসংবাদ দিছে (চাৰিটা দিশত, যেনে) *(১)* তেওঁৰ তৰফৰ পৰা করুণাধাৰাৰ আৰু *(২)* (তেওঁৰ) প্ৰসন্নতাৰ আৰু *(৩)* (বেহেশ্বতৰ) বাগ-বাগিচাৰ য’ত তেওঁলোকৰ নিমিত্তে ৰৈছে চিৰস্থায়ী সুখ-সমৃদ্ধি—

**২২** তাতেই তেওঁলোক থাকিব চিৰকাল। নিসন্দেহে *(৪)* আল্লাহ— তেওঁৰ ওচৰত (ইয়াৰ উপৰিও) ৰৈছে (তেওঁৰ নৈকট্যলাভৰ) পৰম পুৰস্কাৰ।

**২৩** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ পিতৃবৰ্গক আৰু তোমালোকৰ ভাতৃবৃন্দক তোমালোকে অভিভাৱকৰূপে গ্ৰহণ নকৰিবা যদি সিহঁতে বিশ্বাসতকৈ অবিশ্বাসকেই ভাল পায়। আৰু তোমালোকৰ মাজৰ যিকোনোবাই (ধৰ্মীয় জীৱন যাপনত) সিহঁতক মুৰব্বীৰূপে গ্ৰহণকৰে তেন্তে সিহঁত নিজেই হ’ব অন্যায়কাৰী।

**২৪** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “যদি তোমালোকৰ পিতাহঁত আৰু তোমালোকৰ পুতেকবোৰ আৰু তোমালোকৰ ভাতৃবিলাক আৰু তোমালোকৰ পৰিবাৰবিলাক আৰু তোমালোকৰ আত্মীয়-স্বজন আৰু ধন-সম্পত্তি যি তোমালোকে অৰ্জন কৰিছা, আৰু ব্যৱসায়-বাণিজ্যত ইয়াৰ অচলাৱস্থা তোমালোকে আশংকা কৰা, আৰু বাৰী-ঘৰ যি তোমালোকে ভাল পোৱা— (এইবিলাক যদি) তোমালোকৰ ওচৰত আল্লাহ আৰু তেওঁৰ ৰছুলতকৈ আৰু তেওঁৰ পথত সংগ্ৰামতকৈয়ো অধিকতৰ প্ৰিয় হয় তেন্তে অপেক্ষা কৰা যেতিয়ালৈকে নেকি আল্লাহে লৈ আহে (তোমালোকক সকলো অনুগ্ৰহৰ পৰা বঞ্চিত কৰাৰ) তেওঁৰ আদেশ।” আৰু আল্লাহে দুষ্কৃতিকাৰী সম্প্ৰদায়ক সৎপথ প্ৰদৰ্শন নকৰে।

## পৰিচ্ছেদ - ৪

**২৫** আল্লাহে স্বৰূপতে বহু ক্ষেত্ৰত তোমালোকক সহায় কৰিছে, আৰু হুনাইনৰ (যুদ্ধৰ) দিনতো (যি যুদ্ধ তোমালোকে ৮ম হিজৰীত মক্কাৰ পৰা পাঁচ কিঃ মিঃ দূৰৈত কৰিছিলা, আৰু) যেতিয়া তোমালোকৰ সংখ্যাধিক্যই তোমালোকক উৎফুল্ল কৰিছিল, কিন্তু সেইটোৱে তোমালোকক কোনোভাৱেই লাভৱান কৰা নাই, আৰু পৃথিৱী বিস্তৃত হোৱা সত্ত্বেও তোমালোকৰ কাৰণে হৈছিল সংকীৰ্ণ; (শত্ৰুপক্ষৰ প্ৰচণ্ড আক্ৰমণৰ) ফলত তোমালোকে হুঁহকি গৈছিলা পলায়নপৰ হৈ।

**২৬** তাৰ পাচত আল্লাহে তেওঁৰ প্ৰশান্তি বৰ্ষণ কৰিলে তেওঁৰ ৰছুলৰ ওপৰত (যিজনে প্ৰথমে অকলশৰে তীৰন্দাজবিলাকৰ সৈতে যুদ্ধ কৰিছিলে) আৰু মুমিনসকলৰ ওপৰত (যিসকলে শীঘ্ৰেই ৰছুলৰ লগ লাগি বিজয় লাভত সহায় কৰিছিল), আৰু তেওঁ (যুদ্ধক্ষেত্ৰত) অৱতীৰ্ণ কৰিছিলে (ফিৰিশ্বতাসকলৰ এনে) এক সেনাবাহিনী যিটো তোমালোকে দেখা পোৱা নাছিলা, আৰু (এইদৰে আল্লাহে সাহায্য প্ৰদান কৰি) শাস্তি দিছিলে সিহঁতক যিবিলাকে অবিশ্বাস পোষণ কৰে (আৰু ইয়াৰ ফলত তেওঁ তোমালোকৰ দখললৈ আনি দিলে সিহঁতৰ শিবিৰবিলাক আৰু সাজ-সৰঞ্জাম আৰু ৰচদসমূহ আৰু পশুপাল আৰু পৰিয়ালবৰ্গ যিবিলাকক সিহঁতে গৰ্বভাৰত লগত লৈ আহিছিল নিশ্চিত বিজয়ৰ আনন্দ কৰিবলৈ)! আৰু এয়ে হৈছে অবিশ্বাসীবিলাকৰ কৰ্মফল।

**২৭** তাৰ পাছত আল্লাহে ইয়াৰ পাচতো (সদয় হৈ) ফিৰে যাৰ প্ৰতি তেওঁ ইচ্ছা কৰে। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**২৮** হে-ৰা যিসকলে ঈমান আনিছা! নিসন্দেহে মুশ্বৰিকবিলাক হৈছে অপৱিত্ৰ (কিয়নো সিহঁত অপৱিত্ৰ দেৱ-দেৱীৰ পঙ্কিলতাত বুৰি গৈছে), এতেকে সিহঁতৰ এই (নৱম হিজৰী) বছৰৰ পাছত সিহঁত পৱিত্ৰ মছজিদৰ (অৰ্থাৎ কা'বাৰ) ওচৰত আহিব নোৱাৰিব; আৰু যদি তোমালোকে (সিহঁতৰ অহা-যোৱা বন্ধ কৰি দিয়াত মক্কাত ব্যৱসায়ত মন্দা পৰিব বুলি ভাবি) দৰিদ্ৰতাৰ আশংকা কৰা তেনেহলে (জানি ৰাখা—) আল্লাহে অলপতেই তোমালোকক সমৃদ্ধ কৰিব তেওঁৰ কৰুণা-ভণ্ডাৰৰ পৰা যদি তেওঁ (তেনেকুৱা) বিচাৰে (সেইহেতু মক্কাৰ সমৃদ্ধি দিনক-দিনে বাঢ়িবহে নকমে)। নিশ্চয় আল্লাহ সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**২৯** যুদ্ধ কৰা সিহঁতৰ সৈতে যিবিলাকে আল্লাহত বিশ্বাস নকৰে আৰু আখেৰাতৰ দিনতো নকৰে, আৰু নিষেধ নকৰে (সেইবিলাক পাপাচাৰ) যিবিলাক আল্লাহে আৰু তেওঁৰ ৰছুলে নিষেধ কৰিছে, আৰু সত্যধৰ্মক ধৰ্মৰূপে গ্ৰহণ নকৰে— সিহঁতৰ মাজৰ পৰা যিসকলক ধৰ্মগ্ৰন্থ দিয়া হৈছে (আৰু ধৰ্মৰ বাণী শুনোৱা হৈছে)— যেতিয়ালৈকে নেকি সিহঁতে নিজহাতে জিযিয়া (অৰ্থাৎ সক্ষম-সমৰ্থ অমুছলিম নাগৰিকে ৰাষ্ট্ৰৰ কাৰণে যুদ্ধ কৰাৰ পৰা অব্যাহতি আৰু লগতে নিজৰ নিৰাপত্তা লাভৰ বিনিময়ত দিবলগীয়া কৰ) প্ৰদান কৰে, আৰু সিহঁতে (ইছলামী ৰাষ্ট্ৰৰ) আনুগত্য মানি লয় (আনহাতে মুছলিমৰ দেয় যাকাত আৰু সেনা বাহিনীত বাধ্যতামূলক কাম কৰাৰ পৰিপ্ৰেক্ষিতত অমুছলিমৰ কোনোবাই যদি জিযিয়া কৰ দিয়াত আপত্তি কৰে তেন্তে সেইটো অৱশ্যেই ৰাষ্ট্ৰদ্ৰোহিতা বুলি গণ্য হ'ব, গতিকে তেনে বিদ্ৰোহী প্ৰজাৰ বিৰুদ্ধে তোমালোকে অস্ত্ৰধাৰণ কৰিবই লাগিব)।

## পৰিচ্ছেদ - ৫

**৩০** আৰু ইহুদীবিলাকে কয়— “উযাইৰ (বা এযৰা) আল্লাহৰ পুত্ৰ”, আৰু খ্ৰীষ্টানবিলাকে কয়— “মছীহ আল্লাহৰ পুত্ৰ।” এইবিলাক হৈছে (একে-অন্যে টেক্কা মৰাৰ কাৰণে) সিহঁতৰ মুখেৰে সিহঁতৰ কোৱাকুই মাথোন,— সিহঁতে সেইবিলাকৰ কথাৰ অনুসৰণ কৰে যিবিলাকে পূৰ্বকালত অবিশ্বাস পোষণ কৰিছিল (আৰু পৌৰাণিক কল্প-কাহিনীত বিশ্বাস কৰিছিল)। আল্লাহে (তেওঁৰ প্ৰতি এই ধৰনৰ অপবাদ আৰোপ কৰাৰ কাৰণে) সিহঁতক ধ্বংস কৰিব। সিহঁত কেনেকৈ (একক আল্লাহৰ পৰা) বিমুখ হয়।

**৩১** সিহঁতে আল্লাহক এৰি সিহঁতৰ পণ্ডিতবিলাকক আৰু সন্ন্যাসীবিলাকক প্ৰভুৰূপে গ্ৰহণ কৰিছে, আৰু মৰিয়ম-পুত্ৰ মছীহকো (সিহঁতে খোদাৰ পৰ্যায়লৈ উঠাই নিছে); অথচ কেৱল এক উপাস্যৰ উপাসনা কৰাৰ বাহিৰে অন্য নিৰ্দেশ সিহঁতক দিয়া হোৱা নাছিল। তেওঁৰ বাহিৰে আন উপাস্য নাই। তেওঁৰেই সকলো মহিমা— সিহঁতে যিবিলাকক অংশী থিয় কৰায় সেইবিলাকৰ পৰা (তেওঁ কিমান বেচি মহিমান্বিত)!

**৩২** সিহঁতে (অৰ্থাৎ সেইবিলাক পাণ্ডা-পণ্ডিত, সাধু-সন্ন্যাসী যিবিলাকে নিজকে দেৱতুল্য জ্ঞান কৰি) আল্লাহৰ জেউতি নুমাই দিবলৈ বিচাৰে সিহঁতৰ মুখেৰে (ফুঁই-মাৰি, নাইবা মুখৰ কথাৰে আল্লাহৰ বাণীক উড়াই দি নিজকে মুৰিদ-শিষ্যবিলাকৰ গুৰুৰূপে প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰে); অথচ আল্লাহে নিজ জেউতি পূৰ্ণ নকৰাকৈ নাথামে, যদিও অবিশ্বাসীবিলাকে (ইছলামৰ সফলতা প্ৰাপ্তিত) অসন্তোষ বোধ কৰিছে।

**৩৩** তেৱেঁই সেইজন যিজনে তেওঁৰ ৰছুলক (অৰ্থাৎ মুহাম্মদ-ছাঃ-ক) পঠিয়াইছে পথনিৰ্দেশ আৰু সত্যধৰ্মৰ সৈতে যাতে তেওঁ (প্ৰচণ্ড প্ৰতিবন্ধকতা সত্ত্বেও একনিষ্ঠ প্ৰচাৰক মণ্ডলীৰ প্ৰচেষ্টাত) তাকে প্ৰাধান্য দিব পাৰে (বিকৃত হৈ যোৱা অন্যান্য) আটাইকেইটা ধৰ্মমতৰ ওপৰত, যদিও মুশ্বৰিকবিলাকে অনিচ্ছা প্ৰকাশ কৰে।

**৩৪** হেৰা যিসকলে ঈমান আনিছা! নিসন্দেহে (ইহুদী) পণ্ডিত সকলৰ আৰু (খ্ৰীষ্টান) সন্ন্যাসীসকলৰ মাজৰ অনেকেই (অন্তৰেৰে চয়তান কিন্তু বাহিৰত সাধু সাজি) লোকৰ ধন-সম্পত্তি অন্যায়ভাৱে গ্ৰাস কৰে, আৰু (সাধাৰণ মানুহক নিজৰ আনুগত্যলৈ আনি) আল্লাহৰ পথৰ পৰা ফিৰাই ৰাখে। বস্তুতঃ যিবিলাকে সোণ আৰু ৰূপ (নিজৰেই ভোগ-বিলাসৰ কাৰণে) সাঁচি থয় অথচ সেইটো আল্লাহৰ পথত খৰচ নকৰে, (হে মুহাম্মদ-ছাঃ!) সিহঁতক তেনেহলে সংবাদ দিয়া মৰ্মন্তুদ শাস্তিৰ—

**৩৫** যিদিনা এইবোৰ (সাঁচি থোৱা সম্পদ) উত্তপ্ত কৰা হ'ব জাহান্নামৰ জুইত, তাৰ পাছত সেইবিলাকৰে (পুৰি) দাগ দিয়া হ'ব সিহঁতৰ কপালত আৰু সিহঁতৰ পাৰ্শ্বদেশত আৰু সিহঁতৰ পিঠিত। (সেইদিনা কোৱা হ'ব—) “এইটোৱেই সেইটো (বিষয়-সম্পত্তি) যিটো তোমালোকে গোটাই থৈছিলা, এতেকে সোৱাদ লোৱা যি তোমালোকে গোটাই থৈছিলা।”

**৩৬** নিসন্দেহে আল্লাহৰ ওচৰত (ভূ-মণ্ডলৰ সকলো ঠাইতেই) মাহসমূহৰ সংখ্যা হৈছে আল্লাহৰ বিধানত (বছৰত) বাৰ মাহ,— (এই নিয়ম নির্ধাৰিত হৈছে) যিদিনাৰ পৰা তেওঁ মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে; ইয়াৰ মাজৰ চাৰিটা হৈছে পৱিত্ৰ (যেনে মুহৰৰম, ৰযব, যুল্-ক্বাদ আৰু যুল্-হজ)। এয়ে হৈছে সুপ্ৰতিষ্ঠিত বিধান; এতেকে ইয়াৰ মাজত (অর্থাৎ এই মাহ চাৰিটাৰ পৱিত্ৰতা লঙঘন কৰি) তোমালোকৰ নিজৰে প্ৰতি অন্যায় নকৰিবা, আৰু মুশ্বৰিকবিলাকৰ বিৰুদ্ধে সমবেতভাৱে যুদ্ধ কৰা যেনেকৈ সিহঁতে সমবেতভাৱে তোমালোকৰ সৈতে (পৱিত্ৰ মাহৰ মাজতো) যুদ্ধ কৰি থাকে। আৰু জানি থোৱা— আল্লাহ অৱশ্যে ধর্মভীৰুসকলৰ লগতে ৰৈছে।

**৩৭** (বেইমানী কৰি পৱিত্ৰ মাহ) পিছুৱাই দিয়া অবিশ্বাসৰেই মাত্ৰা বৃদ্ধি মাত্ৰ; ইয়াৰ দ্বাৰা যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক (আৰু বেচিকৈ) পথভ্ৰষ্ট কৰা হয় (কাৰণ) সিহঁতে এইটো বৈধ কৰে কোনো বছৰত আৰু ইয়াক অবৈধ কৰে কোনো বছৰত, যাতে সিহঁতে ঠিক ৰাখিব পাৰে (মাহৰ) সংখ্যা যিটো আল্লাহে অবৈধ কৰিছে,— এইদৰে সিহঁতে বৈধ কৰে যি আল্লাহে অবৈধ কৰিছে (আৰু সেইহেতু মানুহৰ জান-মালৰ নিৰাপত্তা বিঘ্নিত হৈছিল)। সিহঁতৰ বেয়া কামবিলাক সিহঁতৰ ওচৰত শোভনীয় কৰা হৈছে (যিহেতু পঙ্কিলতাৰ মাজত ডুবি থকাটোকে সিহঁতে ভাল পায়)। আৰু আল্লাহে অবিশ্বাসী সম্প্ৰদায়ক সৎপথ নেদেখুৱায়।

## পৰিচ্ছেদ - ৬

**৩৮** হেৰা যিসকলে ঈমান আনিছা! তোমালোকৰ কি হৈছিল যেতিয়া (নৱম হিজৰীৰ মাজভাগত) তোমালোকক কোৱা হৈছিল— “আল্লাহৰ পথত (ৰোম সম্ৰাটৰ আক্ৰমণাত্মক আচৰণৰ কাৰণে তাবুক অভিযানত) ওলাই যোৱা”,— তেতিয়া তোমালোকে গধুৰ হৈ মাটিত লাগি থাকিছিলা (আৰু আপত্তি তুলিছিলা প্ৰবল জহৰ, চিৰীয়ালৈকে দীঘল পথৰ, পকি উঠা ফচল তোলাৰ, খৰাং বতৰৰ, আৰু ৰোম সৈন্যৰ দক্ষতা-ক্ষমতাৰ অজুহাত দেখুৱাই)? তোমালোকে পৰকালৰ (অফুৰন্ত অনুগ্ৰহসামগ্ৰীৰ) পৰিৱৰ্তে এই দুনিয়াৰ জীৱনত বেচি পৰিতুষ্ট হৈছানে? বস্তুতঃ পার্থিৱ জীৱনৰ ভোগ-বিলাস পৰকালৰ তুলনাত যৎসামান্য নহয় জানো?

**৩৯** যদি তোমালোকে (অভিযানত) ওলাই নোযোৱা তেন্তে তেওঁ তোমালোকক (শত্ৰুবিলাকৰ হাতত নিপীড়িত কৰি) শাস্তি দিব মর্মন্তুদ শাস্তিৰে আৰু তোমালোকৰ পৰিবৰ্তে বদলাই ল’ব (অধিকতৰ কর্তব্যনিষ্ঠ) অইন এক জাতিক, আৰু তোমালোকে তেওঁৰ (উদ্দেশ্য সিদ্ধিত) কোনো ক্ষতিয়েই কৰিব নোৱাৰিবা। বস্তুতঃ আল্লাহ সকলোৰে ওপৰত সর্বশক্তিমান।

**৪০** তোমালোকে যদি তেওঁক (—মুহাম্মদ-ছাঃ-ক) সাহায্য নকৰা তেন্তে (স্মৰণ কৰা—) আল্লাহে তেওঁক ইতিপূর্বে সাহায্য কৰিছিলে যেতিয়া যিবিলাকে অবিশ্বাস পোষণ কৰিছিল সিহঁতে তেওঁক (মক্কাৰ পৰা) উলিয়াই দিছিল (আৰু সকলো গোত্ৰপতি একেলগে তেওঁৰ প্ৰাণনাশৰ আপ্ৰাণ চেষ্টা চলাইছিল, আৰু মক্কাৰ পৰা পাঁচ কিলোমিটাৰ দূৰৈত ‘ছাউৰ’ নামৰ গুহাত তিনি ৰাতিলৈকে একমাত্ৰ সঙ্গী বোলোতে আবুবকৰৰ সৈতে তেওঁলোক প্ৰত্যেকে আছিল) দুইজনৰ দ্বিতীয়জন, যেতিয়া তেওঁলোক দুজন আছিলে গুহাৰ ভিতৰত (আৰু শত্ৰুবিলাকে তেওঁলোকৰ পদচিহ্ন অনুসৰণ কৰি গুহাৰ মুখলৈকে আহি পাইছিল), যেতিয়া (সেই চৰম অসহায় অৱস্থাত আবুবকৰৰ কৰুণ মন্তব্য ঃ ‘আমিতো মাত্ৰ দুজন’— ইয়াৰ জবাবত) তেওঁ তেওঁৰ সঙ্গীক কৈছিলে— “দুখ নকৰিবা, (আমি দুজন নহওঁ, কিয়নো) নিশ্চয় আল্লাহ আমাৰ লগত আছে।” ইয়াৰ পাচত আল্লাহে তেওঁৰ প্ৰশান্তি অৱতাৰণ কৰিছিলে তেখেতৰ ওপৰত, আৰু তেওঁৰ বলবৃদ্ধি কৰিছিলে এনে এক (ফিৰিশ্বতাৰ) বাহিনী দি যিবিলাকক তোমালোকে দেখিবলৈ পোৱা নাই। আৰু যিবিলাকে অবিশ্বাস পোষণ কৰিছিল সিহঁতৰ (মইবৰ) কথা-বার্তাক তেওঁ হেয় কৰিছিল। আৰু আল্লাহৰ বাণী— সেইটোৱে হৈছে উচ্চতম। আৰু আল্লাহ হৈছে মহাশক্তিশালী, পৰম জ্ঞানী।

**৪১** তোমালোক (যিয়ে যিমান পাৰা অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ অভিযানত) লঘুভাৱে আৰু গধুৰ হৈ ওলাই যোৱা, আৰু তোমালোকৰ ধন-সম্পদ আৰু তোমালোকৰ জান-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰা। এইটোৱেই তোমালোকৰ পক্ষে ভাল যদি তোমালোকে (ইয়াৰ শুভ পৰিণাম) জানিলাহেঁতেন।

**৪২** এইটো আশু লাভৰ বিষয় আৰু চুটি ভ্ৰমণ হোৱা হলে সিহঁতে নিশ্চয় তোমালোকক অনুসৰণ কৰিলেহেঁতেন, কিন্তু দুর্গম পথ সিহঁতৰ ওচৰত সুদীর্ঘ যেন লাগিল। আৰু সিহঁতে আল্লাহৰ নামত শপত খাই ক’লে— “আমি যদি সক্ষম হ’লো হেঁতেন তেন্তে আমিও নিশ্চয় তোমালোকৰ সৈতে ওলাই পৰিলোহেঁতেন।” সিহঁতে (মিছা অজুহাতত পাচপৰি ৰৈ যোৱাত) সিহঁতৰ নিজৰেই ধ্বংস সাধন কৰিছে, আৰু আল্লাহে জানে যে সিহঁত অৱশ্যেই ডাঙৰ মিথ্যাবাদী।

## পৰিচ্ছেদ - ৭

**৪৩** (হে মুহাম্মদ-ছাঃ!) আল্লাহে তোমাক ক্ষমা কৰক (কাৰণ তাবুক অভিযানত যোৱাৰ বিষয়ত তুমি মুনাফিকবিলাকৰ প্ৰতি বৰ কোমলতা দেখুৱাই পেলাইছা)! কিয় তুমি সিহঁতক অব্যাহতি দিলা যেতিয়ালৈকেনো তোমাৰ ওচৰত সুপষ্ট হৈছিল যে কোনে সঁচাকথা কৈছে আৰু তুমি (বিচাৰ কৰি) জানিব পাৰিছিলা মিথ্যাবাদীবিলাকক?

**৪৪** যিসকলে আল্লাহত আৰু আখেৰাতৰ দিনত আস্থা ৰাখে তেওঁলোকে তোমাৰ ওচৰত (অব্যাহতিৰ) অনুমতি নিবিচাৰে তেওঁলোকৰ ধন-সম্পদ আৰু তেওঁলোকৰ জান-প্ৰাণ দি সংগ্ৰাম কৰাৰ পৰা। আৰু আল্লাহ ধর্মপৰায়ণসকলৰ সম্পর্কে সর্বজ্ঞাতা।

**৪৫** তোমাৰ ওচৰত (অব্যাহতিৰ কাৰণে) অনুমতি বিচাৰে কেৱল এইবিলাকেই যিবিলাকে আল্লাহত আৰু শেষদিনত ঈমান নানে, আৰু সিহঁতৰ হৃদয় সন্দেহময়। এতেকে সিহঁতৰ সন্দেহৰ মাজতেই সিহঁত দোধোৰমোৰত পৰিছে।

**৪৬** আৰু সিহঁতে যদি (ঠিকঠিকেই যুদ্ধত) ওলাবলৈ ইচ্ছা কৰিলেহেঁতেন তেন্তে সিহঁতে নিশ্চয় তাৰ কাৰণে ৰসদপাতি যোগাৰ কৰিলেহেঁতেন; কিন্তু

সিহঁতৰ যাত্ৰাত আল্লাহ অনিচ্ছুক (কিয়নো তেওঁ জানে যে সিহঁত সহযাত্ৰী হলেও শেষপৰ্যন্ত বিশ্বাসঘাতকতা কৰিব), সেইকাৰণে (সহযাত্ৰাৰ পৰা) সিহঁতক তেওঁ আঁতৰাই ৰাখিছে; আৰু (সিহঁতক) কোৱা হ'ল— “বহি থাকা বহি-থকাবিলাকৰ সৈতে।”

**৪৭** সিহঁতে যদি তোমালোকৰ লগত ওলাই গ'লহেঁতেন তেন্তে সিহঁতে (পদে পদে) বিশৃঙ্খলা সৃষ্টিৰ বাহিৰে তোমালোকৰ বাবে অইন একোৱেই নবঢ়ালেহেঁতেন; আৰু সিহঁতে নিশ্চয় তোমালোকৰ মাজত লৰা-ঢাপৰাহে কৰিলেহেঁতেন তোমালোকৰ মাজত বিদ্ৰোহ (সৃষ্টিৰ) কামনা কৰি, আৰু তোমালোকৰ মাজত সিহঁতৰ কথা শুনা (দুৰ্বলচিত্ত) মানুহো ৰৈছে। আৰু আল্লাহ অত্যাচাৰীবিলাকৰ সম্বন্ধে সৰ্বজ্ঞাতা।

**৪৮** সিহঁতে দৰাচলতে ইতিপূৰ্বে (তোমালোকৰ দলৰ বাহিৰৰ পৰা) বিশৃঙ্খলা সৃষ্টি কৰিবলৈ বিচাৰিছিল আৰু সিহঁতে তোমাৰ কাৰণে কাজকৰ্ম পণ্ড কৰিবলৈ গৈছিল যেতিয়ালৈকেনো (সিহঁতৰ মুখা খুলি দিয়া) সত্য (বাণী) অহিছিল আৰু আল্লাহৰ আদেশ প্ৰকাশ পালে, যদিও সিহঁতে (নিজৰ গুপ্তকথা ব্যক্ত হোৱাত) অনিচ্ছুক আছিল।

**৪৯** আৰু সিহঁতৰ মাজত এনে (লোক) আছে যি কয়— “আমাক (ঘৰতে থাকিবলৈ) এৰি দিয়া আৰু আমাক (যুদ্ধক্ষেত্ৰত অস্ত্ৰচালনাৰ বা চীৰিয়াৰ সুন্দৰীবিলাকৰ মোহত পৰাৰ) সমস্যাত নেপেলাবা।” সিহঁত (ইতিমধ্যেই সিহঁতৰ মুখা খুলি পৰাত) সমস্যাত পৰি যোৱা নাইনে? আৰু আচলতে জাহান্নাম অবিশ্বাসীবিলাকক আগুৰি ধৰিয়েই ৰৈছে।

**৫০** (হে মুহাম্মদ-ছাঃ!) যদি তোমাৰ ওপৰত ভাল কিবা ঘটে তেন্তে সেইটোৱে সিহঁতক দুখ দিয়ে, আৰু যদি তোমাৰ কোনো বিপদ ঘটে সিহঁতে কয়— “আমিতো আমাৰ বিষয় আগতেই আঁতৰাই নিছিলো”; আৰু সিহঁত ওভতি যায় আৰু (ইয়াতে) সিহঁত উৎফুল্ল হয়।

**৫১** কোৱা (হে মুহাম্মদ-ছাঃ!)— “আল্লাহে আমালোকৰ কাৰণে যি বিধান কৰিছে তাৰ ব্যতিৰেকে (তোমালোকৰ মনোবাঞ্ছা অনুযায়ী অন্য) একোৱেই আমাৰ ওপৰত কেতিয়াও নঘটিব। তেৱেঁই আমাৰ ৰক্ষাকাৰী বন্ধু; আৰু আল্লাহৰ ওপৰতেই মুমিনসকলৰ (কৰ্মফল লাভৰ কাৰণে) নিৰ্ভৰ কৰা উচিত।”

**৫২** তুমি কোৱা— “(হে বিৰোধী দল!) তোমালোকে আমাৰ কাৰণে দুটা কল্যাণৰ (যেনে জিকিলে ‘গাজী’ মৰিলে ‘শ্বহীদ’-ৰ) কোনো এটাৰ বাহিৰে আৰু কিহৰ অপেক্ষা কৰিব পাৰা? আৰু আমি তোমালোকৰ কাৰণে অপেক্ষা কৰিছো যে আল্লাহে তোমালোকক শাস্তি পাৰিব তেওঁৰ ফালৰ পৰা (খোদাই গযব নাযিল কৰি) নাইবা আমাৰ হাততে (শাস্তি প্ৰদান কৰি)। এতেকে তোমালোকে অপেক্ষা কৰা (আমাৰ ওপৰত বিপৰ্যয় ঘটাৰ আশাত), আমিও অৱশ্যেই তোমালোকৰ লগতে (তোমালোকৰ পৰিণতি দেখাৰ আশাত) অপেক্ষমান।”

**৫৩** (আৰু) কোৱা— “(হে কপটাচাৰী মানুহবোৰ! প্ৰতিৰক্ষাৰ নিমিত্তে) তোমালোকে ইচ্ছাকৃতভাৱে খৰচ কৰা অথবা অনিচ্ছাকৃতভাৱে, তোমালোকৰ পৰা সেইটো কেতিয়াও কবুল কৰা নহ'ব (কিয়নো তোমালোকে যদিওবা কিছু খৰচ কৰা সেইটো অন্তৰ খোলোচা কৰি নকৰা)। তোমালোক আচলতে হৈছা এটা দুষ্কৃতিকাৰী সম্প্ৰদায়।”

**৫৪** আৰু (প্ৰতিৰক্ষাৰ ক্ষেত্ৰত) সিহঁতৰ খৰচপত্ৰ সিহঁতৰ পৰা কবুল হোৱাত সিহঁতৰ কাৰণে কোনো বাধা নাছিল কেৱল এই কাৰণৰ বাহিৰে যে সিহঁতে আল্লাহত আৰু তেওঁৰ ৰছুলৰ প্ৰতি অবিশ্বাস পোষণ কৰে। আৰু সিহঁত নামাযত নাহে সিহঁতৰ ইতস্ততঃ কৰা অৱস্থা অবিহনে, আৰু সিহঁতে খৰচ নকৰে সিহঁতৰ অনিচ্ছাৰ ভাৱ নথকাকৈ।

**৫৫** সিহঁতৰ (অগাধ) ধনদৌলত তোমাক যাতে তাজ্যব নকৰে আৰু সিহঁতৰ (মস্তান) সন্তান-সন্ততিয়েও নহয়। আল্লাহে অৱশ্যে বিচাৰে এইবিলাকৰ দ্বাৰা পাৰ্থিৱ জীৱনত সিহঁতক শাস্তি দিবলৈ; আৰু (আল্লাহতে আস্থা নথকাত ধনজনৰ মোহতপাক ঘূৰণি খাই দেহৰ পৰা) সিহঁতৰ প্ৰাণ এৰি যায় সিহঁত অবিশ্বাসী থকা অৱস্থাতে।

**৫৬** আৰু সিহঁতে আল্লাহৰ নামত শপথ খায় যে সিহঁত নিশ্চয়কৈ তোমালোকৰেই মাজৰ। কিন্তু সিহঁত (আচলতে) তোমালোকৰ মাজৰ নহয়; বস্তুতঃ সিহঁত এনে এক সম্প্ৰদায় যিবিলাক কাপুৰুষ।

**৫৭** সিহঁতে যদি পালেহেঁতেন (লুকাবৰ কাৰণে) কোনো আশ্ৰয়স্থল বা কোনো গুহা-গহ্বৰ অথবা সোমাই যোৱা বাট,— সিহঁত নিশ্চয় সেই ঠাইলৈ গুচি গ'লহেঁতেন ততাতৈয়াকৈ পলায়নপৰ হৈ।

**৫৮** আৰু (হে মুহাম্মদ-ছাঃ!) ইহঁতৰ মাজত এনেও আছে যি তোমাক দোষাৰোপ কৰে দানৰ (বণ্টনৰ) বিষয়ত। কিন্তু সিহঁতক যদি ইয়াৰ পৰা (কিছু অংশ) দিয়া হয় তেন্তে সিহঁত খুচি হয়, আৰু যদি ইয়াৰ পৰা সিহঁতক দিয়া নহয় তেনেহ'লে চোৱা!— সিহঁতে খং কৰে।

**৫৯** আৰু ইহঁত যদি সন্তুষ্ট থাকিলহেঁতেন আল্লাহ আৰু তেওঁৰ ৰছুলে ইহঁতক যি দিছে তাতে আৰু ক'লেহেঁতেন— “আল্লাহেই আমাৰ কাৰণে যথেষ্ট,— আল্লাহে শীঘ্ৰেই তেওঁৰ কৰুণা ভাণ্ডাৰৰ পৰা আমাক (প্ৰচুৰ পৰিমাণে) দিব আৰু তেওঁৰ ৰছুলেও; নিসন্দেহে আল্লাহৰ পিনেই আমি আসক্ত” (— তেনেহ'লে এইটোৱেই কিমান ভাল হ'লহেঁতেন)!

## পৰিচ্ছেদ - ৮

**৬০** (যাকাতৰ) দানতো কেৱল *(১)* অক্ষমবিলাকৰ কাৰণে, আৰু *(২)* অভাৱগ্ৰস্তবিলাকৰ, আৰু *(৩)* ইয়াৰ নিমিত্তে নিযুক্ত কৰ্মচাৰীবিলাকৰ (বেতন ভাতা বাবদ), আৰু *(৪)* যিবিলাকৰ হৃদয় (ইছলামৰ প্ৰতি) আকৃষ্ট কৰা হয় তেওঁলোকৰ (আৰু ইছলাম প্ৰচাৰৰ কাৰণে), আৰু *(৫)* দাস মুক্তিৰ বাবদ, আৰু *(৬)* ঋণগ্ৰস্তবিলাকৰ, আৰু *(৭)* আল্লাহৰ পথতে (যাবতীয় সৎকামত), আৰু *(৮)* (বিদেশলৈ আহি অভাৱত পৰি যোৱা) পথযাত্ৰীবিলাকৰ কাৰণে;— আল্লাহৰ তৰফৰ পৰা এই বিধান। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

**৬১** আৰু ইহঁতৰ (—মুনাফিকবিলাকৰ) মাজত এনেও আছে যিবিলাকে নবীক উত্যক্ত কৰে আৰু কয়— “এওঁতো কাণ দিয়ে (অৰ্থাৎ যি শুনে তাকেই বিশ্বাস কৰে)।” (হে মুহাম্মদ ছাঃ!) তুমি কোৱা— “কাণ দিয়ে তোমালোকৰ ভালৰ কাৰণে (কাৰণ আল্লাহৰ আদেশ-উপদেশ-নিৰ্দেশ তেওঁ শুনি তোমালোকৰ ওচৰত বৰ্ণনা কৰিছে), তেওঁ আল্লাহতে (তথা তেওঁৰ পৰা শুনা বাণীত) বিশ্বাস কৰে আৰু বিশ্বাস কৰে মুমিনসকলক, আৰু তোমালোকৰ মাজৰ যিসকলে ঈমান আনে তেওঁলোকৰ কাৰণে তেওঁ (আল্লাহৰ) কৰুণা।” আৰু যিবিলাকে আল্লাহৰ ৰছূলক উত্যক্ত কৰে সিহঁতৰ কাৰণে ৰৈছে মৰ্মন্তুদ শাস্তি।

**৬২** সিহঁতে তোমালোকৰ (—মুছলিমসকলৰ) ওচৰত আল্লাহৰ নামত শপথ খায় যাতে সিহঁতে তোমালোকক খুচি কৰিব পাৰে, অথচ আল্লাহ আৰু তেওঁৰ ৰছূলৰ বেচি অধিকাৰ আছে যাতে সিহঁতে (ভালকামৰ দ্বাৰা) তেওঁক খুচি কৰে, যদি সিহঁত (যথাৰ্থ) মুমিন হয়।

**৬৩** সিহঁতে নাজানেনে যে যিয়ে আল্লাহ আৰু তেওঁৰ ৰছূলৰ বিৰুদ্ধাচৰণ কৰে তাৰ কাৰণে তেন্তে ৰৈছে জাহান্নামৰ জুই— তাতে অৱস্থানৰ নিমিত্তে? এইটোৱেইতো চৰম লাঞ্ছনা।

**৬৪** মুনাফিকবিলাকে ভয় কৰে পিছে সিহঁতৰ সংক্ৰান্তত এনে কোনো ছুৰা অৱতীৰ্ণ হৈ যায় যিটোৱে সিহঁতৰ অন্তৰত যি কিবা (গৰল লুকাই) আছে সেইটো সিহঁতৰ আগত ব্যক্ত কৰি দিব। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “(যিমান খুচি) বিদ্ৰূপ কৰি থাকা; বাস্তৱতে আল্লাহে (হাটত হাড়ী ভাঙ্গি দি) উলিয়াই আনি আছে তোমালোকে যি ভয় কৰিছা তাকে।”

**৬৫** আৰু তুমি যদি ইহঁতক (এইসম্বন্ধে) প্ৰশ্ন কৰা ইহঁতে নিশ্চয় ক’ব— “আমিতো কেৱল আলাপ-আলোচনা আৰু খেল-ধেমালিহে কৰিছিলো।” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— “তোমালোকে আল্লাহ আৰু তেওঁৰ বাণীসমূহ আৰু তেওঁৰ ৰছূলক লৈ মস্কৰা কৰিছিলানে?”

**৬৬** ভাও-বাহনা নেদেখুৱাবা; তোমালোকে অৱশ্যে অবিশ্বাস কৰিছা তোমালোকৰ বিশ্বাস স্থাপনৰ পাচতো। যদি আমি তোমালোকৰ মাজৰ কোনো এদলক (ইছলাম কবুল কৰাৰ কাৰণে) ক্ষমা কৰো, অইন এক দলক (যিবিলাক সৎপথলৈ নিফিৰে সিহঁতৰ কাৰণে লাঠ্যৌষধি প্ৰয়োগত) শাস্তিও দিম, কিয়নো সিহঁত নিশ্চয় অপৰাধী।

## পৰিচ্ছেদ - ৯

**৬৭** মুনাফিক পুৰুষবিলাক আৰু মুনাফিক নাৰীবিলাক— সিহঁতৰ কিছুমান আন কিছুমানৰ মাজৰ। সিহঁতে অসৎ কামৰ নিৰ্দেশ দিয়ে আৰু সৎকামত নিষেধ কৰে, আৰু সিহঁতে (আল্লাহৰ পথত খৰচ কৰোঁতে) নিজৰ হাত কোঁচাই নিয়ে। সিহঁতে আল্লাহক পাহৰি গৈছে। সেইকাৰণে তেৱোঁ সিহঁতক পাহৰি গৈছে (আৰু তেওঁৰ কৰুণাৰ পৰা বঞ্চিত কৰিছে)। নিশ্চয় মুনাফিকবিলাক নিজেই দুষ্কৃতিকাৰী।

**৬৮** মুনাফিক পুৰুষবিলাকক আৰু মুনাফিক নাৰীবিলাকক আৰু অবিশ্বাসীবিলাকক আল্লাহে ওৱাদা কৰিছে জাহান্নামৰ জুই, (সিহঁতৰ অন্তৰৰ মলি পুৰি নিঃশেষ হৈ নোযোৱালৈকে) তাতে সিহঁতে অৱস্থান কৰিব। সেইটোৱেই সিহঁতৰ কাৰণে পৰ্যাপ্ত, আৰু আল্লাহে সিহঁতক ধিক্কাৰ দিছে আৰু সিহঁতৰ কাৰণে ৰৈছে নিৰ্ধাৰিত শাস্তি—

**৬৯** (তোমালোকৰ শাস্তি হ’ব) সিহঁতৰ নিচিনা যিবিলাক আছিল তোমালোকৰ আগতে— সিহঁত তোমালোকতকৈও বলবিক্ৰমত বেচি পৰাক্ৰমী আৰু ধন-সম্পদ আৰু সন্তান-সন্ততিত বেছি সমৃদ্ধ। পিচত সিহঁতে সিহঁতৰ ভাগ ভোগ কৰিছে; এতেকে তোমালোকেও তোমালোকৰ ভাগ ভোগ কৰিছা, যেনেকৈ সিহঁতে যিবিলাক তোমালোকৰ পূৰ্বৱৰ্তী আছিল সেইবিলাকে ভোগ কৰিছিল সিহঁতৰ ভাগ; আৰু তোমালোকেও বৃথা বাক্যালাপ কৰিছা যেনেকৈ সিহঁতেও অনৰ্থক গল্প-গুজৱ কৰিছিল। এইবিলাকেই— ইহঁতৰ ক্ৰিয়াকলাপ ব্যৰ্থ হৈছে ইহকাল আৰু পৰকালত; আৰু ইহঁত নিজেই হৈছে ক্ষতিগ্ৰস্ত।

**৭০** সিহঁতলৈ সিহঁতৰ পূৰ্বে যিবিলাক আছিল সেইবিলাকৰ সংবাদ অহা নাইনে— (যেনে) নূহ (আঃ)-ৰ লোকবিলাকৰ, আৰু ‘আদ-ৰ, আৰু চামূদ-ৰ, আৰু ইব্ৰাহীম (আঃ)-ৰ সম্প্ৰদায়ৰ, আৰু মায়দানবাসীৰ, আৰু বিধ্বস্ত নগৰসমূহৰ? সিহঁতৰ ওচৰত সিহঁতৰ ৰছূলসকল আহিছিল (আল্লাহৰ সাৰ্বভৌম কৰ্তৃত্বৰ) স্পষ্ট প্ৰমাণ লৈ। গতিকে আল্লাহতো ইহঁতৰ ওপৰত (শাস্তি প্ৰদানৰ দ্বাৰা) অবিচাৰ কৰাৰ কাৰণে নহয়, কিন্তু ইহঁতে (অবাধ্যতা বশতঃ আল্লাহৰ শাস্তি আহ্বান কৰি) ইহঁতৰ নিজৰ প্ৰতিয়েই জুলুম কৰিছিল।

**৭১** আৰু মুমিন পুৰুষসকল আৰু মুমিন নাৰীসকল— তেওঁলোকৰ কিছুমান আন কিছুমানৰ বন্ধু। তেওঁলোকে ভাল কামৰ নিৰ্দেশ দিয়ে আৰু বেয়া কামৰ পৰা (একে অন্যক) নিষেধ কৰে, আৰু তেওঁলোকে নামায কায়েম কৰে আৰু যাকাত আদায় কৰে; তেওঁলোকে আল্লাহক আৰু তেওঁৰ ৰছূলক অনুসৰণ কৰে। এওঁলোক— আল্লাহে শীঘ্ৰেই এওঁলোকক কৰুণা কৰিব (অলেখ কল্যাণ দানেৰে)। নিসন্দেহে আল্লাহ মহাশক্তিশালী, পৰম জ্ঞানী।

**৭২** (ইছলামত ধৰ্মৰ দিশৰ পৰা নাৰীৰ মৰ্যাদা পুৰুষতকৈ একো তলত নহয়, সেইকাৰণে) বিশ্বাসী পুৰুষসকলক আৰু বিশ্বাসিনী নাৰীসকলক আল্লাহে ওৱাদা কৰিছে স্বৰ্গোদ্যানসমূহ যিবিলাকৰ তলেদি বৈ গৈছে নিজৰাবোৰ, তেওঁলোকে তাতে অৱস্থান কৰিব (চিৰকাল), আৰু (পাব) পৱিত্ৰ বাসস্থানসমূহ মহোত্তম স্বৰ্গোদ্যানত। আৰু (তেওঁলোকৰ প্ৰতি) আল্লাহৰ সন্তুষ্টিয়েই হৈছে সৰ্বশ্ৰেষ্ঠ। এইটো— এইটোৱেই হৈছে চৰম সাফল্য।

## পৰিচ্ছেদ - ১০

**৭৩** হে প্ৰিয় নবী! অবিশ্বাসীবিলাকৰ আৰু মুনাফিকবিলাকৰ বিৰুদ্ধে সংগ্ৰাম কৰা আৰু সিহঁতৰ প্ৰতি কঠোৰ হোৱা, আৰু সিহঁতৰ আবাসস্থল জাহান্নাম। আৰু বেয়া সেই গন্তব্যস্থল।

**৭৪** সিহঁতে আল্লাহৰ নামত হলফ কৰে যে সিহঁতে (বেয়া) একোৱেই কোৱা নাই; অথচ সিহঁতে নিশ্চয় অবিশ্বাসৰ কথা কৈছিল, আৰু অবিশ্বাস পোষণ কৰিছিল সিহঁতৰ ইছলাম গ্ৰহণ কৰাৰ পিচতো, আৰু সিহঁতে সঙ্কল্প কৰিছিল (তাবুক অভিযানৰ পৰা উভতি অহাৰ বাটত সিহঁতে তোমাক কৰি ইছলামক নিৰ্মূল কৰিবলৈ) যিটো সিহঁতে পাৰি উঠা নাই, আৰু সিহঁতে (মেজাজ বেয়া কৰি) উত্তেজনা বোধ কৰা নাই ইয়াৰ ব্যতিৰেকে যে আল্লাহে আৰু তেওঁৰ ৰছূলে তেওঁলোকক সমৃদ্ধ কৰিছে তেওঁৰ প্ৰাচুৰ্যৰ পৰা। এতেকে যদি সিহঁতে (অতীতৰ দুষ্কৃতিৰ বাবে) তওবা কৰে তেন্তে সেইটো সিহঁতৰ কাৰণে হ'ব ভাল, আৰু যদি সিহঁতে ঘূৰি যায় (পুনৰায় তোমালোকৰ বিৰুদ্ধাচৰণত) তেন্তে আল্লাহে সিহঁতক শাস্তি দিব মৰ্মন্তুদ শাস্তিৰে— এই দুনিয়াতে আৰু পৰকালত। আৰু সিহঁতৰ কাৰণে এই পৃথিৱীত নাথাকিব কোনো বন্ধু-বান্ধৱ নাইবা কোনো সহায় কৰোঁতা।

**৭৫** আৰু ইহঁতৰ মাজৰ কোনোবা কোনোবাই আল্লাহৰ ওচৰত অঙ্গীকাৰ কৰিছিল (এইবুলি)— "তেওঁ যদি তেওঁৰ কৰুণা-ভাণ্ডাৰৰ পৰা আমাক (সমৃদ্ধি) দান কৰে তেন্তে আমি নিশ্চয় দান দক্ষিণা কৰিম আৰু আমি অৱশ্যেই হ'ম সৎকৰ্মীসকলৰ মাজৰ।"

**৭৬** কিন্তু যেতিয়া তেওঁ (ধনসম্পদ) সিহঁতক দিলে তেওঁৰ কৰুণা-ভাণ্ডাৰৰ পৰা, সিহঁতে ইয়াত কিৰ্পিণালি কৰিলে আৰু (সিহঁতৰ অঙ্গীকাৰৰ পৰা) ওভটি গ'ল, আৰু সিহঁত হ'ল (প্ৰতিজ্ঞা পালনত) বিমুখ।

**৭৭** গতিকে তেওঁ সিহঁতৰ অন্তৰত মুনাফিকি ভৰাই দিছে (যি সিহঁতে কৰিয়ে থাকিব) সেইদিনালৈকে যিদিনা সিহঁতে তেওঁৰ সৈতে (ৰোজ-কিয়ামতত) মিলিত হ'ব, কিয়নো সিহঁতে আল্লাহৰ ওচৰত ভঙ্গ কৰিছিল (সত্যপৰায়ণতাৰ সেইবিলাক প্ৰতিশ্ৰুতি) যি তেওঁৰ ওচৰত সিহঁতে ওৱাদা কৰিছিলে, আৰু যেহেতু সিহঁতে মিছা কথা কৈছিলে।

**৭৮** সিহঁতে নাজানেনে যে আল্লাহে অৱশ্যেই জানে সিহঁতৰ লুকুৱা (ভাৱনা চিন্তা) আৰু সিহঁতৰ কুটিল পৰামৰ্শ; আৰু আল্লাহ নিশ্চয় অদৃশ্য বিষয়বস্তু সম্পৰ্কে পৰিজ্ঞাত?

**৭৯** যিবিলাকে বিদ্ৰূপ কৰে মুমিনসকলৰ মাজৰ তেওঁলোকক যিসকল দান-দক্ষিণাত অনুৰাগী আৰু তেওঁলোকক যিসকলে (দিবৰ যোগ্য) একোৱেই নাপায় নিজৰ কায়িক শ্ৰম ব্যতিৰেকে (বস্তুতঃ তাবুকৰ যুদ্ধ অভিযানৰ সময়ত এই উভয় ধৰনৰ সেৱাৰ বিশেষ প্ৰয়োজন আছিল), অথচ এওঁলোককে সিহঁতে অৱজ্ঞা কৰে— (পৰিণামত) আল্লাহে সিহঁতক অৱজ্ঞা কৰিব আৰু সিহঁতৰ কাৰণে ৰৈছে মৰ্মন্তুদ শাস্তি।

**৮০** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰা অথবা সিহঁতৰ কাৰণে ক্ষমা প্ৰাৰ্থনা নকৰা (সিহঁতৰ পাপৰ বোজা সিহঁতৰ ওপৰতেই থাকিব)— তুমি যদি এইবোৰৰ কাৰণে সত্তৰ বাৰো ক্ষমা প্ৰাৰ্থনা কৰা আল্লাহে কেতিয়াও ইহঁতক ক্ষমা নকৰিব। এইটো এই কাৰণেই যে সিহঁতে আল্লাহৰ আৰু তেওঁৰ ৰছূলৰ প্ৰতি অবিশ্বাস পোষণ কৰে (ফলত সৎপথলৈ নাহে)। আৰু আল্লাহে দুষ্কৃতিকাৰী সম্প্ৰদায়ক সৎপথ প্ৰদৰ্শন নকৰে।

## পৰিচ্ছেদ - ১১

**৮১** যিবিলাকে (তাবুক অভিযানত বিভিন্ন অজুহাত দেখুৱাই) পিছত পৰি ৰৈ গৈছিল সিহঁতে আল্লাহৰ ৰছূলৰ পশ্চাতত বহি থাকোতেই আনন্দ বোধ কৰিলে, আৰু সিহঁতৰ ধন-দৌলত আৰু সিহঁতৰ জান-প্ৰাণ দি আল্লাহৰ পথত সংগ্ৰাম কৰাত সিহঁত বিমুখ আছিল, আৰু সিহঁতে কৈছিল— "(গ্ৰীষ্মকালৰ) এই গৰমৰ মাজত (ৰণলৈ) নোলাবা।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "(তোমালোকৰ প্ৰাপ্য) জাহান্নামৰ জুই আৰু বেচি গৰম।" (আফচোচ!) যদিহে সিহঁতে বুজিব পাৰিলেহেঁতেন।

**৮২** এতেকে সিহঁতে (এতিয়া অলপ) হাঁহি লওক আৰু (পিছত) বেচিকৈ কান্দক,— সিহঁতে যি অৰ্জন কৰিছিল তাৰ প্ৰতিফলস্বৰূপে!

**৮৩** গতিকে আল্লাহে যদি (তাবুক অভিযানৰ পাচত) তোমাক ওভটাই আনে সিহঁতৰ মাজৰ কোনো এদলৰ ওচৰলৈ, তেতিয়া সিহঁতে যদি তোমাৰ অনুমতি বিচাৰে (অভিযানত) ওলাবলৈ তেন্তে তুমি ক'বা— "(তোমালোকৰ মুনাফিকিৰ মুখা এতিয়া খুলি গৈছে বুলিয়েই) তোমালোক মোৰ সৈতে আৰু কেতিয়াও ওলাব নোৱাৰিবা আৰু তোমালোকে মোৰ সঙ্গী হৈ কেতিয়াও কোনো শত্ৰুৰ বিৰুদ্ধে যুঁজিব নোৱাৰিবা। দৰাচলতে তোমালোক পোন প্ৰথমতে বহি থকাতেই সন্তুষ্ট আছিলা, এতেকে পিছপৰাবিলাকৰ লগতে (এতিয়াও) বহি থাকা।"

**৮৪** আৰু সিহঁতৰ মাজৰ কোনো এজনৰ কাৰণে, সি মৰা গ'লে, তুমি কেতিয়াও (যানাজাৰ) নামায নপঢ়িবা আৰু তাৰ কবৰৰ কাষতো (দফনৰ বা জিয়াতৰ কাৰণে) থিয় নহ'বা। সিহঁতে বাস্তৱিকতে আল্লাহত আৰু তেওঁৰ ৰছূলত অবিশ্বাস কৰিছে, আৰু সিহঁত মৰিছে যেতিয়া সিহঁত আছিল দুষ্কৃতিপৰায়ণ।

**৮৫** আৰু সিহঁতৰ (বিস্তৰ) ধন-সম্পত্তি আৰু সিহঁতৰ (মস্তান) সন্তান-সন্ততিয়ে তোমাক যেন তাজ্জৱ নকৰে। আল্লাহে অৱশ্যে বিচাৰে এইবিলাকৰ (প্ৰাচুৰ্যত মত্ত হোৱাৰ) দ্বাৰা পাৰ্থিৱ জীৱনতে সিহঁতক শাস্তি দিবলৈ; আৰু যেন সিহঁতৰ আত্মাই গুচি যায় সিহঁত অবিশ্বাসী থকা অৱস্থাতে।

**৮৬** আৰু যেতিয়া কোনা ছুৰা অৱতীৰ্ণ হয় এই মৰ্মে— 'আল্লাহৰ প্ৰতি ঈমান আনা আৰু তেওঁৰ ৰছূলৰ সঙ্গী হৈ সংগ্ৰাম কৰা', সিহঁতৰ মাজৰ শক্তি-সামৰ্থ্যৰ অধিকাৰীবিলাকে তোমাৰ ওচৰত অব্যাহতি বিচাৰে আৰু কয়— "আমাক ৰেহাই দিয়ক, বহিথকাবিলাকৰ লগতে আমিও থাকিম (যাতে আমি ঘৰ-সংসাৰৰ তদাৰক কৰিব পাৰো)।"

**৮৭** সিহঁতে পিচত-ৰৈথকাবিলাকৰ সৈতে অৱস্থান কৰাটোকে পছন্দ কৰিছিল (অথচ তেতিয়া যুদ্ধক্ষেত্ৰত জপিয়াই পৰাটোহে আছিল সিহঁতৰ কৰ্তব্য); আৰু (কাপুৰুষোচিত আচৰণৰ কাৰণে) সিহঁতৰ হৃদয়ৰ ওপৰত মোহৰ মাৰি দিয়া হৈছে; গতিকে সিহঁতে বুজিব নোৱাৰে (যে শত্ৰুসৈন্যই মুছলিমৰ ওপৰত জয়ী হ'লে অন্দৰ মহলত ৰৈ যোৱা মুনাফিকহঁতো ধ্বংস হৈ যাব)।

**৮৮** কিন্তু ৰছুলে আৰু যিসকলে তেওঁৰ সৈতে ঈমান আনিছে সেইসকলে (বীৰ বিক্ৰমেৰে) সংগ্ৰাম কৰে তেওঁলোকৰ ধন-দৌলত আৰু তেওঁলোকৰ জান-প্ৰাণ দি। আৰু এইসকলেই— এওঁলোকৰ কাৰণে ৰৈছে (ইহকাল আৰু পৰকালত) কল্যাণ, আৰু এওঁলোক নিজেই হৈছে সফলকাম।

**৮৯** আল্লাহে এওঁলোকৰ কাৰণে প্ৰস্তুত কৰিছে স্বৰ্গোদ্যানসমূহ, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তেওঁলোক তাতেই অৱস্থান কৰিব। এইটো হৈছে বিৰাট সাফল্য।

## পৰিচ্ছেদ - ১২

**৯০** আৰু বেদুইনৰ মাজৰ ওজৰ-আপত্তি দেখুৱাবিলাক (তোমাৰ ওচৰলৈ) আহিছিল যাতে (তাবুক অভিযানৰ পৰা) সিহঁতক অব্যাহতি দিয়া হয়, আৰু যিবিলাকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ ওচৰত মিছা কথা কৈছিল সিহঁতে (নিজ বাৰীঘৰত) বহি থাকিল। সিহঁতৰ মাজৰ যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক তেওঁ অচিৰেই মৰ্মন্তুদ শাস্তি হানিব।

**৯১** দুৰ্বলবিলাকৰ ওপৰত কোনো দোষ নহয়, আৰু অসুস্থবিলাকৰ ওপৰতো নহয় (—এওঁলোকে কেৱল টকা-পইচাআদিৰে সাহায্য আগবঢ়াব), এওঁলোকৰ ওপৰতো নহয় যিসকলে (দুৰৱস্থা হেতু) বিচাৰি নাপায় কি সিহঁতে খৰচ কৰিব, যদিহে তেওঁলোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি অনুৰাগ দেখায়। সৎকৰ্মপৰায়ণসকলৰ ওপৰত (দোষাৰোপৰ) কোনো বাট নাই। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা—

**৯২** আৰু সেইবিলাকৰ ওপৰতো (কোনো দোষ) নাই যিবিলাকে তোমাৰ ওচৰলৈ যেতিয়া আহিছিল তুমি সেইসকলক (অভিযানত যোৱাৰ) বাহন দিবা বুলি, তেতিয়া তুমি কৈছিলা— যাৰ ওপৰত (অৰ্থাৎ যি বাহনত) তোমালোকক মই বহন কৰিম সেইটো মই পোৱা নাই, (তেতিয়া) এওঁলোক উভতি গৈছিল আৰু এওঁলোকৰ চকুবোৰ চকুলোৰে প্লাবিত হৈছিল সিহঁতে যি খৰচ কৰিবলৈ বিচাৰে সেইখিনি নপোৱাৰ দুখত (কাজেই তেওঁলোকো মনে-প্ৰাণে মুছলিমৰ সৈতেই ৰৈছে)।

**৯৩** বস্তুতঃ (দোষৰ) পথ সিহঁতৰ বিৰুদ্ধে যিবিলাকে তোমাৰ ওচৰত অব্যাহতি বিচাৰে (ঘৰতে থকাৰ কাৰণে), অথচ সিহঁত (সকলো ফালৰ পৰাই) বিত্তবান। সিহঁতে পিচত ৰৈ থকা তিৰীবোৰৰ সৈতে অৱস্থানেই পছন্দ কৰিছিল; আৰু (কাপুৰুষোচিত আচৰণৰ কাৰণে) আল্লাহে সিহঁতৰ হৃদয়ৰ ওপৰত মোহৰ মাৰি দিছে, যিকাৰণে সিহঁতে বুজিব পৰা নাই (কি সৰ্বনাশ সিহঁতে মাতি আনিছে)।

## ১১শ পাৰা

**৯৪** সিহঁতে (—বেদুইনৰ মাজৰ মুনাফিকবিলাকে তাবুক অভিযানত কৰিব নোৱাৰাৰ কাৰণে) তোমাৰ ওচৰত অজুহাত দেখুৱাব যেতিয়া তোমালোকে সিহঁতৰ ওচৰলৈ উভতি আহিবা। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— “অজুহাত পেশ নকৰিবা, আমি (এতিয়াৰে পৰা) কেতিয়াও তোমালোকক বিশ্বাস নকৰিম, আল্লাহে ইতিমধ্যে তোমালোকৰ খা-খবৰ আমাক জনাই দিছে। আৰু আল্লাহ আৰু তেওঁৰ ৰছুলে অৱশ্যেই তোমালোকৰ কাৰ্যকলাপ লক্ষ্য কৰিব; তাৰ পিছত তোমালোকক ওভতাই অনা হ’ব অদৃশ্যবস্তুৰ পৰিজ্ঞাতাৰ ওচৰলৈ, তেতিয়া তেওঁ (প্ৰতিফল প্ৰদানৰ দ্বাৰা) তোমালোকক জনাই দিব যি তোমালোকে কৰি আছিলা।”

**৯৫** তোমালোক সিহঁতৰ ওচৰত (মদীনালৈ) যেতিয়া উভতি আহিবা সিহঁতে লগে লগে আল্লাহৰ নামত তোমালোকৰ ওচৰত শপথ খাব যাতে সিহঁতক (ত্ৰুটিৰ বাবে) তোমালোকে উপেক্ষা কৰা। এতেকে তোমালোকে সিহঁতক উপেক্ষা কৰিবা। নিসন্দেহে সিহঁত ঘৃণ্য, আৰু সিহঁতৰ আশ্ৰয়স্থল হৈছে জাহান্নাম— সিহঁতে যি (হীন আচৰণ) কৰিছিল ই তাৰেই প্ৰতিদান।

**৯৬** সিহঁতে তোমালোকৰ ওচৰত হলফ কৰিব যাতে তোমালোকে সিহঁতৰ প্ৰতি সন্তুষ্ট হোৱা। কিন্তু তোমালোকে যদিওবা সিহঁতৰ প্ৰতি সন্তুষ্ট হোৱা তথাপি আল্লাহে নিশ্চয় দুষ্কৃতিকাৰীগোষ্ঠীৰ প্ৰতি তুষ্ট নহ’ব।

**৯৭** বেদুইনবিলাক অবিশ্বাসত আৰু মুনাফিকিত অতিপাত অটল, আৰু আল্লাহে তেওঁৰ ৰছুলৰ ওচৰত (বিধি-নিষেধৰ) যি অৱতাৰণ কৰিছে তাৰ চৌহদ (বা সীমাৰেখা) নজনাৰ প্ৰতিয়েই সিহঁত বেচি অনুৰক্ত (যাতে সিহঁতে সেই ৰীতি-নীতি লঙ্ঘন কৰিব পাৰে)। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**৯৮** আৰু বেদুইনবিলাকৰ মাজৰ কোনো কোনোবাই ধৰি লয় যে সি (আল্লাহৰ পথত) যি খৰচ কৰে সেইটো জৰিমনা, আৰু (সেই জৰিমনা প্ৰদানৰ ক্ষোভত) তোমালোকৰ কাৰণে বিপৰ্যয়ৰ অপেক্ষা কৰে। (প্ৰতিফলৰূপে) সিহঁতৰ ওপৰতেই ঘটিব অশুভ বিপৰ্যয়; আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**৯৯** আৰু বেদুইনবিলাকৰ মাজৰ কোনো কোনোৱে আল্লাহত আৰু শেষদিনত ঈমান আনে, আৰু যিটো সি (সৎকামত) খৰচ কৰে সেইটোৱে আল্লাহৰ নৈকট্য আৰু ৰছুলৰ আশীৰ্বাদ আনিব বুলি গণ্য কৰে। দৰাচলতে এইটো নিসন্দেহে তেওঁলোকৰ কাৰণে (আল্লাহৰ) নৈকট্যলাভ (কৰাৰ উপায়বিশেষ)। আল্লাহে অচিৰেই তেওঁলোকক প্ৰবেশ কৰাব তেওঁৰ কৰুণাসিন্ধুত। নিসন্দেহে আল্লাহ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৩

**১০০** আৰু মুহাজিৰসকলৰ আৰু আনছাৰসকলৰ অগ্ৰৱৰ্তীসকল— প্ৰাথমিকসকল, আৰু যিসকলে তেওঁলোকক (যথা মুহাজিৰ আৰু আনছাৰৰ ত্যাগ আৰু সম্প্ৰীতিৰ আদৰ্শক) অনুসৰণ কৰিছিল কল্যাণকৰ্মৰ সৈতে— আল্লাহ তেওঁলোকৰ ওপৰত সন্তুষ্ট আৰু তেওঁলোকো সন্তুষ্ট তেখেতৰ ওপৰত, আৰু তেওঁলোকৰ কাৰণে তেওঁ প্ৰস্তুত কৰিছে স্বৰ্গোদ্যানসমূহ, সিবিলাকৰ তলেদি বৈ যায় নিঝৰাবোৰ, তাতেই তেওঁলোক থাকিব চিৰকাল— এয়েই হৈছে (মানুহৰ চৰম আৰু পৰম লক্ষ্য তথা) মহাসাফল্য।

**১০১** আৰু বেদুইনবিলাকৰ মাজৰ যিবিলাক তোমাৰ আশে-পাশে আছে সিহঁতৰ মাজত ৰৈছে মুনাফিকবিলাক, আকৌ মদীনাৰ বাসিন্দাবিলাকৰ মাজতো

(তেনে বহুত লোক আছে)— এইবিলাক কপটতাত বদ্ধমূল। (হে মুহাম্মদ ছাঃ!) তুমি সিহঁতক নাজানা; আমি সিহঁতক জানো। আমি অচিৰেই সিহঁতক দুবাৰলৈ শাস্তি দিম (যিহেতু মুছলিমৰ লগত গণ্য হ'বলৈ সিহঁতে প্ৰতিৰক্ষাৰ চান্দা আৰু যাকাত দান কৰি মনোকষ্ট ভোগ কৰিছে, তদুপৰি সিহঁতৰ মুনাফিকি প্ৰকাশ হৈ যোৱাত এই দুনিয়াতেই সিহঁতে লাঞ্চনা ভোগ কৰিব); তাৰ পাচত সিহঁতক ঘূৰাই নিয়া হ'ব (জাহান্নামৰ) কঠোৰ শাস্তিৰ পিনে।

**১০২** আৰু (দ্বিতীয় পৰ্যায়ৰ মুনাফিকৰূপে) আনবিলাকে নিজৰেই অপৰাধ স্বীকাৰ কৰিছে; সিহঁতে এটা ভাল কামৰ লগত আনটো বেয়া কামক সানমিহলি কৰিছে। হ'ব পাৰে আল্লাহ সিহঁতৰ ফালে (কৃপাদৃষ্টিত) ফিৰিব। নিসন্দেহে আল্লাহ (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১০৩** সিহঁতৰ ধন-সম্পত্তিৰ পৰা (যাকাতৰ) দান গ্ৰহণ কৰা, ইয়াৰ দ্বাৰা তুমি সিহঁতক (বেয়া কামবোৰৰ পৰা) পৱিত্ৰ কৰিবা আৰু সিহঁতক পৰিশোধিত কৰিব পাৰিবা, আৰু সিহঁতক আশীৰ্বাদ কৰিবা (যেন সিহঁতে সৎপথত চলিব পাৰে)। নিসন্দেহে তোমাৰ আশীৰ্বাদ সিহঁতৰ কাৰণে প্ৰশান্তিকৰ। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**১০৪** সিহঁতে নাজানেনে যে আল্লাহ— তেৰেঁই তেওঁৰ বান্দাবিলাকৰ পৰা তওবা কবুল কৰে আৰু দান গ্ৰহণ কৰে, আৰু আল্লাহ নিশ্চয় (কৰুণাৰ সৈতে) সদায় ফিৰে, অফুৰন্ত ফলদাতা।

**১০৫** আৰু (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা— "(তওবা কৰাৰ পাচত নিজৰ আচৰণ সংশোধন কৰি) তোমালোকে কাম কৰি যোৱা, অচিৰেই আল্লাহে তোমালোকৰ কাৰ্যকলাপ লক্ষ্য কৰিব, আৰু তেওঁৰ ৰছুলেও আৰু মুমিনসকলেও (কৰিব)। আৰু শীঘ্ৰেই তোমালোকক ঘূৰাই অনা হ'ব অদৃশ্য আৰু দৃশ্যৰ পৰিজ্ঞাতাৰ ওচৰলৈ, তেতিয়া (প্ৰতিফল দানৰ মাধ্যমেৰে) তেওঁ তোমালোকক জনাই দিব যি তোমালোকে কৰি আছিলা।"

**১০৬** আৰু (তৃতীয় পৰ্যায়ৰ) অন্যসকলে আল্লাহৰ বিধানৰ অপেক্ষাত ৰৈছে, হয়তো তেওঁ সিহঁতক শাস্তি দিব, নহ'লে সিহঁতৰ প্ৰতি (সদয় হৈ) ফিৰিব। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰমজ্ঞানী (সেইহেতু তেৰেঁই সিহঁতৰ প্ৰতি সৰ্বশ্ৰেষ্ঠ ব্যৱস্থা ল'ব)।

**১০৭** আৰু (চতুৰ্থ পৰ্যায়ৰ মুনাফিকৰূপে) যিবিলাক (খ্ৰীষ্টান পাদৰী আবু-আমীৰৰ প্ৰৰোচনাত মুহাম্মদ-ছাঃ-ৰ দ্বাৰা 'কুবা'-ত নিৰ্মীত মছজিদৰ ওচৰত) এটা মছজিদ স্থাপন কৰিলে (ইছলামৰ) ক্ষতিসাধনৰ আৰু অবিশ্বাসৰ কাৰণে, আৰু বিশ্বাসীসকলৰ মাজত বিভেদ সৃষ্টিৰ উদ্দেশ্যে, আৰু তাৰ (—আবু-আমীৰৰ) স্মৃতিৰূপে যিজনে ইয়াৰ আগতে আল্লাহ আৰু তেওঁৰ ৰছুলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল (আৰু চিৰিয়াত পলায়ণ কৰি তাৰ সাঙ্গো-পাঙ্গলৈ খবৰ পঠাইছিল যে সি বিৰাট সৈন্য লৈ মুহাম্মদ-ছাঃ-ক নিপাত কৰাৰ বাবে আহি আছে আৰু সিহঁতে যেন মন্ত্ৰণালয়ৰূপে বাহ্যতঃ এটা মছজিদ বনাই ৰাখে)। অথচ সিহঁতে নিশ্চয় হলফ কৰি ক'ব— "আমিতো ভাল ব্যতীত অইন একো বিচৰা নাই (কাজেই আপুনি আমাৰ মছজিদত আহি আশীৰ্বাদ কৰক)।" কিন্তু আল্লাহে সাক্ষ্য দিছে যে সিহঁততো আলবৎ মিথ্যাবাদী (কাৰণ সিহঁতে আল্লাহৰ ঘৰৰ পৰিৱৰ্তে চয়তানৰ ঘৰেই বনাইছে)।

**১০৮** তুমি (নামাযৰ কাৰণে) কেতিয়াও ইয়াত থিয় নহ'বা। প্ৰকৃততে সেই মছজিদ (যেনে কুবাত বনোৱা প্ৰথম মছজিদ, মদীনাৰ পৱিত্ৰ মছজিদ তথা আল্লাহৰ উপাসনাৰ কাৰণে নিৰ্মিত আটাইকেইটা মছজিদ) যি প্ৰথম দিনাৰ পৰাই ধৰ্মনিষ্ঠাৰ ওপৰত স্থাপিত তাৰ বেচি দাবী ৰৈছে যে তুমি তাত (নামাযত) থিয় হ'বা। তাত এনে লোক ৰৈছে যিসকলে ভাল পায় যে তেওঁলোক পৱিত্ৰ হ'ব। আৰু আল্লাহে ভাল পায় পৱিত্ৰ হোৱাসকলক।

**১০৯** বাৰু, তেনেহ'লে যিজনে নিজৰ ভেটি গঢ়িছে আল্লাহৰ প্ৰতি ধৰ্মনিষ্ঠা আৰু (তেওঁৰ) সন্তুষ্টিৰ (দৰে মজবুত বুনিয়াদৰ) ওপৰত সেয়ে ভাল নে যি তাৰ ভেটি স্থাপন কৰিছে পতনপ্ৰায় খহনীয়া গৰাৰ কাষতে (—আৰু এয়ে হৈছে মুনাফিকবিলাকৰ আচল অৱস্থা), ফলত সেইটো তাকে লৈ ভাঙি পৰিলে জাহান্নামৰ জুইত? আৰু আল্লাহে পথ নেদেখুৱায় অন্যায়কাৰী লোকবিলাকক।

**১১০** সিহঁতৰ যি ভৱন সিহঁতে বনাইছে সেইটো সিহঁতৰ মনত অশান্তিৰ কাৰণ হৈ থাকিব (কিয়নো সেই ভৱনটোত সিহঁতে চয়তানৰ ঘাটিহে ৰখুৱাইছে আৰু ইয়াৰ ফলত সেইটো ভাঙি পেলোৱা হ'ব)। আৰু আল্লাহ সৰ্বজ্ঞাতা, পৰম জ্ঞানী।

## পৰিচ্ছেদ - ১৪

**১১১** নিসন্দেহে আল্লাহে মুমিনসকলৰ পৰা কিনি লৈছে তেওঁলোকৰ সত্তা আৰু তেওঁলোকৰ বিত্ত যেন তেওঁলোকে (ইয়াৰ বিনিময়ত) পাব পাৰে বেহেশ্বত (অৰ্থাৎ মুমিনসকলে নিজৰ জান-প্ৰাণ আৰু মাল-আচবাব আল্লাহৰ প্ৰতি উচৰ্গা কৰি দিছে যাৰ প্ৰতিদানত আল্লাহে ধাৰ্য কৰিছে স্বৰ্গোদ্যান)। তেওঁলোকে আল্লাহৰ পথত যুদ্ধ কৰে, ফলত তেওঁলোকে মাৰে আৰু মৰে— (মাৰিলে গাজী বা মৰিলে শ্বহীদৰ মৰ্যাদা দিয়াৰ) এই ওৱাদা তেওঁৰ কাৰণে সুসাব্যস্ত তওৰাতত আৰু ইঞ্জীলত আৰু কুৰআনত। আৰু কোননো নিজ ওৱাদাত বেচি সত্যনিষ্ঠ আল্লাহতকৈ? এতেকে আনন্দ কৰা তোমালোকৰ বেহা-বেপাৰৰ কাৰণে যি তোমালোকে কিনা-বেচা কৰিছা তেওঁৰ সৈতে (কাৰণ বেহেশ্বত হৈছে সস্তাৰ বস্তু যিয়েই নহওক কিয় তাৰ মূল্য)। আৰু এইটোৱেই হৈছে মহাসাফল্য।

**১১২** (সাফল্যৰ প্ৰত্যাশীসকল হৈছে— পাপ স্খলনৰ কাৰণে) তওবা কৰোতা, (একক আল্লাহৰ) উপাসনা কৰোতা, (বিশ্বজগতৰ প্ৰভুৰ) মহিমা কীৰ্তন কৰোতা, (সংযমত অভ্যস্ত হ'বলৈ) ৰোযা পালন কৰোতা, (নামাযত একনিষ্ঠভাৱে) ৰুকু কৰোতা (আৰু) সিজ্দা কৰোতা, সৎকৰ্মত নিৰ্দেশ দিওঁতা আৰু অসৎকৰ্মত নিষেধ কৰোতা, আৰু আল্লাহৰ (বিধানসমূহৰ) চৌহদ ৰক্ষা কৰোঁতাসকল। আৰু (এনেকুৱা) মুমিনসকলক তুমি (পৰম সাফল্যৰ) সুসংবাদ দিয়া।

**১১৩** নবীয়ে আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ কাৰণে (উচিত) নহয় যে তেওঁলোকে ক্ষমা প্ৰাৰ্থনা কৰিব বহুখোদাবাসীসকলৰ নিমিত্তে (যেনেকুৱা কৰা হয় মৃতকৰ সদ্গতিৰ কাৰণে) যদিওবা সিহঁত নিকট-আত্মীয় হয়, এইটো তেওঁলোকৰ ওচৰত সুস্পষ্ট হোৱাৰ পাচত যে সিহঁত (—

মুশ্বৰিকবিলাক) নিশ্চয় হৈছে জ্বলন্ত জুইৰ বাসিন্দা (অৰশ্যে মুশ্বৰিক আৰু অবিশ্বাসীবিলাকৰ জীৱদ্দশাত সিহঁতৰ কাৰণে প্ৰাৰ্থনা কৰা যোগ্য হ'ব যেতিয়ালৈকে সিহঁতক শুধৰাবৰ সুযোগ থাকে)।

**১১৪** আৰু ইব্ৰাহীমৰ তেওঁৰ পিতাকৰ (অৰ্থাৎ পিতৃতুল্য অভিভাৱক আযাৰৰ) কাৰণে ক্ষমা প্ৰাৰ্থনা কৰা কেৱল ইয়াৰ বাহিৰে অন্য কাৰণে নহয় যে (তেনে) এটা অঙ্গীকাৰ যিটো তেওঁ এখেতৰ বাবে ওৱাদা কৰিছিলে। কিন্তু যেতিয়া এইটো তেওঁৰ ওচৰত পৰিষ্কাৰ কৰা হ'ল যে তেখেত নিসন্দেহে আল্লাহৰ এজন শত্ৰু, তেতিয়া তেওঁ ইয়াৰ পৰা নিৰ্লিপ্ত হৈ গ'ল। নিশ্চয় ইব্ৰাহীম আছিলে অতি মৰমিয়াল, সহনশীল।

**১১৫** এইটো আল্লাহৰ (কৰণীয়) নহয় যে তেওঁ এটি সম্প্ৰদায়ক পথভ্ৰষ্ট কৰিব সিহঁতক তেওঁ পথপ্ৰদৰ্শন কৰাৰ পাচত— যেতিয়ালৈকে তেওঁ সিবিলাকৰ ওচৰত সুস্পষ্ট কৰি দিয়ে কিহেৰে সিহঁতে ধৰ্মনিষ্ঠা পালন কৰিব (যাৰ ফলত সিহঁতে সৎপথত অধিষ্ঠিত থাকিব পাৰে)। স্বৰূপতে আল্লাহ সকলো বিষয়তে সৰ্বজ্ঞাতা।

**১১৬** নিসন্দেহে আল্লাহ— মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব তেওঁৰেই। তেওঁ জীৱন দান কৰে আৰু মৃত্যু ঘটায়। আৰু আল্লাহকে এৰি দি তোমালোকৰ কাৰণে অভিভাৱকৰ কোনোৰেই নাই বা সহায়কো নাই।

**১১৭** আল্লাহ নিশ্চয় (তেওঁৰ কৰুণাধাৰা লৈ) ফিৰিছে নবীৰ প্ৰতি আৰু আনছাৰসকলৰ প্ৰতি যিসকলে তেওঁক অনুসৰণ কৰিছিল সঙ্কটৰ মুহূৰ্তত, তেওঁলোকৰ মাজৰ এদলৰ মন (মানৱিক দুৰ্বলতাৰ কাৰণে) প্ৰায় বিচলিত হোৱাৰ পাচতো; তাৰ পাচত তেওঁ তেওঁলোকৰ পিনে (ক্ষমাশীল হৈ) ফিৰিলে। (তেওঁলোকে যেহেতু আল্লাহৰ কাৰণে কষ্ট সহ্য কৰিছে আৰু আত্মত্যাগ কৰিছে সেইকাৰণে) নিশ্চয় তেওঁ তেওঁলোকৰ প্ৰতি পৰম স্নেহময়, অফুৰন্ত ফলদাতা।

**১১৮** আৰু (তেওঁ কৰুণাৰে ফিৰিছিল) সেই তিনিজনৰ প্ৰতি যিসকলক পাচতে এৰি যোৱা হৈছিল (সিহঁতৰ অবিবেচকতাৰ কাৰণেহে)। তেতিয়া কিন্তু পৃথিৱী বিস্তীৰ্ণ হোৱা সত্বেও সিহঁতৰ ওচৰত সেইটো সংকীৰ্ণ হৈছিল (কাৰণ পঞ্চাশ দিন সিহঁত মুছলিমৰ পৰা এঘৰীয়া হৈ ৰৈছিল), আৰু সিহঁতৰ অন্তৰাত্মাও সিহঁতৰ নিমিত্তে হৈছিল সংকুচিত (কাৰণ সিহঁতে মৰ্মবেদনাত ভোগিছিল), আৰু বুজিব পাৰিছিল যে আল্লাহৰ পৰা (সিহঁতৰ বাবে) কোনো আশ্ৰয় নাই তেওঁৰ ফাললৈ (আত্মনিবেদনৰ) ব্যতিৰেকে। ইয়াৰ পাচতো তেওঁ সিহঁতৰ ফালে ফিৰিলে যেন সেইসকলেও (তেওঁৰ পিনে) ফিৰে। নিসন্দেহে আল্লাহ— তেওঁ (তওবা কবুল কৰিবলৈ) বাৰম্বাৰ ফিৰোঁতা, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৫

**১১৯** হেৰা যিসকলে ঈমান আনিছা! আল্লাহকে ভয়-শ্ৰদ্ধা কৰা আৰু সত্যপৰায়ণসকলৰ অন্তৰ্ভুক্ত হোৱা।

**১২০** মদীনাৰ বাসিন্দাসকলৰ আৰু সেইসকলৰ ওচৰ পাজৰৰ বেদুইনবিলাকৰ কাৰণে (উচিত) নহয় যে সেইসকলে (তাবুক অভিযানকালত) আল্লাহৰ ৰছুলৰ (লগত নোলাই) পৰি থাকিব, আৰু (উচিত) নহয় যে নিজৰ জীৱনক তেওঁৰ জীৱনতকৈ বেছি প্ৰিয় মনত ভাবিব (কাজেই সেইবিলাকৰ উচিত আছিল নিজৰ জীৱন বিপদাপন্ন কৰিও আল্লাহ আৰু তেওঁৰ ৰছুলৰ খাতিৰত ৰণলৈ যাত্ৰা কৰা)। এইটো সেইবিলাকৰ বেলিকা এই কাৰণেই যে আল্লাহৰ পথত সেইবিলাকক কষ্ট নিদিয়ে (গ্ৰীষ্মকালীন) পিপাসাই, আৰু (মৰুপথৰ) ক্লান্তিয়েও নহয়, আৰু (দীৰ্ঘদিনৰ অভিযানৰ) অনশনেও নহয়, আৰু সেইবিলাক এনেকুৱা পথতো নচলে (বা এনেকুৱা কাম নকৰে) যিটোৱে অবিশ্বাসীবিলাকৰ ক্ৰোধ উদ্ৰেক কৰে, আৰু সেইবিলাকে শত্ৰুৰ পৰা (লুটপাত কৰি) সংগ্ৰহ নকৰে কোনো সংগ্ৰহৰ বস্তু— হ'লেও এইবিলাকৰ দ্বাৰা (অৰ্থাৎ এই ধৰণৰ মহৎ আচৰণৰ ফলত) সিহঁতৰ কাৰণে লিখিত হয় শুভকৰ্ম (আৰু পদোন্নতি)। আল্লাহে নিশ্চয় সৎকৰ্মশীলসকলৰ পুৰস্কাৰ ব্যৰ্থ নকৰে।

**১২১** আৰু তেওঁলোকে খৰচ নকৰে (এনে) কোনো সৰু-সুৰা খৰচ আৰু কোনো বিৰাটো নহয় (অৰ্থাৎ কম-বেচি সকলো খৰচ পত্ৰ), আৰু তেওঁলোকে (সৰু-ডাঙৰ) কোনো পথাৰো পাৰ নহয় পক্ষান্তৰে তেওঁলোকৰ কাৰণে সেইটো লিখিত হৈ যায় যাতে আল্লাহে তেওঁলোকক পুৰস্কাৰ দিব পাৰে তেওঁলোকে যি কৰি গৈছিল তাতকৈয়ো উত্তম (পুৰস্কাৰ)।

**১২২** আৰু মুমিনসকলৰ পক্ষে সঙ্গত নহয় যে তেওঁলোকে দল বান্ধি (সকলো কেইজন ৰণলৈ) ওলাই যাব (নাইবা জ্ঞান আহৰণৰ কাৰণে ওলাই পৰিব)। গতিকে তেওঁলোকৰ মাজৰ প্ৰত্যেক গোত্ৰৰ পৰা কিয় একোটি (জ্ঞান অন্বেষণকাৰী) দল ওলাই নপৰে ধৰ্মীয় জ্ঞান অনুশীলন কৰিবলৈ, যাৰ ফলত তেওঁলোকে যেন নিজ নিজ সম্প্ৰদায়ক সতৰ্ক কৰিব পাৰে যেতিয়া তেওঁলোকে উভতি আহে সেইসকলৰ ওচৰলৈ, যাতে সেইসকলো (ধৰ্মকৰ্ম পাপপূণ্য সম্বন্ধে) সাৱধান হ'ব পাৰে?

## পৰিচ্ছেদ - ১৬

**১২৩** হেৰা যিসকলে ঈমান আনিছা! অবিশ্বাসীসকলৰ মাজৰ যিবিলাক তোমালোকৰ ওচৰত ৰৈছে সিহঁতৰ সৈতে যুদ্ধ কৰা (আৰু নিজৰ থকা ঠাইৰ পৰা জঞ্জালবোৰক আঁতৰাই পেলোৱা), আৰু সিহঁতে যেন তোমালোকৰ মাজত দেখিবলৈ পায় কঠিনতা (যাতে সিহঁতে তোমালোকক সমীহ কৰিবলৈ শিকে)। আৰু জানি ৰাখা— নিশ্চয় আল্লাহ ধৰ্মপৰায়ণসকলৰ সৈতে ৰৈছে।

**১২৪** আৰু যেতিয়াই এটি (নতুন) ছূৰা অৱতীৰ্ণ হয় তেতিয়া সিহঁতৰ কোনো কোনোৱে (হাঁহি মস্কৰা কৰি) কয়— "এইটোৱে তোমালোকৰ মাজৰ

কোনোজনৰ বিশ্বাস সমৃদ্ধ কৰিলে?” গতিকে যিসকলে (ঠিকঠিকেই আল্লাহতে) বিশ্বাস স্থাপন কৰিছে তেওঁলোকক কিন্তু এইটো বিশ্বাসত সমৃদ্ধ কৰে, আৰু তেওঁলোকেইতো (সাফল্যৰ) সুসংবাদ উপভোগ কৰে।

**১২৫** আৰু সিহঁতৰ ক্ষেত্ৰত যিবিলাকৰ অন্তৰত ৰৈছে (কুটিলতা স্বৰূপ) ব্যাধি,– এইটোৱে তেতিয়া সিহঁতৰ কলুষতাৰ লগত কলুষতা সিহঁতৰ বাবে বঢ়াই দিয়ে (কিয়নো যাৰ চকুত ব্যাধি আছে সি কিন্তু কুৰআনৰ জ্যোতি সহ্য কৰিব নোৱাৰে বুলি এইটোৱে তাৰ যন্ত্ৰণা আৰু বঢ়াই তোলে), আৰু সিহঁতে প্ৰাণত্যাগ কৰে (কলুষতা পঙ্কিলতাৰ মাজত), আৰু ৰৈ যায় অবিশ্বাসী।

**১২৬** সিহঁতে ভাবি নাচায়নে যে স্বৰূপতে প্ৰতিবছৰে এবাৰ বা দুবাৰকৈ সিহঁতৰ পৰীক্ষা লোৱা হৈছে (আৰু প্ৰতিবাৰেই সিহঁতক বিপৰ্যস্ত কৰাৰ পাচতো সুযোগ দিয়া হৈছে শুধৰণীৰ বাবে)? তথাপি সিহঁত (আল্লাহৰ ফালে) নিফিৰে আৰু (তেওঁৰ নিৰ্দেশৰ প্ৰতি) মনো নিদিয়ে।

**১২৭** আৰু যেতিয়াই কোনো ছুৰা (সিহঁতৰ সন্মুখত) অৱতীৰ্ণ হয় তেতিয়া সিহঁতৰ কোনো কোনোবাই আনৰফালে চকু মাৰে (আৰু সোধে)– “কোনোবাই তোমালোকক দেখিছেনে?” তাৰ পিচত সিহঁতে (চুপচাপ) আঁতৰি পৰে (যেন তাতে বহি থাকি সম্পূৰ্ণ ছুৰা শুনাৰ বাবে ধৈৰ্য সিহঁতৰ নাইকিয়া)। আল্লাহে সিহঁতৰ হৃদয়ক সত্যবিমুখ কৰিছে যেহেতু সিহঁত স্বৰূপতে এনে এক দল যিবিলাকে বুজিব নিবিচাৰে।

**১২৮** এতিয়াতো তোমালোকৰ ওচৰলৈ এজন ৰছুল আহিছে তোমালোকৰেই মাজৰ পৰা (যাৰ চালচলন আৰু কথা-বতৰাৰ সৈতে তোমালোক সুপৰিচিত আছা), তেওঁৰ পক্ষে এইটো দুঃসহ যিটোৱে (ইহজীৱনত আৰু পৰকালত) তোমালোকক কষ্ট দিয়ে, তোমোলোকৰ কাৰণে তেওঁ পৰম কল্যাণকামী, বিশ্বাসীসকলৰ প্ৰতি তেওঁ অতি দয়ালু, বিশেষ কৃপাময়।

**১২৯** ইয়াৰ পাছত যদি সিহঁত (তোমাৰ পৰা) ঘূৰি যায় তেনেহ’লে কোৱাঁ– “আল্লাহ মোৰ কাৰণে যথেষ্ট, তেওঁৰ ব্যতিৰেকে অইন উপাস্য নাই; তেওঁৰেই ওপৰত মই (সকলো বিষয়ত) নিৰ্ভৰ কৰোঁ, আৰু তেৱেঁইতো মহাসিংহাসনৰ অধিপতি।”

* * * * * * * * * * * *

ছূৰা - ১০

# ইউনুছ

*(য়ুনুছ : ৯৮)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহ্‌মান, ৰহীম

## পৰিচ্ছেদ - ১

**১** আলিফ লাম ৰা (—মই, আল্লাহ, সৰ্বদ্ৰষ্টা)। এইবিলাকেই জ্ঞানগৰ্ভ গ্ৰন্থৰ আয়াতসমূহ।

**২** এইটো মানৱ জাতিৰ কাৰণে বিস্ময়ৰ বিষয়নে যে সিহঁতৰ মাজৰেই এজনক আমি প্ৰত্যাদেশ দিছো এই বুলি— ‘তুমি মানৱ জাতিক (দুষ্কৰ্মৰ সম্বন্ধে) সতৰ্ক কৰা, আৰু যিসকলে ঈমান আনিছে সেইসকলক সুসংবাদ দিয়া যে তেওঁলোকৰ প্ৰভুৰ ওচৰত ৰৈছে সুনিশ্চিত পদমৰ্যাদা’? অবিশ্বাসীবিলাকে (অৱশ্যে মুহাম্মদ-ছাঃ-ৰ পৰা আমাৰ বাণী শুনি মোহাচ্ছন্ন হৈ) কয়— “নিসন্দেহে এওঁ এজন জলজ্যান্ত যাদুকৰ (যিজনে এনে ধৰণৰ সম্মোহনী কথা ক’ব পাৰে)।”

**৩** নিসন্দেহে তোমালোকৰ প্ৰভু হৈছে আল্লাহ, যিগৰাকীয়ে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে ছয় দিনত, তেতিয়া তেওঁ অধিষ্ঠিত হ’ল আৰশ্বৰ ওপৰত, তেওঁ সকলো বিষয় নিয়ন্ত্ৰণ কৰে। তেওঁৰ অনুমতি অবিহনে (তেওঁৰ ওচৰত) কোনো চুপাৰিচকাৰী নাই। এইজনেই আল্লাহ— তোমালোকৰ প্ৰভু, এতেকে তেওঁৰেই উপাসনা কৰা। তোমালোকে তেন্তে খেয়াল নকৰানে?

**৪** তেওঁৰ ফাললৈকে তোমালোক সকলোৰে প্ৰত্যাবৰ্তন। আল্লাহৰ এই প্ৰতিশ্ৰুতি ধ্ৰুৱসত্য। নিসন্দেহে তেৱেঁই সৃষ্টিৰ সূচনা কৰে, তাৰ পিছত তেওঁ তাৰ পুনৰাবৰ্তন ঘটায়, যাতে তেওঁ ন্যায়সঙ্গতভাৱে পুৰস্কাৰ দিব পাৰে তেওঁলোকক যিসকলে বিশ্বাস কৰে আৰু সৎকাম কৰে। আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ কাৰণে ৰৈছে উতলা পানীৰ পানীয়, আৰু (ৰৈছে) মৰ্মন্তুদ শাস্তি; কিয়নো সিহঁতে (আল্লাহত) অবিশ্বাস পোষণ কৰিছিল।

**৫** তেৱেঁইতো সূৰ্যক কৰিছে তেজোময়, আৰু চন্দ্ৰক (বনাইছে) জ্যোতিৰ্ময়, আৰু তাৰ (— চন্দ্ৰৰ) কাৰণে নিৰ্ধাৰিত কৰিছে অৱস্থানসমূহ (যেনে তিথিবোৰ) যাতে তোমালোকে জানিব পাৰা বছৰৰ গণনা আৰু (সময়ৰ) হিচাব। আল্লাহে এইবিলাক সৃষ্টি কৰা নাই সাৰ্থকতা অবিহনে। তেওঁ নিৰ্দেশাৱলীৰ বিশদ ব্যাখ্যা কৰে তেনে লোকৰ কাৰণে যিসকলে জ্ঞান ৰাখে।

**৬** নিসন্দেহে ৰাতি আৰু দিনৰ বিবৰ্তনৰ মাজত, আৰু আল্লাহে যি সৃষ্টি কৰিছে মহাকাশমণ্ডলত আৰু পৃথিৱীত, সেই সকলোবোৰতে ৰৈছে নিদৰ্শন তেনে লোকৰ কাৰণে যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে।

**৭** দৰাচলতে যিসকলে আমাৰ সৈতে মুলাকাত আশা নকৰে আৰু পাৰ্থিৱ জীৱনতেই পৰিতৃপ্ত থাকে আৰু তাতেই (নিজকে) নিশ্চিন্ত বোধ কৰে, আৰু যিবিলাক আমাৰ নিৰ্দেশাৱলীত অমনোযোগী,—

**৮** এইবিলাকেই— ইহঁতৰ আবাসস্থল হৈছে (নৰকৰ) জুই, সিহঁতে (পাৰ্থিৱ জীৱনকেই সৰ্বেসৰ্বা ভাবি) যি অৰ্জন কৰিছে তাৰ কাৰণে।

**৯** নিসন্দেহে (পক্ষান্তৰে) যিসকলে বিশ্বাস স্থাপন কৰে আৰু সৎকাম কৰে, তেওঁলোকৰ প্ৰভুৱে তেওঁলোকক পথ দেখুৱাই নিব তেওঁলোকৰেই বিশ্বাসৰ দ্বাৰা, তেওঁলোকৰ তলেদি বৈ যাব নিজৰাবোৰ আনন্দময় (স্বৰ্গীয়) বাগানসমূহত।

**১০** তাত তেওঁলোকৰ আহ্বান হ’ব— “তোমাৰেই মহিমা হওঁক, হে আল্লাহ!” আৰু তেওঁলোকৰ অভিবাদন তাত হ’ব “ছালাম”; আৰু তেওঁলোকৰ শেষ আহ্বান হ’ব— “সকলো প্ৰশংসা হৈছে আল্লাহৰ যিজন গোটেই বিশ্বজগতৰ প্ৰভু”।

## পৰিচ্ছেদ - ২

**১১** আল্লাহে যদি মানুহৰ কাৰণে অকল্যাণ বেগাই আনিলেহেঁতেন যেনেকৈ কল্যাণৰ কাৰণে সিহঁতে বেগাবেগি কৰি থাকে, তেনেহ’লে সিহঁতৰ শেষ পৰিণতি সিহঁতৰ ওপৰত (এই মুহূৰ্ততেই) ঘটি গ’লহেঁতেন। কিন্তু যিবিলাকে আমাৰ সৈতে মুলাকাত কৰা পছন্দ নকৰে সিহঁতক আমি অন্ধভাৱে খেপিয়াই ফুৰিবলৈ এৰি দিওঁ সিহঁতৰ অবাধ্যতাৰ মাজত।

**১২** আৰু যেতিয়াই কোনো দুখ-দুৰ্দশাই মানুহক স্পৰ্শ কৰে সি তেতিয়া আমাক মাতে কাতৰ হৈ শায়িত অৱস্থাত অথবা বহা অৱস্থাত নাইবা থিয় হৈ থাকি (অৰ্থাৎ যি অৱস্থাতে সি পতিত হয় সেই অৱস্থাতে শুই-বহি-থিয় হৈ পৰিত্ৰাণৰ কাৰণে আকুল প্ৰাৰ্থনা জনায়); কিন্তু যেতিয়া আমি তাৰ পৰা তাৰ বিপদ দূৰ কৰি দিওঁ সি তেতিয়া (আমাক পাহৰি গৈ এনেদৰে) ঘূৰি ফুৰে যেন সি আমাক কাহানিও মতা নাই বিপদে তাক স্পৰ্শ কৰাৰ ক্ষেত্ৰত। এইদৰে দায়িত্বহীনবিলাকৰ ওচৰত চিত্তাকৰ্ষক কৰা হয় যি সিহঁতে কৰি থাকে তাক।

**১৩** আৰু ইতিমধ্যে তোমালোকৰ পূৰ্ববৰ্তী অনেক মানৱগোষ্ঠীক আমি ধ্বংস কৰিছিলো যেতিয়া সিহঁতে অনাচাৰ কৰিছিল, আৰু সিহঁতৰ ৰছুলসকল সিহঁতৰ ওচৰলৈ আহিছিল স্পষ্ট প্ৰমাণাৱলী লৈ, কিন্তু সিহঁত বিশ্বাস কৰিবলৈ প্ৰস্তুত নাছিল। এইদৰেই (প্ৰথমে সতৰ্ক কৰি দিয়াৰ পিছত) আমি প্ৰতিদান দিওঁ অপৰাধী সম্প্ৰদায়ক।

**১৪** তাৰ পাছত আমি তোমালোকক (—আৰবৰ মুছলিমসকলক) এই পৃথিৱীত প্ৰতিনিধি বনাইছিলো সিহঁতৰ পাচত যাতে আমি দেখিবলৈ পাওঁ তোমালোকে কেনেদৰে কাম কৰা।

**১৫** আৰু যেতিয়া সিহঁতৰ ওচৰত আমাৰ সুস্পষ্ট বাণীসমূহ পাঠ কৰা হয়, যিবিলাকে আমাৰ সৈতে মুলাকাত হ’বলৈ আশা নকৰে সিহঁতে কয়— “ইয়াৰ বাহিৰে (আমালোকৰ পছন্দমাফিক) অইন এক কুৰআন আনা নাইবা এইটো বদলাই লোৱা।” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— “ইয়াক মোৰ নিজৰ ইচ্ছাত বদলোৱা মোৰ কাম নহয় (কাজেই তোমালোকৰ ধৰ্মগ্ৰন্থৰ নিচিনা এই কুৰআনক অদল-বদল কৰা সম্ভৱ নহ’ব)। মোৰ ওচৰত যি প্ৰত্যাদিষ্ট হয় কেৱল তাৰেই মই অনুসৰণ কৰোঁ। মই অৱশ্যে ভয় কৰো— যদি মই মোৰ প্ৰভুৰ অবাধ্য হওঁ,— এক ভয়ঙ্কৰ দিনৰ শাস্তিৰ (যিটো মই কোনো প্ৰকাৰেই এৰাব নোৱাৰিম)।”

**১৬** তুমি কোৱাঁ,— “যদি আল্লাহে (অন্য ধৰনে) ইচ্ছা কৰিলেহেঁতেন তেন্তে মই তোমালোকৰ ওচৰত ইয়াক (—কুৰআনক) পাঠ নকৰিলোহেঁতেন, আৰু তেৱোঁ তোমালোকৰ ওচৰত ইয়াক নজনালেহেঁতেন। মইতো তোমালোকৰ মাজত ইয়াৰ আগতে (অৰ্থাৎ নবুওৱৎ পোৱাৰ আগতে সুদীৰ্ঘ চল্লিছ বছৰৰ) এই জীৱনকাল কটাই দিছো (আৰু তোমালোকে মোৰ বাল্যকালতে মোৰ মাজত আদৰ্শ সত্যবাদিতা আৰু ন্যায়পৰায়ণতা লক্ষ্য কৰি মোক “*আল্ আমিন*” অৰ্থাৎ ‘পৰম বিশ্বস্ত’ বা ‘সত্যপৰায়ণ’ বুলি আখ্যা দিছিলা)। তোমালোকে তেন্তে নুবুজানে (যে মই কেনেকৈ এতিয়া মিছা কথা প্ৰচাৰ কৰিবলৈ যাম)?”

**১৭** কোন তেনেহলে বেছি অন্যায়কাৰী তাতকৈ যি আল্লাহ সম্পৰ্কে মিছা ৰচনা কৰে অথবা তেওঁৰ নিৰ্দেশসমূহ প্ৰত্যাখ্যান কৰে? নিসন্দেহ অপৰাধীবিলাক সফলকাম নহ’ব।

**১৮** আৰু ইহঁতে আল্লাহক বাদ দি তাৰ উপসনা কৰে যি সিহঁতৰ কোনো ক্ষতি কৰিব নোৱাৰে, বা সিহঁতৰ উপকাৰো কৰিব নোৱাৰে, আৰু সিহঁতে কয়— “এইবিলাকেই আল্লাহৰ ওচৰত আমাৰ চুপাৰিচকাৰী।” (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— “তোমালোকে আল্লাহক জনাব বিচাৰানে (তোমালোকৰ মনে গঢ়া উপাস্যবিলাকৰ অস্তিত্ব) যি তেওঁ নাজানে, মহাকাশত আৰু পৃথবীতো নহয়?” তেওঁৰেই সকলো মহিমা! আৰু সিহঁতে যাক (আল্লাহৰ লগত) অংশী কৰে সেইবিলাকৰ পৰা তেওঁ বহুত ঊৰ্ধ্বত।

**১৯** আৰু মানৱ জাতি (আদিৰ পৰাই) একে সম্প্ৰদায় নোহোৱা নহয়, তাৰপাছত সিহঁতে (পৰস্পৰ বিচ্ছিন্ন হৈ) বিভিন্ন মত অৱলম্বন কৰিলে। আৰু যদি তোমালোকৰ প্ৰভুৰ পৰা ঘোষণাটো কৰা নহলহেঁতেন (যে যেতিয়ালৈকে তুমি সিহঁত মাজত থাকিবা তেতিয়ালৈকে সৰ্বব্যাপী শাস্তি সিহঁতৰ ওপৰত নপৰিব) তেনেহলে যি বিষয়ত সিহঁতে মতভেদ কৰিছে সেইটো সিহঁতৰ মাজতে (কেতিয়াবাই) নিষ্পত্তি হৈ গ’লহেঁতেন।

**২০** আৰু সিহঁতে কয়— “তেওঁৰ প্ৰভুৰ পৰা কিয় এটি নিদৰ্শন (যথা আমাক ভয় দেখুওৱা শাস্তি) তেওঁৰ ওচৰলৈ পঠোৱা নহয়?” (হে মুহাম্মদ-ছাঃ!) তুমি তেন্তে কোৱাঁ— “অদৃশ্য (জগতৰ জ্ঞান) কেৱল আল্লাহৰেই ৰৈছে; গতিকে অপেক্ষা কৰা (শাস্তি অহাৰ স্থান-কাল সম্বন্ধে); অৱশ্যে ময়ো তোমালোকৰে লগত অপেক্ষাকাৰীসকলৰ এজন।”

## পৰিচ্ছেদ - ৩

**২১** আৰু যেতিয়া লোকসকলক আমি কৰুণাৰ সোৱাদ লব দিওঁ কোনো দুখ-দুৰ্দশাই সিহঁতক স্পৰ্শ কৰাৰ পাছত, চোৱা সিহঁতে (কৃতজ্ঞতা প্ৰদৰ্শনৰ পৰিৱৰ্তে) আমাৰ নিদৰ্শনসমূহৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰে। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা আল্লাহ (অকৃতজ্ঞবিলাকক শাস্তিদানৰ) পৰিকল্পনা কৰাত অধিকতৰ তৎপৰ।” নিসন্দেহে আমাৰ দূতবিলাকে (—ফিৰিশ্বতাই) লিখি ৰাখে যি ষড়যন্ত্ৰ তোমালোকে কৰা (আৰু নিজৰ ফান্দতেই তোমালোকক ধৰি পেলায়)।

**২২** তেৱেঁই তোমালোকক ভ্ৰমণ কৰায় স্থলত আৰু সাগৰত। তাৰ পাছত তোমালোক যেতিয়া জাহাজত থাকা, আৰু সেইবোৰে সিহঁতক লৈ যাত্ৰা কৰে অনুকুল বতাহত, আৰু তাতে সিহঁতে মৌজ কৰে, (তেতিয়া) সিহঁতৰ ওপৰত আহি পৰে এক ধুমুহা বতাহ, আৰু চাৰিওফালৰ পৰা ঢৌ আহি থাকে সিহঁতৰ ফাললৈ, আৰু সিহঁতে বুজি পায় যে সিহঁতে ইয়াৰ দ্বাৰা নিশ্চয় ঘেৰাও হৈ পৰিছে, (সেই চৰম বিপদৰ সময়ত) সিহঁতে আল্লাহক মাতে তেওঁৰ প্ৰতি আনুগত্যত বিশুদ্ধ চিত্ত হৈ— “যদি ইয়াৰ পৰা তুমি আমাক উদ্ধাৰ কৰা তেন্তে আমি অৱশ্যেই কৃতজ্ঞসকলৰ অন্তৰ্ভুক্ত হ’ম।”

**২৩** তাৰ পাছত তেওঁ যেতিয়া (বিপদৰ পৰা) সিহঁতক উদ্ধাৰ কৰে, চোৱা! সিহঁতে পৃথিৱীত বিদ্ৰোহাচৰণ কৰে অন্যায়ভাৱে। হেৰা মানবজাতি! তোমালোকৰ বিদ্ৰোহাচৰণ বস্তুতঃ তোমালোকৰ নিজৰেই বিৰুদ্ধে, দুনিয়াৰ জীৱনৰ সামান্য উপভোগ, তাৰ পাছত আমাৰেই ওচৰত (হিচাপ-নিকাচৰ কাৰণে) তোমালোকৰ প্ৰত্যাবৰ্তন, তেতিয়া আমি (প্ৰতিফল দানৰ মাধ্যমেৰে) তোমালোকক জনাই দিম যি তোমালোকে কৰি গৈছিলা।

**২৪** এই দুনিয়াৰ জীৱনৰ তুলনা হৈছে বৰষুণৰ নিচিনা যি আমি আকাশৰ পৰা বৰ্ষণ কৰোঁ, তেতিয়া তাৰ দ্বাৰা পৃথিৱীৰ গছ-লতা ফুটি উঠি বাঢ়ে, যাৰ পৰা মানুহে আৰু জীৱ-জন্তুৱে আহাৰ কৰি থাকে। তাৰ পিছত যেতিয়া পৃথিৱীয়ে তাৰ শুৱনি-শোভা ধাৰণ কৰে আৰু সাজসজ্জা পিন্ধে, আৰু ইয়াৰ গৰাকীসকলে ভাৱে যে সিহঁতে অৱশ্যে (ফসল সংগ্ৰহৰ কাৰণে) ইয়াৰ ওপৰত আয়ত্বাধীন, তেতিয়া (অতৰ্কিতে) মোৰ আদেশ ইবিলাকৰ ওপৰত আহি পৰে ৰাতিত (টোপনিত থাকাকালত) অথবা দিনতে (কৰ্মৰত থকা অৱস্থাত), ফলত (পকাধানত মৈয়াই দি) আমি ইয়াক বনাওঁ কটা শস্যৰ দৰে যেন যোৱাকালিও তাৰ প্ৰাচুৰ্য নাছিল। এইদৰে (বিভিন্ন উপমা-উদাহৰণ দি) নিৰ্দেশাৱলীৰ মই বিশদ ব্যাখ্যা কৰোঁ তেনে সম্প্ৰদায়ৰ কাৰণে যিসকলে (কুৰআনৰ মৰ্ম বুজাৰ কাৰণে) চিন্তা কৰে।

**২৫** আৰু আল্লাহে (তোমালোকক) আহ্বান কৰে শান্তিৰ আলয়লৈ, আৰু যাকে তেওঁ (যোগ্য বিবেচনাৰে) ইচ্ছা কৰে তাকে পৰিচালিত কৰে সঠিক পথৰ ফালে।

**২৬** যিসকলে ভালকাম কৰে তেওঁলোকৰ কাৰণে ৰৈছে (সমপৰিমাণৰ নাইবা) আৰু বেচি ভাল (পুৰস্কাৰ)। আৰু তেওঁলোকৰ মুখমণ্ডলক আচ্ছন্ন নকৰিব কোনো কালিমাই আৰু কোনো অপমানেও নহয়। এওঁলোকেই হৈছে বেহেশ্বতৰ অধিবাসী, তেওঁলোক তাতেই থাকিব স্থায়ীভাৱে।

**২৭** আৰু যিবিলাকে বেয়া অৰ্জন কৰে (সিহঁতৰ) বেয়া কামৰ প্ৰতিফল হ’ব তাৰ অনুৰূপ (বেয়া, তাৰ সমপৰিমাণতকৈ বেচি কেতিয়াও নহয়), আৰু সিহঁতৰ মুখমণ্ডলক আচ্ছন্ন কৰিব অপমানে (আৰু এই অপমান হৈছে সিহঁতৰ জ্বালাময় দুখ)। সিহঁতৰ কাৰণে আল্লাহৰ পৰা কোনো ৰক্ষক নাই (যি অপমানৰ জ্বালা আঁতৰাই ৰাখিব পাৰে),– যেন সিহঁতৰ মুখমণ্ডল আচ্ছাদিত হৈছে নিশীথৰ গহন অন্ধকাৰৰ এভাগেৰে। ইহঁতেই হৈছে (দুখৰ) জুইৰ অধিবাসী, ইহঁতে তাতে থাকিব দীৰ্ঘকাল।

**২৮** আৰু যিদিনা আমি ইহঁতৰ আটাইবোৰকে (বিচাৰৰ কাৰণে) সমবেত কৰিম, তাৰ পাছত যিবিলাকে অংশী থিয় কৰাইছিল সেইবিলাকক ক’ম– “তোমালোক আৰু তোমালোকৰ অংশীবিলাক নিজৰ স্থানত অৱস্থান কৰা”; তেতিয়া আমি সিহঁতৰ মাজত বিচ্ছিনতা আনি দিম, আৰু সিহঁতৰ অংশীবিলাকে ক’ব– “তোমালোকেতো আমাক উপাসনা কৰা নাছিলা (বৰং তোমালোক নিজৰে কুসংস্কাৰ আৰু ধৰ্মান্ধতাৰ পুজাৰী আছিলা)।

**২৯** “সেইকাৰণে আমাৰ মাজত আৰু তোমালোকৰ মাজত সাক্ষীৰূপে আল্লাহেই যথেষ্ট যে তোমালোকৰ পূজা-অৰ্চনা সম্বন্ধে আমি অনবহিত আছিলো।”

**৩০** তাতেই প্ৰত্যেক আত্মাই উপলব্ধি কৰিব যি (কৃতকৰ্ম) সি আগতে পঠিয়াইছে (তাৰ প্ৰতিফল), আৰু সিহঁতক ওভতাই অনা হ’ব সিহঁতৰ অভিভাৱক আল্লাহৰ ওচৰলৈ, আৰু সিহঁতৰ পৰা বিদায় ল’ব (সেইবিলাক দেৱ-দেৱী) যিবিলাকক সিহঁতে উদ্ভাৱন কৰি আছিল।

## পৰিচ্ছেদ - ৪

**৩১** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ কোনে তোমালোকৰ জীৱিকা দান কৰে মহাকাশমণ্ডল আৰু পৃথিৱীৰ পৰা? অথবা (তোমালোকৰ) শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তি কাৰ কৰ্তৃত্বাধীন (যিবিলাকৰ জৰিয়তে আল্লাহৰ অনুগ্ৰহবোৰ তোমালোকে উপভোগ কৰা)? আৰু কোনে মৃতকৰ পৰা জীৱিতক নিৰ্গত কৰে আৰু মৃতকক নিৰ্গত কৰে জীৱিতৰ পৰা? আৰু কোনে (বিশ্বজগতৰ) বিষয়বস্তু নিয়ন্ত্ৰণ কৰে?” তেতিয়া সিহঁতে ততালিকে ক’ব– “আল্লাহে।” তেনেহলে কোৱাঁ– “তেন্তে কিয় তোমালোকে ধৰ্মপৰায়ণতা অৱলম্বন নকৰা?”

**৩২** এওঁহে তেন্তে আল্লাহ– তোমালোকৰ আচল প্ৰভু; সঁচাৰ পাছত মিছাৰ বাহিৰে আৰু কিনো (অৱশিষ্ট) থাকে? গতিকে (সত্য ত্যাগ কৰি) ক’ত (কোন মিছাৰ সাগৰলৈ) তোমালোকক ঘূৰাই নিয়া হৈছে?

**৩৩** এনেকুৱাই তোমাৰ প্ৰভুৰ বাণী (যথা নিৰ্দেশনামা আৰু আইন) সত্য প্ৰমাণিত হ’ব সিহঁতৰ বিৰুদ্ধে যিবিলাকে অবাধ্য আচৰণ কৰে ঃ ‘নিসন্দেহে সিহঁতে (–অবাধ্যাচাৰীবিলাকে মোৰ প্ৰতি) বিশ্বাস স্থাপন নকৰে’।

**৩৪** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– “তোমালোকৰ (কল্পনাপ্ৰসূত) অংশীবিলাকৰ মাজৰ কোনোবা আছে নেকি যিয়ে সৃষ্টিৰ সূচনা কৰিব পাৰে?” তুমি (নিজৰ পৰাই) কোৱাঁ– “আল্লাহেই সৃষ্টি আৰম্ভ কৰে, তাৰ পাছত তাৰ (পৰাই সেই সৃষ্টিৰ) পুনৰ উৎপাদন কৰে। গতিকে তোমালোকে (সত্য ত্যাগ কৰি) কলৈ (কোন কুহকলৈ) গুচি গৈছা?”

**৩৫** তুমি কোৱাঁ– “তোমালোকৰ (মনেগঢ়া) অংশীবিলাকৰ মাজত কোনোবা আছে নেকি যি (তোমালোকক) পৰিচালিত কৰে সত্যৰ প্ৰতি?” তুমি কোৱাঁ— “আল্লাহেই (সকলোকে) সত্যৰ প্ৰতি পৰিচালিত কৰে।” এতেকে যিজনে সত্যৰ প্ৰতি (মানুহক) পৰিচালিত কৰে তেওঁ অনুসৰণৰ অধিকতৰ দাবিদাৰ, নে যি (কাকোৱেই সঠিক পথত) পৰিচালনা নকৰে যদিহেনে সি (নিজে) পৰিচালিত হয়? তোমালোকৰ তেন্তে কি হৈছে (যে চকুৰে দেখা নোপোৱা)? কিদৰে তোমালোকে (চকু মুদি সঁচা-মিছা) বিচাৰ কৰা?

**৩৬** আৰু সিহঁতৰ অধিকাংশই অনুমানৰ বাহিৰে অইন একোৱেই অনুসৰণ নকৰে। নিশ্চয়ে সত্যৰ পৰিবৰ্তে অনুমানৰ একোৱেই মূল্য নাই। ইহঁতে যি কৰে সেই বিষয়ে আল্লাহ অৱশ্যেই সৰ্বজ্ঞাতা।

**৩৭** আৰু এই কুৰআন এনে নহয় যিটো আল্লাহৰ বাহিৰে অইনৰ দ্বাৰা ৰচিত হ’ব পাৰে; পক্ষান্তৰে ইখন হৈছে সমৰ্থন কৰোঁতা ইয়াৰ আগতে যি (প্ৰত্যাদেশবাণী বিভিন্ন নবী-ৰছুলৰ জৰিয়তে আহি) আছিল তাৰ, আৰু (পূৰ্বৱতী) গ্ৰন্থৰ ই এক বিশদ ব্যাখ্যা (কাৰণ ইয়াত মানুহৰ ইহকাল আৰু পৰকালৰ কল্যাণৰ সকলো বিষয়বস্তু সুচাৰুৰূপে বৰ্ণনা কৰা হৈছে)— কোনো সন্দেহ নাই ইয়াত, (এইটো আহিছে) বিশ্বজগতৰ প্ৰভুৰ পৰা।

**৩৮** অথবা সিহঁতে কয়নে— "তেওঁ (—মুহাম্মদ-ছাঃ-এ, নিজৰ কল্পনাৰ পৰা) এইটো ৰচনা কৰিছে"? তুমি (সিহঁতৰ এই মিথ্যাৰোপৰ প্ৰতিবাদত) কোঁৱা— "তেনেহলে ইয়াৰ নিচিনা এটা ছুৰা লৈ আহা, আৰু আল্লাহক এৰি (সাহায্যৰ কাৰণে) যিবিলাকক পাৰা মাতা, যদি তোমালোক (এনে সন্দেহৰ বিষয়ত) সত্যবাদী হোৱা।"

**৩৯** নহয়, সিহঁতে প্ৰত্যাখ্যান কৰে তাকে (—এনে কুৰআনকে) যাৰ জ্ঞানৰ সীমা সিহঁতে বেৰি ধৰিব নোৱাৰে, আৰু এতিয়াও ইয়াৰ মৰ্ম (বুজাৰ ক্ষমতা) সিহঁতৰ ওচৰত অহা নাই। এইদৰে (সত্য) প্ৰত্যাখ্যান কৰিছিল সিহঁতে যিবিলাক ইহঁতৰ আগতে (দুনিয়াত বসবাস কৰি) আছিল। এতেকে চোৱাঁ কেনেকুৱা (শোচনীয়) হৈছিল অত্যাচাৰীবিলাকৰ পৰিণাম।

**৪০** আৰু সিহঁতৰ মাজত কোনোবা (এনে লোকও) আছে যি (চকু কাণ খুলি) ইয়াত বিশ্বাস কৰে, আৰু সিহঁতৰ মাজত কোনো আছে যি (চকুত আঙুলিয়াই দেখুৱাই দিলেও) ইয়াত বিশ্বাস নকৰে। আৰু তোমাৰ প্ৰভুৱে (সঁচা বিষয়ৰ উপৰত মিছাৰ প্ৰলেপ দি) গণ্ডগোল সৃষ্টিকাৰীবিলাকক ভালকৈ জানে।

## পৰিচ্ছেদ - ৫

**৪১** আৰু (হে মুহাম্মদ-ছাঃ!) সিহঁতে যদি তোমাৰ প্ৰতি (প্ৰত্যাদেশ সম্পৰ্কে) মিথ্যাৰোপ কৰে তেন্তে কোৱাঁ– "মোৰ কাম মোৰ বাবে (মোৰ দায়িত্ব আনুযায়ী মই আল্লাহৰ বাণী প্ৰচাৰ কৰি যামেই), আৰু তোমালোকৰ কাম তোমালোকৰ বাবে (গতিকে তোমালোকে ইয়াক গ্ৰহণ বা প্ৰত্যাখ্যান কৰিব পাৰা, ফলাফলৰ আল্লাহৰ ওপৰতে নিৰ্ভৰ কৰে); তোমালোক দায়ী নোহোৱা মই যি কৰো তাতে, আৰু ময়ো দায়ী নহওঁ তোমালোকে যি কৰা তাতে।"

**৪২** আৰু সিহঁতৰ মাজত কোনোবাই (ভাও ধৰে যে সিহঁতে) তোমাৰ কথা শুনে। (যিবিলাক কাণ থাকোতেও কলা) তুমি (তেনে) বধিৰকে (আল্লাহৰ বাণী) শুনাব পাৰিবানে,— দৰাচলতে সিহঁতে বুদ্ধি-বিবেচনা নাৰাখে?

**৪৩** আৰু সিহঁতৰ মাজৰ কোনো কোনোৱে (ভাৱলেষহীন দৃষ্টিৰে) তোমাৰ ফালে চাই থাকে। (যি চকু থাকোতেও কণা) তুমি (তেনে) অন্ধক পথ দেখুৱাব পাৰিবানে? বাস্তৱত সিহঁতে (সঠিক পথ) দেখিব নোৱাৰে।

**৪৪** নিসন্দেহে আল্লাহে মানুহৰ প্ৰতি অকণো অন্যায় নকৰে, কিন্তু মানুহবিলাকে (ধ্বংসৰ পথত ভৰি দি) সিহঁতৰ নিজৰেই প্ৰতি অন্যায় কৰে।

**৪৫** আৰু যিদিনা তেওঁ (শেষবিচাৰৰ কাৰণে) সিহঁতক একত্ৰিত কৰিব (সেইদিনা পৰকালৰ অনন্ত জীৱনৰ পৰিমাপেৰে সিহঁতৰ মনত হ'ব) যেন সিহঁতে (পাৰ্থিৱ জীৱনত) দিনৰ এঘণ্টা মানৰ বাহিৰে অৱস্থান কৰা নাই। সিহঁতে সিহঁতৰ (সাঙ্গোপাঙ্গই) এজনে আনজনক চিনি পাব। আল্লাহৰ সৈতে সাক্ষাৎ হোৱাক যিবিলাকে মিছা বুলিছিল সিহঁত অৱশ্যে ক্ষতিগ্ৰস্ত হৈছে, আৰু (এতিয়া সিহঁতে গম পাব যে) সিহঁত সঠিক পথত পৰিচালিত নাছিল।

**৪৬** আৰু (হে মুহাম্মদ-ছাঃ! তোমাৰ জীৱনকালতে) তোমাক যদি আমি দেখুৱাই দিওঁ ইহঁতক (দিবলৈ শাস্তিৰ) যি আমি ওৱাদা কৰিছিলো তাৰ কিছুমান, অথবা (ইহঁতক দুৰস্ত কৰাৰ আগতেই) তোমাৰ মৃত্যু ঘটাই দিওঁ তেনে হলেও আমাৰ ওচৰতেই (হিচাপ-নিকাচৰ কাৰণে) সিহঁতৰ প্ৰত্যাবৰ্তন; তাৰ উপৰি আল্লাহ সাক্ষী ৰৈছে যি সিহঁতে কৰি আছে তাৰ ওপৰত (গতিকে সিহঁতে একোতেই হাত সাৰিব নোৱাৰিব)।

**৪৭** আৰু প্ৰত্যেক জাতিৰ নিমিত্তে (প্ৰেৰিত হৈছে) একোজন ৰছূল, এতেকে যেতিয়া সিহঁতৰ ৰছূল (মোৰ বাৰ্তা লৈ) আহিছিল তেতিয়া ন্যায় বিচাৰৰ সৈতে সিহঁতৰ মাজত (অৰ্থাৎ ৰছূল আৰু তেওঁলোকৰ জাতিবোৰৰ মাজত) মীমাংসা হৈছে, আৰু (সিহঁতক এশিকনি দিয়াৰ বেলিকা) সিহঁতৰ প্ৰতি অন্যায় কৰা নহয়।

**৪৮** আৰু সিহঁতে (মুছলিমক ঠাট্টা কৰি) কয়— "(শাস্তিৰ ভাবুকি দিয়া) এই ওৱাদা কেতিয়া ফলিয়াব,– (এতিয়াই সেইটো লৈ নহা কিয়) যদি তোমালোক সত্যবাদী হোৱা?

**৪৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— "(জাহান্নামত যাবলৈ ইমান লৰালৰি কৰিছা কিয়?) মই নিজৰ পৰা (তোমালোকৰ কাৰণে) কোনো অনিষ্ট সাধনৰ কৰ্তৃত্ব নাৰাখো বা মুনাফা দিয়াৰো নহয়— আল্লাহে যি ইচ্ছা কৰে তাৰ ব্যতিৰেকে (আৰু আল্লাহৰ ইচ্ছাত মই হৈছো বিশ্বজগতৰ কাৰণে কৰুণা)।" প্ৰত্যেক জাতিৰ (আৰু ব্যক্তিৰ) নিমিত্তে (দৈৱঘটনা ঘটাৰ) এটি সময় আছে; যেতিয়া সিহঁতৰ সময় ঘনাই আহিব তেতিয়া সিহঁতে এঘণ্টাৰ কাৰণেও (সেইটো) দেৰি কৰিব নোৱাৰিব বা আগুৱায়ো আনিব নোৱাৰিব।

**৫০** তুমি কোৱাঁ— "তোমালোকে ভাবি চাইছানে যে যদি তেওঁৰ শাস্তি তোমালোকৰ ওপৰত আহি পৰে (সাৰ নোপোৱাকৈ) ৰাতিৰ আক্ৰমণৰূপে অথবা দিনৰ বেলাত (কাম কাজত মচগুল থকাৰ সময়ত), তেন্তে ইয়াৰ মাজৰ কোনটো (অৰ্থাৎ কোন সময়ৰ আৰু কোন ধৰনৰ শাস্তি) ত্বৰান্বিত কৰিবলৈ বিচাৰে অপৰাধীবিলাকে?"

**৫১** তেন্তে তোমালোকে তেতিয়া ইয়াত বিশ্বাস কৰিবানে যেতিয়া এইটো ঘটি যাব? (সিহঁতক কোৱাঁ হ'ব—) "আহা, এতিয়াহে (তোমালোকৰ ভ্ৰূক্ষেপ হৈছে)! তোমালোকেতো এইটোকে ততাতৈয়া কৰিবলৈ বিচাৰিছিলা (গতিকে ইয়াৰ পৰিণতি ভোগ কৰা)।"

**৫২** পিছত যিবিলাকে অন্যায় আচৰণ কৰিছিল সিহঁতক কোৱা হ'ব— "(যেনে কৰ্ম তেনে ফল, গতিকে) দীৰ্ঘস্থায়ী শাস্তিৰ সোৱাদ লোৱা। তোমালোকে (অন্যায় আচৰণৰ দ্বাৰা) যি অৰ্জন কৰি চলিছিলা তাৰ বাহিৰে আন কিবা তোমালোকক প্ৰতিদান দিয়া হৈছেনে?

**৫৩** আৰু সিহঁতে তোমাৰ ওচৰত জানিব বিচাৰে— "এইটো সঁচানে?" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— "হয়! মোৰ প্ৰভুৰ শপত, এইটো বাস্তৱ সত্য। আৰু (জানি ৰাখা যে এইটো) তোমালোকে এৰাব পৰা নোহোৱা।"

## পৰিচ্ছেদ – ৬

**৫৪** আৰু প্ৰতিজন লোকৰেই– যি অন্যায় কৰিছে– তাৰ যদি হ'লহেঁতেন পৃথিৱীত যি কিবা (সম্পদ) আছে, সি অৱশ্যেই সেইবিলাক দি (শাস্তিৰ পৰা) মুক্তি বিচাৰিলেহেঁতেন। আৰু সিহঁতে অনুতাপ অনুভৱ কৰিব যেতিয়া সিহঁতে শাস্তি দেখিবলৈ পাব (আৰু যিকোনো মুক্তিপণৰ বিনিময়ত পৰিত্ৰাণ খুজিব); কিন্তু সিহঁতৰ সম্বন্ধে (শাস্তিদান) মীমাংসা কৰা হৈছে ন্যায়সঙ্গতভাৱে, আৰু সিহঁতক (অকণমানো) জুলুম কৰা নহ'ব।

**৫৫** যি কিবা আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত সেই সকলোবোৰেই বাস্তৱত আল্লাহৰেই নহয়নে? আল্লাহৰ ওৱাদা অৱশ্যেই সত্য নহয়নে? কিন্তু সিহঁতৰ অনেকেই (ইমানেই গজমূৰ্খ যে এই সাধাৰণ কথাটোও) নাজানে।

**৫৬** তেৱেঁই জীৱন দিয়ে আৰু মৃত্যু ঘটায় আৰু তেওঁৰেই কাষলৈ তোমালোকক ঘূৰাই অনা হ'ব।

**৫৭** হে-ৰা মানৱজাতি! তোমালোকৰ ওচৰত নিশ্চয় তোমালোকৰ প্ৰভুৰ পৰা আহিছে এক ধৰ্মোপদেশ (যথা কুৰআন), আৰু (তোমালোকৰ) অন্তৰত যি (ব্যাধি) আছে তাৰ নিমিত্তে এক আৰোগ্য-বিধান, আৰু বিশ্বাসীসকলৰ কাৰণে এক পথনিৰ্দেশ আৰু এক কৰুণা।

**৫৮** তুমি কোৱাঁ– "(এই কুৰআন দিয়া হৈছে) আল্লাহৰ বদান্যতাত আৰু তেওঁৰ কৰুণাত"– এতেকে ইয়াত তেওঁলোকে আনন্দ প্ৰকাশ কৰক। তেওঁলোকে যি (পাৰ্থিৱ ধন-দৌলত) জমা কৰে তাতকৈ ই (আধ্যাত্মিক মুনাফা লাভ) অধিকতৰ শ্ৰেয়।

**৫৯** তুমি কোৱাঁ– "তোমালোক ভাবি চাইছানে? আল্লাহে তোমালোকৰ কাৰণে (পাৰ্থিৱ আৰু আধ্যাত্মিক) জীৱিকাৰ পৰা কিমান কি পঠিয়াইছে, তাৰ পাছত তোমালোকে তাৰ কিছু (অৰ্থাৎ আধ্যাত্মিক ৰিযেক) হাৰাম আৰু (আন কিছু যেনে পাৰ্থিৱ ৰিযেক) হালাল বনাইছা?" কোৱাঁ– "আল্লাহে তোমালোকৰ কাৰণে (এনে আচৰণৰ) অনুমতি দিছেনে? নেকি তোমালোক আল্লাহৰ প্ৰতি (হাৰাম-হালাল সম্পৰ্কে) মিছা সাজি লৈছা?

**৬০** আৰু যিবিলাকে আল্লাহ সম্বন্ধে মিছা সাজি লয় সিহঁতে কিয়ামতৰ (শেষ-বিচাৰৰ) দিন সম্বন্ধে কি ভাবিছে? নিসন্দেহে আল্লাহ মানুহৰ প্ৰতি নিশ্চয় বদান্যতাৰ অধিকৰ্তা, কিন্তু সিহঁতৰ সৰহভাগেই (তেওঁৰ প্ৰতি) কৃতজ্ঞতা প্ৰকাশ নকৰে।

## পৰিচ্ছেদ – ৭

**৬১** আৰু (হে মুহাম্মদ-ছাঃ!) তুমি যিকোনো অৱস্থাতেই নাথাকা আৰু কুৰআনৰ পৰা যিকোনো অংশকেই আবৃত্তি নকৰা আৰু তোমালোকে (অৰ্থাৎ জনসাধাৰণে) যিকোনো কাম নকৰা কিয়, আমি কিন্তু তোমালোকৰ ওপৰত সাক্ষী ৰৈছো যেতিয়া তোমালোক তাতে নিযুক্ত থাকা (অৰ্থাৎ তোমালোকৰ সকলো ক্ৰিয়াকলাপ আল্লাহে পুঙ্খানুপুঙ্খ নিৰীক্ষণ কৰি আছে)। আৰু তোমাৰ প্ৰভুৰ পৰা অণু পৰিমাণো একো লুকাই থকা নাই এই পৃথিৱীত আৰু মহাকাশতো নহয়, আৰু তাতকৈ সৰুও নাই আৰু ডাঙৰো নাই যি (লিপিবদ্ধ) নহয় এক সুস্পষ্ট গ্ৰন্থত (অৰ্থাৎ আল্লাহৰ প্ৰত্যক্ষ তত্ত্বাৱধানত)।

**৬২** জানি ৰাখা! নিশ্চয় আল্লাহৰ বন্ধুসকল– তেওঁলোকৰ ওপৰত (পৰাজয়ৰ) কোনো ভয় নাই, আৰু তেওঁলোকে (কিবা ক্ষয়ক্ষতিৰ কাৰণে) অনুতাপো নকৰিব (কিয়নো শেষলৈকে তেওঁলোক সফলকাম হ'বই)।

**৬৩** যিসকলে বিশ্বাস স্থাপন কৰে আৰু (আল্লাহক) ভয়ভক্তি কৰে–

**৬৪** তেওঁলোকৰ কাৰণে ৰৈছে (সফলকাম হোৱাৰ) সুসংবাদ এই পৃথিৱীৰ জীৱনত, আৰু পৰকালত (আল্লাহৰ নৈকট্যলাভৰ প্ৰতিশ্ৰুতি)। আল্লাহৰ বাণীৰ কোনো পৰিবৰ্তন নাই;– এইটোৱেই হৈছে মহা সাফল্য।

**৬৫** আৰু সিহঁতৰ (মই-বৰ) কথাই তোমাক যেন দুখ নিদিয়ে। সন্মান বাস্তৱিকতে সম্পূৰ্ণৰূপে আল্লাহৰ (এতেকে আল্লাহে তোমাক অসীম সন্মানে ভূষিত কৰিব)। তেওঁ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**৬৬** ই নহয়নে যে অৱশ্যে মহাকাশমণ্ডলত যিসকল আছে আৰু যিসকল আছে পৃথিৱীত তেওঁলোক (সকলো) আল্লাহৰেই। আৰু যিবিলাকে আল্লাহক এৰি (মিছা) অংশীবিলাকৰ আৰাধনা কৰে সিহঁতে (প্ৰকৃতপক্ষে সিবিলাকৰ) অনুসৰণ নকৰে। সিহঁতেতো কেৱল অনুমানৰেই অনুসৰণ কৰি থাকে (আৰু আচল মালিকক পৰিত্যাগ কৰি মৰীচিকাৰ পাছতেই দৌৰে); আৰু সিহঁতে কেৱল আন্দাজেই কৰি আছে (গতিকে এন্ধাৰতেই মূৰ মাৰি থাকে)।

**৬৭** তেৱেঁই সেইজন যিজনে তোমালোকৰ নিমিত্তে সৃষ্টি কৰিছে ৰাতি যাতে তোমালোকে তাতে বিশ্ৰাম কৰিব পাৰা, আৰু চোৱাৰ কাৰণে দিন (যাতে তোমালোকৰ উন্নতিৰ পথ দেখি সৎকাম কৰিব পাৰা)। নিশ্চয় এইবিলাকতে ৰৈছে সঠিক নিদৰ্শনসমূহ তেনে লোকসকলৰ কাৰণে যিবিলাকে (আল্লাহৰ বাণী) শুনে।

**৬৮** সিহঁতে (এনেকৈয়ো) কয়— "আল্লাহে এটি পুত্ৰ গ্ৰহণ কৰিছে"। তেওঁৰেই মহিমা হওঁক (কাৰণ তেওঁ এই ধৰনৰ অপবাদৰ পৰা মুক্ত)। তেওঁ স্বয়ং সমৃদ্ধ (গতিকে তেওঁ কাৰোবাৰ মুখাপেক্ষী নহয়)। মহাকাশমণ্ডলত যিকিবা আছে আৰু যিকিবা আছে পৃথিৱীত সেইসকলোবিলাকেই তেওঁৰ। এই বিষয়ে (অৰ্থাৎ আল্লাহৰ সন্তান থকাসম্বন্ধে) কোনো সনদ তোমালোকৰ ওচৰত নাই। তোমালোকে আল্লাহ সম্বন্ধে (এনেকুৱা সাংঘাতিক নিন্দনীয় কথা) কৈছানে যি তোমালোকে নাজানা?

**৬৯** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– "নিসন্দেহে যিবিলাকে আল্লাহৰ বিৰুদ্ধে মিছা ৰচনা কৰে সিহঁত সফলকাম নহ'ব।"

**৭০** (ইহঁতৰ নিমিত্তে এইবিলাক কেৱল) দুনিয়াৰ সুখ-সম্ভোগ, ইয়াৰ পাছত আমাৰেই ওচৰলৈকে সিহঁতৰ প্ৰত্যাবৰ্তন, তেতিয়া সিহঁতক আমি আস্বাদন কৰাম কঠোৰ শাস্তিৰে যিহেতু সিহঁতে (আমাৰ প্ৰতি) অবিশ্বাস পোষণ কৰিছিল।

## পৰিচ্ছেদ - ৮

**৭১** আৰু সিহঁতৰ ওচৰত নূহ (আঃ)-ৰ কাহিনী বৰ্ণনা কৰা। স্মৰণ কৰা! তেওঁ তেখেতৰ লোকসকলক কৈছিলে— "হে মোৰ সম্প্ৰদায়! যদি (তোমালোকৰ মাজত) মোৰ বসবাস আৰু আল্লাহৰ বাণীৰ দ্বাৰা (তোমালোকক) মোৰ উপদেশদান তোমালোকৰ ওপৰত গুৰুভাৰ হয়, তেনেহলে আল্লাহৰ ওপৰতেই মই নিৰ্ভৰ কৰিছো, গতিকে তোমালোকৰ কাম-কাজ আৰু তোমালোকৰ অংশীবিলাকক সামৰি লোৱা, তাৰ পাছত তোমালোকৰ কাম-কাজত (এনেকুৱা পক্কা ফন্দি পাতা) যেন তোমালোকৰ কোনো সন্দেহ নাথাকে, তেতিয়া মোৰ ফালে সেইটো খটোৱা আৰু মোক বিৰাম নিদিবা।

**৭২** কিন্তু যদি তোমালোকে (এই চেলেঞ্জত সঁহাৰি নিদি) ঘূৰি যোৱাঁ তেন্তে (ভাবি চোৱাঁ— তোমালোকক সৎপথৰ সন্ধেদ দিয়াৰ বিনিময়ত) মই তোমালোকৰ পৰা কোনো পাৰিশ্ৰমিক বিচৰা নাই। মোৰ পাৰিশ্ৰমিক কেৱল আল্লাহৰ ওচৰতেই ৰৈছে; আৰু মোক আদেশ কৰা হৈছে যেন মই মুছলিমসকলৰ অন্তৰ্ভুক্ত হওঁ।"

**৭৩** তথাপি সিহঁতে তেওঁক প্ৰত্যাখ্যান কৰিলে; ফলত আমি তেওঁক আৰু তেওঁৰ লগত যিসকল আছিল তেওঁলোকক উদ্ধাৰ কৰিছিলো জাহাজত, আৰু আমি সেইসকলক (পূৰ্ববৰ্তী বাসিন্দাবিলাকৰ) প্ৰতিনিধি (অৰ্থাৎ স্থলাভিষিক্ত) বনাইছিলো; আৰু বুৰাই দিছিলো সিহঁতক যিবিলাকে আমাৰ নিৰ্দেশাৱলী প্ৰত্যাখ্যান কৰিছিল। এতেকে চাই দেখা! কেনে হৈছিল সতৰ্কীকৃতসকলৰ (মাজৰ সাৱধান নোহোৱাবিলাকৰ শোচনীয়) পৰিণাম।

**৭৪** তাৰ পিচত তেওঁৰ পাছতে আমি ৰছুলসকলক থিয় কৰিছিলো তেওঁলোকৰ সম্প্ৰদায়ৰ ওচৰত, গতিকে তেওঁলোক সিবিলাকৰ ওচৰলৈ আহিছিল (সত্যতাৰ) স্পষ্ট প্ৰমাণাৱলী লৈ, কিন্তু সিহঁতে ইতিপূৰ্বে যি (বাণীসমূহ) প্ৰত্যাখ্যান কৰিছিল তাতে সিহঁত বিশ্বাস কৰিবলৈ প্ৰস্তুত নাছিল। এইদৰে আমি সীমালংঘনকাৰীবিলাকৰ হৃদয়ৰ ওপৰত মোহৰ মাৰি দিওঁ (যাৰ ফলত তাতে ঐশী বাণী প্ৰৱেশ কৰিব নোৱাৰে)।

**৭৫** অনন্তৰ সিহঁতৰ পাছত মূছা (আঃ) আৰু হাৰূন (আঃ)-ক আমি পঠিয়াইছিলো ফিৰআউন আৰু তাৰ পৰিষদবৰ্গৰ ওচৰলৈ আমাৰ নিদৰ্শনসমূহৰে; কিন্তু সিহঁতে (এওঁলোকৰ কথাত) অহংকাৰ কৰিছিলে আৰু সিহঁত আছিল এটি অপৰাধী সম্প্ৰদায়।

**৭৬** তাৰ পিছত সিহঁতলৈ যেতিয়া আমাৰ তৰফৰ পৰা সত্য (যথা অকাট্য যুক্তিযুক্ত নিদৰ্শন) আহিল সিহঁতে তেতিয়া ক'লে— "ইতো নিশ্চয় পৰিষ্কাৰ যাদু।"

**৭৭** মূছাই ক'লে— "তোমালোকে সত্য সম্বন্ধে এনে কথা কৈছানে যেতিয়া ই (অকাট্য যুক্তি) তোমালোকলৈ আহিল? এইটো যাদু হয়নে? আৰু (জানি ৰাখা) যাদুকৰবিলাকক সফলকাম বনোৱা নহয়।"

**৭৮** সিহঁতে ক'লে— "তুমি আমাৰ ওচৰলৈ আহিছানে আমাক তাৰ পৰা বিচ্যুত কৰিবলৈ যাৰ ওপৰত আমাৰ পিতৃপুৰুষসকলক পাইছো, আৰু যেন দেশৰ ভিতৰত তোমালোক দুজনৰেই প্ৰতিপত্তি হয়? গতিকে তোমালোক দুজনৰ প্ৰতি আমিতো বিশ্বাসী নহওঁ।"

**৭৯** আৰু ফিৰআউনে (তাৰ বিষয়াবিলাকক) ক'লে— "প্ৰত্যেক ওস্তাদ যাদুকৰক মোৰ ওচৰলৈ লৈ আহা।"

**৮০** গতিকে যেতিয়া (বাক্‌চতুৰ) যাদুকৰবিলাক আহিল তেতিয়া মূছা (আঃ)-এ সিহঁতক ক'লে— "তোমালোকৰ যি পেলাবলৈ আছে পেলোৱা।"

**৮১** যেতিয়া সিহঁতে পেলালে, মূছা (আঃ)-এ ক'লে— "তোমালোকে যি লৈ আহিছা সেয়া ভেলকীবাজী। নিশ্চয় আল্লাহে ইয়াক বাতিল কৰি দিব।" আল্লাহে নিশ্চয় হুজ্জতকাৰী-বিলাকৰ কামত ভাল নকৰে।

**৮২** অধিকন্তু আল্লাহে তেওঁৰ বাণী অনুযায়ী সত্যক সুপ্ৰতিষ্ঠিত কৰে, যদিও অপৰাধীবোৰে (ইয়াক) অপছন্দ কৰে।

## পৰিচ্ছেদ - ৯

**৮৩** কিন্তু তেওঁৰ সম্প্ৰদায়ৰ সন্তান-সন্ততি ব্যতীত অইন কোনোৱেই মূছা (আঃ)-ৰ প্ৰতি বিশ্বাস কৰা নাছিল ফিৰআউন আৰু তাৰ পৰিষদবিলাকৰ ভয়ত পাছত জানোচা সিহঁতে সিহঁতক নিৰ্যাতন কৰে। আৰু ফিৰআউন দেশৰ মাজত অৱশ্যেই আছিল মহাপ্ৰতাপশালী; আৰু সি নিশ্চয় আছিল ন্যায়-লংঘনকাৰীবিলাকৰ অন্তৰ্ভুক্ত।

**৮৪** আৰু মূছাই ক'লে– "হে মোৰ সম্প্ৰদায়! তোমালোকে যদি (সঁচাই) আল্লাহৰ প্ৰতি বিশ্বাস কৰি থাকা তেন্তে তেওঁৰ ওপৰতেই তোমালোকে নিৰ্ভৰ কৰা যদি তোমালোক মুছলিম হোৱা।"

**৮৫** গতিকে সিহঁতে ক'লে– "আল্লাহৰ ওপৰতেই আমি নিৰ্ভৰ কৰিছো। আমাৰ প্ৰভু! অত্যাচাৰীগোষ্ঠীৰ উৎপীড়নৰ পাত্ৰ আমাক নবনাব;

**৮৬** "আৰু তোমাৰ কৰুণাৰ দ্বাৰা আমাক উদ্ধাৰ কৰা অবিশ্বসীগোষ্ঠীৰ পৰা।"

**৮৭** আৰু আমি মূছা (আঃ) আৰু তেওঁৰ ভায়েকৰ প্ৰতি প্ৰত্যাদেশ দিলো এইবুলি– "তোমালোকৰ লোকবিলাকৰ কাৰণে মিচৰত (ঠায়ে ঠায়ে বসতি ন'কৰি একে ঠাইত) বাৰীঘৰ স্থাপন কৰা, আৰু তোমালোকৰ ঘৰবিলাক উপাসনাৰ স্থান বনোৱা আৰু (তাতে) নামায কায়েম কৰা। আৰু বিশ্বাসীসকলক (ফিৰআউনৰ পৰা মুক্তি পোৱাৰ আৰু পৰকালত সাফল্য লাভৰ) সুসংবাদ দিয়া।"

**৮৮** আৰু মূছাই ক'লে– "আমাৰ প্ৰভু! নিশ্চয় তুমি ফিৰআউন আৰু তাৰ পৰিষদবিলাকক এই দুনিয়াৰ জীৱনত শোভা-সৌন্দৰ্য আৰু ধন-দৌলত প্ৰদান কৰিছা যাৰ দ্বাৰা, আমাৰ প্ৰভু, সিহঁতে (মানুহক ভুলাই) তোমাৰ পথৰ পৰা পথভ্ৰষ্ট কৰে। আমাৰ প্ৰভু! বিনষ্ট কৰি দিয়া সিহঁতৰ ধন-সম্পত্তি, আৰু কঠোৰতা আনি দিয়া সিহঁতৰ হৃদয়ৰ ওপৰত; সিহঁতেতো (তোমাৰ প্ৰতি) বিশ্বাস নকৰে যেতিয়ালৈকেনো সিহঁতে মৰ্মন্তুদ শাস্তি প্ৰত্যক্ষ কৰে।"

**৮৯** তেওঁ (–আল্লাহে) ক’লে– “তোমালোক দুজনৰ (–মূছা আৰু হাৰূন-আঃ-ৰ) দোৱা ইতিমধ্যেই মঞ্জুৰ হ’ল, এতেকে তোমালোক দুয়ো (ন্যায়ৰ পথত) অটল থাকা, আৰু সিহঁতৰ পথ অনুসৰণ নকৰিবা যিবিলাকে নাজানে।

**৯০** আৰু ইছ্ৰাইলৰ বংশধৰবিলাকক আমি (সাগৰৰ পানী আঁতৰাই শুকান পথেৰে) সমুদ্ৰ পাৰ কৰিলো, আৰু ফিৰআউন আৰু তাৰ সৈন্যদলে সিবিলাকক অনুসৰণ কৰিলে নিৰ্যাতন আৰু উৎপীড়নৰ উদ্দেশ্যে। শেষত যেতিয়া ডুবি যোৱাটোৱে তাক আগুৰি ধৰিলে (তেতিয়া তাৰ জ্ঞানোদয় হোৱাৰ ফলত) সি ক’লে– “মই ঈমান আনিছো যে, ইছ্ৰাইলৰ বংশধৰসকলে যিজনৰ প্ৰতি বিশ্বাস কৰে তেওঁৰ বাহিৰে অন্য উপাস্য নাই; আৰু মই হৈছো মুছলিম সকলৰ অন্তৰ্ভুক্ত।”

**৯১** (তাক তেতিয়া কোৱা হ’ল–) “আহা এতিয়াহে! আৰু অলপ আগতে তুমিতো অবাধ্যতা কৰিছিলা আৰু তুমি আছিলা অশান্তি সৃষ্টিকৰোঁতাবিলাকৰ মাজৰ।”

৯২ (মৰণকালত ঈমান আনি মৰণৰ পৰা নিষ্কৃতি নাপাবা) হলেও আজিৰ দিনত (মই এটা দয়া দেখুৱাইছো–) আমি উদ্ধাৰ কৰিম তোমাৰ দেহ (যি মমি আকাৰে সংৰক্ষিত থাকিব হাজাৰ হাজাৰ বছৰলৈ), যাতে তুমি তোমাৰ পৰৱৰ্তীবিলাকৰ কাৰণে নিদৰ্শন হৈ থাকা। কিন্তু মানুহৰ মাজৰ অনেকেই আমাৰ নিদৰ্শন সম্বন্ধে অৱশ্যেই বেখেয়াল।

## পৰিচ্ছেদ – ১০

**৯৩** আৰু ইছ্ৰাইলৰ বংশধৰসকলক আমি অৱশ্যেই উত্তম আৱাসভূমিতেই বসবাস কৰোৱালো, আৰু সিহঁতক আমি উত্তম বিষয়-বস্তুৰে জীৱিকাদান কৰিলো, আৰু সিহঁতে বিভেদ সৃষ্টি নকৰিছিলে যেতিয়ালৈকেনো সিহঁতৰ ওচৰলৈ জ্ঞান আহিল (আৰু নানা মুনিয়ে নানা মত পোষণ কৰি থাকিল)। নিসন্দেহে তোমাৰ প্ৰভুৱে কিয়ামতৰ দিনা সিহঁতৰ মাজত বিচাৰ কৰিব সেই সম্বন্ধে য’তে সিহঁতে মতভেদ কৰিছিল।

**৯৪** কিন্তু (হে মানৱ!) যদি তুমি সন্দেহৰ মাজত থাকা যি তোমাৰ ওচৰত আমি (মুহাম্মদ-ছাঃ-ৰ জৰিয়তে) অৱতাৰণ কৰিছো সেই সম্বন্ধে তেন্তে সেইবিলাকক সোধা যিবিলাকে তোমালোকৰ আগেয়ে (ঐশিক) গ্ৰন্থ পাঠ কৰিছে (–সিহঁতৰ গ্ৰন্থত মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কে ভৱিষ্যৎবাণী ৰৈছে নে নাই)। তোমাৰ ওচৰত স্বৰূপতে সত্য (বাৰ্তা) আহিছে তোমাৰ প্ৰভুৰ পৰা, গতিকে (হে মানৱ!) তুমি সন্দেহ কৰোঁতাবিলাকৰ মাজৰ নহ’বা,

**৯৫** আৰু তুমি সিহঁতৰ অন্তৰ্ভুক্ত নহ’বা যিবিলাকে আল্লাহৰ বাণী প্ৰত্যাখ্যান কৰে, পাছে তুমি ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত হৈ যাবা।

**৯৬** দৰাচলতে যাৰ বিৰুদ্ধে তোমাৰ প্ৰভুৰ বাক্য সাব্যস্ত হৈ গৈছে সিহঁতে বিশ্বাস নকৰিব,—

**৯৭** যদিও সিহঁতৰ ওচৰত প্ৰতিটো নিদৰ্শন আহি পায়, যেতিয়ালৈকে সিহঁতে মৰ্মন্তুদ শাস্তি দেখে।

**৯৮** গতিকে কিয় এনেকুৱা এটি দেশবাসী নাই যিবিলাকে বিশ্বাস কৰিছিল আৰু সিহঁতৰ (সেই) বিশ্বাসে সিহঁতৰ উপকাৰ কৰিছিল, ইউনুছৰ লোকসকলৰ ব্যতিৰেকে (অৰ্থাৎ ইউনুছ-আঃ-ৰ অনুগামীসকলেই অতীতত আটাইতকৈ বেচি উপকৃত হৈছিল)? যেতিয়া সিহঁতে ঈমান আনিলে তেতিয়া আমি সিহঁতৰ পৰা এৰুৱাই নিছিলো পাৰ্থিৱ জীৱনৰ হীনতাজনক শাস্তি, আৰু সিহঁতক জীৱন উপভোগ কৰিবলৈ দিছিলো কিছুকালৰ কাৰণে।

**৯৯** আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ প্ৰভুৱে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে যিবিলাক পৃথিৱীত আছে সিহঁতৰ সকলোৱে (তোমাৰ আপ্ৰাণ চেষ্টাৰ ফলস্বৰূপে) একেলগে বিশ্বাস কৰিলেহেঁতেন। তুমি কি তেন্তে লোকসকলৰ ওপৰত জবৰদস্তি কৰিবা যেতিয়ালৈকেনো সিহঁত মুমিন হয়?

**১০০** আৰু কোনো সত্তাৰ পক্ষে বিশ্বাস কৰা সম্ভৱপৰ নহয় আল্লাহৰ অনুমতি ব্যতিৰেকে (কিয়নো বিশ্বজগতত কোনে বিশ্বাস কৰিব সেইটো তেৱেঁই জানে)। আৰু তেওঁ (মূৰ্তিপূজাৰ) কলুষতা নিক্ষেপ কৰে (অকল) সিহঁতৰ ওপৰত যিবিলাকে নুবুজে।

**১০১** তুমি কোৱাঁ— “চাই দেখা যি কিবা আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত (তাতে পাবা আল্লাহৰ অপৰিসীম নিদৰ্শন)।” আৰু নিদৰ্শনসমূহ আৰু সতৰ্ককাৰীসকল কোনো কামত নাহে তেনে সম্প্ৰদায়ৰ কাৰণে যিবিলাকে (প্ৰমাণ আদি দেখিশুনিও) বিশ্বাস নকৰে।

**১০২** তেন্তে সিহঁতে কিহৰ অপেক্ষা কৰে এইবিলাকৰ দিনৰ অনুৰূপ (পৰিণতি) ব্যতীত যিবিলাক সিহঁতৰ আগতে গত হৈ গৈছে? (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ— “তেন্তে তোমালোকে প্ৰতীক্ষা কৰা (তোমালোকৰ দুষ্কৰ্মৰ ফল পাবলৈ), ময়ো নিশ্চয় তোমালোকৰ লগত প্ৰতীক্ষমানসকলৰ মাজত ৰৈছো।”

**১০৩** তাৰপিছত আমি উদ্ধাৰ কৰো ৰছুলসকলক আৰু যিসকলে বিশ্বাস কৰিছে (সেইসকলকো), এনেকুৱাই (আগৰ দৰে এতিয়াও কৰিম);— বিশ্বাসীসকলক উদ্ধাৰ কৰা আমাৰ দায়িত্ব।

## পৰিচ্ছেদ – ১১

**১০৪** (হে মুহাম্মদ ছাঃ!) তুমি কোৱাঁ— হেৰা মানৱজাতি! তোমালোক যদি মোৰ ধৰ্ম সম্বন্ধে সন্দেহৰ মাজত থাকা তেন্তে (জানি ৰাখা) মই সেইবিলাকক উপাসনা নকৰো আল্লাহৰ বিনে যিবোৰক তোমালোকে উপাসনা কৰা; মই কিন্তু আল্লাহৰ উপাসনা কৰো যিজনে তোমালোকৰ মৃত্যু ঘটাব। আৰু মই আদিষ্ট হৈছো যে মই মুমিনসকলৰ অন্তৰ্ভুক্ত হ’ম।”

**১০৫** আৰু তোমাৰ মুখ (অৰ্থাৎ গোটেই সত্তা) ধৰ্মৰ ফালে একনিষ্ঠভাৱে প্ৰতিষ্ঠিত ৰাখা, আৰু কেতিয়াও মুশ্বৰিকবিলাকৰ অন্তৰ্ভুক্ত নহ’বা।

**১০৬** আৰু আল্লাহক এৰি দি অইনক নামাতিবা যি তোমাৰ উপকাৰ নকৰে আৰু অপকাৰো নকৰে; কিয়নো তুমি যদি সেইটো কৰা তেনেহলে তুমিতো সেই ক্ষেত্ৰত অন্যায়কাৰীবিলাকৰ মাজৰ হ'বা।

**১০৭** আৰু আল্লাহে যদি কোনো আঘাত দি তোমাক পীড়ন কৰে তেনেহলে তেওঁ ব্যতীত ইয়াৰ মোচনকাৰী আৰু কোনো নাই; আৰু তেওঁ যদি তোমাক চায় ভাল কৰিবলৈ তেনেহলে (শত্ৰুৱে শাপ-শাপান্ত কৰিলেও) তেওঁৰ প্ৰাচুৰ্য ৰদ্ হ'ব লগা নহয়। তেওঁ সেইটো আনয়ন কৰে তেওঁৰ বান্দাসকলৰ মাজৰ যাৰ প্ৰতি (উপযুক্ত বিবেচনাত) তেঁও ইচ্ছা কৰে। আৰু তেৱেঁইতো (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১০৮** তুমি কোৱাঁ— "হে-ৰা মানৱজাতি! নিশ্চয় তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ ওচৰত সত্য (অৰ্থাৎ সত্যবাণী সম্বলিত এই কুৰআন) আহিছে; সেইকাৰণে যি কোনোৱাই সৎপথ অৱলম্বন কৰে সি প্ৰকৃততে তাৰ নিজৰ (মঙ্গলৰ) কাৰণেই সৎপথত বিচৰণ কৰে, আৰু যি ভ্ৰান্তপথ ধৰে সি নিসন্দেহে তাৰ নিজৰ বিৰুদ্ধেই ভ্ৰান্তপথত চলে। আৰু মই তোমালোকৰ ওপৰততো কাৰ্যনিৰ্বাহক নহওঁ (যে মোৰ একান্ত আকাঙ্খা অনুযায়ী সঠিক পথত চলিবলৈ তোমালোকক বাধ্য কৰিম)।"

**১০৯** আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওচৰত যি (ঐশিক বাণী) প্ৰত্যাদিষ্ট হৈছে তাৰেই অনুসৰণ কৰা (তোমাৰ দেশবাসীয়ে সেইটো গ্ৰহণ কৰকেই বা নকৰক তাৰ তোৱাক্কা নকৰিবা), হলেও অধ্যৱসায় চলাই যোৱা যেতিয়ালৈকেনো আল্লাহে বিধান দিয়ে; আৰু তেৱেঁই সৰ্বোত্তম বিধানকৰ্তা (এতেকে তোমাৰ সাধনা অৱশ্যে ফলদায়ক হ'ব আৰু তোমাৰ জীৱনকালতেই সমুদায় আৰববাসীয়ে ইছলামৰ ছায়াত আশ্ৰয় ল'ব)।

* * * * * * * * * * * *

ছূৰা - ১১

# হূদ

*(হূদ ঃ ৫০)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** আলিফ লাম ৰা (—মই, আল্লাহ, সৰ্বদ্ৰষ্টা)। এয়ে (সেই মহান) গ্ৰন্থ যাৰ আয়াতসমূহক জ্ঞানসমৃদ্ধ কৰা হৈছে, তাৰ পাচত বিশদ ব্যাখ্যা দিয়া হৈছে পৰম জ্ঞানী পূৰ্ণ-ওৱাকিফহালৰ তৰফৰ পৰা,—

**২** যেন তোমালোকে আল্লাহৰ বাহিৰে অইনৰ উপাসনা নকৰিবা। (হে মুহাম্মদ-ছাঃ! তুমি কোৱাঁ—) "মই অৱশ্যেই তোমালোকৰ ওচৰত তেওঁৰ পক্ষৰ পৰা (দুৰাচাৰীবিলাকৰ কাৰণে) সতৰ্ককাৰী আৰু (সৎকৰ্মীসকলৰ কাৰণে) সুসংবাদদাতা,

**৩** "আৰু যেন তোমালোকৰ প্ৰভুৰ ওচৰত (পদস্খলনৰ পৰা) পৰিত্ৰাণ খোঁজো, তাৰপাছত তেওঁৰ পিনে ফিৰো, তেওঁ তোমালোকক উত্তম সম্বল উপভোগ কৰিবলৈ দিব এক নিৰ্দিষ্ট কাললৈকে, আৰু তেওঁ প্ৰত্যেক প্ৰাচুৰ্যৰ অধিকাৰীক তেওঁৰ প্ৰাচুৰ্য প্ৰদান কৰে। আৰু যদি তোমালোকে (কুৰআনৰ পৰা) বিমুখ হোৱা তেন্তে নিসন্দেহে মই তোমালোকৰ কাৰণে আশংকা কৰো এক ভীষণ দিনৰ শাস্তিৰ।

**৪** "আল্লাহৰ ওচৰলৈ তোমালোকৰ প্ৰত্যাবৰ্তন, আৰু তেৱেঁই সকলো বিষয়বস্তুৰ ওপৰত সৰ্বশক্তিমান।"

**৫** সাৱধান! দৰাচলতে সিহঁতে নিজৰেই বুকু ভাঁজ কৰিছেনে তেওঁৰ (—আল্লাহৰ) পৰা (সিহঁতৰ বিদ্বেষ) লুকাই ৰখাৰ কাৰণে? সাৱধান! সিহঁতে যেতিয়া সিহঁতৰ পোছাকৰ দ্বাৰা নিজকে আবৃত কৰে (অৰ্থাৎ সত্যৰ প্ৰতি চকু-কাণ ঢাকি ৰাখে), তেওঁ (—আল্লাহে) জানে যি (বিদ্বেষ) সিহঁতে লুকাই ৰাখে আৰু যি (আক্ৰোশ কাৰ্যতঃ) প্ৰকাশ কৰে। নিসন্দেহে মানুহৰ বুকুৰ ভিতৰত যি অভিসন্ধি আছে সেইসম্বন্ধে তেওঁ সৰ্বজ্ঞাতা।

**১২শ পাৰা**

**৬** আৰু পৃথিৱীত এনে কোনো প্ৰাণী নাই যাৰ জীৱিকাৰ ভাৰ আল্লাহৰ ওপৰত নহয়, আৰু তেৱেঁই জানে তাৰ বাসস্থান আৰু তাৰ বিশ্ৰামস্থল (য'ত সি সুপ্তভাৱে অৱস্থান কৰে)। সকলোবিলাক নথিবদ্ধ আছে এক সুস্পষ্ট গ্ৰন্থত (বা আল্লাহৰ জ্ঞানভাণ্ডাৰত),

**৭** আৰু তেৱেঁই সেইজন যিজনে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে ছয় দিনত (অৰ্থাৎ ছয় যুগত বা পৰ্যায়ত), আৰু তেওঁৰ আৰশ্ব (বা ক্ষমতাৰ আসন, অধিষ্ঠিত) ৰৈছে পানীৰ ওপৰত (কিয়নো পানীয়েই হৈছে সকলোবিধ প্ৰাণী আৰু উদ্ভিদজগতৰ জীৱনৰ মূল উৎস), যেন তেওঁ তোমালোকক বিচাৰ কৰিব পাৰে যে তোমালোকৰ মাজৰ কোন আচৰণত শ্ৰেষ্ঠ। আৰু (হে নবী!) তোমাকে যদি (মানুহক) ক'ব লগা হয়— "নিসন্দেহে মৃত্যুৰ পাচত তোমালোকক পুনৰোত্থিত কৰা হ'ব", যিবিলাকে অবিশ্বাস কৰে সিহঁতে নিশ্চয় ক'ব— "এইটো দৰাচলতে দেখদেখকৈ যাদুৰ বাহিৰে একো নহয়।"

**৮** আৰু যদি সিহঁতৰ পৰা এটা নিৰ্দিষ্ট সময়লৈকে আমি শাস্তি স্থগিত ৰাখো তেন্তে সিহঁতে নিশ্চয় ক'ব— "কিহে ইয়াক (আহিবলৈ) বাধা দিছে?" এইটোৱেই নহয়নে যে যিদিনা সিহঁতৰ ওচৰলৈ এইটো (শাস্তি) আহিব সেইদিনা সিহঁতৰ পৰা এইটো প্ৰতিহত নহ'ব, আৰু যিটোক লৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰিছিল সেয়ে সিহঁতক ঘেৰাও কৰিব?

**পৰিচ্ছেদ - ২**

**৯** আৰু যদি মই মানুহক মোৰ কৰুণাৰ আস্বাদন কৰাও আৰু তাৰ পাছত তাৰ পৰা সেইখিনি (কৰুণা) আঁতৰাই নিওঁ, তেনেহলে সি নিশ্চয় হ'ব হতাশ, অকৃতজ্ঞ।

**১০** আৰু যদি আমি তাক অনুগ্ৰহৰ আস্বাদ দিওঁ, দুখ কষ্টই তাক স্পৰ্শ কৰাৰ পাছত সি তেতিয়া কৈয়ে থাকে— "মোৰ বিপদ-আপদ (ভাগ্য গুণে) আঁৰি গ'ল।" নিসন্দেহে সি আত্মগৰ্বত উল্লসিত, অহংকাৰী,—

**১১** তাৰ বাহিৰে যিসকলে ধৈৰ্যধাৰণ কৰে আৰু সৎকৰ্ম কৰে; সেইসকলেই— সেইসকলৰ কাৰণে ৰৈছে (পদস্খলনৰ পৰা) পৰিত্ৰাণ আৰু মহাপুৰস্কাৰ।

**১২** তুমি তেন্তে (সিহঁতৰ মন-মৰ্জি ৰাখিবলৈ গৈ) পৰিত্যাগকাৰী হ’বানে তোমাৰ ওচৰত যি (ঐশিক বাণী) প্ৰত্যাদিষ্ট হৈছে তাৰ কিছু অংশ, আৰু তোমাৰ বুকু ইয়াৰ দ্বাৰা সংকুচিত কৰিবানে, যেহেতু সিহঁতে কয়– “তেওঁৰ ওচৰলৈ কিয় কোনো ধনভাণ্ডাৰ পাঠাৰা নাই অথবা তেওঁৰ সৈতে কোনো ফিৰিশ্বতা অহা নাই?” নিসন্দেহে তুমিতো এজন সতৰ্ককাৰী। আৰু আল্লাহ সকলো বিষয়-বস্তুৰ ওপৰতে কৰ্ণধাৰ।

**১৩** অথবা সিহঁতে কয়নে– “সি এইটো সাজি লৈছে”? (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– “তেনেহলে ইয়াৰ নিচিনা দহোটা সাজি লোৱা ছুৰা লৈ আহা, আৰু (তোমালোকক সহায় কৰিবলৈ) আল্লাহক বাদ দি যাক পাৰা মাতা, যদিহে তোমালোকে (তোমালোকৰ অভিযোগ সম্বন্ধে) সত্যবাদী হোৱা।”

**১৪** আৰু যদি সিহঁতে (কুৰআনৰ নিচিনা ছুৰা ৰচনাত) তোমালোকৰ প্ৰতি সহাৰি নিদিয়ে তেন্তে জানি ৰাখা এইখন অৱশ্যেই অৱতীৰ্ণ হৈছে আল্লাহৰ জ্ঞান ভাণ্ডাৰৰ পৰা, আৰু তেওঁৰ বাহিৰে অন্য উপাস্য নাই। তোমালোকে তেন্তে আত্মসমৰ্পণকাৰী (মুছলিম) হ’বানে?

**১৫** যি কোনোবাই পাৰ্থিৱ জীৱন আৰু ইয়াৰ সুন্দৰতা কামনা কৰে, সিহঁতৰ ক্ৰিয়াকৰ্মৰ বাবে ইয়াতেই আমি সিহঁতক পুৰাপুৰি প্ৰতিফল প্ৰদান কৰোঁ, আৰু এই বিষয়ত সিহঁতে ক্ষতিসাধিত নহয়।

**১৬** ইহঁতেই সিহঁত যিবিলাকৰ নিমিত্তে পৰকালত (দুযখৰ) জুইৰ বাহিৰে আৰু একোৱেই নাই, আৰু সিহঁতে (ইয়াতে ক্ৰিয়াকলাপ) যি কৰিছে সেইখিনি তাত বিফলে যাব, আৰু সিহঁতে যি কৰি গৈছিল সেইবোৰ নিৰৰ্থক।

**১৭** তেন্তে যিজন ৰৈছে তাৰ প্ৰভুৰ পৰা স্পষ্ট প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত আৰু তেওঁৰ (—আল্লাহৰ) পৰা এজন সাক্ষীয়ে (যথা মুহাম্মদ-ছাঃ-এ) সেইটো (—সেই কুৰআন) পাঠ কৰে, আৰু ইখনৰ আগেয়ে (আহিছিল) মূছাৰ গ্ৰন্থ পথনিৰ্দেশক আৰু করুণাস্বৰূপ (—যি এইবিলাক প্ৰত্যাদিষ্ট গ্ৰন্থত বিশ্বাস কৰে সেইজন অবিশ্বাসীবিলাকৰ সমতুল্যনে)? এইসকলে (অৰ্থাৎ মূছাৰ অনুগামীসকলে) ইয়াত বিশ্বাস কৰে। আৰু (বিভিন্ন) দলসমূহৰ মাজৰ যিয়ে ইয়াত অবিশ্বাস পোষণ কৰে তাৰ প্ৰতিশ্ৰুত স্থান তেন্তে (দুযখৰ) জুই; এতেকে তুমি এই বিষয়ে সন্দেহত নাথাকিবা। নিসন্দেহে এইটো তোমাৰ প্ৰভুৰ পৰা ধ্ৰুৱসত্য, কিন্তু সৰহভাগ লোকেই (জনাবুজাকৈ ইয়াতে) বিশ্বাস নকৰে।

**১৮** আৰু কোন তাতকৈ বেছি অন্যায়কাৰী যি আল্লাহ সম্বন্ধে মিছা ৰচনা কৰে? সিহঁতক অনা হ’ব সিহঁতৰ প্ৰভুৰ সন্মুখলৈ; আৰু সাক্ষীসকলে (যেনে সত্যৰ সাক্ষ্যদাতাসকলে) ক’ব— “ইহঁতেই সিহঁত, যিবিলাকে নিজৰ প্ৰভুৰ বিৰুদ্ধে মিছা আৰোপ কৰিছিল।” এনে নহয়নে যে আল্লাহৰ অসন্তুষ্টি (বৰ্ষিত হ’ব) যালিমবিলাকৰ ওপৰত,—

**১৯** যিবিলাকে আল্লাহৰ পথৰ পৰা লোকক ফিৰাই ৰাখে আৰু ইয়াক কৰিবলৈ বিচাৰে কুটিল? আৰু ইহঁত নিজেই পৰকাল সম্বন্ধে অবিশ্বসী।

**২০** ইহঁতে পৃথিৱীত (আল্লাহৰ বিধান) প্ৰতিহত কৰিব নোৱাৰে, আৰু সিহঁতৰ কাৰণে আল্লাহক বাদ দি কোনো অভিভাৱক নাই (যিয়ে আসন্ন শাস্তিক আঁতৰাই ৰাখিব পাৰে)। সিহঁতৰ কাৰণে (নিজে ভ্ৰষ্টাচাৰী হোৱাৰ আৰু অইনক ভ্ৰষ্টাচাৰী বনোৱাৰ আপৰাধত) শাস্তি দুগুন কৰা হ’ব। সিহঁতে (কুৰআনৰ সুমধুৰ বাণী) শুনা সহ্য কৰিব নোৱাৰিছিল, আৰু সিহঁতে (সৎপথগামীসকলৰ উজ্জ্বল জীৱনাদৰ্শ) দেখিও নাপায়।

**২১** ইহঁতেই সিহঁত, যিবিলাকে নিজৰ আন্তৰাত্মাৰ ক্ষতিসাধন কৰিছে, আৰু যি (দেৱ-দেৱী) সিহঁতে উদ্ভাৱন কৰিছিল সেইবিলাকে সিহঁতৰ পৰা বিদায় লৈছে।

**২২** সন্দেহ নাই যে পৰকালত সিহঁত নিজেই অৱশ্যে হ’ব সকলোতকৈ ক্ষতিগ্ৰস্ত।

**২৩** নিসন্দেহে যিসকলে বিশ্বাস কৰে আৰু সৎকৰ্ম কৰে, আৰু বিনয়াবনত হয় নিজ প্ৰভুৰ ওচৰত,– সেইসকলেই বেহেশ্বতৰ বাসিন্দা, ইয়াতেই এওঁলোক থাকিব চিৰকাল।

**২৪** এই দল দুটিৰ উপমা হৈছে (একাধাৰে) অন্ধ আৰু বধিৰৰ, আৰু (আনহাতে) চক্ষুষ্মান আৰু শ্ৰৱনশক্তিমানৰ নিচিনা,– উভয়ে তুলনাত সমান-সমাননে? তথাপি তোমালোকে মনোনিৱেশ নকৰিবানে?

## পৰিচ্ছেদ - ৩

**২৫** আৰু নিশ্চয় আমি নূহ (আঃ)-ক পঠিয়াইছিলো তেওঁৰ সম্প্ৰদায়ৰ ওচৰলৈ; (তেওঁ কৈছিলে–) “নিসন্দেহে মই তোমালোকৰ নিমিত্তে এজন প্ৰকাশ্য সতৰ্ককাৰী,–

**২৬** “যাতে তোমালোকে আল্লাহৰ বাহিৰে আনৰ উপাসনা নকৰা। মই নিশ্চয় আশংকা কৰো তোমালোকৰ কাৰণে এটি মৰ্মন্তুদ দিনৰ শাস্তি।”

**২৭** কিন্তু তেওঁৰ সম্প্ৰদায়ৰ মাজৰ যিবিলাকে অবিশ্বাস কৰিছিল সিহঁতৰ প্ৰধানবিলাকে ক’লে– “আমিতো তোমাক আমাৰেই নিচিনা এজন মানুহ ব্যতীত (বেলেক) দেখা নাই, আৰু আমি তোমাক দেখা নাই যে তোমাক এনে অইনে অনুসৰণ কৰিছে সিহঁতৰ বাহিৰে যিসকল হৈছে প্ৰথম দেখাতেই আমাৰ মাজৰ অধম; আৰু আমি তোমালোকৰ মাজত আমাতকৈ কোনো গুণ-গৰিমাও দেখা নাই, বৰঞ্চ আমি তোমালোককহে মিথ্যাবাদী বুলি ভাবো।”

**২৮** তেওঁ ক’লে– “হে মোৰ সম্প্ৰদায়! তোমালোকে ভাবি চাইছানে– মই যদি মোৰ প্ৰভুৰ পৰা (প্ৰাপ্ত) স্পষ্ট প্ৰমাণত প্ৰতিষ্ঠিত থাকো আৰু তেওঁ যদি মোক তেওঁৰ ফালৰ পৰা অনুগ্ৰহ প্ৰদান কৰি থাকে, অথচ তোমালোকৰ ওচৰত এইটো (–তেওঁৰ বাণী) অগোচৰ ৰৈছে, আমি তেন্তে এইটোত (গ্ৰহণ কৰাত) তোমালোকক বাধ্য কৰাব পাৰিমনে যেতিয়া তোমালোকে ইয়াত বিৰূপ ৰৈছা?

**২৯** “আৰু হে মোৰ সম্প্ৰদায়! ইয়াৰ বিনিময়ত মই তোমালোকৰ ওচৰত ধন-দৌলত বিচৰা নাই। মোৰ শ্ৰমফল কেৱল আল্লাহৰ ওচৰতেই ৰৈছে, আৰু যিসকলে বিশ্বাস কৰিছে সেইসকলক মই খেদি দিওঁতা নহ’ম। নিসন্দেহে তেওঁলোকে নিজৰ প্ৰভুৰ (সন্তুষ্টি লাভৰ আশাত) মুলাকাত কৰিবলৈ গৈছে, কিন্তু মই তোমালোকক দেখিছো এটি জ্ঞানহীন সম্প্ৰদায়।

**৩০** “আৰু হে মোৰ সম্প্ৰদায়! কোনে মোক সহায় কৰিব আল্লাহৰ (শাস্তিৰ) বিৰুদ্ধে যদি মই এওঁলোকক খেদি দিওঁ? তোমালোকে তেন্তে ভাবি নোচোৱানে (যে মইতো তেওঁলোকৰেই এজন)?

**৩১** আৰু মই তোমালোকক কোৱাঁ নাই মোৰ ওচৰত আল্লাহৰ ধনভাণ্ডাৰ ৰৈছে, আৰু মই অদৃশ্য সম্বন্ধেও নাজানো, আৰু মই কোৱাঁ নাই যে মইতো এজন ফিৰিশ্তা, আৰু তোমালোকৰ চকুৰে যিসকলক অধম বুলি ভাৱা সেইসকলৰ সম্বন্ধে মই কোৱাঁ নাই যে আল্লাহে কেতিয়াও সিহঁতক কৰুণাভাণ্ডাৰ নিদিব। আল্লাহে ভালকৈ জানে যি আছে সিহঁতৰ অন্তৰত,– (মই যদি তেনে কলোহেঁতেন) তেন্তে মই নিশ্চয় অন্যায়কাৰীবিলাকৰ মাজৰ হলোহেঁতেন।”

**৩২** সিহঁতে ক’লে– “হে নূহ! তুমি অৱশ্যেই আমাৰ লগত বিতৰ্ক কৰিছা আৰু আমাৰ সৈতে তৰ্ক-বিতৰ্ক বঢ়াই তুলিছা, সেইগতিকে আমাৰ ওচৰ লৈ আহা সেই (শাস্তি) যাৰ ভয় আমাক দেখুৱাইছা– যদি (ঠিকেঠিকেই) তুমি সত্যবাদীবিলাকৰ মাজৰ হোৱা।”

**৩৩** তেওঁ ক’লে– “কেৱল আল্লাহেই তোমালোকৰ ওপৰত সেইটো লৈ আহিব যদি তেওঁ ইচ্ছা কৰে (আৰু মোৰ প্ৰচেষ্টা হৈছে শাস্তি নহয় বৰং শান্তি কঢ়িয়াই অনা), আৰু (আল্লাহৰ শাস্তি যেতিয়া নামিব তেতিয়া) তোমালোক সেইটো এৰাব পাৰাৰ নহ’বা।

**৩৪** “আৰু মোৰ উপদেশ তোমালোকৰ উপকাৰ নকৰিব যদিও মই তোমালোকক উপদেশ দিবলৈ ইচ্ছা কৰোঁ, যদি (তোমালোকৰ গোৱাঁৰামিৰ কাৰণে) আল্লাহে ইচ্ছা কৰে যে তেওঁ তোমালোকক বিভ্ৰান্ত কৰিব। (মই কিন্তু পুনু স্মৰণ কৰাই দিছো–) তেৱেঁই তোমালোকৰ প্ৰভু, আৰু তেওঁৰ ওচৰতেই তোমালোকক ফিৰাই অনা হ’ব।”

**৩৫** অথবা (পূৰ্বৱৰ্তী সম্প্ৰদায়ৰ দৰে) সিহঁতেও (অৰ্থাৎ তোমাৰ বিৰুদ্ধাচাৰীবিলাকেও) কয় নেকি– “তেওঁ এইটো সাজি লৈছে”? (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– “যদি মই এইটো বনাই থাকো তেন্তে মোৰ ওপৰতেই (বৰ্তিব) মোৰ অপৰাধ; আৰু তোমালোকে যিবিলাক অপৰাধ কৰিছা সেইবিলাকৰ পৰা মই মুক্ত।”

## পৰিচ্ছেদ - ৪

**৩৬** আৰু নূহ (আঃ)-ৰ ওচৰত প্ৰত্যাদেশ দিয়া হ’ল– “দৰাচলতে তোমাৰ সম্প্ৰদায়ৰ মাজৰ পৰা (নতুনকৈ) কোনেও কেতিয়াও বিশ্বাস নকৰিব সেইজনৰ ব্যতিৰেকে যিজনে ইতিমধ্যে বিশ্বাস কৰিছে; গতিকে সিহঁতে যি কৰি গৈছে তাৰ বাবে দুখ নকৰিবা।

**৩৭** “আৰু আমাৰ চকুৰ আগত আৰু আমাৰ প্ৰত্যাদেশ (তথা নিৰ্দেশ) অনুযায়ী এখন জাহাজ তৈয়াৰ কৰা; আৰু যিবিলাকে অত্যাচাৰ কৰিছে সিহঁতৰ বাবে (জাহাজত উঠাই উদ্ধাৰৰ কাৰণে) মোৰ ওচৰত আবেদন নকৰিবা, সিহঁত নিশ্চয় (বন্যাত) নিমজ্জিত হ’ব।”

**৩৮** আৰু তেওঁ জাহাজ তৈয়াৰ কৰিব ধৰিলে; আৰু যেতিয়াই তেওঁৰ সম্প্ৰদায়ৰ প্ৰধানবিলাকে তেওঁৰ কাষেদি যায় সিহঁতে তেওঁক (এই শুকান মাটিত জাহাজ বনোৱাৰ কাৰণে) বিদ্ৰূপ কৰিছিল। তেওঁ কৈছিলে– “যিহেতু তোমালোকে (এতিয়া) আমাকলৈ বিদ্ৰূপ কৰিছা আমিও তেন্তে (পৰিশেষত) তোমালোককলৈ বিদ্ৰূপ কৰিম যেনেকৈ তোমালোকে বিদ্ৰূপ কৰি চলিছা।

**৩৯** “গতিকে অচিৰেই তোমালোকে জানিব পাৰিবা কাৰ ওপৰত শাস্তি আহিছে যিটোৱে তাক লাঞ্ছিত কৰিব, আৰু কাৰ ওপৰত নিৰ্ধাৰিত হৈছে স্থায়ী শাস্তি।”

**৪০** (এইদৰে জাহাজ বনোৱা আৰু উপহাস চলিলে) যেতিয়ালৈকেনেকি আমাৰ আদেশ আহিল আৰু (মুষলধাৰে বৰষুণৰ কাৰণে) বাট-ঘাট প্লাৱিত হ’ল, আমি ক’লো– “ইয়াতে বোজাই কৰা (তোমালোকৰ প্ৰয়োজনীয় জীৱজন্তুৰ) প্ৰত্যেক জাতৰ দুটিকৈ– (নৰ-মাদিলৈ) এযোৰ, আৰু তোমাৰ পৰিয়াল– তাক এৰি যাব বিৰুদ্ধে (মোৰ) সিদ্ধান্ত বৰ্তিত হৈছে,– আৰু যিসকলে বিশ্বাস কৰিছে (তেওঁলোকৰ সকলোকে উঠাই লোৱা)।” আৰু যিসকলে তেওঁৰ লগত বিশ্বাস কৰিছিল তেওঁলোকতো অল্পসংখ্যক।

**৪১** আৰু তেওঁ (–নূহ-আঃ-এ) ক’লে– “ইয়াতে আৰোহণ কৰা, আল্লাহৰ নামতে হওক ইয়াৰ যাত্ৰা আৰু (গন্তব্যস্থলত) ইয়াৰ ঠাৰৰ। নিসন্দেহে মোৰ প্ৰভুতো পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।”

**৪২** আৰু এইসকলক লৈ এইখন চলিব ধৰিলে পাহাৰৰ নিচিনা ঢৌৰ মাজেৰে, আৰু নূহ (আঃ)-এ তেওঁৰ পুত্ৰক মাতি ক’লে আৰু সি (তেতিয়া) পাৰত ৰৈছিল,– “হে মোৰ পুতেক! আমাৰ লগত (জাহাজত) উঠি লোৱা, আৰু অবিশ্বাসীবিলাকৰ লগৰীয়া নহ’বা।”

**৪৩** সি ক’লে– “মই পোনছাটে কোনোবা পাহাৰত আশ্ৰয় ল’মগৈ, সিয়ে মোক বানপানীৰ পৰা ৰক্ষা কৰিব।” তেওঁ ক’লে– “আজিৰ দিনত আল্লাহৰ হুকুমৰ পৰা ৰক্ষা কৰোঁতা কোনো নাই, যিজনক তেওঁ দয়া কৰিব সেইজন ব্যতিৰেকে।” আৰু (কওঁতে কওঁতে) উভয়ৰ মাজত ঢৌ আহি পৰিল, ফলত সি হৈ গ’ল নিমজ্জিতবিলাকৰ অন্তৰ্ভুক্ত।

**৪৪** ইয়াৰ পাছত কোৱা হ’ল– “হে পৃথিৱী! তোমাৰ পানী শোষণ কৰি নিয়া, আৰু হে আকাশ! (বৰষুণৰ পৰা) ক্ষান্ত হোৱা।” তেতিয়া (লাহে লাহে) পানী শুকাই গ’ল আৰু (অত্যাচাৰী মানুহবোৰক ধ্বংস কৰাৰ) বিষয়টো সম্পন্ন হৈ গ’ল, আৰু এইখন জুদী পৰ্বতৰ ওপৰত ৰ’ল; আৰু কোৱা হ’ল– “দূৰ হওক! অন্যায়কাৰী জাতিৰ ক্ষেত্ৰত!”

**৪৫** আৰু নূহ (আঃ)-এ তেওঁৰ প্ৰভুক মাতিলে আৰু ক'লে— “মোৰ প্ৰভু! মোৰ পুত্ৰ অৱশ্যে মোৰ পৰিয়ালৰ অন্তৰ্ভুক্ত, আৰু তোমাৰ প্ৰতিশ্ৰুতি নিসন্দেহে সত্য, আৰু তুমি সকলো বিচাৰকৰ শ্ৰেষ্ঠ বিচাৰক।”

**৪৬** তেওঁ ক'লে— “হে নূহ! প্ৰকৃততে সি তোমাৰ পৰিয়ালভুক্ত নহয়। তাৰ কাজকৰ্ম নিশ্চয়ে সৎকৰ্মৰ বহিৰ্ভূত; এতেকে মোৰ ওচৰত প্ৰাৰ্থনা নকৰিবা যি বিষয়ে তোমাৰ কোনো জ্ঞান নাই। মই অৱশ্যেই তোমাক উপদেশ দিছো (সত্যৰ লগত মিথ্যাৰ কোনোভাৱেই মিল হ'ব নোৱাৰে)— পিছে তুমি অজ্ঞবিলাকৰ অন্তৰ্ভুক্ত হৈ পৰা।”

**৪৭** তেওঁ ক'লে— “মোৰ প্ৰভু! মই অৱশ্যেই তোমাৰ ওচৰত আশ্ৰয় বিচাৰিছো পিছে যি বিষয়ত মোৰ কোনো জ্ঞান নাই সেই বিষয়ে তোমাৰ ওচৰত প্ৰাৰ্থনা কৰি পেলাওঁ। আৰু তুমি যদি মোক (ভুল-ভ্ৰান্তিৰ পৰা) ৰক্ষা নকৰা আৰু মোৰ প্ৰতি কৰুণা প্ৰদৰ্শন নকৰা তেন্তে মই ক্ষতিগ্ৰস্তবিলাকৰ অন্তৰ্ভুক্ত হৈ যাম।”

**৪৮** (তেওঁক) কোৱা হ'ল— “হে নূহ (আঃ)! (জাহাজৰ পৰা) অৱতৰণ কৰা মোৰ পৰা শান্তিৰ সৈতে, আৰু তোমাৰ ওপৰত আৰু তোমাৰ লগত যিসকল ৰৈছে সেইসকলৰ (পৰা জন্ম লোৱা) সম্প্ৰদায়ৰ ওপৰত আশীৰ্বাদ লৈ। আৰু (তোমাৰ পাছত) এনেকুৱা জাতিবিলাকো হ'ব যিসকলক আমি অচিৰেই জীৱনোপকৰণ দিম, তাৰপাচত আমাৰ পৰা মৰ্মন্তুদ শাস্তিয়ে সিহঁতক স্পৰ্শ কৰিব।”

**৪৯** (হে মুহাম্মদ-ছাঃ!) এইবিলাক হৈছে অদৃশ্য (ঘটনাৱলী) সম্বন্ধে সংবাদ যি আমি তোমাৰ ওচৰত প্ৰত্যাদেশ কৰিছো। তুমি ইয়াৰ আগেয়ে এইবিলাক নাজানিছিলা— তুমি আৰু তোমাৰ সম্প্ৰদায়েও নহয়। এতেকে অধ্যৱসায় অৱলম্বন কৰা। নিশ্চয় শুভপৰিণাম ধৰ্মভীৰুসকলৰ নিমিত্তেই ৰৈছে।

## পৰিচ্ছেদ - ৫

**৫০** আৰু 'আদ জাতিৰ ওচৰত সিহঁতৰ ভাতৃ হূদ (আঃ)-ক। তেওঁ ক'লে— “হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ নিমিত্তে তেওঁৰ বাহিৰে অইন উপাস্য নাই। তোমালোকেতো কেৱল (আচাৰ অনুষ্ঠানৰ) মিছা ৰচনা কৰোঁতা।

**৫১** “হে মোৰ সম্প্ৰদায়! মই ইয়াৰ কাৰণে (অৰ্থাৎ আল্লাহৰ বাণী আনি দিয়াৰ কাৰণে) তোমালোকৰ ওচৰত কোনো প্ৰতিদান বিচৰা নাই। মোৰ শ্ৰমফল কেৱল তেওঁৰ ওচৰত যিজনে মোক (আদিতে) সৃষ্টি কৰিছে। তোমালোকে তেন্তে নুবুজিবানে?

**৫২** “আৰু হে মোৰ সম্প্ৰদায়! তোমালোকৰ প্ৰভুৰ ওচৰত (আগৰ দিনৰ দুষ্কৃতিৰ বাবে) ক্ষমা প্ৰাৰ্থনা কৰা, তাৰ পিছত তেওঁৰ পিনে ফিৰা (যেন ভৱিষ্যতত বেয়া কাম এৰি দিয়া); তেওঁ তোমালোকৰ ওপৰত আকাশকে দি পঠিয়াব প্ৰচুৰ বৰ্ষণোন্মুখ বৰষুণ, আৰু তোমালোকৰ (বৰ্তমান) শক্তিৰ ওপৰত তোমালোকৰ শক্তিবৃদ্ধি কৰিব; গতিকে তোমালোক (আকৌ) ঘূৰি নাযাবা অপৰাধী হৈ।

**৫৩** সিহঁতে ক'লে— “হে হূদ! তুমি আমাৰ ওচৰলৈ কোনো স্পষ্ট প্ৰমাণ অনা নাই, আৰু তোমাৰ (মুখৰ) কথাত আমি আমাৰ দেৱতাবিলাকক পৰিত্যাগ কৰিবলৈ নাযাম, আৰু তোমাৰ প্ৰতি আমি বিশ্বাসীও নহওঁ।

**৫৪** “আমিতো কেৱল এইটোৱেই কওঁ যে আমাৰ কোনো দেৱতাই তোমাক বেয়াকৈ লম্ভিছে।” তেওঁ ক'লে— “নিসন্দেহে মই আল্লাহকে সাক্ষী কৰিছো (যে মই আল্লাহৰ পৰা সত্য ধৰ্ম লৈ আহিছো), আৰু তোমালোকো সাক্ষী থাকা যে মই আলবৎ সম্পৰ্কহীন সিহঁতৰ লগত যিবিলাকক তোমালোকে (আল্লাহৰ সৈতে) শ্বৰিক কৰা—

**৫৫** “তেওঁক এৰি দি; গতিকে (ইচ্ছামত) তোমালোকে সকলোৱে মিলি মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি যোৱা, (লাগিলে) মোক অৱকাশ নিদিবা।

**৫৬** “মই অৱশ্যেই নিৰ্ভৰ কৰোঁ আল্লাহৰ ওপৰত— যিজন মোৰ প্ৰভু আৰু তোমালোকৰো প্ৰভু। এনে কোনো প্ৰাণী (ভূ-পৃষ্ঠত) নাই যাৰ আগচুলিত তেওঁ ধৰি থকা নাই। নিসন্দেহে মোৰ প্ৰভু সঠিক পথক অধিষ্ঠিত।

**৫৭** “কিন্তু তোমালোক যদি ফিৰি যোৱা (ভ্ৰান্ত পথত) তেন্তে মই নিশ্চয় তোমালোকৰ ওচৰত পাঁচ কৰিছো (সেই বাণী) যি দি মোক তোমালোকৰ ওচৰত পঠোৱা হৈছিল (কিন্তু তোমালোকে সেই বাণী প্ৰত্যাখ্যান কৰিলা)। গতিকে মোৰ প্ৰভুৱে তোমালোকৰ পৰা পৃথক কোনো (ধৰ্মপৰায়ণ) সম্প্ৰদায়ক (তোমালোকৰ) স্থলাভিষিক্ত কৰিব, আৰু তোমালোকে তেওঁৰ (পৰিকল্পনাত) কোনো ক্ষতি কৰিব নোৱাৰিবা। নিসন্দেহে মোৰ প্ৰভু সকলো বিষয়-বস্তুৰ ওপৰতে তত্বাৱধায়ক।”

**৫৮** আৰু যেতিয়া আমাৰ নিৰ্দেশ আহি পালেহি তেতিয়া আমি হূদ (আঃ)-ক আৰু তেওঁৰ সৈতে যিসকলে আস্থা ৰাখিছিল সেইসকলকো উদ্ধাৰ কৰিছিলো (একেৰাহে আঠ দিন ধৰি প্ৰবাহিত প্ৰচণ্ড বাত-বৃষ্টিৰ) কঠিন শাস্তিৰ পৰা।

**৫৯** আৰু এয়ে আছিল 'আদ জাতি, সিহঁতে নিজ প্ৰভুৰ নিৰ্দেশাৱলী অস্বীকাৰ কৰিছিল আৰু তেওঁৰ ৰছুলসকলক অমান্য কৰিছিল, আৰু অনুসৰণ কৰিছিল প্ৰত্যেক উদ্ধত বিৰুদ্ধাচাৰীৰ নিৰ্দেশ।

**৬০** আৰু এই দুনিয়াত অভিশাপকে সিহঁতৰ পাছত ধৰোৱা হৈছিল, আৰু কিয়ামতৰ দিনাও (তেনে হ'ব)। এইটো নহয়নে যে 'আদ জাতিয়ে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰিছিল? এইটো (কোৱা সঙ্গত) নহয়নে— “দূৰ হোৱা 'আদ জাতি— হূদ (আঃ)-ৰ সম্প্ৰদায়!”

## পৰিচ্ছেদ - ৬

**৬১** আৰু চামুদ জাতিৰ ওচৰলৈ (আমি পঠিয়াইছিলো) সিহঁতৰ ভাতৃ স্বালিহ (আঃ)-ক। তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ কাৰণে তেওঁৰ ব্যতিৰেকে অন্য উপাস্য নাই। তেওঁ তোমালোকক গঢ়ি তুলিছে মাটিৰ পৰা আৰু ইয়াতেই তোমালোকক বসবাস কৰাইছে, এতেকে (তেওঁৰ প্ৰতি কৰ্তব্যত অৱহেলাৰ কাৰণে) তেওঁৰ ওচৰতেই পৰিত্ৰাণ খোজা আৰু তেওঁৰ পিনেই (অনুতপ্ত হৈ) ফিৰা। নিসন্দেহে আমাৰ প্ৰভু ওচৰতেই আছে, (মানুহৰ আবেদন-নিবেদনৰ) জবাব দিওঁতা।"

**৬২** সিহঁতে ক'লে— "হে স্বালিহ! তুমিতো ইয়াৰ আগতে আমাৰ ওচৰত আছিলা আশা-ভৰসাৰ পাত্ৰ, (হলেও) তুমি আমাৰ পিতৃপুৰুষসকলে যিসকলৰ উপাসনা কৰিছিল সেইসকলক উপাসনা কৰিবলৈ আমাক নিষেধ কৰিছানে? আৰু আমিতো বাস্তৱতে সন্দেহৰ মাজত ৰৈছো সেইসম্বন্ধে যাৰ (উপাসনাৰ) প্ৰতি তুমি আমাক আহ্বান কৰিছা— বিভ্ৰান্তিকৰ (সন্দেহ নাই এনে ধৰণৰ ধৰ্ম)!"

**৬৩** তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! তোমালোকে ভাবি চাইছানে— মই যদি মোৰ প্ৰভুৰ পৰা পোৱা স্পষ্ট প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত থাকো তেনেহলে কোনে মোক সাহায্য কৰিব আল্লাহৰ কবলৰ পৰা যদি মই তেওঁৰ অবাধ্যতা কৰো? গতিকে তোমালোকেতো ক্ষতিসাধন কৰাৰ বাহিৰে মোৰ একোৱেই নবঢ়াবা।

**৬৪** "আৰু হে মোৰ সম্প্ৰদায়! এইটো হৈছে আল্লাহৰ (নিমিত্তে উৎসৰ্গীকৃতা) উট্নী— তোমালোকৰ কাৰণে এটা নিদৰ্শন; এতেকে ইয়াক এৰি দিয়া আল্লাহৰ মাটিত চৰি খাবলৈ, আৰু তাক কোনো ক্ষতিৰেই ক্ষতি নকৰিবা, পাছত আসন্ন শাস্তিয়ে তোমালোকক আহি ধৰিব।"

**৬৫** কিন্তু (আল্লাহক অমান্য কৰি) সিহঁতে তাক হত্যা কৰিলে; সেইকাৰণে তেওঁ ক'লে— "তোমালোকে নিজৰ বাৰী-ঘৰত তিনিদিন জীৱন উপভোগ কৰি লোৱা (লগতে অপেক্ষা কৰা সেই চৰম মুহূৰ্তলৈ); এইটো এটা প্ৰতিশ্ৰুতি যিটো মিছা হোৱাৰ নহয়।"

**৬৬** তাৰ পাছত যেতিয়া আমাৰ নিৰ্দেশ আহিল তেতিয়া আমি স্বালিহ (আঃ)-ক আৰু তেওঁৰ ওপৰত যিসকলে আস্থা ৰাখিছিল সেইসকলকো উদ্ধাৰ কৰিছিলো আমাৰ অনুগ্ৰহৰ ফলত, আৰু (ৰক্ষা কৰিছিলো) সেইদিনৰ লাঞ্ছনাৰ পৰা। নিসন্দেহে তোমাৰ প্ৰভু— তেৱেঁই মহাবলীয়ান, মহাশক্তিশালী।

**৬৭** ইয়াৰ পাছত (ভূমিকম্পৰ লগত) প্ৰচণ্ড গুমগুমনিয়ে ধৰিলে সিহঁতক যিবিলাকে অত্যাচাৰ কৰিছিল; কাজেই সিহঁত হৈ গ'ল নিজৰ ঘৰ-বাৰীতে নিথৰদেহী,—

**৬৮** যেন সিহঁত কেতিয়াও তাত বসবাস কৰাই নাছিল। এইটো (সত্য) নহয়নে যে চামূদ জাতিয়ে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰিছিল? এইটো (কোৱা সঙ্গত) নহয়নে— "দূৰ হোৱা চামূদ জাতি?"

## পৰিচ্ছেদ - ৭

**৬৯** আৰু আমাৰ বাণীবাহকসকল (বা ফিৰিশ্বতাসকল) ইব্ৰাহীম (আঃ)-ৰ ওচৰলৈ আহিছিল সুসংবাদ লৈ, তেওঁলোকে ক'লে— "ছালাম"। তেৱোঁ ক'লে— "ছালাম"; আৰু তেওঁ দেৰি নকৰিলে এটা কাবাব কৰা দামুৰি আনিবলৈ।

**৭০** কিন্তু যেতিয়া তেওঁ দেখিলে এওঁলোকৰ হাত সেইটোৰ ফালে (—খোৱাৰ ফালে) আগবঢ়া নাই তেতিয়া তেওঁ এওঁলোকক বিস্ময়কৰ ভাবিলে আৰু তেওঁলোকৰ সম্বন্ধে তেওঁ আশংকা বোধ কৰিলে। তেওঁলোকে ক'লে— "ভয় নকৰিবা, আমি লূতৰ সম্প্ৰদায়ৰ প্ৰতি প্ৰেৰিত হৈছো।"

**৭১** আৰু (সেই দৃশ্যপটত দেখিলে) তেওঁৰ স্ত্ৰী (ছাৰাহ্ সমীপতে) থিয় হৈ ৰৈছে আৰু তেওঁ (সৌজন্যসূচক) হাঁহিলে; আমি তেতিয়া তেওঁক সুসংবাদ দিলো ইছহাকৰ (জন্মৰ), আৰু ইছহাকৰ পাছত (পৌত্ৰ) ইয়াকুবৰ।

**৭২** তেওঁ (ছাৰাহ্-এ) ক'লে— "হায় মোৰ আফচোচ্! মই (এতিয়া) সন্তান জন্ম দিমনে যেতিয়া মই বৃদ্ধা হৈ গৈছো আৰু মোৰ স্বামীজনো বৃদ্ধ? এইটো নিশ্চয় বৰ আজব বিষয়।"

**৭৩** তেওঁ ক'লে— "তুমি তাজ্জব হৈছানে আল্লাহৰ হুকুমৰ প্ৰতি? আল্লাহৰ অনুগ্ৰহ আৰু তেওঁৰ আশীৰ্বাদ তোমালোকৰ ওপৰত ৰৈছে, হে (নবীৰ) পৰিয়ালবৰ্গ! নিসন্দেহে তেওঁ প্ৰশংসাৰ পাত্ৰ, মহিমান্বিত।"

**৭৪** তাৰ পাছত যেতিয়া ইব্ৰাহীম (আঃ)-ৰ পৰা ভয় আঁতৰি গ'ল আৰু তেওঁৰ ওচৰত (ৰছুলসকলৰ আগমনৰ) সুসংবাদ আহিল তেতিয়া তেওঁ আমাৰ ওচৰত কাকুতি-মিনতি আৰম্ভ কৰিলে লূত (আঃ)-ৰ লোকসকলৰ সম্পৰ্কে।

**৭৫** নিসন্দেহে ইব্ৰাহীম (আঃ) সঁচাকৈ আছিল সহনশীল, কোমল হৃদয়, সততে প্ৰত্যাৱৰ্তনকাৰী।

**৭৬** (তেওঁক কোৱা হ'ল—) "হে ইব্ৰাহীম (আঃ)! ইয়াৰ পৰা (অৰ্থাৎ লূত-আঃ-ৰ লোকৰ কাৰণে চুপাৰিচৰ পৰা) ক্ষান্ত হোৱা; নিসন্দেহে তোমাৰ প্ৰভুৰ বিধান আহি পাইছেহি, আৰু সিহঁতৰ ক্ষেত্ৰত— শাস্তি সিহঁতৰ ওপৰত আহিবই, যিটো ফিৰাব পাৰা নাযাব।"

**৭৭** আৰু যেতিয়া আমাৰ বাণীবাহকসকল লূত (আঃ)-ৰ ওচৰলৈ আহিছিল তেতিয়া তেওঁ ব্যতিব্যস্ত হৈছিল, আৰু তেওঁ (চোদম আৰু গোমোৰাবাসী লোকৰ কামাতুৰ উচ্ছৃঙ্খলতাৰ পৰা) এওঁলোকক ৰক্ষা কৰিবলৈ নিজকে অসহায়বোধ কৰিছিল, তেতিয়া তেওঁ কৈছিল— "এইটো এক নিদাৰুণ দিন।"

**৭৮** আৰু (তেওঁ দেখিবলৈ পালে) তেওঁৰ লোকসকল তেওঁৰ ওচৰলৈ আহিল, উদ্‌ভ্ৰান্ত হৈ তেওঁৰ ওচৰলৈ দৌৰি আহিল; আৰু ইয়াৰ আগৰে পৰাই

সিহঁতে কুকৰ্ম কৰি গৈছিল। তেওঁ ক'লে—"হে মোৰ সম্প্ৰদায়! এইসকলেই মোৰ কন্যা, এওঁলোক (ঘৰ-সংসাৰ কৰাৰ কাৰণে) তোমালোকৰ নিমিত্তে অধিক পৱিত্ৰ; কাজেই আল্লাহকে ভয়-ভক্তি কৰা আৰু মোৰ অতিথিসকলৰ সম্বন্ধে মোক লাঞ্ছিত নকৰিবা। তোমালোকৰ মাজত কোনো সদাচাৰী মানুহ নাই নেকি (এই কথাটো বুজিবৰ বাবে)?"

**৭৯** সিহঁতে ক'লে— "তুমি নিশ্চয় জানা যে তোমাৰ কন্যাবিলাকৰ প্ৰতি আমাৰ (ঘৰ কৰাৰ) কোনো দাবী নাই, আৰু নিশ্চয় তুমি ভালকৈ জানা কি আমি বিচাৰো।"

**৮০** তেওঁ ক'লে— "হায়, তোমালোকক বাধা দিয়াৰ যদি মোৰ ক্ষমতা থাকিলহেঁতেন অথবা (আল্লাহৰ পৰা) যদি কোনো জোৰদাৰ অৱলম্বন পালোহেঁতেন!"

**৮১** তেওঁলোকে (—ফিৰিশ্বতাসকলে) ক'লে— "হে লুত (আঃ)! আমি অৱশ্যেই তোমাৰ প্ৰভুৰ দূত। সিহঁতে কেতিয়াও তোমাৰ ওচৰত তিষ্ঠিব নোৱাৰিব; গতিকে তোমাৰ পৰিয়াল-পৰিজনকলৈ আঁতৰি পৰা ৰাতিৰ এই প্ৰহৰতে, আৰু তোমালোকৰ মাজৰ কোনেও পাছলৈ নিফিৰিবা, তোমাৰ স্ত্ৰীৰ ব্যতিৰেকে, কিয়নো ইহঁতৰ যি ঘটিব তেওঁৰো সেয়েই ঘটিব। বাস্তৱতে সিহঁতৰ (সৰ্বনাশ ঘটাৰ) নিৰ্ধাৰিত সময় হৈছে (অহা) পুৱাবেলাতে। পুৱাবেলা নিচেই আসন্ন নহয়নে?"

**৮২** ইয়াৰ পাছত যেতিয়া আমাৰ আদেশ আহিল তেতিয়া আমি এইবিলাকৰ (অৰ্থাৎ নগৰ দুখনৰ) উপৰভাগ ইয়াৰ তলৰভাগ বনাই দিলো, আৰু সিহঁতৰ ওপৰত বৰ্ষণ কৰিলো টান টান শিল— থূপ-থূপকৰি—

**৮৩** যি তোমাৰ প্ৰভুৰ ওচৰত চিহ্নিত আছিল। আৰু সেইটো (অৰ্থাৎ সেই নগৰ দুখনৰ ওপৰত কঠোৰ শাস্তি বৰ্ষণ) অন্যায়কাৰীবিলাকৰ পৰা দূৰৈত নহয়।

## পৰিচ্ছেদ - ৮

**৮৪** আৰু (ব্যৱসায়ী) মাদ্‌য়ানবাসীৰ ওচৰত আমি নিযুক্ত কৰিছিলো সিহঁতৰ ভাতৃ শুআইব-ক। তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! আল্লাহৰ উপাসনা কৰা, তোমালোকৰ নিমিত্তে তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই। আৰু জোখ-মাখত আৰু ওজনত কম নকৰিবা; নিসন্দেহে মই তোমালোকক দেখিছো সমৃদ্ধিশালী, আৰু মই নিশ্চয় তোমালোকৰ কাৰণে আশংকা কৰিছো এক সৰ্বগ্ৰাসী দিনৰ শাস্তিৰ।

**৮৫** "আৰু হে মোৰ সম্প্ৰদায়! পূৰা জোখমাপ আৰু ওজন দিবা ন্যায়সঙ্গতভাৱে, আৰু কোনো লোককে সিহঁতৰ বিষয়বস্তুত বঞ্চিত নকৰিবা, আৰু পৃথিৱীত অন্যায় নকৰিবা গণ্ডগোল সৃষ্টিকাৰী হৈ।

**৮৬** "(আনৰ পাওনা আদায় কৰাৰ পাছত মুনাফা-স্বৰূপ) আল্লাহৰ ওচৰত যি বাকী থাকে সেয়ে তোমালোকৰ নিমিত্তে উত্তম— যদিহে তোমালোক বিশ্বাসী হোৱা; আৰু মই তোমালোকৰ ওপৰত ৰক্ষক নহওঁ।"

**৮৭** সিহঁতে ক'লে— "হে শুআইব! তোমাৰ নামাযে তোমাক নিৰ্দেশ দিয়েনে যে আমাৰ পিতৃপুৰুষসকলে যাক উপাসনা কৰিছিল সেইটো আমি বৰ্জন কৰিব লাগে, অথবা আমাৰ ধন-সম্পদ সম্বন্ধে আমি যি ইচ্ছা কৰো সেই কৰিব নোৱাৰিম? তুমিতো সত্যে সত্যে সহনশীল, সদাচাৰী!"

**৮৮** তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! তোমালোকে ভাবি চোৱা নাইনে,— মই যদি মোৰ প্ৰভুৰ পৰা স্পষ্ট দলিল-প্ৰমাণত প্ৰতিষ্ঠিত থাকো আৰু তেওঁ যদি তেওঁৰ পৰা উত্তম জীৱনোপকৰণ দি মোক জীৱিকা দান কৰি থাকে (তেন্তে কেনেকৈ মই লোকক প্ৰতাৰণা কৰিম)? আৰু মই বিচৰা নাই যে তোমালোকৰ বিপৰীতে মই সেই আচৰণ কৰিম যিটো মই তোমালোকক নিষেধ কৰি আছো। মই কেৱল বিচাৰো (তোমালোকক) সংস্কাৰ কৰিবলৈ যিমানখিনি সাধ্যমতে পাৰো। আৰু মোৰ কাৰ্য সাধন আল্লাহৰ সাহায্যতেই নহয় জানো? মই তেওঁৰেই ওপৰত নিৰ্ভৰ কৰো আৰু তেওঁৰ ফালেই মই ফিৰো।

**৮৯** "আৰু হে মোৰ সম্প্ৰদায়! মোৰ সৈতে মতানৈক্যই তোমালোকক অপৰাধী নকৰক যাৰ ফলত তোমালোকৰ ওপৰত ঘটিব পাৰে তাৰ নিচিনা (ঘটনা) যি ঘটিছিল নূহ (আঃ)-ৰ সম্প্ৰদায়ৰ ওপৰত, অথবা হূদ (আঃ)-ৰ সম্প্ৰদায়ৰ ওপৰত; কিম্বা স্বালিহ (আঃ)-ৰ সম্প্ৰদায়ৰ ওপৰত; আৰু লুত (আঃ)-ৰ সম্প্ৰদায়ো তোমালোকৰ পৰা দূৰৈত নহয়।

**৯০** "গতিকে তোমালোকৰ প্ৰভুৰ ওচৰত পৰিত্ৰাণ খোজা, তাৰ পাছত তেওঁৰ ফালে (অনুতপ্ত হৈ) ফিৰা। নিসন্দেহে মোৰ প্ৰভু অফুৰন্ত ফলদাতা, পৰম প্ৰেমময়।"

**৯১** সিহঁতে ক'লে— "হে শুআইব! তুমি যি কৈছা তাৰ বেচিভাগেই আমি নুবুজো, আৰু আমি অৱশ্যে আমাৰ মাজত তোমাক দুৰ্বলেইতো দেখিছো (গতিকে তোমাক আমি তোৱাক্কা নকৰো); আৰু তোমাৰ পৰিজনবৰ্গৰ কাৰণে নহ'লে আমি তোমাক শিল দলিয়াই শেষ কৰিলোহেঁতেন; আৰু তুমি আমাৰ ওপৰততো প্ৰতাপশালী নোহোৱা।"

**৯২** তেওঁ ক'লে— "হে মোৰ সম্প্ৰদায়! মোৰ পৰিজনবৰ্গ তোমালোকৰ ওচৰত আল্লাহতকৈ বেচি শ্ৰদ্ধেয়নে? আৰু তোমালোকে তেওঁক গ্ৰহণ কৰিছা তোমালোকৰ পিঠিৰ পিচপিনে পেলাই থৈ। নিসন্দেহে তোমালোকে যি কৰা মোৰ প্ৰভুৱে তাক আগুৰি ধৰি আছে।

**৯৩** "আৰু হে মোৰ সম্প্ৰদায়! তোমালোকৰ বাৰীঘৰত কাম কৰি যোৱা, ময়ো অৱশ্যে কৰি গৈছো। তোমালোকে শীঘ্ৰেই জানিব পাৰিবা কাৰ ওপৰত

শাস্তি আহিব যি তাক লাঞ্ছিত কৰে আৰু কোন হৈছে মিথ্যাবাদী। গতিকেতোমালোকে প্ৰতীক্ষা কৰা, ময়ো তোমালোকৰ সৈতে প্ৰতীক্ষাকাৰী।”

**৯৪** আৰু যেতিয়া আমাৰ নিৰ্দেশ আহিল তেতিয়া আমি শুআইব (আঃ)-ক আৰু যিসকলে তেওঁৰ লগত বিশ্বাস কৰিছিল সেইসকলকো উদ্ধাৰ কৰিছিলো আমাৰ ফালৰ পৰা অনুগ্ৰহৰ ফলত। আৰু যিবিলাকে অত্যাচাৰ কৰিছিল সিহঁতক ধৰিছিল এক গুম্‌গুমনিয়ে, ফলত সিহঁত হৈ গ'ল সিহঁতৰ ঘৰে ঘৰে নিথৰদেহী,—

**৯৫** যেন সিহঁত তাত (কোনো কাহানিও) বসবাস কৰা নাছিল। এইটো (কোৰা সঙ্গত) নহয়নে— “দূৰ হ' মাদয়ানবাসী যেনেকৈ দূৰ কৰা হৈছে চামুদ জাতিক?”

## পৰিচ্ছেদ - ৯

**৯৬** আৰু আমি অৱশ্যেই মূছা (আঃ)-ক পঠিয়াইছিলো আমাৰ নিৰ্দেশাৱলী আৰু স্পষ্ট কৰ্তৃত্ব দি—

**৯৭** ফিৰআউন আৰু তাৰ প্ৰধানবিলাকৰ ওচৰত; কিন্তু সিহঁতে ফিৰআউনৰ আদেশৰ অনুগমন কৰিছিল, অথচ ফিৰআউনৰ নিৰ্দেশ ন্যায়সঙ্গত নাছিল।

**৯৮** সি কিয়ামতৰ দিনা তাৰ লোকবিলাকক চালিত কৰিব আৰু সিহঁতক নমাই দিব (দুযখৰ) জুইত। আৰু নিকৃষ্ট সেই খাদ য'ত সিহঁতক নমোৱা হ'ব।

**৯৯** আৰু এক অভিশাপে সিহঁতৰ পিছ লৈছে, ইয়াতে আৰু কিয়ামতৰ দিনতে। নিকৃষ্ট সেই পুৰস্কাৰ যিটো সিহঁতক দিয়া হ'ব।

**১০০** এইবিলাক হৈছে জনপদসমূহৰ কিছু সংবাদ যি তোমাৰ ওচৰত বৰ্ণনা কৰিলো, ইয়াৰ মাজৰ কিছুমান অৱস্থিত ৰৈছে, আৰু (কিছুমান পকা ফচলৰ দৰে) কাটি পেলোৱা হৈছে।

**১০১** আৰু আমি সিহঁতৰ প্ৰতি অন্যায় কৰা নাই, কিন্তু সিহঁতে সিহঁতৰ নিজৰেই প্ৰতি অন্যায় কৰিছিল; গতিকে সিহঁতৰ দেৱতাবিলাক, যিবিলাকক সিহঁতে আহ্বান কৰিছিল আল্লাহক এৰি দি, সিহঁতৰ কোনো কামত নাহিল যি সময়ত তোমাৰ প্ৰভুৰ বিধান আহি পৰিল। আৰু সিহঁতে ধ্বংস ব্যতিৰেকে একোৰেই সিহঁতৰ কাৰণে নবঢ়াই।

**১০২** আৰু এইদৰেই হৈছে তোমাৰ প্ৰভুৰ পাকৰাও কৰোৱা যেতিয়া তেওঁ পাকৰাও কৰে জনপদসমূহক যেতিয়া সিহঁতে অন্যায় আচৰণ কৰে। নিসন্দেহে তেওঁৰ পাকৰাও কৰোৱা বৰ মৰ্মন্তুদ, কঠিন।

**১০৩** ইয়াতে অৱশ্যে নিদৰ্শন ৰৈছে তাৰ নিমিত্তে যিজনে পৰকালৰ শাস্তিক ভয় কৰে (আৰু সেই হেতু সতৰ্ক হয়)। এয়ে হৈছে মানুহক (তাৰ হিচাপ-নিকাচৰ কাৰণে) একত্ৰিত কৰণৰ দিন, আৰু এয়ে হৈছে সাক্ষ্যদানৰ দিন (যিটো প্ৰত্যেকেই প্ৰত্যক্ষ কৰিব)।

**১০৪** আৰু আমি এইটো (—ৰোজ কিয়ামত) পাচুৱাই নাৰাখো এটা নিৰ্দিষ্ট সময়ৰ বাবে ব্যতিৰেকে।

**১০৫** যেতিয়া সেই দিনটো আহিব তেতিয়া কোনো সত্ত্বাই তেওঁৰ (—আল্লাহৰ) অনুমতি ব্যতিৰেকে (নিজৰ বা আনৰ বাবে) কথা ক'ব নোৱাৰিব; সেইহেতু সিহঁতৰ মাজৰ কোনোবা হ'ব হতভাগ্য আৰু (কোনোবা) ভাগ্যবান।

**১০৬** তাৰ পাছত যিসকল হ'ব হতভাগা সিহঁত (যাব দুযখৰ) জুইলৈ, সিহঁতৰ কাৰণে তাত থাকিব দীৰ্ঘশ্বাস আৰু আৰ্তনাদ,—

**১০৭** সিহঁত তাতে থাকিব যিমান দিন মহাকাশমণ্ডল আৰু পৃথিৱী বিদ্যমান থাকিব— যদিহেনো তোমাৰ প্ৰভুৱে অন্যথা ইচ্ছা কৰে। নিসন্দেহে তোমাৰ প্ৰভুৱে যিটো (সমীচীন ভাবি) ইচ্ছা কৰে সেইটো কৰি থাকে।

**১০৮** আৰু যিসকল হ'ব ভাগ্যবান সেইসকল (যাব) বেহেশ্বতলৈ, তেওঁলোক তাতে থাকিব যিমানদিন মহাকাশমণ্ডল আৰু পৃথিৱী বিদ্যমান থাকিব— যদিহেনো তোমাৰ প্ৰভুৱে অন্যথা ইচ্ছা কৰে। (এই বেহেশ্বত হৈছে এনে) এটি দান যিটো কেতিয়াও কটাকুটা (বা সমাপ্ত কৰা) নহ'ব।

**১০৯** গতিকে তুমি সন্দেহৰ মাজত নাথাকিবা সিহঁতে যিবিলাকৰ উপসনা কৰে সিবিলাকৰ সম্বন্ধে। সিহঁতে উপাসনা নকৰে যিদৰে সিহঁতৰ পিতৃপুৰুষবিলাকে ইতিপূৰ্বে উপাসনা কৰিছিল সেইদৰে (অন্ধ অনুকৰণ) ব্যতিৰেকে। আৰু নিসন্দেহে সিহঁতৰ পাওনা আমি অৱশ্যেই সিহঁতক পূৰাপুৰি মিটাই দিম অলপমানো কম নকৰি।

## পৰিচ্ছেদ - ১০

**১১০** আৰু আমি অৱশ্যে মূছা (আঃ)-ক গ্ৰন্থ দিছিলো, ইয়াৰ পাছত তাত মতভেদ ঘটোৱা হ'ল। আৰু (হে মুহাম্মদ-ছাঃ!) যদি তোমাৰ প্ৰভুৰ পৰা ঘোষণাটো সাব্যস্ত নহ'লহেঁতেন (যে মূছা-আঃ-ৰ অনুবৰ্তীসকলে তোমাৰ জৰিয়তে নতুন জীৱন লাভ কৰিব) তেনেহ'লে সিহঁতৰ মাজত (আমাৰ শাস্তি প্ৰদানৰ দ্বাৰা) মীমাংসা হৈ গ'লহেতেন। আৰু বাস্তৱিকতে সিহঁততো সন্দেহৰ মাজত ৰৈছে (সিহঁতে ইছলাম ধৰ্মত দীক্ষিত হ'বনে) সেই সম্বন্ধে,— (সিহঁতৰ ধৰ্মকৰ্ম হৈছে) বিভ্ৰান্তিকৰ।

**১১১** আৰু নিসন্দেহে তোমাৰ প্ৰভুৱে যথাসময়ত সিহঁতৰ প্ৰত্যেকৰ কৰ্মফল সিহঁতৰ ওচৰত অৱশ্যেই পূৰাপুৰি মিটাই দিব। সিহঁতে যি কৰে তেওঁ সেই বিষয়ে সবিশেষ অবহিত।

**১১২** এতেকে তুমি সঠিক পথতে ঠিয় থাকা যেনেকৈ তোমাক আদেশ কৰা হৈছে, আৰু তেওঁৰো (যেন তেনে থাকে) যি তোমাৰ সৈতে (আল্লাহৰ পিনে) ফিৰিছে; আৰু তোমালোকে সীমালঙ্ঘন নকৰিবা। তোমালোকে যি কৰা তেওঁ নিশ্চয় তাৰ দৰ্শক।

**১১৩** আৰু তোমালোকে (নিজেতো অন্যায় নকৰিবাই, অধিকন্তু) সিহঁতৰ ফালে ঢাল নলবা যিবিলাকে অন্যায় কৰে,— পাচত (দুনিয়াৰ অশান্তি আৰু আখেৰাতৰ) জুইয়ে তোমালোকক স্পৰ্শ কৰে। আৰু আল্লাহক বাদে তোমালোকৰ বাবে কোনো অভিভাৱক নাই, এতেকে (সিহঁতৰ পৰা) তোমালোকক সাহায্য কৰা নহ’ব।

**১১৪** আৰু নামায কায়েম ৰাখা দিনৰ দুই প্ৰন্তভাগত (যেনে প্ৰথম প্ৰান্তত ফজৰৰ ওৱাক্তত আৰু শেষ ভাগত জুহৰ আৰু আচৰৰ ওৱাক্তত), আৰু ৰাতিৰ প্ৰথমাংশত (যেনে ৰাতিৰ আৰম্ভনিতেই মগৰিবৰ আৰু পূৰ্ণআগমনত এশ্বাৰ ওৱাক্তত)। শুভকামে নিশ্চয় বেয়া কামক দূৰ কৰি দিয়ে। এইটো এক স্মৰণীয় উপদেশ স্মৰণকাৰীসকলৰ নিমিত্তে।

**১১৫** আৰু অধ্যৱসায় অৱলম্বন কৰা, কিয়নো আল্লাহে নিশ্চয় সৎকৰ্মশীলসকলৰ কৰ্মফল ব্যৰ্থ নকৰে।

**১১৬** তেন্তে কিয় তোমালোকৰ পূৰ্বপুৰুষসকলৰ মাজৰ (গুণ-মান) বাকী থকা (সৰহ সংখ্যক) মানুহ নাই যিসকলে (দুষ্টলোকক) নিষেধ কৰে পৃথিৱীত বিপৰ্যয় ঘটোৱাত— যিসকলক আমি উদ্ধাৰ কৰিছিলো সিহঁতৰ মাজৰ পৰা অলপ কেইজনমান (গুণবান লোক) ব্যতিৰেকে? কিন্তু যিবিলাকে অন্যায় আচৰণ কৰিছিল সিহঁতে অনুসৰণ কৰিছিল যিবিলাকক ইয়াত সচ্ছল-সমৃদ্ধ কৰা হৈছিল, আৰু আছিল অপৰাধী।

**১১৭** আৰু তোমাৰ প্ৰভুৰ পক্ষে এইটো (সঙ্গত) নহয় যে তেওঁ কোনো জনপদক ধ্বংস কৰিব অন্যায়ভাৱে, যেতিয়া তাৰ অধিবাসীবিলাক থাকে সৎপথাৱলম্বী।

**১১৮** আৰু যদি তোমাৰ প্ৰভুৱে ইচ্ছা কৰিলেহেঁতেন তেন্তে তেওঁ মানৱজাতিক অৱশ্যে (মুছলিমৰূপে) এক জাতি বনাই ল’লেহেঁতেন; সিহঁতে কিন্তু (যিকোনো ধৰ্মমত গ্ৰহণ কৰিব পাৰে বুলিয়েই) মতভেদ কৰাত ক্ষান্ত নহয়,—

**১১৯** তেখেতৰ ব্যতিৰেকে যাক তোমাৰ প্ৰভুৱে (ইছলামৰ জেউতিৰে) কৰুণা কৰিছে; আৰু ইয়াৰ কাৰণেই তেওঁ সিহঁতক সৃষ্টি কৰিছে। আৰু নিষ্পত্তি হ’ল তোমাৰ প্ৰভুৰ বাণী (যেনে—)ঃ “মই আলবৎ একেলগে জিন্‌বিলাক আৰু মানুহবিলাকৰ দ্বাৰা জাহান্নাম ভৰ্তি কৰিম (যেন বিপথগামীবিলাক জাহান্নামৰ শোধনাগাৰত পৰিশোধিত হ’ব পাৰে)।”

**১২০** আৰু ৰছুলসকলৰ কাহিনীৰ পৰা সকলোবিলাক (শিক্ষণীয় বৃত্তান্ত) আমি তোমাৰ ওচৰত বৰ্ণনা কৰিছো যেন তাৰ দ্বাৰা আমি তোমাৰ চিত্তক বলিষ্ঠ কৰিম; আৰু ইয়াত তোমাৰ ওচৰলৈ আহিছে মুমিনসকলৰ কাৰণে (পূৰ্ণাঙ্গ) সত্য আৰু (আদৰ্শ জীৱন যাপনৰ) উপদেশ আৰু স্মৰণীয় বাৰ্তা।

**১২১** আৰু যিবিলাকে (কুৰআনত) বিশ্বাস নকৰে সিহঁতক কোৱাঁ— “তোমালোকৰ নিজ নিজ ক্ষেত্ৰত (যেনে ইচ্ছা) কাম কৰি যোৱা; নিসন্দেহে আমিও (আল্লাহৰ পথত) কৰ্তব্যৰত,—

**১২২** “আৰু অপেক্ষা কৰা (তোমালোকৰ আক্কেল-চেলামিৰ কাৰণে), আমিও নিসন্দেহে (আমাৰ পুৰস্কাৰৰ নিমিত্তে) অপেক্ষাৰত।”

**১২৩** আৰু মহাকাশমণ্ডল আৰু পৃথিৱীৰ অদৃশ্য বিষয়বস্তু আল্লাহৰেই, আৰু তেওঁৰ ওচৰতেই ক্ৰিয়াকৰ্মৰ সকলোখিনি (মীমাংসাৰ কাৰণে) ঘূৰাই অনা হ’ব। গতিকে তেওঁৰেই উপাসনা কৰা আৰু তেওঁৰ ওপৰতেই নিৰ্ভৰ কৰা। বস্তুতঃ তোমালোকে যিহকে কৰা সেইসম্বন্ধে তোমাৰ প্ৰভু অনবহিত নহয়।

* * * * * * * * * * * *

ছূৰা - ১২

# ইউছুফ

*(য়ূছুফ ঃ ৪)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** আলিফ লাম ৰা। এইবোৰ সুস্পষ্ট গ্ৰন্থৰ আয়াতসমূহ।

**২** নিসন্দেহে আমি এইখন অৱতাৰণ কৰিছো— আৰবী কুৰআন, যাতে তোমালোকে (মাতৃভাষাত ইয়াক সহজে) বুজিব পাৰা (আৰু তোমালোকৰ মাধ্যমে সমগ্ৰ জগৎবাসীয়ে ইয়াক বুজিব পাৰে)।

**৩** (হে মুহাম্মদ-ছাঃ!) আমি তোমাৰ ওচৰত এই কুৰআন প্ৰত্যাদেশৰ দ্বাৰা তোমাৰ ওচৰত শ্ৰেষ্ঠ কাহিনী বৰ্ণনা কৰিছো। আৰু অৱশ্যেই ইয়াৰ আগতে তুমিতো আছিলা অনবহিতসকলৰ অন্তৰ্ভুক্ত।

**৪** স্মৰণ কৰা! ইউছুফ (আঃ)-এ তেওঁৰ পিতাকক ক'লে— "হে মোৰ আব্বা! মই (টোপনি যোৱা অৱস্থাত) নিশ্চয় দেখিলো এঘাৰটি তৰা আৰু সূৰ্য আৰু চন্দ্ৰ, সেইবিলাকক দেখিলো মোৰ কাৰণে সিহঁতে (আল্লাহৰ প্ৰতি) ছিজ্‌দাৰত।"

**৫** তেওঁ ক'লে— "হে মোৰ পুতেক! তোমাৰ দৈৱদৰ্শন তোমাৰ ককাইহঁতৰ আগত বৰ্ণনা নকৰিবা, জানোচা সিহঁতে তোমাৰ বিৰুদ্ধে কোনো চক্ৰান্তৰ ষড়যন্ত্ৰ কৰিব (কাৰণ তোমাৰ সপোনে ইঙ্গিত কৰিছে যে তুমি এঘাৰজন ভাতৃৰ আৰু তোমাৰ আব্বা আৰু আম্মাৰ ওপৰতো মৰ্যাদা লাভ কৰিছা)। নিসন্দেহে চয়তানেই মানুহৰ নিমিত্তে প্ৰকাশ্য শত্ৰু।

**৬** "আৰু এইভাৱেই তোমাৰ প্ৰভুৱে তোমাক মনোনীত কৰিব (লোকক হেদায়ৎ কৰাৰ কাৰণে), আৰু তোমাক শিক্ষা দিব ঘটনাৱলীৰ ব্যাখ্যা সম্পৰ্কে, আৰু তেওঁৰ অনুগ্ৰহ পূৰ্ণাঙ্গ কৰিব তোমাৰ প্ৰতি আৰু ইয়াকুব (আঃ)-ৰ বংশধৰৰ (বা ইছ্‌ৰাইলবংশীয় লোকৰ) প্ৰতি, যেনেকৈ তেওঁ সেইটো পূৰ্ণাঙ্গ কৰিছিলে ইয়াৰ আগতে তোমাৰ পূৰ্বপুৰুষ ইব্ৰাহীম আৰু ইছহাক (আঃ)-ৰ প্ৰতি। নিসন্দেহে তোমাৰ প্ৰভু সৰ্বজ্ঞাতা, পৰমজ্ঞানী।"

**পৰিচ্ছেদ - ২**

**৭** ইউছুফ (আঃ) আৰু তেওঁৰ ভাই-ককাইৰ (কাহিনীৰ) মাজত নিশ্চয় নিদৰ্শন ৰৈছে জিজ্ঞাসুসকলৰ নিমিত্তে (কিয়নো জিজ্ঞাসুসকলে বিভিন্ন দিশত জ্ঞান লাভ কৰিব পাৰিব)।

**৮** স্মৰণ কৰা! সিহঁতে কোৱা-কুই কৰিলে— "ইউছুফ আৰু তাৰ (সহোদৰ) ভায়েক (বিন্‌য়ামীন) তো আমাৰ আব্বাৰ ওচৰত আমাতকৈ বেচি প্ৰিয়, যদিও আমি দলত ভাৰি। আমাৰ আব্বা নিশ্চয় স্পষ্ট বিভ্ৰান্তিতে ৰৈছে,"—

**৯** (দুষ্ট ল'ৰাহঁতৰ এটাই ক'লে—) "ইউছুফক মাৰি পেলোৱা অথবা কোনো দেশত নিৰ্বাসন দিয়া, তেনেহ'লে তোমালোকৰ আব্বাৰ মুখ (অৰ্থাৎ মনোযোগ) তোমালোকৰ ফালেই নিবিষ্ট হ'ব, আৰু তাৰ পাছত তোমালোকে ভাল মানুহ হ'ব পাৰিবা (বা অন্ততঃ আব্বাৰ ওচৰত নিজকে ভালবুলি দেখুওৱাব পাৰিবা)।"

**১০** সিহঁতৰ মাজৰ এজন বক্তাই ক'লে— "ইউছুফক হত্যা নকৰিবা, তাক বৰং কোনো কুঁৱাৰ তলিত পেলাই দিয়া, ভ্ৰমণকাৰীসকলৰ কোনোবাই তাক উঠাই নিব পাৰে (আৰু আমাৰ ঝামেলা দূৰ কৰিব পাৰে),— (এনেকুৱাই কৰা) যদি তোমালোকে কিবা কৰিবলৈ ওলাইছা (তেতিয়া সাপো মৰিব আৰু লাঠিও নাভাঙিব)।"

**১১** সিহঁতে (ইউছুফ-ৰ প্ৰতি সোহাগ দেখুৱাই) ক'লে— "হে আমাৰ আব্বা! তোমাৰ কি হৈছে যিহৰ কাৰণে তুমি ইউছুফৰ বিষয়ত আমাক বিশ্বাস নকৰা, অথচ নিসন্দেহে আমিতো তাৰ শুভাকাঙ্খী?

**১২** “তাক আমাৰ লগত কাইলৈ পঠিয়াই দিয়া, সি (আমাৰ লগত) আমোদ কৰক আৰু খেলধেমালি কৰক; আৰু আমিতো নিশ্চয় তাৰ (চোৰা-চিতাত) হেফাজৎকাৰী।”

**১৩** তেওঁ ক’লে— “এইটোৱে অৱশ্যে মোক কষ্ট দিব যে তোমালোকে তাক লৈ যাবা, আৰু মই ভয় কৰিছো পাচত জানোচা কুকুৰ-নেচীয়া-বাঘে তাক খাই পেলায়, যদি তোমালোকে (খেলাত মগ্ন হৈ) তাৰ প্ৰতি বেখেয়াল হৈ পৰা।”

**১৪** সিহঁতে ক’লে— “আমি দলত ভাৰি হোৱা সত্ত্বেও যদি তাক কুকুৰ-নেচীয়াই খাই পেলায় তেন্তে আমিয়েইতো নিশ্চয় সৰ্বহাৰা হ’ম।”

**১৫** তাৰ পাছত সিহঁতে যেতিয়া তাক (খেলাৰ ছলেৰে) লৈ গ’ল আৰু সকলোৱে একমত হ’ল যে সিহঁতে তাক পেলাই দিব কুঁৱাৰ তলিত, তেতিয়া আমি তেওঁৰ ওচৰলৈ প্ৰত্যাদেশ দিলো—“(তোমাৰ এনে এটা দিন আহিব যেতিয়া) তুমি সিহঁতক অৱশ্যেই জনাই দিবা সিহঁতৰ এই (জঘন্যতম হীন) কামৰ কথা, আৰু সিহঁতে (তোমাক) চিনিবও নোৱাৰিব।”

**১৬** আৰু (ইউছুফ-ক কুঁৱাত পেলাই দি) সিহঁতে সিহঁতৰ পিতাকৰ ওচৰত কান্দি-কাটি আহিল ৰাতিৰ ভাগতে (যেন গোটেই দিন সিহঁতে ইউছুফকেই বিচাৰি ফুৰিছিল)।

**১৭** সিহঁতে ক’লে—“হে আমাৰ আব্বা! আমি (খেলি খেলি) দৌৰাদৌৰি কৰি গৈছিলো, আৰু ইউছুফক ৰাখি গৈছিলো আমাৰ বস্তুবাহানিৰ কাষত, তেতিয়া কুকুৰ-নেচীয়া-বাঘে তাক খাই পেলাইছে; কিন্তু তুমিতো আমাৰ প্ৰতি (এই কথাতে) বিশ্বাসকাৰী নহ’বা, যদিও আমি হৈছো সত্যবাদী।

**১৮** আৰু সিহঁতে (প্ৰমাণ দেখুওৱাৰ কাৰণে) আনিলে তেওঁৰ চোলাটোৰ ওপৰত মিছা তেজ (সানি) লৈ। তেওঁ ক’লে— “নহয়, তোমালোকৰ অন্তৰে তোমালোকৰ কাৰণে এই বিষয়টো উদ্ভাৱন কৰিছে। কিন্তু ধৈৰ্য ধৰাই উত্তম। আৰু তোমালোকে যি বৰ্ণনা কৰিছা সেই ক্ষেত্ৰতে আল্লাহেই (মোৰ একমাত্ৰ) সাহায্য কামনাৰ স্থল।”

**১৯** ইফালে (মিচৰৰ পথত বাণিজ্যসম্ভাৰ লৈ) ভ্ৰমণকাৰীসকল আহিলে আৰু সিহঁতৰ পানীৱালাক (পানী সংগ্ৰহ কৰিবলৈ) পঠালে, সি তেতিয়া তাৰ বাল্‌তি (সেই কুঁৱাৰ ভিতৰত) নমাই দিলে (আৰু সেইটো টানি তোলতে ইউছুফ কুঁৱাৰ পৰা উঠি আহিলে)। সি ক’লে— “কি সুখবৰ! ই যে এটা ল’ৰা!” ইয়াৰ পাছত সিহঁতে তাক লুকাই ৰাখিলে পণ্যদ্ৰব্যৰ লগতে। আৰু সিহঁতে (ইউছুফ-ক) যি কৰিছিল সেইসম্বন্ধে আল্লাহ সৰ্বজ্ঞাতা।

**২০** আৰু সিহঁতে তেওঁক (মিচৰৰ নগৰ-প্ৰধানৰ ওচৰত) বিক্ৰি কৰিলে সামান্য মূল্যত— গণনাত কেইটি দিৰহামত (বা ৰৌপ্যমুদ্ৰাত); আৰু তেওঁৰ প্ৰতি সিহঁত আছিল অনাসক্ত।

## পৰিচ্ছেদ - ৩

**২১** আৰু মিচৰীয় যি (আজীয বা নগৰ-প্ৰধানে) তেওঁক কিনিছিল তেওঁ নিজৰ স্ত্ৰীক ক’লে— “(চোৱা যুলাইখা!) সন্মানজনকভাৱে ইয়াৰ থকাৰ ঠাই কৰা; জানোচা সি আমাৰ উপকাৰত আহিব, অথবা তাক আমি (পালক) পুত্ৰৰূপেও গ্ৰহণ কৰিব পাৰো।” আৰু এইদৰে আমি ইউছুফ-ৰ নিমিত্তে বাসস্থান ঠিক কৰি দিলো (সেই) দেশত, যাতে তেওঁক শিকাব পাৰো ঘটনাৱলীৰ ব্যাখ্যা সম্বন্ধে। আল্লাহ তেওঁৰ কাজ-কৰ্মত সৰ্বেসৰ্বা, কিন্তু অধিকাংশ লোকেই নাজানে।

**২২** আৰু যেতিয়া তেওঁ তেওঁৰ পূৰ্ণ যৌৱনত উপনীত হ’ল, আমি তেওঁক বুদ্ধি আৰু বিদ্যা দান কৰিলো। আৰু এইদৰে আমি সৎকৰ্মশীলসকলক পুৰস্কাৰ প্ৰদান কৰো।

**২৩** আৰু যি মহিলাৰ ঘৰত তেওঁ আছিলে সেইজনীয়ে তেওঁক কামনা কৰিলে তেওঁৰ অন্তৰঙ্গতাৰ বাবে, আৰু বন্ধ কৰি দিলে দুৱাৰবোৰ আৰু ক’লে— “আহাঁ হে তুমি!” তেওঁ ক’লে— “আল্লাহ সহায় হওক! মোৰ প্ৰভু নিশ্চয় মোৰ আশ্ৰয়স্থল অতি উত্তম বনাইছে। নিসন্দেহে তেওঁ অন্যায়কাৰীবিলাকৰ উন্নতি নকৰে (আৰু চৰিত্ৰহীনসকলক মৰ্যাদা নিদিয়ে)।”

**২৪** আৰু সেই নাৰী নিশ্চয় তেওঁৰ প্ৰতি আসক্ত হৈছিল; আৰু তেৰোঁ সেইজনীৰ প্ৰতি আসক্ত হৈয়েই পৰিলেহেঁতেন যদিহে না তেওঁ নিজ প্ৰভুৰ (নিৰ্দেশৰ) স্পষ্ট প্ৰমাণ প্ৰত্যক্ষ কৰিলেহেঁতেন। এইদৰে (এনে প্ৰলোভনৰ পৰীক্ষাত নিজকে সংযত ৰখাৰ পৰিণামত) আমি যেন তেওঁৰ পৰা আঁতৰাই দিব পাৰো বেয়া কাম আৰু অশ্লীলতাক। স্বৰূপতে তেওঁ আছিল আমাৰ একান্ত অনুৰক্ত দাসসকলৰ অন্যতম।

**২৫** আৰু (ইউছুফ-আঃ ঘৰৰ পৰা ওলাই যাব বিচাৰিলে আৰু যুলাইখাই তেওঁক ধৰি ৰাখিবলৈ) সিহঁত দুজনেই দুৱাৰৰ পিনে দৌৰিলে, আৰু তেখেতে (ইউছুফ-আঃ-ৰ চোলাটোহে টানি ধৰিলে আৰু) তেওঁৰ চোলা পাচফালৰ পৰা ফালি পেলালে; আৰু (ঘটনাচক্ৰত) তেওঁলোক দুজনে দুৱাৰৰ ওচৰত দেখা পালে তাইৰ স্বামীক! (নিজৰ দোষ ইউছুফ-আঃ-ৰ মূৰতে জাপি দি) তাই ক’লে— “যিজনে তোমাৰ পৰিয়ালৰ লগত কুকৰ্ম কামনা কৰে তাৰ পৰিণাম কাৰাদণ্ড বা (অইন কোনো) মৰ্মন্তুদ শাস্তিৰ বাহিৰে আৰু কি হ’ব পাৰে?”

**২৬** তেওঁ ক’লে— “এওঁহে মোক কামনা কৰিছিল মোৰ সান্নিধ্যৰ।” তেতিয়া তেওঁৰেই পৰিয়ালৰ এজন সাক্ষীয়ে সাক্ষ্য দিলে— “যদি তাৰ চোলাটো সন্মুখৰ ফালে ফলা হৈছে তেন্তে (বুজা যাব যুলাইখাৰ ফালে ইউছুফ আগুৱাই আহিছিল আৰু উভয়ে মুখামুখি টানা-আঁজোৰা কৰিছিল, ফলত আমালোকৰ) এওঁ সত্যবাদী আৰু ই মিথ্যাবাদীবোৰৰ অন্তৰ্ভুক্ত।

**২৭** “আৰু যদি তাৰ চোলাটো পাচফালে ফলা থাকে তেন্তে (বুজা যাব যুলাইখাই ইউছুফৰ পাচত ধাওৱা কৰিছিল ফলত) এৱেঁই মিথ্যাবাদী আৰু সি সত্যবাদীসকলৰ মাজৰ।”

**২৮** গতিকে তেওঁ (—গৃহস্বামীয়ে) যেতিয়া দেখিলে যে তেওঁৰ চোলাটো পাচৰ পিনে ফলা তেতিয়া তেওঁ ক'লে— "এইটো নিসন্দেহে তোমালোকৰ (তিৰোতাবিলাকৰেই) ছলনা; তোমালোকৰ ছল-চাতুৰী বৰ ভীষণ (কাৰণ এফালে তুমি নিজেই নিন্দনীয় কাম কৰিছা, তাৰ উপৰি নিৰপৰাধৰ গাত কলংক লিপিছা)।

**২৯** "হে ইউছুফ, তুমি এই বিষয়ত একোৰেই মনত নলবা; আৰু (হে বেগম!) তুমি ক্ষমা প্ৰাৰ্থনা কৰা তোমাৰ অপৰাধৰ নিমিত্তে; নিসন্দেহে তুমি হৈছা পাপিষ্ঠাবিলাকৰ মধ্যকাৰ।"

## পৰিচ্ছেদ - ৪

**৩০** আৰু নগৰৰ নাৰীবিলাকে (সিহঁতৰ বান্ধৱীৰ প্ৰতি সহানুভূতিৰ সুৰত) কোৱাকুই কৰিলে— "আজীযৰ স্ত্ৰীয়ে তাইৰ যুৱক দাসক কামনা কৰিছিল তাৰ সান্নিধ্যৰ! নিশ্চয় সি (যুৱকটিয়ে) তাইক প্ৰেমত অভিভূত কৰিছে। (কিন্তু প্ৰেমৰ খেলত হাতে-লোটে ধৰা পৰি যোৱাত) আমি তাইক দেখিছো স্পষ্ট বিভ্ৰান্তিতে পৰিছে (গতিকে তাইক সাহায্য কৰাৰ উপায় উলিয়াব লাগে)।"

**৩১** গতিকে তাই (—যুলাইখাই) যেতিয়া শুনিলে সিহঁতৰ ফন্দিৰ কথা, তাই সেইবিলাকক মাতি পঠালে আৰু সিহঁতৰ কাৰণে দিহা কৰিলে (ভোজত আঁউজিবলৈ) গাঁড়ু-গলিছা, আৰু সিহঁতৰ প্ৰত্যেককে দিলে (খোৱাৰ সময়ত ব্যৱহাৰৰ) ছুৰি-কটাৰী, আৰু (ইউছুফক মাতি) ক'লে— "ওলাই আহাঁ এওঁলোকৰ আগলৈ!" ইয়াৰ পাছত সিহঁতে যেতিয়া তেওঁক দেখিলে তেওঁক ভাবিলে অতুলনীয়, আৰু (বিস্ময়ত তথামূৰি খাই সকলোৱে ইউছুফ-ক নিজৰ ফালে আকৃষ্ট কৰিবলৈ হুলস্থুল কৰি) নিজৰে হাত কাটি পেলালে আৰু ক'লে— "আল্লাহৰ কি নিখুঁত সৃষ্টি! এওঁতো মানুহ নহয়! এওঁ নিশ্চয় এক মহিমান্বিত ফিৰিশ্বতা নহয় জানো (যিজনে আমাৰ এই ৰূপৰ হাটতো নিজকে সঁপি দিয়া নাই)।"

**৩২** সেইজনীয়ে ক'লে— "ইয়েই তো সেইজন যাৰ সম্বন্ধে তোমালোকে মোক নিন্দা কৰিছা; আৰু মই অৱশ্যেই (প্ৰৱলভাৱে) তাক কামনা কৰিছিলো তাৰ সংসৰ্গৰ, কিন্তু সি নিজকে সংযত ৰাখিছিল (আৰু তোমালোকৰ দৰে ময়ো তাক বশ কৰিব নোৱাৰিলো)। আৰু মই তাক যি আদেশ কৰো সেইটো যদি সি নকৰে তেন্তে (আমাক প্ৰত্যাখ্যানৰ প্ৰতিফলত যি কোনো অজুহাতত) সি নিশ্চিত কাৰাৰুদ্ধ হ'ব আৰু (কাৰাগাৰত) সি অৱশ্যেই হ'ব ছোটলোকবোৰৰ অন্তৰ্গত।"

**৩৩** তেওঁ ক'লে— "মোৰ প্ৰভু! সিহঁতে মোক যিহৰ প্ৰতি (অৰ্থাৎ যি লাম্পট্যৰ প্ৰতি) আহ্বান কৰিছে তাতকৈ কাৰাগাৰেই মোৰ ওচৰত অধিক প্ৰিয়। আৰু তুমি যদি মোৰ পৰা সিহঁতৰ ছলনা আঁতৰাই নিদিয়া তেন্তে মই সিহঁতৰ প্ৰতি (মানবিক দুৰ্বলতা বশত) আকৃষ্ট হৈ পৰিম, ফলত মই হৈ যাম অজ্ঞবিলাকৰ অন্তৰ্ভুক্ত!"

**৩৪** এতেকে তেওঁৰ প্ৰভুৱে তেওঁৰ প্ৰতি সঁহাৰি দিলে আৰু তেওঁৰ পৰা সিহঁতৰ ছল-চাতুৰী আঁতৰাই দিলে। নিসন্দেহে তেওঁ (—আল্লাহ) স্বয়ং সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

**৩৫** ইয়াৰ পাছত (নাগৰিকাবিলাকৰ নালিচ তথা জখমী আঙুলি সহ অন্যান্য) সাক্ষ্য-প্ৰমাণ তেওঁলোকে (—বিচাৰকসকলে) দেখাৰ পাচত তেওঁলোকৰ মনত হ'ল (ইউছুফ-আঃ-ৰ আৰু নগৰ-দুলালীবিলাকৰ কল্যাণত) তেওঁক কিছুকালৰ নিমিত্তে কাৰাৰুদ্ধ কৰাই উচিত।

## পৰিচ্ছেদ - ৫

**৩৬** আৰু তেওঁৰ লগত দুজন যুৱক (—ৰাজাৰ খানচামা আৰু ৰুটিৱালা) জেলত সোমাইছিল। সিহঁতৰ এজনে (—খানচামাই) ক'লে— "মই (সপোনত) দেখিলো (আঙুৰৰ পৰা) মদ চেপি উলিয়াইছো।" আৰু আনজনে ক'লে—"মই দেখিলো মই মোৰ মূৰৰ ওপৰত ৰুটি বৈ নিছো, তাৰে পৰা চৰাইবোৰে খাইছে।" (সিহঁতে ইউছুফ-আঃ-ক ক'লে—) "আমাক তুমি ইয়াৰ মৰ্ম কৈ দিয়া, আমি নিশ্চয় তোমাক দেখিছো সৎকৰ্মীসকলৰ মধ্যকাৰ।"

**৩৭** তেওঁ ক'লে— "তোমালোকক যি খাবলৈ দিয়া হয় সেই খাদ্য তোমালোকৰ ওচৰত (তেতিয়ালৈ) আহি নাপাব, অথচ তোমালোকৰ ওচৰলৈ সেইটো অহাৰ আগেই মই তোমালোকক কৈ দিম ইয়াৰ তাৎপৰ্য। এইটো হৈছে আমাৰ প্ৰভুৱে মোক যি শিকাইছে তাৰ পৰা (এতেকে আগেয়ে মোৰ প্ৰভুৰ বাণী কিছুমান তোমালোকক কৈ লওঁ)। মই নিশ্চয় পৰিত্যাগ কৰিছো সেই লোকবিলাকৰ ধৰ্মমত যিবিলাকে আল্লাহত বিশ্বাস নকৰে, আৰু সিহঁত নিজেই পৰকালত অবিশ্বাসী।

**৩৮** "আৰু মই অনুসৰণ কৰো মোৰ পিতৃপুৰুষ ইব্ৰাহীম (আঃ) আৰু ইছহাক (আঃ) আৰু ইয়াকুব (আঃ)-ৰ ধৰ্মমত। এইটো আমাৰ পক্ষে (সম্ভৱ) নহয় যে আমি আল্লাহৰ সৈতে কোনো ধৰণৰ অংশী থিয় কৰাম। এইটো (—এইএকেশ্বৰবাদী ধৰ্মমত আমি গ্ৰহণ কৰিছো) আমাৰ প্ৰতি আল্লাহৰ অনুগ্ৰহপ্ৰাচুৰ্যৰ ফলত আৰু মানৱজাতিৰ প্ৰতিও (যিবিলাকৰ ওচৰলৈ সেই মহান বাণী নবী-ৰছুলসকলে পৌঁছাই দিছে); কিন্তু অধিকাংশ লোকেই (তাৰবাবে) কৃতজ্ঞতা জ্ঞাপন নকৰে।

**৩৯** "হে মোৰ জেলখানাৰ সঙ্গীদুজন! বেলেগ বেলেগ (মনে-সজা) প্ৰভুবিলাক ভাল, নে একক সৰ্বশক্তিমান আল্লাহ (ভাল)?

**৪০** "তেওঁক এৰি দি তোমালোকে যিবিলাকৰ উপাসনা কৰা সিহঁত (কেতবোৰ) নামাবলী নহয় জানো যি তোমালোকে নামকৰণ কৰিছা— তোমালোকে আৰু তোমালোকৰ পূৰ্বপুৰুষসকলে, যিকাৰণে কোনো দলিল-দস্তাবেজ আল্লাহে পঠোৱা নাই। বিধান দিয়াৰ অধিকাৰ কেৱল আল্লাহৰ। তেওঁ আদেশ দিছে যে তোমালোকে তেওঁক এৰি অইন কাৰোৰ উপাসনা নকৰিবা, এয়ে হৈছে সঠিক ধৰ্ম (যিটো মোৰ পূৰ্বৱৰ্তী প্ৰত্যেক নবীয়ে তেওঁলোকৰ সম্প্ৰদায়ৰ ওচৰত প্ৰচাৰ কৰিছে), কিন্তু অধিকাংশ লোকেই (সেইটো) নাজানে।

**৪১** “হে মোৰ কাৰাগাৰৰ সঙ্গী দুজন! (তোমালোকৰ সপোনৰ ব্যাখ্যা হৈছে—) তোমালোকৰ এজন (অৰ্থাৎ খানচামা) সম্বন্ধে ঃ সি (কাৰামুক্ত হৈ পুনৰ) তাৰ প্ৰভুক সুৰা পান কৰাব; কিন্তু অন্যজনৰ ক্ষেত্ৰত ঃ সি (অপৰাধী সাব্যস্ত হৈ) তেতিয়া শূলবিদ্ধ হৈ মৰিব, পাচত পক্ষীবিলাকে তাৰ মূৰৰ পৰা (খুটিয়াই খুটিয়াই) খাব। তোমালোকে যি বিষয়ে জানিব বিচাৰিছিলা সেই বিষয় (এই ভাৱেই) নিষ্পত্তি হৈ গৈছে!”

**৪২** আৰু দুইজনৰ মাজৰ যাক তেওঁ জানিছিল যে সি (শীঘ্ৰেই) মুক্তি পাব তাক তেওঁ ক’লে— “তোমাৰ প্ৰভুৰ ওচৰত মোৰ কথা ক’বা (কিয়নো মোক বেচি দিন জেলত ৰাখিলে ৰজাৰ ন্যায়বিচাৰ ব্যাহত হ’ব, তাৰোপৰি জেলৰ বাহিৰত মিচৰবাসীৰ কাৰণে মোৰ কৰণীয় অনেক কাম পৰি আছে)।” কিন্তু চয়তানে তাক ভুলাই দিছিল তাৰ প্ৰভুৰ ওচৰত (ইউছুফ-আঃ-ৰ কথা) স্মৰণ কৰাই দিবলৈ, সেইকাৰণে তেওঁ কাৰাগাৰত থাকিলে আৰু কেইবছৰমান।

## পৰিচ্ছেদ - ৬

**৪৩** আৰু (ইয়াৰ পাচত এদিন মিচৰৰ) ৰাজাই ক’লে— “মই নিশ্চয় (সপোনত) দেখিলো সাতটা হৃষ্ট-পুষ্ট গাই, তাহাতক খাই পেলালে (আন) সাতটি জীৰ্ণ-শীৰ্ণই; আৰু (দেখিলো) সাতটা সেউজীয়া (শস্যৰ) আঁটি আৰু (সেইবিলাকক যেন খাই পেলালে) আন শুকান (আঁটিয়ে)। হে-ৰা প্ৰধানগণ! মোৰ স্বপ্নৰ তাৎপৰ্য মোক কৈ দিয়া যদি তোমালোকে সপোনৰ ব্যাখ্যা কৰিব পাৰা।”

**৪৪** সেইসকলে ক’লে— “(এইটো হৈছে) খেলি-মেলি সপোন, আৰু স্বপ্নৰ মৰ্ম উদ্ধাৰত আমি অভিজ্ঞ নহওঁ।

**৪৫** তেতিয়া (কয়েদি) সেই দুজনৰ যিজনে মুক্তি পাইছিল আৰু দীৰ্ঘকাল পাছত (এতিয়া ইউছুফ-আঃ-ক) যাৰ মনত পৰিল সি ক’লে— “ময়েই ইয়াৰ অৰ্থ আপোনালোকক জনাই দিম, সেই কাৰণে মোক পঠাই দিয়ক (মোৰ গন্তব্যস্থললৈ)।”

**৪৬** (সি কাৰাগাৰত গৈয়ে সম্ভাষণ কৰিলে—) “ইউছুফ, হে সত্যবাদী! আমাৰ নিমিত্তে ব্যাখ্যা কৰি দিয়ক— সাতজনী শকত গাই যাক খাই পেলালে ক্ষীণ সাতজনীয়ে, আৰু সাতটি সেউজীয়া আঁটি, আৰু আনবোৰ শুকান,— যাতে মই (ততালিকে ৰাজসভাত সমবেত) লোকসকলৰ ওচৰত উভতি যাব পাৰো যেন সিহঁতে (ৰজাৰ সপোনৰ ব্যাখ্যা) জানিব পাৰে।”

**৪৭** তেওঁ (ৰজাৰ ওচৰত তেওঁৰ কথা ক’বলৈ পাহৰি যোৱাৰ নিমিত্তে খানচামাক কোনো উচ্চবাচ্য নকৰি) ক’লে— “তোমালোকে সাতবছৰ যথাৰীতি খেতি কৰি যাবা, আৰু তোমালোকে (ফল-ফচল) যি তুলিবা তাক (অক্ষত অৱস্থাত) ৰাখি দিবা তাৰ শীষৰ মাজত কেৱল তাৰ পৰা যি অলপ-অচৰপ তোমালোকে খাবা তাক বাদ দি।

**৪৮** “তেতিয়া ইয়াৰ পাছত আহিব সাতটি কঠোৰ (দুৰ্ভিক্ষৰ বছৰ), সি খাই পেলাব সেই (দুৰ্দিনৰ বছৰ) কেইটাৰ কাৰণে তোমালোকে যি (সঞ্চয়) আগুৱাই দিবা, কেৱল অলপমান (শস্য) এৰি যি তোমালোকে (বীজৰ বাবে) সংৰক্ষণ কৰা।

**৪৯** “আৰু তাৰ পাছত আহিব (প্ৰাচুৰ্যময়) এক বছৰ য’ত লোকসকলে পাব প্ৰচুৰ বৃষ্টিপাত আৰু তাতে তেওঁলোকে (ভঁৰালি ভৰি ফচল তুলি মদ আৰু তেল চেপিব)।”

## পৰিচ্ছেদ - ৭

**৫০** আৰু (খানচামাৰ জৰিয়তে সপোনৰ তাৎপৰ্য তথা তেওঁলোকৰ কৰ্তব্য সম্পৰ্কে শুনি) ৰজাই ক’লে— “তেওঁক মোৰ ওচৰলৈ লৈ আহা।” গতিকে যেতিয়া (ৰজাৰ) দূত তেওঁৰ ওচৰলৈ আহিল, তেওঁ ক’লে— “তোমালোক মনিবৰ ওচৰলৈ উভতি যোৱা আৰু তেওঁক সোধা সেই নাৰীসকলৰ কি হ’ল যিবিলাকে নিজৰ হাত কাটিছিল (কিয়নো মই সিহঁতৰ পৰা নিৰাপদ থাকিব বিচাৰো)। নিসন্দেহে মোৰ প্ৰভুৱে সিহঁতৰ চাতুৰীৰ বিষয়ে পূৰ্ণ ওৱাকিফহাল।”

**৫১** তেওঁ (মহিলাবিলাকক মাতি পঠালে আৰু) ক’লে— “তোমালোকৰ কি হৈছিল যেতিয়া তোমালোকে ইউছুফ-ক কামনা কৰিছিলা তেওঁৰ অন্তৰঙ্গতাৰ? সিহঁতে ক’লে— “আল্লাহৰ কি নিখুঁত সৃষ্টি! আমি তেওঁৰ মাজত কোনো দোষৰ কথা নাজানো।” নগৰ-প্ৰধানৰ স্ত্ৰীয়ে ক’লে— “এতিয়াহে সত্য প্ৰকাশ পালে; মইহে তেওঁক কামনা কৰিছিলো তেওঁৰ অন্তৰঙ্গতাৰ, আৰু নিসন্দেহে তেওঁ অৱশ্যেই আছিল সত্যপৰায়ণসকলৰ মধ্যকাৰ।”

**৫২** (ইউছুফ-আঃ-এ তেতিয়া ক’লে—) “এইটোৰেই (মই বিচাৰিছিলো), যাতে তেওঁ (—আজীযে) জানিব পাৰে যে মই গোপনে (প্ৰভুপত্নীৰ সৈতে অসৎকৰ্মত লিপ্ত হৈ) তেওঁৰ প্ৰতি বিশ্বাসঘাতকতা কৰা নাই; আৰু নিসন্দেহে আল্লাহে বিশ্বাসঘাতকবিলাকৰ ছল-চাতুৰীক (সফলতাৰ পিনে) পৰিচালনা নকৰে।”

## ১৩শ পাৰা

**৫৩** (ইউছুফ-আঃ-এ মিচৰৰ ৰাজদৰবাৰত আৰু ক’লে—) “মই নিজকে (ভুল-ত্ৰুটিৰ পৰা) মুক্ত বুলি কোৱা নাই; নিসন্দেহে মানুহ মাত্ৰৰেই বেয়াৰ ফালে প্ৰৱণতা থাকে, কেৱল মোৰ প্ৰভুৱে কৰুণা কৰাবিলাকৰ বাহিৰে (কিয়নো তেওঁলোকে ‘আম্মাৰাহ্’ বা পশু-প্ৰকৃতিৰ পৰা ক্ৰমে ‘লাওৱামাহ্’ বা মানৱিক অৱস্থা, আৰু শেষত ‘মুৎমাইন্নাহ্’ বা স্বৰ্গীয় অৱস্থা পায়গৈ)। নিসন্দেহে মোৰ প্ৰভু (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।”

**৫৪** আৰু (ইউছুফৰ এনে গুণাৱলী দেখি) ৰজাই ক’লে— “তেওঁক মোৰ ওচৰলৈ লৈ আহা, মই তেওঁক মোৰ নিজৰ কাৰণে (বিশ্বস্ত উজীৰ বা মন্ত্ৰীৰূপে) একান্তভাৱে গ্ৰহণ কৰিম।” গতিকে তেওঁ (—বাদচাহে) যেতিয়া তেওঁৰ সৈতে আলাপ কৰিলে তেতিয়া ক’লে— “আপুনি আজি নিশ্চয় হ’ল মোৰ সন্মুখত (মৰ্যাদাত) সুপ্ৰতিষ্ঠিত, বিশ্বাসভাজন।”

**৫৫** তেওঁ ক'লে— “মোক দেশৰ ধন-সম্পদৰ দায়িত্বত নিয়োগ কৰক (যেন আগন্তুক আপৎকালৰ কাৰণে বিহিত ব্যৱস্থা মই ল'ব পাৰো)। নিসন্দেহে মই (শস্য-সামগ্ৰী আৰু ধনদৌলতৰ) সুৰক্ষক, (আৰু তাৰ বণ্টনব্যৱস্থা কৰিবলৈ) সুবিবেচক।

**৫৬** আৰু এইদৰে আমি ইউছুফ (আঃ)-ক (দাসত্বৰ ঠাইত ৰাজত্বৰ ক্ষমতা প্ৰদান কৰি) প্ৰতিষ্ঠিত কৰিলো (মিচৰৰ সেই ভিন্ দেশত;— সেই ঠাইত তেওঁ কৰ্তৃত্ব চলালে য'তেই তেওঁ বিচাৰিছিল। আমি যাকে (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰো আমাৰ কৰুণাৰ দ্বাৰা হিতসাধন কৰো, আৰু সৎকৰ্মশীলসকলৰ কৰ্মফল আমি ব্যৰ্থ নকৰো।

**৫৭** আৰু অৱশ্যেই পৰকালৰ পুৰস্কাৰ অধিক ভাল সেইসকলৰ কাৰণে যিসকলে (আল্লাহতে) বিশ্বাস কৰে আৰু (তেওঁৰ প্ৰতি) ভয়-ভক্তি অৱলম্বন কৰে।

## পৰিচ্ছেদ - ৮

**৫৮** আৰু (মিচৰ আৰু ওচৰ-পাঁজৰৰ দেশত দুৰ্ভিক্ষ দেখা দিয়াৰ ফলত) ইউছুফ (আঃ)-ৰ ককায়েকবিলাক (মিচৰত) আহিল আৰু তেওঁৰ দৰবাৰত প্ৰৱেশ কৰিলে; তেওঁ তেতিয়া সিহঁতক চিনিব পাৰিলে, কিন্তু সিহঁত তেওঁৰ সম্বন্ধে অজ্ঞাত থাকিল।

**৫৯** আৰু তেওঁ যেতিয়া সিহঁতক পৰিৱেশন কৰিলে (গাই-পতি) সিহঁতৰ ৰচদ তেতিয়া তেওঁ ক'লে— “তোমালোকে (পাচৰ বাৰত) তোমালোকৰ পিতাৰ ফালৰ তোমালোকৰ ভায়েকো মোৰ ওচৰলৈ লৈ আহিবা। তোমালোকে দেখা পোৱা নাইনে যে মই অৱশ্যে (মূৰ গণতি কৰি) প্ৰত্যেককে পূৰা মাপ দিছো আৰু মই ভাল আপ্যায়ণ কৰোঁতা।

**৬০** “কিন্তু তোমালোকে যদি তাক মোৰ ওচৰলৈ লৈ নাহা তেন্তে তোমালোকৰ কাৰণে মোৰ ওচৰৰ পৰা (গৰহাজিৰ লোকৰ কাৰণে) কোনো জোখ-মাখ নাথাকিব, আৰু তোমালোক (তাৰ ৰেচনৰ বাবে) মোৰ কাষ চাপি নাহিবা।”

**৬১** সিহঁতে ক'লে— “আমি অৱশ্যেই চেষ্টা কৰিম তাৰ সম্পৰ্কে তাৰ পিতাৰ ওচৰত আৰু আমি নিশ্চয় (তাক লৈ অহাৰ) কাম কৰিম।”

**৬২** আৰু তেওঁ তেওঁৰ জোৱানসকলক ক'লে— “সিহঁতৰ (পৰা পোৱা) দ্ৰব্যমূল্য সিহঁতৰ মালপত্ৰৰ মাজত (এনেদৰে) ৰাখি দিয়া যাতে সিহঁতৰ পৰিয়ালবৰ্গৰ ওচৰলৈ যেতিয়া সিহঁতে উভতি যাব তেতিয়া সিহঁতে এইটো (—সিহঁতে দিয়া দ্ৰব্যমূল্য) চিনিব পাৰে; তেনেহলে সিহঁত (মোৰ বদান্যতা দেখি দুনাই শস্য কিনিবলৈ) ফিৰি আহিব।”

**৬৩** তাৰ পাছত যেতিয়া সিহঁত পিতাকৰ ওচৰলৈ উভতি আহিল তেতিয়া সিহঁতে ক'লে— “হে আমাৰ আব্বা! আমাৰ ওচৰত (ৰচদৰ) পৰিমাণ নিষেধ কৰা হৈছে (যদিহে আমি বিন্য়ামীনক লগত লৈ নাযাওঁ); এতেকে আমাৰ লগত আমাৰ ভাইকো পঠিয়াই দিয়া যাতে আমি (প্ৰত্যেকৰ) পৰিমাণ পাব পাৰো, আৰু আমিতো অৱশ্যেই তাৰ হেফাজতকাৰী।”

**৬৪** তেওঁ ক'লে— তোমালোকক তাৰ (হেফাজতৰ) বিষয়ে বিশ্বাস কৰিব পাৰোনে যেনেকৈ তাৰ ককায়েকৰ বিষয়ত ইতিপূৰ্বে তোমালোকক বিশ্বাস কৰিছিলো? বস্তুতঃ আল্লাহেই ৰক্ষণাবেক্ষণত সৰ্বশ্ৰেষ্ঠ, আৰু তেৱেঁই কৰুণাময়সকলৰ মাজত অফুৰন্ত ফলদাতা।

**৬৫** আৰু যেতিয়া সিহঁতে নিজৰ বস্তু-বাহানি খুলিলে সিহঁতে দেখিবলৈ পালে সিহঁতৰ দ্ৰব্যমূল্য সিহঁতলৈ ওভতাই দিয়া হৈছে। সিহঁতে ক'লে— “হে আমাৰ আব্বা! (ইয়াৰ বেচি) কি আমি প্ৰত্যাশা কৰিম? এয়ে আমাৰ দ্ৰব্যমূল্য আমাক ঘূৰাই দিয়া হৈছে; আৰু আমাৰ পৰিজনবৰ্গৰ কাৰণে আমি (পৰ্যাপ্ত) ৰচদ আনিব পাৰিম (যদি সেই খেয়ালী উজিৰক আমি তুষ্ট কৰিব পাৰো), আৰু আমাৰ ভাইৰ আমি হেফাজত কৰিম, আৰু আমি এক উটৰ পৰিমাণৰ (শস্যসামগ্ৰী) অতিৰিক্ত আনিম। এইটো (মিচৰৰ শস্যভাণ্ডাৰৰ পক্ষে) তো এক সামান্য পৰিমাণ।”

**৬৬** তেওঁ ক'লে— “মই তাক একোতেই তোমালোকৰ সৈতে নপঠাম যেতিয়ালৈকে নেকি মোৰ ওচৰত আল্লাহৰ নামত ওৱাদা কৰা যে তোমালোকে নিশ্চয় মোৰ ওচৰলৈ তাক ঘূৰাই আনিবা, যদিহেনো তোমালোক (ঘটনাচক্ৰত) একান্ত অসহায় হোৱা।” এতেকে সিহঁতে যেতিয়া তেওঁক সিহঁতৰ প্ৰতিশ্ৰুতি দিলে তেতিয়া তেওঁ ক'লে— “মই যি কৈছো তাৰ ওপৰত আল্লাহেই কৰ্ণধাৰ!”

**৬৭** তেওঁ আৰু ক'লে— “হে মোৰ পুত্ৰগণ! তোমালোক (এঘাৰ ভাইৰ পূৰা দল) একেখন দুৱাৰেদি নোসোমাবা, বৰং তোমালোকে বেলেগ বেলেগ দুৱাৰেদি সোমাবা। আল্লাহৰ (বিধানৰ) বিৰুদ্ধে তোমালোকৰ কাৰণে মোৰ একোৱেই কৰাৰ সামৰ্থ্য নাই। বিধানতো একমাত্ৰ আল্লাহৰেই। তেওঁৰ ওপৰতেই মই নিৰ্ভৰ কৰোঁ, আৰু তেওঁৰ ওপৰতেই তেন্তে নিৰ্ভৰ কৰক নিৰ্ভৰশীলসকলে।”

**৬৮** আৰু সিহঁতে যেতিয়া (বেলেগ বেলেগ দৰজাইদি) সোমালে যিধৰণে সিহঁতৰ পিতাকে সিহঁতক আদেশ কৰিছিলে, তেতিয়া আল্লাহৰ (পৰিকল্পনাৰ) বিৰুদ্ধে সিহঁতৰ একোৱেই কৰাৰ সামৰ্থ্য নাছিল, কিন্তু (সিহঁতে ভাবিছিল—) এইটো ইয়াকুব (আঃ)-ৰ অন্তৰৰ এটা খাম-খেয়ালী যিটো তেওঁ চৰিতাৰ্থ কৰিছিল। আৰু নিসন্দেহে তেওঁ অৱশ্যেই আছিল জ্ঞানৰ অধিকাৰী কিয়নো আমি তেওঁক (বিন্য়ামীনৰ সৈতে ইউছুফ-আঃ-ৰ একান্তে মিলনৰ সম্বন্ধে) জ্ঞানদান কৰিছিলো, কিন্তু সৰহভাগ লোকেই (সেই কথা) নাজানে।

## পৰিচ্ছেদ - ৯

**৬৯** আৰু সিহঁতে (এঘাৰ ভাইয়ে) যেতিয়া ইউছুফ (আঃ)-ৰ দৰবাৰত (বেলেগ বেলেগ দুৱাৰেদি) প্ৰৱেশ কৰিলে (তেওঁ সিহঁতক দুজন দুজনকৈ থকা ঠাই কৰি দিলে আৰু অকলশৰীয়া হৈ পৰা) তেওঁৰ (আপোন) ভাইক তেওঁ নিজৰ লগত ৰাখিলে, তেওঁ (বিন্য়ামীনক) ক'লে— “মৱেই তোমাৰ (সহোদৰ) ককাই, গতিকে সিহঁতে যি কৰিছে তাত দুখ নকৰিবা।”

**৭০** তাৰ পিছত তেওঁ যেতিয়া সিহঁতক পৰিবেশন কৰিলে সিহঁতৰ ৰচদৰ দ্বাৰা তেতিয়া তেওঁৰ ভায়েকৰ বয়-বস্তুৰ ভিতৰত (ৰজাৰ ঘৰৰ) এটি পানপাত্ৰ (কোনোবাই) ৰাখি দিলে। তাৰ পাচত (পানপাত্ৰটো হেৰাই যোৱা লক্ষ্য কৰি এজন আহ্বায়কে চিঞৰি) ক'লে— "হে-ৰা উট চালকৰ দল! (ৰ'বা) তোমালোক নিশ্চয় চোৰ।"

**৭১** সিহঁতে (—ককাই-ভাই) ইহঁতৰ ওচৰলৈ আহি ক'লে— "তোমালোকে কি বস্তু হেৰুৱাইছা?"

**৭২** ইহঁতে ক'লে— "আমি ৰজাৰ পানপাত্ৰ হেৰুৱাইছো, আৰু যিয়ে (আমি খানা-তালাচ কৰাৰ আগতে) এইটো লৈ আহিব (সি পাব) এক উট বোজাই মাল, আৰু মই ইয়াৰ কাৰণে জামিন থাকিলো।"

**৭৩** সিহঁতে (—ল'ৰাহঁতে) ক'লে— "আল্লাহৰ কচম! তোমালোকে নিশ্চয় জানা যে আমি এই দেশত দুষ্কৰ্ম কৰিবলৈ অহা নাই, আৰু আমি চোৰো নহওঁ।"

**৭৪** এওঁলোকে ক'লে— "তেন্তে কি হ'ব ইয়াৰ প্ৰতিফল যদি তোমালোক হৈছা মিথ্যাবাদী?"

**৭৫** সিহঁতে ক'লে— "ইয়াৰ প্ৰতিফল হ'ব— যাৰ মালপত্ৰৰ মাজত এইটো পোৱা যাব সিয়েই হ'ব (বন্দীত্ব বৰণৰ দ্বাৰা) ইয়াৰ প্ৰতিফলৰ পাত্ৰ। এইদৰেই আমি অন্যায়কাৰীবিলাকক শাস্তি দিওঁ।"

**৭৬** ইয়াৰ পাচত তেওঁ (—ইউছুফ-আঃ-এ) সিহঁতৰ মালপত্ৰত (তালাচি) আৰম্ভ কৰিলে তেওঁৰ (সহোদৰ) ভায়েকৰ মালৰ আগতে, তাৰ পাচত তেওঁ সেইটো উলিয়ালে তেওঁৰ (নিজ) ভাইৰ বয়-বস্তুৰ পৰা। এইভাৱেই আমি ইউছুফৰ কাৰণে পৰিকল্পনা কৰিছিলো (যাতে বিন্‌য়ামীন ইউছুফ-আঃ-ৰ চকুৰ আগত মিচৰতে থাকি যায়)। তেওঁৰ পক্ষে ৰজাৰ আইন অনুসৰি তেওঁৰ ভায়েকক (সেই দেশত) ৰখা সম্ভৱ নাছিল যদিহেনো আল্লাহে ইচ্ছা কৰিলেহেঁতেন। আমি যাকে (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰো (তেওঁৰ) স্তৰে স্তৰে উন্নতি কৰো। আৰু প্ৰত্যেক জ্ঞানবানসকলৰ ওপৰত ৰৈছে সৰ্বজ্ঞানময়।

**৭৭** সিহঁতে (চূড়ান্ত নিৰ্লজ্জতা আৰু মিথ্যাবাদিতাৰে) ক'লে— "যদি সি চুৰি কৰি থাকে তেন্তে তাৰ ককায়েকেওতো ইয়াৰ আগতে চুৰি কৰিছিল।" তেতিয়া ইউছুফে (নিজ পৰিচয় প্ৰকাশ কৰি দিয়াৰ প্ৰবল বাসনা) এইটো নিজৰ অন্তৰতে গোপন ৰাখিছিল আৰু তেওঁ সেইটো (অৰ্থাৎ আত্ম-পৰিচয়) সিহঁতৰ ওচৰত প্ৰকাশ নকৰিলে। তেওঁ (চমুকৈ) ক'লে— "তোমালোক আৰু হীন অৱস্থাতে আছা, আৰু আল্লাহে ভালকৈ জানে তোমালোকে যি আৰোপ কৰিছা সেই সম্বন্ধে।"

**৭৮** ইহঁতে ক'লে— "ওহে প্ৰধান! ইয়াৰ পিতাক আছে— অত্যন্ত বুঢ়া মানুহ (যিজনে ইয়াৰ বিৰহত দুখ পাব), এতেকে তাৰ ঠাইত আমাৰ এজনকে ৰাখি দিয়ক, যিহেতু আমি আপোনাক দেখিছো মহানুভৱসকলৰ মধ্যকাৰ।"

**৭৯** তেওঁ (এই প্ৰস্তাৱ ন্যায়ৰ খাতিৰত নাকচ কৰি) ক'লে— "আল্লাহে ৰক্ষা কৰক যে আমি যাৰ ওচৰত আমাৰ বস্তু পাইছো তাক এৰি অন্যক ধৰি ৰাখিম, কিয়নো সেই ক্ষেত্ৰত আমি অৱশ্যেই অন্যায়কাৰী হ'ম।"

## পৰিচ্ছেদ - ১০

**৮০** যেতিয়া সিহঁতে তেওঁৰ পৰা (বিন্‌য়ামীনৰ মুক্তিৰ বিষয়ত) হতাশ হ'ল তেতিয়া সিহঁতে (পিতাকৰ ওচৰত কেনেকুৱা কৈফিয়ৎ দিয়া যায় সেই বিষয়ে) পৰামৰ্শৰ কাৰণে আলাদা হ'ল। সিহঁতৰ ডাঙৰ জনে (—জুদাহে) ক'লে—"তোমালোকে নাজানানে যে তোমালোকৰ আব্বাই (বিনয়ামীনৰ নিৰাপত্তাৰ বিষয়ত) তোমালোকৰ পৰা আল্লাহৰ নামত অঙ্গীকাৰ লৈছে, আৰু ইয়াৰ আগতে ইউছুফৰ বিষয়তো তোমালোকে কি ৰকমৰ ত্ৰুটি কৰিছিলা? এতেকে মই একোতেই এই দেশ এৰি নাযাম যেতিয়ালৈকেনো মোৰ আব্বাই মোক অনুমতি দিয়ে, অথবা আল্লাহে মোৰ কাৰণে কোনো হুকুম দিয়ে, কিয়নো তেৱেঁই হুকুমদিওঁতাসকলৰ মাজত সৰ্বশ্ৰেষ্ঠ।

**৮১** "তোমালোক উভতি যোৱা তোমালোকৰ আব্বাৰ ওচৰলৈ আৰু কোৱাঁ— হে আমাৰ আব্বা! নিসন্দেহে তোমাৰ ল'ৰাই চুৰি কৰিছে, আৰু আমি যি জানো তাৰ বাহিৰে অন্য প্ৰত্যক্ষ বিবৰণ দিয়া নাই, আৰু অদৃশ্যৰ বিষয়ত আমি একোৱেই নাজানো।

**৮২** "আৰু আমি য'ত আছিলো সেই চহৰবাসীসকলক সোধা, আৰু যিসকলৰ সৈতে আমি আহিছো সেই যাত্ৰীসকলকো (সোধা, সকলোৱেই আমাৰ কথাতে হয়ভৰ দিব)। আৰু আমিতো অৱশ্যেই সত্যবাদী।"

**৮৩** তেওঁ (—ইয়াকুব-আঃ-এ সিহঁতৰ দাল-পাত জোৰা দিয়া কাহিনী ধৰিব পাৰি) ক'লে— "নহয় (এইটো হ'বই নোৱাৰে), বৰং তোমালোকৰ অন্তৰে তোমালোকৰ কাৰণে এই বিষয়টো সাজি লৈছে; কিন্তু ধৈৰ্যধাৰণেই উত্তম। (এনেও) হ'ব পাৰে আল্লাহে এওঁলোক সকলোকে (যথা ইউছুফ বিন্‌য়ামীন আৰু জুদাহক) মোৰ ওচৰলৈ আনি দিব। নিসন্দেহে তেৱেঁই সৰ্বজ্ঞাতা, পৰম জ্ঞানী।"

**৮৪** আৰু তেওঁ সিহঁতৰ পৰা ঘূৰিলে আৰু ক'লে— "হায়! মোৰ আফচোচ ইউছুফৰ কাৰণে!" আৰু তেওঁৰ চকু (অশ্ৰুপাতত) বগা হৈ গৈছিল শোকাবেগবশতঃ, যদিও তেওঁ (গভীৰ মনোকষ্ট) সংবৰণকাৰী আছিল।

**৮৫** সিহঁতে (হুঁটা মাতেৰে) ক'লে— "দোহাই আল্লাহৰ! তুমি ইউছুফক স্মৰণ কৰিবলৈ নেৰিবা যেতিয়ালৈকেনো তুমি ৰোগক্লিষ্ট হোৱা অথবা প্ৰাণত্যাগীসকলৰ অন্তৰ্ভুক্ত হোৱা।"

**৮৬** তেওঁ ক'লে— “মোৰ দুখ আৰু মোৰ বেদনা নিবেদন কৰিছো আল্লাহৰেই ওচৰত, আৰু মই আল্লাহৰ পৰা জানো (যে ইউছুফ সুকলমে জীৱিত আছে) যিটো তোমালোকে নাজানা।

**৮৭** “হে মোৰ ল'ৰাহঁত! তোমালোক যোৱাঁ আৰু ইউছুফ আৰু তাৰ ভায়েকক বিচাৰা, আৰু (এই বিষয়ত) আল্লাহৰ অনুগ্ৰহ সম্বন্ধে নিৰাশ নহ'বা। নিসন্দেহে অবিশ্বাসী লোকবিলাকৰ বাহিৰে অন্য কোনোবা আল্লাহৰ অনুগ্ৰহ সম্বন্ধে নিৰাশ নহয়।”

**৮৮** তাৰ পাছত সিহঁতে যেতিয়া (আকৌ ৰচদ আনিবলৈ) তেওঁৰ (—ইউছুফ-আঃ-ৰ) দৰবাৰত হাজিৰ হ'ল তেতিয়া ক'লে— “ওহে প্ৰধান! আমাৰ আৰু আমাৰ পৰিয়াল-পৰিজনৰ ওপৰত বৰ বিপত্তি আহি পৰিছে, আৰু আমি সামান্য দ্ৰব্যমূল্য লৈ আহিছো, সেই কাৰণে আমাক পূৰ্ণমাত্ৰাত (ৰচদ) দিয়ক আৰু আমাৰ প্ৰতি দান-খয়ৰাত কৰক। নিসন্দেহে আল্লাহে দানশীলসকলক পুৰস্কাৰ দি থাকে।”

**৮৯** তেওঁ ক'লে— “তোমালোকে জানানে ইউছুফ আৰু তেওঁৰ ভায়েকৰ প্ৰতি তোমালোকে কি (জঘন্য অপৰাধ) কৰিছিলা যেতিয়া তোমালোক আছিলা বিবেচনাহীন (আৰু এতিয়া তোমালোকে মোৰ ওচৰত বদান্যতাৰ দোহাই দিছা)?”

**৯০** সিহঁতে ক'লে— “কি! আপুনিয়েই তেন্তে ইউছুফনে?” তেওঁ ক'লে— “ময়েই ইউছুফ আৰু ইয়েই মোৰ সহোদৰ। আল্লাহে নিশ্চয় আমাৰ প্ৰতি অনুগ্ৰহ কৰিছে (নহ'লে তোমালোকৰ চক্ৰান্তত আমাৰ আজি কোনো অস্তিত্বই নাথাকিলহেঁতেন)। নিসন্দেহে যি কোনোবাই ধৰ্মপৰায়ণতা অৱলম্বন কৰে আৰু ধৈৰ্যধাৰণ কৰে (তেওঁ অনুগ্ৰহ লাভ কৰিবই)— কিয়নো আল্লাহ নিশ্চয় সৎকৰ্মশীলসকলৰ কৰ্মফল বিফল নকৰে।”

**৯১** সিহঁতে ক'লে— “আল্লাহৰ কচম! আল্লাহে অৱশ্যেই আপোনাক আমাৰ ওপৰত প্ৰাধান্য দিছে, আৰু (স্বীকাৰ কৰিছো যে) আমি নিশ্চয় অপৰাধী আছিলো।”

**৯২** তেওঁ ক'লে— “তোমালোকৰ বিৰুদ্ধে আজি কোনো অভিযোগ নাই। আল্লাহে তোমালোকক ক্ষমা কৰক, আৰু তেৰেঁইতো কৃপাশীলসকলৰ মাজত পৰম কৰুণাময়।

**৯৩** “মোৰ এই (ৰাজ-দৰবাৰৰ পোছাকী) চোলাটো লৈ যোৱা আৰু এইটো আমাৰ আব্বাৰ মুখৰ আগত ৰাখা, তেওঁ (চোলাটোৰ শুৱনি আৰু আভিজাত্য দেখি মোৰ সসন্মান অৱস্থিতি সম্বন্ধে চাক্ষুষ প্ৰমাণ পাই) চক্ষুষ্মান হ'ব। আৰু তোমালোকে পৰিয়াল-পৰিজনক লৈ মোৰ ওচৰলৈ আহিবা।”

## পৰিচ্ছেদ - ১১

**৯৪** আৰু যেতিয়া (ল'ৰাহঁতৰ) যাত্ৰীদল (ঘৰৰ পথত) ওলাই পৰিল তেতিয়া সিহঁতৰ পিতাকে (ওচৰৰ লোকবিলাকক) ক'লে— “সঁচাকৈয়ে মইতো ইউছুফৰ বা-বতাহৰ গন্ধ পাইছো, যদিও তোমালোকে মোক মতিচ্ছন্ন বুলি ভাবা।”

**৯৫** সিহঁতে ক'লে— “আল্লাহৰ কচম! (আপোনাৰ ল'ৰাহঁতে কোৱা-কুই কৰাৰ দৰে আমি প্ৰমাণ পাইছো—) আপুনি নিসন্দেহে আপোনাৰ পুৰণি ভ্ৰান্তিতেই ৰৈছে।”

**৯৬** তাৰ পিছত যেতিয়া সুসংবাদবাহক (জুদাহ) আহিল, সি সেইটো (—ইউছুফ-আঃ-ৰ চোলাটো) তেওঁৰ সন্মুখত ৰাখিলে, তেতিয়া তেওঁ (ইউছুফৰ সুকলমে অৱস্থানৰ প্ৰমাণ দেখি) চক্ষুষ্মান হ'লে। তেওঁ (মানুহবোৰক) ক'লে— “মই তোমালোকক কোৱা নাছিলোনে যে মই আল্লাহৰ ওচৰৰ পৰা (ইউছুফ সম্বন্ধে) জানো, যিটো তোমালোকে নাজানা?”

**৯৭** সিহঁতে (—ল'ৰাহঁতে) ক'লে— “হে আমাৰ আব্বা! আমাৰ অপৰাধৰ নিমিত্তে আমাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰা, নিসন্দেহে আমি হৈছো দোষী।”

**৯৮** তেওঁ ক'লে মই শীঘ্ৰেই (ক্ষতিগ্ৰস্ত পক্ষ ইউছুফ আৰু বিন্য়ামীনৰ সমৰ্থন পালে তেতিয়া) তোমালোকৰ কাৰণে আমাৰ প্ৰভুৰ ওচৰত মাৰ্জনা বিচাৰিম। নিশ্চয় তেওঁ নিজেই (দোষত্ৰুটীৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।”

**৯৯** ইয়াৰ পিছত তেওঁলোক (গোটেই পৰিয়াল) যেতিয়া ইউছুফৰ দৰবাৰত হাজিৰ হ'ল তেতিয়া তেওঁ আপোন পিতা-মাতাক নিজৰ কাষতে ৰাখিলে আৰু ক'লে— “ইন-শ্বা-আল্লাহ মিচৰত নিৰ্বিঘ্নে প্ৰৱেশ কৰক।”

**১০০** আৰু তেওঁ নিজৰ পিতা-মাতাক (সন্মানিত) উচ্চ আসনত বহুৱালে, আৰু তেওঁৰ কাৰণে তেওঁলোক (সকলোৱে আল্লাহৰ প্ৰতি শুকুৰানা স্বৰূপ) ছিজ্‌দাৰত হ'ল। তেতিয়া তেওঁ ক'লে— “হে আমাৰ আব্বা! এইটোৱেই মোৰ পূৰ্বৰ সপোনৰ তাৎপৰ্য, মোৰ প্ৰভুৱে সেইটো সত্যত পৰিণত কৰিছে। আৰু তেওঁ মোৰ প্ৰতি অনুগ্ৰহ কৰিছিলে যেতিয়া তেওঁ মোক কাৰাগাৰৰ পৰা মুক্ত কৰিছিলে আৰু মৰুভূমিৰ পৰা আপোনালোকক (মোৰ ওচৰলৈ) লৈ আহিছে, মোৰ মাজত আৰু মোৰ ককাইবিলাকৰ মাজত চয়তানে বিৰোধ সৃষ্টি কৰাৰ পাছত। নিসন্দেহে মোৰ প্ৰভুৱে যাকে (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰে তাৰ প্ৰতি পৰম সদাশয়। দৰাচলতে তেওঁ নিজেই সৰ্বজ্ঞাতা, পৰমজ্ঞানী।

**১০১** “মোৰ প্ৰভু! তুমি ইতিমধ্যেই মোক ৰাজত্বৰ অধিকাৰ প্ৰদান কৰিছা আৰু ঘটনাৱলীৰ তাৎপৰ্য সম্পৰ্কে মোক শিক্ষাদান কৰিছা, হে মহাকাশমণ্ডল আৰু পৃথিৱীৰ আদি স্ৰষ্টা! তুমিয়েই এই দুনিয়া আৰু আখেৰাতত মোৰ মনিব; মোক মুছলিম অৱস্থাতে মৰিবলৈ দিয়া আৰু মোক সৎকৰ্মীসকলৰ লগত সংযুক্ত কৰা।”

**১০২** (হে মুহাম্মদ-ছাঃ!) এয়ে হৈছে অদৃশ্য বিষয়ৰ সংবাদ যি আমি তোমাৰ ওচৰত প্ৰত্যাদেশ কৰিছো। আৰু তুমি সিহঁতৰ লগত নাছিলা যেতিয়া সিহঁতে (—তোমাৰ শত্ৰুবিলাকে) সিহঁতৰ বিষয়-আশয় লগ্‌লগাইছিল আৰু সিহঁতে (তোমাৰ প্ৰাণ-হৰণৰ) চক্ৰান্ত কৰিছিল।

**১০৩** আৰু যদিও তুমি (এনে সন্দেহাতীত উদাহৰণ প্ৰয়োগেৰে) একান্তভাৱে কামনা কৰা তথাপি অধিকাংশ লোকেই (আল্লাহৰ বাণীত) বিশ্বাসকাৰী নহয়।

**১০৪** আৰু তুমি ইয়াৰ কাৰণে সিহঁতৰ ওচৰত কোনো পাৰিশ্ৰমিক বিচৰা নাই। এই (কুৰআন) তো বিশ্বজগতৰ কাৰণে উপদেশ ব্যতিৰেকে (অইন একোৰেই) নহয়।

## পৰিচ্ছেদ - ১২

**১০৫** আৰু মহাকাশমণ্ডল আৰু পৃথিৱীত (আল্লাহৰ মহিমাৰ) কিমান যে নিদৰ্শন ৰৈছে যিবিলাকৰ কাষেদিয়েই সিহঁতে যাতায়াত কৰে, তথাপি সিহঁতে এইবিলাকৰ প্ৰতি উদাসীন।

**১০৬** আৰু সিহঁতৰ অধিকাংশই আল্লাহৰ প্ৰতি বিশ্বাস নকৰে সিহঁত বহুখোদাবাদী নোহোৱালৈকে (অৰ্থাৎ আল্লাহত বিশ্বাস কৰিবলৈ হ'লে লগতে গুৰু-ঠাকুৰ, সাধু-সন্ন্যাসী, পীৰ-মুৰচিদ প্ৰভৃতিকো মানিব লাগে)।

**১০৭** কি! সিহঁতে তেন্তে নিৰাপদ বোধ কৰেনে সিহঁতৰ ওপৰত আল্লাহৰ শাস্তিৰ বৰ-তোপ আহি পৰা সম্বন্ধে, অথবা সিহঁতে যেতিয়া বেখেয়াল থাকে তেতিয়া (সিহঁতৰ সৰ্বনাশৰ) ঘড়ী-ঘণ্টা অতৰ্কিতে সিহঁতৰ ওপৰত আহি পৰা সম্বন্ধে?

**১০৮** (হে মুহাম্মদ-ছাঃ!) তুমি কোৱোঁ—"এই হৈছে মোৰ পথ; মই (একক অদ্বিতীয়) আল্লাহৰ প্ৰতি (মানুহক) আহ্বান কৰো, মই আৰু যিসকলে মোক অনুসৰণ কৰে তেওঁলোক জ্ঞানালোকৰ ওপৰত (প্ৰতিষ্ঠিত) ৰৈছো। আৰু আল্লাহৰেই সকলো মহিমা, আৰু মই বহুখোদাবাদীবিলাকৰ অন্তৰ্ভুক্ত নহওঁ।"

**১০৯** আৰু তোমাৰ পূৰ্বে জনপদবাসীৰ মাজৰ পৰা মানুহৰ বাহিৰে আন কাকো আমি (ৰছুলৰূপে) পঠোৱা নাই যিসকলৰ ওচৰত আমি প্ৰত্যাদেশ দিছিলো (কিয়নো একমাত্ৰ মানুহেই মানুহৰ কাৰণে আদৰ্শ আৰু পথিকৃত হ'ব পাৰে, কোনো ফিৰিশ্বতা বা অতিমানৱ নহয়)। এতেকে সেইসকলে পৃথিৱীত পৰ্যটন কৰা নাইনে, তেতিয়া দেখিব পাৰিলেহেঁতেন কেনে হৈছিল সিহঁতৰ পৰিণাম যিবিলাক আছিল এইবিলাকৰ অগ্ৰগামী? আৰু পৰকালৰ আবাসস্থল অৱশ্যেই অধিকতৰ ভাল সেইসকলৰ কাৰণে যিসকলে ধৰ্মভীৰুতা অৱলম্বন কৰে। তোমালোকে কি তেন্তে নুবুজা (কোন বাটেৰে তোমালোক আগুৱাই যাবা)?

**১১০** অৱশেষত যেতিয়া ৰছুলসকল হতাশ হৈছিল আৰু সিহঁতে (—লোকসকলে) ভাবিছিল যে সিহঁতক নিশ্চয় মিছা (হুচিয়াৰীৰ কথা) কোৱা হৈছে তেতিয়াই (আচম্বিতে) আমাৰ সাহায্য তেওঁলোকৰ ওচৰত আহি পালে; কাজেই যিসকলক (নিৰপৰাধ হোৱা হেতু) আমি ইচ্ছা কৰিলো তেওঁলোকক উদ্ধাৰ কৰিলো। আৰু অপৰাধী সম্প্ৰদায়ৰ পৰা আমাৰ শাস্তি প্ৰতিহত নহয়।

**১১১** সিহঁতৰ কাহিনীৰ মাজত অৱশ্যেই শিক্ষণীয় বিষয় ৰৈছে বোধশক্তিসম্পন্নসকলৰ কাৰণে। এই (কুৰআন) এনেকুৱা কাহিনী নহয় যিটো (মানুহৰ হাতত) জাল কৰা হৈছে, বৰঞ্চ ই হৈছে ইয়াৰ আগেয়ে যি (গ্ৰন্থবোৰ) আহিছিল তাৰ সমৰ্থনকাৰী, আৰু সকলো বিষয়ৰ বিস্তাৰিত বৃত্তান্ত, আৰু (জীৱনত সাফল্য অৰ্জনৰ) পথনিৰ্দেশ আৰু কৰুণা যিসকলে বিশ্বাস কৰে সেই সম্প্ৰদায়ৰ কাৰণে (কিয়নো অবিশ্বাসীহঁততো এই কুৰআনৰ পৰা অমৃত আহৰণত বিমুখ আৰু বঞ্চিত থাকি গৈছে)।

* * * * * * * * * * * *

ছূৰা - ১৩

# বজ্ৰনাদ

*(আৰ ৰা'দ ঃ ১৩)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহ্‌মান, ৰহীম

## পৰিচ্ছেদ - ১

**১** আলিফ লাম মীম ৰা (—মই আল্লাহ, শ্ৰেষ্ঠ জ্ঞাতা, সৰ্বদ্ৰষ্টা)। এইবিলাক হৈছে গ্ৰন্থখনৰ (—কুৰআনৰ) আয়াতসমূহ। আৰু যি তোমাৰ প্ৰভুৰ পৰা তোমাৰ ওচৰত অৱতীৰ্ণ হৈছে সেইটো পৰম সত্য, কিন্তু অধিকাংশ লোকে বিশ্বাস নকৰে।

**২** আল্লাহেই তেওঁ যিজনে মহাকাশমণ্ডলক ঊৰ্ধ্বত স্থাপন কৰিছে কোনো স্তম্ভ নোহোৱাকৈ— তোমালোকেতো এইটো দেখিছাই; আৰু তেওঁ আৰশ্বত (অৰ্থাৎ ক্ষমতাৰ মহাসিংহাসনত) অধিষ্ঠিত হ'ল, আৰু তেওঁ সূৰ্য আৰু চন্দ্ৰক (তেওঁৰেই প্ৰৱৰ্তিত নিয়মৰ) অনুগত কৰিলে। প্ৰত্যেকে আৱৰ্তন কৰিছে একোটি নিৰ্দিষ্ট কক্ষপথত। তেৱেঁই (প্ৰত্যেকটি) বিষয় নিয়ন্ত্ৰণ কৰে, তেৱেঁই বিশদভাৱে বৰ্ণনা কৰে নিৰ্দেশাৱলী, যেন তোমালোকে তোমালোকৰ প্ৰভুৰ সৈতে সাক্ষাৎকাৰৰ বিষয়ে নিশ্চিত বিশ্বাস কৰিব পাৰা।

**৩** আৰু তেৱেঁই সেইজন যিজনে পৃথিৱীক বিস্তৃত কৰিছে আৰু তাতে স্থাপন কৰিছে পৰ্বতমালা আৰু নদনদী। আৰু প্ৰত্যেক ফলৰ (তথা গছ-বন আদিৰ) ক্ষেত্ৰত তাৰ মাজত তেওঁ সৃষ্টি কৰিছে (বংশবৃদ্ধিৰ তথা ফল উৎপাদনৰ কাৰণে স্ত্ৰী-পুৰুষৰূপে) জোৰা-জোৰাকৈ দুটি দুটি। তেৱেঁই ৰাতিৰে দিনক আবৃত কৰে। নিসন্দেহে ইয়াত সাক্ষাৎ নিদৰ্শন ৰৈছে (সৃষ্টি-ৰহস্য সম্বন্ধে) চিন্তা কৰি থকা লোকসকলৰ কাৰণে।

**৪** আৰু পৃথিৱীত আছে ওচৰা-ওচৰি পথাৰ, আৰু আঙুৰৰ বাগানবিলাক আৰু শস্যক্ষেত্ৰ আৰু খাজুৰৰ গছ— ভিৰ কৰি আৰু ভিৰ নকৰি— এইবিলাকক সিচা হয় একেই পানীৰে। আৰু সিবিলাকৰ কোনোবিধক কোনো বিধৰ ওপৰত প্ৰাধান্য দিয়া হৈছে আস্বাদনৰ ক্ষেত্ৰত। নিশ্চয় ইয়াত (আল্লাহৰ) বিশিষ্ট নিদৰ্শন ৰৈছে (তেওঁৰ মাহাত্ম্য বুজাৰ কাৰণে) বুদ্ধি-বিবেচনা প্ৰয়োগ কৰোঁতা লোকসকলৰ বাবে।

**৫** আৰু যদি তুমি (কোনো বিষয়ত) আচৰিত হোৱা তেন্তে আশ্চৰ্যৰ বিষয় হৈছে সিহঁতৰ কথা— "কি! আমি যেতিয়া (মৰাৰ পাছত) ধূলি হৈ যাম তেতিয়া আমি সঁচাকৈয়ে নতুন জীৱন লাভ কৰিম নে?" এইবিলাকেই সেইবিলাক যিবিলাকে সিহঁতৰ প্ৰভুৰ প্ৰতি অবিশ্বাস পোষণ কৰে, আৰু ইহঁতৰেই— ইহঁতৰ ডিঙিত থাকিব শিকলি; আৰু ইহঁতেই হ'ব (দুখৰ) জুইৰ বাসিন্দা, তাতেই সিহঁতে অৱস্থান কৰিব।

**৬** আৰু (অবিবেচকৰ) ইহঁতেই তোমাক ভালৰ আগেই বেয়াক (লৈ আহিবলৈ) ততাতৈয়া কৰে, যদিও ইতিপূৰ্বে ইহঁতৰ আগতে বহু দৃষ্টান্ত গত হৈ গৈছে। আৰু নিশ্চয় তোমাৰ প্ৰভু (অনুতপ্ত) লোকসকলৰ কাৰণে সিহঁতৰ অন্যায় আচৰণ সত্বেও ক্ষমাৰ অধিকাৰী, আৰু নিসন্দেহে তোমাৰ প্ৰভু প্ৰতিফল দানত অতি কঠোৰ।

**৭** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে কয়— "কিয় তেওঁৰ ওচৰত তেওঁৰ প্ৰভুৰ পৰা কোনো নিদৰ্শন প্ৰেৰিত হোৱা নাই?" (ইয়াৰ কাৰণ এয়ে যে) তুমিতো এজন সতৰ্ককাৰীহে মাথোন, আৰু (পৃথিৱীৰ) সকলো জাতিৰ কাৰণে (তুমি হৈছা) এজন প্ৰথপ্ৰদৰ্শক।

## পৰিচ্ছেদ - ২

**৮** আল্লাহে জানে প্ৰত্যেক নাৰীয়ে যি গৰ্ভত ধাৰণ কৰে, আৰু যি জৰায়ুৱে শোষি নিয়ে (যাৰ ফলত ভ্ৰূণ নষ্ট হৈ যায়), আৰু যি বৰ্ধিত কৰে (যাৰ ফলত যথাসময়ত সুষ্ঠ সন্তান ভূমিষ্ঠ হয়)। আৰু তেওঁৰ ওচৰত প্ৰত্যেক বস্তুৰেই এক নিৰ্দিষ্ট পৰিণাম ৰৈছে (যি সীমা লঙ্ঘন কৰিলে সিহঁতৰ ধ্বংস অনিবাৰ্য)।

**৯** তেওঁ অদৃশ্য আৰু দৃশ্য বিষয়ৰ জ্ঞাতা— মহামহিম, চিৰ উন্নত।

**১০** তোমালোকৰ মাজৰ যিয়েই কথা লুকাই আৰু যি সেইটো খুলি কয় সেই সকলোৱেই (তেওঁৰ জ্ঞানগোচৰত) একেসমান, আৰু যি ৰাতিৰ ভাগত আত্মগোপন কৰে (অতৰ্কিতে আক্ৰমণ কৰিবলৈ) আৰু দিনৰ ভাগত (কুঅভিপ্ৰায়েৰে) বিচৰণ কৰে (সিহঁতৰ সকলোকে তেওঁ ভালকৈ জানে)।

**১১** তেওঁৰ কাৰণে প্ৰহৰী ৰৈছে তেওঁৰ সন্মুখভাগত আৰু তেওঁৰ পাচফালে, এইসকলে তেওঁক ৰক্ষণাবেক্ষণ কৰে আল্লাহৰ আদেশক্ৰমে। আল্লাহে অৱশ্যে কোনো জাতিৰ অৱস্থাৰ পৰিবৰ্তন নকৰে যতক্ষণনেকি সিহঁতে নিজেই সেইটো পৰিবৰ্তন কৰে। আৰু যেতিয়া আল্লাহে কোনো জাতিৰ কাৰণে (সিহঁতৰ দুষ্কৃতিৰ পৰিণতি স্বৰূপ) অকল্যাণ ইচ্ছা কৰে তেতিয়া তাক ৰদ কৰাৰ উপায় নাই, আৰু সিহঁতৰ কাৰণে তেওঁৰ বাহিৰে কোনো অভিভাৱকো নাই।

**১২** তেৱেঁই সেইজন যিজনে তোমালোকক বিদ্যুৎ দেখুওৱায় (বজ্ৰপাতৰ) ভয় উদ্দীপদ আৰু (বৃষ্টিপাতৰ) আশা সঞ্চাৰক; আৰু তেওঁ লৈ আহে (প্ৰাণসঞ্চাৰক) গধুৰ মেঘমালা।

**১৩** আৰু ব্ৰজনাদে (তাৰ ভয়ঙ্কৰ ৰূপ সত্ত্বেও তেওঁৰ) মহিমা ঘোষণা কৰে তেওঁৰ প্ৰশংসাৰ সৈতে; আৰু ফিৰিশ্বতাসকলেও (তেনেকুৱা মহিমা ঘোষণা কৰে) তেওঁৰ ভয়ত; আৰু তেওঁ বজ্ৰপাত ঘটায়, আৰু সেইটোৰেদি আঘাত কৰে যাকে তেওঁ (শাস্তি দিবলৈ) ইচ্ছা কৰে; তথাপিও সিহঁতে আল্লাহৰ বিষয়ে তৰ্কাতৰ্কি কৰে, যদিও (সিহঁতে দেখিছে যে) তেওঁ ক্ষমতাত কঠোৰ।

**১৪** সত্য-সত্যে প্ৰাৰ্থনা তেওঁৰ কাৰণেহে। আৰু তেওঁক বাদ দি সিহঁতে (দেৱ-দেৱী, পীৰ-ফকিৰ প্ৰভৃতি) যিবিলাকৰ ওচৰত প্ৰাৰ্থনা জনায় সিবিলাকে সিহঁতৰ প্ৰতি কোনো প্ৰকাৰেই সঁহাৰি নিদিয়ে (কিয়নো সিহঁতৰ নিজৰ ডুবিব ধৰা নাৱক লৈয়েই কুলহাৰা হৈ পৰিছে), তেন্তে (সিহঁতৰ অৱস্থা তাৰ নিচিনাই) যেন সি দুইহাত পানীৰ ফালে আগবঢ়াই দিছে যাতে সিটো তাৰ মুখত আহি পৰে,— কিন্তু সেইটো তালৈ নাপায়হি (অনুৰূপভাৱে আল্লাহক পোৱাৰ আশাত যিবিলাকে পীৰ-মুৰচিদক মধ্যস্থ ভাবে সিহঁতৰ ভাগত আল্লাহৰ নৈকট্যলাভ নঘটিব)। বস্তুতঃ অবিশ্বাসীহঁতৰ প্ৰাৰ্থনা ভ্ৰান্তিতে পৰাৰ বাহিৰে একোকে নহয়।

**১৫** আৰু আল্লাহকেই **ছিজ্‌দা কৰে** (জীৱজন্তু) যিবিলাক আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত, স্বেচ্ছাৰেই হওক বা অনিচ্ছাৰেই, আৰু সিহঁতৰ ছাঁবিলাকেও (ছিজ্‌দা কৰে) পুৱা আৰু সন্ধ্যা (এতেকে এই আয়াত পঢ়াৰ লগে লগে ঠিক ঠিকেই ছিজ্‌দা কৰা কৰ্তব্য)।

**১৬** তুমি কোৱাঁ— "মহাকাশমণ্ডল আৰু পৃথিৱীৰ প্ৰভু কোন?" (সমুদায় বিশ্বচৰাচৰৰ লগত সঁহাৰি দি) তুমি কোৱাঁ— "আল্লাহ।" (অবিশ্বাসীবিলাকক) কোৱাঁ— "তেন্তে তোমালোকে তেওঁক এৰি দি অভিভাৱকৰূপে গ্ৰহণ কৰানে সেইবিলাকক যিবিলাকে নিজৰেই কাৰণে কোনো লাভ আহৰণ কৰাত সমৰ্থ নহয় আৰু ক্ষতিসাধনতো নহয়?" (পুনৰায়) কোৱাঁ— "অন্ধ আৰু চক্ষুষ্মান্ একে সমাননে, অথবা (অজ্ঞানতাৰ) অন্ধকাৰ আৰু (জ্ঞানৰ) আলোক সমতুল্য হয়নে? অথবা সিহঁতে আল্লাহৰ এনেকুৱা অংশী থিয় কৰাইছেনে যিবিলাকে তেওঁৰ সৃষ্টিৰ নিচিনা (সামান্য কীটপতঙ্গও) সৃষ্টি কৰিছে, যাৰ ফলত (সিহঁতৰ হাতেৰে তৈয়াৰী বিষয়বস্তু আৰু আল্লাহৰ তৈয়াৰী বিশ্বজগত— এই উভয় প্ৰকাৰৰ) সৃষ্টি সিহঁতৰ ওচৰত (আল্লাহ সম্বন্ধে) সন্দেহ ঘটাইছে?" কোৱাঁ— "আল্লাহেই সকলো বস্তুৰ সৃষ্টিকৰ্তা, আৰু তেওঁ একক, সৰ্বাধিনায়ক।"

**১৭** (এই উপমাসমূহ বিবেচনা কৰি চোৱা—) তেওঁ আকাশৰ পৰা পানী বৰ্ষণ কৰে, তাৰপাচত জলধাৰা প্ৰবাহিত হয় সিবিলাকৰ পৰিমাপ অনুযায়ী, তেতিয়া খৰস্ৰোতে বৈ লৈ যায় ওপঙি উঠা ফেন-ফোতকাৰ। আৰু যি (ধাতুকে) সিহঁতে জুইত গলায় গহনা-গাঁঠৰি বা যন্ত্ৰপাতি নিৰ্মাণৰ উদ্দেশ্যে তাৰ পৰাও উঠে ইয়াৰ নিচিনা ফেন-ফোতকাৰ। এনেকুৱা (উপমা প্ৰয়োগেৰে) আল্লাহে সত্য আৰু মিথ্যাৰ দৃষ্টান্ত দি থাকে। এতেকে যিবিলাক হ'ল মলি— সেইবিলাক পেলনি যায় জঞ্জালৰূপে, আৰু যি মানুহৰ উপকাৰত আহে সিবিলাক কিন্তু থাকি যায় পৃথিৱীতে। এই দৰেই আল্লাহে উপমা দি থাকে (যাতে মানুহে সহজেই সত্য-অসত্যৰ পাৰ্থক্য বুজিব পাৰে, আৰু সত্যৰ জয় আৰু অসত্যৰ ক্ষয় প্ৰাকৃতিক নিয়ম অনুযায়ী অৱশ্যই সংঘটিত হ'ব)।

**১৮** যিসকলে নিজৰ প্ৰভুৰ প্ৰতি সঁহাৰি দিয়ে তেওঁলোকৰ কাৰণে ৰৈছে কল্যাণ; আৰু যিবিলাকে তেওঁৰ প্ৰতি সঁহাৰি নিদিয়ে— সিহঁতৰ যদি থাকিলহেঁতেন পৃথিৱীত যিকিবা আছে সকলোৱেই আৰু তাৰ লগতে তাৰ সমপৰিমাণ (ধনসম্পদ), তেন্তে সিহঁতে নিশ্চয় সেইখিনি মুক্তিপণ হিচাপে দিলেহেঁতেন। এইবিলাকেই— ইহঁতৰ বাবে (হিচাপ-নিকাচ) হ'ব মন্দ হিচাপ, আৰু সিহঁতৰ আবাস হ'ব জাহান্নাম; আৰু সেইটো বৰ নিকৃষ্ট বাসস্থান।

## পৰিচ্ছেদ - ৩

**১৯** কি! যিজনে জানে যে তোমাৰ প্ৰভুৰ পৰা তোমাৰ ওচৰত যি অৱতীৰ্ণ হৈছে সেইটো সত্য (আৰু যিজন জ্ঞানালোক প্ৰাপ্ত), সেইজন তাৰ নিচিনানে যিজন অন্ধ? নিসন্দেহে (আল্লাহৰ বাৰ্তা) স্মৰণ কৰিব কেৱল বোধশক্তি থকাসকলেহে,—

**২০** যিসকলে আল্লাহৰ (সন্মুখত কৰা) অংগীকাৰ ৰক্ষা কৰে আৰু প্ৰতিজ্ঞাভঙ্গ নকৰে,

**২১** আৰু যিসকলে সংযুক্ত ৰাখে (আত্মীয়স্বজন আৰু জীৱজন্তুৰ সৈতে প্ৰেম-প্ৰীতি তথা আদৰ-যত্নৰ মধুৰ সম্পৰ্ক) যিটো সংৰক্ষিত ৰাখিবলৈ আল্লাহে আদেশ কৰিছে, আৰু যিসকলে তেওঁলোকৰ প্ৰভুক ভয় কৰে (পাছত তেওঁৰ উপাসনা কৰাত আৰু দায়-দায়িত্ব পালনত কোনো ভুল-ত্ৰুটি হৈ যায়), আৰু যিসকলে ভয় কৰে মন্দ হিচাপ সম্বন্ধে।

**২২** আৰু যিসকলে তেওঁলোকৰ প্ৰভুৰ সন্তুষ্টি লাভৰ অন্বেষণত অধ্যৱসায় অৱলম্বন কৰে, আৰু নামায কায়েম ৰাখে, আৰু আমি তেওঁলোকক যি জীৱনোপকৰণ দিছো তাৰ পৰা যিসকলে গোপনে আৰু প্ৰকাশ্যে ব্যয় কৰে, আৰু ভালেৰে বেয়াক দুৰীভূত কৰে, এওঁলোকেই— এওঁলোকৰ কাৰণেই (নিৰ্ধাৰিত) ৰৈছে চৰম উৎকৰ্ষ আবাস,—

**২৩** নন্দন কানন, তাত তেওঁলোকে প্ৰৱেশ কৰিব, আৰু (প্ৰৱেশ কৰিব) তেওঁলোকৰ পিতা-মাতাসকলৰ আৰু তেওঁলোকৰ পতি-পত্নীসকলৰ আৰু তেওঁলোকৰ সন্তান-সন্ততিসকলৰ মাজৰ যিসকলে সৎকৰ্ম কৰিছে; আৰু ফিৰিশ্বতাসকল তেওঁলোকৰ সন্মুখত প্ৰৱেশ কৰিব প্ৰত্যেক দুৱাৰেদি;—

**২৪** (আগন্তুক সকলক তেওঁলোকৰ অভিনন্দন হ'ব—) "শান্তি বৰ্ষিত হওক তোমালোকৰ ওপৰত কিয়নো তোমালোকে অধ্যৱসায় অৱলম্বন কৰিছিলা; গতিকে কিমান যে ভাল এই চৰমোৎকৰ্ষ আবাস!"

**২৫** আৰু যিবিলাকে আল্লাহৰ সৈতে অংগীকাৰ ভঙ্গ কৰে সেইটোৰ সুদৃঢ়কৰণৰ পাছত, আৰু ছিঙি পেলায় (পৰস্পৰৰ প্ৰতি প্ৰীতিৰ সম্বন্ধ) যি সংৰক্ষিত ৰাখিবলৈ আল্লাহে আদেশ কৰিছে, আৰু পৃথিৱীত অশান্তি সৃষ্টি কৰে, ইহঁতেই— ইহঁতৰ কাৰণে ৰৈছে অভিশাপ, আৰু ইহঁতৰেই কাৰণে ৰৈছে (নৰককুণ্ডৰ) নিকৃষ্ট আবাস।

**২৬** আল্লাহে (মানুহৰ সৰ্বাঙ্গীণ পৰিপুষ্টিৰ কাৰণে) জীৱিকা বঢ়াই দিয়ে যাকে তেওঁ (যোগ্য হিচাপে) ইচ্ছা কৰে, আৰু (অযোগ্যবিলাকৰ কাৰণে) তেওঁ মাপজোখ কৰে। আৰু সিহঁত পাৰ্থিৱ জীৱনত (আমোদ কৰাতেই) উল্লসিত। অথচ ইহকালৰ জীৱনটোতো পৰকালৰ তুলনাত যৎসামান্য সুখভোগ নহয় জানো!

## পৰিচ্ছেদ - ৪

**২৭** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে ক'লে— "তেওঁৰ প্ৰতি তেওঁৰ প্ৰভুৰ পৰা এটি নিদৰ্শন কিয় অৱতীৰ্ণ নহয় (তেওঁৰ সত্যতা প্ৰমাণ কৰিবলৈ)?" তুমি কোৱাঁ— "নিসন্দেহে আল্লাহে ভ্ৰান্তপথলৈ যাব দিয়ে যাকে তেওঁ ইচ্ছা কৰে, আৰু তেওঁৰ ফাললৈ পৰিচালিত কৰে যি (তেওঁৰ পিনে) নিবিষ্ট হয়;—

**২৮** "যিসকলে (ইছলাম ধৰ্মত) আস্থা স্থাপন কৰিছে আৰু আল্লাহৰ গুণকীৰ্তনত যিসকলৰ হৃদয় প্ৰশান্ত হয় (তেওঁলোকেই সৎপথপ্ৰাপ্ত)।" এইটো (সত্য) নহয়নে যে আল্লাহৰ গুণগানতেই (বিশ্বাসীসকলে) হৃদয়ৰ প্ৰশান্তি লাভ কৰে?

**২৯** যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰিছে তেওঁলোকৰ কাৰণেই পৰম সুখ আৰু (স্বৰ্গীয়) শুভ পৰিণাম।

**৩০** এইদৰে (পূৰ্ণমাত্ৰাই শিক্ষা প্ৰদান কৰি) তোমাক আমি পঠিয়াইছো এটি জাতিৰ মাজত যাৰ আগেয়ে বহু জাতি (আৰু সিহঁতৰ ৰছুল) গত হৈ গৈছে, যেন তুমি (পূৰ্বৱৰ্তী নবী-ৰছুলৰ নিচিনা) এইবিলাকৰ ওচৰত পাঠ কৰিব পাৰা যি আমি তোমাৰ প্ৰতি প্ৰত্যাদেশ কৰিছো, তথাপি সিহঁতে অবিশ্বাস কৰে পৰম কৰুণাময়ৰ প্ৰতি! তুমি কোৱাঁ—"তেৱেঁই মোৰ প্ৰভু, তেওঁৰ বাহিৰে আন উপাস্য নাই, তেওঁৰেই ওপৰত মই নিৰ্ভৰ কৰো আৰু তেওঁৰ ওচৰলৈকে মোৰ প্ৰত্যাৱৰ্তন।"

**৩১** আৰু যদি এনেকুৱা এখন (যান্ত্ৰিক বা পদাৰ্থগত শক্তিসম্পন্ন) কুৰআন থাকিলেহেঁতেন যাৰ দ্বাৰা পাহাৰবিলাক হটাই দিয়া গ'লহেঁতেন অথবা তাৰ দ্বাৰা পৃথিৱীক ছিন্ন-ভিন্ন কৰা গ'লহেঁতেন নাইবা মৃতকক ইয়াৰ দ্বাৰা কথা কোৱাৰ পাৰা গ'লহেঁতেন (তথাপি সিহঁতে ইয়াত বিশ্বাস নকৰে)। বস্তুতঃ হুকুম পূৰাপুৰি আল্লাহৰ। যিসকলে বিশ্বাস কৰিছে তেওঁলোকে নাজানেনে যে যদি আল্লাহে তেনেকুৱা ইচ্ছা কৰিলেহেঁতেন তেন্তে সকলো মানুহকে একেলগে সৎপথত পৰিচালিত কৰিলেহেঁতেন? আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে যি (দুষ্কৰ্ম) কৰে তাৰ কাৰণে সিহঁতৰ ওপৰত বিপৰ্যয়ে আঘাত হানাত ক্ষান্ত নহ'ব, নাইবা এইটো সিহঁতৰ ঘৰবাৰীৰ সমীপতে আপতিত হৈ থাকিব যেতিয়ালৈকে নেকি (সিহঁতৰ চূড়ান্ত পৰাজয় সম্পৰ্কে) আল্লাহৰ ওৱাদা সমাগত হয়। আল্লাহে অৱশ্যে (তেওঁৰ) ওৱাদা খেলাপ নকৰে।

## পৰিচ্ছেদ - ৫

**৩২** আৰু নিশ্চয় তোমাৰ পূৰ্বে ৰছুলসকলক ঠাট্টা-বিদ্ৰূপ কৰা হৈছিল; গতিকে যিবিলাকে অবিশ্বাস কৰিছিল সিহঁতক মই অৱকাশ দিছিলো (যেন ইতিমধ্যে সিহঁতে ৰছুলসকলৰ অনুগামী হয়), তাৰপাছত আমি সিহঁতক ধৰিলো; ফলততে কেনেকুৱা (ভয়াবহ) আছিল আমাৰ প্ৰতিফলদান!

**৩৩** তেন্তে হ'ব পাৰেনে— প্ৰত্যেক সত্তাই যি অৰ্জন কৰিছে তাত যিজন (—আল্লাহ) অধিষ্ঠিত ৰৈছে (তেওঁ সিহঁতৰ দেৱ-দেৱীৰ নিচিনা কণা কলা আৰু বোবা হয়নে)? তথাপি সিহঁতে আল্লাহৰ সৈতে অংশী থিয় কৰায়! (হে মুহাম্মদ-ছাঃ) তুমি কোৱাঁ— "ইহঁতৰ নাম (অৰ্থাৎ পৰিচয়) কোৱাচোন (কিন্তু ইহঁতৰ নামেৰেও সাৰ্থকতা নাই)।" তেন্তে তোমালোকে তেওঁক জনাব বিচাৰানে পৃথিৱীৰ এনে কিবা (অস্তিত্বহীন) বিষয় যি তেওঁ নাজানে? নে এইটো বাহ্যতঃ এটি (নিৰৰ্থক) কথা মাত্ৰ? নহয়, ইহঁতৰ ছল-চাতুৰী চিত্তাকৰ্ষক যেন লাগে সিহঁতৰ ওচৰত যিবিলাকে অবিশ্বাস পোষণ কৰে, আৰু (সেইভাবেই) সিহঁতক ফিৰাই অনা হয় সৎপথৰ পৰা। আৰু (গোঁৰাঁৰামিৰ বাবে) যাকে আল্লাহে পথভ্ৰষ্ট হ'বলৈ দিয়ে তাৰ কাৰণে তেন্তে কোনো পথপ্ৰদৰ্শক নাই।

**৩৪** সিহঁতৰ কাৰণে শাস্তি (ধাৰ্য) ৰৈছে এই দুনিয়াৰ জীৱনতেই, আৰু পৰকালৰ শাস্তিতো আৰু কঠোৰ; আৰু সিহঁতৰ কাৰণে আল্লাহৰ (শাস্তিদানৰ) বিৰুদ্ধে কোনো ৰক্ষাকাৰী নাই।

**৩৫** ধৰ্মভীৰুসকলৰ ওচৰত যিটো প্ৰতিশ্ৰুতি দিয়া হৈছে সেই স্বৰ্গোদ্যানৰ উপমা হৈছে ঃ তাৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তাৰ ফলফচল চিৰস্থায়ী আৰু তাৰ ছায়াও (তেনেকুৱাই চিৰস্থায়ী)। এয়ে সেইসকলৰ প্ৰতিদান যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে, আৰু অবিশ্বাসীবিলাকৰ প্ৰতিফল হৈছে (নৰকৰ) জুই।

**৩৬** আৰু যিসকলক আমি (ইতিপূৰ্বে) ধৰ্মগ্ৰন্থ দিছো (অৰ্থাৎ ইহুদী ধৰ্মাৱলম্বীৰ পৰা যিসকলে ইছলামধৰ্ম গ্ৰহণ কৰিছে) সেইসকলে আনন্দবোধ কৰে যি তোমাৰ ওচৰত অৱতীৰ্ণ হৈছে তাত (কিয়নো পূৰ্বৱৰ্তী গ্ৰন্থৰ বাণীসমূহ কুৰআনত পূৰ্ণতা প্ৰাপ্ত হৈছে), আৰু (বিভিন্ন) গোত্ৰবিলাকৰ মাজত এনেকুৱাও

আছে যি ইয়াৰ কিছু অংশ অস্বীকাৰ কৰে। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– "নিসন্দেহে মই আদিষ্ট হৈছো যে মই আল্লাহৰেই উপসনা কৰিম আৰু তেওঁৰ সৈতে কোনো অংশী থিয় নকৰাম। তেওঁৰেই প্ৰতি মই (সকলোকে) আহ্বান কৰিম আৰু তেওঁৰেই পিনে মোৰ প্ৰত্যাৱৰ্তন।"

**৩৭** আৰু এইদৰেই আমি এইটো অৱতাৰণ কৰিছো– এটি হুকুম, (তোমাৰ মাতৃভাষা) আৰবীত (যাতে আৰববাসীৰ দ্বাৰা ইয়াৰ বাণী দেশ-বিদেশত প্ৰচাৰ হয়)। আৰু তুমি যদি সিহঁতৰ খেয়াল-খুচিৰ অনুসৰণ কৰা তোমাৰ ওচৰলৈ জ্ঞানৰ যি আহিছে তাৰ পাচতো, তেন্তে আল্লাহৰ (শাস্তিদানৰ) বিৰুদ্ধে তুমি নাপাবা কোনো বন্ধু-বান্ধৱ, আৰু নাই কোনো ৰক্ষক।

## পৰিচ্ছেদ – ৬

**৩৮** আৰু অৱশ্যেই তোমাৰ আগতেও আমি ৰছুলসকলক পঠিয়াইছো (পৃথিৱীৰ বিভিন্ন সম্প্ৰদায়লৈ), আৰু তেওঁলোকৰ কাৰণে আমি দিছিলো স্ত্ৰীসকল আৰু সন্তান-সন্ততি (যাতে আদৰ্শ সংসাৰ-ধৰ্ম পালন কৰি তেওঁলোক জনগণৰ পথিকৃত হ'ব পাৰে), আৰু কোনো ৰছুলৰ পক্ষে এইটো নহয় যে তেওঁ কোনো নিদৰ্শন (বা দৈৱঘটনা) লৈ আহিব আল্লাহৰ অনুমতি ব্যতিৰেকে। প্ৰত্যেক (দৈৱঘটনা ঘটাৰ) নিৰ্ধাৰিত সময়ৰ কাৰণে (আল্লাহৰ) বিধান ৰৈছে।

**৩৯** আল্লাহে বিলুপ্ত কৰে যি তেওঁ ইচ্ছা কৰে, আৰু প্ৰতিষ্ঠিতও কৰে (যি ভাল পায়); আৰু তেওঁৰেই ওচৰত ৰৈছে ধৰ্মগ্ৰন্থৰ ভিত্তি (গতিকে তেওঁৰ বাণী পৃথিৱীত অৱশ্যেই প্ৰতিষ্ঠিত হ'ব)।

**৪০** আৰু তোমাক যদি (তোমাৰ জীৱদ্দশাত) আমি দেখাওঁ সিহঁতক যি (শাস্তি) ওৱাদা কৰিছো তাৰ কিছু অংশ অথবা (তাৰ আগতেই) তোমাৰ মৃত্যু ঘটাই দিওঁ (তাতে সিহঁতৰ শাস্তি সম্বন্ধে সন্দেহৰ একো নাই),– সৰ্বাৱস্থায় তোমাৰ ওপৰত (দায়িত্ব) হৈছে (আল্লাহৰ বাণী মানুহৰ ওচৰত) পৌছাই দিয়া, আৰু আমাৰ ওপৰত হৈছে হিচাপ গ্ৰহণ (গতিকে ধৰ্মৰ কাৰণে কোনেও কাৰোৰ উপৰত জবৰদস্তি চলাব নোৱাৰিব)।

**৪১** ইহঁতে নেদেখেনে যে আমি এই দেশখনত (ইছলামী বা-বতাহ) লৈ আহিছো (আৰু অবিশ্বাসীবিলাকৰ প্ৰভাবৰ পৰা) ইয়াক সংকুচিত কৰিছো তাৰ চৌহদৰ পৰা? আল্লাহে (সঁচা-মিছাৰ পৰিণতি সম্পৰ্কে) ৰায় দান কৰে, তেওঁৰ হুকুম প্ৰতিহত হোৱাৰ নহয়। আৰু তেওঁ হিচাপ-নিকাচত খৰতকীয়া।

**৪২** আৰু সিহঁতৰ পূৰ্বৱৰ্তী কালত যিবিলাক আছিল সিহঁতেও নিশ্চয় (ৰছুলসকলৰ বিৰুদ্ধে) চক্ৰান্ত কৰিছিল, কিন্তু সমস্ত পৰিকল্পনাই আল্লাহৰ (অধীন)। তেওঁ জানে প্ৰত্যেক সত্বাই কি অৰ্জন কৰে। আৰু অবিশ্বাসীবিলাকে অচিৰেই জানিব পাৰিব কাৰ নিমিত্তে ৰৈছে (বেহশ্বতৰ) চৰম উৎকৰ্ষ আবাস।

**৪৩** আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে কয়– "তুমি (আল্লাহৰ) ৰছুল নোহোৱা।" (হে মুহাম্মদ-ছাঃ!) তুমি কোৱাঁ– "মোৰ আৰু তোমালোকৰ মাজত সাক্ষীৰূপে আল্লাহেই যথেষ্ট, আৰু (তেনেকুৱা নিৰ্ভৰযোগ্য সাক্ষী হৈছে) তেওঁ যাৰ ওচৰত ৰৈছে (পূৰ্বৱৰ্তী) ধৰ্মগ্ৰন্থৰ জ্ঞান।"

* * * * * * * * * * * *

ছূৰা - ১৪

# ইব্ৰাহীম

*(ইবৰাহীম : ৩৫)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

## পৰিচ্ছেদ - ১

**১** আলিফ লাম ৰা (—মই আল্লাহ, সৰ্বদ্ৰষ্টা)। (এইখন) এখন গ্ৰন্থ, আমি তোমাৰ ওচৰত ইয়াক অৱতাৰণ কৰিছো যাতে তুমি মানৱজাতিক তেওঁলোকৰ প্ৰভুৰ অনুমতিক্ৰমে (অজ্ঞানতাৰ) অন্ধকাৰৰ পৰা (জ্ঞানৰ) আলোকলৈ উলিয়াই আনিব পাৰা,– মহাশক্তিশালী, পৰম প্ৰশংসনীয়ৰ পথত,–

**২** (সেই পথৰ মালিক হৈছে) সেই আল্লাহ,– মহাকাশমণ্ডলত যিকিবা আছে আৰু যিকিবা আছে পৃথিৱীত সেই সকলোবিলাকেই তেওঁৰ। আৰু কি দুৰ্ভোগ অবিশ্বাসীহঁতৰ ক্ষেত্ৰত কঠিন শাস্তিৰ কাৰণে!

**৩** যিবিলাকে (আচল বস্তু এৰি নকলত মজি গৈ) এই দুনিয়াৰ জীৱনটোকেই পৰকালতকৈ বেচি ভাল পায়, আৰু (মানুহক) আল্লাহৰ পথৰ পৰা নিবৃত্ত কৰে, আৰু ইয়াক (অৰ্থাৎ আল্লাহৰ পথকে) কুটিল কৰিবলৈ বিচাৰে। ইহঁতেই ৰৈছে সুদূৰ-প্ৰসাৰিত ভ্ৰান্তিত।

**৪** আৰু আমি এনে কোনো ৰছুলক পঠোৱা নাই (যিজনে কথা কৈছে) স্বজাতিৰ ভাষা ব্যতিৰেকে যাতে সিহঁতৰ কাৰণে (তেওঁৰ বক্তব্য) তেওঁ সুস্পষ্ট কৰিব পাৰে। তাৰ পাছত আল্লাহে পথভ্ৰষ্ট হ'বলৈ দিয়ে যাকে তেওঁ ইচ্ছা কৰে আৰু যাকে ইচ্ছা কৰে সৎপথত পৰিচালিত কৰে। আৰু তেৱেঁইতো মহাশক্তিশালী, পৰম জ্ঞানী।

**৫** আৰু আমি নিশ্চয় মূছা (আঃ)-ক আমাৰ নিৰ্দেশাৱলী দি পঠিয়াইছিলো এই বুলি– "তোমাৰ সম্প্ৰদায়ক (দাসত্বৰ) অন্ধকাৰৰ পৰা আলোকলৈ উলিয়াই আনা, আৰু সিহঁতক স্মৰণ কৰাই দিয়া আল্লাহৰ দিনবিলাকৰ কথা (যি দিনবিলাকত ভ্ৰষ্টাচাৰীবোৰক ধ্বংস কৰি আল্লাহে প্ৰতিষ্ঠিত কৰিছিল সৎপথযাত্ৰীসকলক)।" নিসন্দেহে ইয়াত নিদৰ্শন ৰৈছে প্ৰত্যেক অধ্যৱসায়ী কৃতজ্ঞসকলৰ কাৰণে।

**৬** আৰু স্মৰণ কৰা! মূছাই তেওঁৰ সম্প্ৰদায়ক ক'লে– "তোমালোকৰ প্ৰতি আল্লাহৰ অনুগ্ৰহ স্মৰণ কৰা যেতিয়া তেওঁ তোমালোকক (সমুদ্ৰ পাৰ কৰি আনি) উদ্ধাৰ কৰিছিলে ফিৰআউনৰ লোকসকলৰ কৱলৰ পৰা যিবিলাকে তোমালোকক পীড়ন কৰিছিল কঠোৰ নিপীড়নেৰে, আৰু হত্যা কৰিছিল তোমালোকৰ পুত্ৰসন্তানবিলাকক আৰু বাচিবলৈ দিছিল তোমালোকৰ নাৰীবিলাকক। আৰু তোমালোকৰ কাৰণে ইয়াতে তোমালোকৰ প্ৰভুৰ পৰা আছিল এক কঠোৰ সংকট।

## পৰিচ্ছেদ - ২

**৭** আৰু স্মৰণ কৰা! তোমালোকৰ প্ৰভুৱে (ইছৰাইলীবিলাকৰ প্ৰতি) ঘোষণা কৰিলে– "তোমালোকে যদি কৃতজ্ঞতা প্ৰকাশ কৰা তেনেহলে মই অৱশ্যেই (মোৰ অনুগ্ৰহ) তোমালোকক বঢ়াই দিম, কিন্তু তোমালোকে যদি অকৃতজ্ঞতা দেখুৱা তেনেহলে (জানি ৰাখা) মোৰ শাস্তি নিশ্চয় সুকঠোৰ।

**৮** আৰু মূছা (আঃ)-এ কৈছিল– "তোমালোকে যদি অকৃতজ্ঞতা দেখুওৱা,– তোমালোকে আৰু পৃথিৱীত যিসকল আছে সকলোৱে তেনেহলেও দৰাচলতে আল্লাহ অৱশ্যেই অশেষ ধনবান, বিশেষ প্ৰশংসনীয়।"

**৯** তোমালোকৰ আগতে যিসকল তোমালোকৰ ওচৰত আছিল সেইবিলাকৰ ইতিহাস আহা নাইনে– (যেনে) নূহ আৰু 'আদ আৰু চামূদ (আঃ)-ৰ সম্প্ৰদায়ৰ আৰু যিবিলাক এওঁলোকৰ পাছত আছিল (সিবিলাকৰো ইতিবৃত্ত)? আল্লাহৰ বাহিৰে অন্য কোনোবাই সিহঁতক নাজানে। সিবিলাকৰ ৰছুলসকল সিহঁতৰ ওচৰলৈ আহিছিলে স্পষ্ট প্ৰমাণাৱলী লৈ, কিন্তু সেইবিলাকে সিহঁতৰ হাত দিছিল তেওঁলোকৰ মুখতে (যেন তেওঁলোকে মুখ খুলিব নোৱাৰে), আৰু সিহঁতে কৈছিল– "আমি অৱশ্যেই অবিশ্বাস কৰো যি দি তোমালোকক পঠোৱা হৈছে, আৰু আমিতো নিশ্চয় সন্দেহৰ মাজত ৰৈছো যাৰ ফাললৈ তোমালোকে আমাক মাতিছা সেইসম্বন্ধে, (যুগপৎ) কিংকৰ্তব্যবিমূঢ়।"

**১০** সিহঁতৰ ৰছুলসকলে কৈছিল– “আল্লাহ সম্বন্ধে কোনো সন্দেহ আছেনে (যিজন) মহাকাশমণ্ডল আৰু পৃথিৱীৰ আদি-স্রষ্টা? তেওঁ তোমালোকক আহ্বান কৰিছে তোমালোকৰ দোষ-ত্রুটিৰ পৰা তোমালোকক পৰিত্ৰাণ কৰিবলৈ, আৰু এক নিৰ্দিষ্ট কাললৈকে তোমালোকক অব্যাহতি দিবলৈ (যেন ইতিমধ্যে তোমালোক সৎপথত আহিব পাৰা)।” সিহঁতে ক’লে– “তোমালোকতো আমাৰেই নিচিনা মানুহ নহোৱা জানো! তোমালোকে বিচাৰিছা আমাক বিৰত ৰাখিবলৈ আমাৰ পিতৃপুৰুষসকলে যাৰ উপাসনা কৰিছিল তাৰ পৰা! এতেকে তোমালোকে আমাৰ ওচৰলৈ (তোমালোকৰ সত্যতাৰ) কোনো সুস্পষ্ট প্ৰমাণ লৈ আহাঁ।”

**১১** সিহঁতৰ ৰছুলসকলে সিহঁতক কৈছিলে– “স্বৰূপতে আমি তোমালোকৰ নিচিনা মানুহ নহওঁ জানো; কিন্তু আল্লাহে তেওঁৰ বান্দাসকলৰ মাজৰ পৰা যাকে (উপযুক্ত বিবেচনায়) ইচ্ছা কৰে তেওঁৰেই প্ৰতি (প্ৰত্যাদেশ প্ৰেৰণৰ) অনুগ্ৰহ বৰ্ষণ কৰে। আৰু আমাৰ কাৰণে এইটো নহয় যে আল্লাহৰ অনুমতি ব্যতিৰেকে তোমালোকৰ ওচৰলৈ কোনো প্ৰমাণ লৈ আহিম। এতেকে আল্লাহৰ ওপৰতেই মুমিনসকলে নিৰ্ভৰ কৰক।

**১২** “আৰু আমাৰ কি কাৰণ থাকিব পাৰে যে আমি আল্লাহৰ ওপৰত নিৰ্ভৰ নকৰিম, অথচ তেৱেঁইতো আমাক চালিত কৰিছে আমাৰ পথত? আৰু আমি নিশ্চয় অধ্যৱসায় অৱলম্বন কৰিম তোমালোকে আমাক যি কষ্ট দিছা সেইখিনি সত্বেও। আৰু আল্লাহৰ ওপৰতেই তেন্তে নিৰ্ভৰ কৰক নিৰ্ভৰকৰোঁতাসকলে।”

## পৰিচ্ছেদ - ৩

**১৩** আৰু যিবোৰে অবিশ্বাস কৰে সিহঁতে সিহঁতৰ ৰছুলসকলক কৈছিল– “আমাৰ দেশৰ পৰা তোমালোকক আমি উলিয়াইহে দিম, নতুবা আমাৰ ধৰ্মলৈ তোমালোকে ফিৰি আহিবই লাগিব।” তেতিয়া সিহঁতৰ প্ৰভুৱে সিহঁতৰ ওচৰত প্ৰত্যাদেশ দিছিলে– “আমি নিশ্চয় অন্যায়কাৰীবিলাকক বিধ্বস্ত কৰিম,–

**১৪** “আৰু সিহঁতৰ পাছত আমি দেশখনতে অৱশ্যেই তোমালোকক প্ৰতিষ্ঠিত কৰিম। এইটো (প্ৰতিশ্ৰুতি) তাৰ নিমিত্তে যি (তাৰ কোনো অপৰাধ হোৱাৰ আশংকাত) ভয় কৰে আমাৰ সন্মুখত থিয় হবলৈ, আৰু ভয় কৰে আমাৰ শাস্তিৰ।”

**১৫** আৰু সিহঁতে বিজয় কামনা কৰিছিল (সত্যনিষ্ঠসকলৰ বাবে, আৰু ভাবিছিল সিহঁতেই আছে সৎপথত), পৰিণামত প্ৰত্যেকজন দুৰাচাৰী বিৰুদ্ধাচাৰী ব্যৰ্থমনোৰথ হ’ল,–

**১৬** সেইজনৰ সন্মুখত ৰৈছে জাহান্নাম, আৰু তাক পান কৰোৱা হ’ব লেতেৰা-গেলা পানী,–

**১৭** সি তাকেই ঢোকাঢোকে পিব ধৰিব, আৰু সি তাক সহজে গিলিবলৈ নোৱাৰিব, আৰু মৰণ তাৰ ওচৰলৈ আহিব সকলো ফালৰ পৰাই, কিন্তু সি মৃতক নহ’ব। আৰু তাৰ সন্মুখত (অপেক্ষমান) ৰৈছে কঠোৰ শাস্তি।

**১৮** যিবিলাকে সিহঁতৰ প্ৰভুক অস্বীকাৰ কৰে সিহঁতৰ উপমা হৈছে– সিহঁতৰ ক্ৰিয়াকৰ্ম (ইমানেই অন্তঃসাৰশূন্য পাতল যে সেইটো) ছাইৰ নিচিনা, যাৰ ওপৰেদি বৈ যায় ঘূৰ্ণি-তুফানৰ দিনৰ ধুমুহা বতাহ (ফলত সেইবোৰ ছাই-ভস্ম উৰি যায়)। সিহঁতে যি অৰ্জন কৰিছে তাৰ একোৰেই ওপৰত সিহঁতে কোনো ক্ষমতা ৰাখিব নোৱাৰিব। (আল্লাহক অস্বীকাৰ কৰা) এইটোৱেই হৈছে সুদূৰপ্ৰসাৰিত বিভ্ৰান্তি।

**১৯** তোমালোকে নেদেখানে যে আল্লাহে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে সত্যৰ সৈতে? তেওঁ যদি বিচাৰে তেনেহলে তোমালোকক আঁতৰাই দিব পাৰে আৰু (তোমালোকৰ ঠাইত) এক নতুন সৃষ্টি লৈ আহিব (যিসকলে দেশত ইছলামী বিধান প্ৰতিষ্ঠা কৰিব),–

**২০** আৰু এইটো আল্লাহৰ কাৰণে কঠিন নহয়।

**২১** আৰু সিহঁত সকলোৱেই আহিব আল্লাহৰ সন্মুখলৈ, তেতিয়া (ভণ্ড ধৰ্মগুৰুক অন্ধ অনুসৰণ কৰোঁতা) দুৰ্বলবিলাকে ক’ব যিবিলাকে (ধৰ্মৰ পাণ্ডা সাজি) অহংকাৰ কৰে সিহঁতক– “আমিতো নিশ্চয় তোমালোকৰেই অনুগামী আছিলো, গতিকে আল্লাহৰ শাস্তিৰ পৰা অলপমানো আমাৰ পৰা তোমালোকে আঁতৰাই নিব পাৰানে?” সিহঁতে (তেতিয়া) ক’ব– “আল্লাহে যদি আমাক সৎপথত চলালেহেঁতেন তেন্তে আমিও তোমালোকক সৎপথেৰে চলালোহেঁতেন। (এতেকে আমাৰ প্ৰাপ্য শাস্তিৰ কাৰণে) আমি অস্থিৰতা দেখুওৱাওঁ বা ধৈৰ্যধাৰণ কৰোঁ আমাৰ কাৰণে সকলোৱেই সমান, আমাৰ নিমিত্তে কোনো নিষ্কৃতি নাই।”

## পৰিচ্ছেদ - ৪

**২২** আৰু বিষয়টোৰ মীমাংসা হৈ গ’লে চয়তানে (তাৰেই মুৰিদ-শিষ্যক পৰিত্যাগ কৰি খাঁটি কথাই) ক’ব– “নিসন্দেহে আল্লাহে তোমালোকক ওৱাদা কৰিছিলে সত্য ওৱাদা; আৰু ময়ো তোমালোকক অঙ্গীকাৰ দিছিলো, কিন্তু মই তোমালোকৰ প্ৰতি (সেই প্ৰতিশ্ৰুতি) ভঙ্গ কৰিলো। আৰু তোমালোকৰ ওপৰত মোৰ কোনো আধিপত্য (বা কৰ্তৃত্ব) নাছিল; মই কেৱল তোমালোকক (কুকৰ্মৰ প্ৰতি) মাতিছিলো, তেতিয়া তোমালোকে মোৰ প্ৰতি সঁহাৰি দিছিলা, গতিকে তোমালোকে মোক দোষ নিদিবা বৰং নিজকেই দোষাৰোপ কৰা। মই তোমালোকৰ উদ্ধাৰ কৰোঁতা নহওঁ আৰু তোমালোকো মোৰ উদ্ধাৰকাৰী নোহোৱা। মই নিশ্চয়ে অস্বীকাৰ কৰো তোমালোকে যে ইতিপূৰ্বে মোক (আল্লাহৰ সৈতে) অংশী বনাইছিলা (আৰু তোমালোকে মোকে গছত উঠাইছিলা)।” নিসন্দেহে অন্যায়কাৰীহঁত– সিহঁতৰ বাবে ৰৈছে মৰ্মন্তুদ শাস্তি।

**২৩** আৰু যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰিছে তেওঁলোকক প্ৰৱেশ কৰোৱা হ’ব স্বৰ্গোদ্যানসমূহত যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তাতেই তেওঁলোক থাকিব স্থায়ীভাৱে তেওঁলোকৰ প্ৰভুৰ অনুমতিক্ৰমে। তাত তেওঁলোকৰ অভিবাদন হ’ব “ছালাম” (অৰ্থাৎ শান্তি কামনা)!

**২৪** তোমালোকে ভাবি চোৱা নাইনে, আল্লাহে কিদৰে উপমা দি থাকে,– সাধু কথাকে উৎকৃষ্ট গছৰ লগত, যাৰ শিপা মজবুত আৰু যাৰ ডালপাত আকাশত (অৰ্থাৎ আল্লাহৰ বাণীৰূপী বীজৰ পৰা অঙ্কুৰিত ঈমানৰ গছপুলিত সৎকৰ্মৰ দ্বাৰা পৰিপোষণ কৰা হ'লে সেইটো শকত গছত পৰিণত হয়, আৰু তাৰ শিপা নিহিত হয় মুমিনৰ হৃদয়ত আৰু শাখা-প্ৰশাখা বিকশিত হয় তেওঁলোকৰ মূৰৰ উপৰতে),–

**২৫** সি তাৰ ফল দিছে প্ৰত্যেক মৌচুমত তাৰ প্ৰভুৰ অনুমতিক্ৰমে (অৰ্থাৎ সেই শকত গছজোপাত সুস্বাদু ফল সদায় লাগি থাকে পৰ্যাপ্তভাৱে, আৰু তাৰ স্নিগ্ধ ছাঁত মুমিনসকলে আশ্ৰয় পায়; গতিকে ঈমান আৰু সৎকৰ্মৰ ফলস্বৰূপে মুমিনসকলে উপভোগ কৰে স্বৰ্গোদ্যানসমূহ আৰু নিঝৰাবোৰ)। আৰু আল্লাহে মানৱসমাজৰ (বুজাৰ সুবিধাৰ) কাৰণে উপমাবোৰ প্ৰয়োগ কৰে যেন সেইসকলে (শিক্ষণীয় বিষয়সমূহ) স্মৰণ কৰিব পাৰে।

**২৬** আৰু বেয়া কথাৰ উপমা হৈছে বেয়া গছৰ নিচিনা যাক মাটিৰ ওপৰৰ পৰা উভালি পেলোৱা হৈছে, ইয়াৰ কোনো স্থিতি নাই (তেনেকৈ বেয়াৰ পৰা জন্ম লোৱা বেয়া গছ ইছলামৰ অগ্ৰগতিত পদদলিত হৈ যায়; গতিকে অবিশ্বাস আৰু কুকৰ্মৰ ফলস্বৰূপে পাপাচাৰীহঁতে নাপায় কোনো স্বৰ্গোদ্যান, নাইবা তাৰ ফলফসল)।

**২৭** যিসকলে ঈমান আনিছে আল্লাহে সেইসকলক প্ৰতিষ্ঠিত কৰে (কুৰআনৰ) শাশ্বত বাণীৰ দ্বাৰা এই দুনিয়াৰ জীৱনত আৰু পৰকালতো (গতিকে কুৰআনৰ শিক্ষাৰ দ্বাৰা তেওঁলোকে নিজৰ জীৱন গঢ়ি তোলে); আৰু আল্লাহে পথহাৰা কৰে অন্যায়কাৰীহঁতক (যিসকলে অন্ধকাৰতেই খেপিয়াই ফুৰে), আৰু আল্লাহে (মানৱজাতিৰ ভালৰ কাৰণে) যি ইচ্ছা কৰে তাকেই কৰে।

## পৰিচ্ছেদ – ৫

**২৮** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতক দেখা নাইনে যিবিলাকে আল্লাহৰ অনুগ্ৰহক অবিশ্বাসেৰে সলনি কৰিছে, আৰু নিজৰ সম্প্ৰদায়ক নমাই পেলাইছে ধ্বংসৰ আবাসলৈ?–

**২৯** জাহান্নামত, য'ত সিহঁতে প্ৰবেশ কৰিব; আৰু নিকৃষ্ট এই বাসস্থান।

**৩০** আৰু সিহঁতে (দেৱ-দেৱীক সৃষ্টি কৰি সিহঁতক) আল্লাহৰ সমনীয়া থিয় কৰায় যেন সিহঁতে (দানদক্ষিণা সংগ্ৰহ কৰিবলৈ অন্ধবিশ্বাসী লোকক) তেওঁৰ পথৰ পৰা বিপথে চলাব পাৰে। (হে মুহাম্মদ-ছাঃ!) তুমি কোঁৱা– "(আল্লাহক পণ্য বনাই অৰ্জিত মুনাফা খন্তেকৰ কাৰণে) উপভোগ কৰা, তাৰপাছত তোমালোকৰ প্ৰত্যাবৰ্তন নিশ্চয় হ'ব জুইৰ ফালে।"

**৩১** আমাৰ বান্দাবিলাকৰ যিসকলে ঈমান আনিছে সেইসকলক কোৱাঁ ঃ তেওঁলোকে নামায কায়েম কৰক আৰু আমি তেওঁলোকক যি জীৱিকা দিছো তাৰ পৰা তেওঁলোকে (সৎকামত) খৰচ কৰক– গোপনে (যেন দানগ্ৰহীতাক কোনোভাৱে হেয় কৰা নহয়) আৰু প্ৰকাশ্যভাৱে (যেন মহৎকামত দান কৰা দেখি অন্য লোকেও প্ৰেৰণা পায়)– (শেষবিচাৰৰ) সেই দিন অহাৰ আগতে য'তে নচলিব কোনো লেনদেন, আৰু নাথাকিব কোনো বন্ধু সম্পৰ্ক (বৰঞ্চ প্ৰত্যেকেই নিজকেলৈ ব্যস্ত থাকিব)।

**৩২** আল্লাহ তেৱেঁই যিজনে মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে, আৰু আকাশৰ পৰা বৰ্ষণ কৰে পানী, তাৰপাচত তাৰ সাহায্যত তেওঁ উৎপাদন কৰে তোমালোকৰ জীৱিকাৰ কাৰণে ফলমূল; আৰু তোমালোকৰ কাৰণে তেওঁ অধীন কৰিছে জাহাজবিলাক যাতে তেওঁৰ বিধান অনুযায়ী সেইটো সমুদ্ৰত বিচৰণ কৰে, আৰু তোমালোকৰ কাৰণে তেঁও বশীভূত কৰিছে নদনদী।

**৩৩** আৰু তেওঁ তোমালোকৰ অনুগত কৰিছে সূৰ্য আৰু চন্দ্ৰক যি (নিজ নিজ কক্ষপথত) নিয়মিতভাৱে চলমান (যাৰ ফলত তোমালোকে অসংখ্য উপকাৰ উপভোগ কৰিছা); আৰু তেওঁ তোমালোকৰ অধীন কৰিছে ৰাতি আৰু দিনক (গতিকে তোমালোকৰ অধীন বিষয়বোৰক তোমালোকৰ মনিব জ্ঞান কৰি পূজা নকৰিবা)।

**৩৪** আৰু তেওঁ তোমালোকক প্ৰদান কৰে তোমালোকে তেওঁৰ ওচৰত যি প্ৰাৰ্থনা কৰা সেই সকলো বস্তুৰ পৰাই (পৰ্যাপ্ত পৰিমাণত)। আৰু তোমালোকে যদি আল্লাহৰ অনুগ্ৰহ গণনা কৰিবলৈ যোৱা তোমালোকে সেইবোৰ গণিব নোৱাৰিবা। মানুহ অৱশ্যে বৰ অন্যায়কাৰী, অত্যন্ত অকৃতজ্ঞ।

## পৰিচ্ছেদ – ৬

**৩৫** আৰু স্মৰণ কৰা! ইব্ৰাহীম (আঃ)-এ কৈছিল– "মোৰ প্ৰভু! (মক্কাৰ) এই চহৰখনক নিৰাপদ কৰা, আৰু আমাক আৰু আমাৰ সতি-সন্ততিক মূৰ্তিবিলাকৰ পূজা-অৰ্চনাৰ পৰা ৰক্ষা কৰা।

**৩৬** "আমাৰ প্ৰভু! নিসন্দেহে এইবিলাকে মানৱসমাজৰ অনেককে বিপথে নিছে; গতিকে যি মোক অনুসৰণ কৰে সি তেন্তে মোৰ মধ্যকাৰ, আৰু যি মোক অমান্য কৰে (তুমিইতো তাৰ ব্যৱস্থা কৰোঁতা, কিয়নো) তুমিয়েইতো পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**৩৭** "আমাৰ প্ৰভু! মই নিশ্চয় মোৰ বংশধৰসকলৰ অনেককে (যেনে ইছমাইলক) বসবাস কৰালো তোমাৰ পবিত্ৰ (কা'বা) গৃহৰ সমীপত খেতি-বাতিহীন উপত্যকাত,– আমাৰ প্ৰভু! যাতে সিহঁতে (সেই উপাসনালয়ত) নামায কায়েম কৰে, ফলতে কিছু লোকৰ (যথা মুছলিমৰ) মন সিহঁতৰ প্ৰতি অনুৰাগী বনাই দিয়া (যেন সিহঁতে মোৰ আৰু ইছমাইলৰ ত্যাগ চিৰকাল স্মৰণ কৰি থাকে), আৰু সেইসকলক (লৌকিক আৰু আত্মিক) ফলফচল দি জীৱিকা প্ৰদান কৰা, যাতে তেওঁলোকে (তোমাৰ ওচৰত) কৃতজ্ঞতা প্ৰকাশ কৰে।

**৩৮** “আমাৰ প্ৰভু! তুমি নিশ্চয় জানা যি আমি গোপন কৰোঁ আৰু যি আমি প্ৰকাশ কৰোঁ। আৰু আল্লাহৰ ওচৰত পৃথিৱীৰ কোনো বস্তুৱেই লুকুৱাবৰ নাই আৰু মহাকাশতো নহয় (গতিকে মোৰ বংশধৰৰ এই উভয় শাখাৰ মাজত গুপ্তভাৱে হিংসা বিদ্বেষ পোষণৰ পৰিবৰ্তে প্ৰকাশ্যভাৱে ভাতৃত্ব আৰু সহৃদয়তা আনি দিয়া)।

**৩৯** “সমস্ত প্ৰশংসা আল্লাহৰ (প্ৰাপ্য) যিজনে মোক বৃদ্ধ বয়সত (দুজন সুপুত্ৰ) ইছমাইল আৰু ইছহাকক দান কৰিছে। নিসন্দেহে মোৰ প্ৰভু প্ৰাৰ্থনা শ্ৰৱণকাৰী।

**৪০** “মোৰ প্ৰভু! মোক নামাযত সুপ্ৰতিষ্ঠিত কৰি দিয়া, আৰু মোৰ বংশধৰসকলৰ পৰাও (নামাযী সম্প্ৰদায় বনাই দিয়া); আমাৰ প্ৰভু! আৰু মোৰ (এই) প্ৰাৰ্থনা কবুল কৰা।

**৪১** “আমাৰ প্ৰভু! মোক (পদস্খলনৰ পৰা) পৰিত্ৰাণ কৰা, আৰু মোৰ পিতামাতাকো আৰু বিশ্বাসীসকলকো হিচাপপত্ৰ ধাৰ্যকৰাৰ দিনা (যাতে মোৰেই বংশধৰৰ মাজত শেষনবী মুহাম্মদ-ছাঃ জন্ম লৈ পৌত্তলিকতাৰ পৰা এই দেশক চিৰদিনৰ বাবে মুক্ত কৰে)।”

## পৰিচ্ছেদ – ৭

**৪২** আৰু তুমি নাভাবিবা যে অন্যায়কাৰীহঁতে যি কৰে আল্লাহ সেই সম্বন্ধে বেখেয়াল। তেওঁ কেৱল সিহঁতক অৱকাশ দিছে সেইদিনালৈকে যিদিনা (সিহঁতৰ) চকুবিলাক (দাৰুণ বিভীষিকাতে) হ’ব পলকহীন স্থিৰ,–

**৪৩** (সেইদিনা সিহঁতে) লৰ মাৰিছে সিহঁতৰ মূৰবোৰ থিয় কৰি (আগপাছ নেদেখি), (ইমানেই ভীত-বিহ্বল অৱস্থাত যে) সিহঁতৰ দৃষ্টি সিহঁতৰ নিজৰ ফালেও ফিৰা নাই, আৰু সিহঁতৰ চিত্ত হৈছে ফোঁপোলা।

**৪৪** আৰু মানুহবিলাকক সতৰ্ক কৰি দিয়া সেইদিন সম্বন্ধে যেতিয়া সিহঁতৰ ওপৰত শাস্তি আহি পৰিব; যিবিলাকে অন্যায় কৰিছিল সিহঁতে তেতিয়া ক’ব– “আমাৰ প্ৰভু! আমাক অৱকাশ দিয়া অলপ দিনৰ বাবে যেন আমি তোমাৰ আহ্বানত সঁহাৰি দিব পাৰোঁ আৰু ৰছুলসকলক অনুসৰণ কৰিব পাৰোঁ।” (তেওঁ তেতিয়া ক’ব–) “কি! তোমালোকে ইতিপূৰ্বে শপথ খোৱা নাছিলানে যে তোমালোকৰ কাৰণে কোনো পতন নাই?

**৪৫** “অথচ তোমালোকে বাস কৰিছা সেইবিলাকৰ বাসভূমিতে যিবিলাকে (অন্যৰ প্ৰতি অত্যাচাৰৰ দ্বাৰা) নিজৰেই আত্মাৰ প্ৰতি অন্যায়াচৰণ কৰিছিল, আৰু তোমালোকৰ ওচৰত সুস্পষ্ট কৰা হৈছিল আমি সিহঁতৰ প্ৰতি কেনে (শাস্তিমূলক) ব্যৱহাৰ কৰিছিলোঁ, আৰু তোমালোকৰ নিমিত্তে (সিহঁতক) বনাইছিলোঁ দৃষ্টান্ত।”

**৪৬** আৰু সিহঁতে (–কুৰাইশ্ববিলাকে, তোমালোকৰ বিৰুদ্ধে) নিশ্চয় সিহঁতৰ ফান্দ ফান্দিছিল, কিন্তু সিহঁতৰ চক্ৰান্ত (ৰক্ষিত) আছে আল্লাহৰ ওচৰত। যদিও সিহঁতৰ ষড়যন্ত্ৰ এনে (সাংঘাতিক) যে তাৰ দ্বাৰা পৰ্বতসমূহ টলি যায় (তথাপি সিহঁতৰ সকলো ফন্দি-ফিকিৰ ব্যৰ্থ কৰি দিয়া হ’ব)।

**৪৭** গতিকে তুমি কেতিয়াও নাভাবিবা যে আল্লাহে তেওঁৰ ৰছুলসকলক দিয়া তেওঁৰ প্ৰতিশ্ৰুতি খেলাফ কৰিব। নিশ্চয় আল্লাহ মহাশক্তিশালী, প্ৰতিফলদাতা।

**৪৮** সেইদিনা এই পৃথিৱী বদলি হ’ব আন এখন পৃথিৱীলৈ, আৰু মহাকাশমণ্ডলও (বদলি যাব, সেইহেতু তোমাৰ বাল্যকালৰ আৰবদেশৰ পৰা শেষ বয়সৰ আৰবদেশ সম্পূৰ্ণ বেলেগ হৈ যাব); আৰু এওঁলোক হাজিৰ হ’ব আল্লাহৰ সন্মুখত, যিজন একক, সৰ্বশক্তিমান।

**৪৯** আৰু তুমি দেখিবলৈ পাবা– অপৰাধীবিলাকক সেইদিনা শিকলিৰ মাজত বন্ধা অৱস্থাত (যেনেকুৱা ঘটিব এই দুনিয়াতেই বদৰৰ যুদ্ধকালত),–

**৫০** সিহঁতৰ চোলাবোৰ হ’ব (ঘন ক’লা আৰু সহজদাহ্য) আলকাতৰাৰ, আৰু সিহঁতৰ মুখমণ্ডল আবৰি ধৰিব জুইয়ে,–

**৫১** যাতে আল্লাহে প্ৰত্যেক সত্বাকে প্ৰতিদান দিব পাৰে যি সি অৰ্জন কৰিছে (সেই অনুপাতে), নিসন্দেহে আল্লাহ হিচাপ-নিকাচত খৰতকীয়া।

**৫২** (কুৰআনত বিবৃত) এই (উপদেশমালা) হৈছে মানৱজাতিৰ কাৰণে এক বাৰ্তা যাতে সিহঁতে ইয়াৰ দ্বাৰা সাৱধান হ’ব পাৰে, আৰু যেন জানিব পাৰে যে তেৱেঁই নিশ্চয় একক উপাস্য, আৰু বোধশক্তি-সম্পন্নসকলে যেন উপদেশ গ্ৰহণ কৰে (যাৰ ফলত এই পৃথিৱীখনতেই যেন স্বৰ্গৰাজ্য সৃষ্টি হয়)।

* * * * * * * * * * * *

ছুৰা - ১৫

# শিলাময় পৰ্বত

*(আল হিজৰ, ঃ৮০)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** আলিফ লাম ৰা (—মই, আল্লাহ, সৰ্বদ্ৰষ্টা)। এইবিলাক হৈছে ধৰ্মগ্ৰন্থৰ আয়াতসমূহ আৰু এটি সুস্পষ্ট পাঠ্য (যথা পবিত্ৰ কুৰআন, যি সমগ্ৰ বিশ্বত সকলো কিতাপকৈ বেছি পঠিত হৈ থাকে)।

**১৪শ পাৰা**

**২** যিবিলাকে অবিশ্বাস কৰিছিল সিহঁতে সময়কালত (আফচোচ্ কৰি) বিচাৰিব যে যদি সিহঁতে মুছলিম হ’লহেতেন।

**৩** (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতক এৰি দিয়া— সিহঁতে খোৱা-বোৱা কৰক আৰু আমোদ-আহ্লাদ কৰক, আৰু আশা-আকাংখাই সিহঁতক ভুলাই ৰাখক, যিহেতু অতি শীঘ্ৰেই (ইয়াৰ পৰিণাম) সিহঁতে বুজিব পাৰিব!

**৪** আৰু আমি কোনো জনবসতি ধ্বংস নকৰো যেতিয়ালৈকে নেকি তাৰ কাৰণে বিধান নিৰ্ধাৰণ কৰা হৈছে (আৰু যথেষ্ট সময় দিয়া হৈছে নিজক শুধৰণৰ কাৰণে)।

**৫** কোনো জাতিয়ে (যি বিধান ঘটিবলৈ আছে সেইটো শীঘ্ৰেই ঘটি যাওক বুলি) তাৰ নিৰ্ধাৰিত কাল বেগাই আনিব নোৱাৰিব, আৰু সিহঁতে পিছোৱাই দিব নোৱাৰিব।

**৬** আৰু সিহঁতে (টিটকাৰি দি) কয়— “হে’ৰা যাৰ ওচৰত স্মাৰক-গ্ৰন্থ অৱতীৰ্ণ হৈছে! তুমিতো অৱশ্যে পগলা।

**৭** “তুমি কিয় আমাৰ ওচৰলৈ ফিৰিশ্বতাসকলক লৈ অহা নাই, যদি তুমি (প্ৰত্যাদেশৰ ব্যাপাৰত) সত্যবাদীবিলাকৰ মধ্যকাৰ হোৱা?”

**৮** আমি ফিৰিশ্বতাসকলক নপঠাও সত্যৰ সৈতে ব্যতিৰেকে (অৰ্থাৎ আমাৰ ৰছুলসকলৰ বিজয় আৰু অবিশ্বাসীৰ পৰাজয় সংক্ৰান্ত ভৱিষ্যদ্বাণী সত্য-প্ৰতিপন্ন কৰাৰ কাৰণেই আমি ফিৰিশ্বতাক পঠিয়াই থাকো), আৰু তেতিয়া সিহঁতে (খন্তেকৰ বাবেও) অৱকাশপ্ৰাপ্ত নহ’ব।

**৯** নিসন্দেহে আমি নিজেই স্মাৰক-গ্ৰন্থ অৱতাৰণ কৰিছো, আৰু আমিয়েই ইয়াৰ সংৰক্ষণকাৰী (গতিকে এই কুৰআন কোনেও অদল-বদল কৰিব নোৱাৰিব)।

**১০** আৰু তোমাৰ আগতে আমি নিশ্চয় (ৰছুলসকলক) পঠিয়াইছিলো প্ৰাচীন কালৰ সম্প্ৰদায়ৰ মাজত (যাতে তেওঁলোকে বিভিন্ন সম্প্ৰদায়ক একেশ্বৰবাদিতাৰ বন্ধনে বান্ধিব পাৰে)।

**১১** কিন্তু সিহঁতৰ ওচৰলৈ এনে কোনো ৰছুল অহা নাই যাক লৈ সিহঁতে ঠাট্টা-বিদ্ৰূপ কৰা নাছিল।

**১২** এনেকৈ আমি ইয়াক (—বিদ্ৰূপ প্ৰৱণতাক) অপৰাধীবিলাকৰ অন্তৰত সঞ্চাৰ কৰোঁ,—

**১৩** সিহঁতে ইয়াত বিশ্বাস নকৰে, অথচ পূৰ্বৱৰ্তীবিলাকৰ (শোচনীয় পৰিণতিৰ) নজীৰ অৱশ্যেই গত হৈছে।

**১৪** আৰু যদি আমি সিহঁতৰ কাৰণে মহাকাশৰ দুৱাৰ খুলি দিওঁ আৰু সিহঁতে (জ্ঞান-বিজ্ঞান অনুশীলনৰ ফলত) তাতে আৰোহণ কৰি থাকে—

**১৫** সিহঁতে তেতিয়াও ক’ব— “(আমাৰ তৈয়াৰী যন্ত্ৰপাতিৰ নৈপূণ্য দেখি) আমাৰ চকুত চমক লাগিছে, আমি বৰং (নিজৰেই কৃতিত্ব আৰু বিজয়গৰ্বত) মোহাচ্ছন্ন দল হৈছো।”

**পৰিচ্ছেদ - ২**

**১৬** আৰু স্বৰূপতে আমি আকাশত (গ্ৰহ-নক্ষত্ৰ সন্নিৱেশ কৰি) দুৰ্গ তৈয়াৰী কৰিছো, আৰু সেইবিলাক সুশোভিত কৰিছো দৰ্শকৰ কাৰণে;

**১৭** আৰু আমি তাক ৰক্ষা কৰো প্ৰত্যেক বিতাড়িত চয়তানৰ পৰা (গতিকে জ্যোতিষীবিলাকে সেই দুৰ্গ ভেদ কৰি মানুহৰ ভৱিষ্যৎ শুভাশুভ বিচাৰ কৰাত ব্যৰ্থ হ'ব),–

**১৮** তাৰ ব্যতিৰেকে যি (আল্লাহৰ ভৱিষ্যদ্বাণী) লুকাই শুনে, ফলত তাৰ পশ্চাদ্ধাৱন কৰে প্ৰখৰ অগ্নিশিখাই (যাৰ দ্বাৰা ৰাশি গণনাৰ ভেল্কিবাজি ভস্মীভূত হৈ যায়)।

**১৯** আৰু পৃথিৱী– আমি তাক প্ৰসাৰিত কৰিছো, আৰু তাতে স্থাপন কৰিছো পৰ্বতমালা, আৰু তাতে উৎপন্ন কৰিছো হৰেক ৰকমৰ বস্তু উচিত পৰিমাণে।

**২০** আৰু তোমালোকৰ কাৰণে তাতে সৃষ্টি কৰিছো জীৱনোপকৰণ, আৰু তোমালোক (পশু-পক্ষী কীট-পতঙ্গ) যিবিলাকৰ জীৱিকাদাতা নোহোৱা সিহঁতৰ কাৰণেও।

**২১** আৰু (জীৱিকাৰ) এনেকুৱা কোনো বস্তু নাই যাৰ ভঁৰালবোৰ আমাৰ ওচৰত নহয়, আৰু আমি সেইটো নপঠাও নিৰ্ধাৰিত পৰিমাণৰ বাহিৰে।

**২২** আৰু আমি উৰ্বৰতা সঞ্চাৰক (মৌচুমী) বায়ু পাঠাও, তাৰ পাছত আকাশৰ পৰা পঠাওঁ পানী, তেতিয়া তোমালোকক তাক পান কৰিবলৈ দিওঁ (ফলত তোমালোকে পৰিপুষ্টি লাভ কৰি জীৱন্ত হৈ উঠা); আৰু তোমালোকে তাৰ ভঁৰাল-ৰখোঁতা (বা জিম্মাদৰ) নোহোৱা।

**২৩** আৰু নিসন্দেহে আমি নিজেই জীৱন দান কৰো আৰু মৃত্যু ঘটাও, আৰু আমিয়েই হৈছো (সকলো বিষয়ৰ) উত্তৰাধিকাৰী।

**২৪** আৰু আমি নিশ্চয় জানো তোমালোকৰ মাজত (সত্য-ধৰ্ম গ্ৰহণত) অগ্ৰগামীসকলক; আৰু আমি অৱশ্যে জানো পশ্চাতত পৰি থকা সকলকো।

**২৫** আৰু নিসন্দেহে তোমাৰ প্ৰভু– তেওঁ সিহঁতকে একত্ৰে সমবেত কৰিব (এতেকে পাচত পৰি থকা লোকসকলেও ক্ৰমে ইছলামী ভাৱধাৰা গ্ৰহণ কৰি ল'ব)। তেওঁ নিশ্চয় পৰম জ্ঞানী, সৰ্বজ্ঞাতা।

**পৰিচ্ছেদ - ৩**

**২৬** আৰু আমি নিশ্চয় মানুহ সৃষ্টি কৰিছো শব্দায়মান মাটিৰ পৰা, কলা বোকাৰ পৰা ৰূপ দি;

**২৭** আৰু আমি ইয়াৰ আগতে জিন্ সৃষ্টি কৰিছো প্ৰখৰ জুই দি।

**২৮** আৰু স্মৰণ কৰা! তোমাৰ প্ৰভুৱে ফিৰিশ্বতাসকলক ক'লে– "নিসন্দেহে আমি মানুহ সৃষ্টি কৰিবলৈ গৈছো শব্দ-কৰোঁতা মাটিৰ পৰা,– কলা বোকাৰ পৰা ৰূপ দি।

**২৯** "গতিকে যেতিয়া আমি তাক সুঠাম কৰিম আৰু তাত আমাৰ ৰূহ ফুঁৱাম তেতিয়া তাৰ প্ৰতি তোমালোক পৰা ছিজ্‌দাৱনত হৈ।"

**৩০** তেতিয়া ফিৰিশ্বতাসকলে ছিজ্‌দা কৰিলে, তেওঁলোকৰ সকলোৱে একেলগে,–

**৩১** ইব্‌লিছৰ বাহিৰে; সি ছিজ্‌দাকাৰীসকলৰ অন্তৰ্ভুক্ত হ'বলৈ অস্বীকাৰ কৰিলে।

**৩২** তেওঁ (–আল্লাহে) ক'লে– "ও ইবলিছ! তোমাৰ কি হৈছে যে তুমি ছিজ্‌দাকাৰীসকলৰ সঙ্গী নহ'লা?"

**৩৩** সি ক'লে– "মই তেনে নহও যে মই ছিজ্‌দা কৰিম এজন মানুহক যাক তুমি সৃষ্টি কৰিছা শব্দায়মান মাটিৰ পৰা,– কলা বোকাৰ পৰা ৰূপ দি।"

**৩৪** তেওঁ ক'লে– "তেনেহলে (হে ইবলিছ!) ওলাই যোৱা ইয়াৰ পৰা, কিয়নো নিসন্দেহে তুমি বিতাৰিত,

**৩৫** "আৰু নিশ্চয় তোমাৰ ওপৰত থাকিব (আমাৰ) অসন্তুষ্টি শেষবিচাৰৰ দিনলৈকে।"

**৩৬** সি ক'লে– "মোৰ প্ৰভু ! তেন্তে মোক অৱকাশ দিয়া সেইদিনালৈকে যেতিয়া সিহঁতক পুনৰুত্থিত কৰা হ'ব।"

**৩৭** তেওঁ ক'লে– "তেন্তে তুমি নিশ্চয় অৱকাশপ্ৰাপ্ত সকলৰ মধ্যকাৰ–

**৩৮** "নিৰ্ধাৰিত সময়ৰ (বা কিয়ামতৰ) দিনালৈকে।"

**৩৯** সি ক'লে– "মোৰ প্ৰভু! তুমি যেনেকৈ মোক বিপথে যাবলৈ দিছা, ময়ো তেনেকৈ সিহঁতৰ ওচৰত (বেয়া কামকে) চিত্তাকৰ্ষক কৰিম এই পৃথিৱীত, আৰু অৱশ্যেই সিহঁতক একেলগে বিপথগামী কৰিম,–

**৪০** "সিহঁতৰ মাজৰ বিশিষ্ট বান্দাসকলৰ ব্যতিৰেকে (যিসকলৰ প্ৰতি মোৰ প্ৰৰোচনা কাৰ্যকৰ নহয়)।"

**৪১** তেঁও ক'লে– "এইটোৱে (–এই একান্ত আনুগত্যই) হৈছে আমাৰ ফালে (অহাৰ) সঠিক পথ।

**৪২** "নিসন্দেহে মোৰ বান্দাসকলৰ সম্বন্ধে– সেইসকলৰ ওপৰত তোমাৰ কোনো আধিপত্য নাই, বিপথগামীবিলাকৰ মাজৰ যিবিলাকে তোমাক অনুসৰণ কৰে সিবিলাকৰ বাহিৰে।

**৪৩** “আৰু নিসন্দেহে জাহান্নাম হৈছে সেইবোৰৰ কাৰণে প্ৰতিশ্ৰুত স্থান,--

**৪৪** “তাৰ সাতোটা দুৱাৰ আছে। প্ৰত্যেক প্ৰৱেশপথৰ কাৰণে ৰৈছে সিহঁতৰ মাজৰ পৃথক দল।”

### পৰিচ্ছেদ - ৪

**৪৫** নিসন্দেহে ধৰ্মপৰায়ণসকল থাকিব স্বৰ্গোদ্যানসমূহত আৰু নিঝৰাবোৰৰ মাজত।

**৪৬** (তেওঁলোকক কোৱা হ’ব—) “তোমালোকে ইয়াতে প্ৰৱেশ কৰা শান্তিতে আৰু নিৰাপত্তাৰে।”

**৪৭** আৰু আমি উলিয়াই দিম তেওঁলোকৰ অন্তৰত যি বিদ্বেষ ৰৈছিল, ফলত তেওঁলোকে ভাই-ককাইৰ নিচিনাকৈ (অধিষ্ঠিত) থাকিব আসনৰ ওপৰত মুখামুখি হৈ।

**৪৮** সেই ঠাইত তেওঁলোকক স্পৰ্শ নকৰিব কোনো অৱসাদে, আৰু তেওঁলোক সেই ঠাইৰ পৰা বহিষ্কৃত নহ’ব।

**৪৯** মোৰ বান্দাসকলক খবৰ দিয়া যে মোয়েইতো নিশ্চয় (ত্ৰুটি-বিচ্যুতিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা;—

**৫০** আৰু মোৰ শাস্তি,— সেইটো অতি মৰ্মন্তুদ শাস্তি।

**৫১** আৰু তেওঁলোকক খবৰ দিয়া ইব্ৰাহীম (আঃ)-ৰ অতিথিসকলৰ সম্বন্ধে।

**৫২** যেতিয়া তেওঁৰ ওচৰত তেওঁলোক হাজিৰ হ’ল তেতিয়া ক’লে— “ছালাম”। তেওঁ ক’লে— “আমিতো তোমালোকৰ সম্বন্ধে ভয়হে কৰিছো।”

**৫৩** তেওঁলোকে ক’লে— “ভয় নকৰিবা, নিসন্দেহে তোমাক আমি সুসংবাদ দিছো এজন জ্ঞানবান ল’ৰাৰ (জন্ম) সম্বন্ধে।”

**৫৪** তেওঁ ক’লে— “তোমালোকে (ল’ৰাৰ জন্ম সম্বন্ধে) মোক সুসংবাদ দিছানে যেতিয়া বাৰ্ধক্যাই মোক স্পৰ্শ কৰিছে? তেন্তে কিহৰ তোমালোকে সুসংবাদ দিছা?”

**৫৫** তেওঁলোকে ক’লে— “আমি তোমাক (ইছহাকৰ জন্মৰ) সুসংবাদ দিছো সত্যৰ সৈতে (অৰ্থাৎ আল্লাহৰ পৰা সত্য সংবাদ পাই), গতিকে তুমি হতাশবোৰৰ মধ্যকাৰ নহ’বা।”

**৫৬** তেওঁ ক’লে— “বাস্তৱতে কোন নো হতাশ হয় তাৰ প্ৰভুৰ কৰুণাৰ পৰা পথভ্ৰষ্টবিলাকৰ বাহিৰে?”

**৫৭** তেওঁ ( আৰু) ক’লে— “তেন্তে তোমালোকৰ সকাম ৰৈছে নেকি, হে দূতসকল?”

**৫৮** তেওঁলোকে ক’লে— “আমি নিশ্চয় প্ৰেৰিত হৈছো (চোদম আৰু গোমোৰাত বসবাসকাৰী) এটি অপৰাধী সম্প্ৰদায়ৰ প্ৰতি,

**৫৯** “লূত-ৰ অনুৱৰ্তীসকল ব্যতীত। নিসন্দেহে সিহঁতৰ সকলোকে আমি অৱশ্যেই (প্ৰথমে) উদ্ধাৰ কৰিম,—

**৬০** তেওঁৰ স্ত্ৰীক এৰি; আমি সঠিক জানিছো যে সেইজনী নিশ্চয়ে পাছত-পৰিথকাবোৰৰ মধ্যকাৰ।”

### পৰিচ্ছেদ - ৫

**৬১** তাৰ পিছত যেতিয়া দূতসকল লূত (আঃ)-ৰ পৰিজনৰ ওচৰলৈ আহিল,

**৬২** তেওঁ ক’লে— “তোমালোকতো অচিনাকি মানুহ।”

**৬৩** তেঁও ক’লে— “আমি কিন্তু তোমাৰ ওচৰত আহিছো সেই (অৱশ্যম্ভাৱী ধ্বংসলীলাৰ) বিষয়লৈ যিসম্বন্ধে সিহঁতে (—তোমাত অবিশ্বাসীগোষ্ঠীয়ে) তৰ্ক-বিৰ্তক কৰিছে।

**৬৪** “আৰু আমি তোমাৰ ওচৰলৈ লৈ আহিছো সত্যবাৰ্তা, আৰু আমি নিশ্চয় সত্যবাদী।

**৬৫** “এতেকে তোমাৰ পৰিবাৰ-পৰিজনক লৈ ওলাই যোৱা ৰাতিৰ (বাকী) অংশতে, আৰু তুমি পাছে পাছে অনুসৰণ কৰিবা, আৰু তোমালোকৰ মাজত এজনেও যেন পিছৰ ফালে নাচায়, আৰু যোৱাগৈ যি ঠাইলৈ তোমালোকক আদেশ কৰা হৈছে।”

**৬৬** আৰু তেওঁৰ ওচৰত আমি জনাই দিলো এই নিৰ্দেশ যে ইহঁতৰ শেহনিখিনিও কাটি দিয়া হ’ব পুৱা সাৰ-পাই-উঠাৰ বেলিকা।

**৬৭** আৰু (তেওঁ দেখা পালে চোদম আৰু গোমোৰা) চহৰৰ লোকসকল (অতিথিসকলৰ ওচৰলৈ) আহিল উলাহ-মালহৰে।

**৬৮** তেওঁ ক’লে— “এওঁলোক সঁচাকৈয়ে মোৰ অতিথি, গতিকে (এওঁলোকৰ প্ৰতি অশ্লীল আচৰণ কৰি) মোক বেইজ্জত নকৰিবা;

**৬৯** “আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা, আৰু মোক লাজ নিদিবা।”

**৭০** সিহঁতে ক’লে— “আমি কি তোমাক নিষেধ কৰা নাই জগতবাসীৰ (যাকে তাকে আপ্যায়ন) সম্পৰ্কে?

**৭১** তেওঁ ক’লে— “এওঁবিলাক মোৰ কন্যা, (এওঁলোকক লৈয়েই তোমালোকে ঘৰ-সংসাৰ কৰা) যদি তোমালোকে (ন্যায়সঙ্গত কিবা কাম) কৰিব বিচাৰা! ”

**৭২** তোমাৰ জীৱনৰ কচম (হে মুহাম্মদ-ছাঃ!), সিহঁতে নিসন্দেহে সিহঁতৰ মত্ততাত (নিজক শুধৰণৰ চেষ্টা নকৰি) অন্ধভাৱে খেপিয়াই ফুৰিছিল।

**৭৩** গতিকে (ভূমিকম্পৰ সৈতে বিস্ফোৰণৰ) এক মহাধ্বনিয়ে সিহঁতক আক্ৰমণ কৰিলে সূৰ্যোদয় কালত।

**৭৪** এতেকে (চহৰ দুখনক ওলট-পালট আৰু লণ্ড-ভণ্ড কৰি দি) ইয়াৰ ওপৰভাগ আমি বনাই দিলো ইয়াৰ তলৰভাগ, আৰু সিহঁতৰ ওপৰত বৰ্ষণ কৰিলো টান-পোৰা শিল।

**৭৫** নিসন্দেহে ইয়াতে নিদৰ্শন ৰৈছে পৰ্যবেক্ষণকাৰীসকলৰ কাৰণে।

**৭৬** আৰু নিশ্চয় এইটো (—এই চহৰৰ ধ্বংসাৱশেষ, আৰব আৰু চিৰিয়াৰ মধ্যৱৰ্তী) এটি পথৰ ওপৰত অৱস্থিত।

**৭৭** নিসন্দেহে ইয়াত নিদৰ্শন ৰৈছে মুমিনসকলৰ কাৰণে (যিসকলে এই ধ্বংসলীলা দেখি যেন শিক্ষা গ্ৰহণ কৰে)।

**৭৮** আৰু আছহাবুল আয়কাহ (বা অৰণ্যৰ বাসিন্দা তথা শু'আইবৰ সম্প্ৰদায়) অৱশ্যেই আছিল অন্যায়াচাৰী।

**৭৯** সেইকাৰণে সিহঁতৰ পৰা (সমুচিত শাস্তি দি) আমি প্ৰতিফল আদায় কৰিছিলো। সিহঁত উভয়েই (—চোদম আৰু আয়কাহ্ চহৰ দুটিৰ ধ্বংসস্তূপ) ৰৈছে (আৰব আৰু চিৰিয়াক যোগাযোগকাৰী) প্ৰকাশ্য ৰাজপথত (যিটো দেখি মানুহৰ যেন শিক্ষা হয়)।

## পৰিচ্ছেদ - ৬

**৮০** আৰু নিশ্চয় শিলাময় পৰ্বতৰ বাসিন্দাসকলেও (বা ছামূদ জাতিয়ে, সিঁহতৰ) ৰছুলসকলক প্ৰত্যাখ্যান কৰিছিল,

**৮১** আৰু সিহঁতক আমি আমাৰ নিৰ্দেশাৱলী দিছিলো, কিন্তু সিহঁতে সেইবিলাকৰ পৰা ফিৰি গৈছিল,

**৮২** আৰু সিহঁতে পাহাৰ কাটি নিশ্চিন্ত হৈ বাৰীঘৰ তৈয়াৰী কৰিছিল।

**৮৩** কিন্তু (ভূমিকম্প আৰু তাৰ সৈতে বিস্ফোৰণৰ) ভীষণ গৰ্গৰণিয়ে সিহঁতক ধৰিলে পুৱাবেলাতেই।

**৮৪** গতিকে সিহঁতে যি অৰ্জন কৰিছিল সেইবিলাক সিহঁতৰ কোনো কামত নাহিল।

**৮৫** আৰু আমি মহাকাশমণ্ডল আৰু পৃথিৱী আৰু এই দুয়োৰ মাজত যি সকলো আছে তাক সৃষ্টি কৰা নাই সত্যৰ ব্যতিৰেকে (অৰ্থাৎ ন্যায়সঙ্গত উদ্দেশ্য ব্যতীত)। আৰু নিসন্দেহে (অত্যাচাৰীগোষ্ঠীৰ শাস্তিৰ) ঘড়ি-ঘন্টা তো আহি পৰিল; গতিকে (সিহঁতৰ নিৰ্যাতন) উপেক্ষা কৰা মহৎ উপেক্ষাভৱে (আৰু যথাশীঘ্ৰেই মক্কাৰ পৰা হিজৰত কৰা)।

**৮৬** নিসন্দেহে তোমাৰ প্ৰভু,— তেৱেঁই সৰ্বস্ৰষ্টা, সৰ্বজ্ঞাতা।

**৮৭** আৰু নিশ্চয় তোমাক আমি দিছো (ছূৰাহ ফাতিহাহ-ৰ) বাৰে বাৰে পঢ়িবলৈ সাতোটি (আয়াত, যিটো কুৰআনৰ মাজত আটাইতকৈ বেচি পঢ়া হৈ থাকে), আৰু (যিটো হৈছে) এক সুমহান কুৰআন।

**৮৮** সিহঁতৰ (—কুৰআনৰ বিৰোধীপক্ষৰ) মাজৰ কিছুমান পৰিয়ালক যি ভোগবিলাসৰ বস্তু দিছো তাৰ প্ৰতি তোমাৰ চকু নিদিবা, আৰু সিহঁতৰ প্ৰতি তুমি ক্ষোভ নকৰিবা, বৰং (চৰাইয়ে তাৰ পোৱালীক ঢাকি ৰখাৰ দৰে) তোমাৰ (মৰমীয়া) পাখি নমাই আনা মুমিনসকলৰ কাৰণে।

**৮৯** আৰু তুমি কোৱাঁ— " নিসন্দেহে মই,— মই হৈছো এজন প্ৰকাশ্য সতৰ্ককাৰী।"

**৯০** যেনেকৈ আমি (শাস্তি) পঠাইছিলো (বিভিন্ন দলত) বিভক্তসকলৰ প্ৰতি (যিসকল শত শত দলত বিভক্ততো হৈছেই, তদুপৰি নিজৰ ধৰ্মগ্ৰন্থকো ঘনে ঘনে সাল-সলনি কৰি নতুন নতুন সংস্কৰণ উলিয়াইছে),—

**৯১** (তেনেকুৱা কঠোৰ শাস্তি পাৰিম সিবিলাকৰ প্ৰতি) যিবিলাকে কুৰআনক কৰে ছিন্নবিছিন্ন।

**৯২** গতিকে, তোমাৰ প্ৰভুৰ কচম! আমি নিশ্চয় সিহঁতৰ সকলোকে প্ৰশ্ন কৰিম—

**৯৩** সিহঁতে যি কৰি চলিছিল সেইসম্বন্ধে।

**৯৪** এতেকে প্ৰকাশ্যে ঘোষণা কৰা (কুৰআনৰ বলিষ্ঠ বাণী) যি তোমাক আদেশ কৰা হৈছে, আৰু বহুখোদাবাদীবিলাকৰ পৰা আঁতৰি থাকা।

**৯৫** আমিয়েইতো তোমাৰ কাৰণে বিদ্ৰূপকাৰীবিলাকৰ বিৰুদ্ধে যথেষ্ট,—

**৯৬** যিবিলাকে আল্লাহৰ সৈতে থিয় কৰায় অন্য উপাস্য; এতেকে শীঘ্ৰেই সিহঁতে জানিব পাৰিব (তোমালোকক বিদ্ৰূপ কৰাৰ পৰিণতি)।

**৯৭** আৰু আমি নিশ্চয়ে জানো যে সিহঁতে যি (গালি-শপনিসূচক কথা) কয় তাত তোমাৰ বুকু অৱশ্যে পীড়িত হয়;

**৯৮** গতিকে (হে মুহাম্মদ-ছাঃ! তোমাৰ বুকুৰ ব্যথা নিবাৰণৰ কাৰণে) তোমাৰ প্ৰভুৰ প্ৰশংসাৰে (তেঁওৰ) মহিমা কীৰ্তন কৰা, আৰু ছিজ্‌দাকাৰীসকলৰ মধ্যকাৰ হোৱা,

**৯৯** আৰু তোমাৰ প্ৰভুৰ উপাসনা কৰা যেতিয়ালৈকে নেকি তোমাৰ ওচৰত উপনীত হয় সুনিশ্চিত ঘটনা (অৰ্থাৎ অৱধাৰিত মৃত্যু, গতিকে আজীৱন একান্তভাৱে আল্লাহৰ প্ৰতি অনুগত জীৱন যাপন কৰি যোৱা, তাতেই হ'ব তোমাৰ চৰম সাফল্য)।

* * * * * * * * * * * *

ছুৰা - ১৬

# মৌমাখি

*(আন্ নহল, ঃ ৬৮)*

মক্কাত অৱতীৰ্ণ

আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম

**পৰিচ্ছেদ - ১**

**১** আল্লাহৰ হুকুম (যথা ইছলামৰ শত্ৰুৰ প্ৰতি শাস্তিদান) আহি পাইছেহি, গতিকে তাক বেগাই আনিবলৈ নাচাবা। সমস্ত মহিমা তেওঁৰেই, আৰু সিহঁতে (তেওঁৰ লগত) যি অংশী কৰে তেওঁ তাৰ বহুত ঊৰ্দ্ধত।

**২** তেওঁ ফিৰিশ্বতাসকলক তেওঁৰ নিৰ্দেশমতে প্ৰেৰণা দি পঠায় তেওঁৰ বান্দাসকলৰ মাজৰ যিজনৰ ওপৰত তেওঁ ইচ্ছা কৰে (যেন সেই প্ৰেৰণা বা প্ৰত্যাদেশৰ দ্বাৰা তেওঁলোকে মানুহক সৎপথ দেখুৱাব পাৰে),– এই বুলি, “তোমালোকে (পৌত্তলিকবিলাকক) সাৱধান কৰি দিয়া যে মোৰ বাহিৰে অইন কোনো উপাস্য নাই, গতিকে মোকেই ভয়-ভক্তি কৰা।”

**৩** তেওঁ মহাকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে সত্যৰ সৈতে (অৰ্থাৎ তেওঁৰ বিধানক সত্যসমৰ্থন কৰি)। সিহঁতে যি অংশী থিয় কৰায় তেওঁ তাৰ পৰা বহুত ঊৰ্দ্ধত।

**৪** তেঁও মানুহ সৃষ্টি কৰিছে শুক্ৰকীটৰ পৰা, অথচ চোৱা! (তাৰ সৃষ্টিৰ সূচনা ইমান নগন্য হোৱা সত্ত্বেও মহান আল্লাহৰ ক্ষমতা সম্বন্ধে) সি এজন দেখদেখকৈ বাকবিতণ্ডা কৰোঁতা।

**৫** আৰু (মানুহৰ সেৱাৰ কাৰণেই তো সৃষ্টি হৈছে বিশ্বজগতৰ গোটেই বস্তু, যেনে–) গবাদি পশু, তেওঁ সিহঁতক সৃষ্টি কৰিছে; তোমালোকৰ কাৰণে সিহঁতৰ মাজত ৰৈছে (পছম আৰু চামৰাৰে তৈয়াৰী) গৰম পোছাক, আৰু (বহুবিধ) মুনাফা, আৰু সিহঁতৰ মাজৰ পৰা (কিছুমান গবাদি পশুৰ মঙহ) তোমালোকে খোৱা।

**৬** আৰু তোমালোকৰ কাৰণে তাৰ মাজত ৰৈছে (ৰকম-ৰকমৰ) শোভা-সৌন্দৰ্য যেতিয়া তোমালোকে সিহঁতক ঘৰলৈ আনা আৰু যেতিয়া উলিয়াই নিয়া।

**৭** আৰু সিহঁতে তোমালোকৰ বোজা বহন কৰি লৈ যায় তেনে দেশলৈ যি ঠাইত তোমালোকে গৈ পাব নোৱাৰা নিজকে অত্যন্ত কষ্ট নিদিয়াকৈ। নিসন্দেহে তোমালোকৰ প্ৰভুতো পৰম স্নেহময়, অফুৰন্ত ফলদাতা।

**৮** আৰু (তেওঁ সৃষ্টি কৰিছে) ঘোঁৰা আৰু খচ্চৰ আৰু গাধ যাতে তোমালোকে সিহঁতৰ ওপৰত উঠিব পাৰা, আৰু (মিছিল তথা কুচাকাৱাজত) শোভাদানৰ কাৰণে। আৰু তেওঁ সৃষ্টি কৰে যি তোমালোকে (এতিয়াও) নাজানা।

**৯** আৰু আল্লাহৰ ওপৰতেই ৰৈছে সৰল পথ (প্ৰদৰ্শনৰ ভাৰ), আৰু সিহঁতৰ কিছুমান (পথ) হৈছে বেঁকা-বেকী। আৰু তেওঁ যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে তেঁও তোমালোকৰ সকলোকেই সৎকামত পৰিচালিত কৰিলেহেঁতেন (কিন্তু তেওঁ তোমালোকক সুযোগ দিছে নিজৰ বিবেক-বুদ্ধি প্ৰয়োগ কৰি নিজৰে ভাল-বেয়া নিজই ঠিক কৰি ল'বলৈ)।

**পৰিচ্ছেদ - ২**

**১০** তেৱেঁই সেইজন যিজনে আকাশৰ পৰা তোমালোকৰ কাৰণে বৰষুণ বৰ্ষণ কৰে, তাৰ পৰা হয় পানীয় জল আৰু তাৰ পৰা (উৎপন্ন) হয় গছ-গছনি (তথা ঘাঁহ পাত) য'তে তোমালোকে পশুচাৰণ কৰা।

**১১** তেওঁ তোমালোকৰ কাৰণে তাৰ দ্বাৰা জন্মায় শাক-পাচলি আৰু জলফাই আৰু খাজুৰ আৰু আঙুৰ আৰু হৰেক ৰকমৰ ফল-মূল। নিসন্দেহে ইয়াত অৱশ্যে (স্ৰষ্টাসম্বন্ধে) নিদৰ্শন ৰৈছে (সৃষ্টিৰ বিভিন্ন ৰহস্য লৈ) চিন্তা কৰে এনে লোকসকলৰ কাৰণে।

**১২** আৰু তেওঁ তোমালোকৰ কাৰণে সেৱাৰত কৰিছে ৰাতি আৰু দিনক আৰু সূৰ্য আৰু চন্দ্ৰক। আৰু গ্ৰহ-নক্ষত্ৰও অধীন হৈছে তেওঁৰ বিধানত। নিসন্দেহে ইয়াত নিশ্চয় নিদৰ্শন ৰৈছে (প্ৰাকৃতিক নিয়ম-নীতি সম্বন্ধে) জ্ঞানবুদ্ধি প্ৰয়োগ কৰে এনে লোকসকলৰ কাৰণে।

**১৩** আৰু যিবিলাক তেওঁ তোমালোকৰ কাৰণে পৃথিৱীত সৃষ্টি কৰিছে বিভিন্ন সেইবিলাকৰ ৰং (গঢ়-গঠন তথা গুণাগুণ)। নিসন্দেহে ইয়াত অৱশ্যে নিদৰ্শন ৰৈছে (সৃষ্টিকৰ্তাৰ সুনিপূণ কৰ্মকুশলতাৰ প্ৰতি) মনযোগ দিওঁতা লোকসকলৰ কাৰণে।

**১৪** আৰু তেৱেঁই সেইজন যিজনে সমুদ্ৰক কৰিছে (তোমালোকৰ) বশীভূত যাতে তাৰ পৰা তোমালোকে খাব পাৰা টাটকা মঙ্গহ, আৰু তাৰ পৰা উলিয়াই আনিব পাৰা (মুক্তা আৰু পোৱাল যাৰ দ্বাৰা তৈয়াৰী হয়) অলংকাৰ যি তোমালোকে পিন্ধা; আৰু তোমালোকে দেখা পোৱা ইয়াৰ বুকু চিৰি জাহাজ চলাচল কৰে যাতে তোমালোকে তেওঁৰ অনুগ্ৰহ-সামগ্ৰীৰ সন্ধান কৰিব পাৰা, আৰু যেন তোমালোকে (আল্লাহৰ প্ৰতি) কৃতজ্ঞতা জ্ঞাপন কৰা।

**১৫** আৰু তেওঁ পৃথিৱীত স্থাপন কৰিছে পাহাৰ-পৰ্বত যাতে তোমালোকৰ সৈতে সেইটো ঘূৰি থাকে, আৰু নদ-নদী আৰু আলি-বাট যাতে তোমালোকে সঠিক পথ লাভ কৰা।

**১৬** আৰু (পথ-পৰিচয়ৰ) চিহ্নসমূহ (তথা মহাপুৰুষসকলৰ জীৱনাদৰ্শ)। আৰু তৰাৰ সহায্যতো সেইসকলে পথনিৰ্দেশ পায়।

**১৭** যিজনে (বিশ্বজগতক) সৃষ্টি কৰে তেওঁ তেন্তে তাৰ নিচিনানে যি (একোৱেই) সৃষ্টি নকৰে? তেতিয়াও তোমালোকে (সৃষ্টিকৰ্তাক জানিবলৈ) মনোযোগ নিদিবানে?

**১৮** আৰু তোমালোকে যদি আল্লাহৰ অনুগ্ৰহ গণনা কৰিব বিচাৰা তোমালোকে সেইটোৰ লেখ-জোখ ল'ব নোৱাৰিবা। নিসন্দেহে আল্লাহেইতো (দোষ-ক্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১৯** আৰু আল্লাহে জানে তোমালোকে (অন্তৰত) যি গোপন ৰাখা আৰু যি তোমালোকে (কাৰ্যতঃ) প্ৰকাশ কৰা।

**২০** আৰু আল্লাহক এৰি (দেৱ-দেৱী প্ৰভৃতি) যিবিলাকক সিহঁতে মাতে সিহঁতে একোৱেই সৃষ্টি নকৰে, আৰু সিহঁত নিজেইতো (আল্লাহৰ দ্বাৰা আৰু মানুহৰ কল্পনাৰে) সৃষ্ট;–

**২১** সিহঁত মৃত, জীৱন্ত নহয় (কিয়নো হয় সিহঁত নিৰ্জীৱ মূৰ্তি নাইবা সিহঁত সকলোৱেই মৰি গৈছে); আৰু সিহঁতে নাজানে কেতিয়া সিহঁতক পুনৰুত্থিত কৰা হ'ব।

## পৰিচ্ছেদ – ৩

**২২** তোমালোকৰ উপাস্য একক উপাস্য; সেই কাৰণে যিসকলে পৰকালত (কৰ্মফল-প্ৰাপ্তি সম্বন্ধে) বিশ্বাস নকৰে সিহঁতৰ অন্তৰে (ইছলামৰ এই মৌলিক শিক্ষাক) প্ৰত্যাখ্যান কৰে, আৰু সিহঁতেই অহংকাৰী।

**২৩** কোনো সন্দেহ নাই যে আল্লাহে জানে যি সিহঁতে (নিজৰ অন্তৰত) লুকাই ৰাখে আৰু যি সিহঁতে প্ৰকাশ কৰে। নিসন্দেহে তেওঁ অহংকাৰীবিলাকক ভাল নাপায়।

**২৪** আৰু যেতিয়া সিহঁতক (আল্লাহৰ একত্বৰ প্ৰমাণ উল্লেখ কৰি) কোৱা হয়– "তোমালোকৰ প্ৰভুৱে কি বিষয়বস্তু অৱতাৰণ কৰিছে?" সিহঁতে কয়– "পুৰণি-কলীয়া গল্প!"

**২৫** ফলত কিয়ামতৰ দিনা সিহঁতে নিজৰেই (পাপ-পুণ্যৰ) বোজা পুৰামাত্ৰাই বহন কৰিব। আৰু সিহঁতৰো বোজাৰ পৰা কিছু যিবিলাকক সিহঁতে (সঠিক পথৰ) কোনো জ্ঞান নথকা হেতু পথভ্ৰষ্ট কৰি আছিল (সেই কাৰণে দুষ্কৃতিৰ নায়কবিলাকে দুগুণ শাস্তি ভোগ কৰিব)। চোৱা, সিহঁতে যি (গাধৰ বোজা) বহন কৰে সি নিকৃষ্ট নহয়নে?

## পৰিচ্ছেদ – ৪

**২৬** সিহঁতৰ পূৰ্বৱৰ্তীবিলাকেও নিশ্চয় চক্ৰান্ত কৰিছিল, কিন্তু আল্লাহে সিহঁতৰ (চক্ৰান্তৰ) ইমাৰত ধ্বংস কৰিছিল (সিবিলাকৰ) ভেটিৰ সৈতে, ফলত (সেই পকী ঘৰৰ) চাল সিহঁতৰ ওপৰত ভাঙ্গি পৰিছিল সিহঁতৰ (মূৰৰ) ওপৰৰ পৰা; আৰু সিহঁতৰ ওপৰত শাস্তি আহে এনেকুৱা (কল্পনাতীত) দিশৰ পৰা যি সিহঁতে নাজানিছিল।

**২৭** তাৰপাছত (এই দুনিয়াতে লাঞ্ছিত হোৱাৰ উপৰি) কিয়ামতৰ দিনা তেওঁ সিহঁতক লাঞ্ছিত কৰিব, আৰু তেওঁ ক'ব– "ক'লৈ গ'ল (তোমালোকে আৰোপ কৰা) মোৰ অংশীবিলাক যিবিলাকৰ সম্বন্ধে (নবী-ৰছুলৰ সৈতে) তোমালোকে বাকবিতণ্ডা কৰিছিলা?" যিসকলক জ্ঞান দিয়া হৈছিল তেওঁলোকে (অৰ্থাৎ নবী-ৰছুল আৰু জ্ঞানী-গুণীসকলে) ক'ব– "নিসন্দেহে আজিৰ দিনাৰ লাঞ্ছনা আৰু অমঙ্গল অবিশ্বাসীবিলাকৰ ওপৰতেই"–

**২৮** এইবিলাকেই– এইবিলাকৰ প্ৰাণ হৰণ কৰিব ফিৰিশ্বতাসকলে, সিহঁতে নিজৰেই প্ৰতি অন্যায়কাৰী থকা কালত। তেতিয়া সিহঁতে আত্মসমৰ্পণ কৰিব (আৰু ক'ব)– "আমি একোৰে বেয়া কৰা নাই (আমিতো সনাতন ধৰ্মকে পালন কৰি চলিছিলো)।" (ফিৰিশ্বতাসকলে ক'ব–) "নহয় তোমালোকে যি কৰা সেই বিষয়ত আল্লাহ নিশ্চয় সৰ্বজ্ঞাতা।

**২৯** "গতিকে জাহান্নামৰ দুৱাৰবোৰেদি সোমাই যোৱা তাতে (সুদীৰ্ঘকাল) থকাৰ কাৰণে। এতেকে অহংকাৰীবোৰৰ বাসস্থান কিমান নিকৃষ্ট!"

**৩০** আৰু যিসকলে ধৰ্মভীৰুতা অৱলম্বন কৰিছে তেওঁলোকক কোৱা হ'ব— "কি সেইটো যি তোমালোকৰ প্ৰভুৱে অৱতাৰণ কৰিছিলে?" তেওঁলোকে ক'ব— "মহাকল্যাণ।" যিসকলে ভাল কাম কৰে তেওঁলোকৰ কাৰণে এই দুনিয়াত ৰৈছে মঙ্গল, আৰু পৰকালৰ (চিৰস্থায়ী) বাৰীঘৰ অতি উত্তম। আৰু ধৰ্মপৰায়ণসকলৰ বাসস্থান কিমান উৎকৃষ্ট!—

**৩১** নন্দন কাননসমূহ— য'ত তেওঁলোক প্ৰবেশ কৰিব, সেইবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ, তেওঁলোকে যি বিচাৰে তেওঁলোকৰ কাৰণে তাত সেয়েই থাকিব। এইদৰেই আল্লাহে প্ৰতিদান দিয়ে ধৰ্মনিষ্ঠসকলক,—

**৩২** এইসকলক— এওঁলোকৰ প্ৰাণহৰণ কৰিব ফিৰিশ্বতাসকলে উত্তমভাৱে, তেওঁলোকে (এওঁলোকক অভিনন্দন কৰি) ক'ব— "তোমালোকৰ প্ৰতি ছালাম। তোমালোকে যি (সৎকৰ্ম) কৰিছিলা তাৰ বাবে স্বৰ্গোদ্যানত প্ৰৱেশ কৰা।"

**৩৩** সিহঁতে (—অবিশ্বাসীবিলাকে) আৰু একোৱেই অপেক্ষা নক'ৰে ইয়াৰ বাহিৰে যে সিহঁতৰ ওচৰলৈ ফিৰিশ্বতাসকল (শায়েস্তা কৰিবলৈ) আহক, অথবা (সিহঁতক বিধ্বংস কৰাৰ) তোমাৰ প্ৰভুৰ নিৰ্দেশনামা আহক। এনে আচৰণ কৰিছিল সিহঁতে যিবোৰ ইহঁতৰ আগতে বিদ্যমান আছিল। আৰু আল্লাহে সিহঁতৰ প্ৰতি (শাস্তি প্ৰদান কৰি) অন্যায় নকৰে, বৰং সিহঁতে (পাপৰ পথত চলি) সিহঁতৰ নিজৰ প্ৰতিয়েই অন্যায় কৰি গৈছিল।

**৩৪** গতিকে সিহঁতে যি কৰিছিল তাৰ বেয়াটোৱে (অৰ্থাৎ বেয়া প্ৰতিক্ৰিয়াই) সিহঁতক আক্ৰমণ কৰিব, আৰু যাক লৈ সিহঁতে (আল্লাহৰ সতৰ্কবাণী সম্বন্ধে) মস্কৰা কৰিছিল সেইটোৱেই ইহঁতক আগুৰি ধৰিব।

## পৰিচ্ছেদ - ৫

**৩৫** আৰু যিবিলাকে (আল্লাহৰ সৈতে দেৱ-দেৱীক) অংশী থিয় কৰায় সিহঁতে কয়— "আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন তেন্তে আমি তেওঁক এৰি অন্য কাৰোৱেই উপাসনা নকৰিলোহেঁতেন, আমি বা আমাৰ পিতৃপুৰুষসকলেও নহয়, আৰু আমি তেওঁক এৰি (অৰ্থাৎ তেওঁৰ নিৰ্দেশ ব্যতীত, হালাল খাদ্যৰ) কোনো বস্তুকেই নিষেধ নকৰিহেঁতেন (গতিকে আমি যিয়ে কৰোঁ তাত আমাৰ কোনো দায়দায়িত্ব নাই)।" এইদৰেই সিহঁতৰ পূৰ্বে যিসকল আছিল সিহঁতেও আচৰণ কৰিছিল (কিন্তু আল্লাহে সকলোকে সৎপথ দেখাই দিয়ে, কোনো বিশেষ পথত চলিবলৈ কাকো বাধ্য নকৰে)। তেন্তে ৰছুলসকলৰ ওপৰত (আল্লাহৰ বাণী) সুস্পষ্টভাৱে পোৱাই দিয়াৰ বাহিৰে আন কিবা (দায়িত্ব) আছে জানো?

**৩৬** আৰু আমি অৱশ্যেই (দুনিয়াৰ) প্ৰত্যেক জাতিৰ মাজত এক একজন ৰছুল থিয় কৰাইছো এই বুলি— "আল্লাহৰ উপাসনা কৰা আৰু তাগুতক (বা চয়তানক) বৰ্জন কৰা।" গতিকে সিহঁতৰ মাজত কিছুমান (চয়তানৰ অনুগামী লোক) আছে যিবিলাকৰ ওপৰত পথভ্ৰান্তিয়েই সমীচীন হৈছে। সেইকাৰণে পৃথিৱীত তোমালোকে ভ্ৰমণ কৰা আৰু (নিজ চকুৰে) চাই লোৱা কেনে হৈছিল (সত্য) প্ৰত্যাখ্যানকাৰীবিলাকৰ পৰিণাম।

**৩৭** (হে মুহাম্মদ-ছাঃ!) যদিও তুমি সিহঁতৰ হেদায়তৰ (বা সৎপথ অৱলম্বনৰ) কাৰণে পৰম প্ৰচেষ্টা কৰা তথাপি আল্লাহে নিশ্চয় তাক পথ নেদেখুৱায় যি (নিজকে) বিপথে চলায়, ফলত সিহঁতৰ কাৰণে কোনো সাহায্যকাৰীও নাই।

**৩৮** আৰু সিহঁতৰ জোৰদাৰ নিষ্ঠাৰে সিহঁতে আল্লাহৰ নামত শপথ খায়— "যি মৰা গৈছে তাক আল্লাহে (কেতিয়াও) পুনৰুত্থিত নকৰিব!" নহয়, এইটো তেওঁৰ ওপৰত নিয়োজিত পৰম সত্য ওৱাদা, কিন্তু অধিকাংশ লোকেই নাজানে,—

**৩৯** যেন তেওঁ (নিজৰ ওৱাদা অনুযায়ী) সিহঁতৰ ওচৰত সুস্পষ্ট কৰিব পাৰে সেই বিষয় য'ত সিহঁতে মতভেদ কৰিছে, আৰু যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতে যাতে জানিব পাৰে যে সিহঁত নিশ্চয় মিথ্যাবাদী আছিল।

**৪০** নিসন্দেহে যিকোনো বিষয়ত আমাৰ উক্তি হৈছে যেতিয়া আমি সেইটো (বাস্তবায়িত কৰিবলৈ) ইচ্ছা কৰো তেতিয়া তাৰ প্ৰতি আমি কওঁ— "হওঁ", তেতিয়া (চকুৰ পলকতে সেইটো ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হয়, আৰু যথাসময়ত সেইটো) হৈ যায়।

## পৰিচ্ছেদ - ৬

**৪১** আৰু যিসকলে আল্লাহৰ পথত হিজৰত কৰে অত্যাচাৰিত হোৱাৰ পাছত, আমি অৱশ্যেই সেইসকলক প্ৰতিষ্ঠা কৰিম এই পৃথিৱীতেই (যেনে প্ৰথমতে মদীনাত আৰু তাৰ পিছত এই মক্কাতেই) সুন্দৰভাৱে (বিশেষ সন্মান আৰু মৰ্যাদাৰ সৈতে)। আৰু পৰকালৰ পুৰস্কাৰ নিশ্চয় আৰু ভাল, যদি সিহঁতে জানিব পাৰিলেহেঁতেন।

**৪২** (এই ভাগ্যৱানসকল তেওঁলোক) যিসকলে অধ্যৱসায় কৰে আৰু নিজৰ প্ৰভুৰ ওপৰত নিৰ্ভৰ কৰি থাকে।

**৪৩** আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ আগেয়ে আমি মানুহৰ বাহিৰে অন্যক (ৰছুলৰূপে) পঠোৱা নাই যিসকলৰ ওচৰত আমি প্ৰত্যাদেশ দিছিলো; এতেকে তোমালোকে স্মৰণীয়-গ্ৰন্থপ্ৰাপ্তসকলক সোধা যদি তোমালোকে (মানুহকেই ৰছুল বনোৱা সম্বন্ধে) নাজানা,—

**৪৪** (যিসকল আহিছিল) স্পষ্ট প্ৰমাণাৱলী আৰু যবুৰ (বা ঐশিক ধৰ্মগ্ৰন্থ) লৈ। আৰু (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওচৰত আমি অৱতাৰণ কৰিছো স্মাৰক-গ্ৰন্থ (বা কুৰআন), যাতে তুমি মানৱজাতিৰ ওচৰত সুস্পষ্ট কৰি দিব পাৰা যি সিহঁতৰ ওচৰত (আগৰ দিনত) অৱতীৰ্ণ হৈছিল, আৰু যাতে সেইসকলে চিন্তাও কৰিব পাৰে (এই কুৰআন সম্বন্ধে)।

**৪৫** যিবিলাকে কুকৰ্মৰ (যেনে তোমাক হত্যা কৰাৰ) চক্ৰান্ত কৰে সিহঁতে তেন্তে (নিজকে) নিৰাপদ বোধ কৰেনে, যে (১) সিহঁতৰ কাৰণে আল্লাহে পৃথিৱীক ফাট কৰিব পাৰে (যেনেকুৱা পৃথিৱীয়ে ফালি গ্ৰাস কৰিছিল কাৰুন-ক); অথবা (২) সিহঁতৰ ওপৰত শাস্তি আহি পৰিব পাৰে এনেকুৱা দিশৰ

পৰা যি সিহঁতে ধাৰণাও কৰিব নোৱাৰে (যেনেকুৱা হৈছিল ফিৰআউন আৰু তাৰ সাঙ্গোপাঙ্গোৰ ওপৰত);

**৪৬** নাইবা (৩) সিহঁতক তেওঁ ধৰিব পাৰে সিহঁতৰ চলা-ফুৰাৰ সময়ত (যেনে মদীনাত আহি মুছলিমক আক্ৰমণ কৰাত), তাৰ ফলত সিহঁত (শাস্তিৰ পৰা) নিষ্কৃতিপ্ৰাপ্ত নহব;—

**৪৭** নাইবা (৪) সিহঁতক তেওঁ ধৰিব ভয়-ভীতি (তথা ক্ষয়-ক্ষতি) দি (যাৰ হেঁচাত সিহঁতে ক্ৰমাত ইছলাম গ্ৰহণ কৰি ল'ব)? গতিকে তোমালোকৰ প্ৰভু নিশ্চয়তো পৰম স্নেহময়, অফুৰন্ত ফলদাতা।

**৪৮** ভাল কথা, সিহঁতে লক্ষ্য কৰা নাইনে আল্লাহে যি সৃষ্টি কৰিছে সেইসকলো বস্তুৰ প্ৰতি,— সেইবিলাকৰ ছায়া (পৰ্যন্ত) দোলে সোঁৱে আৰু বাওঁে আল্লাহৰ প্ৰতি ছিজদাৱনত হৈ (অৰ্থাৎ প্ৰতিটো সৃষ্ট বস্তুৰ ছাঁবোৰেও আল্লাহৰ বিধানত আনুগত্য দেখুৱায়), আৰু সিহঁতে (মাটিৰ ওপৰত চেপেটা হৈ পৰি) বিনয়াবনত হয়।

**৪৯** আৰু আল্লাহৰ প্ৰতি **ছিজ্দা কৰে** জীৱজন্তুবিলাকৰ মাজত যিবিলাক আছে মহাকাশমণ্ডলত আৰু যিবিলাক আছে পৃথিৱীত, আৰু ফিৰিশ্তাসকলেও (তেনেকৈ ছিজ্দা কৰে), আৰু সিহঁতে অহংকাৰ নকৰে।

**৫০** সিহঁতে সিহঁতৰ প্ৰভুক ভয় কৰে সিহঁতৰ ওপৰৰ পৰা (তেওঁৰ কৰ্তৃত্ব উপলব্ধি কৰি), আৰু যি সিহঁতক আদেশ কৰা হয় সিহঁতে সেইটো পালন কৰে (গতিকে তেওঁৰ আদেশ মানি লৈ এই আয়াত পঢ়াৰ বা শুনাৰ লগে লগে মানুহে যেন সত্যিই ছিজ্দা কৰে)।

## পৰিচ্ছেদ - ৭

**৫১** আৰু আল্লাহে কৈছে— “তোমালোকে (আৰব-পাৰস্য-ভাৰতবাসীৰ দৰে জোৰা মিলাই) দুজনকৈ উপাস্য গ্ৰহণ নকৰিবা; নিসন্দেহে তেঁও এজনমাত্ৰ উপাস্য; গতিকে মোক, কেৱল মোকেই তোমালোকে ভয় কৰিবা।”

**৫২** আৰু মহাকাশমণ্ডল আৰু পৃথিৱীত যিকিবা আছে সেইবিলাক তেওঁৰেই, আৰু ধৰ্ম সদাই তেওঁৰ। তোমালোকে তেন্তে আল্লাহৰ বাহিৰে অইনক ভয়-শ্ৰদ্ধা কৰিবানে?

**৫৩** আৰু তোমালোকে অনুগ্ৰহৰ যিবোৰ পাইছা সেই সকলো আল্লাহৰ পৰাই, আকৌ যেতিয়া দুখ-কষ্টই তোমালোকক পীড়া দিয়ে তেতিয়া (স্বভাৱতঃ) তেওঁৰ ওচৰতে তোমালোকে বিননি কৰা।

**৫৪** তাৰ পাছত যেতিয়া তেঁও তোমালোকৰ পৰা দুখ-দুৰ্দশা দূৰ কৰি দিয়ে, তেতিয়া চোঁৱা, তোমালোকৰ এদলে নিজ প্ৰভুৰ সৈতে (কল্পিত) অংশী থিয় কৰায়,

**৫৫** যাতে সিহঁতে অস্বীকাৰ কৰিব পাৰে (সেইবোৰ অনুগ্ৰহ) যি আমি সিহঁতক দিছিলো। (সেয়েহে সিহঁতক কোৱা হৈছে—) “এতেকে ভোগ কৰি লোৱা, শীঘ্ৰে কিন্তু তোমালোকে গম পাবা!”

**৫৬** আৰু আমি সিহঁতক যি জীৱিকা দিছো তাৰ পৰা এটা অংশ সিহঁতে নিৰ্ধাৰিত কৰে সিহঁতৰ কাৰণে যিবিলাকৰ সম্বন্ধে সিহঁতে (একোৰেই) নাজানে। আল্লাহৰ কচম! তোমালোকক নিশ্চয় প্ৰশ্ন কৰা হ'ব যি (পুতলা-পূজা) তোমালোকে সাজি উলিয়াইছিলা সেইসম্বন্ধে।

**৫৭** আৰু সিহঁতে আল্লাহত আৰোপ কৰে কন্যাসন্তান! সকলো মহিমা তেওঁৰেই। অথচ নিজৰ কাৰণে (পুত্ৰসন্তান) যি সিহঁতে কামনা কৰে।

**৫৮** আৰু যেতিয়া সিহঁতৰ কোনোবাক সুসংবাদ দিয়া হয় কন্যাসন্তানৰ (জন্ম) সম্বন্ধে, তেতিয়া তাৰ মুখমণ্ডল কলা হৈ যায়, আৰু সি হয় অতি শোকাতুৰ।

**৫৯** সি স্বজাতিৰ পৰা নিজকে লুকুৱাই ৰাখে তাক (কন্যাসন্তান জন্মৰ) যি সংবাদ দিয়া হৈছে তাৰ গ্লানিৰ কাৰণে! (তাৰ চিন্তা-ভাৱনা হয়—) সি ইয়াক ৰাখিবনে হীনতা সত্ত্বেও, নতুবা তাক (জীৱন্তে) পুতি পেলাব মাটিৰ তলত? সিহঁতে যি সিদ্ধান্ত কৰে সেইটো নিকৃষ্ট নহয়নে?

**৬০** যিবিলাকে পৰকালত বিশ্বাস নক'ৰে সিহঁতৰ গুণবত্তা নিকৃষ্ট; আৰু আল্লাহৰ হৈছে সৰ্বোন্নত গুণাৱলী। আৰু তেওঁ হৈছে মহাশক্তিশালী, পৰম জ্ঞানী।

## পৰিচ্ছেদ - ৮

**৬১** আৰু আল্লাহে যদি মানুহক ধৰিলেহেঁতেন সিহঁতৰ অন্যায় আচৰণৰ কাৰণে তেন্তে তেওঁ ইয়াৰ ওপৰত কোনো জীৱজন্তুকেই (জীয়াই) নাৰাখিলেহেঁতেন, কিন্তু তেওঁ সিহঁতক অৱকাশ দি থাকে এটি নিৰ্দিষ্ট কাললৈকে (যেন সিহঁতে নিজৰ জীৱন সংশোধনৰ যথেষ্ট সময়-সুযোগ পায়); সেই কাৰণে যেতিয়া সিহঁতৰ (প্ৰাণত্যাগৰ) মিয়াদ আহি যায় তেতিয়া সিহঁতে মাত্ৰ কেইঘন্টামানৰ কাৰণেও (তাক) পিছুৱাই দিব নোৱাৰে, আৰু আগুৱায়ো আনিব নোৱাৰে।

**৬২** আৰু সিহঁতে আল্লাহতে আৰোপ কৰে (কন্যাসন্তান) যি সিহঁতে (নিজৰ ক্ষেত্ৰত) অপছন্দ কৰে, আৰু সিহঁতৰ জিভাই মিছাকথা ৰচনা কৰে যে (এই দুনিয়াৰ সকলো) ভাল বিষয়বস্তু সিহঁতৰ কাৰণেই। সন্দেহ নাই যে সিহঁতৰ কাৰণে ৰৈছে (দুযখৰ) জুই, আৰু নিসন্দেহে সিহঁতে (তাতে) পৰিত্যক্ত হ'বই।

**৬৩** (হে মুহাম্মদ-ছাঃ!) আল্লাহৰ কচম! আমি নিশ্চয় তোমাৰ আগতে (পৃথিৱীৰ সকলো) জাতিসমূহৰ ওচৰত ৰছুল পঠিয়াইছিলো, কিন্তু চয়তানে সিহঁতৰ (অশোভন) ক্রিয়া-কলাপ সিহঁতৰ ওচৰত শোভনীয় কৰি দেখুৱাইছিল; সেইহেতু সি আজি সিহঁতৰ মুৰব্বী; আৰু সিহঁতৰ বাবে (নির্ধাৰিত) ৰৈছে মর্মন্তুদ শাস্তি।

**৬৪** আৰু তোমাৰ ওচৰত আমি এই গ্রন্থ (—কুৰআন) পঠোৱা নাই এই কাৰণৰ বাহিৰে যে তুমি সিহঁতৰ ওচৰত সুস্পষ্টভাৱে বর্ণনা কৰিবা যি বিষয়ত সিহঁতে মতভেদ কৰে, আৰু (এইখন) এটি পথনির্দেশ আৰু কৰুণা সেই লোকসকলৰ কাৰণে যিসকলে বিশ্বাস কৰে।

**৬৫** আৰু আল্লাহে আকাশৰ পৰা বৰষুণ বর্ষায়, আৰু সেইয়াৰে তেওঁ পৃথিৱীক জীৱন্ত কৰে তাৰ মৃত্যুৰ পাছত। নিসন্দেহে ইয়াত যথার্থ নিদর্শন ৰৈছে সেই লোকসকলৰ কাৰণে যিসকলে (আল্লাহৰ বাণী) শুনে।

## পৰিচ্ছেদ - ৯

**৬৬** আৰু নিসন্দেহে গবাদি পশুৰ মাজত তোমালোকৰ কাৰণেতো শিক্ষণীয় বিষয় ৰৈছে। আমি তোমালোকক পান কৰাও (পুষ্টিকৰ পানীয়) যি ৰৈছে সিহঁতৰ পেটৰ মাজত— গোবৰ আৰু ৰক্তৰ মাজৰ পৰা— খাঁটি গাখীৰ, পানকাৰীসকলৰ কাৰণে সুস্বাদু।

**৬৭** আৰু খাজুৰগছৰ আৰু আঙুৰ-লতাৰ ফলৰ পৰা— তোমালোকে সিবিলাকৰ পৰা পোৱা মদিৰা আৰু উত্তম খাদ্যবস্তু। নিসন্দেহে ইয়াত প্রকৃত নিদর্শন ৰৈছে বুদ্ধি-বিবেচনা প্রয়োগ কৰে এনে লোকসকলৰ কাৰণে।

**৬৮** আৰু তোমাৰ প্রভুৱে মৌমাখিক প্রত্যাদেশ (বা অনুভূতি) দিলে— "(মৌৰস মজুত কৰাৰ কাৰণে) ঘৰবোৰ (যথা মৌচাক্) তৈয়াৰী কৰা পাহাৰৰ মাজত আৰু গছৰ মাজত আৰু সিহঁতে (—লোকসকলে) যি ঘৰ তৈয়াৰী কৰে তাতে,—

**৬৯** "তাৰ পাছত প্রত্যেক ফলৰ (আৰু ফুলৰ) পৰা (মকৰন্দ) খোৱা, তাৰ পাছত (মৌচাকত মধুসঞ্চয়ৰ নিমিত্তে মক্ষীৰাণীৰ পিনে ফেৰত আহিবলৈ) তোমাৰ প্রভুৰ (নির্দেশিত) বাট অনুসৰণ কৰা সুগম কৰা পথত।" সিবিলাকৰ পেটৰ পৰা ওলাই আহে এটি পানীয়, বিচিত্র যাৰ বর্ণ, য'ত ৰৈছে মানুহৰ কাৰণে ৰোগমুক্তি। নিসন্দেহে ইয়াত নিশ্চিত নিদর্শন ৰৈছে চিন্তা কৰে তেনে লোকসকলৰ কাৰণে।

**৭০** আৰু আল্লাহেই তোমালোকক সৃষ্টি কৰিছে, তাৰ পাছত তেওঁ তোমালোকৰ মৃত্যু ঘটায়। আৰু তোমালোকৰ মাজৰ কোনো কোনোবাক (বহু বছৰ জীয়াই ৰাখি) অনা হয় বয়সৰ অধমতম দশালৈ, যাৰ ফলত জ্ঞানলাভৰ পাছত (বুঢ়া-কালত) সি একোৰেই নাজানা হয়। নিসন্দেহে আল্লাহ সর্বজ্ঞাতা, কর্মক্ষম।

## পৰিচ্ছেদ - ১০

**৭১** আৰু আল্লাহে তোমালোকৰ কাৰোবাক আন কাৰোবাৰ ওপৰত জীৱনোপকৰণৰ বিষয়ত প্রাধান্য দিছে। তাৰ পাছত যিসকলক প্রাধান্য দিয়া হৈছে সিহঁতে নিজৰ জীৱনোপকৰণ নিদিয়ে সিহঁতৰ সোঁহাতে (দাসদাসীৰূপে) ধৰি-ৰাখাবিলাকক, জানোচা এইবিলাক এই বিষয়ত (সিহঁতৰ) সমান হৈ যায়। তেন্তে আল্লাহৰ অনুগ্রহ সিহঁতে অস্বীকাৰ কৰিছেনে?

**৭২** আৰু আল্লাহে তোমালোকৰ কাৰণে তোমালোকৰ মাজৰে পৰা সঙ্গিনীবিলাক সৃষ্টি কৰিছে আৰু তোমালোকৰ সঙ্গিনীবিলাকৰ পৰাই তোমালোকৰ নিমিত্তে দিছে সন্তান-সন্ততি আৰু নাতি-নাতিনী, আৰু তোমালোকৰ (ভোগৰ কাৰণে) জীৱিকা দান কৰিছে উত্তম বিষয়বস্তুৰ পৰা। তথাপি সিহঁতে মিছাতে (অর্থাৎ মিছা দেৱ-দেৱীত) বিশ্বাস কৰেনে, আৰু আল্লাহৰ অনুগ্রহ-সামগ্রীত সিহঁতেই বুজি অবিশ্বাস কৰে?—

**৭৩** আৰু সিহঁতে উপাসনা কৰে আল্লাহক এৰি সেইবোৰক যিবিলাকে অলপমানও ক্ষমতা নাৰাখে মহাকাশমণ্ডল আৰু পৃথিৱীৰ পৰা অহা ৰিযেকৰ ওপৰত, আৰু সিহঁতে (নিজক বা অন্যক সাহায্য কৰাৰ) কোনো ক্ষমতা নাৰাখে।

**৭৪** এতেকে আল্লাহৰ লগত কোনো সদৃশ স্থিৰ নকৰিবা। নিসন্দেহে আল্লাহে জানে আৰু তোমালোকে নাজানা (যে পৌত্তলিকতা অলীক কল্পনা)।

**৭৫** আল্লাহে উপমা দিছে আনৰ অধিকাৰভুক্ত এজন দাসৰ (যি দেৱ-দেৱীৰ গোলাম হৈ গৈছে)— কোনো বিষয়ৰ ওপৰত সি (—সেই কল্পিত দেৱতা) ক্ষমতা নাৰাখে, আৰু (মুহাম্মদ-ছাঃ-ৰ নিচিনা) এনে এক ব্যক্তিৰ যাক আমাৰ পৰা উত্তম জীৱিকা দি আমি ভৰণ-পোষণ কৰিছো, গতিকে তেওঁ তাৰ পৰা গোপনে আৰু প্রকাশ্যে খৰচ কৰে। সিহঁতে (—দেৱ-দেৱীৰ গোলামগোষ্ঠী আৰু বিশ্বজগতৰ ৰজা-বাদচাহ) সমান সমাননে? সকলো প্রশংসা আল্লাহৰ। কিন্তু সিহঁতৰ অধিকাংশই নাজানে।

**৭৬** আল্লাহে আৰু উপমা দিছে দুজন লোকৰ— সিহঁতৰ এজন বোবা (মূর্তিপূজক, যাৰ নিজৰ কোনো মাত নাই), কোনো কিছুতেই সি ক্ষমতা নাৰাখে, সি তাৰ মালিকৰ ওপৰত এটি বোজা, তাক য'লৈকে পঠোৱা নহওক লাগে সি ভাল একোৰেই আনিব নোৱাৰে। সি আৰু (মুহাম্মদ-ছাঃ-ৰ নিচিনা) সেই ব্যক্তি যিজনে ন্যায়বিচাৰৰ নির্দেশ দিয়ে, আৰু নিজে ৰৈছে সঠিক পথত,— (এই দুজন) সমান সমান হ'ব পাৰেনে?

## পৰিচ্ছেদ - ১১

**৭৭** আৰু মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰহস্য (সম্বন্ধে জ্ঞান) আল্লাহৰ। আৰু (সত্যৰ জয় তথা অসত্যৰ লয় হোৱাৰ) সেই ঘড়ীঘন্টাৰ বিষয় চকুৰ পচাৰতেই বা তাত কৈয়ো নিকটতৰ নহয় জানো! নিসন্দেহে আল্লাহ সকলো বিষয়ৰ ওপৰত সর্বশক্তিমান।

**৭৮** আৰু আল্লাহে তোমালোকক নিৰ্গত কৰিছে তোমালোকৰ মাহঁতৰ গৰ্ভৰ পৰা, তোমালোকে (তেতিয়া) একোৱেই নাজানিছিলা; আৰু তোমালোকৰ কাৰণে (জন্মৰ পাছৰ পৰা জ্ঞান আহৰণৰ নিমিত্তে) তেওঁ দিছে শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তি আৰু অন্তঃকৰণ, যাতে তোমালোকে (তেওঁৰ প্ৰতি) কৃতজ্ঞতা প্ৰকাশ কৰা।

**৭৯** সিহঁতে পক্ষীবিলাকৰ ফালে লক্ষ্য কৰা নাইনে আকাশৰ শূণ্যগৰ্ভত ভাসমান অৱস্থাত? আল্লাহৰ বাহিৰে অইন কোনেও ইবিলাকক ধৰি নাৰাখে। নিসন্দেহে ইয়াত প্ৰকৃততে নিদৰ্শন ৰৈছে বিশ্বাস কৰে এনে লোকসকলৰ কাৰণে (যিসকলে বুজিব পাৰে যে আল্লাহে যিকোনো মুহূৰ্তত শাস্তি আপতিত কৰিব পাৰে)।

**৮০** আৰু আল্লাহে তোমালোকৰ বাৰীঘৰত তোমালোকৰ কাৰণে আবাসস্থল বনাইছে, আৰু গোবাদি পশুৰ চামৰাৰ পৰা তোমালোকৰ কাৰণে (তম্বু) ঘৰ বনাইছে যিটো তোমালোকৰ যাত্ৰাৰ দিনত (অলৈ-তলৈ লৈ যাবলৈ) লঘু বোধ কৰা আৰু তোমালোকৰ অৱস্থানৰ দিনতো, আৰু সিহঁতৰ পচম আৰু সিহঁতৰ নোমাল চামৰা আৰু সিহঁতৰ চুলিৰ পৰা ৰৈছে গৃহস্থালি বস্তু আৰু কিছুকালৰ কাৰণে উপভোগসামগ্ৰী।

**৮১** আৰু তেওঁ যি (গছ-গছনি, পাহাৰ-পৰ্বত আৰু মেঘমালা) সৃষ্টি কৰিছে তাৰ পৰা আল্লাহে তোমালোকৰ কাৰণে বনাইছে ছায়া, আৰু পাহাৰৰ মাজত (গুহাৰ ভিতৰত) তোমালোকৰ কাৰণে তেওঁ বনাইছে আশ্ৰয়স্থলবোৰ, আৰু তোমালোকক তেওঁ ব্যৱস্থা কৰিছে সাজ-পোছাক যিয়ে তোমালোকক ৰক্ষা কৰে (জাৰ আৰু) গৰমৰ পৰা, আৰু বৰ্মবিলাক যি (আঘাতৰ পৰা) তোমালোকক ৰক্ষা কৰে তোমালোকৰ যুদ্ধ-বিগ্ৰহত। এইদৰে তেওঁ তোমালোকৰ প্ৰতি তেওঁৰ অনুগ্ৰহ পৰিপূৰ্ণ কৰিছে যাতে তোমালোকে আত্মসমৰ্পণ কৰা।

**৮২** কিন্তু যদি সিহঁতে (অবিশ্বাসত) ফিৰি যায় তেন্তে (হে মুহাম্মদ-ছাঃ!) তোমাৰ ওপৰততো দায়িত্ব হৈছে স্পষ্টভাৱে পৌছাই দিয়া।

**৮৩** সিহঁতে (—মানৱসমাজে) আল্লাহৰ অনুগ্ৰহ চিনিব পাৰে, তথাপি সিহঁতে (সেই অনুগ্ৰহবিলাকৰ মূল উৎস যে কুৰআন) সেইটো অস্বীকাৰ কৰে, আৰু সিহঁতৰ অধিকাংশই (ইছলামৰ প্ৰতি) অবিশ্বাসী।

## পৰিচ্ছেদ - ১২

**৮৪** আৰু (ৰোজ কিয়ামতৰ) সেইদিনা আমি প্ৰত্যেক জাতিৰ পৰা এক একজন সাক্ষী (তথা পয়গম্বৰ) থিয় কৰাম, তেতিয়া যিবিলাকে অবিশ্বাস কৰিছিল সিহঁতক (কৈফিয়ৎ দিয়াৰ) অনুমতি দিয়া নহ’ব, আৰু সিহঁতক ক্ষমা-প্ৰাৰ্থনা কৰিবলৈ দিয়া নহ’ব (কিয়নো পাৰ্থিৱ জীৱনত পৰ্যাপ্ত সময়-সুযোগ দিয়া সত্ত্বেও সিহঁতে ইয়াৰ অপব্যৱহাৰ কৰিছিল)।

**৮৫** আৰু যিবিলাকে অন্যায় আচৰণ কৰিছে সিহঁতে যেতিয়া (দুযখৰ আসন্ন) শাস্তি দেখিবলৈ পাব তেতিয়া সিহঁতৰ পৰা সেইটো লাঘব কৰা নহ’ব, আৰু সিহঁতক অৱসৰো দিয়া নহ’ব।

**৮৬** আৰু যিবিলাকে (আল্লাহৰ সৈতে) অংশী থিয় কৰাইছিল সিহঁতে যেতিয়া সিহঁতৰ দেৱতাবোৰক দেখিবলৈ পাব তেতিয়া সিহঁতে ক’ব— “আমাৰ প্ৰভু! এইবিলাকেই আমাৰ দেৱতা যিবিলাকক আমি পূজা কৰিছিলো তোমাক এৰি দি।” তেতিয়া সিহঁতে (—সেই দেৱতাবিলাকে) সিহঁতৰ ফালে (দোষাৰোপৰ) কথাটো ওলটাই মাৰিব— “নিসন্দেহে তোমালোকেই বাস্তৱে মিথ্যাবাদী!”

**৮৭** আৰু সিহঁতে (—সেই দুয়ো গোষ্ঠীয়ে) সেইদিনা আল্লাহৰ ওপৰত আত্মসমৰ্পণত হাওলি পৰিব, আৰু সিহঁতে যিবিলাক (পূজাপাৰ্বণ) উদ্ভাৱন কৰিছিল সেইবোৰ সিহঁতৰ পৰা বিদায় ল’ব।

**৮৮** যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু আল্লাহৰ পথৰ পৰা (মানুহক) ফিৰাই ৰাখে, আমি (সিহঁতৰ নিজ অবিশ্বাসৰ বাবে প্ৰাপ্য) শাস্তিৰ উপৰিও (আনক ভ্ৰান্তপথত চলোৱাৰ কাৰণে) সিহঁতৰ নিমিত্তে শাস্তি বঢ়াই দিম, যেহেতু সিহঁতে অশান্তি সৃষ্টি কৰিছিল।

**৮৯** আৰু (কিয়ামতৰ) সেইদিনা আমি প্ৰত্যেক জাতিৰ মাজত থিয় কৰাম সিহঁতৰ মাজৰ পৰা সিহঁতৰ উপৰত এক একজন সাক্ষী, আৰু (হে মুহাম্মদ-ছাঃ!) তোমাক আমি আনিম এজন সাক্ষীৰূপে এইবিলাকৰ ওপৰত (অৰ্থাৎ এই আৰববাসী তথা দুনিয়াৰ আন বাসিন্দাসকলৰ ওপৰত)। আৰু তোমাৰ ওচৰত আমি অৱতাৰণ কৰিছো ধৰ্মগ্ৰন্থ (যেনে— কুৰআন) সকলো বিষয়ৰ সুস্পষ্ট ব্যাখ্যাস্বৰূপ আৰু পথনিৰ্দেশ আৰু কৰুণা আৰু মুছলিমসকলৰ কাৰণে (পৰম সাফল্যৰ) সুসংবাদস্বৰূপ।

## পৰিচ্ছেদ - ১৩

**৯০** নিসন্দেহে আল্লাহে নিৰ্দেশ দিছে (১) ন্যায়পৰায়ণতাৰ, আৰু (২) সদ্‌আচৰণৰ আৰু (৩) আত্মীয়স্বজনক দান-দক্ষিণা কৰাৰ; আৰু তেওঁ নিষেধ কৰিছে (১) অশালীনতা আৰু (২) দুষ্কৃতি আৰু (৩) বিদ্ৰোহাচৰণ। তেওঁ তোমালোকক উপদেশ দিছে (এনেবিধ বিধি-নিষেধ সম্বন্ধে) যেন তোমালোকে মনোযোগ দিয়া।

**৯১** আৰু আল্লাহৰ অঙ্গীকাৰ পূৰণ কৰা যেতিয়া তোমালোকে (আল্লাহৰ লগত বা আল্লাহৰ নাম লৈ মানুহৰ সৈতে) কোনো অংগীকাৰ কৰি থাকা, আৰু প্ৰতিজ্ঞাসমূহ ভঙ্গ নকৰিবা সেইসমূহৰ দৃঢ়ীকৰণৰ পাছত, কিয়নো তোমালোকে (প্ৰতিজ্ঞাবদ্ধ হওঁতে) আল্লাহক তোমালোকৰ মাজত জামিন কৰিছা। নিসন্দেহে আল্লাহে জানে যি তোমালোকে কৰিছা।

**৯২** আৰু সেইজনীৰ নিচিনা নহ’বা যি তাইৰ সূতা খুলি পেলায় টুকুৰা টুকুৰ কৰি তাক মজবুত কৰি লোৱাৰ পাছত। তোমালোকৰ শপথসমূহক

তোমালোকৰ মাজত ছলনাৰ কাৰণে তোমালোকে ব্যৱহাৰ কৰিছা যেন (তোমালোকৰ) এক জাতি অন্য জাতিতকৈ ক্ষমতাশীল হ’ব পাৰে। আল্লাহে অৱশ্যেই ইয়াৰ (অর্থাৎ এই সূতা বোৱা আৰু খোলাৰ উপমাৰ) দ্বাৰা তোমালোকক পৰীক্ষা কৰিছে (যেন তোমালোক হুছিয়াৰ হ’ব পাৰা); আৰু যেন কিয়ামতৰ দিনা তোমালোকৰ ওচৰত সুস্পষ্ট কৰিব পাৰে (আল্লাহৰ বাণীৰ সত্যতা সম্পর্কে) যি বিষয়ত তোমালোকে মতভেদ কৰিছিলা।

**৯৩** আৰু আল্লাহে যদি ইচ্ছা কৰিলেহেঁতেন (নিজৰ ইচ্ছা লোকৰ ওপৰত চপাই দিবলৈ) তেন্তে তেওঁ নিশ্চয় তোমালোকক (সকলোকে) এক জাতিভুক্ত কৰি দিলেহেঁতেন, কিন্তু তেওঁ পথহাৰা হ’বলৈ দিয়ে যাকে ইচ্ছা কৰে, আৰু যাকে ইচ্ছা কৰে সৎপথত চলায়। আৰু তোমালোকক অৱশ্যেই সোধা হ’ব যি তোমালোকে কৰি গৈছিলা সেইসম্বন্ধে।

**৯৪** আৰু তোমালোকৰ শপতবিলাক তোমালোকৰ মাজত ছলনাৰ কাৰণে ব্যৱহাৰ নকৰিবা, জানোচা (তোমালোকৰ) ভৰি পিচলি যায় সেইখন সুপ্রতিষ্ঠিত হোৱাৰ পাছত, আৰু (ইয়াৰ ফলত) তোমালোকে বেয়াৰ সোৱাদ গ্রহণ কৰিবা যিহেতু তোমালোক আল্লাহৰ পথৰ পৰা উভতি গৈছা; আৰু তোমালোকৰ কাৰণে ৰৈছে কঠোৰ শাস্তি।

**৯৫** আৰু তোমালোকে আল্লাহৰ অঙ্গীকাৰক অলপ মূল্যত বিনিময় নকৰিবা। নিসন্দেহে যি (পুৰস্কাৰ) আল্লাহৰ ওচৰত ৰৈছে সেইটোহে তোমালোকৰ কাৰণে শ্রেষ্ঠ, যদি তোমালোকে (তাক) জানা।

**৯৬** যি (পার্থিৱ সম্পদ) তোমালোকৰ ওচৰত ৰৈছে সি (অচিৰেই) নিঃশেষ হৈ যাব, আৰু যি আল্লাহৰ ওচৰত আছে সি চিৰস্থায়ী। আৰু যিসকলে অধ্যৱসায় কৰি থাকে তেওঁলোকৰ পাৰিশ্রমিক আমি অৱশ্যেই প্রদান কৰিম তেওঁলোকে যি (সৎকর্ম) কৰি গৈছে তাৰ শ্রেষ্ঠ প্রতিদানৰূপে।

**৯৭** পুৰুষ অথবা নাৰীৰ মাজৰ যি কোনোবাই সৎকর্ম কৰে, আৰু সি মুমিন হয়, তাক তেন্তে আমি নিশ্চয় জীৱন ধাৰণ কৰিবলৈ দিম সুন্দৰ জীৱনত, আৰু এইসকলৰ পাৰিশ্রমিক আমি অৱশ্যেই এওঁলোকক প্রদান কৰিম এওঁলোকে যি (সৎকর্ম) কৰি গৈছে তাৰ শ্রেষ্ঠ প্রতিদানৰূপে।

**৯৮** গতিকে যেতিয়া তোমালোকে কুৰআন পাঠ কৰিবা তেতিয়া (ইয়াৰ মর্ম বুজাৰ বাবে) আল্লাহৰ ওচৰত আশ্রয় বিচাৰিবা ভ্রষ্ট চয়তানৰ (প্ৰৰোচনাৰ) পৰা।

**৯৯** নিসন্দেহে সি (চয়তান)– তাৰ কোনো আধিপত্য নাই তেওঁলোকৰ ওপৰত যিসকলে (আল্লাহৰ প্রতি আন্তৰিকতাৰে) ঈমান আনিছে আৰু নিজৰ প্রভুৰ ওপৰতেই নির্ভৰ কৰিছে।

**১০০** তাৰ আধিপত্য কেৱল সিহঁতৰ ওপৰতেহে যিবিলাকে তাকে বন্ধু বনাইছে, আৰু সেই লোকবিলাকৰ ওপৰত যিবিলাকে তেওঁৰ (–আল্লাহৰ) লগত অংশী থিয় কৰায়।

## পৰিচ্ছেদ – ১৪

**১০১** আৰু যেতিয়া আমি বদলি কৰি আনো (কুৰআনৰ উন্নত মানৰ) এটি আয়াত (পুৰণিকলীয়া ধর্মগ্রন্থৰ) অন্য আয়াতৰ ঠাইত– আৰু আল্লাহে ভাল জানে যি তেওঁ অৱতাৰণ কৰিছে, সিহঁতে কয়– “নিসন্দেহে তুমি এজন জালিয়াত।” কিন্তু সিহঁতৰ অধিকাংশই নাজানে (যে তুমি লিখা-পঢ়া শিকা নাই বুলি পূর্ববর্তী গ্রন্থৰ পৰা বক্তব্য উদ্ধৃত কৰা তোমাৰ পক্ষে সম্ভৱ নহয়)।

**১০২** তুমি কোৱাঁ, ৰূহুল কুদুছে (অর্থাৎ জিব্রীলে) তোমাৰ প্রভুৰ পৰা সত্যৰ সৈতে এইটো অৱতাৰণ কৰিছে যেন তেওঁ (ধর্মপৰায়ণতাত) দৃঢ়প্রতিষ্ঠিত কৰিব পাৰে সেইসকলক যিসকলে ঈমান আনিছে; আৰু পথনির্দেশ তথা সুসংবাদৰূপে মুছলিমসকলৰ কাৰণে।

**১০৩** আৰু আমি অৱশ্যেই জানো যে সিহঁতে কয়– “নিসন্দেহে তেওঁকতো কোনো এজন মানুহে (পূর্ববর্তী গ্রন্থৰ পৰা) শিকাই আছে।” ইহঁতে যিজনৰ প্রতি ইঙ্গিত কৰে তাৰ ভাষা বিদেশী, অথচ এয়া পৰিষ্কাৰ আৰবী ভাষা (গতিকে ভিন্‌দেশীয় ভাষা কৰোঁতাৰ পক্ষে মনোৰম আৰবী ভাষাত কুৰআন ৰচনা কৰা কেতিয়াও সম্ভৱপৰ নহয়)।

**১০৪** নিসন্দেহে যিবিলাকে আল্লাহৰ বাণীসমূহত বিশ্বাস নকৰে আল্লাহে সিহঁতক পথ নেদেখুৱাব, আৰু সিহঁতৰ কাৰণে (নির্ধাৰিত) ৰৈছে মর্মন্তুদ শাস্তি।

**১০৫** বাস্তৱতে অকল সিহঁতেই মিথ্যা উদ্ভাৱন কৰে যিবিলাকে আল্লাহৰ বাণীসমূহত বিশ্বাস নকৰে, আৰু সিহঁত নিজেই হৈছে মিথ্যাবাদী।

**১০৬** যি আল্লাহত অবিশ্বাস পোষণ কৰে তাৰ বিশ্বাস স্থাপনৰ পাচত,– তাৰ বাহিৰে যি (চৰম অত্যাচাৰত কাহিল হৈ অবিশ্বাসসূচক কথা ক’বলৈ) বাধ্য হয়, অথচ তাৰ হৃদয় (আল্লাহৰ প্রতি) ঈমানত অবিচলিত থাকে– কিন্তু তাৰ ক্ষেত্রত যি অবিশ্বাসৰ কাৰণে (তাৰ) বক্ষ প্রসাৰিত কৰে, সিহঁতৰ ওপৰতেই (আহিব) আল্লাহৰ ক্রোধ, আৰু সিহঁতৰ কাৰণে ৰৈছে কঠোৰ শাস্তি।

**১০৭** এইটো এই কাৰণেই যে সিহঁতে এই দুনিয়াৰ জীৱনক পৰকালতকৈও বেছি ভাল পায়, আৰু এই কাৰণেই যে আল্লাহে অবিশ্বাসী সম্প্রদায়ক পথ নেদেখুৱায়।

**১০৮** ইহঁতেই সিহঁত যিবিলাকৰ হৃদয়ৰ ওপৰত আৰু যিবোৰৰ কাণৰ ওপৰত আৰু যিহঁতৰ চকুৰ ওপৰত আল্লাহে মোহৰ মাৰি দিছে, আৰু সিহঁত নিজেই হৈছে (সত্যৰ প্রতি) বেখেয়াল।

**১০৯** কোনো সন্দেহ নাই যে পৰকালত সিহঁত নিজেই হ’ব ক্ষতিগ্রস্ত।

**১১০** তাৰ পাছত তোমাৰ প্ৰভু নিশ্চয়– যিসকলে (মক্কাৰ পৰা মদীনালৈ) হিজৰত কৰিছিল নিৰ্যাতিত হোৱাৰ পাছত, তাৰ পিছত (ইছলামৰ বাবে) জিহাদ কৰে আৰু অধ্যৱসায় চলায়– নিসন্দেহে তোমাৰ প্ৰভু ইয়াৰ পাছত অৱশ্যেই (ভুলভ্ৰান্তিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৫

**১১১** (শেষ বিচাৰৰ) সেইদিনা প্ৰত্যেক সত্ত্বাই নিজৰ আত্মাৰ কাৰণে ওকালতি কৰি আহিব, আৰু প্ৰত্যেক সত্ত্বাকে পূৰা প্ৰাপ্য দিয়া হ’ব যি সি কৰিছিল তাৰ কাৰণে, আৰু (কৰ্মফল দিয়াৰ বেলিকা) সেইবিলাকৰ প্ৰতি অন্যায় কৰা নহ’ব।

**১১২** আৰু আল্লাহে এটি উপমা এৰিছে ঃ এখন নগৰ (যেনে মক্কা নগৰী) যি (প্ৰথমে) নিৰাপদ শান্তিপূৰ্ণ আছিল, ইয়াৰ জীৱিকা সকলো ফালৰ পৰা প্ৰচুৰ পৰিমাণে তালৈ আহিছিল; তাৰ পাছত আল্লাহৰ অনুগ্ৰহাৱলীসম্বন্ধে সেইখন (নগৰ) অকৃতজ্ঞ হ’ল; (মুহাম্মদ-ছাঃ-ক প্ৰত্যাখ্যান কৰি) সেইবোৰে যি (অন্যায়) কৰি চলিছিল সেইকাৰণে আল্লাহে তাক সোৱাদ লবলৈ দিলে (সাত বছৰব্যাপী) ক্ষুধাৰ আবৰণেৰে আৰু আতঙ্কৰে।

**১১৩** আৰু অৱশ্যে সিহঁতৰ ওচৰলৈ সিহঁতৰ মাজৰে পৰা এজন ৰছুল (যেনে মুহাম্মদ-ছাঃ) আহিছিলে, কিন্তু সিহঁতে তেওঁৰ প্ৰতি মিথ্যাৰোপ কৰিলে, গতিকে শাস্তিয়ে সিহঁতক ধৰিলে যেতিয়া সিহঁত আছিল অন্যায়কাৰী।

**১১৪** এতেকে তোমালোকে আহাৰ কৰা আল্লাহে তোমালোকক যিবোৰ বৈধ পৱিত্ৰ ৰিযেক দিছে তাৰ পৰা, আৰু আল্লাহৰ অনুগ্ৰহাৱলীৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰা যদি তোমালোকে তেওঁকেই উপাসনা কৰি থাকা।

**১১৫** নিসন্দেহে তেওঁ তোমালোকৰ কাৰণে অবৈধ কৰিছে যি (আপোনা-আপুনি) মৰি গৈছে, আৰু (নিগৰি পৰা) তেজ, আৰু গাহৰিৰ মঙহ, আৰু যি বধ কৰা হৈছে তাৰ ওপৰত আল্লাহৰ বাহিৰে অইনৰ নামত; কিন্তু যি কোনোবা হেচাত পৰিছে, অবাধ্য নহৈ বা মাত্ৰা নেৰি, তেন্তে আল্লাহ নিসন্দেহে (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**১১৬** নিসন্দেহে যিহেতু তোমালোকৰ জিভা মিছা কোৱাতেই পটু, সেই কাৰণে তোমালোকে নকবা— “এইটো বৈধ আৰু এইটো অবৈধ”— আল্লাহৰ নামত মিছা (বিধি-নিষেধ) আৰোপ কৰি। নিসন্দেহে যিবিলাকে আল্লাহৰ নামত মিছা ৰচনা কৰে সিহঁতে সফলকাম নহ’ব।

**১১৭** (এনেকুৱা মিছলীয়া ধৰ্মনেতাৰ কাৰণে ৰৈছে) সামান্য সুখ-সম্ভোগ, আৰু সিহঁতৰ কাৰণে (অপেক্ষা কৰিছে) মৰ্মন্তুদ শাস্তি।

**১১৮** আৰু যিবিলাকে ইহুদী মত পোষণ কৰে সিহঁতৰ নিমিত্তে যি আমি অবৈধ কৰিছিলো সি ইতিপূৰ্বে তোমাৰ ওচৰত আমি বৰ্ণনা কৰিছো; আৰু সিহঁতৰ প্ৰতি আমি কোনো অন্যায় কৰা নাই, বৰং সিহঁতে নিজৰে প্ৰতি অন্যায় কৰিছিল।

**১১৯** ইয়াৰ পাছতো নিসন্দেহে তোমাৰ প্ৰভুৱে— যিবিলাকে অজ্ঞানতা বশতঃ পাপ কৰে, আৰু তাৰ পাছত (অনুতপ্ত হৈ সৎপথলৈ) ফিৰি আহে আৰু সৎকৰ্ম কৰে, সিহঁতৰ কাৰণে তোমাৰ প্ৰভু নিশ্চয় ইয়াৰ পাছতো (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

## পৰিচ্ছেদ - ১৬

**১২০** নিসন্দেহে ইব্ৰাহীম (আঃ) আছিল এক (মহান) সম্প্ৰদায় (আৰু বিশ্বাসীগোষ্ঠীৰ পিতৃপুৰুষ), আল্লাহৰ অনুগত, (ধৰ্মবিশ্বাসত) একনিষ্ঠ। আৰু তেওঁ বহুখোদাবাদীবিলাকৰ অন্তৰ্ভুক্ত হোৱা নাছিল,—

**১২১** (তেওঁ আছিল) তেওঁৰ (—আল্লাহৰ) অনুগ্ৰহাৱলীৰ কাৰণে কৃতজ্ঞ। তেওঁ (—আল্লাহে) তেওঁক (ৰছুলৰূপে) নিৰ্বাচিত কৰিছিলে আৰু তেওঁক পৰিচালিত কৰিছিলে সঠিক বাটেদি।

**১২২** আৰু আমি তেওঁক দুনিয়াত কল্যাণ দিছিলো; আৰু তেওঁ পৰকালতো নিশ্চয় হৈছে সাধুপুৰুষসকলৰ অন্তৰ্ভুক্ত।

**১২৩** (হে নবী!) ইয়াৰ পাছত আমি তোমাৰ ওচৰত প্ৰত্যাদেশ দিছিলো এই বুলি ঃ “একনিষ্ঠ ইব্ৰাহীমৰ ধৰ্মমতৰ (অৰ্থাৎ ইছলামৰ) অনুসৰণ কৰা; আৰু তেওঁ বহুখোদাবাদী-বিলাকৰ অন্তৰ্ভুক্ত নাছিল।”

**১২৪** নিসন্দেহে (সপ্তাহৰ শনিবাৰে) ছাব্বাতৰ (কৰ্মবিৰতি আৰু আল্লাহৰ উপাসনাৰ) নিয়ম ধাৰ্য কৰা হৈছিল কেৱল সিহঁতৰ কাৰণে (যেনে ইহুদী আৰু খ্ৰীষ্টানবিলাকৰ কাৰণে) যিবিলাকে এই সম্বন্ধে মতভেদ কৰিছিল । আৰু তোমাৰ প্ৰভু অৱশ্যেই সিহঁতৰ মাজত কিয়ামতৰ দিনা মীমাংসা কৰি দিব যি বিষয়ত সিহঁতে মতভেদ কৰিছিল সেই বিষয়ে।

**১২৫** (হে মুহাম্মদ-ছাঃ!) তোমাৰ প্ৰভুৰ পথলৈ (জগতৎবাসীক) আহ্বান কৰা জ্ঞান আৰু শ্ৰেষ্ঠ উপদেশৰ দ্বাৰা (যেনে তোমাৰ) উদাহৰণযোগ্য জীৱনাদৰ্শৰ দ্বাৰা, আৰু সিহঁতৰ লগত পৰ্যালোচনা কৰা (সৌজন্যৰ সৈতে) এনেভাৱে যি শ্ৰেষ্ঠ। নিসন্দেহে তোমাৰ প্ৰভুৱে স্বয়ং ভাল জানে তাক যি (জধে-মধে তৰ্ক-বিতৰ্ক আৰু তৰ্জন-গৰ্জন কৰি) তেওঁৰ পথৰ পৰা ভ্ৰষ্ট হৈছে, আৰু তেওঁ ভালকৈ জানে সৎপথাৱলম্বীসকলক।

**১২৬** আৰু (হে-ৰা মুছলিমসকল! প্ৰতিদ্বন্দ্বীসকলৰ ওপৰত) যদি তোমালোকে আঘাত দিয়া তেনেহলে আঘাত দিবা যি পৰিমাণত তোমালোকক আঘাত কৰা হৈছিল তেনেকুৱাকৈ। আৰু যদি তোমালোকে অধ্যৱসায় অৱলম্বন কৰা সেইটো তেনেহলে অধ্যৱসায়ীসকলৰ কাৰণে অধিক ভাল।

**১২৭** আৰু (প্ৰতিদ্বন্দ্বীবিলাকৰ পৰা চৰম উচটনি সত্ত্বেও) তুমি অধ্যৱসায় অৱলম্বন কৰা, আৰু তোমাৰ অধ্যৱসায় আল্লাহৰ পৰা নহয় জানো; আৰু তুমি সিহঁতৰ কাৰণে আফচোচ নকৰিবা, আৰু তুমি মনঃক্ষুণ্ণ নহ’বা সিহঁতে (তোমাৰ বিৰুদ্ধে) যি চক্ৰান্ত কৰে সেইকাৰণে।

**১২৮** (তোমাৰ বৃহত্তম সান্ত্বনা এয়ে যে) নিসন্দেহে আল্লাহ সেইসকলৰ সৈতে ৰৈছে যিসকলে ধৰ্মপৰায়ণতা অৱলম্বন কৰে আৰু যিসকল স্বয়ং (শত্ৰু-মিত্ৰ সকলোৰে প্ৰতি) সৎকৰ্মপৰায়ণ (গতিকে তোমালোকৰেই হ'ব পৰম সাফল্য, আৰু তুমিয়েই হ'বা বিজয় গৌৰৱেৰে ভূষিত)।

* * * * * * * * * * * *